চিৰচেনেহী মোৰ ভাষা-জননী

# দেশভক্ত ফুকন-স্মৃতিমাল্য

ঃ শতবাৰ্ষিকীৰ শ্ৰদ্ধাৰ্ঘ্য ঃ


মুখ্য সম্পাদক

অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

সহযোগী সম্পাদক

ডঃ শ্ৰীহেমন্তকুমাৰ শৰ্মা

শ্ৰীৰামচৰণ ঠাকুৰীয়া



অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাট—১

DESHABHAKTA PHUKAN SMRITIMALYA Centenary
Commemoration Volume, compiled and published
by Asam Sahitya Sabha, Chandrakanta
Sandikoi Bhavan, Jorhat-1

প্ৰকাশক

ড° শ্ৰীহেমন্তকুমাৰ শৰ্মা
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১

মূল্য—১০.০০ (দহ টকা)

প্ৰথম প্ৰকাশ
২২ জানুৱাৰী, ১৯৭৭ চন

ছপাশাল
শ্ৰীসৰস্বতী প্ৰেছ
দীঘলীপুখুৰী পাৰ
গুৱাহাটী-১

# আমাৰ কথা

সভা-সমিতি, উছৱ আদি পতাৰ উপৰিও ৰচনাৱলী, জীৱনী, স্মৃতিগ্ৰন্থ আদি প্ৰকাশ কৰাটো অসম সাহিত্য সভাই বীৰপূজা আঁচনিৰ অন্তৰ্গত কৰি লৈছে। এই উদ্দেশ্যলৈ লক্ষ্য ৰাখি এতিয়ালৈকে অসম সাহিত্য সভাই বেজবৰুৱা ৰচনাবলী (দুই খণ্ড), পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী, কনকলাল বৰুৱা ৰচনাৱলী, ৰজনী বৰদলৈ ৰচনামালা, আনন্দচন্দ্ৰ আগৰৱালা ৰচনাৱলী, চন্দ্ৰধৰ বৰুৱা ৰচনাৱলী আদি মূল্যবান গ্ৰন্থাৱলী আৰু ৰাধাকান্ত সন্দিকৈ, পৰমাচাৰ্য্য হেমচন্দ্ৰ গোস্বামী, জগন্নাথ বৰুৱা, সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা, প্ৰভৃতি জনচেৰেক বৰেণ্য লোকৰ জীৱনী প্ৰকাশ কৰিছে। তদুপৰি প্ৰাক্তন সভাপতিসকল আৰু জনদিয়েক সাহিত্য সভাৰ লগত জড়িত বৰেণ্য লোকৰ মৃত্যুত নাইবা জন্ম-শতবাৰ্ষিকী উপলক্ষে একোখনি স্মৃতিগ্ৰন্থও প্ৰকাশ কৰা হৈছে। তেনে গ্ৰন্থবোৰ হৈছে: (ক) ৰঘুনাথ চৌধাৰী স্মৃতিগ্ৰন্থ, (খ) নকুলচন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ, (গ) হিতেশ্বৰ বৰবৰুৱা স্মৃতিমাল্য (ঘ) অম্বিকাগিৰী ৰায়চৌধুৰী স্মৃতিগ্ৰন্থ, (ঙ) ডিম্বেশ্বৰ নেওগ স্মৃতিগ্ৰন্থ, ইত্যাদি। ইতিমধ্যে এই গ্ৰন্থবোৰ ৰাইজৰদ্বাৰা বিপুলভাৱে সমাদৃত হোৱা দেখি আমি উৎসাহিত হৈছোঁ।

এইখিনিতে আমি এটা কথা জনাই থব খোজোঁ যে সাহিত্য সভাই সকলো কেইজন যোগ্য-সাহিত্যিকক যে সামৰি লব পাৰিছে, তেনে কথা আমি কেতিয়াও ভবা নাই। সামৰ্থ্য আৰু সুবিধা অনুসৰি এই সম্পৰ্কে যৎসামান্য কামহে কৰা হৈছে বুলি আমি ভাবোঁ।

সম্প্ৰতি দেশভক্ত তৰুণৰাম ফুকন ডাঙৰীয়াৰ শতবাৰ্ষিকীৰ দিন সমাগত হৈছে। সাহিত্য সভাই এটা প্ৰস্তাবৰ যোগে কেন্দ্ৰীয়ভাবে গুৱাহাটীত তৰুণৰাম ফুকন আৰু কালিৰাম মেধি ডাঙৰীয়াৰ জন্মোৎসৱ অগাপিছাকৈ পাতিবলৈ সিদ্ধান্ত লয়, আৰু সেই উপলক্ষে স্মৃতিগ্ৰন্থ প্ৰকাশ আৰু এলানি স্মাৰক-বক্তৃতাৰ দিহা কৰিবলৈকো সিদ্ধান্ত লয়।

ইতিমধ্যে অসম সাহিত্য সভাৰ সিদ্ধান্তৰ কাৰ্য্যকৰী ৰূপ দিবলৈ গুৱাহাটীত স্থানীয়ভাৱে "তৰুণৰাম ফুকন আৰু কালিৰাম মেধি জন্ম-শতবাৰ্ষিকী উছৱ সমিতি" নামেৰে এখন সমিতি গঠন কৰি দিয়া হৈছে। সেই সমিতিয়ে ফুকনৰ

শতবাৰ্ষিকী উছৱ পালন কৰিবলৈ কৰ্ম-তৎপৰ হৈছে। এই সমিতিৰ সভাপতি হৈছে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা। স্মাৰকবক্তৃতা প্ৰদান কৰিব সাহিত্য সভাৰ আন এগৰাকী প্ৰাক্তন সভাপতি শ্ৰীতীৰ্থনাথ শৰ্মাদেৱে।

আন এটা প্ৰস্তাৱযোগে এই উপলক্ষে এখন স্মৃতিগ্ৰন্থ উলিয়াবলৈ কাৰ্য্য নিৰ্বাহক সভাই এখন তিনিজনীয়া সম্পাদনা-সমিতি গঠন কৰি দিয়ে। এই সমিতিৰ মুখ্যসম্পাদক অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আৰু সহযোগী সম্পাদক ডঃ হেমন্তকুমাৰ শৰ্মা আৰু শ্ৰীৰামচৰণ ঠাকুৰীয়া। হাজৰিকাদেৱে তেখেতৰ নিবেদনত দেশভক্ত ফুকনৰ স্মৃতিগ্ৰন্থ সম্পৰ্কীয় জানিবলগীয়া সকলো কথা বিৱৰি কৈ আমাৰ কাম লাঘৱ কৰি দিছে। ইয়াত সেইবোৰৰ পুনৰুক্তি নকৰি শ্ৰদ্ধেয় শ্ৰীহাজৰিকাদেৱে আৰু শ্ৰীঠাকুৰীয়া প্ৰমুখ্যে এই স্মৃতিগ্ৰন্থৰ লগত জড়িত সকলো লোক আৰু অনুষ্ঠানলৈকে সাহিত্য সভাৰ পক্ষৰ পৰা মই আন্তৰিক ধন্যবাদ জনাইছোঁ। লগতে সভাৰ সভাপতি শ্ৰদ্ধেয় শ্ৰীযজ্ঞেশ্বৰ শৰ্মা প্ৰমুখ্যে যি সকল শুভাকাঙ্ক্ষীয়ে দিহা-পৰামৰ্শ দি স্মৃতিগ্ৰন্থ সঙ্কলন আৰু সম্পাদন কাৰ্য্যত সহায় কৰিছে, সেই সকলৰ ওচৰতো আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰা হ'ল।

ভগৱতীপ্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী
২২ জানুৱাৰী, ১৯৭৭

**হেমন্তকুমাৰ শৰ্মা**
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

# সবিনয় নিবেদন

দেশভক্ত তৰুণৰাম ফুকন আৰু কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ এই দুগৰাকী অসমৰ সমসাময়িক তালযুৰীয়া নমস্য নেতা। ইজনৰ কথা ওলালে সিজনলৈ মনত নপৰাকৈ নেথাকে। সুপ্ৰসিদ্ধ মণিৰাম দেৱান মৃত্যুৰ পিছতহে লোকমানসত প্ৰস্ফুটিত হৈছিল বৰদলৈ-ফুকন এই দুগৰাকী পুৰুষে হলে তেওঁলোকে জীৱিত কালতে জনতাৰ হৃদয় জয় কৰি লোকগীতৰ নায়ক হব পাৰিছিল। সেইসকলে কেৱল যে ৰাজনীতিতে নেতৃত্ব কৰিছিল এনে নহয়, অসমীয়া সাহিত্য-সংস্কৃতিতো ফুকন-বৰদলৈৰ সুকীৰ্তি অবিস্মৰণীয়। এই সিংহপুৰুষ দুজনক যিসকলৰ দেখা পাবৰ সৌভাগ্য নহ'ল, তেওঁলোকক সেই সকলৰ গগনচুম্বী ব্যক্তিত্ব আৰু বহুমুখী প্ৰতিভাৰ বিষয়ে কথাৰে লিখি সম্যকভাৱে বুজাবলৈ টান। সেই সকলক আনে পাহৰিলেও অসমবাসীয়ে কেতিয়াও পাহৰিব নোৱাৰে, পাহৰাটো উচিতো নহয়।

ফুকন ডাঙৰীয়াই এদিন অসম সাহিত্য সভাৰো সভাপতিৰ আসনখন অলঙ্কৃত কৰিছিল। সেই কাৰণে এইজন জাতীয় নেতাৰ প্ৰতি অসম সাহিত্য-সভাৰ বিশেষ দায়িত্ব আছে, পালনীয় কৰ্তব্য আছে। মই নকলেও হব যে অসম সাহিত্য-সভাৰ দ্বাৰা প্ৰাক্তন সভাপতিসকলৰ শতবাৰ্ষিকী পালন কৰা পৰম্পৰা এটি ইতিমধ্যে প্ৰবৰ্তন কৰা হৈছে। সেই অনুসৰি আজি দেশভক্তৰ জন্মোৎসৱতো আমাৰ গা উঠিছে, অসম সাহিত্য-সভায়ো দেশবাসীৰ লগতে আনন্দত আপ্লুত হৈ এভাগি বীৰপূজাৰ আয়োজন কৰিছে। এই পুণ্য তিথি উপলক্ষে এই স্মৃতিমাল্যধাৰ গাঁথি দেশভক্তৰ পবিত্ৰ নামত উছৰ্গা কৰিবলৈ অসম সাহিত্য সভাই সঙ্কল্প লৈছিল। তাকে কাৰ্য্যত পৰিণত কৰিবলৈ কাৰ্য্যপালিকাই আমাক অৰ্থাৎ হাজৰিকা, শৰ্মা আৰু ঠাকুৰীয়াক মালাকৰৰ বাব দিয়ে। মোৰ বৰীয়াকৈ যিখিনি পৰা যায় কৰি দিবলৈ সন্মত হওঁ কিয়নো অনাহাৰী হলেও মই এনেবোৰ কাম কৰি ওৰেজীৱনে অনাবিল আনন্দ উপভোগ কৰি আহিছোঁ।

কামটো অৱশ্যে উজু নাছিল। দেশভক্তৰ তিৰোভাৱৰ পিছতে তপতে তপতে এই কাম হাতত লোৱা হলে এতিয়াতকৈ ভালেখিনি বেছি সা-সমল আহৰণ কৰিব পৰা গ'লহেঁতেন। বৰ্তমানে ফুকন ডাঙৰীয়াক দেখা পোৱা আৰু তেওঁৰ নেতৃত্বত মুক্তিযুদ্ধত জঁপিয়াই পৰা লোকৰ সংখ্যা দিন গৈ

আহিছে মানে ক্রমাৎ টুটি আহিছে—দুই এজন থাকিলেও স্মৃতিশক্তি হেৰুৱাই বয়সৰ হেঁচাত তেওঁলোক পেপুৱা লাগি আছে। যি দুই এক সক্ষম অৱস্থাত আছে, সেই সকলে অৱশ্যে আমাক সহায়-হাত আগবঢ়াই কৃতাৰ্থ কৰিছে।

ফুকন ডাঙৰীয়াৰ স্বৰচিত কিতাপ-পত্ৰ আৰু প্ৰবন্ধৰ সংখ্যা তাকৰ। বহুখিনি হাতেলিখা অৱস্থাতে নাইবা আলোচনীৰ বুকুতে জাহ গৈছে আৰু ক্ৰমাৎ দুষ্প্ৰাপ্য হৈ আহিছে। সেইবোৰ হাতে ঢুকি নোপোৱাত থকাৰ বাবে ফুকন-সাহিত্য চালিজাৰি চাই আলচৰ যোগান ধৰিবলৈ ইচ্ছা থকাসকলেও অপাৰগ হৈছে আৰু সেই কাৰণেই আজিও সাহিত্যৰ বুৰঞ্জীত দেশভক্ত ফুকনৰ সাহিত্যৰ প্ৰকৃত মূল্যাঙ্কণ হব পৰা নাই। অতি পৰিতাপৰ বিষয়, দেশভক্তৰ আত্মজীৱনীখনিও ইহাত সিহাত হৈ অযত্নত কাললৈ বিলুপ্ত হ'ল আৰু লগতে কিছুমান আপুৰুগীয়া আহিলাপাতিৰ পৰাও ভবিষ্যত গবেষকসকল বঞ্চিত হ'ল। এই শতবাৰ্ষিকী উপলক্ষে অসম প্ৰকাশন পৰিষদৰ দ্বাৰা সঙ্কলিত দেশভক্ত ফুকনৰ ৰচনাৱলী একত্ৰে প্ৰকাশ হৈ ওলোৱাৰ পিছতহে ·· সাহিত্যিক তৰুণৰাম ফুকনৰ স্বৰূপটো অধিকতৰ উজ্জ্বল হৈ জিলিকি উঠিব বুলি আশা কৰিব পাৰি।

এই গ্ৰন্থ যুগুত কৰোঁতে আমি দুই-চাৰিটা মূলনীতি মানি চলিবলৈ যত্ন কৰিছোঁ। যেনে ঃ

(ক) আজি কেইবছৰমানৰপৰা অসম সাহিত্য-সভাই আখৰজোটনিত দ্বিত্ববৰ্জন আৰু শব্দত বিভক্তিযোজন নীতি মানি চলা দেখা গৈছে। এই পুথিত সেই নীতিকে সাধাৰণভাবে মানি চলা হৈছে।

(খ) মানুহটোৱে প্ৰতি মনটো, ধানটোৱে প্ৰতি কণটো। সেই কাৰণে লিখকসকলৰ দৃষ্টিভঙ্গী সকলো সময়তে একে হব বুলি আশা কৰিব নোৱাৰি। সেই কাৰণে প্ৰবন্ধবোৰত বিভিন্ন লিখকৰ স্বতন্ত্ৰ দৃষ্টিমত অব্যাহত ৰখা হৈছে।

(গ) একেজন মানুহৰ কথা বিভিন্ন জনে স্বতন্ত্ৰভাৱে লিখিলে পুনৰুক্তি নহৈ নোৱাৰে। মূল প্ৰবন্ধৰ সৌন্দৰ্য্য হানি নোহোৱাকৈ এনে পুনৰুক্তি যথাসাধ্য বাদ দিয়া হৈছে বা চমুৱাই দিয়া হৈছে।

(ঘ) মান্যজনৰ অৰ্থত 'তেখেত' বা 'তুমি' শব্দ প্ৰয়োগ কৰা হয়। দুইটাই শুদ্ধ প্ৰয়োগ বলি ধৰিব পাৰি। ঈশ্বৰৰ দৰে অতি মান্যজনক 'তুমি'হে বোলা হয়। এই পুথিৰ প্ৰবন্ধবোৰত 'তুমি', 'তেখেত' দুইটা ৰূপকে পোৱা হৈছিল,

সমূহীয়াভাৱে পুথিৰ সমন্বয়ৰ বাবে ইয়াত 'তুমি'কহে ৰখা হৈছে। ভুল প্ৰয়োগ বুলি ভাবি 'তেখেত'ক খাৰিজ কৰা বুলি যেন কোনেও নেভাবে। অৱশ্যে আগতে ছপা হোৱা দুটা প্ৰবন্ধত আমাৰ চকুত ধূলি মাৰি 'তেখেতে'ই বাহাল থাকিল।

(ঙ) সমন্বয়ৰ বাবে ঠায়ে ঠায়ে সংক্ষিপ্তকৰণ কৰা হলেও মূল প্ৰবন্ধ যাতে খৰামূৰা নহয় তালৈ চকু ৰখা হৈছে।

(চ) আজিকালি এচাম লোকে নিজৰ নামৰ আগত শ্ৰী লিখিবলৈ বাদ দিছে। আমি এই পুথিত জীৱিতসকলৰ কাকো শ্ৰীহীন কৰা নাই।

(ছ) কিতাপৰ আকাৰ ডাঙৰ হলে দামো বঢ়াবলগীয়া হয় আৰু পাঠকৰ মূৰত মাৰমাৰ পৰে। সেই কাৰণে সৰু আখৰ 'স্মল পাইকা'ত ছপাই কিতাপৰ অৱয়ব সৰু কৰিবলৈ যত্ন কৰা হৈছে।

পুৰণি ঠেকেৰাৰ চোক বেছি হোৱাৰ দৰে পুৰণি কিতাপ-পত্ৰৰ মূল্যও বেছি হয়। দুখৰ বিষয় আমি অসমীয়া মানুহৰ ব্যক্তিগতভাৱে আপুৰুগীয়া সম্পদ বুলি ভাবি কিতাপ-পত্ৰ সাঁচি ৰখা অভ্যাসটো নাই বুলিলেই হয়। কিতাপ পঢ়িবলৈ নি ঘূৰাই দিয়া অভ্যাসটোও নাই। এনে কৰাৰ ফলত বৰযুগ আহিলেহে জাপি বিচৰাৰ দৰে দৰ্কাৰৰ সময়ত বিভিন্ন পুৰণি কাকত-পত্ৰত প্ৰকাশিত দেশভক্ত সম্পৰ্কীয় কথা আৰু প্ৰবন্ধপাতি বিচাৰি সম্প্ৰতি মূৰে-কপালে হাত দিবলগীয়া হৈছে।

এই কথা মুক্তকণ্ঠে স্বীকাৰ কৰিব লাগিব যে ডাঃ শ্ৰীদীননাথ শৰ্মাই বেজবৰুৱা, বৰদলৈ, ফুকন প্ৰভৃতি দেশবৰেণ্য পুৰুষৰ তিৰোভাৱৰ পিছত তেওঁৰ সুপ্ৰসিদ্ধ 'আৱাহন' কাকতৰ একোটাকৈ স্মৃতিসংখ্যা প্ৰকাশ কৰি বৰ ভাল কাম কৰিছিল। তাৰ সুফল স্বৰূপে এই গ্ৰন্থত আমি জনচেৰেক কৃতবিদ্য লিখকৰ কেইটামান আপুৰুগীয়া প্ৰবন্ধ বুটলি লবলৈ সমৰ্থ হৈছোঁ। সম্পাদক ডাঃ শৰ্মা আৰু দুষ্প্ৰাপ্য ৰত্নৰ (আৱাহন) সংৰক্ষক শ্ৰীজিতেন্দ্ৰনাথ বুজৰবৰুৱালৈ এই ছেগতে তেওঁলোকৰ প্ৰাপ্য শলাগ আগবঢ়াইছোঁ। আমি এনেবোৰ কামত আৱশ্যকমতে ফটা কথাত থকা সোণ বিচাৰি যোৰহাটৰ শ্ৰীযতীন্দ্ৰনাথ গোস্বামীলৈ হাত মেলোঁ। তেৱোঁ যি য'ত পায় বিচাৰিখোচাৰি পঠিয়াই দিয়ে। এই মালাধাৰতো তেওঁ বুটলি পঠোৱা তলসৰা ফুলৰ পাহি দুই এটা পাই নথৈ উপকৃত হৈছোঁ।

ছেগ চাই কঠীয়া পাৰিব জনা সম্পাদক শ্ৰীদীননাথ শৰ্মাই দেশভক্তক ঘনিষ্ঠভাবে জনা লোকপ্ৰিয় বৰদলৈলৈকো প্ৰবন্ধ বিচাৰি হাঁকুটি জোৰাইছিল।

তাতে সঁহাৰি জনাই লোকপ্ৰিয় বৰদলৈদেৱে দেশভক্ত ফুকনৰ জীৱন-আলোখ্য এখন ৰচনা কৰিছিল। পুথিখন বৰ বেছি ডাঙৰ নহলেও মূল্যবান। সেই পুথিৰ পৰাও অধ্যায় এটি এই গ্ৰন্থত অন্তৰ্ভুক্ত কৰা হৈছে। এনেভাবে আৰ চিগা চুলি, তাৰ চিগা চুলি, মাৰি যাওঁ নেঘেৰী খোপাৰ দৰে হৈছে যদিও খোপাটো মনমোহনীয়া হৈছে বুলি আমাৰ বিশ্বাস। লোকপ্ৰিয়ৰ নামতো এপাহ ভক্তিফুল আগবঢ়াইছোঁ।।

সুদৰ্শন পুৰুষ ফুকন ডাঙৰীয়াৰ নানা ভঙ্গীত, নানা বেশভূষাত, বিভিন্ন সময়ত তোলা অনেক আটকধুনীয়া আলোক-ছবি ( ফটো ) আছিল। তাৰে কিছুমান ইতিমধ্যে পুৰণি হৈ উৱলি গৈছে অথবা প্ৰবন্ধবোৰৰ দৰে অযত্নত বা ইহাত-সিহাত হৈ বিলুপ্ত হৈছে। এই পুথিত সেই দুৰ্ল্লভ ছবিবোৰৰ দুখন মাথোন ছবি প্ৰকাশ কৰা হৈছে। বেটুপাতত দিয়া প্ৰথমখন ছবিত দেশভক্তক তেওঁৰ বুলনি-চ'ৰাত এখন আৰামী চকীত বহি থকা দেখা গৈছে। সচৰাচৰ এই ভাবেই তেওঁক দৰ্শন পোৱা গৈছিল। ভিতৰত দিয়া ছবিখন সংগ্ৰহ কৰা হৈছে ভাস্কৰ শ্ৰীযুগল দাসৰ ব্যক্তিগত চিত্ৰশালাৰপৰা কি পৰিবেশত, কোন সময়ত দেশভক্তক এইখন আলোকপটও আটক কৰি ৰখা হৈছিল, সেই কথা জানিবৰ উপায় নাই। সম্ভৱতঃ ১৯২৬ চনমানৰ হব। সেই সময়ত প্ৰায়েই আনকি পাণ্ডুৱ-নগৰত অনুষ্ঠিত হোৱা কংগ্ৰেছৰ আদৰণী সভাপতিৰূপেও তেওঁক মিহি বিলাতী কাপোৰৰ লগত ফেৰ মাৰিব পৰা খাদৰৰ বগলীপখীয়া চুৰিয়া-পাঞ্জাবী পৰিধান কৰা দেখা গৈছিল। দেশভক্তই বিভিন্ন দেশীয় সাজপাৰ পিন্ধি ভাল পাইছিল। এই ছবিত তেওঁৰ মূৰত এটা নেপালী টুপী দেখা গৈছে। যিহকে পিন্ধক সেয়েই তেওঁক শুৱাই ধৰিছিল। এই দুস্প্ৰাপ্য আলোক ছবিখন যোগান ধৰাৰ বাবে বন্ধুবৰ শ্ৰীদাসৰ শলাগ লৈছোঁ।।

পুথিখনৰ পাণ্ডুলিপি সুগঠী আখৰেৰে যুগুতাই দিছে শ্ৰীমান কমলানন্দ বৰদলৈয়ে। তিথিৰ দিনত পোহৰৰ মুখ দেখাকৈ ছপাশালৰ পৰা খৰটকীয়াকৈ সজাইপৰাই উলিয়াই দিছে গুৱাহাটীৰ শ্ৰীসৰস্বতী প্ৰেছৰ গুৰিধৰোতা শ্ৰীদেবেনচন্দ্ৰ দত্ত আৰু কৰ্মীবৃন্দই। এই সকলোটি অসম সাহিত্য সভাৰ শলাগৰ ভাগী।

আৰু এষাৰ বতৰুৱা কথা এইখিনিতে উল্লেখ কৰোঁ। জ্ঞানী জনৰ বচন : পঢ়ে, পঢ়ুৱায়, ৰোৱে পাণ, ই তিনি নিচিন্তে আনে। আজিৰ মহঙা দিনত

এই প্ৰবাদ-বাক্য অচল হৈছে। সেয়েহে ড° শ্ৰীহেমন্ত শৰ্মা আৰু শ্ৰীৰামচৰণ ঠাকুৰীয়াই ঘৰত পঢ়ি পাঠ যুগুত কৰে, কলেজত ল'ৰা পঢ়ুৱায় আৰু পাণ বোৱাৰ সলনি অসম সাহিত্য-সভা পৰিচালনা কৰা যেটমৰা ভাৰখনো কান্ধত তুলি লৈছে। তাৰ মাজতে ঢোঁতে খৰ মাৰি মোৰ লগতো লাগিভাগি দিছে। তেওঁলোকৰ পৰা এইখিনি সহায়-সহযোগ নোপোৱা হলে এই বয়সত উপকৰা ভালুকৰ সাঙীয়ে মোক বাৰুকৈয়ে কুজা কৰিলেহেঁতেন। ব্যক্তিগতভাবে দুইজনলৈ মোৰ আশীৰ্বাদ থাকিল।

মহাদেউৰ ধনেৰে কুবেৰ চহকী হোৱাৰ নিচিনাকৈ যিসকলৰ লেখনীৰ সম্ভাৰেৰে এই সঙ্কলন গ্ৰন্থ সমৃদ্ধ হৈছে সেই সকলো লিখক-লিখিকাৰ উদ্দেশ্যে সদৌ শেষত ধন্যবাদৰ বৰশৰাইখন আগবঢ়াই এই স্মৃতিমাল্যখাৰি পাঠক-পাঠিকাৰ হাতত তুলি দিলোঁ।

জয়তু দেশভক্ত ফুকন।

২২ জানুৱাৰী, ১৯৭৭ চন
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী—৭৮১০০১

বিনীত
শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

# সূচীপত্ৰ


| বিষয় | | পৃষ্ঠা |
|---|---|---|
| ২। Homage : | | |
| (a) Shri F. Ali Ahmed ( Rastrapati ) | | |
| (b) Shri M. M. Chaudhury ( Rajyapal ) | | |
| (c) Shri P. K. Goswami ( Supreme Court Judge ) | | |
| ১। মনৰ কথা ( কবিতা ) তৰুণৰাম ফুকন | | |
| ৩। প্ৰশস্তি ... | আচাৰ্য্য শ্ৰীমনোৰঞ্জন শাস্ত্ৰী | ১ |
| ৪। তৰিলে দেশ, মৰিলে স্বৰ্গ ... | তৰুণৰাম ফুকন | ২ |
| ৫। শ্ৰদ্ধাঞ্জলি : | | ৪-৬ |
| (ক) ডঃ ৰাজেন্দ্ৰপ্ৰসাদ | | |
| (খ) সুভাষচন্দ্ৰ বসু | | |
| (গ) অম্বিকাগিৰী ৰায়চৌধুৰী | | |
| (ঘ) ছাৰ ছৈয়দ ছাদুল্লা | | |
| (ঙ) লোকপ্ৰিয় গোপীনাথ বৰদলৈ | | |
| (চ) ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা | | |
| ৬। যুগদেৱতা ( কবিতা ) | শ্ৰীমতী নলিনীবালা দেৱী | ৭ |
| ৭। দেশভক্ত ( ,, ) .. | শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা | ৯ |
| ৮। বীৰবাহু শৰাইঘাটৰ ( কবিতা ) | অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা | ১২ |
| ৯। তৰুণ-তৰ্পণ ( কবিতা ) | শ্ৰীকমলেশ্বৰ চলিহা | ১৬ |
| ১০। তৰুণ-স্মৃতিত অৰ্ঘ্য (কবিতা) | শ্ৰীমেঘৰাম পাঠক | ২০ |
| ১১। জননায়ক তৰুণৰাম ফুকন | —সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা | ২২ |
| ১২। দেশভক্ত তৰুণৰাম ফুকন ... | —অধ্যক্ষ পদ্মধৰ চলিহা | ২৯ |
| ১৩। দেশভক্ত ফুকনৰ প্ৰতিভা .. | ---লোকপ্ৰিয় গোপীনাথ বৰদলৈ | ৩৭ |
| ১৪। দেশভক্ত ফুকনৰ জীৱন-কথা ... | —শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী ( ৰাজ্যপাল ) | ৪১ |
| ১৫। দেশভক্ত ফুকনৰ তিৰোভাবত | —অধ্যাপক শ্ৰীৰজনীকান্ত দেৱশৰ্মা | ৪৯ |

| | বিষয় | পৃষ্ঠা |
|---|---|---|
| ১৬। | চিৰমুক্ত ফুকন ··· অধ্যক্ষা শ্ৰীমতী উষা ভট্টাচাৰ্যা | ৫৪ |
| ১৭। | দেশভক্তৰ বংশ-পৰিচয় ··· শ্ৰীনন্দ তালুকদাৰ | ৫৭ |
| ১৮। | মোৰ দেউতা দেশভক্ত ফুকন ··· শ্ৰীনৃপেন্দ্ৰৰাম ফুকন | ৬২ |
| ১৯। | মোৰ দদাশহুৰ দেশভক্ত ফুকন —শ্ৰীমতী ললিতা ফুকননী | ৬৭ |
| ২০। | পিতৃপ্ৰতিম দেশভক্ত ফুকন ··· —শ্ৰীৰজনীকান্ত চৌধুৰী (ৰায়চাহেব) | ৭০ |
| ২১। | মোৰ মানসপটত দেশভক্ত ফুকন—বাগ্মীবৰ শ্ৰীনীলমণি ফুকন | ৭৯ |
| ২২। | দেশভক্ত ফুকন আৰু গুৱাহাটী কংগ্ৰেছ—শ্ৰীদেবেশ্বৰ শৰ্মা | ৮৩ |
| ২৩। | জনহিতকৰ অনুষ্ঠানত দেশভক্ত ফুকন—শ্ৰীমহেন্দ্ৰনাথ ডেকা বি-এল | ৯১ |
| ২৪। | অসমৰ ৰাজনীতিত দেশভক্ত ফুকন—শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা | ৯৫ |
| ২৫। | দেশভক্ত ফুকন আৰু তেওঁৰ ব্যক্তিত্ব—শ্ৰীদেবেন্দ্ৰনাথ শৰ্মা | ১০৬ |
| ২৬। | আনন্দময় ফুকন—অধ্যক্ষ শ্ৰীতীৰ্থনাথ শৰ্মা | ১১৩ |
| ২৭। | যোগী ফুকন—হলীৰাম ডেকা (প্ৰাক্তন মুখ্য ন্যায়াধীশ) | ১১৮ |
| ২৮। | বাগ্মী ফুকন—শ্ৰীঅতুলচন্দ্ৰ বৰুৱা | ১২২ |
| ২৯। | ভোগী ফুকন—অধ্যাপিকা শ্ৰীমতী লীলা দেৱী | ১৪১ |
| ৩০। | সিংহপুৰুষ ফুকন—শ্ৰীজিতেন্দ্ৰনাথ বুজৰবৰুৱা | ১৪৪ |
| ৩১। | জননায়ক ফুকন—অধ্যাপক শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্য্য | ১৫২ |
| ৩২। | মহান নেতা ফুকন—শ্ৰীৰাম গোস্বামী (গ্ৰন্থগাৰিক) | ১৬১ |
| ৩৩। | বিদ্যা ঃ বপু ঃ বাক্য—অধ্যক্ষ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা | ১৬৮ |
| ৩৪। | বক্তা ঃ ব্যক্তিত্ব ঃ সাহিত্য—অধ্যক্ষ শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী | ১৭২ |
| ৩৫। | কবিতা ঃ গীত ঃ হাস্য—শ্ৰীদুৰ্গেশ্বৰ শৰ্মা | ১৭৮ |
| ৩৬। | ফুকনৰ যৌনতত্ব—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী ( যোৰহাট ) | ১৮৫ |
| ৩৭। | ফুকনৰ চিকাৰ-কাহিনী (১)—শ্ৰীযোগেশ দাস | ১৯০ |
| ৩৮। | ফুকনৰ চিকাৰ-কাহিনী (২)—শ্ৰীনৰেন্দ্ৰনাথ শৰ্মা | ১৯৬ |
| ৩৯। | ফুকনৰ ৰচনাৰ ষ্টাইল্—শ্ৰীনগেন শইকীয়া | ২০২ |
| ৪০। | ফুকনৰ সাহিত্য-সম্ভাৰ—শ্ৰীৰামচৰণ ঠাকুৰীয়া | ২০৭ |

# HOMAGE

**Rastrapati Bhavan**
**New Delhi 30th, Sept 1976**

Deshabhakta Phukan was one of the distinguished Patriots of Assam who along with Karmabir Nabin Chandra Bardoloi and Deshapran Chandra Nath Sarma devoted all his energies and talents to the service of the nation and preached the ideals of patriotism, nationalism and unity. I offer my respectful homage to the memory of Deshabhakta Phukan and hope his life of service and sacrifice will be source of inspiration to the younger generation.

(sd) F. A. AHMED.
President, India

**Rajbhavan**
**Chandigarh, 8th Sept 1976**

Eminent freedom fighters like Tarun Ram Phukan will be remembered for a long time to come for their selfless sacrifice and high devotion to duty, A nation is always richer for the life and work of such great men, and poorer for their loss. Shri Phukan was not only a freedom fighter of the front rank but was also a veteran and reputed social worker. Let us draw inspiration from his life and work.

(sd) M. M. CHAUDHURY.
Governor, Punjab.

**New Delhi, 3rd Dec. 1976**

Man rises and with his ascent his art broadens his ego and pettiness are drowned. If you want to find this in human form it was in late Tarunram Phukan of Assam.. The reverse is the tragedy of human frailty.

Deshabhakta Tarunram Phukan was an uncrowned king amongst men. With a God-gifted handsome mien, his upbringing habits, multi-dimensional knowledge, association with the great contemporaries of the times, to the cause of the grim struggle for freedom and above all his large heart reposed within a large physique, invested in him a unique personality rare in a single individual. From all points of view, he was a matchless peer with late Motilal Nehru. His forceful oratory in Englisn, Hindi, Urdu and Assamese, as if each one was his mothertongue, was unequalled in the whole country. It is an irony that we did not have the electronics at that time to contain his rich, powerful, yet soothing voice for posterity. His thunderous patriotic exhortations at the Gauhati Curzon Hall in 1929—30 are still ringing in my cars.

The Asam Sahitya Sabha deserves profuse praise for its great leadership in arranging such genuine hero-worship.

I close in profound reverence by borrowing from the poet : Phukan, "Thou should be living at this hour" Assam "hath need of thee."

(Sd) P. K. GOSWAMI
Judge, Supreme Court

# দেশভক্ত ফুকন । স্মৃতিমাল্য

# মনৰ কথা

## দেশভক্ত তৰুণৰাম ফুকন

সুখৰ দিনত
দুখিত জনক
বুকুত সাৱটি লবা,
দুখৰ দিনত
প্ৰাণৰ কথাটি
গুপুতে লুকাই থবা।
সুখ-দুখ সিটো
তেওঁৰেই দান
ই সত্য নিশ্চিত জানি,
সুখে-দুখে সদা
পৰম আনন্দে
চলিবা তেওঁকে মানি।

## My Heart Speaks

Forsake not the sufferer
In hours of thy prosperity
To thyself keep
Thy heart
In hours of misery.

Happiness and misery,
Knowest thou sure,
Are naught but His Gifts
Beest thou prosperous—
Beest ןhou miserable—
But joyful evermore,
With the One overhead.

—Translated by Sri Deven Dutta



তৰুণৰাম ফুকন (ভৰ ডেকা বয়সৰ)

# দেশভক্ত ফুকন-স্মৃতিমাল্য

## প্ৰশস্তি

আচাৰ্য্যশ্ৰীমনোৰঞ্জনশাস্ত্ৰী

প্ৰখ্যাতফুকনকুলোদধিলব্ধজন্মা
সম্মানিতো জনতয়া প্ৰিয়দৰ্শনো যঃ।
চন্দ্ৰোপমস্তৰুণৰামশুভাভিধানঃ
পূৰ্ণঃ কলাভিৰথ শুভ্ৰযশঃপ্ৰকাশৈঃ ॥১॥

যো ব্ৰহ্মচাৰিজননে বলৰামনামা
ভাগীৰথী গুণৱতী দয়িতা চ যস্য।
তস্যৈৱ সূনুৰভৱত্তৰুণো হি ৰামঃ
প্ৰাগ্‌জ্যোতিষাখ্যনগৰস্য ললামভূতঃ ॥২॥

ৱাচস্পতিৰ্ৱচসি দৈত্যগুৰুশ্চ নীতৌ
শাস্তা জনস্য জনকোপমকৰ্মযোগী।
ৰূপশ্ৰিয়া জগতি নিৰ্জিতকামৰূপো
নেতাঽভৱন্নিখিলভাৰতভূতলস্য ॥৩॥

গন্তব্যমাৰ্গমসমস্তজনান্ প্ৰদৰ্শ্য
স্বাধীনৰাষ্ট্ৰমুপপাদয়িতুং স্বদেশম্।
দেশান্তৰীয়ৱশতাতমসোঽয়মানং
সংসায়ধন্ সপদি কালৱশাদ্ গতোঽস্তম্ ॥৪॥

অসমজনগণৈঃ স শ্ৰদ্ধয়া স্মৰ্যমাণো
ৱিৱিধগুণনিধানং কৰ্মযোগিপ্ৰধানঃ।
প্ৰণয়ৱিনয়যুক্তো লোকসেৱানুৰক্তো
জয়তি তৰুণৰামঃ ফুকনো দেশভক্তঃ ॥৫॥

# তৰিলে দেশ, মৰিলে স্বৰ্গ

## দেশভক্ত তৰুণৰাম ফুকন

( ১ )

আমাৰ দুৰ্দ্দিনলৈ চাই আৰু আমাৰ অক্ষমতা দেখি শত্ৰুৱে আমাক হাঁহিব পাৰে। অসমৰ ভাগ্য পৰিবৰ্তন অনিবাৰ্য্য। আজি অসমীয়াই মুক্তিৰ বাট বিচাৰি পাইছে, অসম যে অসমীয়াৰ কাৰণে এই সত্য উপলব্ধি কৰিছে। অসমা অসম জননীৰ সেৱামন্ত্ৰত দীক্ষা গ্ৰহণ কৰি তেওঁৰ উদ্ধাৰৰ কাৰণে এদল অসমীয়া ওলাইছে, তাক নজনা লোক আজি নাই। অসমীয়াৰ ৰাজনীতি, অৰ্থনীতি, সমাজ-সংস্কাৰৰ সকলো মঙ্গল-কাৰ্য্য সেই সত্যকেই আশ্ৰয় কৰি আৰু সেই সত্যকেই ভিত্তি কৰি চলাবৰ প্ৰাণপণ চেষ্টা চলিছে। সেই দল অসমীয়াই ভালদৰে বুজিছে যে এই সত্য প্ৰবৰ্ত্তাব নোৱাৰিলে ভাৰত যে ভাৰতবাসীৰ এই সত্য প্ৰমাণিত নহব। নিজ মাতৃক অৱহেলা কৰি দেশ-মাতৃকাৰ সেৱাৰ চেষ্টা ভণ্ডামি মাথোন।

মৰিবই যদি লাগিব নিশ্চেষ্ট হৈ কাপুৰুষৰ দৰে মৰাতকৈ সমুখ যুদ্ধত প্ৰাণ দিয়াই ভাল। অসম অসমীয়াৰ, এই নীতি প্ৰৱৰ্তনত যিসকলে প্ৰতিবন্ধক জন্মাবৰ চেষ্টা কৰিব, তেওঁবিলাকক পৰাস্ত কৰাই অসমৰ যুগ-ধৰ্ম বুলি মানি ল'ব লাগিব। সেই অৰ্থে ধৰ্মযুদ্ধ ঘোষণা কৰিব লাগিব। এই ধৰ্মযুদ্ধত 'তৰিলে দেশ, মৰিলে স্বৰ্গ' তৰুণ অসমৰ বীজমন্ত্ৰ। ইয়াকে দিব লাগিব আবাল-বৃদ্ধ-বণিতা অসমীয়াৰ কাণে কাণে। এই মন্ত্ৰকেই জপিব লাগিব অসমীয়াই সচিতে-সপোনে। তেতিয়া ভগৱন্ত অসমীয়াৰ প্ৰতি তুষ্ট নহৈ নোৱাৰিব—অসম অসমীয়াৰ হৈ দেশ-বিদেশৰ সহানুভূতি পাব আৰু শ্ৰদ্ধাৰ পাত্ৰ হ'ব।

( ১ )

মোৰ মনেৰে ছাত্ৰই ৰাজনৈতিক জীৱনত নামিলে তেওঁলোকৰ প্ৰধান ব্ৰত অধ্যয়নত ব্যাঘাত ঘটিব পাৰে। তেওঁলোকে ছাত্ৰাৱস্থাত নিজ কামত থকাই ভাল। কিন্তু সেই বুলি মই ক'ব নোখোজোঁ যে ছাত্ৰই ৰাজনীতি নামটোকে

নলব। ছাত্ৰসকলে নিজৰ অধ্যয়নৰ লগে লগে দেশৰ আৰু সমাজৰ সমস্যা-বিলাকলৈ চকু ৰাখি সেইবিলাকৰ নিমিত্তে নিজ নিজ বুদ্ধি-বিবেচনা অনুসৰি সাজু হোৱা উচিত হ'ব। কোনো কোনো ক্ষেত্ৰত ছাত্ৰসকলে আমাৰ কিছুমান দুষ্কৰ ৰাজনৈতিক আৰু সামাজিক সমস্যাৰ উজু সমাধান কৰিবই পাৰে, যেনে সাম্প্ৰদায়িকতা, অস্পৃশ্যতা বৰ্জন, বাল্যবিবাহ-নিৰোধ আদি।

গতিকে ছাত্ৰসকল, সংৰক্ষণ-নীতি গ্ৰহণ কৰক; কিন্তু বুদ্ধিমন্তৰ দৰে কাম কৰিব। আপোনালোকৰ ভিতৰত প্ৰতিজ্ঞা কৰক, ব্যৱস্থা কৰক, লাগিলে সহায় কৰক, যাতে তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰসকলে ভাৰতীয় চাকৰি পৰীক্ষাবিলাকত প্ৰতিযোগিতা কৰি নিজৰ ন্যায্য ঠাই অধিকাৰ কৰি লব পাৰে। কেৱল চাকৰিতে নিজৰ মন আৱদ্ধ কৰি নাৰাখিব। কোনো জাতিয়ে চাকৰি কৰিয়েই উন্নতি কৰিব নোৱাৰে। কিন্তু চাকৰিৰ যিবোৰ আটাইতকৈ ডাঙৰ, তাৰ প্ৰতি আপোনালোকৰ দৃষ্টি থকা উচিত। তাৰ বাহিৰে দেশৰ যি অতুল শিল্প আৰু বাণিজ্যসম্পদ, সেইবিলাকৰ উৎকৰ্ষ সাধন কৰিবলৈ ছাত্ৰসকল এতিয়াই সাজু হোৱা আৱশ্যক। নিজ নিজ অভিৰুচিমতে জীৱননিৰ্বাহৰ উপায় বিচাৰি লওক, মাত্ৰ নাপাহৰিব যেন যি উপায়েই জীৱিকা নিৰ্বাহ নকৰক, তাত নিজ বৈশিষ্ট্য ফুটাই তুলি নিজৰ বংশৰ আৰু জাতিৰ মান বঢ়াব লাগিব। অৱস্থাৰ দোহাই দি হাত সাবটি বহি থকা দুৰ্বলৰ লক্ষণ।

# শ্ৰদ্ধাঞ্জলি

## ডক্টৰ ৰাজেন্দ্ৰপ্ৰসাদ

তৰুণৰাম ফুকনৰ মৃত্যু-বাতৰি পাই মৰ্মাহত হৈছোঁ। সেই তাহানি অসহযোগ আন্দোলনৰ সময়ৰপৰাই মই তেওঁক জানিবলৈ সুযোগ পাইছিলোঁ। তেওঁ এজন সাহসী আৰু বিদগ্ধ যোদ্ধা আছিল আৰু দেশৰ কাৰণে বিস্তৰ ত্যাগ কৰিব পাৰিছিল। এসময়ত তেওঁ তেওঁৰ প্ৰদেশৰ অবিসম্বাদী নেতা আছিল; আৰু যদিও শেষৰ কালছোৱাত সহকৰ্মীসকলৰ লগত মতবিৰোধ হৈ অকলশৰীয়া যেন জীৱন যাপন কৰিছিল, তথাপি দেশকৰ্মী আৰু প্ৰসিদ্ধ নেতা হিচাপে তেওঁৰ স্থান অকণো নমা নাছিল। দেশৰ এই সন্ধিক্ষণত তৰুণৰাম ফুকনৰ মৃত্যু এটা অপূৰণীয় ক্ষতি।

## সুভাষচন্দ্ৰ বসু

তৰুণৰাম ফুকন অসমৰ বিখ্যাৎ নেতাসকলৰ এজন আছিল। ১৯২২ চনত দেশবন্ধু চিত্তৰঞ্জন দাসৰ লগত স্বৰাজ্য দল গঠনত যোগ দিয়াৰ পৰাই মই তেওঁক জানি আহিছোঁ। দেশবন্ধুৰ মাদ্ৰাজত কৰা প্ৰথম সাফল্যমণ্ডিত ভ্ৰমণৰ সময়ত তৰুণৰাম ফুকন তেওঁৰ লগত আছিল আৰু তাৰ পিছৰ পৰাই তেওঁ স্বৰাজ্য দলৰ কাৰ্য্যত নানাভাৱে সহায় কৰিছিল। তেতিয়াৰ পৰাই মোৰো তেওঁৰ লগত ব্যক্তিগত পৰিচয় হয়। তেওঁ এজন প্ৰকৃত ভদ্ৰলোক আছিল। তেওঁ অমায়িক আৰু আনক সহজে জয় কৰিব পৰা মানুহ আছিল। কংগ্ৰেছৰ নীতি আৰু কৰ্মধাৰা পূৰাপূৰিভাৱে মানি নচলাত তেওঁৰ বন্ধুবিলাক আচৰিত আৰু দুঃখিত হৈছিল। কিন্তু শেষত তেওঁ আকৌ কংগ্ৰেছৰ কামত উদ্যমেৰে লগা দেখি আমি আশ্বস্ত হৈছিলোঁ। যোৱা বেলি মই অসমলৈ যাওঁতে তেওঁ আমাৰ কামত যথেষ্ট ৰকমে সহায় কৰিছিল। আমি আশা কৰিছিলোঁ যে তেওঁ হয়তো কংগ্ৰেছৰ কামত আকৌ এটি ডাঙৰ ভূমিকা গ্ৰহণ কৰিব। কিন্তু আমি আকস্মিকভাৱে তেওঁৰ মৃত্যু-সংবাদহে পাব লগীয়া হ'ল। তেওঁৰ মৃত্যুত আমি এজন প্ৰকৃত বন্ধু, নিভাঁজ

ভদ্রলোক, অকপট দেশহিতৈষী আৰু প্ৰসিদ্ধ নেতাৰ বাবে শোক কৰিব লগীয়া হ'ল। তেওঁৰ আত্মাই শান্তি লভক—ইয়াকে কামনা কৰিছোঁ।

## অম্বিকাগিৰী ৰায়চৌধুৰী

অসমীয়াৰ জাতীয় জীৱনৰ পুঞ্জীভূত আলস্যক ধিক্কাৰ দি, অসমভূমিৰ বনজ, খনিজ, জলজ জগতত অমূল্য সম্পদৰ অফুৰন্ত অনাদৃত পয়োভৰৰ দ'ৰে, মহত্ত্বৰ উপলব্ধি ম্রিয়মান হোৱা, দেশপ্ৰেমৰ আকুলতা উপহাসৰ অৱজ্ঞাত তন্দ্ৰা খোৱা, উচ্চ স্তৰৰ সন্ধান নোপোৱা, মহান আদৰ্শ দিকভ্ৰষ্ট হৈ গতি হেৰুওৱা, প্ৰতিভাৰ মহান বিকাশ আহত হোৱা, অসমীয়াৰ সমাজত দেশভক্ত তৰুণ ফুকনৰো আছল বিকাশটো সেইদৰে পৰিপূৰ্ণ ৰূপত প্ৰস্ফুটিত হৈ উঠিবলৈ ক্ষেত্ৰ উপযুক্ত নাপাই আহত হ'ল। হওক তেওঁ বিলাসী, হওক তেওঁ অমিতব্যয়ী, হওক তেওঁ সুখাভিলাষী, তথাপিতো দেশভক্তৰ সেই স্বৰ্ণোজ্জ্বল নিপোটল প্ৰিয়দৰ্শন দেহডুখৰিৰ ভিতৰত ৰসবস্তুৰ এনে সুপ্ত নিজৰা কিছুমান আছিল, যাৰ পৰিপূৰ্ণ বিকাশত অসমীয়া জাতিটো বহুখিনি ৰসাল আৰু উন্নত হৈ উঠিলহেঁতেন। কিন্তু নহ'ল। অসমীয়া জাতিৰ এই দুৰ্ভাগ্যৰ মূলত হয়তো তাৰ জলবায়ুৰ প্ৰভাৱো হব পাৰে, নাইবা তাৰ পৰিশুদ্ধিৰে অন্তৰাত্মাৰ অনন্ত অভিযান সাৰ্থক কৰাৰ পক্ষে অসমীয়াৰ আদৰ্শহীন অকৰ্মণ্যতাও হব পাৰে। তথাপিতো যে দেশভক্তৰ তিৰোধানে অসমীয়াৰ জাতীয় জীৱন আজি এনেভাৱে উদ্বেলিত কৰি তুলিছে, সেইটো তেওঁৰ নিজস্ব প্ৰতিভাৰ শক্তিশালী উৎসৰ ৰুদ্ধ আকুলতাৰ অব্যৰ্থ আঘাতৰ বাহিৰে একো নহয়। অসমীয়াৰ জাতীয় সজীৱতাই আৰু ৰসগ্ৰাহিতাই তাত বিশেষ শক্তি যোগোৱা নাই।

ইং ১৯০৭ চনৰ পৰা এই ১৯৩৯ চনলৈকে সামাজিক, সাহিত্যিক আৰু ৰাজনৈতিক ক্ষেত্ৰত দেশভক্ত তৰুণ ফুকনৰ সংশ্ৰৱলৈ আহি তেওঁৰ সম্বন্ধে খুব সংক্ষেপতে এই মতটোৱেই আমাৰ ওচৰত পৰিপুষ্টি লাভ কৰিছে।

## ছাৰ ছৈয়দ ছাদুল্লা

অসমীয়াৰ মাজত জাতীয় জাগৰণ জগাবৰ উদ্দেশ্যৰেই ভাৰতীয় কংগ্ৰেছ মহাসভাৰ বৈঠক হেন এনে এটা মহৎ আৰু শুনিলেই মন কোচ খোৱা প্ৰকাণ্ড আয়োজনৰ ভাৰ ফুকন-বৰদলৈয়ে কান্ধ পাতি লৈ দৃঢ়সংকল্প আৰু অসীম

সাহসিকতাৰে আগবাঢ়িব পাৰিছিল। এই কংগ্ৰেছৰপৰা তেখেতসকলৰ ব্যক্তিগতভাৱে বহুত ক্ষতি হ'ল। শেষত এনেহে হ'ল যে কংগ্ৰেছৰ ধাৰত ফুকনৰ আৰু বৰদলৈৰ নিজৰ মাটি-ভেটিও যাব লগীয়া হ'ল। স্বদেশপ্ৰেমৰ এনে এটা গৌৰৱপূৰ্ণ কাৰ্য্যৰ অৰ্থে কৰা ত্যাগ ফুকনৰ জীৱন-আদৰ্শৰ এটা জ্বলন্ত নিদৰ্শন।

## লোকপ্ৰিয় গোপীনাথ বৰদলৈ

ফুকনে জীৱনত যি স্থান হেৰুৱাইছিল, মৰণত সেই ঠাই ললেগৈ। সকলো কংগ্ৰেছী লোকে মিলি তেখেতৰ মৃতদেহ কংগ্ৰেছ অফিচলৈ আনি যি সন্মান দেখুৱালে সি মহাৰথীৰ যথাযোগ্য। সমস্ত অসমবাসীয়েই এই দাৰুণ শোকত জৰ্জৰিত হৈ উঠিল আৰু কোনো প্ৰকাৰ বাদ-বিসম্বাদ নোহোৱাকৈ ফুকন ডাঙৰীয়া 'দেশভক্ত' হৈ স্বৰ্গগামী হ'ল।

## ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা

মানুহে হিচাপে, দেশপ্ৰেমিক হিচাপে, দেশভক্ত ফুকনৰ অগ্ৰগণ্যতা সকলো বিবাদৰ ওপৰত। তেওঁৰ ব্যক্তিত্বৰ সীমাৰেখা বিচাৰি উলিওৱা নিষ্ফল। দেশভক্ত ফুকন ডাঙৰীয়াৰ প্ৰতি মই সদায় শ্ৰদ্ধাবান। তেওঁৰ দেশপ্ৰেম আমাৰ সকলোৰে অনুকৰণীয়।

# যুগদেৱতা

শ্ৰীমতী নলিনীবালা দেৱী

সেই দিনা ভাৰতৰ লুপ্ত জ্যোতি
এন্ধাৰ গগন,
দাসত্বৰ হীনতাই আৱৰিলে কলুষিত
জনতাৰ মন।

পচিমৰ শাসনত মনুষ্যত্ব চিৰপৰাজিত
শ্বেতাঙ্গৰ ৰঙা চকু দেখি,
মানৱতা ম্ৰিয়মান পৌৰুষতা আতঙ্কিত
ম্লান সঙ্কুচিত।

ভাৰতৰ মুক্তিকণ্ঠ নিনাদি উঠিল,
মুক্তি-ঋষি-আহ্বানত ভাৰত জাগিল,
পূৰ্বপ্ৰান্ত অসমত মুক্তিমন্ত্ৰ গৰজি উঠিল
স্পন্দনত সুষুপ্ত কেশৰী
তৰুণৰ টোপনি ভাগিল।

গৰ্জনত শ্বেতাঙ্গৰ ৰঙা চকু তভক মানিলে
অসম বীৰৰ দেশ পচিমে চিনিলে।
নবীনৰ, তৰুণৰ
পাঞ্চজন্য-শঙ্খধ্বনি নিনাদি উঠিল।

দুৰ্জয় সাহসী বীৰ বিশাল হৃদয়,
কৰ্তব্যত সুমেৰু সমান
প্ৰমত্ত হস্তীৰ যূথ কৰি পৰাজয়
বীৰ মাতৃ অসমৰ
বীৰ পুত্ৰ অজয় দুৰ্বাৰ দিলে পৰিচয়।

নিয়তিৰ কুটিল ভ্ৰূকুটি
হেলাৰঙে পৰাজিত কৰি
অসমীৰ বীৰ সেনাপতি
জাতীয় ৰণত বীৰদৰ্পে যায় আগবাঢ়ি।

ইন্দ্ৰতুল্য অপৰূপ
জ্যোতিৰ্ময় ৰূপৰ আঁৰত
এটি বীৰ মহাপ্ৰাণ দেখি
সচকিত বিমুগ্ধ ভাৰত।

ইন্দ্ৰ-সভা জিলিকিল
অসমৰ ৰূপ-জেউতিত,
দিলে নাম বিমুগ্ধ ভাৰতে
'অসমৰ প্ৰিয়তম' * নাম।

তৰুণৰ বিক্ৰম পৌৰুষে
গঢ়ি গ'ল অজেয় অসম।
ভৰলুৰ পাৰে পাৰে শুনিছো আজিও
লুইতৰ আকুল ক্ৰন্দন,

নুশুনো মাথোন হায় অন্তৰ জগোৱা
প্ৰতিধ্বনি বীৰৰ কণ্ঠৰ
অসমৰ দুৰ্দিনৰ আঁউসী নিশাত
গভীৰ গৰ্জন পৌৰুষৰ।

* Darling of Assam.

# দেশভক্ত

শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা

( ১ )

জাতীয় যুঁজৰ অৰুণ স্বৰূপে
তৰুণে যিদিনা বাঢ়িলে আগ,
জননী অসমে সিদিনাহে পালে
মহান জাতিৰ যুঁজৰ ভাগ।

( ২ )

হিমাচল ধৰি কুমাৰিকা জিনি
উঠিল ভক্ত লক্ষ লক্ষ,
কত শতিকাৰ পিছত উজলি
জেউতি চৰালে ভাৰত বক্ষ।

( ৩ )

পশ্চিমে পূবে উত্তৰে দক্ষিণে
উঠে দিক্‌পাল জাতীয় বীৰ,
অহিংস যুঁজৰ উঠিল সেনানী
নিৰ্ভীক সাহসী, কৰ্মী ধীৰ।

( ৪ )

জেউতি চৰাই মাতৃমুখৰ
পূবৰ অৰুণ তৰুণ হৈ,
সুন্দৰ সুঠাম পুৰুষসিংহ
ওলাল জাতীয় পতাকা লৈ।

( ৫ )

আগত চন্দ্ৰ নবীন, তৰুণ
পাছত অসম যুবক দল,
পালে জননীয়ে বীৰ সন্তানৰ
পূৰণি কালৰ হেৰোৱা বল।

( ৬ )

তৰুণৰ জয় তৰুণেই ঘোষি
তৰুণৰ দিলে হিয়াত শান্তি,
সত্য পথৰ মুক্তি-যুঁজাৰু
উজ্বলি উঠিল মুখৰ কান্তি।

( ৭ )

দেশৰ ভক্ত তৰুণ ফুকন
অসমবাসীৰ বুকুৰ ধন,
জনম লভিলে মাতৃৰ কোলাত
একেটি দেহত শতেক জন।

( ৮ )

এৰি ৰাজভোগ বসন-ভূষণ
ত্যাগত দীপ্ত অসম-বীৰ,
তৰুণৰ সোঁত বোৱাই তৰুণে
উচ্চ কৰিলে জননী শিৰ।

( ৯ )

ভীম পৰাক্ৰমী নিৰ্ভীক আত্মা
সত্য পথৰ পথিক বীৰ,
পিঠিৰে নহয় বুকু পাতি লয়
শাণিত হলেও শত্ৰু-তীৰ।

( ১০ )

ৰাজনীতি জ্ঞানী সুদূৰদৰ্শী
সুপণ্ডিত নেতা জাতিৰ প্ৰাণ,
কৰ্তব্য পণৰ মহৎ যাত্ৰী
তুচ্ছ স্বাৰ্থ, তুচ্ছ মান।

( ১১ )

বাগ্মীপ্ৰবৰ কণ্ঠত যেন
থাকে বহি সদা জননী বাণী,
সহস্ৰ দেশৰ সেৱকক নিজে
জাতীয় যুঁজত অভয় দানি।

( ১২ )

শত্ৰুৰ মানত মহৎ শত্ৰু
মিত্ৰজনৰ বুকুৰ মণি,
সবাৰে আপোন সবাৰে বন্ধু
ভেদাভেদ নাই দুখীয়া-ধনী।

( ১৩ )

মাথোঁ অসমৰ নহয় ফুকন
ভাৰতবাসীৰ আপোন জন,
তৰুণৰ দৰে বীৰ নায়কৰ
আপোন গোটেই পৃথিৱীখন।

( ১৪ )

যতদিন ৰব চন্দ্ৰ-সূৰ্য্য ধৰা
তত দিন ৰব ভাৰতবৰ্ষ,
তৰুণৰ নাম অৰুণৰ দৰে
জিলিকি চৰাব অসম-গৰ্ব।

# বীৰবাহু শৰাইঘাটৰ

## অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

সেনাপতি ৰণত পৰিল,
অসম্পূৰ্ণ ৰণ—
মৰণৰ আহ্বান আহিল
নিৰ্মম মৰণ !

সমৰৰ সুযোগ্য নায়ক
সাহসী ফুকন,
অসমৰ অমূল্য ৰতন
ভাৰতভূষণ ।

নন্দনৰ মন্দাৰ-বনত
সজ্জিত তোৰণ,
দিব্যাঙ্গনা দেৱাঙ্গনা আহি
কৰিলে বৰণ ।

আগবাঢ়ি মাতিলে নবীনে
আহাঁ বীৰবৰ !
লক্ষ্মীনাথে সোধে সমাচাৰ
ভাষা-সাহিত্যৰ ।

স্বৰগত মহাসমাৰোহ
আনন্দ-হিল্লোল,
মৰতত উঠে হাহাকাৰ
কান্দোনৰ ৰোল !

হতভাগী ভৰলু তটিনী
টোকে চকুপানী,
মাৰ যায় অস্ত-অচলত
ক্লান্ত দিনমণি !

'চন্দ্ৰ'হীন অসম আকাশ
নিষ্প্ৰভ মলিন,
'লক্ষ্মী'হীন সোণৰ ভঁৰাল
নীৰৱ 'নবীন'।

তৰুণৰ তূৰ্য্যনাদো আজি
ধীৰে মাৰ গ'ল,
নিয়তিয়ে শতুক শালিলে
পাই কিনো ছল!

সেই দিনা ধুবুনীঘাটত
পৰিছে মনত,
সমবেত সেনা-সেনাপতি
জাতীয় ৰণত।

বাগ্মিতাত অজেয় ফুকন,
লখিমী-লেখনী,
পৃষ্ঠভঙ্গ দিলে 'প্ৰান্তবাসী
বিভেদ-শকুনি।

ইজনৰ পিছত সিজনে
মাগিলে বিদায়,
কোনে আজি সেনানী চলায়
সেনাপতি নাই!

তৰুণৰ দীপ্ত আননত
মহাত্মাৰ বাণী,
'মনোৰমা সাদৰী অসম'
সৌন্দৰ্য্যৰ ৰাণী।

উপেক্ষিতা অসম জননী
ভাৰত-সভাত,
ন্যায্য স্থান লভিলে পুনৰ
সোণৰ পীৰাত।

প্ৰজাসূয় মহাযজ্ঞ সেই
লৌহিত্য তীৰত,
উদ্ভাসিত 'পাণ্ডুৰনগৰ'
জননী বক্ষত।

আজি সেই অতীত কাহিনী
সপোনৰ প্ৰায়,
বতাহত উঠিছে বিননি
সেনাপতি নাই।

কোনে হায় লয় সেই স্থান
নাই যোগ্যজন,
বীৰবাহু শৰাইঘাটৰ
পৰিল ফুকন!

* *

আঁতৰিল দুৰ্য্যোগৰ মেঘ
শেষ হ'ল ৰণ,
বিজয়িনী ভাৰত মাতাৰ
প্ৰফুল্ল বদন।

লাখ লাখ মুক্তি-যুঁজাৰুৰ
আত্মবলিদান,
স্বাধীনতা যুদ্ধৰ কাহিনী
অমৃত সমান।

লাভ কৰি পূৰ্ণ স্বাধীনতা
স্যমন্তক মণি,
মাতৃ আজি মহিমামণ্ডিতা
উঠে জয়ধ্বনি।

দুই হাতে দন্ত গজেন্দ্ৰৰ
মদনমোহন,
ভৰলুৰ পাঁচজনৰ ধন
লৌহিত্যনন্দন।

'ব্ৰহ্মচাৰী' দিলে ব্ৰহ্মতেজ
বিখ্যাৎ বংশত,
'বলৰামে' বল-বীৰ্য্য দান
পুত্ৰৰ দেহত ।

প্ৰবাহিত তাতে জননীৰ
'ভাগীৰথী'ধাৰা,
দেশভক্ত তৰুণ ফুকন
আজি ভোতাতৰা ।

উদ্ভাসিত আপোন দীপ্তিৰে
আকাশমাৰ্গত,
শতাব্দীৰ অৰ্ঘ্য-শতদল
পূজা-প্ৰাঙ্গণত ॥

নেদেখিলে যদিও তেতিয়া
তৃপ্ত আজি প্ৰাণ,
দধীচিৰ পূত অস্থিদান
যুগজয়ী গান ।

ভকতিৰে যাচিছোঁ প্ৰণতি
পৱিত্ৰ স্মৃতিত,
দেশভক্ত মৰিও অমৰ
গাওঁ স্তুতিগীত ।

# তৰুণ-তৰ্পণ

## শ্ৰীকমলেশ্বৰ চলিহা

প্ৰাগজ্যোতিষৰ লৌহিত্য তীৰত
ভৰলুৰ সঙ্গম ক্ষেত্ৰত
দেখিছিলো বস্ত্ৰযজ্ঞ বিলাতীদাহন,
দেখিছিলো বৰসেনাপতি
পুৰোহিত মহাত্মা মোহন।
সেই দিনা দেখিছিলো,
চকুভৰি চাইছিলো,
এক মনোহৰ বপু সুন্দৰ সুঠাম
ফুকন তৰুণৰাম
দেশভক্ত যাৰ বিশেষণ :
যাৰ আজি শতবৰ্ষ পূজা-আয়োজন ॥

সেই সময়ৰ পৰা ভাৰতৰ সিংহদ্বাৰ মেল খাই গ'ল,
তাত দ্বাৰী তিনিজন ৰ'ল।
মাতৃমন্দিৰৰ উচ্চ ধৱল শিখৰ
বন্দে মাতৰম্ ধ্বনি হ'ল খৰতৰ।
সেই তিনিজন পূৰ্বভাৰতত সুশোভন
কৰ্মবীৰ, দেশভক্ত আৰু যে এজন
শ্ৰীৰাম চলিহা বংশধৰ
নাম কুলধৰ।

স্বাধীনতা-সংগ্ৰামৰ আহব ভয়াল,
চলিল নগৰে-গাঁৱে জুৰি বহু কাল।
মাজে মাজে দুয়োজন আইনৰ বীৰে
আদালতগৃহ শোভে বচনে-বাণীৰে।
কথনত-মথনত কেতিয়াবা ধীৰ
কেতিয়াবা জলদগম্ভীৰ,
কেতিয়াবা উগ্ৰ আৰু কেতিয়াবা নীতি বিচক্ষণ,
শুচৰীয়া-ফৰিয়াদী ইংৰাজৰ হৃৎকম্প কৰি ঘনে ঘন।

এয়ে যেন বিৰাট ধেমালি,
তাৰ মাজে মাজে, ভাৰতীয় যেন পালে ৰাজআলি,
সাম্ৰাজ্যবাদৰ চূড়া ভাঙিছিঙি,
গণতন্ত্ৰবাদে মেলি ডিঙি,
মধ্যাহ্ন সূৰ্য্যৰ দৰে গৰুড়ৰ দৰে পাখি মেলি
ৰাহু-কেতু-গ্ৰাস খেলিমেলি
তুচ্ছ কৰি সমস্বৰে,
ভাৰতৰ যত নাৰী-নৰে
ভোট অধিকাৰ পালে ৰাষ্ট্ৰৰ নায়ক গঢ়িবৰ
নিজৰ অদৃষ্ট, নিজ মাতৃভূমি গঢ়ি তুলিবৰ।

এই মহাশিক্ষাৰ দীক্ষাতে
আগবাঢ়ি যাব খুজি
থৰকবৰক খোজে আৰু থুনুকথানাক গতি-মাতে
ভাৰতৰ বালবৃদ্ধ-বনিতাৰ শাৰী
যোগ্য-অযোগ্যৰ কথা একো নিবিচাৰি
আগবাঢ়ি গ'ল দিনে-ৰাতি
যিহোভা, খোদাক আৰু ঈশ্বৰক মাতি।

নৱতৰ সূৰ্য্যৰ প্ৰভাত
দেখা দিলে অতি অকস্মাৎ
তাত লিখা ৰ'ল বিজুলীৰ সম তীব্ৰ ক্ষিপ্ৰ আখৰেৰে
দেশভক্ত ফুকনৰ বস্ত্ৰদাহ স্মৃতিৰ মাজেৰে
খাদৰৰ নৱতম বস্ত্ৰ-পৰিধান
যাৰ বাবে ফুকনৰ দেহাটোৱে যে দেৱতা সমান।

এযুৰি ছেন্দেল আৰু খাদৰৰ এটি কুৰ্তাচোলা,
এখনি চুৰিয়া, তাৰে যেন দিগম্বৰ-ভোলা
অথচ কাৰ্তিক সম বাবু
বেৰিষ্টাৰ হৈয়ো ললে লোকেলবৰ্ডৰ মান্য চেয়াৰমেন বাবো।

বিচক্ষণ তৰুণৰামৰ
আছিল অকল জ্ঞানো ৰাজনীতি, ওকালতি দণ্ড আইনৰ
আৰু যে আছিল ব্যসনৰ নানা গুণ মৃগয়া প্ৰভৃতি,
ৰাজৰাজন্যৰ যিটো আদিতম পৌৰুষ-প্ৰবৃত্তি।
ভোগ-ত্যাগ, তেজস্বিতা-ৰসিকতা
পাণ্ডিত্য-বাগ্মিতা আৰু কত বিচিত্ৰতা !

হস্তীবিদ্যাৰ্ণৱ
যি ৰাজ্যত কীৰ্তি অভিনৱ
জাকে জাকে হাতী ফুৰে পাল পাতি।
দুৰ্দান্ত মখনা
দঁতাল গজেন্দ্ৰ কত মদুগন্ধসনা
ধৰাশায়ী ফুকনৰ অব্যৰ্থ গুলীত,
কত বাঘ, কত বৰা, কত ঘঁৰিয়াল
নতুবা বান্দৰ, শহা অথবা শিয়াল
বধ্য হ'ল ফুকনৰ মৃগয়া-বনত
দাঁত লাওখোলা সাক্ষী থাকিল ঘৰত।

দিপৰ বিলত আৰু কত যে কাহিনী
মাহে মাহে আলোচনী পাতবোৰ জিনি,
পাঠকৰ সমাজত ঘনে দেখা দিলে
সাহিত্যিক ফুকনৰ জেউতি চৰালে।

আজি শত বৰষৰ
পূৰ্ণতৰ এই জীৱনৰ
জাতিৰ প্ৰাণৰ অৰ্ঘ্য তোমালৈ হে বিপ্ৰবৰ !
সন্ন্যাসী ব্ৰাহ্মণ হৈয়ো ক্ষত্ৰিয় যে তুমি অসমৰ
বাপুজীৰ সাম্যৰ মন্ত্ৰৰ তুমি শূদ্ৰ সত্যবান,
লোৱা মোৰ কবিতাৰ এই অৰ্ঘ্যদান।

আজি যে মানুহ নাই
আছে মাথোঁ মানুহৰ জীৰ্ণশীৰ্ণ কায়,
প্ৰেত সম দীঘল আঙুলি
তাত মই দেখোঁ তেনে নিজকে সমূলি
টকালৈ খাদ্যলৈ দুৰন্ত আগ্ৰহ
লোভ আৰু বিধূম্ৰ বিদ্ৰোহ।

গঢ়ে-পিতে উন্নত হৃদয়
বিশাল উন্নত আৰু উদাৰ সদয়,
ব্যক্তিত্বত তোমাৰ সমান
কোন তেনে ভয়হীন শৌৰ্য্যবীৰ্য্যবান ?

তুমিও তৰুণ কিন্তু আজিৰ তৰুণ
তোমাৰ সমান হলে নহয় নিপুণ,
ধুমুহাৰ বিপদত দক্ষ কাৰিকৰ
জাহাজৰ ষ্টিয়েৰিং ধৰা যাদুকৰ,
ভাষাবিদ্ ধৰ্মবিদ্ প্ৰত্যুৎপন্নমতিত ওস্তাদ
বক্সিং খেলিব জানা বিনাশি বিবাদ
তোমাৰ সমান কোন আছেতো নেজানো
দুখুনী অসম-মাতৃ পূজি গালা গানো।

আশীৰ্বাদ কৰা দেৱ সৰগৰ পৰা
যথাৰ্থ তৰুণ হ'ক অসমৰ যত পৰিমৰা
দুৰ্বল চিত্তৰ,
দক্ষতা, প্ৰাজ্ঞতাহীন পৰ্বতৰ আৰু ভৈয়ামৰ
যতেক নবীন,
সকলোটি হয় যেন ৰূপে গুণে তামসত ক্ষীণ,
হয় যেন সাহসে নৈপুণ্যে অমলিন,
হয় যেন জ্ঞান, বল মেধা আৰু শক্তিত উড্ডীন।
এই বুলি গাওঁ জয়গান
সকলো তৰুণ হ'ক তোমাৰ সমান কীৰ্তিমান।

# তৰুণ-স্মৃতিত অৰ্ঘ্য

## শ্ৰীমেঘৰাম পাঠক

( ১ )

সাহসী দেশৰ যোগ্য নেত'
বীৰ জাগ্ৰত মৰণজেতা,
দেশভক্ত তুমি হে তৰুণ
অগ্নিগৰ্ভ প্ৰভাত অৰুণ।

( ২ )

দেশে দেশে সো ঢালিছা প্ৰাণ
শুনাই সাম্যৰ ৰুদ্ৰ গান,
আনিছা মুক্তি শৃঙ্খল ছিঙি
তুমি হে তৰুণ, ন-যোৱান।

( ৩ )

বজ্ৰ মুঠিৰে ভাঙিছা কাৰা
অন্ধযুগৰ প্ৰস্তৰ বেৰা,
বিদ্যুৎ হানি তুমিয়ে হেৰা
আনিছা স্নিগ্ধ আলোকধাৰা।

( ৪ )

শোষকৰ সো স্বৰ্ণপ্ৰাসাদ
চূৰ্ণ কৰি ঘটাই প্ৰমাদ,
উদ্দীপিত ৰাখিছা তুমিয়ে
বিপ্লৱানল জিন্দাবাদ।

( ৫ )

দীনতা-হীনতা, নিশ্চেষ্টতা
ভীৰুতা-শঠতা, বৰ্বৰতা,
নাশি তুমি আনা বীৰ্য্যৱত্তা
দুৰ্বাৰ গতিৰ সুসভ্যতা ।

( ৬ )

আনিছা ৰূপ ঢালি যৌৱন
সুন্দৰ কৰি বিশ্ব-ভুৱন
নিতৌ নতুন শ্যামল বন
বিমোহিত সৌ নিখিল মন ।

( ৭ )

ঢালিছা প্ৰেম আনিছা প্ৰীতি
ৰিশ্বমৈত্ৰীৰ আনন্দ-গীতি,
মহিমা দীপ্ত চিৰভাস্বৰ
শাশ্বত ৰাখি তৰুণ-স্মৃতি ।

( ৮ )

সেয়ে হে মহান !
শুভ্ৰশীতল শীতৰ জ্যোতিত
শোভিছে আজি শত বৰ্ষ পূৰ্ত্তি,
বাণী তযু সৌ মাভৈ মন্ত্ৰত
লোৱা মোৰ অৰ্ঘ্য, হে আনন্দমূৰ্ত্তি ।

# জননায়ক তৰুণৰাম

## সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা

দেশভক্ত তৰুণৰাম ফুকনে এই দেশৰ ৰাজনীতি ক্ষেত্ৰত যুগান্তৰ সৃষ্টি কৰি গৈছে। তেওঁ নোহোৱা হলে আজি আমাৰ দেশৰ ৰাজনীতি-ক্ষেত্ৰত চিন্তাৰ ধাৰা কিজানি বৰ্তমান চলিত ৰীতিৰে প্ৰবাহিত নহ'লহেঁতেন।

আমাৰ চিৰ শ্ৰদ্ধাভাজন স্বৰ্গীয় আনন্দৰাম ঢেকীয়াল ফুকন ডাঙৰীয়াৰ কথা কাৰো অবিদিত নহয়। এই দেশৰ ইংৰাজৰ আমোলৰ তেখেতেই সৰ্বপ্ৰথম দেশকৰ্মী লোক। তেখেতৰ বিষয়ে অসমৰ এগৰাকী ইতিহাসপ্ৰসিদ্ধ ইংৰাজ ৰাজপুৰুষে কৈ গৈছে বোলে Anandaram Dhekial Phukan was to Assam what Raja Rammohan Roy was to Bengal; but considering the different circumstances under which they had to work, Anandaram Dhekial Phukan was even a greater man than Rammohan Roy. তৰুণৰাম ফুকন সেই আনন্দৰাম ফুকনৰে আপোন ভতিজাক। ই বৰ সুশোভন কথা যে আনন্দৰাম ফুকনৰ দৰেই তৰুণ ফুকনৰ নামো এই দৰেই বুৰঞ্জীত সোণৰ আখৰেৰে চিৰন্তনীয়াকৈ জিলিকি থাকিব।

একে আষাৰতে কবলৈ হলে তৰুণ ফুকন বহুগুণী পুৰুষ আছিল। ১৯২২ চনত বৰ্তমান Duke of Windsor বৃটিছ ৰাজ্যৰ যুৱৰাজ স্বৰূপে ভাৰতবৰ্ষলৈ আহোঁতে ভাৰতীয় ৰাজন্যবৃন্দই দিল্লী নগৰত তেওঁক এখন অভিনন্দন পত্ৰ দি ৰাজভক্তি জনাইছিল। কাউন্সিল অব স্টেটৰ সভ্যস্বৰূপে সেই সভাত উপস্থিত থাকিবৰ মোৰো সৌভাগ্য ঘটিছিল। গোৱালিয়ৰ ৰাজ্যৰ ভূতপূৰ্ব মহাৰাজে সেই অভিনন্দন-পত্ৰ পাঠ কৰিছিল। তাৰ এঠাইত লিখা আছিল বোলে The Indian conception of a prince is a sportsman, a statesman, a gentleman and a soldier. ইয়াৰ অকল soldier কথাটো বাদ দিলে ইয়াকে ভাৰতীয় মানুহৰ মনুষ্যত্বৰ আদৰ্শ বুলিও ধৰিব পাৰি অৰ্থাৎ

The Indian conception of manhood is a combination of a sportsman, a statesman and a gentleman. তৰুণ ফুকনৰ গাত এই ত্ৰিবিধ গুণেই পূৰ্ণৰূপে বিকাশ হৈছিল। পুৰুষোচিত বিবিধ খেল-ধেমালিত তেওঁ সুনিপুণ আছিল। চিকাৰত তেওঁ এজন খ্যাতনামা চিকাৰী। তেওঁৰ নিজৰ ককায়েক নবীনৰাম ফুকনৰ পিছত গৌৰীপুৰৰ ৰজা বাহাদুৰ প্ৰভাতচন্দ্ৰ বৰুৱাত বাহিৰে তৰুণ ফুকনৰ দৰে পাকৈত চিকাৰী অসম দেশত আৰু নাছিল।

ৰাজনীতি-ক্ষেত্ৰত তেওঁৰ নাম অসমতে নহয়, সমস্ত ভাৰতবৰ্ষত সুবিদিত। আগৰছোৱা কালৰ কথা এৰি দিলেও ১৯২০ চনৰ পৰা যে তেওঁ এই দেশৰ ৰাজনীতি-ক্ষেত্ৰৰ অদ্বিতীয় নেতা বুলি প্ৰসিদ্ধি লাভ কৰিছিল, এই কথা তেওঁৰ সাতশত্ৰুৱেও স্বীকাৰ কৰিব লাগিব। তেওঁৰ ৰাজনৈতিক মত বা নীতিৰে অনেকৰ অমিল থাকিব পাৰে, কিন্তু ৰাজনীতি-ক্ষেত্ৰত তেওঁ যে এগৰাকী প্ৰবল প্ৰতাপী নেতা, তাক কোনেও নুই কৰিব নোৱাৰে।

Gentleman শব্দটোৱে বহুত গুণ সামৰে। Gentleman বোলাবলৈ মানুহৰ গাত অনেক গুণৰ সমাবেশ থকাৰ প্ৰয়োজন। তৰুণ ফুকন সেই সকলোবিলাক গুণৰ অধিকাৰী আছিল। তেওঁৰ দৰে সুশিক্ষিত, সুমাৰ্জিত, সামাজিক, সংবিবেচক, লোকৰঞ্জক লোক সকলো দেশতেই বিৰলহে দেখা যায়।

দেশভক্ত ফুকন ডাঙৰীয়াক মই প্ৰথমতে লগ পাওঁ কলিকতাত, যেতিয়া তেওঁ এণ্ট্ৰেন্স পাছ কৰি তাত পঢ়িবলৈ যায়। মই তেতিয়া কলিকতাত First Art শ্ৰেণীৰ ছাত্ৰ আছিলোঁ। সেই কালৰ তৰুণ ফুকন আছিল এজন বিনয়ী, আত্মসম্মানী, সুৰুচিসম্পন্ন, প্ৰিয়দৰ্শন কুমলীয়া ডেকা। তেওঁ ইডেন হোষ্টেলত থাকি প্ৰেছিডেন্সি কলেজত পঢ়িছিল। ইডেন হোষ্টেলত থকা আৰু প্ৰেছিডেন্সি কলেজত পঢ়াৰ এটা ডাঙৰ লাভ আছিল যে তাত বঙ্গদেশৰ অনেক ভাবী ডাঙৰ মানুহেৰে সৈতে বন্ধুতা কৰিবলৈ সুযোগ ঘটে। বুদ্ধিমান, সদালাপী আৰু প্ৰিয়ভাষী তৰুণ ফুকনে সেই সুযোগৰ সম্পূৰ্ণৰূপে সদ্ব্যৱহাৰ কৰিব জানিছিল। সেই বাবেই ছাত্ৰজীৱনৰ পিছতো বঙ্গদেশত তেওঁৰ অনেক ডাঙৰ ডাঙৰ লোকেৰে বিশেষ ঘনিষ্ঠ বন্ধুতা আছিল। তেওঁ কলিকতালৈ গলে অনেক ডাঙৰ লোকৰ ঘৰত নিমন্ত্ৰণ ৰক্ষা কৰিব লগাত পৰিছিল।

সেই ছাত্ৰজীৱনতে তেওঁ পিন্ধাউৰা, কথাবাৰ্তা, ফুৰাচকা সকলোতে বৰ চৌখিন মানুহ আছিল। সকলো কথাতে তেওঁৰ বৈশিষ্ট্য দেখা গৈছিল,

যাক সৰ্বসাধাৰণ মানুহৰ গাত দেখা পোৱা নাযায়। তেওঁ যিহকে পিন্ধক, তাকে এনে লনি লগাই পিন্ধিব জানিছিল, যিহকে কওক তাকে এনে ধুনীয়াকৈ কব পাৰিছিল যে তেওঁৰ পিন্ধন-উৰণ আৰু কথন-মথন দেখি মানুহে স্বভাৱতে তেওঁৰ প্ৰতি শ্ৰদ্ধাবান হৈ আকৃষ্ট হৈছিল। বাইচাইকেল ওলোৱাৰ তেতিয়া সৰহ দিন হোৱা নাছিল; কলিকতাতো তাৰ সংখ্যা নিচেই তাকৰহে আছিল। কিন্তু চৌখিন তৰুণ ফুকনে সেই কালতে কলিকতা নগৰত সদায় বাইচাইকেলত উঠি ফুৰিছিল। বোধকৰোঁ অসমীয়াৰ ভিতৰত প্ৰথম বাইচাইকেলত উঠোঁতা আছিল তৰুণ ফুকন।

তেওঁ বি-এ পৰীক্ষা দিবলৈ নহল। বি-এৰ নিমিত্তে কিছু কাল পঢ়াশুনা কৰি, পিছত তাক এৰি থৈ বিলাতত বেৰিষ্টাৰ হৈ আহিলগৈ। এই বাবে যি খৰচপাতি লাগিছিল, সেই সকলোখিনি তেওঁ নিজৰ যত্নৰেহে যোগাৰ কৰি লৈছিল। এই কথা এদিন তেওঁৰ মুখেই শুনিছিলো। বিলাতত থাকোঁতেও তেওঁ সম্ভ্ৰান্ত ভদ্ৰসন্তানৰ আহিৰে ভাল ঘৰত, সাজসজ্জাৰে, সন্মানিত ৰূপেৰে বাস কৰিছিল। অসম দেশৰ প্ৰথম বেৰিষ্টাৰ আছিল আনন্দৰাম বৰুৱা, দ্বিতীয় বেৰিষ্টাৰ আব্দুল মজিদ আৰু তৃতীয় বেৰিষ্টাৰ তৰুণৰাম ফুকন। তেওঁ যেনে তীক্ষ্ণ বুদ্ধিৰ যোগ্যবান পুৰুষ আছিল, কলিকতাত সৰহ দিনলৈ বেৰিষ্টাৰি কৰি থাকিব পৰা হলে এদিন হাইকোৰ্টৰ বেঞ্চলৈকো উঠিলহেঁতেন, ই একপ্ৰকাৰ ধ্ৰুৱ কথা।

তৰুণ ফুকন অতি সুশিক্ষিত পুৰুষ আছিল। অকল বেৰিষ্টাৰি পাছ কৰা বাবেই মই তেওঁক সুশিক্ষিত বোলা নাই। পৃথিৱীৰ সমস্তবোৰ বিশ্ববিদ্যালয়ৰ চূড়ান্ত উপাধিৰাজিৰে বিভূষিত হলেও, মানুহৰ মনটো উন্নত আৰু উদাৰ নহলে, মানুহ বিবেকী নহলে, মানুহ gentleman নহলে, সুশিক্ষিত বুলি অভিহিত হবৰ যথাৰ্থতে অধিকাৰী নহয়। তেওঁৰ দৰে উন্নতমনা, উদাৰচিতীয়া সৎ বিবেচক আৰু ভদ্ৰোচিত গুণৰ মানুহ দেশৰ ৰত্নস্বৰূপ। যিমান ওখ খাপৰ সমাজতে নহওক, নিজৰ সুৰুচি আৰু সজ গুণত তেওঁ সকলোৰে শ্ৰদ্ধাভাজন হব পাৰিছিল।

বিলাতৰ পৰা আহি ফুকনে প্ৰথমে কিছুদিন কলিকতা হাইকোৰ্টত বেৰিষ্টাৰি কৰিছিল। তাৰ অলপ আগতে এদিন দেশপূজ্য ৰবীন্দ্ৰনাথ ঠাকুৰে তেওঁৰ সৈতে চিনাকি হৈ জীয়েকৰ লগত ফুকনৰ বিয়াৰ প্ৰস্তাৱ কৰিলেহি। অনেক কথা-বাৰ্তাৰ পিছত ফুকনে শেহত তেওঁক বিনীত ভাবেৰে জনালে—

"মই বেৰিষ্টাৰি কৰি সম্ভৱতঃ গোটেই জীৱন কলিকতাতে কটাব লাগিব। আপোনাৰ দৰে লোকৰ জোঁৱাই হোৱাটো অতি সৌভাগ্যৰ কথা। কিন্তু আপোনাৰ জোঁৱাই হৈ বঙ্গদেশত থাকিলে মোক ইয়াত সকলোৱে ৰবি-বাবুৰ জামাই বুলিলেহে চিনি পাব। পিছে মোৰ পিতৃ-পুৰুষৰো মোৰ দেশত অলপ নাম আছে। মই পিতৃ-পিতামহৰ সেই নামফেৰাৰ মোহ এৰিব নোৱাৰোঁ। তেতিয়া হেনো তেওঁ কৈ গল বোলে, "ঠকাব বলে এলুম, কিন্তু নিজেই ঠকে চল্লুম।" ফুকন সুৰুচিৰ সাহিত্যিক আৰু ক্ষমতাশালী বাগ্মী পুৰুষ আছিল। তেওঁ আমাৰ সাহিত্য-ভঁৰাললৈ সৰহ দান দি যোৱা নাই, এই কথা সঁচা; কিন্তু যি অলপ-অচৰপ দান দি গৈছে, তাৰ পৰা সুসাহিত্যিক বুলি তেওঁৰ চিনাকি পোৱা যায়। তাত বাজেও তেওঁ অতিশয় ৰসজ্ঞ পুৰুষ আছিল। অসমীয়া, বঙলা, হিন্দুস্থানী, উৰ্দ্দু আৰু ইংৰাজী, এই কেউটা ভাষাতে তেওঁৰ বিপুল ব্যুৎপত্তি আছিল আৰু এই কেউভাষাৰেই তেওঁ অনৰ্গলকৈ শুৱলা বক্তৃতা দিব পাৰিছিল। সিদিনা ডেপুটি কমিছনাৰ হাদি হুছেন চাহাবৰ মুখে শুনিলো, তেওঁ গোৱালপাৰাত এছিষ্টেণ্ট কমিছনাৰ থাকোঁতে এবাৰ তৰুণ ফুকনে তেওঁৰ আদালতত ওকালতি কৰিবলৈ গৈছিল। ফুকনে তেতিয়া তেওঁৰ অনুমতি লৈ তেওঁৰ বক্তৃতাৰ প্ৰথমছোৱা অসমীয়াৰে কৈ ললে; তাৰ পিছত কলে বোলে Since you have been so courteous as to allow me to address you in my own tongue, I will now return your courtesy by addressing you in your own. এই বুলি তেওঁ উৰ্দ্দু ভাষাৰে বক্তৃতা দিবলৈ ধৰিলে আৰু তেতিয়া হেনো এনেহে অনুমান হৈছিল যেন উৰ্দ্দুহে তেওঁৰ মাতৃভাষা।

সামাজিকতাৰ বাবে তৰুণ ফুকন সুবিখ্যাৎ। তেওঁ ওখ-চাপৰ, দেশী-বিদেশী সকলো সমাজতে অবাধে যথাযোগ্য সৌজন্যপূৰ্ণ আচৰণ দেখুৱাত সিদ্ধহস্ত আছিল। কথাইবাৰ্তাই তেওঁ সদায় অতি সুৰসিক পুৰুষৰ চিনাকি দিছিল। তাহানি ১৯০৭ চনত কলিকতাত ৰায়বাহাদুৰ জগন্নাথ বৰুৱা ডাঙৰীয়াৰ তিৰোভাৱ হয়। তেখেতৰ শৱ-সংকাৰ ক্ৰিয়াত, নিমতলা ঘাটত তৰুণ ফুকন উপস্থিত আছিল। তেতিয়া তেওঁ কলিকতাত বেৰিষ্টাৰ। তালৈ কালীঘাটৰ পৰা এজন ব্ৰাহ্মণ অনোৱা হৈছিল। কিন্তু তেওঁৰ হতুৱাই কোনো কাৰ্য্য কৰাবৰ প্ৰয়োজন নোহোৱাত তেওঁক যোগ্যমতে দক্ষিণা আৰু অহা-যোৱাৰ খৰচ দি বিদায় দিয়া হ'ল। ব্ৰাহ্মণে আৰু কিছু প্ৰাপ্তিৰ আশাৰে দাবী

কৰি পেৰি আছিল। তেতিয়া ফুকনে তেওঁক কলে—“ঠাকুৰ, তুমি আৰ কি চাও? তোমাকে কি এখন একটা বিয়ে কৰে দিতে হবে?” তেওঁৰ কথা শুনি সেই শোকৰ সময়তো মানুহৰ মুখত হাঁহি নিবিৰিড়ি নোৱাৰিছিল।

সকলো দেশতে, নেতাসকলৰ ভিতৰত এক শ্ৰেণী মানুহ পোৱা যায়, তেওঁলোকে নিজৰে সৈতে মত নিমিলা মানুহক দেখিব নোৱাৰে। তেওঁলোকে নিজৰ বিপক্ষ মতৰ মানুহৰ যুক্তি কাণ পাতি শুনা দূৰৰ কথা, তেনে মানুহক মানুহ বুলি গণ্য কৰিব নোখোজে। ফুকনৰ স্বভাৱ কিন্তু তাৰ বিপৰীত আছিল। তেওঁ বিপক্ষজনক সন্মান কৰিছিল আৰু বিপক্ষজনৰ যুক্তি আৰু মত যথাযোগ্যৰূপে বিবেচনা কৰি সদায় সুৰুচিৰ পৰিচয় দিছিল। তেওঁৰ এনে মহৎ স্বভাৱ আছিল যে তেওঁৰে সৈতে কাজিয়া কৰিও মানুহে সুখ পাইছিল; কাৰণ কাজিয়া কৰিবলৈ হলেও তেওঁৰ আচৰণত কেতিয়াও অন্যায় অযুগুত বা নীচ ভাবৰ স্থান নাছিল। বিপক্ষৰ লগত বিপক্ষতা আচৰণ কৰোঁতেও তেওঁৰ কাৰ্য্যকলাপত সদায় মহত্ত্বহে পৰিলক্ষিত হৈছিল।

কলিকতাৰ-পৰা গুচি আহি গুৱাহাটীত নিগাজীকৈ বহাৰ পিছত ফুকনে দেশৰ নানাবিধ কামত যোগ দিছিল। তাৰ ভিতৰৰ কোনো কোনোটোত মই তেওঁৰ সহযোগী থাকিবলৈকো পাইছিলোঁ। গোৱালপাৰাত বহা, মই সভাপতি থকা অসম সাহিত্য সভাৰ দ্বিতীয় সন্মিলনত—সেই মণ্ডপতে বহা, তেওঁ সভাপতি থকা অসম এছোচিয়েচনৰ সন্মিলনত—ধুবুৰীত বহা অসম এছোচিয়েচনৰ সেই স্মৰণীয় সন্মিলনত—গুৱাহাটীত বহা অসম এছোচিয়েচনৰ সন্মিলনত—কামৰূপৰ দতৰাত বহা, মই সভাপতি থকা সংস্কৃত সন্নী সভাৰ সন্মিলনত, চিফকমিছনাৰ আৰ্ল চাহাবৰ গুৰিলৈ বিশ্ববিদ্যালয়ৰ কথাত যোৱা ডেপুটেছনত আৰু ১৯১৭ চনত ভাৰত-মন্ত্ৰী মণ্টেগু চাহাব আৰু লৰ্ড চেমছ্‌ফোৰ্ডৰ ওচৰলৈ অসমৰ শাসন সংস্কাৰৰ কথাত যোৱা ডেপুটেছনত ফুকনে সৈতে একেযোগে কাৰ্য্য কৰাৰ মোৰ সৌভাগ্য ঘটিছিল। সেই কালত তেওঁ আৰ্ল ল কলেজৰ লেকছাৰাৰ আৰু অসম লেজিছলেটিভ কাউন্সিলৰ সভ্য আছিল।

কিন্তু সেই কালৰ এইবিলাক কামত তৰুণ ফুকনৰ পূৰ্ণ শক্তি বিকশিত হোৱা নাছিল আৰু তেওঁক মনপুতি লগাও দেখা নগৈছিল। সেই কালৰ তৰুণ ফুকন আছিল আমোদপ্ৰিয়, বিলাসপ্ৰিয়, জনপ্ৰিয় সামাজিক যুৱক। ১৯২০ চনৰ পৰাহে তেওঁৰ প্ৰখৰ বুদ্ধি, আদৰ্শ কাৰ্য্যকুশলতা, অননুকৰণীয় ঐকান্তিক আৰু

সুযোগ্য নেতৃত্বই পূৰ্ণ ৰূপেৰে হবলৈ পৰিস্ফুটিত হবলৈ সুচল পালে। তেওঁ হঠাৎ এদিন কাউন্সিলৰ সভ্য পদ ইস্তফা দিলে আৰু আন এদিন ল কলেজৰ লেকছাৰাৰ পদৰ পৰাও অৱসৰ ললে। তাৰ অলপ পিছতে তেওঁ মহাত্মা গান্ধীৰ অসহযোগ অন্দোলনত দেহেকেহে লাগি পৰিল। তেতিয়াৰে পৰা মৃত্যুৰ দিনলৈকে তেওঁ দেশৰ হকে যি যি কৰিলে, তাৰ পুনৰাবৃত্তিৰ প্ৰয়োজন নাই, সকলোৰে সি জনাশুনা কথা।

অসহযোগ আন্দোলনত লগাৰ পিছত ফুকনে এদিন মোক কৈছিল"— পূৰ্বে মই যিবিলাক কামত হাত দিছিলোঁ, সেইবিলাক কাম মোৰ মনৰ জোখাৰে নাছিল, তাত মোৰ মন নবহিছিল; আৰু সেইবাবেই মই তাত গা-লাগি ধৰিব নোৱাৰিছিলো। কিন্তু সম্প্ৰতি এই অসহযোগ আন্দোলনৰ সুবহল কাৰ্য্যক্ষেত্ৰ পাই আৰু ইয়াত মোৰ মনৰ জোখাৰে কাম পাই, ইয়াত মই একনিষ্ঠ ভাবেৰে লাগিব পাৰিছোঁ।" ই সম্পূৰ্ণ স্বৰূপ কথা। সৰুসুৰা মাছে অলপ পানীতে নাচিবাগি ফুৰিব পাৰে; কিন্তু ৰৌ-বাহু মাছে মন মুকলিকৈ ফুৰিবলৈ অগাধ আৰু সুবিস্তীৰ্ণ জলৰাশিৰ প্ৰয়োজন, ইয়াক স্বীকাৰ নকৰি নোৱাৰি।

তৰুণ ফুকনৰ প্ৰত্যুৎপন্নমতি অসাধাৰণ বিধৰ আছিল। তাহানি এবাৰ যোৰহাটৰ পৰা কাউন্সিলৰ মেম্বৰ হবলৈ স্বৰ্গীয় ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱা আৰু কংগ্ৰেছপ্ৰাৰ্থী স্বৰ্গীয় ৰোহিণী হাতীবৰুৱাৰ ভিতৰত দোৰ্ঘোৰ অৰিয়াঅৰি লাগিছিল। এই বাবে কাকজান অঞ্চলত গাঁৱলীয়া প্ৰজাৰ এখন ডাঙৰ সভা গোট খাইছিল। তাত ৰায়বাহাদুৰৰ পক্ষ সমৰ্থন কৰিবলৈ হেৰম্বপ্ৰসাদ বৰুৱা (ৰায়বাহাদুৰ) আৰু হাতীবৰুৱাক সমৰ্থন কৰিবলৈ কংগ্ৰেছী তৰুণ ফুকন উপস্থিত আছিল। তাত হেৰম্বপ্ৰসাদ বৰুৱাই ৰাইজক কলে বোলে যোৱা বেলি নিৰ্বাচনত আমাক কাউন্সিল নালাগে আৰু কোনেও কোনো ভোট নিদিবা বুলি ফুকন ডাঙৰীয়াই গাঁৱে গাঁৱে বক্তৃতা দি ফুৰিছিল। এইবাৰ আকৌ তেখেতেই হাতীবৰুৱাক ভোট দিবলৈ ৰাইজক পৰামৰ্শ দিছেহি। ই কোনোমতেই যুক্তিযুক্ত কথা হোৱা নাই। ফুকনে এক মুহূৰ্তও নভবা-নিচিন্তাকৈ হঠাৎ উঠি হাঁহিমুখেৰে উত্তৰ দিলে বোলে "হয়, সিবাৰ মাটিডৰাৰ এফালেদি পানী বাগৰিছিল আৰু মই সেইফালেই ভেটা দিছিলোঁ। এইবাৰ অন্যফালে পানী যোৱা দেখি অন্যফালে ভেটা দিছোঁ। ই একো অযুক্তিৰ কথা নহয়; বৰং ইয়াকে নকৰা হলেহে অযুক্তিৰ কথা হ'লহেঁতেন।" ফুকন ডাঙৰীয়াৰ এই সুন্দৰ আৰু স্থানোচিত উপমা গাঁৱলীয়া ৰাইজৰ মনে-পিঠিয়ে খাই পৰিল।

তৰুণ ফুকনৰ জীৱনী লিখিবলৈ হলে অসম দেশৰ যোৱা প্ৰায় দুকুৰি বছৰৰ বুৰঞ্জী লিখিব লাগিব। এই সুদীৰ্ঘ কালৰ ভিতৰত এই দেশত যতবিলাক দেশৰ কাম হৈছে, তাৰ প্ৰায় সকলোখিনিতে তেওঁ লিপ্ত আছিল। কিন্তু ১৯২০ চনৰ পৰা শেহৰ ২০ বছৰ, অৰ্থাৎ অসমত কংগ্ৰেছ যুগৰ এই ২০ বছৰৰ কথা বিশেষ উল্লেখযোগ্য। অসম দেশৰ কংগ্ৰেছ আন্দোলন তৰুণ ফুকনৰ ওচৰত বিশেষৰূপে ধৰুৱা।

এতিয়া আমাৰ কাম হৈছে আমাৰ যুৱকবৃন্দৰ আগত তৰুণ ফুকনৰ সৎ আদৰ্শ দাঙি ধৰা। তৰুণ ফুকন আৰু নাই; তেওঁৰ সেই সৌম্যমূৰ্তি, সেই প্ৰিয়দৰ্শন ৰূপ আমি আৰু নেদেখোঁ, কিবা ঠেকত পৰিলে, বুদ্ধি-সন্ধি সুধিবলৈ আমি আৰু তেওঁক নাপাওঁ। কিন্তু নল মৰে, গজালি উঠে, এয়ে সংসাৰৰ নিয়ম। যুৱকসকলেই সেই গজালি, দেশৰ সকলো আশা-ভৰসাৰ স্থল। তেওঁৰ আদৰ্শ আগত লৈ আমাৰ ডেকাসকলে যেন প্ৰত্যেকে একো একোজন দেশভক্ত তৰুণ ফুকন হবলৈ চেষ্টা কৰে, ইয়াকে কামনা কৰিছোঁ।

# দেশভক্ত তৰুণৰাম ফুকন

## অধ্যক্ষ পদ্মধৰ চলিহা

তেতিয়া মই আইনৰ 'লেকছাৰ' সম্পূৰ্ণ কৰি মাত্ৰ প্ৰাথমিক পৰীক্ষাত উত্তীৰ্ণ হৈ ঘৰত আছোঁহি। 'ইণ্টাৰ-ফাইনেল'দিম দিম বুলি দিব পৰা নাই। এবাৰ মৰসাহ কৰি পৰীক্ষাৰ পোন্ধৰ দিনমানৰ আগতে গুৱাহাটীলৈ গৈ নবকুমাৰ বৰুৱা মোমাইদেউৰ ভৰলুমুখৰ বহাত আছোঁ। মূৰে-কপালে হাত দি ভাবি আছোঁ, কিতাপ এখনো মেলি চোৱা নাই, কেনেকৈ পৰীক্ষা দিওঁ? এদিন আহিলোঁ দেখা কৰিবলৈ ল কলেজৰ অধ্যাপক সুপ্ৰসিদ্ধ বেৰিষ্টাৰ মিঃ ফুকনক। তেখেতৰ আগাত মোৰ সমস্যাৰ কথা জনালোঁ। তেখেতে তেখেতৰ স্বভাৱসুলভ বচন-ভঙ্গীৰে মোক অভয় দি কলে "গধূলি মোৰ ওচৰলৈ আহিবা। মই 'কচ কৰি দিম।" মোৰ মুখলৈ পানী আহিল। অঠাই সাগৰত পৰি পাৰ পোৱাৰ নিচিনা লাগিল। ফুকনৰ যেনে কথা তেনে কাম। এদিনো গধূলি ক্ষতি নকৰাকৈ মোক প্ৰাঞ্জলভাৱে বক্তৃতাৰ ছলেৰে জটিল আইনৰ কথাখিনি সুন্দৰলৈ বুজাই দিলে। সেই সময়ত ফুকনৰ ঘনিষ্ঠ সম্পৰ্কলৈ অহাত তেখেতৰ বিশাল অন্তঃকৰণ, অনুপম উদাৰতা অসাধাৰণ বাগ্মিতা আৰু অগাধ পাণ্ডিত্যই মোৰ হৃদয়ত দকৈ সাঁচ বহুৱালে। গৰ্বত মোৰ বুকু ফুলি উঠিল—অসমতো এনে এগৰাকী তেজস্বী, মনস্বী, মহানুভৱ পুৰুষ আছে। 'ইণ্টাৰ বি-এল' পৰীক্ষা দি ফুকনক সবিশেষ জনালোঁ। ফুকনে কলে, "অ' তুমি পাছ হবা।" ঘৰলৈ আহি দুমাহমানৰ মূৰত সুখবৰ পালোঁ। আকৌ 'ফাইনেল' পৰীক্ষাৰ সমস্যা উপস্থিত হল। পুনৰ পৰীক্ষাৰ পষেকমানৰ আগতে গুৱাহাটীলৈ গলোঁ। ফুকনক দেখা কৰাত ঘপৰাই কলে—"এইবাৰো ঠিক কৰি দিম, আহিবা।" গধূলি গধূলি গৈ তেখেতৰ ওচৰত বহি আইনৰ পৰিপাটি ব্যাখ্যা শুনি নথৈ উপকৃত হলোঁ। 'ফাইনেল' পৰীক্ষা দিলোঁ। ফুকনে কলে, "ভয় নাই, পাছ হৈ যাবা।" তেখেতৰ কথা ফলিয়ালে।

এই সামান্য কাহিনীয়েই তেখেতৰ মহানুভৱতাৰ আভাস দিয়ে। নিজৰ বহুমূলীয়া সময় খৰচ কৰি, কষ্ট স্বীকাৰ কৰি, উপযাচি এজনক নিস্বার্থভাৱে সহায় কৰিবলৈ গাত লোৱা লোক কেইজন? এনেকৈ ফুকনে ভালেমান লোকক সহায় কৰা, নিজৰ আৰ্থিক বিপৰ্য্যয়ৰ মাজতো অভাৱপীডিত লোকক মুক্তহস্তে দান কৰাৰ দৃষ্টান্ত অলেখ।

অসম আই সঁচাকৈয়ে অভাগিনী। প্ৰায় দুবছৰৰ ভিতৰত এটি এটিকৈ কেইবাটিও উজ্জ্বল ৰত্ন হেৰুৱালে। সাহিত্য ক্ষেত্ৰত মাতৃভাষাৰ একনিষ্ঠ সেৱক স্বনামধন্য লক্ষ্মীনাথ বেজবৰুৱা, সমাজসংস্কাৰক দাৰ্শনিক কবি কমলাকান্ত ভট্টাচাৰ্য্য, বুৰঞ্জীবিদ সুকবি হিতেশ্বৰ বৰবৰুৱা আৰু ৰাজনৈতিক ক্ষেত্ৰত দেশবৰেণ্য কৰ্মবীৰ নবীন বৰদলৈ আৰু নীৰৱ দেশকৰ্মী যোগেন্দ্ৰনাথ বৰুৱাক আইৰ বুকুৰ পৰা নিঠুৰ কালে অকালতে আজুৰি লৈ গ'ল। আজি পুনু বহুমূখী প্ৰতিভাশালী, দেশ-বিদেশত অসম মাতৃৰ মুখ জিলিকাওঁতা, সভাশুৱনি, জাকত জিলিকা, সৰ্ব্বৰ্ব দেশভক্ত তৰুণৰাম ফুকনক অকস্মাতে হেৰুৱাই অসমীয়া জাতি দৰাচলতে থাটমাউবাৰ নিচিনা হ'ল, গুৰিয়াল নাইকিয়া নাৱৰ নিচিনা হ'ল। ৰোগ-ব্যাধিৰ একো সংবাদ নোপোৱাকৈ হঠাৎ বিজুলী বাতৰি আহিল, তৰুণ ফুকন আৰু নাই। ই যে বিনা মেঘে বজ্ৰপাত। ই যে অতি নিদাৰুণ শেল। ই যে অসহনীয় সন্তাপ। ই যে দেশৰ অভাৱনীয়, অপূৰণীয় ক্ষতি।

দেশভক্তৰ সেই বিৰাট সৌম্য মূৰ্তি, সেই অতুলনীয় বাগ্মিতা, চুম্বকশক্তি-সম্পন্ন সেই অসাধাৰণ ব্যক্তিত্ব, সাতশত্ৰুৰ হৃদয় জয় কৰা সেই ৰসাল অমায়িকতা, জাতিৰ বিষম সন্ধিক্ষণত দেশৰ কাৰণে সেই অসীম স্বাৰ্থ বলিদান, দেশবাসীয়ে কোন সতে পাহৰিব? আজীৱন সুখ-সম্পদৰ কোলাত লালিত-পালিত, ৰজা-জমিদাৰৰ আয়মত ডাঙৰদীঘল হোৱা তৰুণ ফুকনে তৰুণ বয়সতে নিজৰ মেধাশক্তি আৰু প্ৰতিভাৰ চিনাকি দিছিল। প্ৰেছিডেন্সি কলেজত পঢ়া অৱস্থাতে তৰ্কসভা আদিত তেখেতৰ বাক-শক্তিৰ পৰিচয় দিয়াৰ উপৰিও ইডেন হিন্দু হোষ্টেলত প্ৰতি বছৰে হোৱা বঙ্গভাষাৰ চতুৰ্দশপদী কবিতাৰ প্ৰতিযোগিতাত তেখেতে উচ্চস্থান অধিকাৰ কৰি নানান প্ৰদেশৰ ছাত্ৰমণ্ডলীৰ মাজত সুখ্যাতি লাভ কৰিছিল। বিলাতত দেশপ্ৰিয় সেনগুপ্ত আদি সুপ্ৰসিদ্ধ লোকৰ সহপাঠী হৈ, বেৰিষ্টাৰি পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতা হাইকোৰ্টত বেৰিষ্টাৰি ব্যৱসায়ত তেখেতে বিপুল যশস্যা অৰ্জন কৰিছিল।

পুনৰ অসম আইৰ কোমল কোলালৈ ঘূৰি আহি অসমতে বেৰিষ্টাৰি কৰি সেই যশস্যা চন্দ্ৰকলাৰ দৰে দিনক দিনে বাঢ়ি আহিবলৈ ধৰিলে। আজিলৈকে বেৰিষ্টাৰ স্বৰূপে অসমীয়াৰ ভিতৰত বিশেষ প্ৰতিপত্তি লাভ কৰিছে একমাত্ৰ ফুকনেহে। পোনপ্ৰথম আইনৰ কলেজ অসমত স্থাপিত হওঁতে তাৰ অধ্যাপক হৈ সুবিজ্ঞ সুনিপুণ অধ্যাপক বুলি ফুকন জনাজাত হ'ল। বাঘ-হাতীৰ চিকাৰত সিদ্ধহস্ত ফুকন ডাঙৰ ডাঙৰ ইংৰাজ, ভাৰতীয় বিষয়া আদিৰ সংসৰ্গলৈ আহি এজন সুদক্ষ, অসমসাহসী চিকাৰী বুলি দেশ-বিদেশত প্ৰখ্যাত হ'ল। বনৰীয়া ঘোং, হাতী, বাঘ আদিৰ উপদ্ৰৱত গাঁৱলীয়া ৰাইজে ত্ৰাহি ত্ৰাহি কৰি ফুকনৰ আশ্ৰয় ললে আগবাঢ়ি গৈ তেওঁলোকে সেই হিংস্ৰ জন্তুবিলাক সংহাৰ কৰি আতুৰ ৰায়তক ৰক্ষা কৰে ফুকনে। সিদিনা অলপতে চাহাবসকলৰ দ্বাৰা পৰিচালিত 'অসম ৰিভিউ' নামৰ ইংৰাজী মাহেকীয়া আলোচনীত নিজে বধ কৰা এটা ভয়ঙ্কৰ বাঘেৰে সৈতে চিকাৰী ফুকনৰ ছবি ওলাই গৈছে।

যেতিয়া মহাত্মা গান্ধীৰ আশ্বাসত গোটেই ভাৰত জুৰি হিমালয়ৰপৰা কুমাৰিকালৈকে কুৰিশতিকাৰ অহিংস কুৰুক্ষেত্ৰ-যুদ্ধৰ সূত্ৰপাত হ'ল, বান, ভগদত্ত, নৰক, বশিষ্ঠ, খনা, ৰুক্মিণী, হিড়িম্বা, চিত্ৰাঙ্গদা, লাচিত, চিলাৰায়ৰ দেশ অসমে হাত সাৱটি বহি থাকিব নে? কেতিয়াও থাকিব নোৱাৰে। সুখ-সম্পদ, ধন-ঐশ্বৰ্য্য, লাহবিলাহ, মৃগয়াৰ মোহ সকলোকে অকাতৰে বিসৰ্জন দি ফুকনে কাচিপাৰি বীৰবেশে আগবাঢ়ি জঁপ দিলে। কৰ্মবীৰ বৰদলৈ আৰু দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা আদি জাতীয় যোদ্ধাৰ সহযোগত অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে গভীৰ পাঞ্চজন্যৰ নিনাদে খলক লগাই দিলে। সুসুপ্ত অসমবাসী নবীন সঞ্জীৱনী মন্ত্ৰেৰে দীক্ষিত হৈ নৱপ্ৰেৰণাৰে অনুপ্ৰাণিত হ'ল। হেজাৰ হেজাৰ মুনিহ-মহিলাই হাঁহিমুখে শত দুখ-দৈন্য, কঠোৰ নিৰ্য্যাতন বৰণ কৰিবলৈ সাজু হ'ল। বিভূতি-বৈভৱ, ভোগ-বিলাস, মায়া-মোহ সকলোৰে বান্ধ মুহূৰ্ততে ছিঙি সুদীৰ্ঘ কাল অকাতৰে কাৰাবৰণ কৰিলে ফুকনে। কাৰাগাৰত নশ্বৰ শৰীৰ বন্দী হ'ল হয়, কিন্তু মন আৰু আত্মাক বন্দী কৰিবৰ সাধ্য কাৰ? কাৰাগাৰৰ নিৰ্জনতাৰ মাজত নানান ধৰ্মগ্ৰন্থ, শাস্ত্ৰাদি মনোযোগেৰে অধ্যয়ন কৰিবলৈ ধৰিলে বন্দী ফুকনে। সেই সুযোগতে 'স্তুতিমাল'ৰূপী মনোহৰ সুগন্ধি মালা গাঁথি মাতৃভাষাৰ কণ্ঠত পিন্ধালে। কাৰামুক্ত হৈ পুনৰ কংগ্ৰেছৰ সেৱাত, স্বৰাজৰ সাধনাত ফুকন লাগি গ'ল। দেশবন্ধু চিত্তৰঞ্জন দাস, পণ্ডিত মতিলাল নেহৰু প্ৰমুখ্যে নেতাসকলৰ লগত

স্বৰাজ্য দল গঠনৰ কাৰ্য্যত দেহেকেহে লাগি গ'ল। ভাৰতৰ ভিন ভিন প্ৰদেশত ফুকনৰ অকাট্য যুক্তি, বজ্ৰগম্ভীৰ বাণীয়ে তবধ লগালে।

কংগ্ৰেছ জাতীয় মহাসভা ভাৰতৰ সকলো প্ৰদেশে আহ্বান কৰি পাতিব পাৰে, অসমে নোৱাৰিব কিয় ? অসম সদায় কিয় পাছ পৰি থাকিব ? অসমীয়া জাতি কিয় নগণ্য, অনাদৃত হৈ থাকিব ? এই মহৎ ভাব লৈয়ে অসমলৈ কংগ্ৰেছ মহাসভা নিমন্ত্ৰিত হ'ল। হৃদয়ত অসীম সাহ অললৈ ফুকনে অভ্যৰ্থনা সমিতিৰ সভাপতিৰ দায়িত্বপূৰ্ণ বাব লৈ, কৰ্মবীৰ বৰদলৈক প্ৰধান সম্পাদকৰ গুৰুভাৰ দি, দুয়ো সৰ্বস্ব পণ কৰি ১৯২৬ চনৰ ডিচেম্বৰ মাহত মাদ্ৰাজৰ নেতা শ্ৰীনিবাস আয়েংগাৰৰ পোৰোহিত্যত 'পাণ্ডুৰ পাণ্ডুৰনগৰ পাতি বিৰাট জাতীয় মহাযজ্ঞৰ অনুষ্ঠান কৰি অসমত নৱযুগৰ সূচনা কৰিলে। মহাত্মা গান্ধী, সৰোজিনী নাইডু, পণ্ডিত মতিলাল নেহৰু প্ৰমুখ্যে ভাৰতৰ বিশিষ্ট নেতা-সকলক একেলগে একে ঠাইতে দৰ্শন কৰা আৰু তেওঁলোকৰ উদ্দীপনাময় মৰ্মবাণী শুনাৰ পৰম সৌভাগ্য ঘটিল অসমীয়া জাতিৰ। কংগ্ৰেছৰ বিৰাট অধিবেশন অসম আইৰ বুকত বিপুল সমাৰোহেৰে সমাধা হৈ গ'ল। কিন্তু আদৰণি সমিতিৰ বহু টকাৰ ধাৰ লাগিল, সভাপতি ফুকন আৰু প্ৰধান সম্পাদক বৰদলৈ ডাঙৰীয়াৰ টেটুত। দুইৰো অজস্ৰ বহুমূলীয়া সম্পত্তি আদালতত নীলাম হৈ গ'ল।

অকল কংগ্ৰেছৰ কাৰ্য্যত লিপ্ত থাকিয়ে ফুকন ডাঙৰীয়া ক্ষান্ত বা সন্তুষ্ট থকা নাছিল। মাতৃভূমিৰ সেৱা আৰু উন্নতিৰ লগত মাতৃভাষাৰ সেৱা আৰু উন্নতিৰ যে অবিচ্ছেদ্য সম্বন্ধ, মৌখিক বাণী বতাহৰ বুকত বিলীন হলেও, লিপিবদ্ধ ভাৱৰাশিৰ যে বিনাশ নাই, এই সত্য দেশভক্তই মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। ওপৰত উনুকিওৱা 'স্তুতিমালা' গ্ৰন্থৰ উপৰিও 'যৌনতত্ত্ব'ৰ বিষয়ে পোনপ্ৰথম অসমীয়া গ্ৰন্থ ফুকন ডাঙৰীয়াৰ মধুৰ লেখনীৰ পৰা ওলায়। অৰ্ঘ্য, আৱাহন, অসমীয়া আদি কাকতত ফুকনৰ ভিন ভিন বিষয়ৰ বাছকবনীয়া প্ৰবন্ধই সততেই শোভা পাইছিল। গোৱালপাৰাত বহা অসম সাহিত্য সন্মিলনৰ সভাপতি স্বৰূপে ফুকন ডাঙৰীয়াৰ সাৰগৰ্ভ অভিভাষণত আৰু মাতৃভাষাৰ প্ৰতি তেখেতৰ সুগভীৰ অনুৰাগ আৰু তেখেতৰ অগাধ পাণ্ডিত্য সুন্দৰকৈ ফুটি ওলাইছিল। তেজপুৰত বহা অসম ছাত্ৰ সন্মিলন, গোলাঘাটত বহা অসম তৰুণ সংঘ, জয়াতীৰ্থত জয়মতী তিথি মহোৎসৱ, গুৱাহাটীত পতা কামৰূপ অলিম্পিক এছোচিয়েছনৰ উদ্বোধন সভা, অসম মেডিকেল

লাইছেঞ্চিয়েটছ্, এছোচিয়েছন্ আদি বিবিধ জাতীয় আৰু দেশহিতকৰ অনুষ্ঠানৰ পূজাৰী স্বৰূপে দেশভক্ত ফুকনদেৱে দেশবাসীক ভাবকুসুমৰ অমোঘ নিৰ্মালি অকাতৰে বিলাই দিছিল। দুখৰ বিষয় ফুকনৰ ভাষণবোৰৰ বিলুপ্তি ঘটিল।

ফুকন ডাঙৰীয়াৰ বাগ্মিতাৰ ধৰণ দৰাচলতে অতুলনীয় আছিল। ওজস্বিনী ভাষাৰে, অকাট্য যুক্তিৰে, ৰসাল কথাৰ অৱতাৰণাৰে, সুন্দৰ বচন-ভঙ্গীৰে, গধুৰ ভাব-সম্ভাৰেৰে যে অতি তেজী, হৃদয়গ্ৰাহী, মৰ্মস্পৰ্শী বক্তৃতা অসমীয়াত দিব পাৰি, তাৰ আৰ্হি দেখুৱালে দেশভক্ত ফুকনে। দেশভক্ত ফুকন আৰু কৰ্মবীৰ বৰদলৈ দুয়ো আছিল বাগ্মী। বৰদলৈৰ বক্তৃতাত সুন্দৰকৈ ফুটি ওলাইছিল ভাবৰ অনাবিল প্ৰবাহ, কবিত্বপূৰ্ণ গভীৰ আবেগ, সুমধুৰ সঙ্গীতময় সুৰ আৰু মাজেসময়ে বজ্ৰগম্ভীৰ বাণী। ফুকনৰ বক্তৃতাত ফুটি ওলাইছিল শব্দব্ৰহ্মৰ প্ৰচণ্ড প্ৰভাৱ, মৌলিক যুক্তিৰ প্ৰখৰতা, সুচতুৰ ব্যঙ্গৰ তীব্ৰতা আৰু মাজেসময়ে জ্বলন্ত অগ্নিস্ফুলিঙ্গ। আৰু এটি ফুকনৰ বিশেষত্ব আছিল এই যে তেখেতে অসমীয়া ভাষাত যেনে প্ৰাঞ্জল বক্তৃতা দিব পাৰিছিল, ইংৰাজী, বঙলা, হিন্দী আৰু উৰ্দ্দু ভাষাতো তেনে বক্তৃতা দিব পাৰিছিল। সংস্কৃত ভাষাতো ফুকনৰ বিশেষ ব্যুৎপত্তি থকাৰ যথেষ্ট প্ৰমাণ উগ্ৰতাৰাত হোৱা সংস্কৃত টোলৰ সভাত আৰু আন আন ঠাইত দিয়া বক্তৃতাত পোৱা গৈছিল। গোটেইখন শ্ৰীভগৱদগীতা ফুকনৰ কণ্ঠস্থ আছিল।

গুৱাহাটী মিউনিচিপাল আৰু লোকেলবোৰ্ডৰ চেয়াৰমেন স্বৰূপেও দেশভক্ত ফুকনে ভালেমান জনহিতকৰ কাৰ্য্য সম্পাদন কৰিছিল। আগৰ অসম ব্যৱস্থাপক সভাৰ সদস্য পদতো ফুকনে তেজস্বিতা আৰু স্বদেশানুৰাগৰ যথেষ্ট পৰিচয় দিছিল। ভাৰতীয় ব্যৱস্থা-পৰিষদলৈ অসমৰ পৰা প্ৰতিনিধি নিৰ্বাচিত হৈ গৈছিল যদিও উক্ত পৰিষদত ফুকনৰ প্ৰভাৱ কিয় স্পষ্টকৈ জিলিকি নুঠিল তাৰ কাৰণ বিচাৰি উলিওৱা টান। যুক্ত প্ৰদেশৰ এখন বাতৰি কাকতৰ সম্পাদকীয় স্তম্ভত তাহানিখন ফুকনৰ নানান গুণ-গৰিমা বখানিও তেখেতৰ সম্পৰ্কে এই বুলি মন্তব্য প্ৰকাশ কৰিছিল যে তেখেত পৰিষদত এজন লাজকুৰীয়া ৰাজনীতিজ্ঞ (shy politician) আছিল। আন সকলো ক্ষেত্ৰতে ইমান জাকত জিলিকা, আগৰণুৱা আৰু লব্ধপ্ৰতিষ্ঠ হৈও ব্যৱস্থা পৰিষদৰ ক্ষেত্ৰত ফুকনে নিজ প্ৰতিভাৰ চিনাকি দিব নোৱাৰাটো প্ৰকৃততে এটি নিগূঢ় ৰহস্য। দোষে-গুণেই মানুহ। চন্দ্ৰ-সূৰ্য্যয়ো দুষ্ট ৰাহুৰ গ্ৰাহৰ

হাত সাৰিব নোৱাৰে। ফুকনৰ প্ৰতিভাৰ প্ৰভাৱকো হয়তো অৱসাদ নাইবা এলাহৰূপী ৰাহুৱে সময়ে সময়ে ছাঁ পেলাইছিল। কিন্তু ৰাহুৰ গ্ৰাসৰ পৰা মুক্ত হৈয়ে সেই প্ৰভাৱ পুনৰ চন্দ্ৰ-সূৰ্য্যৰ দৰে জিলিকি উঠে।

জীৱনৰ শেষ কেবাবছৰমানৰ পৰা ইটোৰ পিছত সিটোকৈ পাৰিবাৰিক দুৰ্ঘটনা, সাংসাৰিক জঞ্জালে ফুকন ডাঙৰীয়াক চাৰিওফালৰ পৰা বেঢ়ি ধৰিছিল। তেখেতৰ সহধৰ্মিণী, জ্যেষ্ঠা কন্যা, চেনেহৰ ৰবজোঁৱাই লক্ষ্মীধৰ শৰ্মা ৰাম-লক্ষ্মণৰ দৰে মিলাপ্ৰীতিৰে বাস কৰা ককাইদেৱেক নবীন ফুকন—এই সকলোৱে ফুকনক এৰি সংসাৰৰ পৰা আঁতৰি গ'ল। বাৰেপাচি পাৰিবাৰিক আলৈআহুকাল, আৰ্থিক বিপৰ্য্যয়ৰ বাবেই হওক নাইবা ৰাজনৈতিক মতভেদৰ বাবেই হওক, ফুকন ডাঙৰীয়া মাজতে বছৰদিয়েক কংগ্ৰেছৰ পৰা আঁতৰি থকাত দেশবাসীয়ে তেখেতৰ নেতৃত্বৰ অভাৱ বৰকৈ অনুভৱ কৰিছিল। তেখেতৰ অন্তৰৰ অন্তঃস্থলত হয়তো। তেখেতৰ অতি মৰমৰ, হেঁপাহৰ কংগ্ৰেছ আৰু সহকৰ্মীসকলৰ বিচ্ছেদৰ বিষম যন্ত্ৰণা গুমৰি গুমৰি আছিল। ৰাজনৈতিক ক্ষেত্ৰত এনে ধৰণৰ বিপৰ্যয় ঘটাটো একো আচৰিত কথা নহয়; কিন্তু ফুকনৰ ওপৰত কোনেও কস্মিন কালেও আক্ৰোশ বা বিদ্বেষৰ ভাব পোষণ কৰা নাছিল। সকলোৱে মাথোন আশাপথলৈ হেঁপাহেৰে চাই আছিল—আকৌ কেতিয়া দেশভক্ত ফুকনক কংগ্ৰেছৰ অগ্ৰণী নেতা স্বৰূপে ঘূৰাই পাব? ১৯২১ চনত মহাত্মা গান্ধী অসমলৈ আহোঁতে ফুকনৰ ঘৰত আলহী হৈ থাকি আৰু অসমৰ বাহিৰেও আন আন প্ৰদেশত ঘনিষ্ঠ তেখেতৰ সংসৰ্গত আহি ফুকন ডাঙৰীয়াৰ গুণ-গৰিমাত মুগ্ধ হৈছিল আৰু স্পষ্টকৈ কৈছিল যি দেশত ফুকনৰ নিচিনা এগৰাকী যোদ্ধা (valiant fighter) আছে, সেই দেশ কিয় পাছ পৰি থাকিব? তেতিয়াৰে পৰা সততেই গান্ধীজীয়ে ফুকনৰ কুশল-বাতৰি লৈ থাকে। ৱাৰ্দ্ধাত অসমৰ এগৰাকী বিশিষ্ট কংগ্ৰেছ নেতাই মহাত্মাজীক দেখা কৰোঁতে মহাত্মাজীয়ে "ফুকনৰ খবৰ কি" বুলি সোধাত আমাৰ নেতাজনে কলে "দুখৰ বিষয় ফুকন এতিয়া কংগ্ৰেছৰ পৰা আঁতৰি আছে।" দূৰদৰ্শী মহাত্মাজীয়ে 'তেখেতৰ স্বভাৱসুলভ হাঁহি এটিৰে ঘপৰাই মাত লগালে, "ফুকন আকৌ কংগ্ৰেছলৈ আহিবই আহিব।" মহাত্মাৰ এই ভবিষ্যদ্বাণী আখৰে আখৰে ফলিয়াবলৈ সৰহ দিন নালাগিল। দেশভক্তৰ অন্তৰৰ গভীৰতম প্ৰদেশত জ্বলি থকা স্বদেশপ্ৰেমে তেখেতক পুনৰ কংগ্ৰেছৰ বিশাল কৰ্মক্ষেত্ৰলৈ আকৃষ্ট কৰি আনিলে। দেশ জুৰি আনন্দৰ ৰোল উঠিল। ফুকন আকৌ কংগ্ৰেছত।

মন্ত্ৰীপদ লাভৰ নাইবা আন কোনো ক্ষুদ্ৰ স্বাৰ্থৰ প্ৰৰোচনাত ফুকন কংগ্ৰেছলৈ ঘূৰি অহা নাছিল। ফুকনে ইচ্ছা কৰা হলে সহজে কংগ্ৰেছ-মন্ত্ৰীসভাৰ প্ৰধান মন্ত্ৰীৰ গাদীত বহিব পাৰিলেহেঁতেন, কিয়নো সেই পদৰ কাৰণে তেখেতৰ যোগ্যতা কোনেও অস্বীকাৰ কৰিব নোৱাৰিলেহেঁতেন। অসমত কংগ্ৰেছযুক্ত মন্ত্ৰীসভা গঠনত ফুকনে যথোচিত সহায় কৰাৰ উপৰিও কংগ্ৰেছ বিৰোধীসকলে উক্ত মন্ত্ৰীসভাৰ ওপৰত অনাস্থাৰ প্ৰস্তাৱ দি সভা ভাঙিবলৈ বিৰাট অভিযান চলাই এটি গুৰুতৰ সমস্যা উপস্থিত কৰোঁতে ফুকনৰ সমস্ত শক্তি-সামৰ্থ্য, প্ৰভাৱ, প্ৰতিপত্তি আৰু বুদ্ধি-কৌশল প্ৰয়োগ কৰি মন্ত্ৰীসভা ভাঙিবলৈ পাঙোতাসকলৰ শতেক অভিসন্ধি, বিপুল প্ৰয়াস হেলাৰঙে ব্যৰ্থ কৰিলে। মাৰ যোৱাৰ আগতে সূৰ্য্যই যেনেকৈ বিৰাট সুন্দৰ ৰক্তিম ৰূপ ধাৰণ কৰে, অসম আকাশৰ এই তৰুণ অৰুণে ইহলীলা সামৰাৰ আগতে মোহন আৰু মহান ৰূপ ধৰি অস্তাচলত অস্তমিত হ'ল।

দেশভক্ত ফুকনৰ নশ্বৰ শৰীৰ অন্তৰ্ধান হ'ল ; কিন্তু তেওঁৰ আত্মা অমৰ, কীৰ্তি অবিনশ্বৰ, স্মৃতি যুগমীয়া। কীৰ্ত্তি যস্য স জীৱতি।

আছা তুমি প্ৰাণ বিনে জীৱন প্ৰদানি।
অবুজন আমি মাথোঁ টোকোঁ চকুপানী ॥

জগৎ-সভাত দেশভক্ত ফুকনে অসমক ওখ আসন দিলে। অসম দেশ ফুকনৰ দেশ বুলি জনাজাত হ'ল। বাঘ-হাতী চিকাৰত ফুকনে যেনেকৈ পৃথিৱীৰ সুপ্ৰসিদ্ধ চিকাৰীসকলৰ শাৰীত ঠাই পালে, তেনেকৈ সকলো ক্ষেত্ৰতে প্ৰতিপত্তি লাভ কৰিব পৰা ভাৰতৰ আন আন বিশিষ্ট নেতাসকলৰ মনত সমানে শাৰী পূৰাব পৰা মেধাবী, মনস্বী, প্ৰতিভাশালী, জাকত জিলিকা, সৰবৰহী বাগ্মী নেতা, মহানুভৱ পুৰুষ যে অসমত আছে, "যদিও নিজান অসম আকাশ জিলিকে ইয়াতো তৰা" —এই কথাকো স্পষ্টকৈ প্ৰতিপন্ন কৰি দেখুৱালে দেশভক্ত ফুকনে। সেয়েহে সদৌ ভাৰতীয় ভালেমান প্ৰতিষ্ঠান, পৰিষদ, কমিটী, কমিছন আদিৰ কাৰণে ৰজা আৰু ৰাইজৰ ঘৰৰ পৰা বাছি লৈছিল আমাৰ ফুকনক। ১৯২৬ চনৰ কংগ্ৰেছ মহাসভাৰ অধিবেশনত নিখিল ভাৰতীয় কংগ্ৰেছৰ কাৰ্য্যকৰী কমিটীৰ সদস্য পদৰ বাবে নিৰ্বাচিত হৈছিল ফুকন। সেই সন্মান তেতিয়ালৈকে অসমৰ আন কাৰো ভাগ্যত পৰা নাছিল। নেহেৰু ৰিপোৰ্ট কমিটীৰ সভ্যপদ অধিকাৰ কৰিছিল ফুকনে। দেশবন্ধু দাস, পণ্ডিৎ মতিলাল নেহেৰু প্ৰমুখ্যে কংগ্ৰেছ নেতাসকলে গঠন কৰা স্বৰাজ্যদলৰ অন্যতম দলপতি

আছিল ফুকন। স্বৰাজ্য দলৰ আৱশ্যকতা ভাৰতৰ ভিন ভিন প্ৰদেশত ফঁহিয়াই দেখুৱাবলৈ সহায় লৈছিল ফুকনৰ। উৰিষ্যা সীমা-নিৰ্দ্ধাৰণ কমিছনৰ সদস্যৰূপে গৱৰ্ণমেণ্টে মনোনীত কৰিছিল ফুকনক। এবাৰ গুৱাহাটীৰ ওচৰত হোৱা হত্যাকাণ্ডৰ বিচাৰৰ কাৰণে গঠিত হোৱা 'স্পেছিয়েল ট্ৰিবিউনেল'ৰ সভ্য আছিল ফুকন। অসমৰ বাহিৰেও বঙ্গদেশৰ ডাঙৰ ডাঙৰ মোকৰ্দমাত আইনৰ জটিল সমস্যা বুজাই দিবৰ কাৰণে নিযুক্ত হৈছিল বেৰিষ্টাৰ ফুকন।

আমি অসমবাসীয়েও বুকু ডাঠ কৰি সকলো ক্ষেত্ৰতে আঙুলিয়াই দিবলৈ সগৌৰৱে আগবঢ়াই দিবলৈ পাইছিলোঁ তৰুণৰাম ফুকনক। ফুকনে সততেই কোৱা মনত পৰে– 'নিছলা অসম' 'দুখুনী অসম' বুলি ইনাইবিনাই থকাটো আমাৰ জাতীয় দুৰ্বলতা, হীন মনোবৃত্তিৰ চিন মাথোন। অতীতৰ বিপুল কীৰ্তি-কলাপেৰে ভৰপূৰ, অলেখ নিস্বাৰ্থ দেশকৰ্মীৰে পৰিপূৰ্ণ অসম কিয় নিছলা, দুখীয়া হব। তৰুণ অসমলৈ তৰুণ ফুকনৰ বাণী আছিল—"উত্তিষ্ঠিত জাগ্ৰত প্ৰাপ্য বৰান্নিবোধত।"

আমি যদি দেশভক্তৰ পৱিত্ৰ স্মৃতিৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা দেখুৱাব খোজোঁ, তেওঁৰ স্বদেশপ্ৰেম, স্বাৰ্থত্যাগৰ আৰু মহনুভৱতাৰ মহৎ আদৰ্শেৰে আমাৰ জীৱন গঢ়িব লাগিব। দেশভক্ত ফুকনৰ জীৱনৰ চানেকী আগত ৰাখি মাতৃভাষা আৰু মাতৃভূমিৰ নিস্বাৰ্থ আৰু একনিষ্ঠ সেৱাব্ৰতত ব্ৰতী হলেহে তেওঁৰ আত্মাই শান্তি লাভ কৰিব।

# দেশভক্ত ফুকনৰ প্ৰতিভা

## লোকপ্ৰিয় গোপীনাথ বৰদলৈ

দেশভক্ত ফুকন ডাঙৰীয়াৰ জীৱনৰ পূৰ্ণতা ৰাজনীতিত হলেও তেখেতৰ কিছুমান আন প্ৰতিভাও আছিল যাৰ দ্বাৰাই তেখেত অসমীয়াৰ মাজত আন প্ৰকাৰেও চিৰস্মৰণীয় হ'লহেঁতেন। মই সাহিত্যৰ মোল ভালকৈ বুজোঁ বুলি কব নোৱাৰোঁ, কিন্তু অসমীয়া সাহিত্য-সমালোচকসকলৰ পৰা বুজা যায় যে ফুকন ডাঙৰীয়া অসমীয়া ভাষাৰো কম কাৰিকৰ নাছিল। ইমান শুৱলা আৰু ভাবপ্ৰকাশক শব্দ এনে সুন্দৰভাৱে কম শিল্পীয়েহে ইতিপূৰ্বে ব্যৱহাৰ কৰিছে বুলি মোৰ বিশ্বাস হয়। সাহিত্যিকসকলে নিশ্চয় এই সম্বন্ধে নিজৰ মতামত প্ৰকাশ কৰিব।

নানা তৰহৰ কৰ্মজীৱন আৰু নানা প্ৰতিভাৰ মাজেদি ফুকন ডাঙৰীয়াৰ কিছুমান অসাধাৰণ গুণ এনেদৰে ওলাই পৰিছিল যে তাক উল্লেখ নকৰাকৈ থাকিব নোৱাৰিলো। মানুহৰ চৰিত্ৰ আৰু ব্যক্তিত্ব যি প্ৰকাৰেই গঠিত হওক, সকলো মানুহক কাৰ্য্যৰ আধাৰ বুলি কব পাৰি। এই ব্যক্তিত্বৰ প্ৰকাশ মানুহৰ কথিত ভাষাত 'দোষ' আৰু 'গুণ'সমূহত ওলাই পৰে। আমি বেছিভাগ লোকেই মানুহৰ দোষ-গুণ বিচাৰ কৰিয়েই মানুহক তুলাচনীত জোখোঁ আৰু আমাৰ মতামত প্ৰকাশ কৰোঁ। গুণগ্ৰাহী লোকসকলে গুণবিলাক গ্ৰহণ কৰি, গুণ উপাসনা কৰি নিজক আৰু সমাজত উন্নত কৰিবলৈ চেষ্টা কৰে। সেইদৰে কুৰুচিপূৰ্ণ লোকসকলে দোষখিনিহে বেছিকৈ দেখি, বহু সময়ত তাকে অতিৰঞ্জিত কৰি, কেৱল নিজৰ চিত্তকে কলুষিত কৰে এনে নহয়, 'সৎ আৰু সত্যত জয়' ইত্যাদি নীতিবিলাকত সমাজকে অবিশ্বাসী কৰি তোলে। সামাজিক হিচাপে প্ৰত্যেকজন নেতাৰ দোষ আৰু গুণ সাময়িক-ভাৱে হলেও সমাজৰ ওপৰত প্ৰতিবিম্বিত হয় আৰু সেইকাৰণেই বুৰঞ্জীলিখক আৰু জীৱনী লিখকে সেইবিলাক আলোচনা কৰিবলৈ বাধ্য হয়। ফুকনৰ অসাধাৰণ ব্যক্তিত্বও এইদৰে বাইজৰ আগত দোষ আৰু গুণৰ সমষ্টিৰে মিলিত হৈ ওলাইছিল। সেইবিলাক চমুকৈ আলোচনা কৰিবলৈ গলেও দেখা যায় যে তেখেতৰ দোষ থকা বুলি ধৰি ললেও তাৰ দ্বাৰাই সমাজৰ ওপৰত কোনো

প্ৰকাৰ অন্যায় প্ৰভাৱ বিস্তাৰ কৰা নাই। অত্যাধিক বিলাসিতা, সাময়িকভাৱে কাৰ্য্যত শিথিলতা ইত্যাদি কিছুমান দোষ মানুহে তেখেতৰ গাত দিয়ে। বিশ্লেষণ কৰিলে দেখা যায়, এইবিলাকে বিশেষভাৱে সমাজক নোছোৱে। এই দোষবিলাকৰ ফল তেখেতে ব্যক্তিগত হিচাপেহে ভোগ কৰিব লগাত পৰিছিল। কিন্তু তেখেতৰ মহৎ গুণসমূহৰ কাৰণে কেৱল নিজকেই নহয়, সমস্ত সমাজকে ইমান আগবঢ়াই থৈ গৈছে যে সমাজ তেখেতৰ ওচৰত চিৰকৃতজ্ঞ থাকিব লাগিব। তেখেতৰ এই গুণসমূহৰ কাৰ্য্যৰ দ্বাৰাই ইয়াকো প্ৰমাণ কৰি থৈ গৈছে যে সমাজ তেখেতৰ ওচৰত চিৰকৃতজ্ঞ থাকিব লাগিব। তেখেতৰ এই গুণসমূহৰ কাৰ্য্যৰ দ্বাৰাই ইয়াকো প্ৰমাণ কৰি থৈ গৈছে যে মনুষ্য সমাজৰ উন্নতি সজ নীতি অনুসৰণৰ দ্বাৰাইহে হব পাৰে। তেথেতৰ দুই এটি মহৎ গুণ সুকীয়াকৈ আলোচনা কৰিলোঁ।

তেখেতৰ আত্মনিৰ্ভৰশীলতা আদৰ্শস্বৰূপ। ছাত্ৰজীৱনৰপৰা আৰম্ভ কৰি জীৱনৰ শেষ মুহূৰ্ত্তলৈকে এই মহাশক্তিয়ে তেখেতক এখন্তেকো এৰা দিয়া নাছিল। "মোক পৰমেশ্বৰে সকলো শক্তিকেই দিছে, তেনে অৱস্থাত কোনো কথাৰ কাৰণে আনৰ ওপৰত কিয় নিৰ্ভৰ কৰিম?" এই নীতি তেখেতে যেনেকৈ গাঁৱে গাঁৱে প্ৰচাৰ কৰি ফুৰিছিল, তেনেকৈ নিজৰ জীৱনৰ প্ৰত্যেক ক্ষণতে তাৰ প্ৰমাণ দিছিল। এই আত্মনিৰ্ভৰশীলতাৰ কাৰণে তেখেতে এজন অপূৰ্ব নিৰ্ভীক লোক আছিল। কোনো কষ্ট বা নিৰ্য্যাতনৰ ভয়ত, কোনো অপমান বা হিংসাৰ ভয়ত তেখেতে যি কাম সজ বুলি ভাবিছিল তাক কৰিবলৈ কেতিয়াও ভয় নকৰিছিল। অসহযোগ আন্দোলনৰ যুঁজত খোজ লওঁতে তেখেতৰ অলপ পলম হৈছিল সচাঁ, কিন্তু খোজ লোৱাৰ পিছত এপদো পাছ হোঁহকা নাছিল। সেইদৰে স্বৰাজ আন্দোলনত, আনকি অসমত মন্ত্ৰিত্ব গ্ৰহণ সম্বন্ধে আন্দোলনতো একে নিৰ্ভীকতাৰ পৰিচয় দিছিল। প্ৰত্যেক বাৰেই এই স্বাধীন চিন্তা আৰু নিৰ্ভীকতাৰ ফল নিৰ্য্যাতন, কাৰাগাৰ, অপমান ইত্যাদি ভোগ কৰিবলৈ অলপো সঙ্কোচ নকৰিলে। এই অদম্য সাহসৰ পৰিচয় তেখেতৰ ব্যক্তিগত জীৱনতো পোৱা গৈছিল। তেজপুৰলৈ যাওঁতে প্ৰলয়ঙ্কৰ বতাহত বুৰিবলগীয়া জাহাজ ৰক্ষা কৰা সেই শক্তিৰেই পৰিচায়ক মাত্ৰ। এই মহাশক্তিৰ কাৰণেই তেখেত এজন নিভাজ আৰু প্ৰকৃত জননায়ক আছিল—যাৰ তুলনা অসমত ইমান বিৰল।

দেশৰ আৰু দহৰ কাৰণে ১৯২১ চনত তেখেতে যি ত্যাগৰ আদৰ্শ দেখুৱালে

তাক অসমবাসী আৰু ভাৰতবাসীয়ে পাহৰিব নোৱাৰে। ফুকন ডাঙৰীয়াৰ ত্যাগ কেৱল উচ্চ বিষয়, ধন বা সম্পদতে সীমাবদ্ধ হৈ থকা নাছিল। অসহযোগ আন্দোলনত যোগ দিয়াৰ লগে লগে তেখেতসকলৰ পূৰণিকলীয়া বংশজাত অভিযান আৰু নিজস্ব ভাব কিছুমানো পৰিত্যাগ কৰিবলগাত পৰিছিল। তেখেতৰ এই ত্যাগো ইমান পূৰ্ণ আৰু দ্বিধাশূন্য যে তেখেতৰ এই পৰিবৰ্তনত মানুহে আচৰিত নামানি নোৱাৰিছিল। এই ত্যাগৰ কাৰণেই তেখেতে ইমান উদাৰ ভাবাপন্ন আৰু সকলোৰে প্ৰতি সহানুভূতিপূৰ্ণ আছিল। ফুকন ডাঙৰীয়াৰ হিন্দু মুছলমান সম্মিলনৰ ইচ্ছা এই উদাৰ ভাবৰ চিনাকি মাথোন।

ফুকন ডাঙৰীয়াৰ ব্যক্তিত্বৰ ভিতৰত সকলোতকৈ বেছি লক্ষ্য কৰিবলগীয়া গুণ আছিল তেখেতৰ বিকাৰশূন্য প্ৰকৃতি। এই বিষয়েও তেখেত এজন অসাধাৰণ লোক আছিল বুলি কব পাৰি। পৰমেশ্বৰে তেখেতৰ প্ৰকৃতি যেন নিৰ্বিকাৰ আনন্দময় কৰি পঠিয়াইছিল। তেখেতৰ জীৱনৰ শেষৰ কেই বছৰমানৰ ভিতৰত মানুহৰ মানসিক কষ্ট যিমানখিনি হব পাৰে সিমানখিনিয়ে তেখেতক আগুৰি ধৰিছিল, কিন্তু নিৰ্বিকাৰভাৱে সেইবিলাক সহ্য কৰিবলৈ তেখেতে যি মহাশক্তি পাইছিল সেইটো পৰমেশ্বৰৰ মহৎ দান বুলি কব পাৰি। নিজৰ স্নেহৰ কন্যা, লব্ধপ্ৰতিষ্ঠ জোঁৱাই, প্ৰাণাধিকা স্ত্ৰী, অতি শ্ৰদ্ধাস্পদ ডাঙৰ বৰ ককাই, সহোদৰসদৃশ বন্ধু এটি এটিকৈ তেখেতে হেৰুৱালে। ৰাজহুৱা আৰু ঘৰুৱা ধাৰৰ বোজাত নিজৰ থকা ঘৰ-দুৱাৰ পৰ্য্যন্ত বিপন্ন হৈ পৰৰ হস্তগত হবৰ উপক্ৰম হলহি। আনপিনে দুটাকৈ নিৰ্বাচনত হৰা অপমান সহ্য কৰিবলৈ বাধ্য হল। নিয়তি আৰু মানুহে যেন সমানে তেখেতক নিৰ্য্যাতন দিবলৈ চেষ্টা কৰিছিল। কিন্তু জীৱনৰ কঠোৰ ধুমুহাত ফুকনক এদিনৰ কাৰণে কোনোবাই বিচলিত হোৱা দেখিছিল নে? বিশ্বচৰিত্ৰ-চিত্ৰকৰ ছেক্সপীয়েৰে ইয়াতকৈ অনেক লঘুতৰ অৱস্থাত ৰজা লিয়াৰক পগলাৰ ভূমিকা দিলে। বাস্তৱ ৰাজ্যত সাধাৰণ মনুষ্য জীৱনত এনে অৱস্থাত কত লোকৰ ধৈৰ্য্যচ্যুতি হৈ সংসাৰ লগত ঘনিষ্ঠ সম্পৰ্ককে ত্যাগ কৰা উদাহৰণ কত পাইছোঁ। ফুকন ডাঙৰীয়া কিন্তু নানা দুখ-কষ্ট আৰু অপমানৰ হেঁচাত অভিভূত হোৱা দূৰত থাকক, সদায় আনন্দময় হৈহে আছিল। তেখেতৰ দৰে কিছুমান কন্যাহাৰা, স্ত্ৰীহাৰা লোকে তেখেতক সহানুভূতি দেখুৱাবলৈ গৈ তেখেতৰ লগত কথাবাৰ্তা হৈ নিজৰ দুখকে সাময়িকভাৱে পাহৰি আহিছিল আৰু নিজৰ দুৰ্বলতাৰ নিমিত্তে

মনে মনে লাজ পাইছিল। মই তেখেতৰ এই মহাশক্তিৰ কথা ভাবিলে আজিও স্তম্ভিত হওঁ। প্ৰকৃততে মই আহ্বান কৰিব নোৱাৰোঁ পৃথিবীত সাংসাৰিক লোকৰ ভিতৰত কেইজনৰ এনে সংযম আছে।

এই শক্তিৰ কথা ভাবিলে ফুকনক এজন প্ৰকৃত মহাপুৰুষ বুলি নধৰি নোৱাৰি। ঠাট্টাৰ ছলত মোক তেখেতে কেবাদিনা কৈছিল, "সন্যাসীৰ ঘৰৰহে লোক আমি। আজি মহাসুখত আছোঁ, দৰ্কাৰ হলে কমণ্ডলু হাতত লৈ বাহিৰ ওলাম।" আচলতে এই মহাত্যাগ, সংযম, ধৈৰ্য্য, বিকাৰশূন্যতা আৰু আনন্দ ফুকনৰ স্বাভাৱিক শক্তি আছিল। এনে মহাশক্তিবিলাক লাভ কৰিবলৈ কত যোগীয়ে সমস্ত জীৱন সাধনা কৰিও কৃতকাৰ্য্য হব পৰা নাই। ফুকন ডাঙৰীয়াৰ সেইবিলাক কেনেকৈ আয়ত্ত হ'ল ? বহুতে হয়তো নাজানে, নানা তহবহ কৰ্মময় জীৱন সত্বেও ফুকন ডাঙৰীযা এজন প্ৰকৃত ঈশ্বৰবিশ্বাসী লোক আছিল। সেই বিশ্বাস কোনো নিৰ্দিষ্ট পন্থৰ নহব পাৰে, সেই বিশ্বাস হয়তো দৈনিক ফুল-চন্দনৰ পূজা-সেৱাত দেখা নগৈছিল, কিন্তু তথাপি এইটো কব পাৰি যে তেখেতৰ সনাতন ধৰ্মবিশ্বাসৰ শিপাই তেখেতৰ জীৱনৰ স্তৰে স্তৰে আৰু কৰ্মজীৱনৰ দৈনন্দিন কাৰ্য্যত অদৃশ্যভাৱে খোপনি লৈ আছিল। গীতাৰ প্ৰিয় শ্লোকৰ ভিতৰত তেখেতে 'ত্বয়া হৃষিকেশেন হৃদিস্থিতেন যথা নিযুক্তোঽস্মি তথা কৰোমি' উচ্চাৰণ কৰা মই বহু দিন শুনিছিলো। মোৰ পূৰ্ণ বিশ্বাস, তেখেতে জীৱনৰ প্ৰত্যেক ডাঙৰ ঘটনাকে পৰমেশ্বৰৰ ইচ্ছা বুলি গ্ৰহণ কৰিবলৈ শক্তি পাইছিল। সেই কাৰণেই তেখেতে জীবনৰ মহৎ কৃতিত্বৰ উৎসাতৰ ভিতৰত যেনেকৈ জীৱনৰ নিষ্ঠুৰ অপায়-অমঙ্গলৰ মাজতো তেনেকৈ চিদানন্দময় স্বৰূপক দেখা পাইছিল। এই চিদানন্দ পৰমেশ্বৰৰ জ্যোতি তেখেতৰ আত্মাত এনে প্ৰবলভাৱে বিস্তাৰ কৰি আছিল যে তেখেতৰ সংস্পৰ্শত অহা সকলো লোককে নিজৰ নানা অপায় অমঙ্গল সত্বেও সেই জ্যোতিৰ ভাগ সমানে বিলাই দিবলৈ তেখেত সমৰ্থ হৈছিল।

ফুকনে তেখেতৰ মৌলিক গুণবিলাক জীৱনত প্ৰস্ফুটিত কৰি জাতীয় সম্পত্তিৰূপে এৰি থৈ গৈছে। গ্ৰহণ কৰিব পৰা লোকৰ পক্ষে ইয়াতকৈ ডাঙৰ সম্পদ আৰু নাই। ফুকনৰ জীৱনৰ সজ কাৰ্য্যবিলাকৰ উদাহৰণবিলাক মুক্তামালাসদৃশ। অসমবাসীয়ে বিশেষকৈ উঠি অহা ডেকাসকলে সেই মালা পিন্ধক আৰু দেশৰ প্ৰকৃত সেৱক হৈ ফুকন ডাঙৰীযাৰ স্থান অধিকাৰ কৰক।

# দেশভক্ত ফুকনৰ জীৱন-কথা

শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী
ৰাজ্যপাল, পাঞ্জাব

ভাৰতবৰ্ষত মহাত্মা গান্ধীৰ আবিৰ্ভাৱৰ লগে লগে এটা নতুন যুগৰ সূচনা হৈছিল। এটা নতুন সূৰ্য্য ভাৰতৰ আকাশত উদয় হৈছিল। মহাত্মা গান্ধীৰ জন্মৰ মুহূৰ্তত ভাৰতীয় লোকে দেখা পাইছিল এটা ছাঁইৰ মাজত ঢাক খাই থকা অগ্নিশিখাৰ জ্বলন্ত ফিৰিঙতি। সকলোৰে অজ্ঞাতসাৰে মহাত্মা গান্ধীয়ে বহন কৰি আনিছিল ভাৰতীয়সকৰ কাৰণে মনুষ্যোচিত ব্যৱহাৰৰ বাণী।

যেতিয়া পৃথিৱীত হেৰাই যোৱা সত্য এটা পুনৰ প্ৰতিষ্ঠা কৰিবলৈ এগৰাকী মহাপুৰুষৰ জন্ম হয়, তেতিয়া সেইগৰাকী লোকে লগতে লৈ আহে সেই অমূল্য সত্য প্ৰচাৰ কৰিবৰ কাৰণে বা তাক নৰৰূপত উদ্ভাসিত কৰিবৰ কাৰণে এদল অলৌকিক শক্তিসম্পন্ন পুৰুষ—যাৰ প্ৰভাৱত মহাপুৰুষৰ বাণী কাৰ্য্যত পৰিণত কৰি লুপ্ত হৈ যোৱা বা লুপ্তপ্ৰায় সত্য প্ৰতিষ্ঠা সম্ভৱ হৈ উঠে। মহাত্মা গান্ধীৰ জীৱনতো আমি সেই ঘটনাৰ পুনৰাবৃত্তি দেখা পাওঁ। তেখেতৰ জন্মৰ অগাপিছাকৈ তেখেতৰ বাণী কাৰ্য্যত ৰূপায়িত কৰিবলৈ সমগ্ৰ ভাৰতবৰ্ষতে ভালেমান মহান নেতাৰ জন্ম হৈছিল। সেইসকলৰ ভিতৰত দেশভক্ত অন্যতম হিচাপে অসমত তৰুণৰাম ফুকনেও জন্মগ্ৰহণ কৰিছিল।

ভাৰতবৰ্ষৰ নানান ভাগ্যবিপৰ্য্যয়ৰ মাজত গুৱাহাটীৰ বিখ্যাৎ ফুকন পৰিয়ালত তৰুণৰাম ফুকনৰ জন্ম হৈছিল ইং ১৮৭৭ চনত অৰ্থাৎ মহাত্মা গান্ধীৰ জন্মৰ আঠবছৰ পিছত। তেখেতৰ দেউতাক আছিল বলৰাম ফুকন, মাক আছিল ভাগীৰথী দেৱী। গুৱাহাটীত ফুকনে জন্ম লোৱা ব্ৰহ্মচাৰীৰ পৰিয়াল-টোৱে কেইবাটাও ৰাজবিষয়ৰ গৌৰৱৰ অধিকাৰী আছিল। অসমত আহোম স্বৰ্গদেৱসকলৰ ৰাজত্বৰ কালত ফুকনৰ উপৰিপুৰুষে খাৰঘৰীয়া ফুকনৰ বিষয়বাব খাইছিল। যথেষ্ট ধন আৰু ভূ-সম্পত্তিৰ গৰাকী হৈ শৌৰ্য্য-বীৰ্য্য-সম্পন্ন সৌন্দৰ্য্যত নিখুত শৰীৰ লৈ জন্ম লৈছিল তৰুণৰাম ফুকনদেৱে। সাচ-পিত, বল-বীৰ্য্যৰ অধিকাৰী, খেল-ধেমালি, ৰসিকতা, মালযুঁজ আদি সকলোতে ফুকনে সমসাময়িক সকলোকে চেৰ পেলাব পাৰিছিল। দুই ভাই-ককাই তৰুণৰাম ফুকন আৰু নবীনৰাম ফুকন অভিন্নহৃদয় আছিল।

দেশভক্ত তৰুণৰাম ফুকনৰ ইংৰাজী বিদ্যা আৰম্ভ হৈছিল গুৱাহাটীৰ কলেজিয়েট স্কুলত। তেখেতে সেই স্কুলৰপৰা এণ্ট্ৰেন্স পাছ কৰি উচ্চ শিক্ষাৰ কাৰণে কলিকতাৰ প্ৰেছিডেন্সি কলেজত ভৰ্তি হৈছিল। তাত তেখেতে বিদ্যা-বুদ্ধিত বিশেষকৈ কবিতা প্ৰতিযোগিতা আদিত বিশেষ সুনাম অৰ্জন কৰিব পাৰিছিল। কেইবাটাও ইংৰাজী আৰু বঙলা কবিতা প্ৰতিযোগিতাত তেখেতে প্ৰথম স্থান অধিকাৰ কৰিব পাৰিছিল। তৰ্ক-প্ৰতিযোগিতাত তেখেতে সদায় উচ্চ স্থান লাভ কৰিব পাৰিছিল। খেল-ধেমালি, ক্ৰীড়া-কৌতুক আদিতো তেখেতে যথেষ্ট সুনাম অৰ্জন কৰিব পাৰিছিল। তেখেতে কলিকতাত পঢ়া এৰি বাৰিষ্টাৰি পঢ়িবৰ কাৰণে বিলাতলৈ যাত্ৰা কৰিছিল। চাৰিবছৰৰ পিছত বাৰিষ্টাৰি পৰীক্ষা পাছ কৰি ভাৰতবৰ্ষলৈ ঘূৰি অহি কলিকতাৰ উচ্চ ন্যায়ালয়ত তেখেতে বাৰিষ্টাৰি ব্যৱসায় আৰম্ভ কৰিছিল। সৰু কালৰে পৰা ফুকন স্বাধীনচিন্তীয়া আৰু দেশপ্ৰেমিক আছিল। তেখেতে কলিকতাত অলপ দিন বাৰিষ্টাৰি কৰাৰ পিছত আৰম্ভ হ'ল বঙ্গদেশত বঙ্গভংগ আন্দোলন। ১৯০৪ চনৰ ডিচেম্বৰ মাহত বঙ্গভঙ্গৰ প্ৰস্তাৱ ঘোষিত হ'ল। সেই ঘোষণা অনুসৰি ১৮৭৪ চনৰ পৰা চিফ্ কমিছনাৰ অধীনত থকা গোৱালপাৰা শ্ৰীহট্ট আৰু কাছাৰ জিলাৰে সৈতে অসমৰ অস্তিত্ব ধ্বংস কৰি পূৰ্ববঙ্গৰ পোঙ্কৰখন জিলাৰে সৈতে 'পূৰ্ববঙ্গ আৰু আসাম' নাম দি এখন নতুন প্ৰদেশ গঠিত হ'ল। বাকীখণ্ড বঙ্গদেশ আৰু বিহাৰ উৰিষ্যা বিভাগৰে সৈতে বঙ্গদেশ গঠন হ'ল। এই সিদ্ধান্ত ঘোষণা কৰাৰ লগে লগে ভাৰতবৰ্ষ জুৰি এটা নতুন ধুমুহাৰ সৃষ্টি হ'ল। বাতৰিকাকতবোৰে দোৰ্ঘোৰ প্ৰতিবাদ জনালে। অসমতো প্ৰস্তাৱটোৰ প্ৰতিক্ৰিয়া নোহোৱাকৈ থকা নাছিল। সেই সময়ত অসম এছোচিয়েছন পৰা বঙ্গ-বিচ্ছেদৰ প্ৰস্তাৱৰ অনুকূলে মত প্ৰকাশ কৰিছিল কিন্তু শ্ৰীহট্টই সেই প্ৰস্তাৱৰ বিৰুদ্ধাচৰণ কৰিছিল। বঙ্গদেশত ঠায়ে ঠায়ে সভা-সমিতি পাতি প্ৰস্তাৱটোৰ প্ৰতিবাদ কৰা হৈছিল। প্ৰস্তাৱটোৰ প্ৰতিবাদ সম্পৰ্কত যিবিলাক সভা সমিতি হৈছিল, সেইবিলাকৰ কোনো কোনো সভা-সমিতিত কোনো কোনো বঙালী নেতাই অসমীয়া মানুহৰ বিৰুদ্ধে বহুতো ব্যঙ্গোক্তি কৰিছিল। এনেবোৰ অপমানসূচক উক্তিৰ প্ৰতিবাদকল্পেই কলিকতা উচ্চ ন্যায়ালয়ৰ ওকালতি বাদ দি দেশভক্ত ফুকন ডাঙৰীয়া অসমলৈ ঘূৰি আহিল।

ফুকনদেৱ এগৰাকী অদ্বিতীয় বাগ্মী পুৰুষ আছিল। আজিলৈকে তেনে বাগ্মী পুৰুষ অসমত জন্মগ্ৰহণ কৰা নাই। তেখেতে অসমীয়া, বঙলা, হিন্দী

আৰু উৰ্দু ভাষাত অনৰ্গল বক্তৃতা দিব পাৰিছিল। ওকালতি ব্যৱসায়তো তেখেতে যথেষ্ট সুনাম অৰ্জন কৰিছিল। তেখেতে যিমান উপাৰ্জন কৰিছিল তাতকৈ সদায় বেছি খৰচ কৰিছিল আৰু সেই খৰচৰ যোগান ধৰিবৰ কাৰণে তেখেতে তেখেতৰ সম্পত্তি বিক্ৰী কৰিবলগীয়া হৈছিল। তেখেতে ডিব্ৰুগড়ৰ পৰশুৰাম খাউণ্ড ডাঙৰীয়াৰ জীয়াৰী শ্ৰীমতী বিদ্যুৎপ্ৰভা দেৱীক বিয়া কৰাইছিল। তেখেতৰ দুজন ল'ৰা শ্ৰীবলেন্দ্ৰৰাম ফুকন আৰু শ্ৰীনৃপেন্দ্ৰৰাম ফুকন আৰু দুগৰাকী জীয়েক আছিল। ১৯১৮ চনত অসম এছোচিয়েছনৰ বছেৰেকীয়া গোৱালপাৰাৰ অধিবেশনত তেখেতে সভাপতিত্ব কৰিছিল।

১৯২২ চনৰ ৩০ তাৰিখে শিলচৰ জেলৰ পৰা দেশভক্ত ফুকনে এবছৰৰ মিয়াদ পাৰ হোৱাত মুক্তি লভিলে। তেখেতে মুক্তি লভি গুৱাহাটীলৈ অহাত শ্ৰীবিষ্ণুৰাম মেধি ডাঙৰীয়াৰ নেতৃত্বত অনুষ্ঠিত এখন ৰাজহুৱা সভাত তেখেতক অভিনন্দিত কৰা হৈছিল। সেই সভাত অসংখ্য লোকৰ সমাগম হৈছিল। অভিনন্দনৰ উত্তৰত তেখেতে কৈছিল, "স্বৰাজ মোৰ জন্মস্বত্ব আৰু তাৰপৰা বঞ্চিত কৰি ৰাখিবৰ কাৰো অধিকাৰ নাই। মহাত্মা গান্ধীৰ অসহযোগ বীজমন্ত্ৰত কংগ্ৰেছক দীক্ষিত কৰাৰ পিছত সেই মন্ত্ৰত পোনতে দীক্ষিত হৈছিল নবীনচন্দ্ৰ বৰদলৈ আৰু চন্দ্ৰনাথ শৰ্মা। কৰ্মী চন্দ্ৰনাথ আজি স্বৰ্গবাসী হৈছে। আমি সকলোৱে তেখেতৰ আত্মাৰ সদগতি কামনা কৰিছোঁ। চন্দ্ৰনাথে যে স্বদেশৰ কাৰণে প্ৰাণ উছৰ্গা কৰি গ'ল তাক সকলোৱে জানে। তেওঁ চিৰমুক্তি লাভ কৰিছে। তাত আমি শোক কৰা উচিত নহয়। শ্ৰীযুত বৰদলৈ আজিও আশ্ৰমবাসী (জেলত)। তেওঁ যে অসমৰ অসহযোগৰ প্ৰাণ সকলোৱে জানে। তেওঁ স্বাৰ্থত্যাগৰ তুলনা অসমত নাই। ঈশ্বৰে তেওঁক সুস্থ শৰীৰে মুক্ত কৰি আনক আৰু দেশহিতব্ৰতত নিয়োজিত কৰি ৰাখক ইয়াকে সকলোৱে মিলি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাওঁ। × × × × যিশুখ্ৰীষ্ট, হজৰত মহম্মদ আৰু প্ৰহ্লাদৰ সত্য প্ৰচাৰৰ কাৰণে যন্ত্ৰণা ভোগ আৰু আত্মত্যাগৰ যদি অযথা বুলি কোৱা হয়, তেনেহলে স্বৰাজৰ কাৰণে দুখ-কষ্ট স্বীকাৰ কৰাও অযথা হব পাৰে। সত্যৰ কাৰণে যি দুখ-কষ্ট স্বীকাৰ কৰা হয়, তাৰপৰা সত্যৰেই প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। "যিজনা মহাপুৰুষৰ নেতৃত্বত আজি ভাৰতবৰ্ষ আগবাঢ়িব পাৰিছে সেই মহাত্মাৰ জয় হওঁক বুলি আজিলৈ বিদায় মাগিছোঁ।"

চৌৰিচৌৰাত ঘটা দুৰ্ঘটনাটোৰ পিছত মহাত্মা গান্ধীয়ে শান্তি পূৰ্ণ সত্যাগ্ৰহ তুলি লয়। গোটেই ভাৰতবৰ্ষতে আন্দোলন বন্ধ হৈ যায়। তাৰ পিছতে মহাত্মা গান্ধীৰ ছবছৰ কাৰাদণ্ড হয়। ১৯২৩ চনত গয়াত ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাৰ অধিবেশন বহে। সেই অধিবেশনত দেশবন্ধু চিত্তৰঞ্জন দাস, পণ্ডিত মতিলাল নেহেৰু প্ৰমুখ্যে নেতাসকলৰ নেতৃত্বত স্বৰাজ্য দল গঠিত হ'ল। দেশভক্ত তৰুণৰাম ফুকন সেই দলৰ দেশবন্ধু চিত্তৰঞ্জন দাস আৰু পণ্ডিত মতিলাল নেহেৰুৰ সোঁহাত স্বৰূপ আছিল। সমগ্ৰ ভাৰতবৰ্ষতে স্বৰাজ্য দলৰ সমৰ্থনৰ কাৰণে প্ৰচাৰ অভিযান আৰম্ভ হ'ল। এই প্ৰচাৰ অভিযানত তৰুণ-ৰাম ফুকনে ভাৰতবৰ্ষৰ কেইবাখনো প্ৰদেশলৈ গৈছিল। মাদ্ৰাজলৈ তেখেতে দেশবন্ধু চিত্তৰঞ্জন দাসৰ লগত একেলগে গৈছিল। সকলো ঠাইতে ফুকনৰ বক্তৃতাই বিশেষ প্ৰভাব বিস্তাৰ কৰিছিল আৰু স্বৰাজ্য দলৰ শক্তি বৃদ্ধি কৰাত সহায় কৰিছিল। মন্টফৰ্ড শাসন-সংস্কাৰ আইন অনুসৰি কেন্দ্ৰীয় আৰু বিধান সভাৰ দ্বিতীয় সাধাৰণ নিৰ্বাচনত কংগ্ৰেছে আশানুৰূপ কৃতকাৰ্য্যতা লাভ কৰিছিল। অসম বিধান সভাৰ নিৰ্বাচনতো স্বৰাজ্য দলে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল। দেশভক্ত তৰুণৰাম ফুকন কেন্দ্ৰীয় বিধান সভালৈ নিৰ্বাচিত হৈছিল। ১৯১২চনত বৃটীছ চৰকাৰে বঙ্গভঙ্গৰ সিদ্ধান্ত settled fact (শেষ সিদ্ধান্ত) বুলি কৈছিল সেইটো unsettled (পৰিবৰ্তন) কৰিবলগীয়া হ'ল। বঙ্গদেশক পুনৰ সঙ্গতিবদ্ধ কৰি বেলেগ কৰা হ'ল। অসমকো তেনেদৰে কাছাৰ, শ্ৰীহট্ট আৰু গোৱালপাৰা কাটি নি বিহাৰ, উৰিষ্যা প্ৰদেশক এখন বেলেগ প্ৰদেশ হিচাপে স্বীকৃতি দিয়া হ'ল। তাৰ লগে লগে ভাৰতবৰ্ষৰ ৰাজ-ৰাজধানী কলিকতাৰ পৰা দিল্লীলৈ স্থানান্তৰিত কৰা হ'ল। বিংশ শতাব্দীৰ তৃতীয় দশকত উৰিষ্যাক বিহাৰৰ পৰা আঁতৰাই এখন নতুন প্ৰদেশ গঠন কৰিবলৈ পাৰ্লেমেণ্টে সিদ্ধান্ত লোৱাত এটা আয়োগ গঠিত হৈছিল। সেই আয়োগত দেশভক্ত ফুকন এগৰাকী সদস্য হিচাবে মনোনীত হৈছিল। সেই সংক্ৰান্তত তেখেতে বিহাৰ আৰু উৰিষ্যাত ব্যাপকভাৱে ভ্ৰমণ কৰিছিল আৰু তেখেতৰ কাৰ্য্যাই উৰিষ্যাবাসীৰ হৃদয় জয় কৰিব পাৰিছিল। আজিও সেই সময়ৰ বহুতো পুৰণি লোকে ফুকনৰ গুণৰ শলাগ লয়।

অসমত কংগ্ৰেছৰ জন্মৰ দিনৰ পৰাই ১৯২৩ চনৰ এক জানুৱাৰী তাৰিখলৈ একেৰাহে দেশভক্ত ফুকন ডাঙৰীয়া অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি আছিল। সেই কালছোৱাত ফুকন অসমৰ মুকুটবিহীন সম্ৰাট আছিল। ১৯২৬ চনৰ

ডিচেম্বৰ মাহত গুৱাহাটীত কংগ্ৰেছৰ অধিবেশন অনুষ্ঠিত হয়। সেই অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল দেশভক্ত ফুকনদেৱ আৰু প্ৰধান সম্পাদক আছিল কৰ্মবীৰ বৰদলৈদেৱ। দুৰ্ভাগ্যবশতঃ আশানুৰূপ অৰ্থ সংগ্ৰহ কৰিব নোৱাৰাৰ বাবে আৰু কংগ্ৰেছৰ অধিবেশনৰ ৰাতিৰ পৰাই ধাৰাসাৰ বৰষুণ হোৱাত কংগ্ৰেছৰ অধিবেশন তত'তৈয়াকৈ ভাঙি দিবলগীয়া হ'ল। অভ্যৰ্থনা সমিতিয়ে যি পৰিমাণে প্ৰতিনিধি আৰু দৰ্শকৰপৰা ধন পাব বুলি আশা কৰিছিল সেইখিনিও নেপালে। সেই কাৰণে কংগ্ৰেছ অধিবেশনৰ বাবে প্ৰায় বত্ৰিছ হেজাৰ টকাৰ ধাৰ লাগিছিল। সেই ধাৰৰ বোজা ঘাইকৈ দেশভক্ত ফুকন আৰু কৰ্মবীৰ বৰদলৈৰ ওপৰত পৰিছিল। তাৰ ফলত যে সেই দুগৰাকী মহান নেতাই তেওঁলোকৰ বহুতো ভূ-সম্পত্তি হেৰুৱাবলগীয়া হৈছিল এই কথা অসমৰ সকলো ৰাইজে জানে।

অসম ছাত্ৰ সম্মিলন সেই সময়ত অসমৰ আটাইতকৈ পুৰণি আৰু বলিষ্ঠ সামাজিক, সাংস্কৃতিক অনুষ্ঠান আছিল। ১৯২৮ চনত অসম ছাত্ৰ সম্মিলনৰ অধিবেশন তেজপুৰত বহিছিল আৰু অধিবেশনত দেশভক্ত তৰুণৰাম ফুকনদেৱে সভাপতিত্ব কৰিছিল। সভাপতিৰ আসনৰ পৰা তেখেতে যি বাগ্মিতাপূৰ্ণ আৰু গঠনমূলক ভাষণ দিছিল তাৰ দ্বাৰা কেৱল ছাত্ৰসকলেই নহয়, তাত উপস্থিত থকা সকলো লোকে অনুপ্ৰেৰণা লাভ কৰিছিল। সেই চনৰে দুই ডিচেম্বৰত অসম ছাত্ৰ সম্মিলনৰ এখন সভা গুৱাহাটীত দেশভক্ত তৰুণৰাম ফুকনৰ সভাপতিত্বত অনুষ্ঠিত হৈছিল। সেই সভাত তেখেতে ছাত্ৰসকলে খদ্দৰ ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব দিছিল। তেখেতে ছাত্ৰক মতা মানুহৰ উপযোগী খেল-ধেমালি খেলিবলৈ উপদেশ দিছিল। দেশভক্ত ফুকনৰ সেই বক্তৃতা শুনি আমাৰ কিছুমানে ব্যৱহাৰী সকলো কাপোৰ খদ্দৰৰ কৰিম বুলি সংকল্প লৈছিলোঁ।

১৯২৮ চনত কংগ্ৰেছে ভাৰতৰ ভৱিষ্যত সংবিধান সম্পৰ্কে প্ৰতিবেদন দাখিল কৰিবলৈ পণ্ডিত মতিলাল নেহৰুৰ নেতৃত্বত সৰ্বদলীয় সমিতি গঠন কৰি দিছিল। সেই সমিতি 'নেহৰু সমিতি' নামেৰে জনাজাত। সেই সমিতিত দেশভক্ত ফুকন আৰু মহম্মদ আলী জিন্নাও সভ্য আছিল। পিছত অৱশ্যে মহম্মদ আলী জিন্নাই সমিতিৰ সভ্যপদ ইস্তফা দিছিল।

নেহৰু কমিটীয়ে ১৯২৮ চনৰ কলিকতা কংগ্ৰেছৰ আগত যি প্ৰতিবেদন দাখিল কৰিছিল সেই প্ৰতিবেদনত ফুকন ডাঙৰীয়াও এজন স্বাক্ষৰকাৰী

আছিল। ইয়াতে উল্লেখযোগ্য যে দেশভক্ত ফুকন ১৯২৭ চনত জাতীয় কংগ্ৰেছ মহাসভাৰ ৱৰ্কিং কমিটীৰ সদস্য মনোনীত হৈছিল। তাৰ আগতে অসমত কোনেও আৰু তাৰ পিছতো বহুত দিনলৈকে কোনেও এই সন্মান লাভ কৰিব পৰা নাছিল। ১৯২৯ চনৰ ২৯ ডিচেম্বৰ তাৰিখে পণ্ডিত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত জাতীয় কংগ্ৰেছ মহাসভাৰ অধিবেশন লাহোৰত বহিছিল। সেই কংগ্ৰেছ অধিবেশনতে ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাৰ লক্ষ্য যে পূৰ্ণ স্বাধীনতা সেইটো সিদ্ধান্ত লোৱা হৈছিল। আৰু সেই লক্ষ্য উপনীত হবৰ কাৰণে কেনেকুৱা আন্দোলন কৰিব লাগে, সেই আন্দোলনৰ কাৰ্য্যক্ৰম আৰু তাৰ ৰূপ দিবলৈ মহাত্মা গান্ধীৰ ওপৰত সম্পূৰ্ণ দায়িত্ব অৰ্পণ কৰা হৈছিল। দেশভক্ত ফুকনে সেই কংগ্ৰেছ অধিবেশনত যোগ দি ঘূৰি আহি এটা বিবৃতিত কৈছিল যে অসমৰ বিধান সভাৰ কংগ্ৰেছ সদস্যসকলে তেওঁলোকৰ সদস্যপদ ইস্তফা দি তাৰ দ্বাৰা খালী হোৱা আসনৰ পুনৰ নিৰ্বাচন প্ৰাৰ্থী হব লাগে কিয়নো অসমৰ জাতীয়তাবাদী লোকসকল বিধান সভাৰ পৰা আঁতৰি থাকিলে প্ৰতিক্ৰিয়াশীল লোকসকলে বিধান সভালৈ গৈ অসমৰ সামূহিক স্বাৰ্থ ক্ষুন্ন কৰিব। তেখেতে নিজেও কেন্দ্ৰীয় বিধান সভাৰ সদস্য পদ ইস্তফা দিয়াৰ লগে লগে অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ সভাপতি পদৰপৰাও অব্যাহতি লৈছিল। প্ৰাদেশিক বিধান সভাৰ স্বৰাজ্য দলৰ সকলো সদস্যই সভাপদ ইস্তফা দিলেও কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, ৰোহিণী-কুমাৰ চৌধুৰী প্ৰমূখ্যে কেইগৰাকীমান বিশিষ্ট সদস্যই নিৰ্বাচনত পুনৰ প্ৰাৰ্থী হব বুলি ঘোষণা কৰিছিল। অসমৰ দুৰ্ভাগ্য যে দুয়োগৰাকী অসমৰ সিংহ-পুৰুষ দেশভক্ত তৰুণৰাম ফুকন আৰু কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ কংগ্ৰেছৰ পৰা আঁতৰি গ'ল। উপনিৰ্বাচনত ফুকন ডাঙৰীয়া কেন্দ্ৰীয় বিধান সভাৰ প্ৰাৰ্থী হৈছিল আৰু নিৰ্বাচনত জয়যুক্ত হৈছিল। কৰ্মবীৰ বৰদলৈদেৱ সৌভাগ্যৰ গুণে হওক বা দুৰ্ভাগ্যৰ গুণে হওক নিৰ্বাচনত পৰাজিত হৈছিল। ৰোহিণীকুমাৰ চৌধুৰীয়ে নিৰ্বাচনত জয়লাভ কৰিছিল।

দেশভক্ত তৰুণৰাম ফুকনৰ জীৱনৰ শেষ দহ বছৰ কাল বৰকৰুণ ঘটনা-পূৰ্ণ। তেখেতৰ সাংসাৰিক জীৱনৰ বহুতো দুৰ্য্যোগ উপস্থিত হ'ল। তেখেতে কেন্দ্ৰীয় বিধান সভাৰ সদস্য হলেও তাত মনোযোগ দি কাম কৰিব নোৱাৰা হ'ল। তেখেতৰ মনোৰমা প্ৰথমা কন্যাক যক্ষ্মাৰোগে আক্ৰমণ কৰিলে। সেই ৰোগৰ পৰা তেওঁক ৰক্ষা কৰিবলৈ কৰা সকলো চেষ্টা ব্যৰ্থ হ'ল।

তেওঁ মৃত্যুমুখত পৰিল। তাৰ পিছতে তেখেতৰ প্ৰিয়তমা ভাৰ্য্যা বিদ্যুৎপ্ৰভা দেৱীও সেই একে ৰোগতে আক্ৰান্ত হৈছিল। তেওঁক চিকিৎসাৰ কাৰণে কেবা ঠাইলৈ নিয়া হৈছিল। কিন্তু কোনো চিকিৎসাই গুণ নধৰিলে। ১৯৩২ চনত বিজয়া দশমীৰ দিনা তেওঁৰো কলিকতাত মৃত্যু হয়। তেখেতৰ বৰজোঁৱাই দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাদেৱৰো সেই একে ৰোগতে মৃত্যু হয়। তদুপৰি তেখেতৰ জ্যেষ্ঠ সহোদৰ নবীনৰাম ফুকন ডাঙৰীয়াৰো অকাল মৃত্যু ঘটিল। ইমানবিলাক দুৰ্ভাগ্য আৰু বিপৰ্য্যয়ৰ মাজত ফুকন ডাঙৰীয়াৰ মন ভাঙি নগলেও অন্তৰ যে জৰ্জৰিত হৈছিল তাত কোনো ভুল নাই। এইবোৰ দুৰ্ঘটনাৰ লগে লগে ১৯৩৪ চনৰ কেন্দ্ৰীয় বিধান সভাৰ সাধাৰণ নিৰ্বাচন ঘোষিত হৈছিল। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱে ১৯৩২ চনৰ আইন অমান্য আন্দোলনত কাৰাবৰণ কৰিছিল। তেখেতে কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী হিচাপে আৰু দেশভক্ত তৰুণৰাম ফুকনদেৱে কংগ্ৰেছ নেছনেলিষ্ট পাৰ্টিৰ মনোনীত প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। নিৰ্বাচন-যুদ্ধত ফুকনৰ পৰাজয় হ'ল আৰু বৰদলৈ জয়ী হ'ল। দেশভক্ত ফুকন কংগ্ৰেছৰ পৰা আঁতৰি গ'ল। ১৯৩৬ চনত ফুকন ডাঙৰীয়াই মিলিত-জনসংঘৰ প্ৰাৰ্থী হিচাপে কংগ্ৰেছৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিছিল। তাতো তেখেতৰ অভাৱনীয়ভাৱে পৰাজয় হ'ল, কংগ্ৰেছ প্ৰাৰ্থীৰ জয় হ'ল। তাৰ পিছৰপৰা তেখেতৰ মিলিত-জনসংঘৰ নেতাসকলৰ লগত মনোমালিন্যৰ সৃষ্টি হ'ল আৰু কংগ্ৰেছলৈ ঘূৰি আহিবলৈ চিন্তা কৰিলে। ১৯ ৭ চনত অসমত ছাদুল্লা-ৰোহিণী যুক্ত-মন্ত্ৰীসভা গঠন হ'ল। সেই মন্ত্ৰীসভা ওফৰাবৰ কাৰণে দেশভক্ত তৰুণৰাম ফুকনদেৱে কংগ্ৰেছ দলপতি আৰু প্ৰধানমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈক সকলো প্ৰকাৰে সহায় কৰিছিল। দেশভক্ত ফুকনদেৱৰ সেই সহযোগ সেই সময়ত লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱে নোপোৱা হলে তেখেতৰ পক্ষে অসমৰ কংগ্ৰেছ যুক্ত মন্ত্ৰীসভা গঠন কৰা আৰু ৰক্ষা কৰা সম্ভৱ নহলহেঁতেন।

এইবিলাক ঘটনাৰ পিছত দেশভক্ত তৰুণৰাম ফুকনে পুনৰ কংগ্ৰেছত যোগ দিলে। ফুকন কংগ্ৰেছলৈ ঘূৰি অহাত সকলোৱে আশা কৰিছিল যে অসম কংগ্ৰেছত পুনৰ এটা নতুন অধ্যায়ৰ সৃষ্টি হ'ল কিন্তু নিয়তিৰ বিধান লঙ্ঘন কৰিবৰ কাৰো ক্ষমতা নাই। ই মানুহৰ শক্তিৰ বাহিৰত।

১৯৩৯ চনৰ ২৮ জুলাইৰ দিনটো অসমৰ বুৰঞ্জীত এটা অতীব কৰুণ আৰু

শোকাবহ দিন। দেশভক্ত ফুকনদেৱে দুপৰীয়া বাইদেৱেকক চৰ্পত এগিলাছ দিবলৈ কৈ মুখ-হাত ধুবলৈ গা-ধোৱা ঘৰত সোমাল। কিন্তু তাৰপৰা আৰু তেখেত বাহিৰলৈ ওলাই নাহিল। সকলো দেশবাসীক কন্দুৱাই তেওঁলোকৰ হৃদয় শূন্য কৰি তেখেত স্বৰ্গধামলৈ গুচি গ'ল। দেশভক্ত ফুকনৰ মহাপ্ৰস্থানত সমগ্ৰ অসমৰ মূৰত বিনামেঘে বজ্ৰপাত হ'ল।

দেশভক্ত ফুকনৰ সৌম্যমূৰ্তি, বাগ্মিতা, অদ্বিতীয় ব্যক্তিত্ব ৰসিকতা, অমায়িকতা আৰু দেশৰ স্বাৰ্থৰ কাৰণে কৰা আত্মবলিদান দেশবাসীয়ে কোনো দিনে পাহৰিব নোৱাৰে। অসহযোগ আন্দোলনত তেখেতে নিজৰ ধন-সম্পদ, ঐশ্বৰ্য্য-বিভূতি, লাহ-বিলাহ, মৃগয়া আদিৰ মোহ বিসৰ্জন দি দেশবাসীক নেতৃত্ব দিছিল। সকলো বিষয়-বৈভৱ, সুখ-স্বাচ্ছন্দ্য অকাতৰে পৰিত্যাগ কৰি কাৰাবৰণ কৰিছিল। কাৰাগাৰত বন্দী হৈ থাকোতে তেখেতে শ্ৰীমদ্ভাগৱত গীতা কণ্ঠস্থ কৰিছিল। কীৰ্তন-ঘোষা, নাম-ঘোষাৰ পদ আওৰাই সেইবিলাক সৰসৰকৈ গাব পাৰিছিল। বিশ্বকবি ৰবি ঠাকুৰৰ কবিতা আবৃত্তি কৰিব পাৰিছিল। গান গাব পাৰিছিল। কাৰাবাসৰ কালতে তেখেতে অসমীয়া সাহিত্যত প্ৰসিদ্ধি লাভ কৰা 'স্তুতিমালা' পুথিখন ৰচনা কৰিছিল। বাতৰি কাকত আৰু আলোচনী আদিত ভাবগধুৰ আৰু তাৎপৰ্য্যপূৰ্ণ প্ৰবন্ধ লিখিছিল। তেখেতৰ চিকাৰ-কাহিনীৰ প্ৰবন্ধবোৰ তাৰেই নিদৰ্শন। তেখেতে গুৱাহাটী মিউনিচিপালিটি আৰু লোকেলবোৰ্ডৰ চেয়াৰমেন হৈ থাকোঁতে বহুতো গঠনমূলক কাম কৰিছিল। তেখেতৰ প্ৰচেষ্টাত গুৱাহাটীত এটি কুষ্ঠৰোগী চিকিৎসালয় আৰু আবাস স্থাপিত হৈছিল। তেখেতে কিমান সদ্গুণৰ অধিকাৰী আছিল, কিমান মহান আছিল, কিমান সদানন্দ জীৱন যাপন কৰিছিল আৰু সাংসাৰিক নানান ঘাত-প্ৰতিঘাতৰ মাজতো কেনেকৈ অচল অটল হৈ থাকিব পাৰিছিল সেইবিলাক কথা আমাৰ চিন্তাৰ আয়ত্বৰ বাহিৰত।

অসম সাহিত্য সভাই এই মহান ব্যক্তিগৰাকীৰ পবিত্ৰ জন্ম-শতবাৰ্ষিকী উপলক্ষে মোক এফেৰি তেখেতৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাবলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাই দেশভক্ত ফুকনৰ জীৱনৰ এটি চমু আভাস দাঙি ধৰিবলৈ পাই কৃতাৰ্থ মানিছো।

# দেশভক্ত ফুকনৰ তিৰোভাৱত

## অধ্যাপক শ্ৰীৰজনীকান্ত দেৱশৰ্মা

১৯৩৯ চনৰ ২৮ জুলাই। প্ৰাগ্‌জ্যোতিষৰ পশ্চিম দুৱাৰেদি অসম জননীৰ তথা ভাৰত জননীৰ এটি উজ্জ্বল নক্ষত্ৰ কক্ষচ্যুত হৈ কোনোবা অজান স্বৰ্গলৈ গুচি গ'ল। তাৰ অভাৱত আজি সমগ্ৰ অসম অন্ধকাৰ হৈ পৰিল।

অসমৰ সেই প্ৰাচীন সম্ভ্ৰান্ত খাৰঘৰীয়া ফুকন-পৰিয়ালৰ বংশধৰ অসমবাসীৰ পৰম বন্ধু দেশভক্ত ফুকন আজি আমাৰ মাজত নাই। সেই পুণ্যাত্মাৰ প্ৰতি আমি অসমবাসীয়ে যি অবিচাৰ কৰিলোঁ, অনুতাপৰ অজস্ৰ চকুলোৰেও আমাৰ অবিচাৰজনিত অন্তৰৰ মলি পখালি পেলাব নোৱাৰিম। তথাপি অনুশোচনাৰ অধিকাৰ আমাৰ আছে।

সৰুকালৰে পৰা এটা গৌৰৱময় ভৱিষ্যতৰ সূচনা কৰি আইন পঢ়িবৰ কাৰণে ফুকনদেৱ বিলাতলৈ যায়। বেৰিষ্টাৰি পাছ কৰি আহি তেওঁ কলিকতাত আইন ব্যৱসায় আৰম্ভ কৰে। বেছি দিন নালাগিল—তেওঁ এজন সুদক্ষ আইনজ্ঞ বুলি জনাজাত হ'ল। উপযাচি বহুতো সম্ভ্ৰান্ত বঙালী পৰিয়ালে ফুকনদেৱলৈ ছোৱালী আগবঢ়ালে। লগত অৰ্থৰ প্ৰলোভন আৰু ব্যৱসায়ত সাহায্যৰ প্ৰতিশ্ৰুতি। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰেও হেনো তেওঁৰ জীয়াৰী এজনীক সুদৰ্শন ফুকনক দিবলৈ আগ্ৰহ প্ৰকাশ কৰিছিল। ফুকনে তেনে এটা লোভনীয় প্ৰস্তাৱো গ্ৰহণ নকৰিলে। তেওঁ ভাবিছিল, কলিকতাত তেওঁ 'ঠাকুৰ কবিৰ জামাই' হৈ নেথাকে, অসমত তৰুণৰাম ফুকন হৈহে থাকিব। হাঁহিমুখে অসমৰ ফুকনে সকলোবোৰ লোভনীয় প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে। কব পাৰে কোনোবাই ই সংকীৰ্ণ প্ৰাদেশিকতা—কিন্তু স্বীকাৰ কৰিব লাগিব, তেওঁৰ অসমৰ প্ৰতি প্ৰগাঢ় ভালপোৱা, স্বীকাৰ কৰিব লাগিব তেওঁৰ দেশৰ অৰ্থে ব্যক্তিগত ত্যাগ আৰু মনত ৰাখিব লাগিব Charity begins at home. আমাৰ যিসকল নেতাই আজি জাতীয়প্ৰেম বা বিশ্বপ্ৰেমৰ ৰসেৰে অন্তৰ ওপচাই অসমক ভাল পাবলৈ হিয়াত ঠাই নোহোৱা কৰি পেলাইছে তেওঁলোকে সৰ্বভাৰতীয় নেতা ফুকন ভাওৰীয়ালৈ চাওক।

কিছুদিন পিছত ফুকনদেৱ গুৱাহাটীলৈ আহি ইয়াতে আইন ব্যৱসায় চলায় আৰু লগতে আৰ্ল ল কলেজত অধ্যাপনা কৰে। এনেতে সদৌ ভাৰত জুৰি অসহযোগ আন্দোলনৰ প্ৰচণ্ড ধুমুহা বলিল। সেই ধুমুহাই অতি তীব্ৰ বেগেৰে অসম বননি কঁপাই তুলিলে। অসমৰ কৃতী সন্তান স্বৰ্গীয় বৰদলৈদেৱে বীৰদৰ্পে ধুমুহাৰ মাজত জপিয়াই পৰিল। অকলে ভয় পাই ফুকনক মাতিলে। ফুকনে তেতিয়া অজস্ৰ টকা ঘটিব লাগিছে। তেওঁৰ ব্যৱসায়ী জীৱনৰ তেতিয়া পূৰ্ণ পয়োভৰ। ফুকনে কথাটো শুনিলে—সম্মুখত যি বিৰাট ত্যাগৰ আদৰ্শ, সেই আদৰ্শ পথত তেওঁ শুদ্ধ আৰু অকপটচিত্তে খোজ দিব পাৰিব নে নোৱাৰে ভাবি চালে। তেওঁৰ অন্তৰৰ মানুহজনে উত্তৰ দিলে—'পাৰিম, পাৰিবই লাগিব'। মুহূৰ্ততে বিলাসৰ সাজপাৰ খহি পৰিল। হাজাৰ দুহাজাৰ টকাৰ বিলাতী সাজপাৰ ক্ষন্তেকতে ছাই হৈ গ'ল। তৰুণ-নবীনে অসমৰ সুদূৰ গাঁৱে-ভুঁয়ে মহাত্মাজীৰ অসহযোগৰ বাণী প্ৰচাৰ কৰিলে। ভাৰতবৰ্ষৰ ভিতৰত অসম আগৰনুৱা বুলি পৰিচিত হ'ল।

আন্দোলনৰ অৱশ্যম্ভাবী ফল কাৰাবৰণ। তাকো তেওঁ অম্লানমুখে বৰণ কৰিলে। সদানন্দময় ফুকনৰ উপস্থিতিত সকলো সহযাত্ৰীৰ মনত বন্দী জীৱন আনন্দৰ জীৱন যেন হ'ল। জেলৰ পৰা তেওঁ ডাড়িয়ে-গোঁফে ভোবোকাৰ হৈ সন্যাসীৰ দৰে ওলাই আহিছিল। মানুহৰ আগত তেওঁ কৈছিল—"ব্ৰহ্মচাৰী বংশত মোৰ জন্ম। ৰজা-জমিদাৰৰ দৰে থাকিলেও প্ৰয়োজন হলে হাতত ত্ৰিশূল-কমণ্ডলু লৈ যথাসৰ্বস্ব ত্যাগ কৰিব পাৰোঁ।" দেশভক্তৰ পিছৰ জীৱনত এই উক্তিৰ প্ৰমাণ পোৱা গৈছিল।

জেলৰ পৰা ওলাই আহি তেওঁ দেখিলে, গোটেই ভাৰতবৰ্ষ জুৰি এটা ৰাজনৈতিক অৱসাদ। এনে সময়তে পণ্ডিত মতিলাল নেহৰু আৰু দেশবন্ধু চিত্তৰঞ্জন দাসে এছেম্ব্লিৰ ভিতৰেদি আন্দোলন চলাবলৈ বুলি স্বৰাজ্য-দল গঠন কৰে। আমাৰ ফুকনেও সেই দলত যোগ দিয়ে। ফুকনৰ যোগদানত স্বৰাজ্য-দলে নতুন প্ৰেৰণা পায়। ভাৰতবৰ্ষৰ সুদূৰ প্ৰদেশবোৰত ফুকনৰ বাগ্মিতা শক্তিৰ জয়গানৰ কলৰৱ উঠে। স্বৰাজ্যদল শক্তিমন্ত হয়।

এই স্বৰাজ্য-দলৰ পৰাই ফুকন দুবাৰো কেন্দ্ৰীয় পৰিষদৰ সদস্য নিৰ্বাচিত হয়। তাৰ পিছত কংগ্ৰেছৰ নিৰ্দেশমতেই ১৯২৯ চনত তেওঁ এছেম্ব্লি বৰ্জন কৰে: আকৌ এবাৰ স্বাধীনভাৱে উঠি তেওঁ উক্ত পৰিষদৰ সদস্য নিৰ্বাচিত হয়।

তেতিয়াৰ ফুকন এটা ত্যাগৰ মূৰ্তিমন্ত আদৰ্শ। লক্ষ্মীক তেওঁ স্ব-ইচ্ছাই বিসৰ্জন দিছে। দৈন্য তেওঁৰ পৰম সুহৃদ্। তাৰ মাজতো দেশভক্ত ফুকনে কৰ্মবীৰ বৰদলৈদেৱৰ লগ লাগি এটা পৰম দুঃসাহসৰ কাম হাতত ললে। ভাৰতবৰ্ষৰ অৱহেলিত দৰিদ্ৰ অসমত কংগ্ৰেছৰ বাৰ্ষিক অধিৱেশন পাতি (১৯২৬ চন) দুই বীৰে জননীৰ মূৰত গৌৰৱৰ মুকুট পিন্ধালে। অসমবাসী ধন্য হ'ল কিন্তু তেওঁলোকৰ ভাগত পৰিল ঋণ! ঋণৰ দুৰ্বহ বোজা মূৰত লৈও দেশভক্ত ফুকনে মাতৃপূজাৰ নৈবেদ্য অটুট ৰাখিলে।

বিধতাৰ কি অভিলাষ নাজানো। অকালতে প্ৰিয়তমা পত্নীয়ে ফুকনক এৰি থৈ গ'ল। অকল পত্নীয়ে নহয়, তেওঁৰ মৰমৰ জীয়েক গ'ল আৰু গ'ল অসম আইৰ বুকুৰ মাণিক পুত্ৰোপম জোঁৱাই লক্ষ্মীধৰ। একেলেঠাৰিয়ে ইমানবোৰ হিয়ভগা শোকৰ যন্ত্ৰণাত জুৰুলা হৈ ভাগি নপৰে, এনে শিলৰ বুকুৰ সংসাৰী মানুহ কেইজন আছে? কিন্তু "গতাসূন গতাসূংশ্চ নানুশোচন্তি পণ্ডিতাঃ?"—গীতাৰ এই মহামন্ত্ৰকে সাৰোগত কৰি অন্তৰৰ দপ দপ কৰে জ্বলি উঠা শোকৰ জুইকুৰাত শান্তিপানী ঢালি 'দুখেষ্বনুদ্বিগ্নমনাঃ সুখেষু বিগতস্পৃহঃ' হৈ আনন্দৰ পূৰ্ণ প্ৰতীক গীতাভক্ত ফুকনে যলৈয়ে যায় তাতে আনন্দ বিলাই দেশৰ সেৱা কৰি গ'ল।

মন্ত্ৰিত্ব গ্ৰহণ কৰা নকৰা প্ৰশ্নই যেতিয়া কংগ্ৰেছক ব্যতিব্যস্ত কৰি তুলিছে। তেতিয়া প্ৰশংসনীয় দূৰদৃষ্টিৰে ফুকনদেৱে কৈছিল যে কংগ্ৰেছে মন্ত্ৰিত্বগ্ৰহণ কৰা উচিত হব। তেওঁৰ মত কংগ্ৰেছৰ লগত নিমিলাৰ কাৰণেই তেওঁ বেলেগ দলত যোগ দি মন্ত্ৰিত্বগ্ৰহণৰ পক্ষ সমৰ্থন কৰিছিল। শেষত তেওঁৰ মতলৈ কংগ্ৰেছ ঘূৰি অহাত অৰ্থাৎ কংগ্ৰেছে যেতিয়া মন্ত্ৰিত্ব গ্ৰহণ কৰাকে থিৰ কৰে, ফুকন আকৌ কংগ্ৰেছলৈ উলটি আহে আৰু লোকপ্ৰিয় বৰদলৈৰ নেতৃত্বত অসমত কংগ্ৰেছী মন্ত্ৰীসভা প্ৰতিষ্ঠিত কৰে।

ফুকনৰ নেতৃত্বত কিজানি অসম পুনৰ একত্ৰিত হৈ ভাৰতৰ দৰবাৰত নিজৰ প্ৰাপ্যস্থান বিচাৰি লয়—এই ভয়ত অসমৰ দুৰ্ভাগ্য, কাল-ৰাহুৱে ৬১ বছৰ বয়সীয়া তৰুণক হঠাতে গিলি পেলালে।

দেশভক্ত ফুকনৰ বহুমুখী প্ৰতিভাৰ গুণ-কীৰ্তন দুষাৰি কথাৰ মাজেদি শেষ কৰিব নোৱাৰি। তাৰ কাৰণে ব্যপক আলোচনাপূৰ্ণ জীৱনীৰ প্ৰয়োজন। কেন্দ্ৰীয় পৰিষদৰ সদস্য হোৱাৰ উপৰিও, তেওঁ প্ৰাদেশিক পৰিষদৰো সদস্য নিৰ্বাচিত হৈছিল। বিখ্যাত 'নেহৰু-ৰিপোৰ্ট কমিটী'ৰ এজন বিশিষ্ট সদস্য

আছিল ফুকন। উৰিষ্যাৰ সীমা-নিৰ্দ্ধাৰণ কমিটীৰ সদস্য হিচাপে ফুকনে যথেষ্ট সুখ্যাতি অৰ্জন কৰিছিল। গুৱাহাটী লোকেলবোৰ্ড আৰু মিউনিচিপেলিটীৰ চেয়াৰমেনৰ দায়িত্বও কেবাবাৰো তেওঁৰ মূৰতে পৰে।

ইমানবোৰ গধুৰ দায়িত্বৰ হেঁচা-পৰাতো ফুকনে সাহিত্যচৰ্চাৰ এটা একান্ত অনুৰাগ মনত পুহিছিল। জেলত থাকোঁতে তেওঁ "স্তুতিমালা" নামে এখন সৰু কিতাপ ৰচনা কৰে। তেতিয়াৰ পৰা তেওঁৰ সাহিত্য-প্ৰতিভা ফুটি ওলায়। "যৌনতত্ত্ব" অসমীয়া ভাষাৰ সেই শ্ৰেণীৰ প্ৰথম গ্ৰন্থ। ইয়াৰ বাহিৰেও ফুকন ডাঙৰীয়াৰ হাতেলিখা অৱস্থাতে কেবাখনো কিতাপ থকা বুলি আমি গম পাওঁ। তেওঁৰ সাময়িক উক্তি আৰু প্ৰবন্ধবোৰ মূল্যৱান। ফুকনদেৱৰ চিকাৰ-কাহিনী প্ৰবন্ধবোৰৰ প্ৰত্যেকটোৱে একোখন উপভোগ্য ৰচনা। সাহিত্যসাধনাৰ যোগ্য পুৰস্কাৰ স্বৰূপে তেওঁলৈ অসম সাহিত্য সভাৰ গোৱালপাৰা অধিবেশনৰ সভাপতিৰ পদ আগবঢ়োৱা হয়।

খেল-ধেমালিতো, আৰু বিশেষকৈ চিকাৰত ফুৰোঁতে প্ৰৌঢ়বয়সতো ফুকনে যুবকচিত্তৰ অফুৰন্ত উৎসাহ আৰু কষ্টসহিষ্ণুতা দেখুৱাইছিল। দুখ বা শোকত কাতৰ হোৱা স্বভাৱ তেওঁৰ নাছিল। মনত তেওঁৰ বিপুল আশা ( robust optimism )। অলেখ বিপদৰ মাজতো এদিন সুখ-সূৰুয উদয় হবই, এই আশ্বাস তেওঁ নিজক আৰু আনকো দিছিল। সেয়ে 'আই মোৰ নিছলা অসম, দুখুনী অসম' বুলিলে তেওঁ বেজাৰ পাইছিল। সভাই-সমিতিয়ে কোৱা মনত পৰে—কিয় মোৰ অসম দুখীয়া হব, কেলেই নিছলা হব—ইত্যাদি।

বাগ্মিতাশক্তি আছিল ফুকনৰ জন্মগত। ছাত্ৰ অৱস্থাতে তাৰ বিকাশ হয়, আৰু বয়সৰ অভিজ্ঞতাৰ লগে লগে পৰিণত হৈ অমৃতময়ী হৈ উঠে। দেশভক্তৰ দৰে বাগ্মীপুৰুষ গোটেই ভাৰতত বিচাৰিলেও আঙুলিৰ মূৰত গণিব পৰা। অসমীয়া, ইংৰাজী, উৰ্দ্দু, বঙলা, নেপালী, সংস্কৃত আদি ইমানবোৰ ভাষাত অসাধাৰণ ব্যুৎপত্তিশীল পুৰুষ ভাৰতবৰ্ষতে বা কেইজন ওলাব ?

এদিন অসমৰ আনন্দৰামে সংস্কৃত সাহিত্য মথি ভাৰতবৰ্ষ আৰু জগতৰ পণ্ডিতমণ্ডলীৰ মাজত এখন উচ্চ আসন লভিছিল। সেই দিনটো অসমৰ বৰ গৌৰৱৰ দিন আছিল। আনন্দ গ'ল, তৰুণ আহিল। পুনৰ ভাৰতত অসমৰ কাৰণে এডুখৰি ঠাই মুকলি হ'ল। বাস্তৱিকতে ফুকন ডাঙৰীয়া অসমৰ জাতীয় জাগৰণৰ পিতৃস্বৰূপ আছিল।

ফুকন ডাঙৰীয়া যদি আৰু বেছি খ্যাতনামা নহ'ল, তাৰবাবে দায়ী তেওঁ

যি দেশত জন্মিছিল তাৰ জলবায়ু, তাৰ মানুহ আৰু তেওঁৰ বিধাতাপুৰুষ। দেশৰ মানুহৰ সহানুভূতি নাপালে, যিমানেই অসাধাৰণ ব্যক্তিত্ব নহওক, এদিন জঁয় পৰি যাবই।

এফালে বৰলাট বাহাদুৰ আৰু ৰজা-জমিদাৰৰ লগত যিদৰে গাম্ভীৰ্য্য ৰক্ষা কৰি ফুকনে কথা কৈছিল, আনফালে নিমাখিত হোজা-চহা এজনকো সেইদৰে অতি সম্ভ্ৰম আৰু মৰমেৰে চাইছিল। কংগ্ৰেছ মহাসভাৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ গুৰু দায়িত্ব যিদৰে গ্ৰহণ কৰিছিল ঠিক সেইদৰেই তেওঁৰ অতি মৰমৰ সোণাৰাম হাইস্কুলখনৰ গুৰিবঠাপাত ধৰি অলেখ ঢৌ-ধুমুহাৰ পৰা তাক ৰক্ষা কৰিছিল। ফুকনৰ বিষয়ে কবি ৱাৰ্ডছৱাৰ্থৰ লগত সুৰ মিলাই কবলৈ হলে তেওঁ আছিল—

Type of the wise, who soar, but never room—
True to the kindred points of Heaven and Home.

আজি মহাত্মা গান্ধীৰ প্ৰশংসাভাজন brave leader of the brave Assamese নাই। 'শ্ৰীমন্ত', 'গৌৰতনু সদানন্দময় ফুকনৰ তিৰোভাবত জননী দীনা, মলিনা। সেই পুণ্যাত্মাৰ উচ্চ আসনখন যেন বহু দিন শূন্য হৈ পৰি নেথাকে, তাকেই আমি ভগৱন্তক প্ৰাৰ্থনা জনাওঁ।

# চিৰমুক্ত ফুকন

## অধ্যক্ষা শ্ৰীমতী ঊষা ভট্টাচাৰ্য্য

মৃত্যুৰ নিচিনা সুন্দৰ, সত্য বস্তু জগতত আৰু নাই। সত্য, শিৱ আৰু সুন্দৰৰ বাস্তৱ মূৰ্তি মৃত্যুৰ বিভীষিকাময় চেহেৰাৰ ভিতৰতেই লুকাই আছে। বৰ আচৰিত যে জীৱনৰ এই চিৰসত্যটোকেই উপলব্ধি কৰিবলৈ মানুহে ইমান টান পায়। কোন অনাদি কালৰ পৰাই সৃষ্টিৰ লগে লগে মৃত্যুই নানা ভঙ্গীৰে জগতত দেখা দিছেহি—তথাপি এই মৃত্যুলৈয়েই ইমান হাহাকাৰ, কান্দোন, ভয়, উদ্বেগ।

হঠাতে শুনিলো, দেশনায়ক দেশভক্ত ফুকনে শেষশয্যা ল'লে—চক খালোঁ। এটা স্থূল দেহে ইটো স্থূল দেহক আৰু নেদেখে। এটা বিচ্ছেদৰ বিৰহ সুৰে মনটোক ছাটি পেলালে। চকুলো বাগৰি পৰিল। নানা শোকৰ বিননি, শোক-সভাত নানা মানুহৰ নানান আবেগপূৰ্ণ বক্তৃতা-সকলো-বোৰেই এটা বিৰাট ধেমালি যেন লাগিল। বলিয়াৰ দৰে হাঁহিলোঁ—আমাৰ নিজৰেই বলিয়ালিৰ কথা ভাবি। জীৱন্ত ফুকনে যি প্ৰেৰণা দিব নোৱাৰিলে-মৃত্যুক বৰণ কৰি অশৰীৰী ফুকনে সেই প্ৰেৰণাৰে আহিঁ যোগ লে। তেওঁৰ ভিতৰত লুকাই থকা বিৰাট মুক্ত মহামানৱজন আটাইৰে চকুত ধৰা পৰিল। এই বিৰাটৰ পৰা ক্ষুদ্ৰৰ বিচ্ছেদৰ সুৰ আৰু দ্বিগুণে বাজি উঠিল। চকুৰ পানীৰে শ্ৰদ্ধাৰ তৰ্পণ জনালে দেশবাসীয়ে—মুকুটবিহীন ৰজা, মহাপুৰুষ ইত্যাদি আখ্যাৰে বিভূষিত ক'ৰে।

ছাহজাহানৰ প্ৰেমৰ সৌধ তাজমহল দেখি এদিন কবিয়ে গাইছিল—তোমাৰ কীৰ্তিতকৈও তুমি মহৎ। সেইদৰে ফুকনৰ মৃত্যুতো দেখা গ'ল তেওঁ তেওঁৰ কীৰ্তিতকৈ কিমান মহৎ—কিমান ডাঙৰ! জগতৰ মান, গৌৰৱ, সকলো তুচ্ছ কৰি ফুকনে মৃত্যুৰ জয়টীকা পিন্ধি মৃত্যুঞ্জয়ী হ'ল। বুঢ়া লুইতৰ পাৰত থকা ঘৰটোৰ আগচোতালত বহি দেশৰ তথা জগতৰ মঙ্গলৰ কাৰণে নীৰৱে চকুলো টুকি হুমুনিয়াহ পেলাই থকা দেশভক্ত ফুকনৰ হুমুনিয়াহ আজিও আকাশে বতাহে, লুইতৰ পানীৰ চেৰে চেৰে, নাচি নাচি বৈ আছে। ফুকনৰ জীৱনৰ প্ৰতিটো পাতেই এটি কৰুণ ৰহস্যপূৰ্ণ কাহিনী। আজন্ম সুখত

লালিত-পালিত হোৱা, আভিজাত্যৰ গৌৰৱমুকুট পিন্ধিও ফুকন আছিল ভিখাৰী। দেশৰ সঞ্চিত লাঞ্ছনাক নীৰৱে মূৰ পাতি লৈ 'আনন্দক' উপলব্ধি কৰাই আছিল তেওঁৰ জীৱনৰ সাধনা।

ফুকন আছিল সুন্দৰৰ সাধক, সুন্দৰৰ পূজাৰী। দৈহিক সৌন্দৰ্য্য আছিল তেওঁৰ ওপৰত বিধাতাৰ এটা শ্ৰেষ্ঠ দান। এই সুন্দৰৰ পূজাৰী আছিল বুলি-য়েই তেওঁ ভাল পাইছিল চিৰকালেই সামঞ্জস্য। যতেই এই সামঞ্জস্যৰ তাল কাটি যোৱা যেন দেখা পায়, সুন্দৰৰ পূজাৰী ফুকনে লাহেকৈ তাৰপৰা আঁতৰি যায়। তেওঁৰ প্ৰেমিক মন কোনো ৰকমৰ অপ্ৰেমিক বৈষম্যৰ ওচৰত থাকিব নোৱাৰিছিল। সেই বাবেই বহু সময়ত আমি দেখিছিলোঁ দেশৰ একো একোটি জটিল সমস্যাৰ সময়তো ফুকন সুন্দৰৰ পূজাত মগ্ন। দেশৰ মানুহে ভুল বুজিছে, গালি পাৰিছে—কালৈকো ভ্ৰূক্ষেপ নাই। সেই বাবেই বহু সময়তে তেওঁৰ জীৱনৰ বহু ঘটনাতেই বিপদৰ ঊৰ্দ্ধত তেওঁক দেখা পাইছিলো। দেশৰ একো একোটি ডাঙৰ সন্ধিক্ষণত যেতিয়া আটায়ে তেওঁৰ এষাৰি উপদেশ শুনিবৰ কাৰণে হয়তো বৈ আছে, তেতিয়াও, তাৰ মাজতো তেওঁ কোনোবা নিজান হাবিত পৰ্বতৰ মাজত হাতী-চিকাৰত ব্যস্ত। অসুন্দৰৰ আগন্তুক দেখিলেই তেওঁৰ সুন্দৰৰ সাধক মনে লৰি গৈছিল প্ৰকৃতিৰ ৰাজ্যলৈ—য'ত চিৰসুন্দৰে মুক্তভাৱে নিজক মেলি দিছে। সুন্দৰৰ পূজাৰী ফুকনে এই নিজক নিঃস্ব কৰি দি প্ৰকৃতিৰ পৰা সুন্দৰক আহৰণ কৰাটো বহুত মূল্যবান বুলি ভাবিছিল।

তেওঁ জন্মৰ পৰাই 'আৰ্টিষ্ট'। সেই বাবেই সাধাৰণ চকুৰে তেওঁক বুজিব পৰা টান। To him life is an art. তেওঁ চালচলন, প্ৰকাশ-ভঙ্গী, কথা-বতৰা, আচাৰ-ব্যৱহাৰ সকলোতেই এই আৰ্ট ফুটাই তুলিছিল। এই আৰ্টিষ্টিক মনৰ কাৰণেই তেওঁ চিৰকালেই নিজক সজীৱ আৰু নতুন কৰি ৰাখিব পাৰিছিল আৰু ইয়েই নিজৰ নামৰ সাৰ্থকতা আনিলে।

গভীৰ মনস্তত্ত্ববিদ আৰু চিন্তাশীল ফুকনে মানৱ মনক সদায় ফঁহিয়াই ফঁহিয়াই পঢ়িছিল বুলিয়েই একপক্ষীয় বিচাৰ তেওঁ কেতিয়াও কালৈকো নকৰিছিল। তেওঁ কেৱল মানৱ জীৱনক পঢ়িছিল। সেই বাবেই দোষ-গুণ বিচাৰ কৰোঁতে তেওঁৰ উদাৰ মনে সকলো মানুহকেই মানুহ হিচাপে চাব পাৰিছিল। তেওঁৰ মতে সকলো স্বাভাৱিক, সকলো মানুহৰেই ধৰ্ম—গতিকে বিচাৰকৰ ঠাই ইয়াত কাৰো নাই। জীৱনৰ লয়লাস ভঙ্গী চাবৰ এটি সূক্ষ্ম

দৃষ্টি আছিল দেখিয়েই তেওঁ মানুহৰ জীৱন অধ্যয়ন কৰি ইমান আনন্দ পাইছিল। তেওঁ বুজিছিল, মানুহক জানিবলৈ হলে অকল সূক্ষ্ম মানুহটোক জানিলেই নহব, স্থূল মানুহটোক জনাটোও এটি ঘাই কাম। সেই বাবেই মনস্তত্ত্বৰ তেওঁ এজন প্ৰধান ছাত্ৰ আছিল।

বহু সময়ত জীৱনৰ বহুত জটিল প্ৰশ্ন লৈ তেওঁৰ ওচৰত উপস্থিত হৈছোঁগৈ। মনস্তত্ত্ববিদ দাৰ্শনিক ফুকনে মনৰ নানা ৰকম স্তৰক বিশ্লেষণ কৰি বুজাই দিছিল শান্তি আৰু অনাই দিছিল নিজৰ ওপৰত বিশ্বাস। নানা কামৰ মাজত ব্যস্ত থকা সত্বেও অবসৰ সময়খিনি তেওঁ মনস্তত্ত্বৰ কিতাপ পঢ়িয়েই কটাইছিল। যিজনেই তেওঁৰ লগত কথা পাতিছিল, তেওঁই পাইছিল অনাবিল আনন্দ, আহৰণ কৰিছিল গভীৰ জ্ঞান। ফুকনেই প্ৰথমে অসমত যৌনতত্ত্বৰ (Sex Psychology) বিষয়ে কিতাপ লিখে। কিন্তু দুখৰ বিষয়, আমাৰ দেশ এতিয়াও ইমান গভীৰ এন্ধাৰত যে সেই সময়ত কোনেও তেওঁৰ এই মহত্বৰ ফালটো গ্ৰহণ কৰিব নোৱাৰিলে। সেই বাবেই সেই কিতাপখনিৰ কোনো ৰকম উদাৰ সমালোচনাও কাৰোপৰা নোলাল।

হাতী-চিকাৰৰ প্ৰবন্ধবোৰ অসমীয়া সাহিত্যলৈ ফুকনৰ এটি অপূৰ্ব্বণীয় দান। এনে ধৰণৰ সুন্দৰ আৰু প্ৰত্যক্ষ চিকাৰ-জীৱনৰ বৰ্ণনা আন কোনো লিখকে কৰিব পৰা নাই। বঙ্গদেশত চিকাৰীৰ জীৱনৰ দিনপঞ্জিকাই সাহিত্য জগতত এটা নতুন ঠাই অধিকাৰ কৰিছে। ফুকনে অসমীয়া সাহিত্যক এই অলঙ্কাৰেৰে বিভূষিত কৰিবলৈ আৰম্ভ কৰোঁতেই দুৰ্ভগীয়া অসমীয়াই তেওঁক হেৰুৱালে। জীৱনৰ নানা ঘাত-প্ৰতিঘাতৰ মাজতো অৱসৰ সময়খিনি তেওঁ কটাইছিল নীৰৱ সাহিত্যসেৱাত।

বাগ্মীপ্ৰবৰ ফুকনে আজি ভাষাক, কথাক তুচ্ছ কৰি চিৰমৌনতাক আকোৱালি ধৰি চিৰনীৰৱতাক গ্ৰহণ কৰিলে। এই চিৰনীৰৱতাৰ মাজতে লুকাই আছে চিৰসুন্দৰ আৰু চিৰসত্য। মুক্তি অভিলাষী ফুকন আজি চিৰমুক্ত।

# দেশভক্তৰ বংশ-পৰিচয়

## শ্ৰীনন্দ তালুকদাৰ

দেশভক্ত তৰুণৰাম ফুকন এগৰাকী সুবক্তা, বাগ্মীবৰ, প্ৰত্যুৎপন্নমতিসম্পন্ন আগশাৰীৰ সৰ্বভাৰতীয় নেতা আছিল। আমি এই প্ৰবন্ধত দেশভক্তৰ বহুমুখী প্ৰতিভাৰ আনবোৰ কথা বাদ দি চমুকৈ কেৱল তেওঁৰ বংশ-পৰিচয় দিবলৈহে যত্ন কৰিম।

ফুকনৰ বংশটো অসমৰ প্ৰখ্যাত ব্ৰহ্মচাৰী বংশৰ অন্তৰ্গত। এই বংশটো লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীয়ে সুদূৰ দ্ৰাবিড় দেশৰ পৰা আহি অসমত প্ৰতিষ্ঠা কৰিছিল। ফুকনৰ নিজৰ পূৰ্বপুৰুষ আছিল উজনিৰ টীয়ক অঞ্চলৰ। তেওঁলোক আছিল টিয়কীয়া অধ্যাপকৰ ঘৰ বুলি জনাজাত। ভাগ্য-বিপৰ্য্যয়ত পৰি টিয়কীয়া অধ্যাপক ঘৰৰে যোগাই নামৰ লৰা এজন নীলাচলত থকা ভাটীৰ ফালৰ ওপৰত উল্লেখ কৰা লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীৰ আশ্ৰয়ত ডাঙৰ দীঘল হবলগীয়া হৈছিল। পিছত সেই বংশৰে আন এজন ঘাটমাউৰা লৰাও আহি তেওঁলোকৰ লগ লাগিছিল। কামৰূপৰ আন দুটি অনাথ ব্ৰাহ্মণৰ ল'ৰা, এগৰাকী বিধবা ব্ৰাহ্মণীৰ দুটি ল'ৰা আৰু এটি কন্যাকো ব্ৰহ্মচাৰীয়ে আশ্ৰয় দিছিল।

পিছত ব্ৰহ্মচাৰীয়ে তেওঁলোকক তেওঁৰ নিজৰ গোত্ৰলৈ আনি নতুন নামেৰে নামকৰণ কৰিলে। যোগাইৰ নাম ৰণৰাম, যোগাইৰ বংশৰ টীয়কীয়া অধ্যাপকৰ ঘৰৰ আনজনৰ নাম পৰশুৰাম আৰু কামৰূপৰ অনাথ ব্ৰাহ্মণৰ সন্তান দুজনৰ নাম সীতাৰাম আৰু শম্ভুৰাম ৰখা হ'ল। বিধবা ব্ৰাহ্মণীৰ লৰা দুজনৰ নাম ৰখা হ'ল অভিৰাম আৰু পটাভিৰাম।

পৰশুৰামৰ পুত্ৰ দুটি আছিল হলিৰাম আৰু যজ্ঞৰাম। হলিৰাম ঢেকিয়াল ফুকনৰ পুত্ৰ স্বনামধন্য আনন্দৰাম ঢেকিয়াল ফুকন। যজ্ঞৰাম খাৰঘৰীয়া ফুকনৰ পুত্ৰ দুৰ্গাৰাম আৰু বলৰাম। বলৰাম ফুকনৰ পুত্ৰ তৰুণৰাম ফুকন। ৰণৰামৰ পুত্ৰ গুণাভিৰাম বৰুৱা। গুণাভিৰাম বৰুৱাৰ পুত্ৰ জ্ঞানদাভিৰাম বৰুৱা। জে. বৰুৱা নামেৰেহে তেওঁ জনাজাত হৈছিল। শম্ভুৰাম বৰুৱাৰ পুত্ৰ কালীৰাম বৰুৱা আৰু কালীৰাম বৰুৱাৰ পুত্ৰ কামাখ্যাৰাম বৰুৱা।

পৰশুৰাম বৰুৱা সকলে পৰা বুদ্ধিমান আৰু দূৰদৰ্শী পুৰুষ আছিল। লক্ষ্মীনাৰায়ণ ব্ৰহ্মচাৰীৰ অনুগ্ৰহত পিছত তেওঁ হাদিৰাচকীত দুৱৰীয়া বৰুৱা নিযুক্ত হয়। তেতিয়াৰ দিনত দুই দেশৰ সীমান্ত অঞ্চলত দুৱৰীয়া বৰুৱাৰ প্ৰভুত্ব আৰু ক্ষমতা বৰ বেছি আছিল। বেহা-বেপাৰ, কৰ-কাটল দুই দেশৰ মাজত আদান-প্ৰদান হৈছিল দুৱৰীয়া বৰুৱাৰ যোগেদিহে।

পৰশুৰাম বৰুৱা এজন বিদ্যোৎসাহী পুৰুষ আছিল। তেওঁ অতি যত্নেৰে হলিৰাম আৰু যজ্ঞৰামক শিক্ষা দিয়ে। তেতিয়াৰ মানুহৰ বিশ্বাস আছিল যে আৰবী, পাৰ্চী, ইংৰাজী আদি যাৱনিক ভাষাত শিক্ষা লাভ কৰিলে পুত্ৰই পিতৃ-মাতৃৰ পিণ্ড দান কৰিব নোৱাৰে। সেই বাবে জ্যেষ্ঠপুত্ৰ হলিৰামক কেৱল সংস্কৃত ভাষাতহে শিক্ষা দিয়া হৈছিল। যজ্ঞৰামক পাৰ্চী আদি আন যাৱনিক ভাষাত শিক্ষা দিয়া হয়।

পৰশুৰাম বৰুৱাৰ অকাল মৃত্যু হোৱাত চৌধ্য বছৰ বয়সতে হলিৰাম ঢেকিয়াল ফুকন দুৱৰীয়া বৰুৱা হয়। দেশৰ শাসনভাৰ ইংৰাজৰ হাতলৈ যোৱাত কোম্পানীৰ এজেন্ট মিঃ ডেভিদ স্কটে হলিৰাম ঢেকিয়াল ফুকনক মাটি-বন্দোবস্তৰ বাবে প্ৰধান কাৰ্য্যকাৰক নিযুক্ত কৰিলে। পিছত তেওঁ নামনি খণ্ডৰ কলেক্টৰী চিৰস্তাদাৰ হ'ল। ১৮৩২ চনৰ ২০ ফেব্ৰুৱাৰীৰ পৰা হলিৰাম ঢেকিয়াল ফুকনক গুৱাহাটীত এছিষ্টেণ্ট মেজিষ্ট্ৰেট নিযুক্ত কৰা হৈছিল। তেতিয়া তেওঁৰ মাহিলী দৰমহা আছিল ২৩০ টকা। ইংৰাজৰ তলত চাকৰি কৰিলেও হলিৰাম ঢেকিয়াল ফুকনে কেতিয়াও নিজৰ নিজস্বতা এৰি নিদিছিল।

হলিৰাম ঢেকিয়াল ফুকন আছিল এগৰাকী বিদ্যোৎসাহী ব্যক্তি। তেওঁ যোগিনীতন্ত্ৰ, কালিকাপুৰাণ আদিৰ পৰা সংগ্ৰহ কৰি 'কামাখ্যা যাত্ৰা পদ্ধতি' নামৰ এখন সংস্কৃত গ্ৰন্থ প্ৰণয়ন কৰিছিল ( ১৮৩১ )।

তেওঁৰ বঙলা ভাষাত ৰচনা কৰা 'আসাম বুৰঞ্জী' প্ৰথম প্ৰকাশিত ছপা অসমৰ বুৰঞ্জী ( ১৮২৯ )। ঢেকিয়াল ফুকনৰ কথা সেই সময়ত 'সমাচাৰ চন্দ্ৰিকা', 'সমাচাৰ দৰ্পণ' কাকতত প্ৰকাশ হৈছিল। ঢেকিয়াল ফুকনৰ মৃত্যুৰ বাতৰি 'সমাচাৰ দৰ্পণত' প্ৰকাশ হৈছিল এনেদৰে,—"আমৰা অত্যন্ত খেদপূৰ্বক প্ৰকাশ কৰিতেছি যে গত ১১ই শ্ৰাবণে আসাম দেশীয় হলিৰাম ঢেকিয়াল ফুকন মহাশয়ে গুৱাহাটী স্থানে লোকান্তৰ গত হইয়াছেন। অল্পকাল হইল অতি গৌৰৱ ও বিশ্বস্ততা পদ প্ৰাপ্ত হইয়াই তাঁহাৰ উপৰম হয়।

······মৃত্যুৰ সময়ে তাহাৰ ৩৫ বৎসৰেৰ অধিক হয় নাই ; কিন্তু তিনি ইদৃশ বয়ো-কনিষ্ঠ হইয়াও জ্ঞান ও বুদ্ধিতে জ্যেষ্ঠ ছিলেন। তাহাৰ বিদ্যা বিষয়ক স্পৃহাৰ-ও সীমা ছিল না।

হলিৰামৰ ভাতৃ যজ্ঞৰামে কলিকতালৈ গৈ ইংৰাজী পঢ়িছিল। তেওঁ কলিকতাত ৰাজা ৰামমোহন ৰায়ৰ তলত অধ্যয়ন কৰিছিল। ৰামমোহন ৰায় ব্ৰাহ্ম। সেই বাবে এটা জনৰব উঠিছিল যজ্ঞৰামো ব্ৰাহ্ম হ'ল বুলি। এই বাতৰিয়ে হলিৰামক ক্ষুণ্ণ কৰিছিল। তেওঁ ভ্ৰাতৃক ঘূৰাই আনিবৰ বাবে কলিকতালৈ যাবলৈ ওলাইছিল। যজ্ঞৰামে সংস্কৃত, ইংৰাজী, বঙলা, পাৰ্চী আৰবী, উৰ্দু আৰু ভুটীয়া ভাষা জানিছিল।

যজ্ঞৰাম আছিল পুলিচৰ উচ্চ পদস্থ বিষয়া। পিছত তেওঁ সদৰামিন হয়। তেওঁ এজন বিদ্যোৎসাহী পুৰুষ আছিল। তেওঁ ইংৰাজীৰ পৰা বঙলালৈ অনুবাদ কৰা কবিতা তেতিয়াৰ 'সমাচাৰ দৰ্পণ'ত প্ৰকাশ হৈছিল (৩০ জুলাই ১৮৩১)। তেওঁ আছিল ইংৰাজী কবিতা অনুবাদ কৰোতা প্ৰথম অসমীয়া। তেওঁৰ কবিতা প্ৰকাশ কৰি 'সমাচাৰ দৰ্পণ'ত লিখিছিল,—"আসাম দেশে জ্ঞান বৃদ্ধি—আসাম দেশে চৰকাৰী কৰ্মকাৰক শ্ৰীযুত যজ্ঞৰাম ফুকন কৃত ইংৰেজী পদ্যেৰ বঙ্গলা পদ্যেতে অনুবাদ আমৰা অত্যন্তাহ্লাদ পূৰ্বক এ সপ্তাহে প্ৰকাশ কৰিলাম। ঐ অনুবাদেতে তাহাৰ অত্যন্ত প্ৰশংসা। এবং ঐ মহাশয় অন্য এক বৃহৎ ইংৰেজী পুস্তক স্বদেশীয় ভাষাতে অনুবাদ কৰিয়া দেশোপকাৰাৰ্থ সম্প্ৰতি তাহা মুদ্ৰাঙ্কিত কৰিতে কল্প কৰিয়াছেন।" যজ্ঞৰাম ফুকনে ইংৰাজীৰ পৰা অনুবাদ কৰা উক্ত গ্ৰন্থখনৰ সম্ভেদ পোৱা নাযায়। উক্ত স্তম্ভতে আৰু লিখিছে,—"আমাৰ দেশ এইখনে কেবল প্ৰায় সাত বৎসৰ হইল ইংলণ্ডীয়াধিকাৰেৰ ব্যাপ্য অতএব, তদ্দেশীয় শিষ্টবিশিষ্ট মহাশয়েৰা যে এই অল্প কালেৰ মধ্যে জ্ঞানান্বেষণে এতাদৃশ কৃতকাৰ্য্য হইয়াছেন ইহাতে আমৰা বিস্ময়াপন্ন হইলাম এবং তাহাৰদেৰ যথাৰ্থ প্ৰাপ্য এই প্ৰশংসা বিন্দুতে যদ্যপি তাহাৰ উদ্যোগ সিন্ধুতে মগ্ন হব তবে আমাদেৰ আৰো পৰম সন্তোষ জন্মিবে। ···ঐ আসাম দেশস্থেৰা যাদৃশ এতদ্দেশীয় সম্বাদ পত্ৰ গ্ৰাহক তাদৃশ প্ৰায় বঙ্গদেশেৰ কোন জিলায় দৃষ্ট হয় না।"

অসমত বাংলা সংবাদ পত্ৰৰ প্ৰথম অসমীয়া গ্ৰাহক আছিল হলিৰাম ঢেকিয়াল ফুকন। সেই সময়ত অসমৰ সমস্যা সম্পৰ্কে ভালেমান চিঠি-পত্ৰ কলিকতাৰ সংবাদ পত্ৰত প্ৰকাশ হৈছিল।

১৮৩৫ খৃঃত গুৱাহাটীত ইংৰাজী শিক্ষাৰ অনুষ্ঠান 'গুৱাহাটী চেমিনাৰী' স্থাপনৰ বাবে ৰাজহুৱাভাবে ধন তোলোতে এহেজাৰটকীয়া দান আগবঢ়াওতা তিনিজন ব্যক্তিৰ ভিতৰত যজ্ঞৰাম ফুকনো এজন আছিল। আন দুজন আছিল বিহাৰৰ ৰজা বাহাদুৰ আৰু ধৰ্মপুৰৰ চৌধুৰী দয়াৰাম বৰুৱা।

১৮৩৭ খৃঃত দুৰ্গাৰাম আৰু আনন্দৰাম ঢেকিয়াল ফুকনে প্ৰথমতে গুৱাহাটী ইংৰাজী-স্কুলত পঢ়িছিল। যজ্ঞৰামৰ অকাল মৃত্যুত দুইটা পৰিয়ালৰ লৰা কেইজন এক প্ৰকাৰ অনাথ হৈছিল।

জেনেৰেল জেনকিন্স আৰু জন মেথিউ চাহাবে এই অনাথ বালক কেইটিৰ পঢ়াশুনাৰ যত্ন হৈছিল। তেওঁলোকৰ যত্নতে দুৰ্গাৰাম আৰু আনন্দৰামে ১৮৪১ খৃঃত শিক্ষালাভৰ বাবে কলিকতালৈ যাত্ৰা কৰিছিল। তেওঁলোকে লগুৱা বান্ধনি লগত লৈ কলিকতাৰ কলুতলাত ঘৰ এটা কেৰেয়ালৈ 'হিন্দু কলেজত' পঢ়িছিল। কলিকতাতে ১৮৪২ খৃঃত দুৰ্গাৰামৰ মৃত্যু হ'ল।

১৮৪৪ খৃঃত আনন্দৰামে কলিকতাত ইংৰাজী শিক্ষা লাভ কৰি গুৱাহাটীলৈ উভতি আহিল। ঢেকিয়াল ফুকন আছিল ইংৰাজী শিক্ষা আৰু ধ্যান-ধাৰণাৰ প্ৰতিভূ। গুৱাহাটীত ইংৰাজৰ আদব-কায়দাৰে জীৱন নিৰ্বাহ কৰিব ওলোৱা প্ৰথম ব্যক্তিও আছিল তেৱেঁই। তেওঁৰ ঘৰতে আছিল প্ৰথমতে চকীমেজ পৰা ইংৰাজ ধৰণৰ বৈঠকখানা। চাৰিটা আলমাৰিত ইংৰাজী, সংস্কৃত, বঙলা পুথিৰে নিজস্ব পুথিভঁৰালো আছিল।

তেওঁৰ 'অসমীয়া লৰাৰ মিত্ৰ' (১৮৪৯) প্ৰথম পঢ়াশলীয়া পুথি। অসমীয়া ভাষা-সাহিত্যলৈ ঢেকিয়াল ফুকনৰ অৱিহনা সৰ্বজনবিদিত। A few remarks on the Assamese Language by A Native ছদ্মনামত লিখা তেওঁৰ এখন মূল্যবান পুথি।

ঢেকিয়াল ফুকন আছিল প্ৰথম ছবএছিষ্টেন্ট। আজি কালিৰ ই-এ. চি.ক তেতিয়াৰ দিনত ছবএছিষ্টেন্ট বোলা হৈছিল। চৰকাৰী চাকৰিয়াল হৈও ভাষা সাহিত্যৰ হক ৰক্ষাৰ্থে আৰু শাসন বিষয়ত থকা নানান আসোঁৱাহৰ কথা তেওঁ মিলছ্ চাহাবৰ দৃষ্টিগোচৰ কৰিছিল। তেওঁ নগাওঁত থকা কালছোৱাত সেই সময়ত তাত ইংৰাজী শিক্ষাৰ ব্যৱস্থা নথকাত নিজৰ ঘৰতে এখন স্কুল পাতি ইংৰাজী শিক্ষা দিছিল। তেওঁ তাত "জ্ঞানদায়িনী সভা" নামৰ আলোচনা সভা এখন গঠন কৰি সপ্তাহে সপ্তাহে সভা পাতিছিল। এইখনেই অসমৰ প্ৰথম আলোচনা সভা।

আনন্দৰামৰ পুত্ৰ ৰাধিকাৰাম ঢেকিয়াল ফুকন, প্ৰথম অসমীয়া ডক্টৰেট (ডি. এইচ. চি.)। ১৮৬৯ খৃঃত ৰাধিকাৰামে গুৱাহাটী ইংৰাজী স্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাৰ কলেজত পঢ়িছিলগৈ। ১৮৭৩ খৃঃৰ ১৩ জুনত তেওঁ উচ্চ শিক্ষাৰ বাবে বিলাতলৈ যায়। বিলাতত তেওঁ উচ্চ শিক্ষা লাভ কৰিছিল। তেওঁ বিলাতত স্থায়ীভাৱে বসতি কৰিবলৈ লৈছিল।

আনন্দৰাম ঢেকিয়াল ফুকনৰ কন্যা আছিল সুসাহিত্যিকা পদ্মাৱতী দেৱী ফুকননী। তেওঁৰ 'সুধৰ্মাৰ উপাখ্যান' (১৮৮৪) আৰু 'হিতসাধিকা' (১৮৮৫) সেই কালৰ দুখন উল্লেখযোগ্য পুথি।

যজ্ঞৰাম যোৰহাটত থকা সময়তে তেওঁৰ দ্বিতীয় পুত্ৰ বলৰামৰ জন্ম হয় (১৮৩১)। বলৰাম ফুকন আছিল এগৰাকী উচ্চশিক্ষিত ব্যক্তি। এসময়ত তেওঁ আছিল বিজনী ৰজাৰ দেৱান। 'হৰ্ষ-বিষাদ' (১৮৬৯) আৰু 'যোগ বাশিষ্ট' (১৮৭২) বলৰাম ফুকন ৰচিত দুখন উল্লেখ যোগ্য পুথি।

এবাৰ বলৰাম ফুকনৰ ঘৰত জুই লাগি ঘৰ পোৰাত তেওঁৰ ভালেমান ক্ষতি হৈছিল। এই বাতৰি ১৮৫৩ খৃঃৰ মাৰ্চ মাহৰ ৮ম বছৰ ৩য় সংখ্যা অৰুনোদইত প্ৰকাশ হৈছিল এনেদৰে,—"২০ তাৰিখে ৰাতি ৯ বজাৰ সময়ত বলৰাম ফুকনৰ ঘৰত জুই লাগি ধান, চাউল, মিঠা আদি অনেক উত্তম বস্তু হানি হ'ল। আৰু পোৱাল, সোণ, হিৰা, মুকুতা, ৰূপকে আদি কৰি অনেক অলংকাৰ থকা পেৰা এটা চুৰ কৰি নিচে তাক বিচাৰি পোআ নাই; সৰ্বমুঠ ১০০০০ এক অজুত টকাৰ বস্তু নষ্ট পালে।"

বলৰাম ফুকনৰ পুত্ৰ আছিল চাৰিজনঃ জীৱনৰাম, নবীনৰাম, বিপিনৰাম আৰু তৰুণৰাম। দেশভক্ত তৰুণৰাম ফুকন আছিল কনিষ্ঠ পুত্ৰ।

# মোৰ দেউতা দেশভক্ত ফুকন

## শ্ৰীনৃপেন্দ্ৰৰাম ফুকন

মোৰ দেউতা পূজনীয় তৰুণৰাম ফুকন—অসমৰ সেই অনন্য ব্যক্তিজনৰ 'দেশভক্ত' ৰূপটোৰ বিষয়ে লিখিবলৈ পালে মোৰ পক্ষে বেছি সহজ কাম হলহেঁতেন। দেউতা যি সময়ও ৰাজহুৱাভাবে সক্ৰিয় আছিল, মই সেই সময়ত সৰু ল'ৰা, সেই বাবে মোৰ স্মৃতি-ৰোমন্থনত অলপ আউল লাগে। অৱশ্যে মোৰ ওপৰত পৰা সেই মহান ব্যক্তিত্বৰ প্ৰভাৱ এতিয়াও সজীৱ হৈয়ে আছে। আমি পৰিয়ালৰ মানুহখিনিৰ প্ৰতি দেউতাৰ ব্যৱহাৰৰ কথাও মোৰ পৰিষ্কাৰকৈ মনত পৰে। শিশু হিচাপে তেওঁৰ সেই ব্যৱহাৰ অৱশ্যে মোৰ ভাল লগা নাছিল, কেতিয়াবা অসহ্যও হৈছিল। কিন্তু এতিয়া তাৎপৰ্য্য বুজি মোৰ মনটো তেওঁৰ প্ৰতি প্ৰশংসামুখৰ হৈ উঠে।

সেই ফৰকাল পুৱাটোলৈ মোৰ আজিও মনত পৰে। সেই দিনা আছিল ১৯৩৯ চনৰ ২৮ জুলাই। মই পৰীক্ষা দিবৰ বাবে স্কুললৈ গৈছিলোঁ। পৰীক্ষা ভালেৰে দিব নোৱাৰিম বুলি মোৰ খুব ভয় লাগিছিল। পৰীক্ষাত ভাল কৰিব পাৰিলে দেউতাই মোক এটা ঘড়ী দিয়াৰ কথা। ঘড়ীটো নোপোৱাতকৈও, পৰীক্ষা বেয়া হ'লে দেউতাৰ যে খং উঠিব তাকে ভাবিহে মোৰ ভয় লাগিছিল। সেই দুৰ্ভাগ্যজনক আবেলিটোত মোৰ আত্মীয় এজনে পৰীক্ষাঘৰলৈ গৈ শিক্ষকক কাণে কাণে কিবা কৈ মোক ঘৰলৈ লৈ আহিছিল। ঘৰলৈ আহি দেখিছিলোঁ, দেউতা শুই আছে। মৰম আৰু খং সকলোৰে উৰ্দ্ধত দেউতা তেতিয়া মৃত। দুৰ্ভগীয়া নমলীয়া সন্তান মোক এৰি দেউতা ইতিমধ্যেই ধৰাধামৰ পৰা আঁতৰি গৈছিল।

দেউতাক মই বিশেষকৈ মনত পেলাওঁ এজন শক্তিশালী, আনক হেঁচি ৰাখিব পৰা, পৰিয়ালত সম্পূৰ্ণ একনায়কত্ব চলোৱা পুৰুষ হিচাপে। এক আনন্দদায়ক আৰু সম্মোহনী গুণেৰে দেউতাই তেওঁৰ মতলৈ মানুহক টানি আনিব পাৰিছিল। তেওঁৰ চৌখিন জীৱনধাৰণ, সৰ্বোপৰি তেওঁৰ নৈতিক সাহস আৰু শক্তিৰ কথাও মোৰ বাৰুকৈয়ে মনত পৰে। মানুহজন টান আছিল যদিও প্ৰয়োজনত তেওঁ কুঁজা হ'বও জানিছিল। তেওঁ আছিল

এজন মহান মানুহ, নিজৰ লগত খাপ নোখোৱা ধৰণসমূহো আয়ত্ত কৰিবৰ বাবে সাজু এখন বহল হৃদয়ৰ গৰাকী। দেউতাই বাৰ্দ্ধক্যক সন্মান কৰিব জানিছিল। বৃদ্ধসকলৰ প্ৰতি তেওঁৰ ব্যৱহাৰো আছিল আদৰ্শনীয়।

কৌতুকৰ কথা এয়ে যে এনে এটা প্ৰচণ্ড ব্যক্তিত্ব থকা সত্বেও দেউতাই আমাৰ মনত ভয়তকৈ স্নেহৰ উদ্ৰেক বেছি কৰিছিল। আমি জানিছিলো যে বাহিৰৰ সেই কঠিন আৱৰণৰ মাজত এখন কুসুম কোমল হৃদয় লুকাই আছে। তেওঁক মানি চলিবলৈ আৰু আনন্দ দিবলৈ আমি ভাল পাইছিলো। মই কেৱল আইকে নহয়, জীৱনৰ আগচোৱাতে ৰবাইদেউকো হেৰুৱাইছিলো। আইৰ কথা ধূঁৱলি-কুঁৱলীকৈ মনত পৰিলেও বাউদেউৰ কথা মোৰ মুঠেই মনত নপৰে। নুমলীয়া হোৱা বাবে দেউতাৰ শেষদিন কেইটাত মই তেওঁৰ লগে লগে আছিলো। ককাইদেউ বলেন ফুকন পঢ়িবৰ বাবে আঁতৰি থকাত দেউতাৰ স্নেহ-ধাৰাৰে সিক্ত হোৱাৰ সৌভাগ্য মোৰ হৈছিল। শিশুৰ স্বাভাৱিক কৌতুহলেৰে দেউতাক বুজিবলৈওমই যত্ন কৰিছিলো। মোৰ মনত পৰে তেওঁ নিতৌ পুৱাতে মোক টোপনিৰ পৰা জগাই কথা শিকোৱা আৰু বহুতো 'পায়' আৰু 'নাপায়'ৰ পুনৰাবৃত্তি কৰাৰ কথা। তেওঁ কেৱল উপদেশেই নিদিছিল, উপদেশবোৰ মই পালন কৰিছো নে নাই তালৈকো মন কৰিছিল। যি দিনাই মই পুৱাতে উঠি পঢ়িবলৈ নলওঁ, সেই দিনাই মই পুৱাৰ জলপান নাপাওঁ। মোৰ সাজপাৰৰ প্ৰতিও তেওঁৰ চোকা দৃষ্টি আছিল। পিন্ধাউৰা কাপোৰ-কানি নিকা আৰু পৰিপাটিকৈ পিন্ধাটো তেওঁ বিচাৰিছিল। কেতিয়াবা সাজপাৰ বেয়া হ'লে তেওঁ স্কুললৈ অহা বাটতে লগৰ লৰাৰ আগতে মোক জধলা হৈ থকাৰ কাৰণ সোধে। দেউতাই মূল্য দিয়া অথচ মই ভাল নোপোৱা বহুত কাম তেওঁ মোক কৰিবলৈ বাধ্য কৰিছিল। তেওঁৰ শিক্ষাত মই সহজে লাজ আৰু ভয়ৰ দেওনা পাৰ হ'লোঁ। কলিকতাৰ দৰে এখন ব্যস্ত মহানগৰীত তেওঁ মোক অকলেই বজাৰলৈ পঠাই দিয়ে। গতিকে বৰ কম বয়সতে মই নিজৰ বুদ্ধিত আস্থা ৰাখিবলৈ শিকিছিলো। এতিয়া তাৎপৰ্য্য বুজিলেও তেতিয়া কিন্তু সেইবোৰ আহুকলীয়া কাম মই ভাল পোৱা নাছিলোঁ। কেতি-য়াবা মই কাৰোবাক বেয়া ব্যৱহাৰ কৰিলে দেউতাই মোৰ লগত কথা নাপাতি মোক শাস্তি দিছিল। বিপক্ষদলৰ ওচৰত মোক ক্ষমা খোজোৱাও তেওঁৰ নিয়ম আছিল। মই অঙ্কত কেঁচা আছিলোঁ, দেউতাৰ অঙ্ক শিকোৱা পদ্ধতি বৰ কাৰ্য্যকৰী আছিল। মোৰ বন্ধুবিলাকৰ উপস্থিতিতে তেওঁ একোটা

যোগ অৰু মোক থিতাতে সুধি দিয়ে। তেওঁৰ বন্ধুৰ ঘৰলৈ ফুৰিবলৈ গ'লেও মোক লগত লৈ যায়। তেনেকৈয়ে মই বহুত সভ্য আচৰণ আৰু ভদ্ৰতা জ্ঞান হাতে-কামে আয়ত্ত কৰিলোঁ ; যেনে—আনে দিয়া চাহ জলপান নাখাওঁ বোলাটো যে অভদ্ৰতা ; সেইবোৰ শিকিছিলো। ডাঙৰৰ সঙ্গ অৱশ্যে সকলো সময়তে মোৰ ভাল লগা নাছিল। যিকি নহওক, মই উপভোগ কৰিছিলো চিক্‌মিকীয়া গাড়ীখনত, ভৰলুমুখৰ বুকুৰ নাৱত আৰু সেই প্ৰকাণ্ড হাতীটোৰ পিঠিত দেউতাৰ সান্নিধ্যৰ চৰম উত্তেজনা। সেইবোৰ ভ্ৰমণত সহজ স্বাভাৱিক উপায়েৰে দেউতাই মোক বহু কথাই শিকাইছিল। কেতিয়াবা আমি ইমান পলমকৈ ওলাওতে নিশাৰ আহাৰ হেৰুৱাব লগাও হয়। মোৰ শিক্ষাৰ বাবে দেউতাৰ কিছুমান বৰ কঠোৰ পদ্ধতি আছিল। এবাৰ মই চুবুৰীয়া এজনৰ পহু পোৱালী এটা মাৰিছিলো। বেচেৰা মানুজনকো শিলগুটি দলিয়াই আঘাত কৰিছিলোঁ। সেই ৰাতি দেউতাই মোক নি এৰি থৈ আহিছিল কামাখ্যাৰ শ্মশানত থকা এজন বাবাজীৰ ওচৰত। সেই শিক্ষাৰ কথা মই আজিলৈকে পাহৰিব পৰা নাই। কু-আচৰণৰ বাবে কেতিয়াবা মোক অকলে এটা কোঠালিত "ডাঙৰ পেৰা এটাত ভৰাই থৈ শাস্তি দিয়া হৈছিল। নিশা শোওঁতে পৰাৰ আগতে দেউতাই এটফাকি পদ সদায়ে আওৰা-বলৈ দিছিল " হে প্ৰভু, মোৰ প্ৰতি আৰু দেশৰ মানুহৰ প্ৰতি কৃপালু হোৱা।" সৰু লৰা এটাৰ স্বাভাৱিক মনেৰে মই তেতিয়া বুজা নাছিলোঁ দেশৰ মানুহৰ বিষয়েনো মই মূৰ ঘমাব লাগে কিয়! তেওঁক মানি চলিলে দেউতাই হাঁহি থাকে, উপহাৰ দিয়ে আমাক। পুতলা, ঘড়ী ঠিঠাই আৰু অসংখ্য চৌখিন উপহাৰেৰে তেওঁ আমাক ওপচায় পেলায়। মই যেতিয়া স্কুললৈ অহা গোটেই বাট হাতীৰ পিঠিত আহি সাহসৰ পৰিচয় দিছিলোঁ, দেউতাই তেতিয়া মোৰ প্ৰিয় বস্তু ঘড়ী এটা উপহাৰ দিছিল। এজন দুখীয়া চুবুৰীয়াৰ লৰা এটাক মই কিবা দিব খোজাত তেওঁ তেওঁক একে উপহাৰকে দিবলৈ কৈছিল। মই ডাঙৰক মানি চলিলৈ শিকিছিলোঁ। কিবা এটা কৰাৰ আগতে অনুমতি লবলৈ মোক প্ৰায়ে শিকোৱা হৈছিল।

আমাৰ আছিল বৃহত যৌথ পৰিয়াল। মোৰ দেউতাই আছিল ঘৰুৱা পৃথিবীৰ একমাত্ৰ শাসনকৰ্তা। তেওঁৰ ক্ষমতাৰ বিষয়ে প্ৰশ্ন কৰাৰ সাহস কাৰো নাছিল। ডাঙৰেই হওক বা সৰুৱেই হওক, কথা নুশুনিলে অথবা বেয়া ব্যৱহাৰ কৰিলে দেউতাৰ হাতত কাৰো নিস্তাৰ নাছিল। এবাৰ

পৰিয়ালৰ এগৰাকী মহিলাক দেউতাই হাতীত তুলি বজাৰলৈও পঠাইছিল। ডাঙৰৰ প্ৰতি দেউতা সদায় শ্ৰদ্ধাবান আছিল। উদাহৰণ স্বৰূপে তেওঁ ৰককায়েক স্বৰ্গীয় নবীনৰাম ফুকন ডাঙৰীয়া আৰু বায়েক স্বৰ্গীয়া গিৰিজা দেৱীৰ প্ৰতি দেখুওৱা সশ্ৰদ্ধ ভক্তিৰ কথাকে উনুকিয়াব পাৰি। সদায়ে গা-ধুই উঠি বায়েকৰ চৰণ স্পৰ্শ কৰিবলৈ দেউতাই কেতিয়াও পাহৰা নাছিল। এইটো কৰ্তব্য কৰাৰ আগতে তেওঁৰ আন কামত হাত নিদিছিল। তেওঁৰ সেই বিশাল শৰীৰটো সেৱা কৰাৰ পৰত দো খাই পৰাটো আমাৰ পক্ষে বেছি আমোদজনক দৃশ্য আছিল। তেতিয়া, এতিয়াও, সেই দৃশ্যই মোক অভিভূত কৰে।

মোৰ দেউতাৰ গগণচুম্বী ব্যক্তিত্বৰ লগত যোগ হৈছিল তেওঁৰ উদাত্ত মেঘ-মন্দ্ৰ কণ্ঠস্বৰ। সেই কণ্ঠস্বৰত আছিল সকলোকে বশীভূত কৰাৰ শক্তি। মানুহৰ স্বতঃস্ফূৰ্ত সন্মান পোৱাৰ বাবেই দেউতাই বহুতো বিবাদৰ জেওাজোট ভাঙিব লগাত পৰিছিল। তেওঁক যদি কোনোবাই অমান্য কৰে তেতিয়া দেউতাই কাঁইটীয়া সৌকা ('শঙ্কৰ মাছৰ চাবুক') ব্যৱহাৰ কৰিছিল। এই বস্তুটো হৈ পৰিছিল তেওঁৰ সাৰ্বভৌমত্বৰ এক প্ৰতীক স্বৰূপ। বৰ ব্যস্ত মানুহ হলেও চখ (হবি) পূৰাবৰ বাবেও দেউতাই সময় উলিয়াই লৈছিল। গুলী চলোৱা, মাছ মৰা, নাও বোৱা, ফটো তোলা, দৰিদ্ৰ-ভোজন কৰোৱা আদি আছিল দেউতাৰ চখৰ কাম। বিপদৰ সমুখীন হোৱাটো তেওঁ বৰ উপভোগ কৰিছিল, বিশেষকৈ চিকাৰ আৰু মাছমৰাৰ ক্ষেত্ৰত। তেওঁ ভালকৈ সাজপাৰ কৰাৰো পক্ষপাতী আছিল। এখন ব্ৰহ্মদেশীয় পাটৰ লুঙিকে ধৰি তেওঁৰ নানা ধৰণৰ সাজপাৰ আছিল। এজন ৰাজকুমাৰৰ দৰে মুকলি হাতেৰে তেওঁ দীনদৰিদ্ৰক দান দিছিল। তেওঁৰ ব্যক্তিত্বত থকা সন্মোহনে সকলো ধৰণৰ মানুহকে আকৰ্ষণ কৰি আমাৰ ঘৰলৈ আনিছিল। বিলাসবহুল হোটেলত থাকি ভাল পোৱা সকলে তেওঁৰ লগত থাকিবলৈ আহিছিল, কিয়নো ইয়াত কোনো ধৰণৰ আশঙ্কা নাছিল। দেউতাৰ গুণবোৰ দেখি তেতিয়া মই বৰ আচৰিত হৈছিলোঁ। এতিয়া বুজি পাইছোঁ যে সেইবোৰ গুণেই তেওঁক মহান কৰিছিল। পুৰণি ঘা আৰু আঘাতবোৰ এতিয়া শুকাই গৈছে। দেউতাৰ সেই মহান ব্যক্তিত্বই এতিয়াও মোক প্ৰয়োজনৰ সময়ত প্ৰেৰণা দি আছে। এজন মহৎ লোকৰ সন্তান হোৱাটো সহজ কথা নহয়। ইয়াৰ ভাল বেয়া দুয়োটা দিশেই আছে। সকলো মিলাই

মই এইটোৱেই অনুভৱ কৰোঁ যে যিজন মহান লোকে দেশবাসীক প্ৰভাৱিত কৰি গ'ল, তেওঁৰ পুত্ৰ হোৱাটো নিশ্চয় সৌভাগ্যৰ কথা। আচল মানৱীয় সমস্যাটো ( Rough tail of fish as a whip ) অৱশ্যে এতিয়াও থাকি যায়। বাহিৰৰ পৃথিবীৰ বাবে তেওঁ ডাঙৰ মানুহ হব পাৰে, মোৰ কাৰণে কিন্তু দেশভক্ত ফুকন এজন ভাল পিতৃ, কঠোৰতা আৰু নম্ৰতা, শাসন আৰু স্নেহৰ সমন্বয়। *

* আমাৰ অনুৰোধত ফুকন ডাঙৰীয়াৰ কনিষ্ঠ পুত্ৰ শ্ৰীনৃপেন্দ্ৰৰাম ফুকনে সময়ৰ অভাৱত লৰালৰিকৈ ইংৰাজীত লিখি পঠোৱা প্ৰবন্ধটোৰ অসমীয়া তৰ্জমা প্ৰকাশ কৰা হ'ল। ভাঙনি কৰি দিছে শ্ৰীকৰবী হাজৰিকাই। —সম্পাদক

# মোৰ দদাশহুৰ দেশভক্ত ফুকন

## শ্ৰীমতী ললিতা ফুকননী

মোৰ দদাশহুৰ তৰুণৰাম ফুকন ডাঙৰীয়াৰ নিচিনা এজন স্বনামধন্য পুৰুষৰ কথা লিখিবলৈ মোৰ সৌভাগ্য হব বুলি মই কোনো দিনে ভবা নাছিলোঁ। মোৰ বয়স এঘাৰ বছৰমান হব। সেই সময়ত বামুণ গোসাঁইৰ ছোৱালী সকতে বিয়া দিয়াৰ নিয়ম আছিল। মোৰ দেউতা গোলাঘাটৰ জগৎচন্দ্ৰ গোস্বামী আৰু মাতৃ মৃণালিনী দেৱীয়ে মোক এদিন কৈছিল—"আই, তোৰ বিয়া পাতিছোঁ স্বনামধন্য তৰুণৰাম ফুকন ডাঙৰীয়াৰ ভতিজা নলিনৰাম ফুকনৰ লগত। তই সেই ঘৰৰ বোৱাৰী হৈ তেওঁলোকৰ সন্মান ৰক্ষা কৰি সকলোৰে মৰমৰ হবি বুলি আশীৰ্বাদ কৰিছোঁ।" তেতিয়া সেই কথাৰ মই সাৰমৰ্ম বুজি পোৱা নাছিলোঁ। তেতিয়া দেশভক্ত ফুকনদেৱক এজন ডাঙৰ মানুহ বুলিহে জানিব পাৰিছিলো মাথোন।

মোৰ বিয়াত জাকজমতা আছিল যদিও দেশভক্তক সন্মান দেখুৱাবলৈ সকলো মানুহে মুগা আৰু খাদৰৰ কাপোৰহে পিন্ধি আহিছিল। দদাইদেউ দেশভক্ত ফুকন মোৰ বিয়াত গোলাঘাটলৈ আহিব বুলি শুনি চহৰখনৰ আলি-পদূলিবোৰ পৰিষ্কাৰ কৰা হৈছিল। দেশভক্তক দেখা কৰিবলৈ দুৰ-দুৰণিৰ পৰা মানুহ আহি গোলাঘাট ভৰি পৰিছিলহি। সভা-সমিতি আদিও পতা হৈছিল। মোৰ বিয়া হৈ যোৱাৰ চাৰিবছৰ পিছতহে ফুকন পৰিয়ালৰ ঘৰলৈ মই বোৱাৰী হৈ আহোঁ।

ন-বোৱাৰী হিচাপে আহি প্ৰথমে মই বৰ অসুবিধাত পৰিছিলোঁ। মোৰ দেউতাৰ ঘৰখন আছিল ৰক্ষণশীল। কিন্তু দদাশহুৰৰ ঘৰখন আছিল ৰাজসিক। দেশৰ ডাঙৰ ডাঙৰ নেতা-নেত্ৰীসকল আহি দদাশহুৰৰ ঘৰত আলহী হৈছিলহি। দদাইদেউৰ বৰজীয়াৰী প্ৰতিভা আইদেউ (লক্ষ্মীধৰ শৰ্মাৰ পত্নী) মোৰ ভগিনী ৰেণু আইদেউ (সিদ্ধিনাথ শৰ্মাৰ পত্নী) আৰু মই প্ৰায় তিনিওজনী সমান বয়সৰ আছিলোঁ। অতিথিসকলৰ সেৱা-শুশ্ৰূষা কৰিবলৈ আমি সুবিধা পাইছিলোঁ। মই লগ পোৱা কেইগৰাকীমান দেশনেতা-নেত্ৰীৰ নাম তলত উল্লেখ কৰিলোঁ। সেইসকল হ'ল পণ্ডিত মদনমোহন মালব্য, সৰোজিনী

নাইডু, মীৰাবাঈ পেটেল, অনুসূয়া বাঈ আদি। তাৰ আগতে ফুকনৰ ঘৰত থাকি যোৱা বিশিষ্ট নেতা কেইগৰাকীমানৰ নামো উল্লেখ কৰিলোঁ। সেই সকল হ'ল মহাত্মা গান্ধী, মতিলাল নেহৰু, চৌকত আলি। মই এই সকলক লগ পোৱা নাছিলোঁ। দদাইদেৱে আমাক সদায় গধূলি সময়ত গোসাঁইঘৰত আৰতি গাবলৈ কৈছিল। তেওঁৰ কথা পেলাবলৈ আমাৰ কাৰো সাহস নাছিল। মোৰ ননদ আৰু ভাগিনীহঁতে আৰতি গাবলৈ জানিছিল। মই ভালদৰে গাব নেজানো বুলি জানিব পাৰি দদাইদেৱে মোক নিজৰ ছোৱালীৰ দৰে শিকাই দিছিল। তেওঁ মোক খুব মৰম কৰিছিল। সদায় নিৰ্ভীক হবলৈ উৎসাহ দিছিল। দদাইদেউৰ ছোৱালী প্ৰতিভা আইদেউক কামিনী ওস্তাদে গান-বাজনা শিকাইছিল। আমাৰ গোলাঘাটৰ ঘৰতো গান-বাজনাৰ চৰ্চা আছিল। মোৰ পিতৃ-মাতৃয়ে মোক আৰু ভাই-ভনীহঁতক গান শিকিবলৈ দিহা কৰি দিছিল। আমাক গান-বাজনা শিকাইছিল সঙ্গীত-ওজা কীৰ্তিনাথ বৰদলৈদেৱে। সৌভাগ্যৰ গুণে শহুৰৰ ঘৰলৈ আহিও সেই সুবিধা পাইছিলোঁ। দদাইদেউ কৰবালৈ গলে মোকো লগতে ফুৰাবলৈ লৈ গৈছিল। দদাইদেউৰ লগত ফুৰিবলৈ যাব পালে মই গৰ্ব অনুভৱ কৰিছিলোঁ।

দদাইদেউ ফুকনদেৱে সদায় ৰাতিপুৱা গা ধুই উঠি আমাৰ কুলদেৱতা শ্ৰীশ্ৰীগোপাল ঠাকুৰৰ স্তোত্ৰ পাঠ কৰিছিল। দুৰ্গাপূজাত দুৰ্গাগোসাঁনীৰ আগত তেওঁ চণ্ডীপাঠ কৰিছিল। ফুকন ডাঙৰীয়া অতি ধৰ্মপৰায়ণ ব্যক্তি আছিল। গোসাঁইঘৰত থকা সময়ত তেওঁক এজন ঐশ্বৰিক শক্তিসম্পন্ন পুৰুষ যেন আমাৰ অনুভব হৈছিল।

ইংৰাজী, বঙলা আদি কেবাটাও ভাষাত দদাইদেউৰ যথেষ্ট ব্যুৎপত্তি আছিল। ইংৰাজীৰ উচ্চাৰণ এনেকুৱা আছিল যে দদাইদেৱে ইংৰাজী কলে তেওঁক ইংলণ্ডৰ চাহাব যেনহে লাগিছিল। তেওঁ হিন্দী, উদু্ৰ্ আদি ভাষাও শুদ্ধভাবে কব পাৰিছিল। তেওঁ এজন সুদক্ষ বক্তাও আছিল।

দদাইদেউ অসমৰ এজন বিখ্যাৎ চিকাৰী আছিল। আমি কুৰুৱালৈ এবাৰ বালিভাত খাবলৈ গৈছিলোঁ। সেই দিনা তাত সৰু বন্দুক এটাৰে দদাইদেৱে মোক স্লাইপ চৰাই এটা মাৰিবলৈ শিকাইছিল। মই নোৱাৰিলোঁ। কেবাবাৰো হাতত ধৰি ধৰি শিকাইছিল যদিও মই চৰাই মাৰিব নোৱাৰিলোঁ। মাজে সময়ে চিকাৰলৈ যাওঁতে প্ৰতিভা আৰু মোক লগত লৈ গৈছিল। এবাৰ তেওঁ চকৰদলৈ হাতী চিকাৰ কৰিবলৈ গৈছিল। সেইবাৰ আমাক লগত নিয়া নাছিল।

চকৰদৰ হাবিত দদাইদেউক এটা জোকে তেজ খাই বৰ কষ্ট দিছিল। তেওঁৰ কৰঙনত সেই জোকে তেজ খাই আছিল। পিছত কাপোৰত তেজ লগাতহে গম পালে। তেজ কোনোমতেই বন্ধ নহয়। তেওঁৰ লগৰ সহযোগী চিকাৰী তাবাক মিকিৰৰ মাকে ফটাকানি পুৰি ছাইখিনি লগাই দিয়াতহে তেজ বন্ধ হয়। সেই কথাটো চকৰদৰপৰা আহি আমাক কৈ খুব হাঁহিছিল।

ৰাতিপুৱা পূজা-সেৱা কৰাৰ পিছত পোছাক আদি পৰিপাটিকৈ পিন্ধি দদাইদেউ খোৱাৰ মেজত বহিছিল। খোৱাৰ সময়ত তেওঁৰ পত্নী আৰু পেহীশাহুৱে ওচৰত থাকি আলপৈচান ধৰিছিল।ময়ো ওচৰত থাকি খোৱাৰ যোগান ধৰিছিলোঁ। দদাইদেউৰ ভালপোৱা বস্তু আছিল শুকান চিৰা। ভাল দৈ বা ক্ৰিম খাই তেওঁ বৰ তৃপ্তি পাইছিল। ডাব নাৰিকলৰ পানী আৰু নেমুৰ চৰবত খাই তেওঁ ভাল পাইছিল কাৰণে খুৰীশাহুৱে এইবোৰ বস্তু যোগাৰ কৰি ৰাখিছিল। দদাইদেৱে আকৌ লুচিতকৈ পৰঠা, ৰুটি-মঙহ খায়ো বৰ তৃপ্তি পাইছিল। অৰহৰদালি, ঘিউ, নাৰিকলৰ ৰোকাদি ৰন্ধা আঞ্জা খাই তেওঁ বৰ ভাল পাইছিল। মই এইবিলাক ৰান্ধি খুৱাবলগীয়া হৈছিল। ইয়াৰ উপৰিও তিতা, ৰঙা বাহ্‌কাৰ ফুলৰ খাৰ, বেতৰ গাজ পোৰা, অমিতাৰ খাৰ, ঢেকীয়াৰ টেঙা আদি তেওঁৰ প্ৰিয় খাদ্য আছিল! প্ৰথমতে মই এইবোৰ একেবাৰে ৰান্ধিব নাজানিছিলোঁ। খুৰীশাহুৱে মোক ৰান্ধিবলৈ শিকাইছিল। প্ৰতিভা আৰু মই দদাইদেউৰ এইবোৰ কাম একেলগে কৰিছিলোঁ। প্ৰতিভা আৰু চেনুৰ বিয়া হৈ যোৱাৰ পিছত মই অকলে ঘৰখনৰ সকলোবোৰ কাম কৰিবলগীয়া হৈছিল।

এনে এজন মহান পুৰুষৰ কথা লিখি শেষ কৰিবৰ শক্তি মোৰ নাই। মাত্ৰ থূলমূলভাৱে মই বোৱাৰী হিচাপে পোৱা কথাখিনিহে চমুকৈ ইয়াত উল্লেখ কৰিলোঁ।

দেশভক্ত ফুকন দদাইদেউৰ আদৰ্শেৰে আজি উঠি অহা যুবকসকল অনু-প্ৰাণিত হওক এয়ে মোৰ কামনা।

# পিতৃপ্ৰতিম দেশভক্ত ফুকন

## শ্ৰীৰজনীকান্ত চৌধুৰী ( ৰায়চাহেব )

১৯১৯ চনত যেতিয়া বৰপেটা চহৰত অসম এছোচিয়েছন আৰু অসম সাহিত্য সভাৰ অধিবেশন হৈছিল সেই সময়ত মই বৰপেটাৰ স্কুলত পঢ়িছিলোঁ। আৰু সৌভাগ্যক্ৰমে সেই অধিবেশনতে মই এজন ভলণ্টিয়াৰ হিচাপে কাম কৰিবলৈ সুযোগ পাইছিলোঁ। সেই সভাত দেশভক্ত তৰুণৰাম ফুকন ডাঙৰীয়াই যোগ দিছিল। তেওঁ পাঞ্জাবৰ জালিনৱালাবাগত ইংৰাজে যি অমানুষিক হত্যাকাণ্ড কৰিছিল সেই বিষয়ে প্ৰতিবাদ কৰি ওজস্বিনী ভাষণ দি দৰ্শকৰ মনত তুমুল আলোড়ণৰ সৃষ্টি কৰিছিল। মই সেই সময়তে ভলণ্টিয়াৰ হৈ প্ৰথমে তেওঁৰ লগত চা-চিনাকি হবৰ সুবিধা পাইছিলোঁ। সেইটোৱেই মোৰ জীৱনৰ প্ৰথম সৌভাগ্য আছিল।

মই ১৯২১ চনত যেতিয়া গুৱাহাটী জিলা-কংগ্ৰেছ কমিটীত ভলণ্টিয়াৰ হৈ কাম কৰিছিলোঁ, তেতিয়া দেশভক্ত ফুকন ডাঙৰীয়াৰ লগত ভালদৰে সহযোগ কৰাৰ সুবিধা পাইছিলোঁ। ১৯২২ চনৰ পৰা ১৯৩৪ চনলৈ তেওঁৰ লগত নেৰানেপেৰাকৈ কৰ্মী হিচাপে কাম কৰিছিলোঁ আৰু তেওঁৰ লগে লগে সকলো ঠাইলৈ যাবৰ সুবিধা পাইছিলোঁ। আৰু ভাৰতৰ কংগ্ৰেছ নেতাবিলাকৰ লগত চা-চিনাকি হবৰো সুবিধা পাইছিলোঁ। ই মোৰ পৰম সৌভাগ্য।

দেশভক্ত ফুকনদেৱৰ লগত মোৰ পিতা-পুত্ৰ হিচাপে সম্বন্ধ হৈছিল আৰু সকলো বিষয়তে তেওঁ মোক পুত্ৰ হিচাপে শিক্ষা দি পৰিচালিত কৰিছিল। তেওঁৰ অনুগ্ৰহতে মই ভাৰতবৰ্ষৰ বহু ঠাইত ভ্ৰমণ কৰিবৰ সুবিধা পাইছিলোঁ।

দেশভক্ত ফুকন ডাঙৰীয়াই ঘৰুৱা জীৱনত আৰু বাহিৰত দুখকো কাতি কৰি থৈ সুখৰ জীৱন গঢ়ি তুলিব পাৰিছিল তেওঁ মোক কৈছিল যে ঘৰুৱা জীৱনত দুখ কৰি নাথাকি কেনেকৈ দুখক জয় কৰি সুখৰ জীৱন গঢ়ি তুলিব পাৰি সেই বাবে যত্নবান হোৱা উচিত। মনোবল ডাঙৰ নহলে উন্নতিৰ পথত অগ্ৰগামী হোৱা টান। ভীষ্ম পিতামহৰ নিচিনা প্ৰতিজ্ঞাবদ্ধ হৈ সকলো ক্ষেত্ৰতে জয়ৰ বাবে যত্ন কৰিব লাগে।

দেশভক্ত ফুকন ডাঙৰীয়াই পাৰিবাৰিক জীৱনত তেওঁৰ পত্নীক বন্ধু হিচাপে স্থান দিছিল। তেওঁ মোক কৈছিল যে তেওঁৰ পত্নী তেওঁৰ বন্ধু, ফিলছফাৰ আৰু গাইদ, কিয়নো ঘৰুৱা জীৱনত দুয়োগৰাকীয়েকৰ লগত সকলো বিষয়তে তেওঁ আলোচনা কৰি সিদ্ধান্তত উপনীত হবলগা হৈছিল। পুত্ৰ দুটি তেওঁৰ অতি চেনেহৰ আছিল। লগুৱা-লিকচৌ, ড্ৰাইভাৰ, মালী আদিৰ লগতো তেওঁৰ পিত'-পুত্ৰৰ সম্বন্ধ আছিল। তেওঁৰ নিৰ্দেশমতে সকলোৱে কাম কৰিব লাগিছিল আৰু নোৱাৰেঁ৷ বুলি কলে সেইজনে তেওঁৰ মৰম হেৰুৱাইছিল।

দেশভক্ত ফুকন ডাঙৰীয়াৰ খোৱা-বোৱা অসমীয়া ঘৰুৱা আৰু বিলাতী ধৰণৰো আছিল। কিন্তু তেওঁ অসমীয়া খাদ্য বেছি ভাল পাইছিল। খাৰ, টেঙা আৰু সৰিয়হ বটা মাছৰ জোল তেওঁৰ বৰ প্ৰিয় খাদ্য আছিল। কাটা-চামুচেৰে বিলাতী খাদ্য খোৱাত তেওঁ অতি নিপুণ আৰু চাহাবৰ সমকক্ষ আছিল। তাকে দেখি বেহেৰাবিলাকে বাহিৰত প্ৰশংসা কৰিছিল। নিজৰ ৰান্ধনি থকা সত্বেও ভালকৈ অসমীয়া খাদ্য ৰান্ধিব জনা আন ৰান্ধনিকো তেওঁ ৰাখিছিল। ভাৰতবৰ্ষৰ বিশিষ্ট নেতাসকল অসমলৈ আহি ফুকনদেৱৰ ঘৰত আতিথ্য গ্ৰহণ কৰিছিল। সেইসকলক অসমৰ খাৰৰ আৰু টেঙাৰ আঞ্জা খুৱাইছিল।

তেওঁ অসমীয়া ধৰণৰ তামোল সেলেঙী লগাই খাইছিল। তেওঁ ফটিকা পানো কৰিছিল কিন্তু সিও সীমাৰ ভিতৰতে। ফটিকা খাই তেওঁ কোনোদিনো মতলীয়া আৰু হিতাহিত জ্ঞানশূন্য হোৱা নাছিল।

দেশভক্ত ফুকন ডাঙৰীয়া বৰ ধৰ্মপৰায়ণ মানুহ আছিল। তেওঁ ঘৰৰ গোসাঁইঘৰত সদায় পুৱা-গধুলি পূজা-পাঠ হৈছিল। ঘৰত থকা কালত তেওঁ সদায় গোসাঁই ঘৰত সোমাই মন্ত্ৰপাঠ কৰি দণ্ডবৎ হৈ সেৱা কৰিছিল। তেওঁৰ ঘৰৰ ল'ৰা-ছোৱালীবিলাকক৷ সদায় গোসাঁইৰ স্তোত্ৰপাঠ কৰিবলৈ শিক্ষা দিছিল।

মহাত্মা গান্ধীৰ সেৱক দেশভক্ত ফুকনদেৱৰ প্ৰিয়বন্ধু আছিল দেশবন্ধু চিত্তৰঞ্জন দাস, মতিলাল নেহেৰু। ইয়াৰ উপৰিও অসম আৰু ভাৰতৰ সকলো কংগ্ৰেছী নেতাৰ লগত তেওঁৰ পৰম বন্ধুত্ব আছিল। সৰু লৰা-ছোৱালীবিলাকক মৰমৰ কথাৰে আপোন কৰি লৈছিল।

দেশভক্ত ফুকনদেৱে কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱক সদায় ককায়েকৰ দৰে সন্মান কৰিছিল আৰু ভাল পাইছিল। লোকপ্ৰিয় গোপীনাথ বৰদলৈ আৰু

ৰোহিণীকুমাৰ চৌধুৰীদেৱৰ লগত তেওঁৰ ঘনিষ্ঠ বন্ধুত্ব আছিল। এই দুজনাৰ লগত ৰাজনীতি আৰু আৱশ্যকীয় আন গুৰুত্বপূৰ্ণ বিষয়ে সদায় আলোচনা কৰি সিদ্ধান্তত উপনীত হৈছিল। পঞ্জাবৰ ৰাজ্যপাল শ্ৰীমহেন্দ্ৰমোহন চৌধুৰীদেৱক কংগ্ৰেছকৰ্মী হিচাপে তেওঁ বৰ ভাল পাইছিল আৰু উপযুক্ত কৰ্মী হিচাপে প্ৰশংসা কৰিছিল। তেওঁ মন্তব্য দিছিল—'এইজন লৰাই এদিন অসমী আইৰ সুসন্তান হিচাপে পৰিচয় দিব যে তাত মোৰ সন্দেহ নাই।'

ফুকনদেৱে ডাঙৰ সৰু সকলো কংগ্ৰেছকৰ্মীকে অন্তৰৰপৰা বৰ ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল। মাদ্ৰাজৰ ভূতপূৰ্ব ৰাজ্যপাল শ্ৰীবিষ্ণুৰাম মেধি, লোকবন্ধু ভুবনেশ্বৰ বৰুৱা, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, প্ৰসন্নকুমাৰ বৰুৱা, ৰজনীকান্ত বৰুৱা, মৌলবী তৈয়েবুল্লা, কুলধৰ চলিহা, ৰোহিণীকুমাৰ হাতীবৰুৱা, লক্ষেশ্বৰ বৰুৱা, শ্ৰীদেবেশ্বৰ শৰ্মা, কনকচন্দ্ৰ শৰ্মা, অমিয়কুমাৰ দাস, চন্দ্ৰনাথ শৰ্মা, কামাখ্যাৰাম বৰুৱা, ছবিলাল উপাধ্যায়, সৰ্বেশ্বৰ বৰুৱা, মহিমুদ্দিন আহমেদ, যাদবচন্দ্ৰ চলিহা প্ৰভৃতি অসমৰ কংগ্ৰেছ-নেতাসকল তেওঁৰ প্ৰিয়বন্ধু আছিল। মই দেখাত ফুকনদেৱে সেইসকলক সদায় সহকৰ্মী হিচাপে শ্ৰদ্ধা কৰিছিল। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ পৰিয়ালৰ লগতো ফুকনদেৱৰ ঘনিষ্ঠ বন্ধুত্ব আছিল। অম্বিকাগিৰী ৰায়চৌধুৰী তেওঁৰ বৰ প্ৰিয় বন্ধু আছিল।

দেশভক্ত ফুকনদেৱ মহাত্মা গান্ধীৰ এজন অতি প্ৰিয়শিষ্য আছিল। মহাত্মা গান্ধীক ১৯২১ চনতে তেওঁ প্ৰথমবাৰ অসমলৈ নিমন্ত্ৰণ কৰি মাতি আনি তেওঁৰ ঘৰতে ৰাখিছিল। তেওঁ গোটেই অসমত ভ্ৰমণ কৰি মহাত্মা গান্ধীৰ লগত ইংৰাজ-শাসনৰ বিৰুদ্ধে অসহযোগ আন্দোলনৰ বাণী প্ৰচাৰ কৰিছিল। পুনৰায় ১৯২৬ চনত ভাৰতৰ জাতীয় কংগ্ৰেছ অধিবেশন গুৱাহাটীৰ পাণ্ডুনগৰত বহিছিল আৰু মহাত্মা গান্ধী আহি তাত যোগ দিছিল। তেতিয়াৰ পৰাই দেশভক্ত ফুকনদেৱৰ সমগ্ৰ ভাৰতবৰ্ষত জনাজাত হৈছিল। ফুকন বুলিলেই অসম বুলি সকলোৱে জানিছিল।

ফুকনদেৱ বৰ চিকাৰপ্ৰিয় আছিল। তেওঁ মোক কৈছিল—চিকাৰ দুবিধ—এবিধ ডাঙৰ চিকাৰ, আনবিধ সৰু চিকাৰ। ডাঙৰ জন্তু চিকাৰ-ডাঙৰ চিকাৰ আৰু চৰাই চিকাৰ-সৰু চিকাৰ। তাৰ উপৰিও বৰবৰশীৰে মাছমৰা চিকাৰ তেওঁৰ বৰ প্ৰিয় কাম আছিল। মাছ মৰা সঁজুলিবোৰ বিলাতী আছিল। লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱ তেওঁৰ চিকাৰ-সঙ্গী আছিল। তেওঁ

লক্ষীপুৰৰ জমিদাৰ ভোলানাথ চৌধুৰীদেৱৰ ঘৰত থাকি বহুতো চিকাৰ কৰিছিল। এইবিলাক চিকাৰৰ সময়ত ময়ো লগে লগে আছিলো আৰু ময়ো চিকাৰ কৰিবলৈ সুবিধা পাইছিলো।

১৯১৯ চনত পাঞ্জাবৰ জালিনৱালাবাগত ইংৰাজ চৰকাৰে যি অমানুষিক হত্যাকাণ্ড কৰিছিল আৰু পাঞ্জাবত যি অত্যাচাৰ কৰিছিল তাৰ ফলত ফুকনদেৱৰ মন কংগ্ৰেছলৈ আকৰ্ষিত হৈছিল আৰু মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনত তেওঁ যোগ দিছিল। ফুকনদেৱে মহাত্মা গান্ধীক অসমলৈ আনি ইংৰাজ চৰকাৰৰ বিৰুদ্ধে অসহযোগ আন্দোলনৰ বাণী অসমত প্ৰচাৰ কৰিছিল। অসমবাসীয়ে তেওঁক যি মৰম আৰু সন্মান দেখুৱাইছিল সেই কথাৰ বৰ্ণনা ভাষাৰে কৰিব নোৱাৰি। অসমবাসীয়ে দেশভক্ত ফুকনক প্ৰিয় নেতা হিচাপে অন্তৰত সাৱটি লৈছিল।

মদনমোহন মালব্য আৰু পাঞ্জাবকেশৰী লালা লাজপৎ ৰায়ে বহু বাৰ ফুকনদেৱক লগ ধৰি অনুৰোধ কৰিছিল যাতে অসমত হিন্দু মহাসভা পতা হয়। অসমৰ স্বাৰ্থৰক্ষাৰ কাৰণে তেওঁ এই কথাত সন্মতি নিদিছিল। তেওঁ কৈছিল—অসমৰ পৰ্বত আৰু ভৈয়ামৰ ভিতৰত সকলো জাতিয়ে বসবাস কৰি ভ্ৰাতৃস্নেহত আৱদ্ধ হৈ থাকিব লাগিব।

দেশভক্ত ফুকনদেৱ যেতিয়া দিল্লীৰ ব্যৱস্থাপক সভাৰ সদস্য হৈ আছিল সেই কালছোৱাত তেওঁ স্বৰাজ্য দলৰ হুইপ হিচাপে কাম কৰিছিল আৰু তেওঁৰ লগৰীয়া আছিল পাঞ্জাবৰ জলন্ধৰ চহৰৰ ৰাইজাদা লালা হংসৰাজ চাহাব। তেওঁ এজন বেৰিষ্টাৰ আছিল। স্বৰাজ্য দলৰ হুইপ হিচাপে কাম কৰাত ফুকনদেৱৰ বুদ্ধি আৰু নিপুণতাৰ পৰিচয় পোৱা হৈছিল। মহম্মদ আলি জিন্না চাহেব ইণ্ডিপেণ্ডেন্ট পাৰ্টিৰ দলপতি আছিল। পণ্ডিত মতিলাল নেহৰু স্বৰাজ্য দলৰ দলপতি আছিল আৰু বি-ভি পেটেল উপসভাপতি আছিল। ফুকনদেৱে সেইসকলৰ লগত আলাপ আলোচনা কৰিছিল। সেই সময়ত ইংৰাজ চৰকাৰৰ হৈ দলপতি আছিল ছাৰ চাঙ্কন হেলি, ছাৰ আলেকজেণ্ডাৰ মদ্ৰিমান, ছাৰ বচিল ব্লেকেট, ছাৰ জৰ্জ চুষ্টাৰ, ছাৰ জোজিম ক্ৰেৰৰ আৰু ছাৰ জৰ্জ ৰেইনী। তেওঁলোক অতি তীক্ষ্ণ বুদ্ধিৰ ইংৰাজ বিষয়া আছিল। স্বৰাজ্য দলে সদায় তেওঁলোকৰ লগত বাকযুদ্ধত প্ৰতিদ্বন্দ্বিতা কৰিছিল। দেশভক্ত ফুকনদেৱৰ ওপৰত সদায় তেওঁলোকে তীক্ষ্ণ দৃষ্টি ৰাখিছিল যাতে ভোট লোৱা সময়ত আন দলৰ সভ্যক

তেওঁ ডাঙি দিব নোৱাৰে আৰু ইংৰাজ চৰকাৰৰ পৰাজয় নহয়। সেই সময়ত ইংৰাজ চৰকাৰে ছাইমন কমিছন ভাৰতলৈ পঠিয়াইছিল। লালা লাজপৎ ৰায়ে দিল্লীৰ এছেম্ব্লীত ছাইমন কমিছন বৰ্জন প্রস্তাৱ দাঙি ধৰিছিল আৰু ছাইমন কমিছন বৰ্জন প্রস্তাৱ লৈ এছেম্ব্লীত এখন বাক-বিতণ্ডাৰ খণ্ডযুদ্ধ হৈছিল।

ইংৰাজ চৰকাৰে পাৰেমানে চেষ্টা কৰিছিল যাতে ছাইমন কমিছন বৰ্জন প্রস্তাৱ সদনত নাকচ কৰিব পাৰে ; স্বৰাজ্য দলে আন দলৰ লগত মিলিত হৈ যাতে সদনত ছাইমন কমিছন বৰ্জন প্রস্তাৱ গৃহীত কৰিব নোৱাৰে। শেষত লাজপৎৰায়দেৱে দাঙি ধৰা ছাইমন কমিছন বৰ্জন প্রস্তাৱ সদনত গৃহীত হৈছিল আৰু ইংৰাজ চৰকাৰৰ পৰাজয় ঘটিছিল। এই পৰাজয়-প্রস্তাৱে ইংৰাজ চৰকাৰক হতাশ কৰি তুলিছিল। ছাইমন কমিছন বৰ্জন কৰা আন্দোলন ভাৰতৰ চাৰিওফালে ব্যাপি পৰিছিল। ছাইমন কমিছনক ক'লা নিচান দেখুৱাই ভাৰতৰপৰা বিলাতলৈ উলটি যাবলৈ ধ্বনি তোলা হৈছিল। সেই ছাইমন কমিছন অসমলৈও আহিছিল। দেশভক্ত ফুকনদেৱে বিশেষকৈ লাগিভাগি চেষ্টা কৰাৰ ফলত স্বৰাজ্য দলৰ জয় হোৱাত দলপতি পণ্ডিত মতিলাল নেহৰু আৰু আন আন সদস্যই ফুকনদেৱৰ লগত কৰমৰ্দন কৰিছিল।

দেশভক্ত ফুকনদেৱে নবীনচন্দ্ৰ বৰদলৈদেৱৰ লগত দিল্লীৰ এছেম্ব্লী সভ্যপদৰ কাৰণে প্রতিদ্বন্দ্বিতা কৰিছিল। সেই সময়তে ফুকনদেৱে মদনমোহন মালব্যৰ লগত সহযোগ কৰি সাম্প্রদায়িকতা নীতিৰ বিৰুদ্ধে প্রতিদ্বন্দ্বিতা কৰিছিল। কংগ্রেছ মনোনীত সভ্য কৰ্মবীৰ বৰদলৈদেৱৰ লগত অলপসংখ্যক ভোটত পৰাজিত হৈছিল। অসম বিধান সভাৰ সদস্য পদৰ বাবে ৰঙিয়া সমষ্টিৰপৰাও সিদ্ধিনাথ শৰ্মাদেৱৰ লগত প্রতিদ্বন্দ্বিতা কৰিছিল। ৰোহিণীকুমাৰ চৌধুৰীদেৱে এই ক্ষেত্ৰত ফুকনদেৱক সাহায্য কৰিছিল। ভোট লবৰ দিনা ফুকনদেৱে দেখিবলৈ পালে যে জাক জাক লৰা-ছোৱালীয়ে কংগ্রেছৰ পতাকা হাতত লৈ কৰ্মক্ষেত্ৰত লাগিছে। তেতিয়া তেওঁৰ অন্তৰত এক অনুশোচনা আহিল আৰু কংগ্রেছৰ পতাকা এখন আনি নিজেই কংগ্রেছৰ জয়ধ্বনি দি গুৱাহাটীলৈ উলটি আহিল। তেওঁ কৈছিল—'মোক ভোট নালাগে আৰু মই অসম বিধান সভাৰ সদস্য হবলৈ নিবিচাৰোঁ।'

ফুকনদেৱ বৰ উদাৰ আৰু মহান আছিল। অলপ দিন ফালৰি কাটি

থাকিলেও কংগ্ৰেছৰ প্ৰতি তেওঁৰ অগাধ ভক্তি আছিল। তেওঁৰ এই উদাৰতা থকাৰ বাবেহে ডাক্তৰ ভুবনেশ্বৰ বৰুৱা প্ৰমুখ্যে প্ৰবীণ-নবীন কংগ্ৰেছীসকলে পুনৰায় ফুকনদেৱক কংগ্ৰেছলৈ ঘূৰাই আনিব পাৰিছিল আৰু ফুকনদেৱে হৃষ্টচিত্তে কংগ্ৰেছত আকৌ যোগ দিছিল। তেওঁ মোক কৈছিল—"মানুহে জীৱনত ভুল কৰে আৰু ময়ো জীৱনত ভুল কৰিছিলো" আৰু কৈছিল—"অতীতৰ কথা পাহৰি যাব লাগে।" তেওঁ কৈছিল—"ধনৰ দুখীয়া হবা কিন্তু মনৰ দুখীয়া নহবা।" দেশভক্ত ফুকনদেৱৰ যত্ন আৰু চেষ্টাৰ ফলত কংগ্ৰেছ দলে প্ৰথমে অসমত সংযুক্ত মন্ত্ৰীসভা পাতিবলৈ সমৰ্থ হৈছিল। সেই সময়ত ভাৰতৰ জাতীয় কংগ্ৰেছৰ সভাপতি সুভাষচন্দ্ৰ বসু আৰু স্বৰ্গীয় আবুল কালাম আজাদ অসমলৈ আহি ফুকনদেৱৰ লগত আলোচনা কৰি সংযুক্ত মন্ত্ৰীসভা পাতিবলৈ নিৰ্দেশ দিছিল আৰু তাৰ ফলতেই ছাদুল্লা মন্ত্ৰীসভাৰ পতন হৈছিল।

ঘৈনীয়েক বিদ্যুৎপ্ৰভা দেৱীৰ অকাল মৃত্যুত দেশভক্ত ফুকনদেৱ শোকত বৰ অস্থিৰ হৈছিল। তেওঁৰ অন্তৰ ভাঙি সুদা হৈ গৈছিল। তেতিয়াৰ পৰাই তেওঁৰ মনোবলৰ স্থিৰতা নাইকীয়া হৈছিল। সেই সময়ত মই তেওঁৰ লগে লগে আছিলোঁ। কলিকতা চহৰত ফুকননীৰ মৃত্যু হৈছিল। তেওঁৰ পত্নী বিদ্যুৎপ্ৰভা, ৰূপেগুণে বিদ্যুৎ যেন আছিল। তেওঁ সকলোৰে প্ৰতি বৰ মৰমিয়াল আছিল। পত্নীবিয়োগৰ উপৰিও জীৱনৰ শেষছোৱাত ইটোৰ পিছত সিটো শোকে ফুকনদেৱক জুমুৰি দি ধৰিছিল। এনে ভাব হৈছিল, বিধাতাই যেন তেওঁৰ ঈশ্বৰভক্তি আৰু ধৈৰ্য্যৰ পৰীক্ষা কৰিবলৈহে ইমানবোৰ শোক আৰু দুখ-যাতনা জাপি দিছিল। দেশভক্তৰ জীৱনত জয় আৰু পৰাজয় দুয়োটা সমানে আছিল, কিন্তু জয় আৰু পৰাজয় দুয়োটাতে তেওঁ সমানে নিৰ্বিকাৰ হৈ থকা দেখা গৈছিল। বাহ্যিকভাৱে তেওঁ কোনো দিনে মৰহি পৰা নাছিল।

সকলোৱে জানে দেশভক্তই সদায় ৰাজসিক জীৱন যাপন কৰিছিল। তেওঁ লাহবিলাহ আৰু অতিথিসেৱাত অজস্ৰ ধন ব্যয় কৰিছিল। প্ৰথম অৱস্থাত তেওঁৰ পৈত্ৰিক সা-সম্পত্তি আৰু বেৰিষ্টাৰিৰ প্ৰচুৰ উপাৰ্জন আছিল কিন্তু কংগ্ৰেছৰ ধাৰত যেতিয়া তেওঁৰ প্ৰায় লাওলোটা লোৱা অবস্থা হ'ল আৰু আইন ব্যৱসায়ো মুদা মৰিছিল সেই সময়তো বাহিৰৰ ভৰকটো এনেদৰে ৰাখি তেওঁ চলিছিল কেনেকৈ? তেওঁ ভাৰতবৰেণ্য নেতাসকলৰ আতিথ্য কান্ধ পাতি লৈছিল কেনেকৈ? ভাটীৰ ফালৰ নেতাসকলক আৰ্থিকভাৱে সহায় কৰা ব্যক্তি আৰু

অনুষ্ঠান আছে। অসমত জানো তেনেভাৱে ফুকন-বৰদলৈ আৰু তেওঁলোকৰ পৰিয়ালক সহায় কৰিবলৈ কোনোবা আগবাঢ়ি আহিছিল ?

দেশভক্ত ফুকন ডাঙৰীয়াই জীৱনৰ বহু সময় অৰ্থসঙ্কটৰ সম্মুখীন হৈছিল। অৰ্থসঙ্কটৰ কাৰণে বহু ক্ষেত্ৰত তেওঁ অসমৰ বাহিৰৰ মেল-মিটিঙত উপস্থিত হব নোৱাৰিছিল। সেই কথা মই ভালদৰে জানিব পাৰিছিলো। মোৰ আগত তেওঁ অৰ্থসঙ্কটৰ কথা প্ৰকাশ কৰিছিল। ১৯২৬ চনত যেতিয়া প্ৰথমে তেওঁ কংগ্ৰেছ কাৰ্য্যকৰী কমিটীৰ সভ্য নিৰ্বাচিত হৈছিল, সেই সময়ছে'ৱাত তেওঁ কেবাখনো মিটিঙত ধনৰ অভাৱৰ কাৰণে উপস্থিত হব নোৱাৰিছিল। তেওঁ টকা-পইচাৰ অভাৱৰ কথা কেতিয়াও আনক জানিব নিদিছিল আৰু নকৈছিল। মনৰ বেজাৰৰ কথা মনতে মাৰ নিয়াইছিল। দেশভক্ত ফুকনদেৱে সেই সময়ৰ ভাৰতৰ বিশিষ্ট নেতাসকলৰ লগত সমানে আসন গ্ৰহণ কৰিছিল আৰু সম্মান অৰ্জন কৰিছিল। তেওঁ পিন্ধাউৰাত যথেষ্ট পৰিপাটি আছিল। আনকি অসমৰ বাহিৰলৈ গলেও নিজৰ বয়বস্তুসমূহ পৰিপাটিকৈ নিছিল।

সেই কালছোৱাত তেওঁ নিয়মিতভাৱে আদালতত বেৰিষ্টাৰি কৰিব পৰা নাছিল আৰু তেওঁৰ আইন ব্যৱসায় লুপ্তপ্ৰায় হৈছিল। তেওঁ অসমৰ বাহিৰে-ভিতৰে চাৰিওফালে দেশৰ কামত ঘূৰি ফুৰিব লাগিছিল। সেয়েহে তেওঁৰ ধনৰ অভাৱ হৈছিল আৰু কষ্টৰ মাজত দিন কটাবলগাত পৰিছিল।

এবাৰৰ কথা। মহাত্মা গান্ধীয়ে অসমলৈ আহিম বুলি দেশভক্ত ফুকনদেৱক জনাইছিল। কিন্তু দেশবন্ধু চিত্তৰঞ্জন দাসে মহাত্মা গান্ধীক কলিকতাৰপৰা দাৰ্জিলিঙলৈ মাতি নিছিল আৰু ফুকনদেৱক অনুৰোধ কৰি টেলিগ্ৰাম কৰিছিল যাতে মহাত্মা গান্ধীক তেওঁৰ লগত থাকিবলৈ অনুমতি দিয়া হয়। গান্ধীজীয়ে দেশবন্ধুক কৈছিল—"দেশভক্ত ফুকনদেৱৰপৰা অনুমতি নাপালে মই থাকিব নোৱাৰোঁ আৰু মই অসমলৈ যাবই লাগিব।" ফুকনদেৱে দেশবন্ধুৰ টেলিগ্ৰাম উত্তৰ দিয়া নাছিল। পিছত দেশবন্ধুৰ সহধৰ্মিনী বাসন্তী দেৱীয়ে ফুকন-দেৱক টেলিগ্ৰামেৰে অনুৰোধ কৰিছিল যাতে পাঁচদিন গান্ধীজীক তেওঁলোকৰ লগত দাৰ্জিলিঙতে থাকিবলৈ দিয়ে। ফুকনদেৱে বাসন্তী দেৱীক টেলিগ্ৰামেৰে উত্তৰ দি জনাইছিল—"আপোনাৰ অনুৰোধ মই কেতিয়াও প্ৰত্যাখ্যান কৰিব নোৱাৰোঁ। আপুনি গান্ধীজীক ৰাখিব পাৰে।" গান্ধীজীয়ে দাৰ্জিলিঙত দেশবন্ধু আৰু তেওঁলোকৰ পৰিয়ালৰ লগত আছিল।

দুদিন পিছত ফুকনদেৱলৈ মহাত্মা গান্ধীৰপৰা ৰাতিপুৱাতে এখন টেলিগ্ৰাম আহিছিল। সেই টেলিগ্ৰামখন প্ৰথমে মই পাইছিলো আৰু খুলিছিলো। ফুকনদেৱে টেলিগ্ৰাম আহিলে মোক খুলিবলৈ দিছিল উত্তৰ দিবলগা থাকিলে তেওঁলৈ ততালিকেই নিজে মোৰ হাতত উত্তৰ লিখি দিছিল আৰু মই উত্তৰ পঠাইছিলো। মহাত্মা গান্ধীয়ে ফুকনদেৱলৈ টেলিগ্ৰামখনত লিখিছিল—Assam tour cancelled owing Deshabandhu's sudden death. Presume you coming Calcutta tomorrow morning by Darjeeling mail.

—Gandhi.

সেই টেলিগ্ৰামখন অহাৰ সময়ত ফুকনদেৱ বিচনাত শুই আছিল। মই মনতে চিন্তা কৰি ঠিক কৰিছিলো যে মই এই দুখৰ সংবাদটি তেওঁক নিশ্চয় জনাব লাগিব। তেতিয়াই মই তেওঁৰ শোৱাখোঁটালিৰ দুৱাৰত শব্দ কৰি দিছিলোঁ। শব্দ শুনি তেওঁ উঠি আহি মোক সুধিছিল—"কি হৈছে কোৱা ? মোক কিয় মাতিছা ?" সেই সময়ত মই নিমাত হৈ পৰিছিলো আৰু উত্তৰ দিব পৰা নাছিলোঁ। তেতিয়া তেওঁ খং কৰি সুধিছিল—"কি হৈছে মোক কোৱা। কিয় ভয় কৰিছা ?" তেতিয়া মই মহাত্মা গান্ধীৰ টেলিগ্ৰামখন তেওঁক দেখুৱাইছিলো আৰু কৈছিলোঁ। দেশবন্ধুৰ হঠাতে মৃত্যু হৈছে। মোৰপৰা এই কথা শুনি তেওঁ চকুৰ পানী পেলাই শোকত অস্থিৰ হৈ উঠিছিল আৰু বিচনাত পৰি গোটেই দিনটো ভাতপানী নাখাই শোকতে অস্থিৰ হৈ আছিল। মই দেখিবলৈ পাইছিলো যে দেশবন্ধুৰ মৃত্যুৰপৰাই তেওঁৰ হিয়া ভাগি গৈছিল। দেশবন্ধু তেওঁৰ অন্তৰঙ্গ বন্ধু আছিল। মহাত্মা গান্ধীয়ে দেশবন্ধুৰ মৃত্যুৰ কাৰণে দেশভক্ত ফুকনদেৱক অনুৰোধ কৰি কলিকতালৈ আহিবলৈ লিখা সত্ত্বেও তেওঁ ধনৰ অভাৱৰ কাৰণে সেই তেতিয়াই কলিকতালৈ যাব নোৱাৰিলে। এই ঘটনাটোৱে তেওঁৰ জীৱনত এটা মৰ্মান্তিক আঘাত দিছিল। তাৰ কেইদিনমান পিছতহে তেওঁ কলিকতালৈ গৈ মহাত্মা গান্ধী আৰু বাসন্তী দেৱীৰ লগত সাক্ষাৎ কৰিছিল।

মহাত্মা গান্ধীয়ে দেশবন্ধুৰ মৃতদেহ লৈ দাৰ্জিলিঙৰপৰা কলিকতালৈ আহিছিল। দেশবন্ধুৰ মৃত্যুৰ কাৰণে কলিকতাবাসী আৰু ভাৰতবাসীয়ে অতি গভীৰ শোকত ম্ৰিয়মান হৈছিল। দেশবন্ধুৰ মৃত্যুত কলিকতাৰ বাতৰি-কাকতবোৰে প্ৰকাশ কৰিছিল—"বাংলাৰ সূৰ্য্য অস্তমিত।" দেশবন্ধুৰ অকাল

মৃত্যুত ফুকনদেৱে বাসন্তী দেৱীলৈ এটা শোক-বাণী পঠাই লিখিছিল—"ভনী, দেশবন্ধুৰ মৃত্যুত ভাৰতবাসী শোকত অস্থিৰ হৈ উঠিছে আৰু ভাৰতবাসীৰ ক্ষতিৰ সীমা নাই। আপুনি শোক কৰি থাকিলে নহব। আপুনি দেশবাসীৰ মুখলৈ চাওক আৰু দেশবাসীক এই শোকত সান্ত্বনা দিয়ক। আপোনাৰ স্বামীৰ মৃত্যুত আপোনাৰ জীৱনৰ ক্ষতি হৈছে, কিন্তু দেশবন্ধুৰ মৃত্যুত ভাৰত আৰু ভাৰতবাসীৰ ক্ষতি অতি গুৰুতৰ।"

সেই সময়ত মই ফুকনদেৱৰ লগে লগে আছিলোঁ আৰু সকলো কথা দেখিছিলো। তেওঁৰ জীৱনৰ আৰ্থিক সঙ্কটৰ সময়ত তেওঁৰ সহধৰ্মিনী বিদ্যুৎপ্ৰভা দেৱীৰপৰা যথেষ্ট সহায় আৰু মনোবল পাইছিল।

মোৰ পিতৃপ্ৰতিম দেশভক্ত ফুকনদেৱৰ শতবাৰ্ষিকী উপলক্ষে মই জনা এই দু-আষাৰ কথা লিখি পুণ্যাত্মাৰ স্মৃতিত ভক্তি নিবেদন কৰিবলৈ সুযোগ পাই নিজকে কৃতাৰ্থ মানিছো।

# মোৰ মানসপটত দেশভক্ত ফুকন

## বাগ্মীবৰ শ্ৰীনীলমণি ফুকন

দেশভক্ত ফুকনৰ আমিও একৰকম সহপাঠী আছিলোঁ। কলিকতাৰ হিন্দু হোষ্টেলত থাকি তেওঁ পঢ়ি থাকোঁতেই আমি পৰবৰ্তী চামৰ কেইজনমান— প্ৰাতঃস্মৰণীয় বৃন্দাবন গোস্বামী, সদানন্দ দুৱৰাৰ সতে দেশভক্ত ফুকনৰ দৰে কলিকতাৰ প্ৰেচিডেন্সি কলেজত নাম লগাই গাতে লাগি থকা হিন্দু হোষ্টেলৰ ছাত্ৰাবাসত থাকিবলৈ ধৰোঁ। তেতিয়া আমি দেখিবলৈ পাওঁ তৰুণৰাম ফুকন তালুৰ পৰা তলুৱালৈকে এজন কলিকতীয়া ডেকা। তেওঁ যেতিয়া শান্তিপুৰীয়া ধুতি, আদ্দিৰ পাঞ্জাবী, ডিঙিত সুন্দৰকৈ গুঠি লোৱা চেলেং লৈ পাম্পছু এযোৰ পিন্ধি এটি ধুনীয়া ছাতিলৈ ঠাইতে লাগি থকা কলেজলৈ যায়, তেতিয়া হোষ্টেলৰ সমনীয়া ছাত্ৰসকলে "ঐ দেখ, জামাই বাবু যাচ্ছে" বুলি চিঞৰি তেওঁৰ লগত ৰহস্য কৰে। তেতিয়াই আমি তৰুণ ফুকন যে সকলো বিষয়তে এজন প্ৰতিভাশালী সকলো সমাজতে অনায়াসে জাহ যাব পৰা অসাধাৰণ ডেকা আছিল তাৰ প্ৰমাণ পাইছিলোঁ। লাহে লাহে দেখিবলৈ পালোঁ তেওঁ কলিকতাত কলিকতীয়া সমাজত কিদৰে এজন বঙ্গদেশৰেই জাকতজিলিকা ডেকা বুলি পৰিচিত হৈ পৰিছিল। সেই কথা দেখি আমি অন্তৰত অতি গৌৰৱ অনুভৱ কৰিব পাৰিছিলো। বঙলা কবিতা লেখি তেওঁ প্ৰতিযোগিতাত অনায়াসে পুৰস্কাৰ পাইছিল। কলিকতীয়া সমাজৰ সকলো প্ৰকাৰ ৰীতি-নীতি, খোৱা-বোৱা, পোছাক-পৰিচ্ছদ এনে স্বাভাৱিকভাৱে তেওঁ গ্ৰহণ কৰিব পৰা অসাধাৰণ প্ৰতিভা লাভ কৰিছিল, সেই কথা তেওঁৰ লণ্ডনত বেৰিষ্টাৰি পৰীক্ষা পাছ কৰি আহি কিদৰে অসমত নৱজাগৰণৰ অৱিলম্বে উৎস হৈ উঠিল সেই কথা আমি আজি দেশবাসীৰ ওচৰত পুনৰুক্তি নকৰিলেও চলিব। তেওঁৰ যিটো সময়ৰ লগত দোখোজ আগবাঢ়ি যাবলৈ ক্ষমতা আছিল আৰু যেতিয়া মহাত্মা গান্ধীৰ স্বাধীনতা-সংগ্ৰামত জুইত ফৰিং জঁাপ দিয়াৰ দৰে জঁাপ দি কলিকতীয়া জামাইবাবুটি, পিছত বিলাতৰপৰা অহা সম্পূৰ্ণ এজন বিলাতী ইংৰাজৰ ধৰণ-কৰণ আছিল সেইদৰে মুহূৰ্ততে জলাঞ্জলি দি বিলাতী সাজপাৰ সব লোবিলাক

ভৰলুমুখত মহাত্মাৰ আগত জুই জ্বলায় তেতিয়া কৌপিনধাৰী মহাত্মাৰ খাদৰৰ আঁঠুৰ মূৰলৈকে পৰা চুৰিয়া, মোটা পাঞ্জাবী আৰু এটা হাতত সূতা কটা টাকুৰি লৈ মহাত্মাৰ অহিংস যুদ্ধত অসমত কৰ্মবীৰ বৰদলৈ, দেশনেতা চলিহা ডাঙৰীয়া আৰু তেওঁ নিজে ৰণক্ষেত্ৰত সেনাপতিৰ দায়িত্ব লৈ বৃটিছ-সিংহৰ কেশৰো পেলোৱাইছিল, সেই কথা দেশে পাহৰিব খুজিলেও অবিস্মৰণীয় স্মৃতিয়ে কোনো কালে নেপাহৰিব বুলি আমি বিশ্বাসেৰে কব খোজোঁ। তেওঁৰ শিশুসুলভ মুখৰ কোমল হাঁহিটিৰ লগতে পথালি চকুৱে নেদেখা যিটি কলডিলীয়া আমঠু আছিল তাৰ পৰিচয় আমি পাবলৈ বাকী থকা নাই। তেওঁৰ 'মোৰ চিকাৰ' বোলা প্ৰবন্ধটোত মাটিৰপৰা খেদি অহা গুণ্ডা হাতীটোক দুনলমান দূৰতেই অব্যৰ্থ গুলী মাৰি মাটিত ভূঁইকঁপ তুলি পেলালে, সেইটো কলিজা যে কিমান ভাবিব নোৱাৰা সাহসৰ দুৰ্গ আছিল সেই দৃশ্য আজিও স্মৰণ কৰা মাত্ৰেই চকুৰ আগত পৰে। সেই প্ৰবন্ধত তেওঁৰ সহচিকাৰী জনজাতীয় নিৰক্ষৰ চিকাৰীজনৰ যিটো অপূৰ্ব চিত্ৰ অঙ্কণ কৰি দেখুৱালে সেই কথাই সেই প্ৰবন্ধটিয়েই তেওঁক এজন অমৰ সাহিত্যিকৰ শাৰীলৈ তেতিয়াই নিয়ে। নিজে সম্ভ্ৰান্ত পৰিয়ালৰ আদৰ্শ অটুট ৰাখিও আনফালে সমাজৰ অশিক্ষিত উপেক্ষিত সম্প্ৰদায়ৰ প্ৰতিও তেওঁৰ বহল অন্তঃকৰণে ক'ত ঠাই দিছিল তাকো চকুৰ আগতে দেখা যায় আৰু আকাশৰ দৰে তেওঁৰ উদাহৰণৰ প্ৰতিবিম্ব আগত আহি পৰে। তেওঁ এফালে নিজৰ বিশাল ব্যক্তিত্বত এখন সুকীয়া আসন হাজাৰ বিজাৰ জনতাৰ মাজতো ৰক্ষা কৰি থম্ থম্ কৰে বহি থাকিব পাৰিছিল, সেইদৰে আনফালে তেনে অৱহেলিত উপেক্ষিত সমাজৰ লোকক 'মানুহ'জ্ঞানে নিজৰ ভেদাভেদ নোহোৱা যুগ্ম-আত্মা বুলি আন্তৰিকভাৱে গ্ৰহণ কৰিব পাৰিছিল। 'মানুহেই দেৱ মানুহেই সেৱ' এই সুক্ষ্ম অনুভূতি তেওঁ টোপনিতো অনুভৱ কৰিছিল। তেওঁ যেতিয়া এই দেশাত্মবোধত সাংসাৰিক সকলো প্ৰকাৰ বিলাসিতা পুৰুষানুক্ৰমে ভোগ কৰি অহা খাট-পাম সা-সম্পত্তি সকলোবিলাক ত্যাগ কৰি সৰ্বস্বান্ত হৈয়ো নিজৰ বিৰাট ব্যক্তিত্ব তিলমাত্ৰও সঙ্কুচিত হবলৈ দিয়া নাছিল, সেই কথা দেশবাসী নালাগে বনৰ বনৰীয়া বাঘ-ভালুক গুণ্ডা হাতীয়েও এইজন অদ্বিতীয় সাহসী পুৰুষৰ নামত বোধ হয় আজিও কঁপি উঠে। তেওঁ যেতিয়া সহকৰ্মী কৰ্মবাৰ বৰদলৈ ডাঙৰীয়াৰ সতে অসমলৈ প্ৰথমবাৰৰ নিমিত্তে কংগ্ৰেছ মহাসভাৰ সম্মিলন পাণ্ডুত পাতিবলৈ মৰসাহ দি অগ্ৰসৰ হয় যিদৰে কেৱল মাত্ৰ খাদৰেৰেই বিৰাট মণ্ডপ প্ৰতিনিধিসকলৰ

থকা-মেলা শিবিৰ পাতি এখন মহানগৰী সৃষ্টি কৰিছিল, সেই সূত্ৰতে যেতিয়া পিছত ধাৰত পোত গৈ দুয়োজনে নিজৰ সা-সম্পত্তি একৰকম হেৰুৱালে, হেৰুৱাই একৰকম "ফকিৰ" হ'ল, তেতিয়াও বৰদলৈৰ মুখত দৃঢ় প্ৰতিজ্ঞাৰ ভাব, আত্মবিশ্বাসৰ প্ৰতিবিম্ব আৰু সেইদৰে দেশভক্ত ফুকনৰ মুখত শিশুসুলভ হাঁহিটো নাম লোৱা মাত্ৰে চকুৰ আগত আহি প্ৰতিবিম্বিত হয়। এজন যে কৰ্মবীৰ, আনজন যে দেশভক্ত আছিল আৰু সেই অমূল্য আনন্দৰ অধিকাৰী হৈ সাংসাৰিকভাৱে ফুটাকড়ি এটাও হাতত ৰাখিব নোৱাৰি, নিজৰ বিৰাট ব্যক্তিত্বৰ প্ৰতিবিম্ব তেওঁলোকৰ কায়াটোৰ লগতে ফুৰা ছায়াটোৰ দৰে একমুহূৰ্তও এৰাএৰি হোৱা নাছিল। তেওঁৰ ভাষাৰ ওপৰত এনে এটা স্বাভাৱিক দখল আছিল যে মহাত্মা, মহম্মদ আলি আদিয়ে যেতিয়া বক্তৃতা দিছিল, তাক তেওঁ লগে লগে হিন্দী, উৰ্দু, অসমীয়া ভাষাত সমানে তৰ্জমা কৰি যোৱা দৃশ্য দেখি সকলোৱেই স্তম্ভিত হৈছিল। আমি যেতিয়া নিৰ্দলীয়ভাৱে কাউন্সিলৰ প্ৰাৰ্থী হওঁ, সেই সময়ত দেশভক্ত তৰুণ ফুকনে আমাৰ বিপক্ষে নিৰ্বাচন অভিযান কৰিবলৈ ডিব্ৰুগড়লৈ যায়। সেই সূত্ৰতে তেওঁ যিদিনা বজাৰত উৰ্দুত আমাৰ বিৰুদ্ধে ভাষণ দিবলৈ আৰম্ভ কৰে, আমি নিজে অনুভৱ কৰিছিলো তেওঁ যিটো বাগ্মিতাৰে যিটো ওজস্বিনী বক্তৃতা উৰ্দুত পানী যেনকৈ কবলৈ ধৰিলে, কেইজন মৌলবীয়ে ইয়াতকৈ বেছি তেজী বক্তৃতা উৰ্দু ভাষাত দিব পাৰিব ? এই কথাত আমি নিজে এনে গৰ্ব অনুভৱ কৰিছিলো তেওঁ যেন আমাৰ বিপক্ষে আৰু এঘণ্টা উৰ্দুত বক্তৃতা দি উৰ্দুভাষী মৌলবী মৌলানাবিলাকক স্তম্ভিত কৰি তোলক। তেওঁৰ অভূতপূৰ্ব নানা ভাষা সহজে কৰায়ত্ব কৰিব পৰা প্ৰতিভা দেখি সকলোৱেই স্তম্ভিত হৈছিল। তেওঁৰ ডাঙৰ গুণ আছিল তেওঁৰ লগত মত নিমিলা বিৰোধী —কি ৰাজনৈতিক, কি সামাজিক, কি সাম্প্ৰদায়িক কোনো লোকৰ প্ৰতি এটা প্ৰতিযোগিতাৰ কঠোৰ ভাব নেদেখুৱাই যথাৰ্থতে স্বাভাৱিকভাৱেই তেওঁলোকক সকলো সময়তে হাস্যবদনে অতি ওখ ধৰণৰ শিষ্টাচাৰৰ মাধ্যমেৰে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ দিয়াটো। এই কাৰণে প্ৰচলিত 'বোবাৰ শত্ৰু নাই' বোলা কথাষাৰ অৰ্থহীন—তেওঁৰ স্বাভাৱিক বাগ্মিতাৰ প্ৰতিভাই প্ৰমাণ কৰিছিল। তেওঁৰ wit and humour অতি মাৰ্জিত ধৰণৰ আছিল। তেওঁৰ স্বাভাৱিক তৎকালীন বুদ্ধিয়েই 'পটিশুনি ওজা হোৱা' বিধৰ ওজা নাছিল। এবাৰ দিল্লীত পাৰ্লামেণ্টৰ সদস্য থকা কালত অলপ আৰিকুঁজা অথচ দীঘল বঙালী মেম্বৰ এজনে

তেওঁক ৰহস্য কৰি কৈছিল—'Are the people of Assam like you not very tall ?'

তাৰ উত্তৰত তৎক্ষণাৎ চুঙা চাই সোপা দি তেওঁ কলে—'Yes, in our country people will break, rather than bend.' তেওঁৰ বন্ধুজন নিৰুত্তৰ হ'ল। এইদৰে তেওঁৰ প্ৰতিভা সকলো ক্ষেত্ৰতে আপোনা-আপুনি উজ্জ্বলীকৃত হৈ পৰিছিল। তেওঁৰ ডাঙৰ গুণ এইটো আছিল যে তেওঁ কোনো কালে শত্ৰুৰো প্ৰতিশোধ লোৱা কথা কল্পনাতো নাভাবিছিল। তেওঁৰ সংজ্ঞাহীন টোপনিতো নিজৰ অপূৰ্ব চৰিতাৱলী সজাগ আছিল। আজি তেওঁৰ জন্ম-শতবাৰ্ষিকীত অতীতৰ 'দেশতকৈ মোমাই ডাঙৰ হব নোৱাৰে' বোলা শৰাইঘাটৰ ফালে সদায় দৃষ্টি ৰাখি তেওঁ যেনেকৈ কামাখ্যাৰ পদপ্ৰান্তৰ শ্মশানত আজি অন্তৰীক্ষৰপৰা প্ৰহৰী হৈ আছে সেইদৰে উত্তৰে অশ্বক্লান্তৰ বিষ্ণুপদৰ ওচৰত কৰ্মবীৰ নবীন বৰদলৈয়ে সিপাৰৰপৰা দক্ষিণফালে সদায় নিৰ্নিমেষ দৃষ্টি ৰাখি অসমা কামদা বিশাল কামৰূপ ৰাজ্যৰ প্ৰাগজ্যোতিষপুৰত প্ৰথম প্ৰভাতী অৰুণৰ উদয় ঘোষণা কৰিছে বা জ্যোতিষৰ গণনাৰেই অসমৰ ভৱিষ্যত ভাগ্য একান্তমনে গণনা কৰি আছে। প্ৰাচীন কামৰূপ ৰাজ্যৰ প্ৰাগজ্যোতিষপুৰত তালযুৰীয়া এই দুজন প্ৰহৰীয়ে অসমৰ জীৱনৰ সকলো বিভাগতেই পূৰ্ণ স্বাধীনতা এতিয়াও ৰক্ষা কৰিব পাৰিব এই অটল বিশ্বাসেৰে আজি দেশভক্ত ফুকনৰ জন্ম-শতবাৰ্ষিকীত এচলু স্মৃতি-তৰ্পণ যাচি নিজৰ ক্ষুদ্ৰ জীৱনকো তেনেজন সিংহপুৰুষক স্মৃতিৰ মাজতেই ক্ষন্তেক দেখা পাই নিজক তেনেজন অমৰ পুৰুষৰ আত্মাৰ পাছে পাছে ধূলিকণা হৈ যেন থাকিব পাৰোঁ ইয়াকেই ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাই সেইজন সিংহপুৰুষৰ স্মৃতিত যৎসামান্য আত্মবল লাভ কৰিয়েই পৰমানন্দ সুখ অনুভৱ কৰিছোঁ।

# দেশভক্ত ফুকন আৰু গুৱাহাটী-কংগ্রেছ

## শ্রীদেবেশ্বৰ শৰ্মা

১৯২১ চনত মহাত্মা গান্ধীয়ে অসম ভ্রমণ শেষ কৰি উভতি যাওঁতে অসমীয়া ৰাইজে প্ৰায় সকলো ঠাইতে তেওঁক অনুনয়-বিনয় কৰি কৈছিল—অসম বৰ পাছ পৰি থকা ঠাই আৰু ইয়াত বৃটিছসকলে, বিশেষকৈ বৃটিছ চাহখেতিয়কসকলে দুৰ্দান্ত প্ৰতাপে শাসন চলাই আছে। গান্ধীজীয়ে যেন অনতিবিলম্বে আকৌ এবাৰ অসমলৈ আহে। এই অনুৰোধৰ উত্তৰত গান্ধীজীয়ে কৈছিল, "অসমত মোৰ প্ৰয়োজন নাই। অসমবাসীয়ে নিজৰ ভিতৰতে কংগ্রেছৰ কাম কৰিব। আন প্ৰদেশৰ নেতা অনাৰ কোনো আৱশ্যক নাই; কিয়নো অসমত এনে এজন নেতা আছে যাৰ অসমহে নালাগে সদৌ ভাৰতৰ নেতৃত্ব গ্ৰহণ কৰিবৰ যোগ্যতা আছে।" গান্ধীজীয়ে দেশভক্ত তৰুণৰাম ফুকনকে সেইজন নেতা বুলি আঙুলিয়াই দিছিল।

বিলাতত বেৰিষ্টাৰি পাছ কৰি আহি ফুকনে অলপ দিন কলিকতাত আইন-ব্যৱসায় কৰিবলৈ লৈছিল। কলিকতাত বেছি দিন নাথাকি তেওঁ গুৱাহাটীলৈ আহি থিতাপিকৈ বাস কৰিবলৈ লৈ এফালে ব্যৱসায় চলাবলৈ ললে আৰু তেতিয়াৰ পৰাই আনফালে তেওঁ অসমৰ সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত নামি পৰিল।

এইভাবে ভালেকেইবছৰ অতিবাহিত হওতে আহিল ১৯২১ চনৰ অসহযোগ আন্দোলন। তেজপুৰৰ ৺চন্দ্ৰনাথ শৰ্মাই অসমত ইমূৰৰ পৰা সিমূৰলৈ এই আন্দোলনৰ জুই জ্বলাই তুলিলে। লগতে কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈও ওলাই আহিল। যেতিয়া দেশভক্ত ফুকনে সৰ্বান্তঃকৰণে বিলাসিতা আৰু ভোগ ত্যাগ কৰি অসমত ১৯২১ চনৰ অসহযোগ আন্দোলনৰ সেনাপতিৰূপে আগবাঢ়ি আহিল, তেতিয়া অসমৰ নগৰে-চহৰে গাঁৱে-ভূঁয়ে আন্দোলন বিয়পি পৰি বৃটিছৰ বিৰুদ্ধে ই এটা প্ৰত্যাহ্বাণ স্বৰূপে দেখা দিলে। এইখিনিতে উল্লেখ নকৰিলে মোৰ ত্ৰুটী বৈ যাব যে অসমত অসহযোগ আন্দোলনৰ সক্ৰিয় অগ্ৰদূত হিচাপে কটন কলেজৰ পৰা পঢ়া এৰি ছাত্ৰ কেইজনমান ওলাইছিল। ছাত্ৰ শক্তিয়েহে অসমৰ মুক্তিযুদ্ধত সৰ্বতোপ্ৰকাৰে সাহপিত আৰু শক্তি সামৰ্থ্য যোগাইছিল।

ফুকনে যি বিষয়তে যেতিয়াই হাত দিছিল, তাতেই তেওঁ কৃতকার্য্য হৈছিল। কিন্তু তেওঁৰ কাৰ্য্যদক্ষতাৰ পূৰ্ণ বিকাশ পৰিলক্ষিত হৈছিল ১৯২৬ চনত গুৱাহাটীত বহা সদৌ ভাৰত কংগ্ৰেছৰ অধিবেশনত। কৰ্মবীৰ বৰদলৈ আৰু আন কংগ্ৰেছ-সহকৰ্মীসকলৰ সাহায্যত দেশভক্তই বহু বেমেজালি, আলৈ-আহুকাল আৰু অভাৱ অনাটনৰ মাজতো ১৯২৬ চনৰ গুৱাহাটীৰ কংগ্ৰেছ অধিবেশন সাফল্যমণ্ডিত কৰি তুলিছিল।

১৯২৬ চনৰ ভাৰতীয় কংগ্ৰেছ গুৱাহাটীলৈ নিমন্ত্ৰণ কৰি আনিছিল ৺ৰোহিনীকান্ত হাতীবৰুৱাই। প্ৰথমতে এই কথা জানি অসমৰ নেতৃবৃন্দই চিন্তিত হৈ পৰিল আৰু তেওঁবিলাকৰ হৃদকম্প হৈছিল। অসমৰ নিচিনা সৰু আৰু দুখীয়া দেশ এখনত মাত্ৰ ১৬ হেজাৰ লোকসংখ্যাৰে গুৱাহাটীৰ নিচিনা ক্ষুদ্ৰ নগৰী এখনত কেনেকৈ কংগ্ৰেছ মহাসভা পতা সম্ভৱ হব পাৰে? এই বিষয়টো যেতিয়া আনুষ্ঠানিকভাৱে আলোচনা হৈছিল তেতিয়া কলেজ এৰি অহা ছাত্ৰ আৰু আন আন যুৱকসকলৰ উৎসাহ আৰু উদ্দীপনাতে বয়োজ্যেষ্ঠ, নেতৃস্থানীয় কংগ্ৰেছী লোকসকলৰ পাছ হুঁহকিবলৈ সাহস নহ'ল। এদলে টানি কৈছিল যে গুৱাহাটীলৈ কংগ্ৰেছ মহাসভাৰ অধিবেশন নিমন্ত্ৰণ কৰা মানে অসমীয়াৰ মুখত ছাই সনা। কিয়নো এই ক্ষুদ্ৰ ঠাইত বৃটিছ শাসকবৰ্গ আৰু চাহখেতিয়কসকলৰ বিৰোধিতা আৰু চৰকাৰী কৰ্মচাৰীসকলৰ আৰু আন আন চৰকাৰৰ ধামাধৰা লোকসকলৰ বাধা অতিক্ৰম কৰি কংগ্ৰেছ অধিবেশন কৃতকাৰ্যতাৰে সম্পন্ন কৰিব পৰা নহব। এই কথাবিলাকত যুক্তি নোহোৱা নাছিল। কাৰ্য্যক্ষেত্ৰত ইয়াৰ প্ৰমাণ বঢ়িয়াকৈ পোৱা হৈছিল। আনটো দলে কৈছিল যে ভাৰতৰ মানচিত্ৰত অসমৰ নাম নাই বুলি কলেও অত্যুক্তি নহয়। কিয়নো অসম ভাৰতবৰ্ষৰ আওতাতীয়া এচুকত অৱস্থিত হোৱাৰ কাৰণে ভাৰতৰ বাকীবিলাক মানুহে অসমৰ বিষয়ে একোকে নাজানে। মাত্ৰ ইমানকে জানে যে অসম এখন জঙ্গলেৰে পৰিপূৰ্ণ মেলেৰিয়াৰ ঠাই। ইয়াৰ বাসিন্দা অৰ্দ্ধসভ্য কিংবা অসভ্য আৰু ইয়াত মানুহক ভেৰা কৰিব পৰা যাদু আছে। সেয়ে ভাৰতীয় লোকৰ সন্মুখত অসমৰ প্ৰকৃত সমাজৰ ছবি এখন দাঙি ধৰিবলৈ কংগ্ৰেছ মহাসভাখনেই এটা প্ৰাকৃষ্ট উপায় হব। নানা সন্দেহ আৰু আলোচনাৰ পিছত শেহাস্তৰত স্থিৰ হ'ল যে এবাৰ যেতিয়া কংগ্ৰেছ মহাসভা গুৱাহাটীলৈ নিমন্ত্ৰণ কৰা হ'ল আৰু এই নিমন্ত্ৰণ গ্ৰহণো কৰা হ'ল তেতিয়া আৰু পাছ হুঁহকিবৰ থল নাই। পূৰ্ণ উদ্যমেৰে এই কামত লাগিব লাগে।

কংগ্ৰেছ অধিবেশনৰ অভ্যৰ্থনা কমিটীৰ সভাপতি নিৰ্বাচন কৰা হ'ল দেশভক্ত ফুকনক আৰু প্ৰধান সম্পাদক কৰা হ'ল কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈক। মৌলবী মহম্মদ তৈয়েবুল্লা চাহেবক কাৰ্য্যালয়-সচিব পতা হ'ল। কাৰ্য্যতঃ চিঠি পত্ৰ লিখা আৰু উত্তৰ দিয়াকে লৈ অফিচৰ যাৱতীয় কাৰ্য্য তৈয়েবুল্লা চাহেবৰ ওপৰত পৰিল। দেশভক্ত আৰু কৰ্মবীৰে অফিচৰ কাৰ্য্যত চকু দিবলৈ সময় নাপাইছিল। কংগ্ৰেছৰ নিমিত্তে স্বেচ্ছাসেৱক বাহিনী গোট খুউৱা, প্ৰশিক্ষণ দিয়া আৰু কংগ্ৰেছৰ অধিবেশনৰ অতিথি-প্ৰতিনিধি নেতাসকলক আলপৈচান ধৰা আৰু কংগ্ৰেছ অধিবেশনত যাৱতীয় কাম কৰা সকলো ভলণ্টিয়াৰ দলৰ সৰ্বাধিনায়কৰ ভাৰ মোৰ ওপৰত অৰ্পিত হৈছিল। যদিও কংগ্ৰেছৰ বিভিন্ন কাৰ্য্য চলাবলৈ বেলেগ কমিটী গঠন কৰি দিয়া হৈছিল, তত্ৰাচ এই কমিটীবোৰে দেশভক্ত ফুকন আৰু কৰ্মবীৰ বৰদলৈৰ দিহা-পৰামৰ্শ লৈ তেওঁলোকৰ নিজ নিজ কৰ্তব্য সম্পাদন কৰিছিল। এটা কথা উল্লেখযোগ্য যে তেতিয়াৰ উকিল ৺নিধিৰাম দাসে নিজেই বাছি লৈছিল পাইখানাবিলাক পৰিষ্কাৰ হৈ থাকে নে নাই তাক পৰিদৰ্শন কৰিবলৈ। অৱশ্যে তেওঁৰ তলত ভলণ্টিয়াৰ দিয়া হৈছিল। মাটিত গাঁত খান্দি পাইখানা তৈয়াৰ কৰা হৈছিল আৰু প্ৰতিটো পাইখানা কৰাৰ পিছতে ওচৰতে গোটাই থোৱা মাটি বা বালি বাঁহ এডালেৰে সৈতে দি থৈ আহিব লাগিছিল, যাতে তাত মাখি আদি পৰিব নোৱাৰে আৰু দুৰ্গন্ধ ওলাব নোৱাৰে। এই কাৰ্য্যটো আজি বৰ লঘু যেন শুনা যায়। কিন্তু পাণ্ডুঘাটৰ ওচৰৰ 'পাণ্ডব নগৰ'খনৰ নিচিনা সৰু ঠাই এখনত ২০/৩০ হেজাৰ মানুহৰ পাইখানাৰ ব্যৱস্থা সুচাৰুৰূপে নহলে যে এই ঠাইখণ্ড নৰককুণ্ড হৈ উঠিব, সেই কথা বোধগম্য হবৰ নিমিত্তে বৰ প্ৰখৰ মস্তিষ্কৰ আৱশ্যক নকৰে বোধকৰোঁ।

কোৱা হৈছে যে বিভিন্ন কমিটীক বেলেগ বেলেগ কৰ্তব্য ভাগ কৰি দিয়া হৈছিল হয় কিন্তু আটাইতকৈ গুৰুতৰ কথা হৈছিল কংগ্ৰেছ অধিবেশনৰ নিমিত্তে দান-বৰঙণি তোলা। এই দুৰুহ কাৰ্য্যটো ঘাকৈ ফুকন ডাঙৰীয়াৰ ওপৰতেই পৰিছিল। কৰ্মবীৰ বৰদলৈয়েও এই গধুৰ বোজা বহন কৰাত যথেষ্টৰূপে অংশ গ্ৰহণ কৰিছিল।

ফুকনে অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে অলপ অৱস্থাপন্ন বুলি জনা অলেখ লোকৰ ঘৰলৈ নিজে গৈ বৰঙণি সংগ্ৰহ কৰিছিল। এই বৰঙণি সংগ্ৰহ কাৰ্য্যত বহু সময়তে আমি ভালেকেইজন কৰ্মী তেওঁৰ লগত ফুৰিছিলো। এই প্ৰসঙ্গত দুটা এটা কথা মনত পৰিলে আজিও হাঁহি উঠে কিম্বা ভাল লাগে।

উত্তৰ গুৱাহাটীৰ গাঁও এখনৰ আঢ্যৱন্ত গাঁৱলীয়া খেতিয়ক মানুহ এঘৰলৈ আমি বৰঙণি বিচাৰি গৈছিলোঁ। আমি গৈ পোৱাত ডাঙৰ বটা এটাত আগলতি কলপাত পাৰি তামোল-পাণেৰে সৈতে গৃহস্থই ফুকনক অভ্যৰ্থনা জনাইছিল। ফুকনে যেতিয়া কংগ্ৰেছৰ কথাৰ পাতনি মেলিলে, তেতিয়া গৃহস্থগৰাকী অলপ বিমোৰত] পৰিল। তেওঁ বুজিবই পৰা নাছিল--সদৌ ভাৰত কংগ্ৰেছ সভাৰ অধিবেশনখন কি এটা বৃহৎ অনুষ্ঠান আৰু সভা এখন পাতিবলৈনো কিয় বা লাখ টকাৰ আৱশ্যক হয়। তেওঁ ফুকনৰ সকলো কথা শুনিলে কিন্তু কিয়নো যে ইমান টকাৰ দৰকাৰ হয়, এই কথা তেওঁৰ বোধগম্যই নহ'ল। ফুকনৰ সকলো কথা শুনি তেওঁ অনুনয় সুৰেৰে কলে—"বাৰু, খন্তেক অপেক্ষা কৰকচোন, মই 'বৰগিৰাতেনী'ৰ লগত কথা হৈ আহোঁচোন।" গিৰাতেনী শব্দটোৱেনো কি বুজায় মই সমুলি ধৰিব পৰা নাছিলোঁ। সেই দিনাখনহে সেই শব্দটো প্ৰথম শুনিছো। ফুকনে এই কথাষাৰ শুনি হাঁহিলে আৰু মোক বুজাই কলে যে মানুহজনৰ দুগৰাকী পত্নী। প্ৰথম গৰাকী বৰগিৰাতেনী আৰু দ্বিতীয় গৰাকীক সৰুগিৰাতেনী বোলা হৈছিল। গিৰাতেনী শব্দৰ অৰ্থ হৈছে গিৰিহঁতনী বা গৃহস্থনী। গৃহস্থ গৰাকীয়ে ২৫ টকা দি আমাৰ পৰা অভ্যৰ্থনা সমিতিৰ টিকট এখন কিনিলে।

আৰু এঘৰলৈ ফুকনৰ লগত চান্দা বিচাৰি যোৱাৰ কথাও উল্লেখযোগ্য বুলি মই ভাবোঁ। যোৰহাটৰ তিতাবৰ মতিজান বাগিচাৰ মালিক মোঃ ফিৰদোছ আলি হাজৰিকা আৰু তেওঁৰ ভায়েক তফজুল হুছেইন হাজৰিকা। দুয়ো ককাই-ভাই অমায়িক লোক আছিল। ফুকনৰ লগত দুই তিনিজন লোকৰ সৈতে মই মতিজান বাগিচাৰ মালিকৰ বঙলালৈ দান বিচাৰি গৈছিলোঁ। সেই দিনত মতিজান বাগিচাৰ জয়জয়-ময়ময় অৱস্থা। বাগিচাখন বৰ ডাঙৰ নাছিল যদিও নিয়াৰিকৈ চলোৱাত আৰু গৃহস্থালিৰ খৰচ নিয়মীয়াকৈ কৰাৰ কাৰণে তেওঁলোকৰ অৱস্থা বৰ স্বচ্ছল আছিল। আমি আবেলি তিনিমান বজাত মতিজান বাগিচাৰ বঙলা পালোঁগৈ। উভয় ককাই ভায়ে ফুকনৰ প্ৰতি যথেষ্ট সন্মান দেখুৱাইছিল আৰু আমাৰ আটাইকেইজনকে বিতোপনকৈ আদৰ অভ্যৰ্থনা কৰিছিল। দানৰ বাবদ পাঁচশ টকাৰ চেক্ এখন ফুকনৰ হাতত দি ফিৰদোছ আলি চাহেবে কৈছিল—"বৰ্তমান ইয়াকে আগবঢ়ালোঁ। যদি আপোনাসকলৰ নাটনি পৰে, তেনেহলে আকৌ কব।" মই পোনপ্ৰথম বাৰৰ

কাৰণে সেই দিনা মতিজ্ঞান বাগিচাতহে আইচ ক্ৰিমৰ সোৱাদ লৈছিলোঁ। ইয়াৰ আগতে আইচ ক্ৰিমৰ সোৱাদ লোৱা নাছিলোঁ।

এই দান-বৰঙণি বিচাৰি যোৱাৰ কথা উল্লেখ কৰাৰ মোৰ উদ্দেশ্য এইটো নহয় যে ৫০০ টকা পাইছিলো অথবা আইচক্ৰিমৰ সোৱাদ লবলৈ পাইছিলো। এই ঘটনা উল্লেখ কৰা প্ৰথম আৰু একমাত্ৰ কাৰণ হৈছে যে দান দিওঁতাসকলৰ বহুতেই এই কথাটো উপলব্ধি নকৰে যে যি দিয়া হয় তাক আন্তৰিকতা আৰু অমায়িকতাৰে দিলে দানৰ মূল্য আৰু মৰ্য্যাদা আৰ্থিক মূল্যতকৈ বহুগুণে বেছি হৈ পৰে। দান লওঁতাৰ বেলিকাও অলপ কম-বেছি পৰিমাণে সেই একে কথাই খাটে। সৌজন্য আৰু আনন্দচিত্তে দান দিওঁতাজন অধিক সুখী হয়। মোৰ জীৱনটোৰ বহুখিনি সময়েই ৰাজহুৱা কামৰ নিমিত্তে দান-বৰঙনি বিচাৰোঁতেই গৈছিল আৰু এতিয়াও যোৰহাট দৃষ্টিহীন বিদ্যালয়ৰ নিমিত্তে ভিক্ষা খুজিয়েই ফুৰিছোঁ। এই দিয়া আৰু লোৱাৰ অমায়িকতাই যে কিমানখিনি আনন্দ বঢ়ায় সেই কথা আমি উপলব্ধি কৰিবলৈ শিকা আৱশ্যক।

১৯২৬ চনৰ গুৱাহাটীত পতা কংগ্ৰেছ অধিবেশনত কিমান আলৈআহুকাল আছিল, আজিৰ দিনত সেই কথা বুঢ়ীআইৰ সাধু যেনহে লাগিব। ১৯৫৮।৫৯ চনত গুৱাহাটীত যি কংগ্ৰেছ অধিবেশন বহিছিল, সেই অধিবেশনত অনেক ক্ষেত্ৰতে চৰকাৰী বিভাগৰ দ্বাৰাই বহু কাৰ্য্য কৰাই দিয়া হৈছিল।

১৯২৬ চনত ফুকন-বৰদলৈ প্ৰমুখ্যে সকলো কংগ্ৰেছ কৰ্মীয়েই শদিয়াৰ পৰা ধুবুৰীলৈ ভ্ৰমণ কৰি কংগ্ৰেছৰ নিমিত্তে সৰ্বমুঠ প্ৰায় ৪৮ হেজাৰ টকাহে তুলিব পাৰিছিল। অথচ ১৯৫৮ চনত মই বিত্তমন্ত্ৰী হৈ থাকোতে গুৱাহাটী চাকুউট হাউছত বহি ব্যৱসায়ী সম্প্ৰদায়ৰ মুৰব্বীসকলক মাতি আনি দুঘণ্টাৰ ভিতৰতে প্ৰায় ৮৮ হেজাৰ টকা তুলি দিছিলোঁ।

১৯২৬ চনৰ কংগ্ৰেছ অধিবেশনৰ প্ৰতি কথাতে অসম চৰকাৰৰ বিষয়াসকলে, তেওঁবিলাকৰ ধামাধৰাসকলে আৰু ব্যৱসায়ী সম্প্ৰদায়ৰ বহুতেই কংগ্ৰেছ অধিবেশনত সহায় কৰা দূৰৰ কথা, প্ৰতি খোজতে তেওঁবিলাকে গুৰুতৰভাৱে বাধাবিঘিনি জন্মাইছিল। প্ৰতিনিধি আৰু অতিথিসকলৰ নিমিত্তে পানী আৰু বিজুলী-পোহৰৰ যোগান ধৰিবৰ নিমিত্তে অভ্যৰ্থনা সমিতিয়ে নিজে এইবিলাক ব্যৱস্থা কৰিব লগা হৈছিল। দুৰ্ভাগ্যৰ বিষয় যেতিয়াই এই ব্যৱস্থাবিলাকৰ ওপৰত হেঁচা ( Demand ) বেছি পৰিল, তেতিয়াই কল-কাৰখানা বেয়া হৈ অকামিলা হবলৈ ধৰিলে। স্বেচ্ছাসেৱকসকলে অনেক সময়ত কান্ধেৰে পানী

কৰিয়াই আনি যোগান ধৰিব লগা হৈছিল। এই সকলোবিলাক যা-যোগাৰ কৰা আদি ব্যৱস্থাত দেশভক্ত ফুকন প্ৰাণকেন্দ্ৰ স্বৰূপ আছিল। এনে এটা গুৰুত্বপূৰ্ণ বিষয় নাছিল যত দেশভক্তৰ বুদ্ধি-পৰামৰ্শ আৰু ব্যক্তিগত মনযোগ নিদিয়াকৈ হৈছিল।

এই অধিবেশনত অসমীয়া স্বেচ্ছাসেৱকসকল যে কিমান পটু, তাৰ প্ৰমাণ ভালকৈ পোৱা গৈছিল। হাবি কটা, আলিবাট বন্ধা. প্ৰতিনিধি আৰু দৰ্শক-বৃন্দ থকা ঘৰ সজা কামৰে পৰা আৰম্ভ কৰি আৱশ্যকমতে কান্ধেৰে পানী কঢ়িওৱা আৰু নেতৃবৃন্দৰ কাপোৰ-কানি ধুই দিয়া সকলো কাৰ্য্য সুচাৰুৰূপে আৰু অম্লানবদনে অসমীয়া শিক্ষিত আৰু গাঁৱলীয়া স্বেচ্ছাসেৱকবৃন্দই কৰিছিল। মই ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত বহুতো কংগ্ৰেছ অধিবেশনতে প্ৰতিনিধিৰূপে যোগ দিছিলোঁ। সত্য কথা কবলৈ গলে অসমীয়া স্বেচ্ছা-সেৱকবাহিনীৰ দৰে মই ক'তো দেখা নাছিলোঁ। মোগল সেনাপতিয়ে যেনেকৈ কৈছিল যে অসমৰ সৈন্য বৰ পাৰ্গত—হিলৈ মাৰিব পাৰে, নাও চলাব পাৰে ইত্যাদি ইত্যাদি। এই কথাৰে পুনৰাবৃত্তি কাৰ্য্যত দেখালে ১৯২৬ চনৰ কংগ্ৰেছৰ অহিংস নীতিৰে আলৈ-আহুকালৰ লগত দিয়া যুদ্ধই।

দিল্লীত স্বামী শ্ৰদ্ধানন্দৰ হত্যাকাণ্ডই গুৱাহাটী কংগ্ৰেছ অধিৱেশনৰ ওপৰত ক'লা ডাৱৰৰ ছাঁ পেলাইছিল। এই প্ৰবন্ধত সেই অধ্যায়টো দীঘলীয়াকৈ আলোচনা কৰাৰ স্থান নাই। ইমানকেই কলে হব, হিন্দু আৰু মুছলমান কংগ্ৰেছী নেতৃবৃন্দই যাতে এই ঘটনাৰ পৰা সাম্প্ৰদায়িক বিদ্বেষৰ ন'কৈ অৱতাৰণা নহয়, তাৰ কাৰণে যথেষ্ট চেষ্টা কৰিছিল।

গুৱাহাটী অধিবেশনত বতৰৰ দুৰ্য্যোগেই আন সকলোবিলাক বাধা বিঘিনিতকৈ বেছি বিপদৰ সৃষ্টি কৰিলে। ডিচেম্বৰৰ শেষত ব্ৰহ্মপুত্ৰৰ পাৰত ফেৰফেৰীয়া বতাহ আৰু পেনপেনীয়া বৰষুণে কংগ্ৰেছ সভা পতা একেবাৰে অসম্ভৱ কৰি তুলিছিল। স্বাধীনতাকামী মুক্তিযোদ্ধাসকলৰ কংগ্ৰেছ মহাসভা বুলিয়েই সভাৰ কাৰ্য্য সুচাৰুৰূপে সম্পন্ন কৰা সম্ভৱ হৈছিল। কিন্তু বৰষুণত দৰ্শক আৰু প্ৰতিনিধিসকল থকা খাদৰ আৰু থৈলা কাপোৰৰ বা পাতলীয়াকৈ খেৰেৰে চোৱা সৰু সৰু ঘৰবিলাকৰ চালৰ পানী উৰুখিছিল। ফলত কংগ্ৰেছী প্ৰতিনিধিবৰ্গ থকাই একপ্ৰকাৰ অসম্ভৱ হৈ উঠিছিল। কিন্তু কোনো দুৰ্য্যোগতে হতাশ হোৱা পুৰুষ দেশভক্ত ফুকন নাছিল। তেওঁ জাহাজ-কোম্পানীৰ লগত বন্দোবস্ত কৰি ডাঙৰ ফ্লেট

এখন আনি পাণ্ডুবাটত লগাই দিয়ালেহি—য'ত প্ৰতিনিধি আৰু দৰ্শকসকল সুকলমে থাকিব পাৰিছিল। দেশভক্তৰ এই অধিবেশনৰ আদৰণী ভাষণেই তেওঁৰ মানুহ গৰাকীৰ বহুখিনি পৰিচয় দিয়ে। সেই ভাষণ পুৰণি হলেও ই চিৰনতুন হৈয়েই থাকিব। ইয়াৰ একাংশ উদ্ধৃত কৰি দিলোঁ। তেওঁৰ ভাষণ-প্ৰসঙ্গত কৈছিল—" আপোনালোক ভাৰতীয় জাতিৰ যোগ্য প্ৰতিনিধি। আপোনালোকক আজি আহ্বান জনাইছো—ভাৰতীয় জাতীয়তাবাদক নিৰ্ভীকভাবে সমৰ্থন কৰি আমাক "স্বৰাজ" লাভৰ উদ্দেশ্যে প্ৰকৃত পথটো দেখুৱাই দিবলৈ। ভিতৰুৱা মতভেদৰ পৰা আমাক উদ্ধাৰ কৰি শীঘ্ৰে "স্বৰাজ" লাভ কৰিবলৈ আমাৰ যি আশাশুধীয়া প্ৰচেষ্টা, তাত সফল হবলৈ সহায় কৰক। আমাৰ জাতীয় জীৱনক তিল তিলকৈ খুলি খুলি খোৱা যি সাম্প্ৰদায়িক ভেদাভেদ আছে তাক আপোনালোকৰ সাৰুৱা উপদেশ আৰু আন্তৰিক সহিষ্ণুতাই আমাক পাহৰাই দিয়ক। আপোনালোকৰ উদাৰ নীতি আৰু সহৃদয় ব্যৱহাৰে আমাৰ তুচ্ছ কূটনীতিবোৰ ওফৰাই দিয়ক আৰু একতাবদ্ধভাবে কাম কৰিবলৈ আমাক প্ৰকৃত পথ দেখুৱাই দিয়ক। আপোনালোকৰ আত্মোৎসৰ্গৰ মহৎ উদাহৰণে আমাক অসৎ পথৰ পৰা উদ্ধাৰ কৰক আৰু এটা নিস্বাৰ্থ জাতীয় জীৱনযাপন কৰিবলৈ উদগনি দিয়ক। আপোনালোকে বিশ্বাস আৰু জয় কামনাৰে আমাক স্বৰাজৰ শেষৰ লক্ষ্যত উপনীত হবলৈ শক্তিশালী নেতৃত্ব দিয়ক। দুৰ্বলীৰ অন্তৰত সাহস দিয়ক আৰু অগণন উৎসাহহীন মনত আশা দিয়ক। স্বৰাজ লাভ কৰিবলৈ আমাৰ যি আশাশুধীয়া প্ৰচেষ্টা, তাত যদি কোনো দুষ্ট শক্তিয়ে বাধা দিয়ে তেন্তে তাৰ লগত দৃঢ়প্ৰতিজ্ঞ হৈ যুঁজ কৰিম—এই বুলি একমুখে স্বীকাৰ কৰক আৰু ঘোষণা কৰক যে চেনেহী দেশমাতৃক মুক্ত কৰিবলৈ আপোনালোকে যেনে তেনে শেষ মুহূৰ্তলৈকে যুঁজ কৰিব। মই নিজে বৰ বেছি পৰিমাণে আশাবাদী আৰু মোৰ দৃঢ় বিশ্বাস আৰু স্পষ্ট ধাৰণা যে দহজনে ভবাতকৈ বেছি সোনকালে ভাৰত স্বাধীন হব, যদি আমি সততা, আন্তৰিকতা আৰু একতাৰে কামত প্ৰবৃত্ত হওঁ। আমাৰ কামৰ পৰিমানেৰে কৃতকাৰ্য্যতা জুখিব নোৱাৰি। ইমান কম দিনৰ ভিতৰতে অহিংস-অসহযোগে আচৰিত কাম কৰিছে। ই ভাৰতীয় জীৱনক মনুষ্যত্বপূৰ্ণ কৰি তুলিছে।

মাতৃভূমিৰ প্ৰতি ই এনে এটা স্বাধীনতাপ্ৰয়াসী প্ৰেম সঞ্চাৰ কৰিছে—যিটোক আমেলাতন্ত্ৰৰ অতি অমানুষিক বিধানেও মষিমূৰ কৰিব নোৱাৰে।

ই আমাক ইয়াকো শিকাইছে যে যেতিয়া শক্তিশালী জাতি এটাই নিজৰ সামৰিক শক্তিৰ বলেৰে দুৰ্বল জাতি এটাক জনসাধাৰণৰ মতৰ বিৰুদ্ধে যাবলৈ বাধ্য কৰায়, তেতিয়া সেই দুৰ্বল জাতিটোৰ বিদ্ৰোহ কৰিবৰ অধিকাৰ আছে।

স্বাধীনতা লাভ কৰিবলৈ আমি যি সাধু প্ৰচেষ্টাৰে আগবাঢ়িছোঁ, তাৰ মাজতো কষ্ট আৰু নিৰাশা আহিব পাৰে, কিন্তু আমি পাহৰিব নালাগিব যে 'ঈয়াকা নাবুদ্বয়া ঈয়াকা নাস্তাইয়েন।' পৰম পিতাক খাটোহঁক আহক।

'তুমি অসীম শক্তিধৰ, তুমি মহান বিধানেৰে দিয়া সকলো যেতিয়া সেইবোৰ নিশ্চয় ভাল হ'ব লাগিব।'

"অসহযোগ আন্দোলনত সামান্যভাবে যিখিনি কৰিব পাৰিছিলো, আমোলাতন্ত্ৰী শাসকসকলৰ হাতত অসমীয়া ৰাইজে তেতিয়া যি জীয়াতু ভুগিলে আৰু ইয়াৰ উপৰিও কংগ্ৰেছৰ যোগেদি আপোনালোকৰ নেতৃত্ব আদৰি লোৱাৰ আৰু স্বাধীনতা-যুঁজত দেহেকেহে লগাৰ আমাৰ যি আন্তৰিক ইচ্ছা, এইবিলাকেই সুদূৰ এখন দুখীয়া নিছলা দেশলৈ আপোনালোকক মাতি আনিবলৈ ভৰষা দিলে।"

বতৰৰ দুৰ্য্যোগৰ কাৰণে প্ৰতিনিধি আৰু দৰ্শকবৃন্দৰ পৰা অভ্যৰ্থনা সমিতিৰ প্ৰাপ্য মাচুল আদায় কৰিব নোৱাৰাত কংগ্ৰেছৰ ঋণ পৰিশোধ কৰোঁতে দেশভক্ত ফুকন আৰু কৰ্মবীৰ বৰদলৈৰ মাটি বিক্ৰী হৈছিল। ইয়াৰ বাবেও সেইসকলক কোনো দিনে কোনো দুখ কৰা দেখা পোৱা নাছিলোঁ। এই ক্ষণজন্মা পুৰুষ দুগৰাকী যেন ভাৰতবৰ্ষৰ মুক্তিযুদ্ধত সেনাপতিত্ব কৰিবলৈহে জন্মগ্ৰহণ কৰিছিল। তেওঁলোকে স্বকাৰ্য্য সম্পন্ন কৰি বিদায় ললে।

# জনহিতকৰ অনুষ্ঠানত দেশভক্ত ফুকন

## শ্ৰীমহেন্দ্ৰনাথ ডেকা

অসমত অসহযোগ আন্দোলনৰ বৰসেনাপতি দেশভক্ত তৰুণৰাম ফুকন ডাঙৰীয়াৰ ৰাজনৈতিক সুকীৰ্তিৰ কথা সকলোৱে জানে। সেইবোৰ কথা বাদ দি সেই মহান নেতাজনাই হাইস্কুল আৰু কুষ্ঠৰোগী আশ্ৰম, গুৱাহাটী লোকেল-বোৰ্ড আদি জনহিতকৰ অনুষ্ঠানলৈ আগবঢ়োৱা অৰিহনাৰ বিষয়েহে মই মোৰ নিজৰ অভিজ্ঞতাৰপৰা এইখিনি কথা কবলৈ বিচাৰিছোঁ।

গুৱাহাটীৰ সুপ্ৰতিষ্ঠিত সোণাৰাম উচ্চ ইংৰাজী স্কুল বৰ্তমান ভৰলু নৈৰ পশ্চিম পাৰত অৱস্থিত। প্ৰথমতে এই স্কুল শুক্ৰেশ্বৰ দেৱালয়ৰ মাটিত, জুবিলী গাৰ্ডেনৰ (আজিকালি পানীকল) ওচৰত স্বনামধন্য উকিল সোণাৰাম ৰাজমেধি-দেৱে স্থাপন কৰিছিল। স্কুল স্থাপন কৰি ৰাজমেধি ডাঙৰীয়া কেইটামান অসুবিধাৰ সন্মুখীন হৈছিল। প্ৰথম কথা তেওঁ চৰকাৰৰ পৰা কোনো ধৰণৰ সহায় সহযোগ পোৱা নাছিল। তদুপৰি স্কুলৰ বাবে নিজা মাটি-ঘৰ নাছিল। এটা কেৰেয়া-ঘৰত এই স্কুল চলোৱা হৈছিল।

সেই সময়ত সৌভাগ্যক্ৰমে তৰুণৰাম ফুকন ডাঙৰীয়া বিলাতৰপৰা বেৰিষ্টাৰি পাছ কৰি অসমলৈ ওভতে। তেওঁৰ বাসভূমি আছিল ভৰলুমুখ। তাতেই চিকাৰপ্ৰিয় ফুকন ডাঙৰীয়াই বনৰীয়া হাতী আৰু ব্ৰহ্মপুত্ৰৰ পানীত ঘৰিয়াল চিকাৰ কৰি কৰ্মজীৱনৰ পাতনি মেলে। এই কামত তেওঁৰ ঘাই সহচৰ আছিল সোণাৰাম ৰাজমেধিৰ এটি পুতেক ভৃগুৰাম দাস। ভৃগুৰামো এজন নিপুণ চিকাৰী আছিল। বিশেষকৈ হাতী ধৰাত তেওঁ নাম কৰিছিল। এই সময়তে সোণাৰাম হাইস্কুলৰ আন এটা অসুবিধাই দেখা দিয়ে। কামৰূপ জিলাৰ সদৰ গুৱাহাটী মহকুমাৰ ঘৰ আৰু ঠাইৰ অভাৱ হোৱাত স্কুলঘৰ এৰি দিবলগীয়া হয়। এই সময়তে ফুকন ডাঙৰীয়াই সোণাৰাম ৰাজমেধিৰ লগত সহযোগ কৰিবলৈ আগবাঢ়ি আহে। তেওঁ পাণবজাৰৰপৰা দুমাইল পশ্চিমে ব্ৰহ্মপুত্ৰৰ পাৰৰ ভৰলু নৈৰ সিপাৰে ( পশ্চিমে ) এডোখৰ আহলবহল মুকলি ঠাই নিৰ্বাচন কৰে আৰু তালৈ হাইস্কুল স্থানান্তৰিত কৰা হয়। সোণাৰাম ৰাজমেধিৰ নামেৰেই

স্কুলৰ নামকৰণ হয়। তাৰ পিছত ৰাজমেধিয়ে এই স্কুল ৰাইজৰ নামত অৰ্পণ কৰে। এইটো উল্লেখযোগ্য কথা যে পণ্ডিত হেমচন্দ্ৰ গোস্বামী, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, ছাৰ চৈয়দ চাদুল্লা কৰ্মপ্ৰাণ চন্দ্ৰনাথ শৰ্মা, নবকুমাৰ বৰুৱা, ত্ৰিগুণাপ্ৰসাদ বৰুৱা, কোঁহিৰাম দাস, ভবেন চৌধুৰী, হৰমোহন দাস, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, ড' কালিচৰণ দাস শ্ৰীৰজনীকান্ত দেৱশৰ্মা প্ৰভৃতি কৃতবিদ্য লোকে শিক্ষকতা কৰি এই স্কুলৰ জেউতি চৰাইছিল। প্ৰায় জন্মৰেপৰা ফুকন ডাঙৰীয়া পৰিচালনা সমিতিৰ সভাপতিৰূপে জড়িত হৈ পৰিছিল। তেওঁ বহু বছৰ ধৰি সমস্ত দায়িত্ব গ্ৰহণ কৰি স্কুলখনৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। সভাপতিৰ দায়িত্বত থাকি তেওঁ স্কুলৰ বাবে এখন খেল-পথাৰৰ ব্যৱস্থাও কৰে। উত্তৰফালৰ ব্ৰহ্মপুত্ৰৰ বালিৰপৰা বালি কঢ়িয়াই আনি হাইস্কুলৰ গাতে লাগি থকা খেলৰ পথাৰখন ওখ কৰি খেলৰ উপযোগী কৰি তোলা হয়। তদুপৰি স্কুলঘৰ, প্ৰধান শিক্ষকৰ থকা-ঘৰ আৰু এটি ছাত্ৰাবাসো তেওঁৰ চেষ্টাতে স্থাপন কৰা হয়। পানীৰ যাতে কেতিয়াও অসুবিধা নহয়, তাৰবাবে ছাত্ৰাবাসৰ গাতে লগাকৈ তেওঁ এটা পুখুৰীও খন্দায়। ইয়াৰ আগতে ভৰলুমুখ আছিল এক শ্মশানভূমি মাত্ৰ। তাতেই আমি ছাত্ৰবিলাকে লগ লাগি আমাৰ সহপাঠী কীৰ্তি হাজৰিকাৰ নশ্বৰ দেহ সোণাৰাম হাইস্কুলৰ ছাত্ৰাবাসৰ অলপ পাছফালে ব্ৰহ্মপুত্ৰৰ পাৰত দাহ কৰোঁ। ফুকন ডাঙৰীয়াৰ যত্নতেই এই জয়াল শ্মশানভূমিত সুন্দৰ স্কুল এখন প্ৰতিষ্ঠিত হয় আৰু ভৰলুৰ পশ্চিমফালে সমগ্ৰ অঞ্চল মানুহৰ বাসৰ উপযোগী হৈ পৰে। ফুকন ডাঙৰীয়া স্কুলৰ সভাপতি হৈ থকা কালছোৱাতেই জগৎবিখ্যাত কবি ৰবি ঠাকুৰ অসমলৈ আহে। তেওঁৰ উৎসাহ অ ৰু আয়োজনত কবিগুৰুক সোণাৰাম হাইস্কুলৰ প্ৰাঙ্গনত আদৰণি জনোৱা হয়। সোণাৰাম ৰাজমেধিৰ নামত প্ৰতিষ্ঠিত এই স্কুল সভাপতি পদত থকা ফুকন ডাঙৰীয়াৰ আন্তৰিক প্ৰচেষ্টাতেই সৰ্বাঙ্গসুন্দৰৰূপে আজিৰ পূৰ্ণাঙ্গ স্তৰত উপনীত হৈছেহি। উত্তৰ গুৱাহাটীৰ কমলদেৱ হাইস্কুলৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপেও ফুকন ডাঙৰীয়াই স্কুলখনক টনকিয়াল কৰিবলৈ বিশেষভাবে যত্নপৰ হৈছিল।

অসমত কুষ্ঠৰোগী আশ্ৰম স্থাপনতো ফুকন ডাঙৰীয়া আগৰণুৱা আছিল। এসময়ত গুৱাহাটী চহৰ আৰু ইয়াৰ আশেপাশে কুষ্ঠৰোগ বিয়পি পৰিছিল। এই সংক্ৰামক ব্যাধি যাতে অধিক ব্যাপ্ত হব নোৱাৰে আৰু ইতিমধ্যে ৰোগত

আক্ৰান্তসকলে যাতে উপযুক্ত প্ৰতিকাৰ পাব পাৰে, তাৰ বাবে ভৰলুমুখৰ বৃহৎ শ্মশানভূমিৰ কিছু অংশ মুকলি কৰি দেশভক্ত ফুকনে এখন কুষ্ঠৰোগীৰ আশ্ৰম পাতে। তেখেঁই এই কুষ্ঠৰোগী আশ্ৰমৰ গুৰি ধৰি দান-বৰঙণি সংগ্ৰহ কৰে আৰু আশ্ৰমৰ ঘৰ-দুৱাৰ সজায়। গুৱাহাটীৰ আশেপাশে থকা কুষ্ঠৰোগীবোৰক ইয়াতে সংস্থাপিত কৰা হয়। ৰোগী- বিলাকৰ খোৱাবোৱা আৰু চিকিৎসাৰ সুব্যৱস্থাৰ দিহা কৰা হয়। তেওঁলোকক একে ঠাইতে সকলো প্ৰকাৰৰ সুবিধা দি ৰখা হয়। সেই সময়ত মূল গুৱাহাটীৰপৰা আঁতৰত হোৱা বাবে নগৰৰ ভিতৰত এই ৰোগ সংক্ৰমনত বাধা পায়। সম্প্ৰতি এই কুষ্ঠালয় 'ফুকনৰ বৰদোলি' বকোলৈ স্থানান্তৰিত হৈছে।

সোণাৰাম হাইস্কুল আৰু কুষ্ঠৰোগী আশ্ৰম স্থাপনৰ লগে লগে ভূতনাথ পৰ্য্যন্ত ব্ৰহ্মপুত্ৰৰ পাৰ হাবি আৰু শ্মশান গুচি মনোৰম ঠাই হৈ পৰে। এই সময়ছোৱাৰ ভিতৰত ফুকন ডাঙৰীয়াই ভৰলু নদীৰ ওপৰৰ দলঙৰপৰা পাণ্ডু, জালুকবাৰী, পলাশবাৰী, বকো আদি ঠাইলৈ চলাচল কৰা দক্ষিণকামৰূপ পথৰ কিছু উন্নতি সাধন কৰে। সেই পথৰ অৱস্থা সেই সময়ত বৰ শোচনীয় আছিল। গৰুগাড়ীৰ বাহিৰে অন্য যান-বাহন নাছিল। পাণ্ডুৰ কংগ্ৰেছ অধিবেশনৰ সময়ত ফুকন ডাঙৰীয়াৰ যত্নত এই পথৰ উন্নতিৰ বিশেষ ব্যৱস্থা কৰা হয়।

১৯৩৪ চনৰ পিছত কেইবাবছৰ ধৰি ফুকন ডাঙৰীয়া গুৱাহাটী লোকেল-বোৰ্ডৰ চেয়াৰমেন পদত অধিষ্ঠিত আছিল। তেওঁৰ আমোলতে লোকেল-বোৰ্ডৰ যোগেদি সমগ্ৰ গুৱাহাটী মহকুমাৰ প্ৰচুৰ উন্নতি সাধিত হয়। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ সহযোগত তেওঁ তামোলপুৰ, টিহু, গোৰেশ্বৰ, খিহদিয়া, বকো প্ৰভৃতি স্থানত চিকিৎসালয় স্থাপন কৰে। তেওঁ প্ৰাথমিক শিক্ষাৰ বিস্তাৰ সাধন কৰে আৰু শিক্ষকসকলৰ মাহিলী দৰমহা বাৰটকা কৰে। তেতিয়াৰ বাৰটকা আছিল কমেও এতিয়াৰ বাৰ দহৰ (১২০·০০) সমান। ইয়াৰ আগতে শতকৰা ৫০ জন পৰ্য্যন্ত মণিটৰ আৰু সহকাৰী শিক্ষক আছিল। তেওঁলোক প্ৰতিজন মণিটৰৰ দৰমহা তিনিটকা আৰু প্ৰতিজন সহকাৰী শিক্ষকৰ দৰমহা আছিল পাঁচটকা।

চেয়াৰমেন ফুকনে বহুতো ঠাইত পুখুৰী খন্দাই খোৱা পানীৰ অসুবিধা আঁতৰায়। বহু আলিবাট সংস্কাৰ আৰু নিৰ্মাণ কৰে, আৰু লগে লগে গৰুগাড়ীৰ ঠাই মটৰগাড়ীয়ে অধিকাৰ কৰে।

ফুকন ডাঙৰীয়া লোকেলবোৰ্ডৰ চেয়াৰমেন থকা কালছোৱাৰ ভিতৰতে নগাঁওত কপিলীৰ ডাঙৰ বানপানী হয়। তেওঁ এদল স্বেচ্ছাসেৱকৰ লগত বানপানীৰ গৰাহত পৰা অঞ্চল পৰিদৰ্শন কৰেগৈ। তেওঁলোকে ডাঙৰ নাওঁত বিভিন্ন খাদ্য-সামগ্ৰী লৈ বানপীড়িতসকলৰ মাজত বিতৰণৰ বাবে গৈছিল। কিন্তু এঠাইত এদল অসমীয়া মানুহে গছৰ তলত বহি থাকি বোকা-পানীত নামি আহি খাদ্য-সামগ্ৰী নিবলৈ অমান্তি হয়। তেতিয়া স্বেচ্ছাসেৱকসকলে ভাদমহীয়া ৰ'দত নাওঁৰপৰা একাঠু বোকাপানীত নামি গৈ খাদ্যশস্য বিতৰণ কৰিবলৈ অক্ষম হয় আৰু উভতি আহে। এই স্বেচ্ছাসেৱক দলৰ নেতা ফুকন ডাঙৰীয়াই ধোদৰ পচলা অসমীয়া কেইজনৰ কৰ্মবিমুখতা দেখি মনত বৰ দুখ পায়। তেওঁ উলটি আহি অসমীয়া বাতৰি-কাকতত তলৰ উক্তিটি প্ৰকাশ কৰে: "বানপানীপীড়িত অসমীয়া লোকক তপিনাত বেত দিহে ভাত খুৱাব লাগিব।" এই উক্তিত ফুকন ডাঙৰীয়াৰ গভীৰ মনোবেদনা নিহিত হৈ আছে।

কৰ্মবীৰ বৰদলৈ আৰু দেশভক্ত ফুকন গুৱাহাটীৰ লোকেলবোৰ্ডৰ চেয়াৰমেন থকা কালছোৱাত কামৰূপ জিলাকে ধৰি গোটেই অসমত ক'লাজ্বৰৰ আক্ৰমণে ভীষণ ৰূপ ধাৰণ কৰিছিল। বহু মানুহ মৃত্যুমুখত পৰিছিল। তেওঁলোক উভয়ে ততাতৈয়াকৈ এই জ্বৰৰপৰা ৰক্ষা কৰাৰ ব্যৱস্থা হাতত লৈছিল আৰু তেতিয়াই আবিষ্কাৰ হোৱা ব্ৰহ্মচাৰী বেজী সকলো ৰোগীতে প্ৰয়োগ কৰি বহু লোকক ৰোগৰপৰা মুক্ত কৰিছিল। দূৰণিবটীয়া হাবিতলীয়া ঠাইলৈ চিকিৎসক আদি পঠিয়াই এই ৰোগৰ চিকিৎসাৰ ব্যৱস্থা কৰিছিল। যাতায়তৰ কোনো সুবিধা নথকাত কেৱল গৰুগাড়ী আৰু মহৰ গাড়ীৰে চিকিৎসকসকলক দূৰাগম্য ঠাইলৈ অহাযোৱাৰ সুবিধা কৰি দিছিল। এইদৰে লোকেলবোৰ্ডৰ যোগেদি ফুকন ডাঙৰীয়াই সমাজৰ উন্নতিত ভালেখিনি মন দিছিল আৰু যত্ন লৈছিল।

ৰাজনৈতিক ক্ষেত্ৰত দেশভক্ত ফুকনৰ নেতৃত্বই যি বিশিষ্ট স্থান অধিকাৰ কৰিছিল সেই কথা মই নকলেও হ'ব।

# অসমৰ ৰাজনীতিত দেশভক্ত ফুকন

শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা

তৰুণৰাম ফুকন ডাঙৰীয়া কুৰিশতিকাৰ প্ৰথমাৰ্দ্ধৰ মাজৰ প্ৰায় ২৫ বছৰ কাল অসমৰ ৰাজনীতিত সংশ্লিষ্ট আছিল। এই সময়ছোৱাৰ প্ৰথম ভাগ আছিল তেতিয়াৰ এই প্ৰদেশৰ একমাত্ৰ ৰাজনৈতিক অনুষ্ঠান অসম এছোচিয়েছনৰ ৰাজনীতিৰ কাল আৰু পিছৰ ছোৱা আছিল কংগ্ৰেছৰ ৰাজনীতিৰ কাল। ফুকন ডাঙৰীয়াই এই দুয়ো অনুষ্ঠানৰ ৰাজনীতিত আত্মনিয়োগ কৰিছিল। তদুপৰি তেওঁ অসম কাউন্সিল আৰু কেন্দ্ৰীয় এছেমব্লিতো ভাগ লৈছিল। কিন্তু অসম এছোচিয়েছন বা কাউন্সিল-এছেমব্লিৰ কাৰ্য্যাৱলীতকৈ তেওঁৰ কংগ্ৰেছৰ কাৰ্য্যাৱলীহে বেছি উজ্জ্বল আৰু কংগ্ৰেছৰ কাৰ্য্যাৱলীৰ কাৰণেহে তেওঁ প্ৰখ্যাত। মহাত্মা গান্ধীৰ নেতৃত্বত কংগ্ৰেছৰ স্বাধীনতাৰ আন্দোলনত জঁপিয়াই পৰি কৰা ত্যাগ আৰু বিভিন্ন কাৰ্য্যাৱলীৰ কাৰণেইহে তেওঁক দেশবাসীয়ে 'দেশভক্ত, আখ্যাৰে বিভূষিত কৰিছিল।

১৯১২ চনৰপৰা ১৯১৮ চনলৈ ফুকন ডাঙৰীয়া দুখন অসম কাউন্সিলৰ সদস্য হৈ থাকে। তেওঁ সেই কাউন্সিলৰ জমিদাৰ বা মাটিগিৰী সমষ্টিৰপৰা নিৰ্বাচিত হৈছিল—প্ৰথমবাৰ গুৱাহাটীৰ জমিদাৰ-উকিল উপেন্দ্ৰনাথ সেনক আৰু দ্বিতীয়বাৰ মেছপাৰাৰ জমিদাৰ ৰাজেন্দ্ৰনাৰায়ণ চৌধুৰীক পৰাজিত কৰি। অসম কাউন্সিলত তেতিয়া ৰাইজৰ হকে আগভাগ লোৱা সদস্যসকলৰ ভিতৰত ৰায়বাহাদুৰ ফণীধৰ চলিহা ডাঙৰীয়া অন্যতম সদস্য আছিল। ফুকন ডাঙৰীয়াই তাত চলিহা ডাঙৰীয়াই দাঙি ধৰা কানি-নিবাৰণৰ আৰু ঘাঁহকৰ প্ৰত্যাহাৰৰ প্ৰস্তাৱ সমৰ্থন কৰি তেজাল বক্তৃতা দিছিল। একে সময়তে তেওঁ অসম এছোচিয়েছনৰ লগত সংশ্লিষ্ট আছিল আৰু এই অনুষ্ঠানৰ হোতা অসমৰত্ন মাণিকচন্দ্ৰ বৰুৱাদেৱৰ মৃত্যুৰ পিছত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ ( এওঁ ১৯১৫ চনত ইয়াৰ ডিব্ৰুগড় অধিবেশনৰ সভাপতি হৈছিল ) পিছতে এই অনুষ্ঠানৰ অন্যতম গুৰিয়াল আৰু ইয়াৰ সভাপতিও হৈছিল। ১৯১৮ চনত বৃটিছ গৱৰ্ণমেণ্টে তেতিয়াৰ মহাসমৰৰ পিছত ভাৰতবৰ্ষক উন্নততৰ আৰু প্ৰতিনিধিত্বমূলক শাসনতন্ত্ৰ দিয়াৰ আশ্বাস দিওঁতে অসম এছোচিয়েছনে অসমক এখন দায়িত্বশীল

কাউন্সিলসহ গৱৰ্ণৰযুক্ত "মেজৰ" প্ৰদেশৰ মৰ্য্যাদা দিবলৈ দাবী কৰে। অসমৰ চীফ কমিছনাৰ ছাৰ বীটছন বেলে তেতিয়াৰ ইংৰাজ প্ৰতিপত্তিশালী চাহ-খেতিয়কসকলৰ মন্ত্ৰণাক্ৰমে এই প্ৰদেশক দায়ত্বশীল আইন সভাৰ সৈতে গৱৰ্ণৰৰ প্ৰদেশৰ পৰিবৰ্তে চীফ কমিছনাৰৰ তলত এখন "মাইনৰ" প্ৰদেশ কৰি ৰাখিবলৈ বৃটিছ গৱৰ্ণমেণ্টৰ ওচৰত ভিতৰুৱাভাৱে অনুমোদন পঠাইছিল। এই বাতৰি প্ৰকাশ পোৱাৰ লগে লগে অসমত প্ৰবল আলোড়ন হয় আৰু অসম এছোচিয়েছনে নিজৰ দাবী সাব্যস্ত কৰিবৰ কাৰণে সেই সময়ত ভাৰত-ভ্ৰমণৰত ভাৰতমন্ত্ৰী মিঃ মণ্টেগু আৰু ভাৰতৰ বৰলাট (গৱৰ্ণৰ জেনেৰেল) লৰ্ড চেমছ্‌ফোৰ্ডৰ ওচৰত কলিকতাত আবেদন আৰু সাক্ষ্য দিয়াৰ সিদ্ধান্ত কৰে। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ নেতৃত্বত মণ্টেগু-চেমছ্‌ফোৰ্ডৰ ওচৰত সাক্ষ্য দিয়া অসম এছোচিয়েছনৰ সেই প্ৰতিনিধি দলৰ ঘনশ্যাম বৰুৱা, প্ৰসন্নকুমাৰ বৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা প্ৰভৃতিৰ লগতে তৰুণৰাম ফুকন ডাঙৰীয়াও ইয়াৰ অন্যতম বিশিষ্ট সদস্য আছিল। এই আবেদনত কৃতকাৰ্য্য হোৱাৰ আশা নেদেখি অসম এছোচিয়েছনে কৰ্মবীৰ বৰদলৈ আৰু প্ৰসন্নকুমাৰ বৰুৱাক বৃটিছ পাৰ্লেমেণ্টৰ জইণ্ট কমিটীৰ আগত অসমৰ দাবী জোৰেৰে উত্থাপন কৰিবলৈ লণ্ডনলৈ পঠাইছিল।

১৯১৯ চনৰ জালিয়ানৱালাবাগৰ হত্যাকাণ্ড আৰু ভাৰতক দায়ত্বশীল শাসন-সংস্কাৰ নিদিয়াৰ প্ৰতিবাদত ১৯২০ চনত কংগ্ৰেছে ভাৰতৰ স্বৰাজৰ কাৰণে মহাত্মা গান্ধীৰ নেতৃত্বত অহিংস অসহযোগ আন্দোলন কৰিবলৈ সিদ্ধান্ত কৰে। সেই সময়ত অসম এছোচিয়েছন অচল হৈ পৰে। ফুকন ডাঙৰীয়াই প্ৰথম এবছৰমান কংগ্ৰেছৰ এই আন্দোলনত যোগ দিয়া নাছিল। নবীনচন্দ্ৰ বৰদলৈ, কুলধৰ চলিহা, চন্দ্ৰনাথ শৰ্মা প্ৰমুখ্যে নেতাসকলে অসমত প্ৰথম প্ৰদেশ কংগ্ৰেছ কমিটী গঠন কৰি এই আন্দোলন আৰম্ভ কৰে। কুলধৰ চলিহা ডাঙৰীয়া এই কমিটীৰ সভাপতি আৰু বৰদলৈ ডাঙৰীয়া প্ৰধান সম্পাদক হয়। পিছত বৰদলৈ ডাঙৰীয়াৰ সনিৰ্বন্ধ অনুৰোধত ফুকন ডাঙৰীয়াই কংগ্ৰেছত সক্ৰিয়ভাৱে যোগ দিয়ে আৰু বৰদলৈ, চলিহা, শৰ্মা প্ৰভৃতি নেতা-সকলে তেওঁক প্ৰদেক কংগ্ৰেছ কমিটীৰ সভাপতি পাতি তেওঁলোকৰ তথা অসম কংগ্ৰেছৰ নেতা বৰণ কৰি লয়। এই বিষয়ে ফুকন ডাঙৰীয়াই নিজে প্ৰাঞ্জলভাৱে লিখি থৈ গৈছে।

ফুকন ডাঙৰীয়াৰ যোগদানে অসমৰ কংগ্ৰেছ আৰু অসহযোগ আন্দোলনক

অধিকতৰ শক্তিশালী কৰি তোলে আৰু নৱগঠিত প্ৰদেশ কংগ্ৰেছ-কমিটীয়ে ফুকন, বৰদলৈ আৰু চলিহা ডাঙৰীয়াৰ লগতে চন্দ্ৰনাথ শৰ্মা আৰু পণ্ডিত কনকচন্দ্ৰ শৰ্মাকো নিখিল ভাৰত কংগ্ৰেছ-কমিটীৰ সদস্য নিৰ্বাচিত কৰে। তেওঁলোক আটাইকেইজন নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ বোম্বাই অধিবেশনলৈ গৈ মহাত্মা গান্ধীক অসমলৈ নিমন্ত্ৰণ কৰি আহে। এই কাৰ্য্যত ফুকন ডাঙৰীয়ায়ে আগভাগ লৈছিল। সেই বছৰেই (১৯২১) আগষ্টত মহাত্মা গান্ধী মৌলানা মহম্মদ আলি প্ৰভৃতি কেইজনমান সৰ্বভাৰতীয় নেতাৰ লগত অসমলৈ আহি গুৱাহাটী, তেজপুৰ, নগাও, যোৰহাট আৰু ডিব্ৰুগড় পৰিভ্ৰমণ কৰি তেওঁৰ তথা কংগ্ৰেছৰ নীতি আৰু কাৰ্য্যপন্থাৰ কথা প্ৰচাৰ কৰি যায়হি। মহাত্মা গান্ধীয়ে পোনতে ফুকন ডাঙৰীয়াৰ ঘৰতে সদলে আলহী হয়হি আৰু তেওঁৰ ঘৰৰ আগৰ তেতিয়াৰ মুকলি প্ৰাঙ্গণত এখন বিৰাট ৰাজহুৱা সভাত ফুকন, বৰদলৈ প্ৰমুখ্যে নেতাসকলৰ কেইবা হেজাৰো টকা মূল্যৰ বিলাতী কাপোৰ সমন্বিতে এটা বিদেশী কাপোৰৰ দমত অগ্নিসংযোগ কৰি তেওঁৰ অসম অভিযান আৰম্ভ কৰে।

ইয়াৰ পিছত ফুকন, বৰদলৈ আৰু চলিহাৰ নেতৃত্বত অসমত ব্যাপক আৰু তুমুল স্বৰাজ আন্দোলন হয়। কোৱা বাহুল্য যে অতিশয় বাগ্মী আৰু সুন্দৰ স্বাস্থ্য-কান্তিৰ থূলন্তৰ পুৰুষ ফুকন ডাঙৰীয়ায়ে এই আন্দোলনৰ শীৰ্ষস্থানত আছিল। অসমৰ এই আন্দোলনৰ বৰ্ণনাৰ ইয়াত অৱকাশ নাই। স্বয়ং মহাত্মা গান্ধীয়ে তেওঁৰ 'ইয়ং ইণ্ডিয়া' কাকতত 'সাহসী অসমীয়াসকলৰ' এই 'সাহসী নেতাজন'ৰ নেতৃত্বত ("under the brave leader of the brave Assamese") অসমে কৰা এই বিৰাট আন্দোলনৰ বৰ্ণনা কৰি গৈছে। এই আন্দোলনত প্ৰহৃত, লাঞ্ছিত আৰু কাৰাৰুদ্ধ হোৱা শ শ বীৰ দেশসেৱকক লক্ষ্য কৰি কৰ্মবীৰ বৰদলৈ ডাঙৰীয়াই শ্ৰীহট্ট-জেলত লিখিছিল:

"নমো নমো নমো সাধনাদীপ্ত
বীৰ কৰ্মীৰ দল;
নমো নমো যাৰ চৰণ পৰশে
পূত ধৰণী তল।
অত্যাচাৰীৰ বিষম লাঞ্ছনা
কত বিনিদ্ৰ ৰাতি
কত অপমান—কত অত্যাচাৰ
ললা বীৰ মূৰ পাতি।" ইত্যাদি

কংগ্ৰেছৰ আন্দোলনত ফুকন ডাঙৰীয়া প্ৰথমতে ধুবুৰীত এটা ৰাজদ্ৰোহ-মূলক বক্তৃতা দিয়াৰ ( তেওঁ তেতিয়া ধুবুৰীৰপৰা লক্ষীমপুৰলৈকে সমগ্ৰ অসমত পৰিভ্ৰমণ কৰি তেওঁৰ ওজস্বিনী বক্তৃতাৰে জনসাধাৰণক আন্দোলনত উদ্বুদ্ধ কৰি ফুৰিছিল ) অভিযোগত অভিযুক্ত হৈছিল। গুৱাহাটীৰ ৰাইজে এখন ৰাজহুৱা সভা পাতি তেওঁক সেই উপলক্ষে অভিনন্দিত কৰি ধুবুৰীত বিচাৰৰ সন্মুখীন হবলৈ আগবঢ়াই দিছিল। বিচাৰৰ দিনা ধুবুৰী লোকে লোকাৰণ্য হৈছিল। পিছে বিচাৰত ফুকন ডাঙৰীয়াই সেই বাৰলৈ মুক্তি পালে। ইয়াৰ পিছত সেই বছৰৰে (১৯২১) ৩০ নৱেম্বৰৰ দিনা তেওঁক বৰদলৈ ডাঙৰীয়াৰ লগত ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ১০৮ ধাৰা অনুসাৰে গ্ৰেপ্তাৰ কৰা হয়। বিচাৰত বৰদলৈ ডাঙৰীয়াৰ ডেৰবছৰ আৰু ফুকন ডাঙৰীয়াৰ এবছৰ কাৰাদণ্ড হয়। এই কাৰাবৰণে তেওঁলোকক অসমবাসীৰ অধিক আদৰ আৰু শ্ৰদ্ধাৰ পাত্ৰ কৰি তুলিলে। বৰদলৈ ডাঙৰীয়াক 'কৰ্মবীৰ' আৰু ফুকন ডাঙৰীয়াক 'দেশভক্ত' আখ্যাৰে বিভূষিত কৰা হয়। ইয়াৰ পিছত চৌৰিচৌৰাৰ ঘটনাৰ কাৰণে মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলন স্থগিত ৰখাত দেশত এটা অবসাদ আহে আৰু কংগ্ৰেছ কৰ্মীসকল কিংকৰ্তব্যবিমূঢ় হৈ পৰে। মহাত্মা গান্ধীয়ে নিৰ্দেশ কৰা গঠনমূলক আঁচনিতে সন্তুষ্ট নেথাকি পণ্ডিত মতিলাল নেহৰু আৰু দেশবন্ধু চিত্তৰঞ্জন দাসৰ নেতৃত্বত এটা দলে কংগ্ৰেছৰ কাউন্সিল এছেমব্লি বৰ্জনৰ প্ৰতিকূলে সেই সভাবিলাক পাৰ্য্যমানে অধিকাৰ কৰি সাংবিধানিক আৰু নিয়মতান্ত্ৰিকভাবেও কংগ্ৰেছৰ আৰু জনসাধাৰণৰ আশা-আকাঙ্ক্ষা পূৰণৰ কাৰণে আন্দোলন কৰাৰ পোষকতা কৰে। গয়া-কংগ্ৰেছত দেশভক্ত ফুকন ডাঙৰীয়াই এই দলত যোগ দিয়ে আৰু পিচৰ নিৰ্বাচনত কেন্দ্ৰীয় আইন সভাৰ ( লেজিছলেটিভ এছেমব্লিৰ ) সদস্য নিৰ্বাচিত হয়। কেন্দ্ৰীয় এছেমব্লিত কংগ্ৰেছ-পাৰ্টি বা স্বৰাজ দলৰ পণ্ডিত মতিলাল নেহৰু নেতা আৰু ফুকন ডাঙৰীয়া 'হুইপ' নিৰ্বাচিত হয়। কেন্দ্ৰীয় পৰিষদত ফুকন ডাঙৰীয়াই সদনত বক্তৃতা দিয়াতকৈ দলটো পূৰঠ আৰু সজাগ কৰি ৰখা 'হুইপ' বা সচেতকৰ কাৰ্য্যতহে অধিক মনোযোগ দিছিল আৰু সকলো ৰকমৰ লোকৰ লগত 'মিলামিশা' আৰু কথোপকথনত অতি পাৰ্গত আৰু সদালাপী ফুকনক নেতা মতিলালেও সেই কামতহে বেছিকৈ নিয়োগ কৰিছিল। ১৯২৬ চনৰ নিৰ্বাচনতো তেওঁ কেন্দ্ৰীয় এছেমব্লিলৈ পুনৰ নিৰ্বাচিত হয় আৰু তাত অনুৰূপ ভূমিকাকে অবলম্বন কৰি থাকে।

১৯২৬ চনৰ ডিচেম্বৰত গুৱাহাটীৰ পাণ্ডুৰ নগৰত অনুষ্ঠিত হোৱা ভাৰতীয় জাতীয় কংগ্রেছৰ ৪১শ অধিবেশনত দেশভক্ত ফুকন ডাঙৰীয়া অভ্যৰ্থনা সমিতিৰ সভাপতি নিৰ্বাচিত হয়। অভ্যৰ্থনা সমিতিৰ প্ৰধান সম্পাদক কৰ্মবীৰ বৰদলৈ প্ৰভৃতিৰ লগত তেওঁ এই অধিবেশনৰ কাৰণে আৱশ্যক হোৱা ধন-সংগ্ৰহৰ আৰু এই অধিবেশনৰ কৃতকাৰ্য্যতাৰ কাৰণে কঠোৰ পৰিশ্ৰম কৰিব লগা হয়। তথাপি যথোচিত পৰিমাণৰ ধন-সংগ্ৰহ নোহোৱাৰ কাৰণে তেওঁলোকে নিজৰ মাটি-সম্পত্তি বন্ধক ৰাখিও ধন ধাৰ লৈ এই অধিবেশনৰ খৰচ বহন কৰিব লগা হয় আৰু পিছত এই ধাৰতে তেওঁলোকৰ ভালেখিনি মাটি-সম্পত্তিও হেৰুৱাব লগা হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি স্বৰূপে ফুকন ডাঙৰীয়াই যি চুটি কিন্তু উদ্দীপনাপূৰ্ণ ভাষণ দিছিল, সমগ্ৰ ভাৰতত তাৰ ভূৰি ভূৰি প্ৰশংসা হৈছিল। এই অভিভাষণত তেওঁ সমবেত সমগ্ৰ ভাৰতবৰ্ষৰ দেশসেৱকসকলক অভিনন্দন জ্ঞাপন কৰি কয় যে এই সৰু আৰু সীমান্ত প্ৰদেশৰ ক্ষুদ্ৰ চহৰ এখনলৈ এই বিৰাট মহাসভাক নিমন্ত্ৰণ কৰোঁতে অভ্যৰ্থনা সমিতিয়ে অতিথিসকলৰ কষ্ট আৰু অসুবিধা হব বুলি অনুভৱ নকৰাকৈ থকা নাছিল। কিন্তু মাননীয় অতিথিসকলে তেওঁলোকৰ এই ভগিনী প্ৰদেশৰ ৰাইজৰ এই মহান অনুষ্ঠানৰ লগত ঘনিষ্ঠ পৰিচয় ঘটোৱাৰ প্ৰবল আকাঙ্খাৰ কথা উপলব্ধি কৰি তেওঁলোকৰ সকলো দোষ-ত্ৰুটী মাৰ্জনা কৰিব লাগে। প্ৰকৃততে কংগ্ৰেছৰ এই অধিবেশনে ভাৰতৰ আন প্ৰদেশসমূহৰ লগত অসমৰ ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিলেও। সেই অধিবেশনতে ফুকন ডাঙৰীয়া ১৯২৭ চনৰ কাৰণে কংগ্ৰেছ ৱৰ্কিং কমিটীৰ অন্যতম সদস্য নিৰ্বাচিত হয়—যি সন্মান তাৰ আগতে অসমৰ কোনো নেতাই পোৱা নাছিল।

১৯২৮ চনৰ ডিচেম্বৰত পণ্ডিত মতিলাল নেহৰুৰ সভাপতিত্ব বহা কলিকতা-কংগ্ৰেছে পৰৱৰ্তী এবছৰৰ ভিতৰতে বৃটিছ গৱৰ্ণমেণ্টে ভাৰতক 'ডমিনিয়ন ষ্টেটাছ' নিদিলে পূৰ্ণ স্বাধীনতাৰ কাৰণে আন্দোলন কৰা হব বুলি সিদ্ধান্ত কৰিলে। সেইমতে পিছৰ বছৰৰ ডিচেম্বৰ মাহত পণ্ডিত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত লাহোৰ-কংগ্ৰেছে পূৰ্ণস্বাধীনতা লাভৰ সংকল্প গ্ৰহণ কৰে। ফুকন ডাঙৰীয়াই কংগ্ৰেছৰ এই দুয়োখন অধিৱেশনত যোগ দিছিল। লাহোৰ কংগ্ৰেছে কংগ্ৰেছ সদস্যসকলক কাউন্সিল-এছেমব্লিৰ পদ পৰিত্যাগ কৰি মহাত্মা গান্ধীৰ নেতৃত্বত স্বাধীনতাৰ আন্দোলনত যোগ দিবলৈ নিৰ্দেশ দিছিল। কিন্তু ফুকন আৰু বৰদলৈ অসমৰ দুয়োজন শীৰ্ষস্থানীয় নেতাই মহাত্মা গান্ধীৰ

নেতৃত্বত হোৱা ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰপৰা আঁতৰি থাকে। ফুকন ডাঙৰীয়া স্বতন্ত্ৰভাৱে পুনৰ কেন্দ্ৰীয় এছেমব্লিৰ সদস্যও হয়। বৰদলৈ ডাঙৰীয়াই ১৯৩২ চনত আন্দোলনত পুনৰ যোগ দিয়ে, কিন্তু ফুকন ডাঙৰীয়া তেতিয়াও আঁতৰিয়েই থাকে আৰু ১৯৩৪ চনত হোৱা কেন্দ্ৰীয় এছেমব্লিৰ নিৰ্বাচনত কংগ্ৰেছ জাতীয়তাবাদী দলৰ প্ৰাৰ্থী স্বৰূপে কংগ্ৰেছৰ আনুষ্ঠানিক প্ৰাৰ্থী বৰদলৈ ডাঙৰীয়াৰ লগত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হয়। ইয়াৰ পিছত ১৯৩৫ চনৰ নতুন শাসন-সংস্কাৰৰ আমোলত কংগ্ৰেছে মন্ত্ৰিত্ব গ্ৰহণ নকৰাৰ শঙ্কাত ১৯৩৬ চনৰ প্ৰাদেশিক আইন সভাবিলাকৰ নিৰ্বাচনত তেওঁ মিলিত জনসংঘ নামেৰে এটা দল গঠন কৰি কংগ্ৰেছৰ লগত প্ৰতিদ্বন্দ্বিতা কৰে। এই নিৰ্বাচনত কংগ্ৰেছ অসম বিধান সভাত একক সংখ্যাগৰিষ্ঠ নহলেও সৰ্ববৃহৎ দল হয় আৰু মিলিত জনসংঘৰ মাত্ৰ দুজনমান প্ৰাৰ্থীয়েহে জয়লাভ কৰে। ফুকন ডাঙৰীয়া নিজেও পৰাজিত হয়।

এই নিৰ্বাচনৰ পিছত কংগ্ৰেছে অকলে সংখ্যাগৰিষ্ঠতা লাভ কৰা প্ৰদেশকিখনত সম্পূৰ্ণ কংগ্ৰেছী মন্ত্ৰীসভা আৰু অসমৰ দৰে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিব নোৱাৰা কিন্তু সৰ্বপ্ৰধান দল হোৱা উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত কংগ্ৰেছ-কোৱেলিছন মন্ত্ৰীসভা গঠন কৰা হয়। অসমত মুছলিম লীগৰ প্ৰাধান্যত মিলিত জনসংঘৰ সদস্য ৰোহিণীকুমাৰ চৌধুৰী আৰু দুজনমান স্বতন্ত্ৰ সদস্যৰ সৈতে ছাদুল্লা-মন্ত্ৰীসভা গঠিত হয়। এই মন্ত্ৰীসভাই অসমক মুছলমান সংখ্যাগৰিষ্ঠ প্ৰদেশত পৰিণত কৰি মুছলমান সংখ্যাগৰিষ্ঠ বঙ্গদেশৰ লগত পূবপাকিস্তান ৰাজ্য গঠন কৰাৰ দাবী শক্তিশালী কৰাৰ উদ্দেশ্যে পূববঙ্গৰ লাখ লাখ মুছলমান পমুৱাক ইয়াত অবাধে মাটি দি বসতি দিবলৈ ধৰে। মুছলমান পমুৱাৰ উপদ্ৰৱত বিশেষকৈ অসমীয়া ট্ৰাইবেল বা জনজাতীয় লোকসকলৰ দুৰ্গতিৰ সীমা নোহোৱা হয়। এই অৱস্থাত অসমৰ স্বাৰ্থৰ কাৰণেও উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত দিয়াৰ দৰে এই প্ৰদেশতো কংগ্ৰেছ দলক কংগ্ৰেছ-কোৱেলিছন মন্ত্ৰীসভা গঠন কৰিবলৈ দিব লাগে বুলি কিছুমান কংগ্ৰেছীয়ে কেন্দ্ৰীয় কংগ্ৰেছ কৰ্তৃপক্ষক অনুৰোধ কৰিবলৈ ধৰে আৰু কংগ্ৰেছ কৰ্তৃপক্ষই তাত সহঁাৰি দিয়ে। ফুকন ডাঙৰীয়াই মিলিত জনসংঘৰ তেওঁৰ সহকৰ্মী মন্ত্ৰী ৰোহিণীকুমাৰ চৌধুৰী আৰু এম-এল-এ শ্ৰীপুৰন্দৰ শৰ্মাই ছাদুল্লা মন্ত্ৰীসভাৰ দেশবিৰোধী কাৰ্য্যত সহযোগিতা কৰাত সমূলি ভাল পোৱা নাছিল। অথচ কংগ্ৰেছ দলে মন্ত্ৰিত্ব গ্ৰহণ নকৰা অৱস্থাত তেওঁলোকক

তাৰ পৰা আঁতৰাই আনিবও নোৱাৰিছিল। গতিকে এতিয়া কেন্দ্ৰীয় কংগ্ৰেছ কৰ্তৃপক্ষই অসমৰ কংগ্ৰেছ দলক কংগ্ৰেছ কোৱেলিছন মন্ত্ৰীসভা গঠন কৰিবলৈ অনুমতি দিয়াত তেওঁ বৰ আনন্দ পায় আৰু মিলিত জনসংঘ পৰিত্যাগ কৰি পুনৰ কংগ্ৰেছলৈ আহিবলৈ আৰু আন কেইজনমানকো আনিবলৈ বা ইয়াৰ (কংগ্ৰেছৰ) লগত সহযোগিতা কৰাবলৈ ইচ্ছা কৰে। তেওঁক কংগ্ৰেছত লোৱা হয় আৰু ইয়াৰ পিছত তেওঁ অসম বিধান সভাৰ কংগ্ৰেছ দলৰ সদস্য সংখ্যা বৃদ্ধি কৰাত আৰু ছাদুল্লা মন্ত্ৰীসভাক ভাঙি কংগ্ৰেছ দলক মন্ত্ৰীসভা গঠনত সহায় কৰাত একান্তভাৱে আত্মনিয়োগ কৰে আৰু এই বিষয়ত বহু পৰিমানে সফল হয়। ৰোহিণীকুমাৰ চৌধুৰীয়ে ছাদুল্লাৰ দল এৰি নাহিল; কিন্তু শ্ৰীপুৰন্দৰ শৰ্মা আৰু আন কেইজনমান সদস্যই কংগ্ৰেছ দলৰ লগ লাগি ছাদুল্লা-মন্ত্ৰীসভাৰ পতন অনিবাৰ্য্য কৰি তুলিলে। প্ৰধানমন্ত্ৰী ছাদুল্লাই (তেতিয়া মুখ্যমন্ত্ৰীজনক প্ৰধানমন্ত্ৰী বুলি অভিহিত কৰা হৈছিল) নিজেই তেওঁৰ মন্ত্ৰীসভাই বিধানসভাৰ সংখ্যাগৰিষ্ঠ ভাগৰ আস্থা হেৰুৱাইছে বুলি বিধান সভাৰ মজিয়াত স্বীকাৰ কৰি মন্ত্ৰীসভাৰ পদত্যাগৰ কথা ঘোষণা কৰিলে। ১৯৩৮ চনত লোকপ্ৰিয় গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বত অসমত কংগ্ৰেছ-কোৱেলিছন মন্ত্ৰীসভা গঠিত হয়।

ফুকন ডাঙৰীয়াই ১৯৩০-৩২ চনৰ আইন অমান্য আন্দোলনত যোগ নিদিয়াৰ কাৰণে তেওঁৰ সহকৰ্মীসকল বা অসমবাসী কিছু ব্যথিত হলেও তেওঁৰ প্ৰতি বীতশ্ৰদ্ধ হোৱা নাছিল। ১৯৩০ চনত কংগ্ৰেছৰ ইচ্ছাৰ প্ৰতিকূলে কেন্দ্ৰীয় আইন সভাৰ উপনিৰ্বাচনত স্বতন্ত্ৰভাৱে উঠোতেও তেওঁক ভোটাৰসকলে তেওঁৰ প্ৰতিদ্বন্দ্বী চন্দ্ৰধৰ বৰুৱাদেৱতকৈ প্ৰায় দুগুণ অধিক ভোটত নিৰ্বাচিত কৰিছিল। ১৯৩৪ চনত কেন্দ্ৰীয় এছেমব্লিৰ নিৰ্বাচনত তেওঁ কংগ্ৰেছৰ আনুষ্ঠানিক প্ৰাৰ্থী কৰ্মবীৰ বৰদলৈৰ লগত প্ৰতিদ্বন্দ্বিতা কৰাতো তেওঁলোক খুব বিচলিত হোৱা নাছিল। কিন্তু ১৯৩৬ চনৰ প্ৰাদেশিক বিধান সভাৰ নিৰ্বাচনত মিলিত জনসংঘ নামে এটা নতুন দল গঠন কৰি কংগ্ৰেছৰ বিৰোধিতা কৰাৰ কাৰণে যে তেওঁৰ সুনাম আৰু মৰ্য্যাদা কিছু পৰিমাণে ক্ষুণ্ণ হৈছিল, তাত সন্দেহ নাই। প্ৰদেশ কংগ্ৰেছ-কমিটীয়ে এই কাৰ্য্যৰ কাৰণে তেওঁৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থাও অৱলম্বন কৰিছিল। ফুকন ডাঙৰীয়াই যিসকল লোকক লৈ সেই দল গঠন কৰিছিল, তেওঁলোকৰ ওপৰত ৰাইজৰ আস্থা নাছিল। সুখৰ বিষয় দুবছৰৰ ভিতৰতে ফুকন ডাঙৰীয়াই প্ৰদেশ কংগ্ৰেছ কমিটীৰ

ওচৰত তেওঁৰ ভুল স্বীকাৰ কৰি, মাৰ্জনা বিচাৰি আৰু পুনৰ কংগ্ৰেছত যোগ দি অসমত কংগ্ৰেছ-মন্ত্ৰীসভা গঠনৰ কাৰণে নিঃস্বাৰ্থভাৱে খাটি তেওঁৰ হৃত বা ক্ষুণ্ণ মৰ্য্যাদা পুনৰ উদ্ধাৰ কৰিলে। দুখৰ বিষয় ইয়াৰ অব্যৱহিত পিছতে তেওঁ হঠাৎ আৰু আকস্মিকভাবে ইহলীলা সম্বৰণ কৰে। লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াই এই বিষয়ে লিখিছে ঃ "ফুকনে যি স্থান হেৰুৱাইছিল, মৰণত সেই স্থান ললেগৈ। Home they brought the warrior dead —সকলো লোকে মিলি তেওঁৰ মৃতদেহ কংগ্ৰেছ অফিচলৈ আনি যি সন্মান দেখুৱালে, সি মহাৰথীৰ যোগ্য।..."

কিন্তু প্ৰকৃতপক্ষে মৰণত নহয়, জীৱিতাৱস্থাতেই ফুকন ডাঙৰীয়াই তেওঁৰ হৃত গৌৰব পুনৰ উদ্ধাৰ কৰিছিল আৰু দেশবাসীৰ মনত "দেশভক্ত ফুকন" স্বৰূপে পুনঃ প্ৰতিষ্ঠিত হৈছিল।

এয়ে দেশভক্ত ফুকন ডাঙৰীয়াৰ ৰাজনৈতিক জীৱনৰ এক থুলমূল বিবৰণ। এতিয়া দুটামান প্ৰাসঙ্গিক আৰু আলোচনামূলক মন্তব্যৰে সামৰণি মাৰিম।

ফুকন ডাঙৰীয়া নিঃসন্দেহে এজন অসাধাৰণ ৰাজনৈতিক প্ৰতিভাসম্পন্ন পুৰুষ আছিল। কিন্তু আমাৰ মনেৰে এই ক্ষেত্ৰত আমি তেওঁৰ অসাধাৰণ প্ৰতিভাৰ জোখাৰে অৰিহণা নেপালোঁ আৰু তেওঁৰ 'পটেনচিয়েলিটি' বা অন্তৰ্নিহিত প্ৰতিভা সম্পূৰ্ণৰূপে বিকশিত নহ'ল। ইয়াৰ কাৰণে তেওঁ নিজে কিমান দূৰ আৰু তেওঁৰ সহকৰ্মী-সহযোগীসকল কিমানদূৰ দায়ী, সেইটো ভাবি চাবলগীয়া। 'পষ্ট মৰ্টেম' বা মৰণোত্তৰ পৰীক্ষা স্বৰূপে হলেও এই বিষয়ে দুটামান কথা কব পাৰি আৰু ইয়াৰ পৰা উপকাৰৰ বাহিৰে কাৰো একো অপকাৰ নহব।

ফুকন ডাঙৰীয়া এজন প্ৰখৰ বুদ্ধিমান আৰু প্ৰতিভাশালী লোক আছিল যদিও তেওঁ জটিল ৰাজনীতি চৰ্চা আৰু অধ্যয়নৰ অনুৰাগী নাছিল। বস্তুতঃ তেওঁ আন বহু বিষয়তো অধ্যয়নপৰাঙ্মুখ আৰু শ্ৰমবিমুখ আছিল। সেই কাৰণেও সময় কটাবলৈ তেওঁ ৰাজনীতিতকৈ চিকাৰত বেছিকৈ মনোনিবেশ কৰিবলৈ ধৰিলে বুলি ভাবিব পাৰি। তেওঁৰ গুণমুগ্ধ লোকপ্ৰিয় গোপীনাথ বৰদলৈ ডাঙৰীয়ায়ো কৈছে ঃ

"......... তেওঁৰ জীৱনটো যেন কেৱল ক্ৰীড়াময়হে ( all sports ) আছিল। চিকাৰৰ প্ৰবল আগ্ৰহ আৰু কষ্টসহনৰ অসীম ক্ষমতাই তেওঁৰ শাৰীৰিক শক্তি যেনেকৈ বঢ়ালে, মানসিক শক্তিৰ সেই পৰিমানে প্ৰয়োগৰ অভাবত উৎকৰ্ষ সাধন নহ'ল বুলি কলে বৰ অন্যায় কৰা নহব। ফুকনে জীৱনত

কোনো দিনেই কোনো বিষয়তে 'একাডেমিক' অৰ্থাৎ পাঠ্য বিদ্যা লাভ কৰিব নোৱাৰিলে। আনকি তেনে বিদ্যালাভৰ আকাঙ্ক্ষায়ো তেওঁৰ মনত কেতিয়াও দেখা নিদিলে। কোনো ৰাজনৈতিক বা সমাজনৈতিক সমস্যাৰ গূঢ়তত্ত্ব অন্বেষণ কৰিবৰ ইচ্ছাও তেওঁৰ কোনো দিনেই নহ'ল। তেওঁক এনে কোনো গভীৰ তথ্যৰ পুথি পঢ়া মই কেতিয়াও দেখা নাছিলোঁ। পাঠ্য সম্বন্ধে কোনো বিষয়ৰ প্ৰতি তেওঁৰ বিশেষ অভিলাষ দেখা নগৈছিল। চিকাৰ বা আন ধাউতিত ব্যস্ত থাকিলে বহু সময়ত দৈনিক খবৰৰ কাকতো বহু দিনলৈকে চকু ফুৰাই নেচাইছিল। .........”

এনে অৱস্থাত আমাৰ মনেৰে ফুকন ডাঙৰীয়াক এজন বা ততোধিক উপ-যুক্ত ৰাজনীতিজ্ঞ আৰু দেশপ্ৰেমিক সচিব বা সহকাৰী লাগিছিল। আমাৰ দুৰ্ভাগ্য যে দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা অকালতে স্বৰ্গী হ'ল। তেওঁ জীৱিত থকা হলে আমি ফুকন ডাঙৰীয়াৰ অন্তৰ্নিহিত প্ৰতিভা পূৰ্ণভাৱে বিকাশ হোৱা আৰু তাৰ দ্বাৰা দেশ অধিকতৰ উপকৃত হোৱা দেখিলোঁহেতেন। আন দেশত বহুত নেতাই সেইদৰেই উৎকৰ্ষ লাভ কৰে। চন্দ্ৰনাথ শৰ্মাই কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু দেশভক্ত ফুকন দুয়োজনকে নানান উদগনি, লিখাপঢ়া আৰু তথ্যপাতিৰে সহায় কৰিছিল বুলি জনা যায়। কৰ্মবীৰ বৰদলৈ নিজেও যথেষ্ট অধ্যয়নশীল আৰু পৰিশ্ৰমী আছিল। সেই-কাৰণে চন্দ্ৰনাথ শৰ্মাৰ বিয়োগত বৰদলৈ ডাঙৰীয়াতকৈ ফুকন ডাঙৰীয়া অধিক ক্ষতিগ্ৰস্ত হ'ল বুলি বোধ হয়। তেনে এজন সহযোগী আৰু সহকৰ্মী তেওঁ আৰু নেপালে। বৰং পিছৰ কালত তেওঁক কোনো কোনো পাতল আৰু টুটকীয়া ডেকা কংগ্ৰেছকৰ্মীয়ে বিপথগামীহে কৰিছিল বুলি ভবাৰ থল আছে। ১৯৪৩ চনত কেন্দ্ৰীয় আইন সভাৰ নিৰ্বাচনত ফুকন ডাঙৰীয়াক প্ৰাৰ্থী মনোনয়নৰ কাৰণে অসম প্ৰাদেশিক কংগ্ৰেছ-কমিটীৰ ওচৰত আবেদন কৰিবলৈ নিৰুৎসাহ কৰাৰ গুৰিতো এনে কোনো লোকেই আছিল বুলি জনা যায়। ফুকন ডাঙৰীয়াই নিজেই তাৰ আভাস দি গৈছে। তেওঁ আগতে কংগ্ৰেছ জাতীয়তাবাদী দলত যোগ দিয়া নাছিল। তেওঁ কেন্দ্ৰীয় কংগ্ৰেছ পাৰ্লেমেণ্টৰী বৰ্ডলৈ পোনে পোনে কৰা আবেদন কেন্দ্ৰীয় পাৰ্লেমেণ্টৰী বৰ্ডে প্ৰদেশ কংগ্ৰেছ-কমিটীলৈ বিবেচনাৰ কাৰণে পঠিয়াই দিয়াতহে ফুকন ডাঙ-ৰীয়াই প্ৰদেশ কংগ্ৰেছ-কমিটীয়ে তেওঁলোকৰ আগৰ সৰ্বসন্মত সিদ্ধান্ত ( কৰ্মবীৰ বৰদলৈক মনোনয়ন দিয়া ) পৰিত্যাগ নকৰিব বুলি অনুভব কৰি সেই আবেদন

প্ৰত্যাহাৰ কৰি, বৃটিছ প্ৰধানমন্ত্ৰীৰ সাম্প্ৰদায়িক বাটোৱাৰৰ প্ৰতিবাদৰ যুক্তিত কংগ্ৰেছ জাতীয়তাবাদী দলৰ প্ৰাৰ্থী হয়। ইয়াৰ আগতে ফুকন ডাঙৰীয়াই বৃটিছ প্ৰধানমন্ত্ৰীয়ে প্ৰায় ডেৰবছৰৰ আগতে ঘোষণা কৰা তেওঁৰ সাম্প্ৰদায়িক বাটোৱাৰাৰ বিৰুদ্ধে কংগ্ৰেছ, কেন্দ্ৰীয় পৰিষদ বা আন ক'তো এটা কথাও কোৱা নাছিল। এই প্ৰসঙ্গত এই কথাটো বিশেষভাবে মন কৰিব লগীয়া।

সেইদৰে ১৯৩৬ চনৰ নিৰ্বাচনত কংগ্ৰেছ এৰি মিলিত জনসংঘত যোগ দি ফুকন ডাঙৰীয়াই ভুল কৰিব নালাগিছিল। কংগ্ৰেছে মন্ত্ৰিত্ব গ্ৰহণ নকৰে বুলি চূড়ান্তভাবে সিদ্ধান্ত গ্ৰহণ কৰা নাছিল আৰু বৃটিছ গৱৰ্ণমেণ্টে ১৯৩৫ চনৰ শাসন-সংস্কাৰ আইনত প্ৰাদেশিক গৱৰ্ণৰসকলক দিয়া মইমতীয়া বিশেষ ক্ষমতা তেওঁলোকে কাৰ্যক্ষেত্ৰত প্ৰয়োগ নকৰিলে আৰু মন্ত্ৰীসভা তথা বিধান সভাৰ বৈধ সিদ্ধান্তত হস্তক্ষেপ নকৰিলে কংগ্ৰেছে মন্ত্ৰিত্ব গ্ৰহণ কৰা উচিত বুলি তেতিয়াও সৰু-বৰ অনেক কংগ্ৰেছীয়েই মত প্ৰকাশ কৰি আছিল। কেন্দ্ৰীয় কংগ্ৰেছ নেতৃত্বয়ো সম্ভৱতঃ বৃটিছ গৱৰ্ণমেণ্টৰ পৰা সেই প্ৰতিশ্ৰুতি আদায় কৰিবৰ কাৰণেই সেই অৱস্থাত মন্ত্ৰিত্ব গ্ৰহণ কৰা নহব বুলি কৈ আছিল। তেওঁলোকে উপলব্ধি কৰিছিল যে আগন্তুক নিৰ্ব'চনত কংগ্ৰেছে কেইবাখনো প্ৰদেশত বিধান সভাত সংখ্যাগৰিষ্ঠতা লাভ কৰিবই আৰু তেওঁলোকে মন্ত্ৰিত্ব গ্ৰহণ নকৰিলে সেইবিলাক প্ৰদেশত শাসনতন্ত্ৰ অচল হব—গৱৰ্ণৰসকলে স্থায়ীভাৱে তেওঁলোকৰ পোনপটীয়া শাসন চলাই থাকিব নোৱাৰিব, চৰকাৰে তেওঁলোকৰ (কংগ্ৰেছৰ) লগত আপোচ কৰিব লাগিবই। গতিকে ফুকন ডাঙৰীয়াৰ দৰে বিজ্ঞ নেতাই এইবিলাক কথা উপলব্ধি কৰা আৰু মন্ত্ৰিত্ব গ্ৰহণৰ সমৰ্থক অন্যান্য নেতৃস্থানীয় কংগ্ৰেছীসকলৰ দৰে ধৈৰ্য্য ধৰি কংগ্ৰেছতে থাকি মন্ত্ৰিত্ব গ্ৰহণৰ পক্ষে জনমত গঠন কৰা আৰু কেন্দ্ৰীয় কংগ্ৰেছ কৰ্তৃপক্ষক —যি কৰ্তৃপক্ষৰ লগত তেওঁৰ ভালেখিনি জনাশুনা আছিল — ইয়াৰ কাৰণে বুজনি আৰু হেঁচা দি থকাহে উচিত আছিল। সেইদৰে তেওঁ কংগ্ৰেছত থাকি ১৯৩৬ চনৰ নিৰ্বাচনত ইয়াৰ নেতৃত্ব কৰা হলে প্ৰাদেশিক কংগ্ৰেছে সেই নিৰ্বাচনত তেওঁৰ সমন্বিতে আৰু কেইবাজনো অধিক কংগ্ৰেছ প্ৰাৰ্থী দিব পাৰিলেহেঁতেন আৰু অধিকতৰ সংখ্যক আসন লাভ কৰি উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশৰ দৰে পোনে পোনেই ১৯৩৭ চনৰ আগভাগতেই অসমৰো কংগ্ৰেছ কোৱেলিছন মন্ত্ৰীসভা গঠন কৰিব পাৰিলেহেঁতেন। আৰু কোৱা বাহুল্য

যে, সেই ক্ষেত্রত অসম বিধান সভাৰ কংগ্রেছ দলৰ দলপতি তথা অসমৰ মুখ্যমন্ত্রী ফুকন ডাঙৰীয়ায়ে হলহেঁতেন। দুর্ভাগ্যবশতঃ সেইটো হৈ নুঠিল।

মুনিনাঞ্চ মতিভ্রমঃ—ঋষি-মুনিসকলৰো অৱস্থাবিশেষে ভুল নোহোৱাকৈ নাথাকে। ফুকন ডাঙৰীয়ায়ো ভুল নকৰাকৈ নাছিল যদিও তেওঁ দেশৰ কাৰণে যিখিনি কৰি গ'ল, তাৰ কাৰণেও অসমবাসী তেওঁৰ ওচৰত ঋণী। সেইখিনিৰ কাৰণেও তেওঁ আমাৰ চিৰনমস্য। দেশভক্ত ফুকন ডাঙৰীয়াৰ দৰে পুৰুষৰ ভুলৰ পৰাও আমি ভালেখিনি জ্ঞান লাভ কৰি সেইবোৰৰপৰা উপকৃত হব পাৰোঁ।

# দেশভক্ত ফুকন আৰু তেওঁৰ ব্যক্তিত্ব

## শ্ৰীদেবেন্দ্ৰনাথ শৰ্মা

দেশভক্ত তৰুণৰাম ফুকন এনে এজন প্ৰাতঃস্মৰণীয় পুৰুষ আছিল যি কেৱল সমসাময়িক দেশ আৰু সমাজৰ নাম, যশ আৰু সন্মান প্ৰতিষ্ঠাৰ বাবেই কৰ্ম-সাধনা কৰা নাছিল, তেওঁৰ সৰহ ভাগ কৰ্মই আছিল অনাগত দেশ, কাল আৰু জাতিৰ শক্তি আৰু মহত্ত্ব বিধানৰ বাবে।

দেশভক্ত ফুকন এজন লব্ধপ্ৰতিষ্ঠ আইনজ্ঞ আছিল আৰু সেই হিচাপে তেওঁ অভিনন্দিত হৈছিল। যি সময়ত আইন-ব্যৱসায়ত তেওঁৰ প্ৰতিষ্ঠা, সেই সময়তে তেওঁ আইন-ব্যৱসায় ত্যাগ কৰে আৰু আইন-কলেজৰো অধ্যাপকৰ পদ ইস্তফা দি নিজক জননী জন্মভূমিৰ একান্ত সেৱক হিচাপে পৰিচয় দিয়াৰ যোগ্যতা প্ৰতিপন্ন কৰে।

সেই সময়ত ভাৰতবৰ্ষৰ ৰাজনৈতিক পৰিস্থিতি আছিল অস্থিৰ আৰু উত্তেজনাপূৰ্ণ। প্ৰথম বিশ্ব-যুদ্ধৰ সময়ত ইংৰাজৰ বিপদ কালত সাম্ৰাজ্যবাদী ইংৰাজ চৰকাৰে ভাৰতবৰ্ষক আশ্বাস দিছিল যে যুদ্ধত জয়লাভ কৰিলে ইংৰাজ-চৰকাৰে ভাৰতক ইপ্সিত ৰাজনৈতিক অধিকাৰ দিব। ইংৰাজ-চৰকাৰৰ এই আশ্বাস বাণীত ভাৰতে বিশ্বাস স্থাপন কৰি পাৰ্য্যমানে ইংৰাজক ধন, জন আৰু সম্ভৰপৰ সকলো প্ৰকাৰে সাহায্য দি যুদ্ধত জয়লাভ কৰিবলৈ শক্তি যোগাইছিল। কিন্তু এই বিপুল সাহায্যৰ পৰিবৰ্ত্তে যুদ্ধত জয়লাভ কৰি সাম্ৰাজ্যবাদী বিদেশী চৰকাৰে চৰম বিশ্বাসঘাতকতাহে কৰে। ভাৰতবৰ্ষক তেওঁলোকে যি ৰাজনৈতিক অধিকাৰ দিম বুলি আশা দিছিল, তাক পূৰণ নকৰিলেই, বৰং তাৰ পৰিবৰ্ত্তে দেশত দমন-নীতি আৰু বৰ্বৰ অত্যাচাৰেৰে ভাৰতবাসীৰ ৰাজনৈতিক অধিকাৰলাভৰ স্পৃহাক দমাবলৈহে আপ্ৰাণ চেষ্টা চলায়। পাঞ্জাবৰ অমৃতচৰ নগৰত ১৯১৯ চনৰ ১৩ এপ্ৰিলৰ দিনা জালিয়ানালাবাগ নামক কেউফালে দেৱালেৰে ঘেৰি থকা এখন পথাৰত বহাগী-মেলাৰ বাবে সমবেত হোৱা হাজাৰ হাজাৰ লোকৰ ওপৰত একমাত্ৰ নিৰ্গম-পথৰ সন্মুখত মেচিন-গানধাৰী সৈন্য থিয় কৰোৱাই নিৰস্ত্ৰ জনতাৰ ওপৰত জেনেৰেল ডায়াৰ চাহাবে নিৰ্মমভাবে গুলী চলায় আৰু মাত্ৰ দহমিনিটৰ ভিতৰতে থিতাতে পাঁচ-ছশ লোকক হত্যা কৰে আৰু ছহাজাৰ লোকক আহত কৰে।

এই নির্দয় হত্যাকাণ্ডৰ বাতৰিত সমগ্র দেশ বৃটিছ চৰকাৰৰ বিৰুদ্ধে ক্ষিপ্ত হৈ উঠে আৰু জেনেৰেল ডায়াৰ আৰু পাঞ্জাবৰ গৱৰ্ণৰ ছাৰ মাইকেলৰ পদচ্যুতি দাবী জনায়। কিন্তু দুৰ্ভাগ্যৰ কথা যে ইংৰাজ-চৰকাৰে এই দুজন বৰ্বৰ, অত্যাচাৰী বিষয়াক শাস্তি দিয়াৰ পৰিবৰ্তে প্ৰশংসাহে কৰে। বৃটিছ পাৰ্লামেণ্টতো গৱৰ্ণৰ ছাৰ মাইকেল ও ডায়াৰ আৰু জেনেৰেল ডায়াৰ চাহাবক ভাৰতবাসীৰ ওপৰত চলোৱা নির্মম হত্যাকাণ্ডৰ বাবে প্ৰশংসাহে কৰা হয়। ভাৰতবৰ্ষত থকা ইংৰাজসকলে চান্দা সংগ্ৰহ কৰি জেনেৰেল ডায়াৰক ধনৰ টোপোলা উপহাৰ দিয়ে। জেনেৰেল ডায়াৰৰ এই নৃশংস কাৰ্য্যই সমগ্ৰ ভাৰতবৰ্ষত প্ৰবল বিক্ষোভৰ ঢৌ সৃষ্টি কৰে।

সেই সময়তে গান্ধীজীয়ে দেশৰ সেই অগ্নিদীপক প্ৰবল ৰাজনৈতিক ধুমুহাক সুসংহত কৰি এক বিৰাট জাতীয় আন্দোলন সৃষ্টি কৰাত আত্ম-নিয়োগ কৰে। গান্ধীজীয়ে ভাৰতবাসীক উদাত্তকণ্ঠে শুনালে—"একমাত্ৰ স্বৰাজ লাভেইহে ইয়াৰ একমাত্ৰ প্ৰতিকাৰ। আন কোনো উপায়েৰে এই অপমান আৰু নিৰ্য্যাতনৰ প্ৰতিকাৰ সম্ভৱ নহয়।"

১৯২০ চনভাৰতৰ ইতিহাসৰ বিশেষ স্মৰণীয় বছৰ। মহামানৱ মহাত্মা গান্ধীৰ প্ৰেৰণা আৰু নেতৃত্বত ভাৰতৰ সুপ্ত ৰাইজে স্বাধীনতা অৰ্জনৰ বাবে এক বিৰাট আৰু ব্যাপক গণআন্দোলন আৰম্ভ কৰে। এই বিশাল দেশৰ সুপ্ত মানৱাত্মাক জগাই তুলি মহাত্মা গান্ধীয়ে দুৰ্বল, নিপীড়িত, নিৰস্ত্ৰ, মূক-জনসাধাৰণক অভয় মন্ত্ৰৰ দীক্ষা দিয়ে আৰু সংঘবদ্ধ কৰে। তেওঁ স্বদেশ-ভক্তি সাহস আৰু আত্মত্যাগৰ আদৰ্শত উদ্বুদ্ধ কৰি তোলে—মৃতপ্ৰায় ভাৰতবাসীক। ইংৰাজৰ কামান, বন্দুক আৰু মেছিনগানৰ সন্মুখত হাজাৰ হাজাৰ লোকে বুকু ফিন্দাই থিয় হবলৈ শিকে। গান্ধীজীয়ে ইংৰাজ চৰকাৰৰ শাসনক "ছয়তানৰ শাসন" (Satanic Government) বুলি কৈ এই শাসনতন্ত্ৰক ধ্বংস কৰিবলৈ বিচৰা বুলি কয়। ভাৰতত ইংৰাজ-শাসনক ধ্বংস কৰিবলৈ তেওঁ সশস্ত্ৰ বিপ্লৱ বা গুপ্ত-হত্যা আদি সচৰাচৰ চলা হিংসাত্মক পদ্ধতি গ্ৰহণ নকৰি এক অভিনৱ অহিংস পদ্ধতি অনুসৰণ কৰি ইতিহাসত এক নতুন অধ্যায়ৰ সৃষ্টি কৰে।

গান্ধীজীয়ে স্বাধীনতা অৰ্জনৰ বাবে সমগ্ৰ জাতিক বিদ্ৰোহী কৰি তোলে আৰু ইংৰাজ চৰকাৰৰ বিৰুদ্ধে অহিংস অসহযোগ আন্দোলন কৰিবলৈ জাতিক উদ্বুদ্ধ কৰে। গান্ধীজীয়ে কৈছিল—"আমি ইংৰাজ শাসনৰ বিৰুদ্ধে বিদ্ৰোহ কৰিম, কিন্তু আমাৰ বিদ্ৰোহ হব অহিংস বিদ্ৰোহ,। দুই-চাৰি

হাজাৰ বা দুই চাৰি লাখ লোকে বিদ্ৰোহ নকৰিব। বিদ্ৰোহ কৰিব সমগ্ৰ জাতিয়ে।

সমগ্ৰ ভাৰতবৰ্ষ জাগৃত হয়। অসমলৈও সেই বিদ্ৰোহৰ বহ্নি বহন কৰি আনে দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা আৰু কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে। পিছত সেই আন্দোলনত লোকপ্ৰিয় গোপীনাথ বৰদলৈ, মৌলবী মহম্মদ তয়েবউল্লা, ৰোহিণী কুমাৰ চৌধুৰী, কালীপ্ৰসাদ বৰুৱা প্ৰভৃতি কেজনমান ডেকা উকিলে যোগদান কৰে। তেওঁলোকে অশেষ চেষ্টা কৰিও অসহযোগ আন্দোলনত অসমৰ ৰাইজৰ সক্ৰিয় সহযোগিতা আশানুৰূপ ভাবে নোপোৱাত কৰ্মবীৰ বৰদলৈয়ে তৰুণৰাম ফুকনক আন্দোলনৰ নেতৃত্ব লবলৈ অনুৰোধ জনায়। ফুকনে সেই অনুৰোধত মান্তি হৈ আন্দোলনত যোগদান কৰে। ইয়াৰ বাবে ফুকনে তেওঁ কৰ্মবীৰ বৰদলৈৰ ওচৰত ঋণী বুলি নিজেই স্বীকাৰ কৰি গৈছে।

অসহযোগ আন্দোলনত ফুকনে যোগ দিয়াত অসমত আন্দোলনৰ তীব্ৰতা অতি ক্ষিপ্ৰতাৰে বৃদ্ধি হয় আৰু এক প্ৰকৃত গণ-জাগৰণৰ সৃষ্টি হয়। ফুকনৰ বাগ্মিতা, আদৰ্শৰ প্ৰতি নিষ্ঠা আৰু ব্যক্তিত্বৰ প্ৰভাৱত অসমৰ ৰাইজ স্বাধীনতা-সংগ্ৰামত জঁপিয়াই পৰে। জননী জন্মভূমিৰ আহ্বানত ফুকনে অসমত অসহযোগ আন্দোলনক গণ-আন্দোনললৈ ৰূপান্তৰিত কৰি বিদ্ৰোহৰ অগনি জ্বলায় আৰু নিজক গণনেতা ৰূপে প্ৰতীয়মান কৰায়।

১৯২১ চনৰ আগষ্ট মাহ অসমৰ ৰাজনৈতিক ইতিহাসৰ এক স্মৰণীয় কাল। সেই মাহতেই মহামানৱ মহাত্মা গান্ধী পোনপ্ৰথম বাৰৰ বাবে অসমলৈ আহে আৰু ফুকনৰ আতিথ্য গ্ৰহণ কৰে। মৌলানা মহম্মদ আলি আৰু আন দুজনমান নেতাও মহাত্মাৰ লগতে আছে। ফুকনৰ বাসস্থানৰ লগতে মুকলি প্ৰাঙ্গনৰ বিৰাট ৰাজহুৱা সভাত অসমৰ ৰাইজক অসহযোগ আন্দোলনত যোগ দিবলৈ গান্ধীজীয়ে আহ্বান জনায়। সেই সভা স্থানতে "বিদেশী-বস্ত্ৰ দাহন যজ্ঞ" উদ্‌যাপন কৰা হয়। সেই যজ্ঞত ফুকনে নিজৰ সকলো মূল্যৱান চৌখীন বিলাতী কাপোৰ আহুতি দি সেই দিনাৰ পৰাই তেওঁ মহান ত্যাগী কৰ্মযোগীত পৰিণত হয়। সেই দিনাৰ পৰাই ফুকনে নিজৰ সমস্ত শক্তিকে স্বদেশ আৰু স্বজাতিৰ স্বাৰ্থৰ লগত মিলাই দিয়ে। অধৰ্ম, আলস্য, বিলাস আদি ত্যাগ কৰি ভ্ৰাতৃবৎসল ফুকনে দেশৰ মঙ্গল সাধনত নিজক উছৰ্গা কৰে। জাতীয়-মঙ্গলক সবাতোকৈ আগত ৰাখি সৰ্বতোভাবে ত্যাগ স্বীকাৰৰ শক্তি অৰ্জন কৰাৰ মানসেৰে ফুকন ডাঙৰীয়া চিত্তশুদ্ধিৰ সাত্তিক সাধনাত তৎপৰ হয়।

ত্যাগ, কৰ্মনিষ্ঠা, স্বদেশপ্ৰেমৰ উদ্বোধক আৰু নৈষ্ঠিক জাতীয়তাৰ তপস্বী হিচাপে অসমৰ ৰাইজে ফুকনক "দেশভক্ত" বুলি অভিহিত কৰে। সেই সময়ত অসমত জাতীয় চেতনা, গৌৰৱবোধ আৰু কৰ্মপ্ৰেৰণাৰ প্ৰাণ স্পন্দন আছিল —দেশভক্ত তৰুণৰাম ফুকন। অসহযোগ আন্দোলনৰ প্ৰবল আন্দোলনত সমগ্ৰ অসম আলোড়িত হয়। ফুকনৰ নেতৃত্বত আন্দোলনৰ প্ৰাবল্য আৰু বিস্তৃতিত বৃটিছ চৰকাৰ চিন্তিত হৈ আন্দোলনক মষিমূৰ কৰাৰ উদ্দেশ্যে কঠোৰ দমননীতি প্ৰয়োগ কৰে। ইংৰাজশাসকে নেতা আৰু কৰ্মীসকলক কাৰাৰুদ্ধ কৰে, অনেকক বন্দুক, বেয়নেটেৰে আঘাত কৰি ত্ৰাসৰ সৃষ্টি কৰে আৰু পাইকাৰী জৰিমানা আদি লগাই ৰাইজক উৎপীড়িত কৰে। দেশভক্ত ফুকনকো গ্ৰেপ্তাৰ কৰি এবছৰৰ বাবে সশ্ৰম কাৰাদণ্ড বিহে।

১৯২২ চনৰ ডিচেম্বৰ মাহত জাতীয় কংগ্ৰেছৰ গয়া অধিবেশনত ব্যৱস্থা পৰিষদলৈ কংগ্ৰেছ প্ৰতিনিধি পঠোৱা প্ৰশ্ন লৈ কংগ্ৰেছৰ ভিতৰত মতদ্বৈধ হয়। এদলৰ মতে ব্যৱস্থা-পৰিষদলৈ কংগ্ৰেছ-প্ৰতিনিধি পঠিয়াই সাম্ৰাজ্যবাদী আমোলাতান্ত্ৰিক চৰকাৰক ভিতৰৰ পৰা আঘাত হানিব লাগে আৰু আন দলৰ মতে ব্যৱস্থা-পৰিষদ বৰ্জন কৰিয়েই থাকিব লাগে। মুঠৰ ওপৰত কংগ্ৰেছৰ-ভিতৰত পৰিবৰ্তন-কামী আৰু পৰিবৰ্তনবিৰোধী দুই মতবাদী দুটা দলৰ সৃষ্টি হয়। পৰিবৰ্তন-কামীসকল স্বৰাজিষ্ট বুলি পৰিচিত হয় আৰু এই দলৰ নেতৃত্ব কৰে—পণ্ডিত মতিলাল নেহৰু, দেশবন্ধু চিত্তৰঞ্জন দাস, দেশভক্ত তৰুণৰাম ফুকন আৰু শ্ৰীনিবাস আয়েঙ্গাৰ প্ৰভৃতিয়ে। সেই সময়ত স্বৰাজিষ্ট দলৰ উদ্দেশ্য, নীতি আৰু কৰ্মপন্থাৰ প্ৰচাৰত দেশভক্ত ফুকন ডাঙৰীয়াই দেশৰ বিভিন্ন ঠাই ভ্ৰমি প্ৰচাৰ কাৰ্য্য চলাই সৰ্বভাৰতীয় ৰাজনীতিৰ এজন বিশিষ্ট ৰাজনীতিবিদ হিচাপে পৰিগণিত হয়। আমাৰ গৌৰৱৰ বিষয় সৰ্বভাৰতীয় ৰাজনীতিত যোগ্য আসন লাভ কৰাৰ সৌভাগ্য দেশভক্ত ফুকনৰ হৈছিল। পিছত কংগ্ৰেছ মহাসভাই স্বৰাজিষ্ট দলৰেই মত আৰু কৰ্মপ্ৰণালী গ্ৰহণ কৰে।

১৯২৩ চনৰ কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ নিৰ্ব্বাচনত দেশভক্ত ফুকন অপ্ৰতিদ্বন্দ্বী হিছাপে নিৰ্ব্বাচিত হয়। তেওঁ এই পদত একেবাৰে দহবছৰ কাল আছিল।

গুৱাহাটীৰ পাণ্ডু-নগৰত ১৯২৬ চনৰ ডিচেম্বৰত অনুষ্ঠিত হোৱা জাতীয় কংগ্ৰেছ মহাসভাৰ অধিৱেশন সুচাৰুৰূপে সম্পন্ন হয়—দেশভক্ত ফুকন,

কর্মবীৰ বৰদলৈৰ নেতৃত্ব আৰু কৰ্মকুশলতাৰ বাবে। সেই অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰূপে দেশভক্তই যি অভিভাষণ পাঠ কৰে তাতেই পৰিচয় পোৱা যায় তেওঁৰ দেশপ্ৰেম, সাহিত্য-প্ৰতিভা আৰু অসমৰ প্ৰতি থকা অগাধ ভাল পোৱা। এই অধিবেশনৰ বাবে দেশভক্ত ফুকন আৰু কৰ্মবীৰ বৰদলৈয়ে প্ৰায় ৩৫ হাজাৰ টকাৰ ঋণৰ বোজা আজীৱন বহন কৰিবলগীয়া হয়। ইয়াৰ কিছু দিন পিছত দেশভক্তই হেৰুৱায় একাদিক্ৰমে নিজৰ প্ৰাণপ্ৰতিম জোঁৱাই আৰু জীৱনৰ সুখ-দুখৰ ভাগী-প্ৰিয়তমা ভাৰ্য্যাক। এইবোৰ কাৰণতে দেশভক্তৰ পিছৰ কালছোৱাত এক হতাশাৰ ভাব সৃষ্টি হয় জীৱনত।

দেশভক্ত ফুকন আছিল—প্ৰগতিবাদী নেতা। তেওঁ কৈছিল—"ভাৰত গণতন্ত্ৰত বিশ্বাসী, কিন্তু ভাৰতৰ গণতন্ত্ৰই আত্মিক সাম্যক অস্বীকাৰ নকৰে।" দেশভক্তৰ এই তাত্ত্বিক অভিমত শ্ৰদ্ধাৱনত চিত্তেৰে গ্ৰহণযোগ্য। ভাৰতীয় শিক্ষা, সংস্কৃতি, ধৰ্মনৈতিক, ৰাজনৈতিক আৰু মানৱিক আদৰ্শৰ পূজাৰী আছিল দেশভক্ত। সেয়েহে—"মন শুদ্ধ কৰি দিয়া, বাক্য শুদ্ধ কৰি দিয়া হে জ্যোতিৰ দেৱতা, তুমি বিৰাজ কৰা মোৰ অন্তৰত"—বুলি কৈছিল। ব্যাকুল ঋষিৰ এই প্ৰাৰ্থনাক দেশভক্ত ফুকনে অন্তৰেৰে বিশ্বাস কৰি স্তুতি জনাইছিল।

দেশভক্ত ফুকনৰ প্ৰকৃত প্ৰতিষ্ঠা—তেওঁৰ ব্যক্তিত্বত। তেওঁৰ অসাধাৰণ মনীষা, তীব্ৰ ভাবাবেগ, বাগ্মিতা আৰু সুদৃঢ় চৰিত্ৰ—এই সকলোৱেই তেওঁৰ ব্যক্তিত্বৰ আনুষঙ্গিক। যি শক্তিৰ প্ৰভাৱত তেওঁ হাজাৰ হাজাৰ জনতাক মুগ্ধ কৰিছিল, যি শক্তিৰ আকৰ্ষণত তেওঁৰ নামত কোনো সভাত হাজাৰ হাজাৰ লোক সমবেত হৈছিল, সেই শক্তি তেওঁৰ মহান ব্যক্তিত্বৰ পৰাই উদ্ভৱ হৈছিল। আমাৰ দেশত এনে ব্যক্তিত্বৰ ইন্দ্ৰজাল খুব কমসংখ্যক নেতাৰহে আছিল। দেশভক্তৰ ব্যক্তিত্বৰ শক্তি বিজুলী-স্ফুৰণৰ দৰে আৰু জনতাক মুগ্ধ কৰাৰ ক্ষমতা অসীম। আন্ধাৰত পথ দেখুৱাৰো প্ৰদৰ্শক ব্যক্তিত্ব। প্ৰতিভা-প্ৰেৰিত চঞ্চল ৰশ্মি শিখা ব্যক্তিত্ব। এনে অসাধাৰণ ব্যক্তিত্বই আছিল দেশভক্ত ফুকনৰ বহুমুখী প্ৰতিভাৰে উৎস।

দেশভক্ত ফুকন ব্যক্তিত্বৰ আভাৰে জ্যোতিষ্মান। তেওঁৰ বিশেষ কোনো সঙ্ঘবদ্ধ দল নাছিল, অকল ব্যক্তিত্বৰ ওপৰত নিৰ্ভৰ কৰিয়েই তেওঁৰ নেতৃত্বই সমগ্ৰ অসমক প্ৰভাৱান্বিত কৰিছিল। সংসাৰত এনে ব্যক্তিত্ব বিৰল। ব্যক্তিত্ব স্বতঃ-উদ্বুদ্ধ, সেয়ে ব্যক্তিত্ব-সম্পন্ন পুৰুষক দেখা মাত্ৰকেই বুজা যায়। তাৰ

কাৰণ তেওঁৰ ব্যক্তিত্বৰ প্ৰত্যক্ষ জ্যোতি। সেই বাবেই অসমৰ বাইজে তথা ভাৰতৰ ৰাইজেও দেশভক্ত ফুকনৰ কি অসহযোগ আন্দোলনত, কি স্বিৰাজিষ্ট পাৰ্টিৰ প্ৰচাৰ আন্দোলনত, কি উৰিষ্যা সীমা নিৰ্দ্ধাৰণ-আয়োগৰ কাৰ্য্যত, কি সাহিত্য সভাত, কি সদৌ অসম ছাত্ৰ সভাত কি যুৱ সঙ্ঘৰ সভাত ভাগদৰেই জানিছিল আৰু তেওঁৰ মৌ-বৰষা বচন মন্ত্ৰমুগ্ধৰ দৰে শুনিছিল। ইয়াৰ কাৰণ ফুকনৰ প্ৰতিভা তেওঁৰ ব্যক্তিত্বত। ব্যক্তিত্বৰ প্ৰভাৱৰ বাবেই ফুকন আছিল সৰ্ব্বজনপ্ৰিয়। ঘটনা প্ৰবাহৰ মেৰপাকত সোমায় ৰাজনীতিৰ আসন চ্যুত হোৱা সত্ত্বেও ফুকনৰ প্ৰভাৱ ম্লান হোৱা নাছিল, তেতিয়াও ব্যক্তিত্বৰ সিংহাসনত ফুকন আছিল সুপ্ৰতিষ্ঠিত।

ব্যক্তিত্বৰ উপৰিও দেশভক্তৰ চৰিত্ৰত সৌন্দৰ্য্য সন্ধানৰ প্ৰবৃত্তিৰ পৰিচয়ো পোৱা যায়। বিশেষকৈ অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য, অসমৰ চিত্ৰ-কলা, স্থাপত্য আৰু ভাস্কৰ্য্যই দেশভক্তক বিশেষ আকৰ্ষণ কৰিছিল। অধ্যাত্ম জিজ্ঞাসাৰ বাবে ধৰ্ম্ম গ্ৰন্থৰ প্ৰতিও তেওঁৰ প্ৰগাঢ় আকৰ্ষণ আছিল। দেশভক্তই ভাৰতীয় ভাব প্ৰবাহক অৰ্থাৎ মানৱত্বক উপলব্ধি কৰিবলৈ সক্ষম আছিল। মানুহৰ লগত ঈশ্বৰৰ সম্বন্ধ সম্পৰ্কে ভাৰতবৰ্ষৰ যি চিন্তাধাৰা অৰ্থাৎ "মানুহেই ভগৱান, ভগৱানেই মানুহ"—ভাৰতীয় মহান তত্ত্বক দেশভক্ত ফুকনে উপলব্ধি কৰিয়ে মানুহৰ সেৱাকেই ঈশ্বৰৰ সেৱা বুলি গণ্য কৰিছিল আৰু আৰ্ত্ত, সমাজৰ উপেক্ষিত, ব্যথিত কুষ্ঠ ৰোগী-ৰূপী নৰ-নাৰায়ণৰ সেৱাত নিজক উছৰ্গা কৰি ধন্য মানিছিল।

দেশভক্তৰ চৰিত্ৰত অন্তৰ্লোক আৰু বহিৰ্লোকৰ আভাসো পৰিলক্ষিত হয়। যি কৰ্মী, কৰ্মতেই তেওঁৰ সম্পূৰ্ণ প্ৰকাশ, যি ভাবুক, ভাবেই তেওঁৰ প্ৰকাশ। কিন্তু যিজন একেলগে কৰ্মী আৰু ভাবুক, তেওঁৰ পূৰ্ণ প্ৰকাশৰ বাবে ভাবলোক আৰু কৰ্মলোক উভয়ৰে প্ৰয়োজন। দেশভক্ত ফুকনৰ ভাবলোক বিশ্লেষণ কৰি চালে দুটা উপাদান পোৱা যায়; সি হৈছে প্ৰকৃতি আৰু ঐতিহাসিক অতীত কাল।

প্ৰকৃতিৰ প্ৰতি গভীৰ আকৰ্ষণ আৰু অসম তথা ভাৰতৰ ঐতিহাসিক অতীতৰ প্ৰতি প্ৰগাঢ় অনুৰাগ—দেশভক্তৰ ব্যক্তিত্বৰ এই উভয়েই শ্ৰেষ্ঠ উপাদান। এই আকৰ্ষণেই দেশভক্ত ফুকনক হাবি জঙ্গলৰ মাজলৈ নি চিকাৰত তৃপ্তি দি বৈজ্ঞানিকোচিত নিৰ্বিকাৰ, নিস্পৃহ মনোভাব লভিবলৈ সক্ষম কৰাইছিল। নিস্পৃহ, নিৰপেক্ষ ভাবনাকেই বৈজ্ঞানিক দৃষ্টি বুলি কোৱা হয়।

ঐতিহাসিক অতীতৰ প্ৰতি প্ৰগাঢ় অনুৰাগৰ চানেকী দেশভক্তৰ অসম সাহিত্য সভাৰ দশম অধিবেশনৰ সভাপতিৰ ভাষণত পোৱা যায়ঃ

"অসমৰ অতীত গৌৰৱৰ কথা জনাই কবলৈকেও ইচ্ছা মোৰ নাই। মহাভাৰত যোগিণীতন্ত্ৰ আদি পৌৰাণিক পুথিত আৰু বিশেষকৈ অসম বুৰঞ্জীত সেই বিষয়ে বহুলাই বৰ্ণোৱা আছে। সিদিনাখন অসমৰ ৰজা আছিল, ৰাজ সম্পদ আছিল, কুৰুক্ষেত্ৰৰ যুদ্ধত কৌৰৱক সহায় কৰাৰ যোগ্যতাও অসমৰ আছিল। ক্ষত্ৰিয় বীৰ শ্ৰেষ্ঠ কৃষ্ণ-সহায় অৰ্জ্জুনেও বভ্ৰুবাহনৰ হাতত পৰাজয় স্বীকাৰ কৰাৰ কথা পৌৰাণিক সত্য। স্বামীৰ হিতাৰ্থে ৰজাক দেও নুবুলি ৰাজদণ্ডত ৰংমনে প্ৰাণত্যাগ কৰা কুঁৱৰী জয়মতী অসমৰে জীয়ৰী। অসমৰ পুৰণি সাহিত্য যে ভাৰতীয় কোনো জাতীয় সাহিত্যতকৈ কোনো অংশে হীন নহয়, তাক ডাঠি কলে অহঙ্কাৰ কৰা নহব। কাৰণ তাৰ বহু প্ৰমাণ আজিও পোৱা যায়। অসমৰ সেই শিক্ষা, সেই দীক্ষা, সেই তেজ, সেই বল আজি কলৈ গল? জাতিগত জাতীয়তা পুৰুষাণুগত বলবীৰ্য্য আজিও সম্পূৰ্ণ ধ্বংস হোৱা নাই বুলি মোৰ দৃঢ় বিশ্বাস। সাধনাৰ অভাৱত মৰাৰ দৰে হৈ আছে। যত্ন কৰা, প্ৰাণ দি পুৰুষাৰ্থ কৰা লেৰেলা পুলিটি বৰষুণ পাই ঠন ধৰি উঠাৰ দৰে, লয় পাওঁ পাওঁ হোৱা পুৰণি কীৰ্ত্তি জাতীয়তা পানী চিতা পাই মূৰ্ত্তিমন্তি হৈ উঠিব। হৰৰ কোপত পৰি ছাই হোৱা কামদেৱে অসমলৈ আহি যদি ৰূপ লোৱা সত্য হয়, মৃতকল্পা ভাৰত জননীকো অসমে জয়শ্ৰীমণ্ডিতা কৰি তোলা অতি অসম্ভৱ বুলি মই বিশ্বাস নকৰো। কিন্তু সেইটো মুখৰ কথাৰে নহব।"

দেশভক্তৰ এই উক্তি তেওঁৰ অসমৰ অতীতৰ প্ৰতি থকা প্ৰগাঢ় শ্ৰদ্ধা আৰু ভক্তিৰেই পৰিচয়। দেশভক্তই বিশ্বাস কৰিছিল সাধনাত। সেয়ে তেওঁ আছিল একাগ্ৰ, চিত্ত শুদ্ধিৰ সাধনাত আগ্ৰহী, দমন, দান আৰু দয়াৰ তপস্যাত আছিল বিশ্বাসী আৰু ত্যাগদীপ্ত প্ৰসন্ন চেতনাত আছিল উন্নত।

# আনন্দময় ফুকন

## অধ্যক্ষ শ্ৰীতীৰ্থনাথ শৰ্মা

সংসাৰত মানুহ দুবিধ। এবিধে নিজৰ দুখ-বেজাৰৰ কথা আনৰ আগত তিলকে তাল কৰি কব। বেজাৰ বা দুখৰ কোনো কাৰণ নাথাকিলে মনেৰে পাতি লৈ হলেও দুখ কৰিবৰ সুযোগ উলিয়াব। ইবিধে মানুহৰ আগততো বেজাৰ কৰি নেদেখুৱায়েই, নিজৰ মনৰ ভিতৰতো দুখ-বেজাৰক লাই নিদিয়ে। তেওঁলোকৰ মনেৰে দুখ-বেজাৰ আনৰ আগত কোৱাটোতো লাজৰ কথাই, নিজৰ মনতো তাক থলি পুতিবলৈ দিয়াটো নিতান্ত দুৰ্বলতা। পুৰুষালিৰ ওপৰত তেনে কামে কাপুৰুষতাৰ ছাঁ পেলায়। এনে বিধৰ পুৰুষ আছিল দেশভক্ত তৰুণৰাম ফুকন।

তেওঁ এদিন সুধিছিল—"হাঁহিটো কি বস্তু হে?" কোনে কি উত্তৰ দিলে মনত নাই, কিন্তু তেওঁ কলে—"হাঁহি আন একো নহয়, এটা বিকাশ— আনন্দৰ বিকাশ। ঈশ্বৰ আনন্দময়, হাঁহিৰ মাজত তেওঁ প্ৰকাশ পায়। যদি জীৱনৰ সদ্ব্যৱহাৰ কৰিব খোজা, হাঁহিবা আৰু হঁহুৱাবা।" ফুকনে এনে সদ্ব্যৱহাৰ কৰিছিল, যি তেওঁৰ গুৰিত পোন্ধৰ মিনিট বহি আহিছে অথবা হাঁহা নাই, সি নিশ্চয় জীৱনতে হাঁহা নাই। যি তেওঁক হাঁহা দেখা নাই, সিও সংসাৰত বহুত বস্তু দেখা নাই।

বহুতৰ ধাৰণা, নিতান্তই যদি হাঁহিব লগা হয়, নিঃশব্দে গোঁফৰ তলত হাঁহাই ভদ্ৰলোকৰ কাম। নহলে গাম্ভীৰ্য্যৰ হানি ঘটে, মৰ্য্যাদাৰ লাঘৱ হয়। ঢেকঢেকৈ হাঁহা যদি শুনিবলৈ অশুৱলা হয়, হাঃ হাঃ কৰি যদি হাঁহা, মুখৰ সৌন্দৰ্য্য নাথাকে। গতিকে হয় নাহাঁহিবা, নহয় নীৰৱে মিচিকিয়াবা। ফুকন ডাঙৰীয়া ভদ্ৰলোক আছিল, গাম্ভীৰ্য্যত ঘৰৰ সমুখৰ ব্ৰহ্মপুত্ৰৰ নিচিনা। মৰ্য্যাদাবোধো উলামূলা নাছিল। তথাপি অসম ছাত্ৰ সম্মিলনৰ দৰে বিৰাট সভাৰ সভাপতিৰ আসনত বহি তেওঁক হাঁহি থৰ হোৱা আমি দেখিছিলোঁ। হাঁহিৰ মোল তেওঁ বুজিছিল। সেইদেখি প্ৰাণভৰি হাঁহি তাৰ সদ্ব্যৱহাৰ কৰিছিল।

সুখৰ দিনত দুখৰ কথা মনলৈ ননাকৈ থাকিব পাৰি। সময়মতে হাঁহাও

একো টান কথা নহয়। যিজনে জঞ্জাল-বিপদৰ বামাৰলীৰ সোঁমাজত থাকি নিজেও হাঁহিমুখ লৈ দহজনৰ মুখতো পূৰ্ণিমাৰ জোনাক জিলিকাব পাৰে, তেঁৱেই আনন্দময়।

১৯৩০ চনৰ কথা। দেশৰ ইমূৰৰ পৰা সিমূৰলৈ তেতিয়া আইন অমান্যৰ খলকনি লাগিছে। ফুকন নানা কাৰণত দেখাদেখিকৈ সেই যুদ্ধৰ সেনাদলৰ মাজত নাই। গাঁৱৰ মাজ সোমালে বতৰা সোধে—এইবাৰ ফুকন নাই কেলৈ? সভা পতা হয়, ফুকন নাহে শুনিলে মানুহ গোট নাখায়, খালেও ভাগিবলৈ হবে। আহিব বুলি কলেই ৰাইজে হিলদল ভাঙে। স্বেচ্ছাসেৱকসকলে গাৱেঁ গাৱেঁ ফুকন ওলোৱা নাই কিয়, তাৰ কৈফিয়ৎ দিব লাগে। উপায় নাপাই কেইজনমান স্বেচ্ছাসেৱকে এঠাইত এখন সভাৰ যো-জা কৰি ফুকনৰ কাষ চাপিলহি।

ঘৰত তেতিয়া তেওঁৰ তিয়ঁহৰ জালি যেন সাদৰী জীয়েক নৰিয়া পাটীত। দিনে দিনে কৃষ্ণপক্ষৰ জোনটিৰ দৰে নিঃশেষ হৈ আহিছে। দেশৰ দহজনৰ মাজত মূৰ জিলিকাই উজ্জ্বল ভৱিষ্যৎ লৈ উঠি অহা জোঁৱায়েকে ভগা হিয়া লৈ দিহিঙে-দিপাঙে ঘূৰি ফুৰিছে। এনে অৱস্থাতো তেওঁক আজুৰিবলৈ খোজাত কিজানি অলপ আমনি পাইছিল। তথাপি উৎসাহ আৰু দেশভক্তিৰ ভৰা সুঁতি হেন সেই ডেকা কেইজনক বিফল মনেৰে ঘূৰাই নপঠিয়ালে। কলে—"যোৱাৰ কিবা এটা ভাল দিহা কৰিবা।"

সভাৰ দিনা আনিবলৈ যাওঁতেও মুখখন অলপ গম্ভীৰ। বাটত যাওঁতে পলাশবাৰী হাটৰ পৰা বেমাৰীৰ কাৰণে কাৱৈ মাছ কিনি মটৰত ভৰাই ললে। কিন্তু সভাত গৈ তেওঁৰ স্বভাৱসিদ্ধ ওজস্বিতা আৰু হাস্যৰসৰ মাজেদি একোবাৰ শ্ৰোতাৰ চকুমুখলৈ তেজ আনি দিছিল, আকৌ একোবাৰ হাঁহিৰ গিৰ্জনি তুলিছিল। উভতি আহোঁতে স্বেচ্ছাসেৱকসকলে সমস্বৰে জাতীয় গীত গাওঁতে তেৱোঁ লগত সমানে যোগ দিছিল, টিনৰ 'বডি' থকা বাছৰ গাত ঢকিয়াই তাল ৰাখিছিল। দেশভক্ত ফুকন এনেকুৱাই আছিল।

আন এদিনৰ কথা। ১৯৩৪ চনৰ কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ নিৰ্বাচনৰ সময়ৰ জিৰণি নথকা দিনবিলাকৰে এটা। এঠাইত ভোট সংগ্ৰহ কৰিবলৈ গৈ ঘূৰি আহোঁতে অসম-বেঙ্গল ৰেলৰ আওহতীয়া ষ্টেছন এটাত তিনিঘণ্টামান ৰবলগা হ'ল। ফুকন আৰু লগত দুজন।

তেতিয়া সন্ধিয়া লাগি আহিছে। শুক্লপক্ষৰ ফৰিংফুটা জোনাক।

ষ্টেছনৰ প্লেটফৰ্মতে পাটী পাৰি লৈ বঙালী বাবু কেইজনমানে হাৰ্মনিয়াম এটা বজাই আমোদ কৰিছিল। ফুকন অহাৰ লগে লগে কাঁহ পৰি জীণ গ'ল। গোটেইখন নিমাওমাও হৈ পৰিল।

কিছু সময় ইফাল সিফাল কৰি আমনি লাগিছিল। এনেতে ফুকনে মাত লগালে—"এওঁলোকে অলপ সকাহ পাই আমোদ কৰিছিল, মই অহাত বন্ধ কৰিলে। কথাটো বেয়া হ'ল।" ঈশ্বৰে সুযোগ মিলাই দিলে। বঙালী বাবু কিজনৰ মাজত তুমুল তৰ্ক হ'ল—মন্ত্ৰশক্তি আছে নে নাই। ফুকনৰ কাণত পৰিল। লাহে লাহে ওচৰ চাপি তেওঁলোকৰ কাষ পালেগৈ। আটাইকেউজন সসম্ভ্ৰমে থিয় হ'ল।

ফুকনে গাত ললে—মন্ত্ৰশক্তি বিশ্বাস কৰাই দিব। কিন্তু পৰীক্ষা কাক লৈ কৰিব? এজনো এতিয়া আগনাবাঢ়ে। ফুকন অতিশয় গম্ভীৰ হৈ পৰিল। বাবু কিজনৰ ইজনে সিজনৰ মুখলৈ চাবলৈ ধৰিলে। শেহত এজন চুচুকচামাককৈ আগবাঢ়ি আহিল। ফুকনে সেই বাবুজনক জিৰণি-ঘৰলৈ অকলে মাতি নিলে। বলি দিবলৈ নিয়া পাঠাৰ দৰে যাওঁ-নাযাওঁকৈ গ'ল হয়, কিন্তু কোঠাৰ ভিতৰ পায়েই মুখখন কেহেৰাজ বটা যেন হ'ল। ফুকনে সুধিলে—"মন্ত্ৰশক্তি দেখুৱাম—আপোনাৰ সংসাৰত কিহৰ দুখ, কি আপত্তি কৰিবলগীয়া আছে? কিন্তু সঁচা কব।" বাবুজনে সেমেনাসেমেনিকৈ সৰলভাৱে উত্তৰ দিলে, তেওঁৰ ঘৈণী অত্যন্ত দন্দুৰী আৰু খঙাল। তেওঁক কেনেকৈ বশ কৰা যায়।

ফুকন আৰু গম্ভীৰ হ'ল। আৰু অলপ ওচৰ চাপি লৈ কলে—"আপোনাৰ ঘৈণীৰ যেতিয়া খং উঠিব আৰু দুৰ্বাক্য বুলিব তেতিয়া আঁঠুকাঢ়ি লৈ এই মন্ত্ৰ আষাৰ গাই দিব। চাব, যদি দহদিনৰ ভিতৰত আপোনাৰ ঘৈণীয়ে এই ব্যৱহাৰ এৰি নিদিয়ে।" মন্ত্ৰ আষাৰ মাতি দিয়া মাত্ৰেই দেশ-কালৰ জ্ঞান পাহৰি সকলোৱে গিৰ্জনি মাৰি হাঁহি দিলে। বাবুজনৰ মুখলৈ এটুঁপি তেজ উঠিল। মন্ত্ৰ আষাৰ আছিল "দেহি পদপল্লব মুদামৰ"। ফুকন ঘৰ পোৱাৰ কিছু দিনৰ পিছুত এবাকছ চাহপাত পাইছিল। সেই দিনা যি ঠাইত ভোট বিচাৰি যোৱা হৈছিল, তাত ফুকনে শতকৰা ত্ৰিছটা ভোট পোৱাৰো আশা পাই অহা নাছিল। কিন্তু ফুকন আছিল আনন্দময়।

ফুকন আছিল নামে-গামে তৰুণ। নিজক কাহানিও বুঢ়া হলোঁ বুলি ভবা নাছিল। ৬০ বছৰীয়া তৰুণে ২৫ বছৰীয়া তৰুণৰ লগত পাঞ্জা খেলে।

২৫ বছৰীয়া তৰুণ ঘামি যায়। এই যে সদায় অন্তৰৰ তাৰুণ্য বজায় ৰাখিছিল, ইয়েই তেওঁক প্ৰেৰণা দিছিল আনন্দময় হবলৈ। দুডাল বা এডাল দাড়ি-চুলি পকিলেই আমাৰ সমাজৰ সৰভাগেই বয়সৰ দোহাই দিয়ে, ডেকা সমাজৰ পৰা নিজক আঁতৰাই ৰাখে। অতিপাত গম্ভীৰ মূৰ্তি ধৰি উঠি অহা হাঁহিও সামৰি থয়। কিন্তু তৰুণৰাম তেনে নাছিল। তেওঁ ডেকাৰ লগত মিচিকিয়াইছিল, বুঢ়াৰ লগতো কুহুৰ কুহুৰ কাহিছিল।

আদহীয়া ফুকনে চেঙেলীয়া ল'ৰাৰ লগত গা ধুবলৈ গৈ সাঁতোৰ মেলে। চফল ডেকাৰ লগত আঁৰি মাৰি হাতত বন্দুক লৈ অগাধ অৰণ্যত সোমায়। হৃদয়ৰ এই চিৰনবীনতাই তেওঁক দিছিল "আনন্দম্"।*

অসহযোগ আন্দোলনৰ কৰ্ণধাৰ সৰ্বত্যাগী বলদৃপ্ত ফুকনৰ সিংহ-গৰ্জ্জনলৈ চাই কোনে কব যে সেইজন পুৰুষেই এজন ৰসিক? তেওঁ কুমাৰসম্ভৱ, মেঘদূতৰ শ্লোক আওৰাব, কীৰ্তন-দশমৰ পদ মাতিব, ৰোমিও-জুলিয়েটৰ আবৃত্তি কৰিও শুনাব। সুবিধা পালে নতুন ডেকা বা গাভৰুৰ লগত ঠাট্টা-তামচাও কৰিবলৈ নেৰে। বিদেশৰ পৰা গৈ শহুৰৰ ঘৰত থকা তিনিদিন হোৱা সত্বেও দেখা নাপাই তেওঁ এজন ন-জোঁৱাইক লগ পাই সুধিছিল—"কিহে, দেখাই পাবলৈ নাই, কি হৈছে? কণ্ঠাশ্লেষ প্ৰণয়িনীজনে নহয়?"

জোঁৱাইজনে উত্তৰ দিছিল—"একো অসম্ভৱ নহয়, কাৰণ ইমান দিন যে মই দূৰবৰ্দ্ধুৰ্গতোঽহং** হৈ আছিলো। জোঁৱাইৰ উত্তৰত তেওঁ খুব আনন্দ পাইছিল। সেই দিনা ফুকনে কৈছিল, অৰণ্যে ধেমালিত, ঈশ্বৰ ৰসো বৈ সঃ ৰসৰ ভিতৰত আদি হৈছে শৃঙ্গাৰ। ৰস মানেই আনন্দম্—তেনেহলে শৃঙ্গাৰ ৰসতে আনন্দম্ পোৱা যায়।

এসময়ত স্বাধীনতা যুদ্ধৰ প্ৰধান সেনাপতিৰ মুখত এনেবিলাক কথা শুনি নজনা জনে অলপ আচৰিত হব। কিন্তু আচৰিত হবলগীয়া একো নাই। মানুহৰ জীৱনত যে এটা লঘু ফাল আছে আৰু সিয়েই যে জীৱনটো ধাৰণা কৰিবলগীয়া কৰি ৰাখে ফুকনে সেই কথাৰ সন্ধান পাইছিল। আৰু পাইছিল বুলিয়েই তেওঁ আছিল সদানন্দময়।

---

*ফুকনে নিজৰ কথা কওঁতে আনন্দ নুবুলি আনন্দম্ বুলিহে গহীনকৈ কৈছিল।

**কণ্ঠাশ্লেষ প্ৰণয়িনীজনে আৰু দূৰবৰ্দ্ধুৰ্গতোঽহং এই দুয়োফাঁকি মেঘদূতৰ শ্লোকাংশ।

ফুকনৰ পাৰিবাৰিক জীৱনৰ শেহছোৱা বিয়োগময়। সামাজিক জীৱনো একো নদনবদন নাছিল। ৰাজনীতিক্ষেত্ৰত অনাদৰ, অৱহেলা আৰু পৰাজয়ত জৰ্জৰিত। অৰ্থ সম্পৰ্কেও চিন্তাশূন্য নাছিল। তথাপি আনন্দ মনেৰে থাকিবলৈ প্ৰেৰণা পাইছিল ক'ৰ পৰা? ইয়াৰ উত্তৰ এদিন তেওঁৰ নিজ মুখৰ পৰা পাইছিলোঁ। তেওঁ কৈছিল—"পৰৰ দুখ পতিয়াবলৈ শিকা, নিজৰ দুখ উৰঁলি যাব। পৰৰ দুখ পতিয়াবলৈ গাঁঠিৰ ধন ভাঙিব নালাগে, কেৱল মনতে ৰিজনি কৰিবা। তোমাৰ এশ টকা লোকচান হৈছে, হেজাৰ টকা লোকচান হোৱাজনৰ কথা ভাবা, তোমাৰ এশৰ দুখ পাতলিব। তোমাৰ এজন পুতেৰ মৰিছে, নিবংশ হোৱাজনৰ কথা ভাবা, তোমাৰ শোক লঘু হ'ব।"

বোধকৰোঁ এই আধাৰেই ফুকনৰ 'আনন্দম্' কাহিনীৰ গুৰি কথা—"পৰৰ দুখ পতিয়াবলৈ শিকা, নিজৰ দুখ আপুনি উৰঁলি যাব।"

# যোগী ফুকন

## হলীৰাম ডেকা

**( প্ৰাক্তন মুখ্য ন্যায়াধীশ )**

স্বৰ্গীয় তৰুণৰাম ফুকনক ভোগী বুলি সকলোৱে জানে। বিলাসী বুলি সকলোৱে জানে, কৰ্মী ফুকন, দেশনেতা ফুকনক সকলোৱে চিনে। মই আজি তেওঁৰ নিভৃত আত্মাক প্ৰকাশ কৰিবলৈ, তেওঁৰ ভিতৰত যোগী মূৰ্তিৰ পৰিচয় দিবলৈ চেষ্টা কৰিম।

কৰ্মবহুল কলিকতাৰ পৰা উভতি গৈ যেতিয়াই তেওঁৰ লগত দেখাদেখি হৈ ভিতৰুৱা কথা-বতৰা পাতিবৰ অৱসৰ পাইছিলোঁ, তেতিয়াই প্ৰায় তেওঁ কৈছিল—"আমাৰ এই ঠাইখিনি ( বিশেষকৈ এতিয়াৰ প্ৰাগজ্যোতিষ নগৰকে লক্ষ্য কৰি ) যোঁগীৰ ঠাই। ইয়াত থাকিলে কৰ্মৰ প্ৰবৃত্তি, আসক্তি আৰু পৰিধিও লাহে লাহে কমি আহে।" লিখক গুৱাহাটীত থকা দিনতো ৰাতিপুৱাতে ব্ৰহ্মপুত্ৰৰ নিজান পাৰত বহুদিন দেখাদেখি, বহু আলাপ হৈছিল। সকলোবোৰৰে আভাস দিয়া এতিয়া সম্ভৱ নহয়, কিন্তু তেওঁৰ ভিতৰলৈ চাবলৈ এটা অপূৰ্ব সুযোগ পাইছিলোঁ আৰু তাৰে ওপৰত ভিত্তি কৰি য়ে এই প্ৰবন্ধ লিখিবলৈ সাহস পাইছোঁ।

এবেলি পূজাৰ বন্ধৰ সময়ত গুৱাহাটীৰ উকিলখানাত আমাৰ ভিতৰত হোৱা এটা কথোপকথনলৈ মনত পৰে। শ্ৰদ্ধেয় শ্ৰীযুক্ত অম্বিকাগিৰী ৰায়চৌধুৰী আছিল এজন প্ৰধান শ্ৰোতা বা ফুকনদেৱৰ হৃদতন্ত্ৰীত আঘাত কৰোঁতা, যাৰ উত্তৰত ফুকনৰ এটা বাস্তৱ মূৰ্তি প্ৰকাশ পাইছিল। আমাৰ কথা হৈছিল, অসমত স্থায়ী শুধ কংগ্ৰেছী মন্ত্ৰীমণ্ডল পতা সম্পৰ্কে ( তেতিয়া কংগ্ৰেছৰ বং ছুটিওৱা মন্ত্ৰীসভা তেতিয়া অলপ কেইজনমান মন্ত্ৰীৰে মাত্ৰ গঠিত হৈছিল ) আৰু ফুকনদেৱে কৈছিল যে অৱস্থাৰ অলপ সালসলনি হলে ( under changed circumstances ) তেওঁ বিনা দৰ্মহাতে প্ৰধান মন্ত্ৰীৰ বাব লবলৈ সাজু আছিল। ৰায়চৌধুৰীৰ কোনো দিন কাৰো কথা বিনাপৰীক্ষাত গ্ৰহণ কৰাৰ অভ্যাস নাই আৰু তেওঁ অতি স্বাভাৱিকভাৱেই কৈ উঠিল

—"তেতিয়া কেনেকৈ চলালে হয় ? ভেটী খালে হয় ?" ফুকন আৰু ৰায়চৌধুৰীৰ মাজত অগাধ প্ৰীতি আৰু শ্ৰদ্ধাৰ সম্বন্ধ। ফুকনে কৈ উঠিল —"তইঁতে মোক এতিয়াও নিচিনিলি নে ? তইঁতে দেখ যে মই টকা খৰচ কৰোঁ আৰু ভাব যে টকা নহলে মই চলিব নোৱাৰোঁ। মোৰ লগত ফেৰ মাৰি তই চলচোন। তইঁতক টকা দিলেও খৰচ কৰিব নোৱাৰ আৰু নহলেও নাই নাই কৰ। মোৰ টকা থাকিলেও খৰচ হয় আৰু নহলেও চলে।" কিছুমান উদাহৰণ দিয়াৰ লগতে কলে—"অসহযোগ আন্দোলনৰ আগতে মই কেনেকৈ চলিছিলো জানাই ; কিন্তু ডেৰবছৰ জেলত সোমাই থাকি তাৰ পিছত ওলাই আহিও প্ৰেক্টিছ নকৰাকৈ কিমান দিন কটাইছোঁ। তেতিয়া মোৰ নিজৰ আৰু ঘৰৰ খৰচ কেনেকৈ চলাইছিলো ভাবচোন। কংগ্ৰেছ আনিলো, ধাৰ লগালো, মহাজনৰ খেচখেচনি। তাৰ ওপৰত ছোৱালীৰ, যৈণীৰ অতি ব্যয়সাপেক্ষ চিকিৎসা--এইবোৰ কেনেকৈ চলালোঁ কচোন ? তইঁতে দেখ মোক টকা খৰচ কৰা, কিন্তু মোৰে আৰু টকাৰে সম্বন্ধ বৰ গাঢ় নহয়। তইঁতৰ এই সম্বন্ধ বৰ গাঢ় বুলিয়ে আনে খৰচ কৰিলেও টান পাৱ আৰু নহলেও নাই নাই কৰ।" অৱশ্যে এই উত্তৰৰ পিছত ৰায়চৌধুৰীৰ জবাব চুটি হ'ল। এইটো অৱশ্যে এটা আপেক্ষিক চিত্ৰ। বিচাৰ কৰিলে দেশভক্তৰ জীৱনৰ এনে ঘটনা বহুত উলিয়াব পাৰি।

অসহযোগ আন্দোলনত তেওঁ যোগ দিয়া আধ্যালৈ এবাৰ মন কৰা যাওক। অসহযোগ আন্দোলনত যোগ বহুতে দিছিল আৰু জিলিকা পদাৰ্থ মাত্ৰেই যে সোণ নহয়, তাকো বহুতৰ বিষয়তে উপলব্ধি কৰা গৈছে; কিন্তু ফুকনৰ বিষয়ে ভাবি চাওকচোন। উচ্চবংশজাত, বিলাসৰ কোলাত উঠি অহা, নিজে বিলাসী, প্ৰচুৰ অৰ্থ উপাৰ্জন কৰা, প্ৰিয়দৰ্শন এজন আৰমপ্ৰিয় বেৰিষ্টাৰ। সেই দিনত দেশনেতা বোলাবলৈ অকল বাগ্মিতা হলেও চলিছিল। তেনে-স্থলত ফুকনে সকলো সুখৰ সঁজুলি কাতত কৰি থৈ অনায়াসে কাৰাবৰণ কৰা নাছিল নে ? বিলাসৰ সকলো সামগ্ৰী, বহুমূলীয়া বিদেশী সাজপাৰ প্ৰভৃতিত অতি অকুণ্ঠিতভাৱে অগ্নিসংযোগ কৰি এটি তৃপ্তিৰ হাঁহি মৰা নাছিল নে ? কাৰা-বৰণ স্বৰূপ এই লৌহনিগড় পৰিধানে তেওঁৰ শৰীৰৰ বাহ্যিক সৌন্দৰ্য্য আৰু পৰিস্ফুট কৰি তুলিলে। সেই সুযোগতে তেওঁ অনেক ধৰ্মগ্ৰন্থ পাঠ কৰি আধ্যাত্মিক পৰিপুষ্টি সাধন কৰিলে আৰু সেয়ে কাৰামুক্তিৰ পিছত তেওঁৰ লিখাত, বক্তৃতাত, আলাপত ধাৰ্মিকতাৰ কথা—হিন্দু, মুছলমান আৰু খৃষ্টান

ধৰ্মগ্ৰন্থৰ বাণী প্ৰকাশ হবলৈ ধৰিলে। তেওঁৰ সাহিত্যিক সংযোজন প্ৰণালী যেনে সুমধুৰ, ভাষা তেনে ভাবগধুৰ আৰু এই সকলোতে প্ৰভাব পৰিছিল তেওঁৰ আত্নতীয়াকৈ ৰখা সেই নিভৃত আত্মাৰ। তেওঁৰ অগাধ বিদ্যা, অশেষ জ্ঞান, সুগভীৰ চিন্তা এই সকলোক ঢাকি ৰাখিছিল এটা সুমিষ্ট হাঁহি আৰু প্ৰীতিভৰা কথাৰে। আন্তৰিক বিপুলতা কোনোদিনে ভাষাৰে প্ৰকাশ কৰা তেওঁৰ অভ্যাস নাছিল। এয়ে আছিল যোগী ফুকনৰ লক্ষণ।

শ্ৰদ্ধাস্পদ বন্ধু, সুলিখক শ্ৰীযুত ৰেজাক চাহাবে সিদিনা 'অসম ট্ৰিবিউন'ত Late Mr. Tarunram Phookan, As I knew Him বোলা প্ৰবন্ধত ফুকনদেৱৰ আন্তৰিক অনুপম মহত্ত্ব আৰু প্ৰসাৰতাৰ এটা আভাস দিবলৈ যত্ন কৰিছে আৰু ফুকনদেৱৰ Central Legislative Assembly ৰ কাৰ্য্য-কলাপক উদ্দেশ্য কৰি কৈছে যে ফুকনদেৱৰ ধাৰণাত সেই আইনসভা most august farcical assembly আৰু সেয়ে তাৰ বাকবিতণ্ডা, বাগাড়ম্বৰত তেওঁ বিশেষ ভাবে যোগ নিদি ভিতৰুৱা আলোচন', পাৰ্টি-মিটিং আদিত অন্তৰঙ্গ-ভাবে সৈতে যোগ দিছিল আৰু তেওঁৰ মতামত তাত সদায় ন্যায়সঙ্গত ভাৱে অতি মূল্যবান বুলি বিবেচিত হৈছিল। নাম বাহিৰ কৰা অভিপ্ৰায়েৰে নিজৰ কামৰ বা আজিকালিৰ দিনত যাতায়তৰ বিজ্ঞাপন দিয়া তেওঁৰ কস্মিন-কালেও অভ্যাস নাছিল। তেওঁ বিশ্বাস কৰিছিল on inherent virtue of things—কোনো কামৰ প্ৰকৃত মূল্য থাকিলে বিজ্ঞাপনেৰে তাৰ মূল্য বুজোৱাৰ আৱশ্যক নাই, লোকে এনেই বুজিব। আজিকালিৰ সংসাৰত হয়তো এইটো কথা নেখাটে, কাৰণ সকলো ফালেই বিজ্ঞাপন। সেয়ে ৰেজাক চাহাবৰ উক্তিৰে প্ৰতিধ্বনি কৰি কবৰ মন যায়, his faults were those of an Assamese. অসমীয়া বেপাৰীয়ে বস্তুৰ প্ৰকৃত মূল্য বাহিৰত বুজাব পৰা নাই, অসমৰ বিখ্যাত নেতাৰ এই সংসৰ্গজ দোষ থকা সেই সূত্ৰে স্বাভাৱিক। কিন্তু আমাৰ বিবেচনাৰে ফুকন দেৱৰ গাত প্ৰাচ্য-প্ৰতীচ্যৰ এটা অপূৰ্ব সংযোগ আছিল। আৰু নিজৰ বজাৰভাও বঢ়াবৰ মন কৰা হলে বিজ্ঞাপনৰ কলাত বিশাদৰ হোৱাত তেওঁৰ সময় বা পৰিশ্ৰমৰ আৱশ্যক নহলহেঁতেন। কিন্তু বাহ্যিক আড়ম্বৰৰ প্ৰতি আন্তৰিক ঘৃণাৰ পৰাই তেওঁ নিজৰ বিষয়ে বিজ্ঞপ্তি প্ৰকাশ কৰাক ঘৃণাৰ চকুৰে চাইছিল।

ফুকনৰ ঘৰুৱা জীৱনলৈ চালে আন্তৰিক মহত্ত্ব আৰু বিষয়-বৈৰাগ্যৰ বহুত উদাহৰণ দিব পাৰি। কিন্তু সেইবোৰেৰে স্বৰ্গগত মহাপুৰুষৰ বাবে জনপ্ৰিয়তা

আহৰণ আমাৰ উদ্দেশ্য নহয়; কিন্তু আজি কেইবছৰমান আগেয়ে ৰাজনৈতিক দলবিশেষৰ অন্তৰ্গত বিৰুদ্ধবাদীসকলৰ আক্ৰমণৰ উত্তৰত তেওঁ অনিচ্ছাতো আত্মপক্ষ সমৰ্থন কৰি এটা বিজ্ঞপ্তি প্ৰকাশ কৰিছিল। তাত কোনো ছলনা, কোনো আত্মম্ভৰিতা নাছিল, কোনো ঔকিলিক প্ৰচেষ্টা নছিল, আছিল মাত্ৰ কেইটামান সাধাৰণ সত্য উক্তি, simple statement of facts আৰু যেই সেই নিৰপেক্ষ পাঠককে সেই কথা কেইটিয়ে চকুলো টোকাইছিল। তাত আছিল তেওঁৰ সাধু চেষ্টা সত্বেও বিফলতাৰ ইঙ্গিত। শাসন নমনা ঘৰুৱা জঞ্জালৰ ঘনঘটাৰ আভাস আৰু এই বিপদ ডাৱৰে ঢকা আকাশৰ তলত দেশভক্ত তৰুণৰাম আত্মাৰ স্থিৰ দীপ্তিৰ স্পন্দনহীন আলোক।

ফুকনদেৱৰ জীৱন-বুৰঞ্জীৰ পৰা আৰু এটা কথা উনুকিয়াই এই প্ৰবন্ধৰ সামৰণি মাৰিম। তেওঁৰ অসাধাৰণ জনপ্ৰিয়তাৰ মূলত কি আছিল? অকল শক্তি, দক্ষতা, বাগ্মিতা, সৌম্য-দৰ্শন, দেহৰ কান্তি, হৃদয়গ্ৰাহী বাকনৈপুণ্য নে আৰু কিবা? মই কবৰ হলে তেওঁৰ অসীম সহনশীলতা। কথা কোৱা বিশেষকৈ তৰ্ক কৰা মানুহসকলৰ মাজত অসহিষ্ণু ভাবৰ প্ৰাচুৰ্য্য প্ৰায় দেখা যায়, অৱশ্যে তাৰ প্ৰকাশৰ প্ৰণালী বহু সময়ত ৰুঢ় নোহোৱাৰ বাবে সাধাৰণৰ চকুত নালাগিব পাৰে। কিন্তু ফুকনদেৱ অসাধাৰণ তাৰ্কিক হোৱা সত্বেও নিজৰ জিভাৰ ওপৰতে নহয়, মনৰ ওপৰতো অসাধাৰণ সংযম দেখুৱাইছিল আৰু অকল বুদ্ধিৰ কছৰতেৰে বিপক্ষক জয় নকৰি হৃদয়ৰ প্ৰশস্ততাৰ মাজত তেওঁক লীন নিয়াবলৈ যত্ন কৰিছিল। যদি কাৰো সম্বন্ধে কব পাৰি যে গীতাৰ ভগৱদ উক্তিৰ তাৎপৰ্য্য বুজিছে আৰু সম্পূৰ্ণভাৱে আয়ত্ব কৰিছে

সুহৃন্মিত্ৰাৰ্য্যুদাসীনমধ্যস্থ দ্বেষ্য বন্ধুষু।
সাধুষ্বপি চ পাপেষু সমবুদ্ধিৰ্বিশিষ্যতে॥ [ গীতা ]

তেনেহলে নিশ্চয় ফুকনদেৱৰ সম্পৰ্কে এই কথাষাৰ নিশ্চিন্তে ব্যৱহাৰ কৰিব পাৰি। এনে সমদৰ্শী, এনে সুবিশাল অন্তঃকৰণৰ, ইমানখিনি যোগ্যতা আৰু অপাৰ্থিৱ ক্ষমতাৰ আধাৰ এনে এজন সুপুৰুষৰ অন্তৰ্দ্ধানত সমগ্ৰ দেশ ম্ৰিয়মান হোৱা অতি স্বাভাৱিক। দেশ-কালৰ অতীত সীমাহীন ভবিষ্যতৰ অন্তৰালৰ পৰা দেশভক্ত ফুকনৰ আশীৰ্বাদৰ বাবে দেশবাসী চিৰদিন উন্মুখ হৈ ৰব।

# বাগ্মী ফুকন

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

একালত তৰুণ ফুকনৰ নাম নজনা লোক অসমত নাছিল। সম্পূৰ্ণ নাম যদিও তৰুণৰাম ফুকন তথাপি তেওঁ লেকসমাজত জনাজাত আছিল ফুকন, চাহাব আৰু দেশভক্ত ফুকন বুলিহে। সাহস, প্ৰতিভা, বাগ্মিতা, উপস্থিত বুদ্ধি আৰু ৰূপলাৱণ্য এইবোৰৰ সমাহাৰত তেওঁৰ সমকক্ষ লোক বিৰল আছিল। এই আলচত কেৱল ফুকন ডাঙৰীয়াৰ বাগ্মিতাৰ দিশটোৰ ক্ষুদ্ৰ আভাস দিবলৈ যত্ন কৰা হব।

ঐতিহ্যৰ ফালৰ পৰা ৰাজনৈতিক বাগ্মিতা ভাৰতীয় সাধনাৰ বস্তু নহয়। যুক্তি, চিন্তা, তৰ্ক আৰু মননশীলতাতহে সত্যকালৰ ঋষি-মুনিসকলৰ যুগৰপৰাই ভাৰতে খ্যাতি লাভ কৰি আহিছে। ৰাজনৈতিক বাগ্মিতা বহু পৰিমাণে গণতন্ত্ৰৰ দান। আৰু অনেক বস্তুৰ দৰে ভাৰতত এইবিধ বাগ্মীতাৰ প্ৰৱেশ হয় পশ্চিমীয়া সভ্যতাৰ লগত আৰু ছাৰ সুৰেন্দ্ৰনাথ বানাৰ্জীয়েই ভাৰতলৈ পোনতে এই বাগ্মিতা আনে বুলি কোৱা হয়। লণ্ডনৰ দাৰ ঠাইতো ভাৰতৰ ঐতিহ্যৰ বিষয়ে ইংৰাজী ভাষাত বক্তৃতা দি শ্ৰোতাসকলক মুগ্ধ আৰু বিস্ময়াভিভূত কৰিব পাৰিছিল ছাৰ সুৰেন্দ্ৰনাথ বানাৰ্জীয়ে। সেই অৰ্থত অসমৰ প্ৰথম বাগ্মী বক্তা আছিল তৰুণৰাম ফুকন ডাঙৰীয়া। ফুকনৰ বক্তৃতা শুনাৰ সুযোগ যাৰ ভাগ্যত ঘটা নাছিল তেওঁ ফুকনৰ বক্তৃতাৰ ৰস আৰু মধুৰিমাৰ কথা সমূলি উপলব্ধি কৰিব নোৱাৰে।

তাহানি কলিকতাৰ প্ৰেছিডেন্সি কলেজত বি-এ পঢ়ি থকা কালত তেওঁক এদিন অসমীয়া ছাত্ৰসকলৰ সভাত বক্তৃতা দিবলৈ দিয়া হৈছিল। বক্তৃতাৰ বিষয় আছিল 'অসমীয়াৰ অসমৰ প্ৰতি বৰ্তমান কৰ্তব্য'। সভাৰ সভাপতি আছিল জগন্নাথ বৰুৱা ( বি. এ. জগন্নাথ )। আধাঘণ্টা পৰ অনৰ্গল বক্তৃতা দিয়াৰ পিছত ফুকনে বক্তৃতা শেষ কৰিবহে পালে, সভাপতি জগন্নাথ বৰুৱাই তেওঁৰ বাগ্মিতাৰ ভূয়সী প্ৰশংসা কৰিলে আৰু মন্তব্য দি কলে—'তৰুণৰ বাগ্মিতা শক্তি অতিশয় প্ৰশংসনীয়, কালত তেওঁ এদিন প্ৰখ্যাত বক্তা হব।' বি, এ. জগন্নাথৰ মুখত ফুল-চন্দন পৰিল। তেওঁৰ সেই ভবিষ্যদ্বাণী আখৰে আখৰে ফলিয়াইছিল।

১৯২২।২৩ চনৰ কথা। ফুকনে তেতিয়া দেশবন্ধু চিত্তৰঞ্জন দাস আৰু মতিলাল নেহেৰুৱে গঠন কৰা কংগ্ৰেছৰ স্বৰাজ্য দলত যোগদান কৰিছে, আৰু দেশবন্ধু দাসৰ লগত ভাৰতৰ নানা ঠাইত সভা-সমিতি পাতি গঠনমূলক কাম কৰি ফুৰিছে। মহাত্মা গান্ধীৰ নেতৃত্বত তেতিয়া কংগ্ৰেছে 'কাউনন্সিল বৰ্জনৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল আৰু স্বৰাজ আন্দোলনৰ সময়ত আনকি স্কুল-কলেজ, আদালত-কাৰ্য্যালয় পৰ্য্যন্ত ত্যাগ কৰিবলৈ সকলোকে উপদেশ দিছিল। মতিলাল-চিত্তৰঞ্জন-ফুকনৰ নেতৃত্বত স্বৰাজ্য দলে এই কাউনন্সিল বৰ্জন সিদ্ধান্তৰ প্ৰতিকূলে আইন-সভাবোৰ যথাসম্ভৱ দখল কৰি সাংবিধানিক আৰু নিয়মতান্ত্ৰিকভাৱেই জনসাধাৰণৰ আৰু কংগ্ৰেছৰ আশা পূৰণ কৰিবলৈ আন্দোলনৰ পোষকতা কৰিছিল।' ফুকনে তাকে কৰিবলৈ গৈ যুক্তি প্ৰদৰ্শন কৰি কৈছিল যে বৃটিছ শাসনৰ সুপ্ৰতিষ্ঠিত দুৰ্জয় প্ৰাচীৰ এটা ভাঙিবলৈ হলে বাহিৰৰ পৰা টুকুৰিয়াই থাকিলেই নহব, কিছুমানে তাৰ ভিতৰলৈ গৈ ভিতৰৰ পৰাও তাত হাতুৰীৰ কোব বহুৱাব লাগিব। ইয়াকে জনসাধাৰণক বুজাবৰ বাবে স্বৰাজ্য দলৰ নেতাসকলে নানা ঠাইত সভা-সমিতি পাতি বক্তৃতা দি ফুৰিছিল। এদিন তেনেকুৱা এখন সভা মাদ্ৰাজৰ ওচৰৰ ঠাই এখনত বহিছিল তাত দেশবন্ধু চিত্তৰঞ্জনে ভাষণ দিব। লোকে লোকাৰণ্য। দেশবন্ধু চিত্তৰঞ্জন দাসৰ আকৰ্ষণীয় ভাষণ জনতাৰ বিপুল আগ্ৰহ আৰু শ্ৰদ্ধাৰ বস্তু। পিছে সেইদিনা যথাসময়ত দেশবন্ধুৰ হঠাৎ জ্বৰ আৰু মূৰৰ বিষ হ'ল। সভা-স্থললৈ গৈ তেওঁ যন্ত্ৰণাত চটফটাবলৈ ধৰিলে। তথাপি তেওঁ পিছ নুহুহকিল। জনতাৰ বিপুল হৰ্ষধ্বনিৰ মাজত তেওঁ থিয় হৈ নিজৰ অসুস্থতা আৰু অসমৰ্থতাৰ কথা কৈ তেওঁৰ সলনি তৰুণ ফুকনে বক্তৃতা দিব বুলি কলে। ফুকন উঠিল আৰু তেওঁৰ স্বভাৱসুলভ নম্ৰতা আৰু ৰসিকভাৱে বক্তৃতা আৰম্ভ কৰি জনতাক আবেগৰ চকুলো টোকাই সভাত বিবিধ ৰসৰ তৰঙ্গ তুলিবলৈ ধৰিলে। সভা শেষ হ'ল। দেশবন্ধুৱে ওচৰৰ শিবিৰত চিকিৎসকৰ প্ৰতিবিধান মতে জিৰণি লৈ আছিল। সভা ভঙ্গৰ লগে লগে ফুকনক আকোঁৱালি ধৰি তেওঁ কলে—'বন্ধু, তুমি মোক ইমান দিনে ফাঁকি দি আছিলা, আজি ধৰা পৰিলা নহয়। আজিৰ পৰা তোমাৰ কাম মই কৰিম, মোৰ কাম তুমি কৰিবা। সভা-সমিতি মই পাতিম, বক্তৃতা তুমি দিবা। গঠন মোৰ' ভাষণ তোমাৰ।'

আকৌ ১৯২৯ চনৰ কথা। অসমলৈ আহি মহাত্মা গান্ধীয়ে বিলাতী বৰ্জন আৰু বিলাতী বস্ত্ৰদাহ যজ্ঞৰ কাৰণে ৰাজহুৱা সভাত ফুকনটোলতে

বক্তৃতা দি ৰাইজক যি আহ্বান জনাইল—সেই বক্তৃতা তেওঁ দিছিল হিন্দীত আৰু ফুকনে তপতে তপতে তৰ্জমা কৰিছিল অসমীয়ালৈ। দুয়োৰো যেন একে ভাব, একে ওজস্বিতা। এইটো আছিল ১৯২১ চনৰ ১৯ আগষ্টৰ কথা। তাৰ পিছ দিনা উজান বজাৰৰ নাট্য মন্দিৰত বহু মহিলা-সকলৰ বিৰাট জনসভাত মহম্মদ আলিয়ে উৰ্দুত এটা তেজী ভাষণ দিছিল। ফুকন ডাঙৰীয়াই সেই একে তেজ, একে উদ্দীপনাৰে তাক লগে লগে খাপখোৱা অসমীয়ালৈ তৰ্জমা কৰি গৈছিল। গুৱাহাটী, তেজপুৰ, নগাওঁ আৰু ডিব্ৰুগড়ৰ সভাবোৰতো একেভাৱে ফুকনে মহাত্মা গান্ধীৰ ভাষণ অসমীয়ালৈ তৰ্জমা কৰি শুনাইছিল। তাৰ তৃপ্তি আজিও প্ৰত্যক্ষদৰ্শী শ্ৰোতাই পাহৰিব পৰা নাই।

১৯২৬ চনত অসমত প্ৰথম বাৰ কংগ্ৰেছ মহাসভা বহিছিল। সেই সভা-মণ্ডপত গড়মূৰ সত্ৰাধিকাৰ স্বৰ্গীয় পীতাম্বৰ গোস্বামী প্ৰভুয়ে অসমীয়াত দিয়া ভাষণৰ অনুবাদ কৰি গৈছিল। এই ইংৰাজী অনুবাদ আৰু কংগ্ৰেছৰ আদৰণি ভাষণৰ লালিত্যই ফুকনক সৰ্বভাৰতীয় নেতাসকলৰ দৃষ্টিত আৰু এখোপ ওপৰলৈ তুলি নিছিল।

১৯৩৬ চনত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ বিয়োগত কাৰ্জন হলত (আজি-কালিৰ নবীনচন্দ্ৰ বৰদলৈ ভৱনত) স্মৃতি-তৰ্পণৰ বাবে যি ৰাজহুৱা সভা বহিছিল তাৰ পৌৰহিত্যৰ দায়িত্ব পৰিছিল ফুকনৰ ওপৰতেই। ফুকনৰ এটা স্বভাৱ আছিল এই যে বেজাৰ-বিষাদ বা চিন্তা-ভাবনাই বিচলিত কৰিব খুজিলে তেওঁ ততালিকে বন্দুকটো হাতত লৈ চিকাৰলৈ ওলাই যায়। অৱশ্যে তেওঁৰ প্ৰিয় চিকাৰ আছিল হাতী। সৰুসুৰা জীৱজন্তুৰ চিকাৰ আৰু সৰু-সুৰা মোকৰ্দমাত ওকালতি কৰা তেওঁ ভাল নেপাইছিল। সেই দিনা ৰাতিপুৱাই বন্দুকটো হাতত লৈ তেওঁ দীপৰ বিল পালেগৈ। আবেলি দুই বজাত ৰাজহুৱা সভা। সভা বহিল, ফুকন নাই। এঘণ্টা গ'ল, ফুকন নাই। দুঘণ্টা গ'ল ফুকন নাই। অন্যান্য বক্তাই বক্তৃতা দি সভা প্ৰায় সামৰিব খুজিছে। এনে সময়ত ফুকন ওলালহি। আগৰ বক্তাজনে শেষ কৰাৰ লগে লগে ঘপকৰে তেওঁ থিয় হ'ল আৰু বক্তৃতা আৰম্ভ কৰিলে। ফুকনৰ বক্তৃতা জানো কোনোবাই নুশুনাকৈ থাকিব পাৰে? সকলোৱে স্তব্ধ হৈ তেওঁৰ বক্তৃতা শুনিবলৈ ধৰিলে। পোনতে নিজৰ ত্ৰুটী বাৰুকৈয়ে ব্যাখ্যা কৰি ক্ষমা ভিক্ষা কৰিলে। তাৰ পিছত আহিল ৰসিকতা। ফুকনে নানা

ধৰণৰ কথা কৈ ৰসিকতা কৰি শোক-সভাৰ ম্রিয়মান জনতাক হর্ষোৎফুল্ল কৰি তুলিলে। লাহে লাহে হাঁহিৰ ৰোল উঠিবলৈ ধৰিলে। ঢৌৰ পিছত ঢৌ বাগৰিল। তাকে শুনি কোনো এজন বিশিষ্ট সমজুৱাই কলে—'আজি আমি এইখন হাঁহি-ধেমালিৰ সভাত যোগ দিবলৈ অহা নাছিলোঁ।' দুই এজনে ফুচফুচাই কোৱাকুই কৰিছিল—'কর্মবীৰ বৰদলৈ এসময়ত ফুকনৰ প্রতিদ্বন্দ্বী আছিল, সেয়েহে হবলা আজি তেওঁৰ মনৰপৰা শোক উথলোৱা বক্তৃতা নোলাই ৰংৰহইচৰ কথা ওলাইছে।' ফুকনে সেই সময়ত মনৰ ভাব বুজি তৎক্ষণাৎ কবলৈ ধৰিলে—'বহুতে হয়তো আজি এনে এখন শোক সভাত হাঁহি উঠা কথা কোৱা বাবে ফুকনক দোষাৰোপ কৰিব পাৰে—মই কওঁ সেই সকলে হিন্দুধর্মৰ প্রকৃত দর্শন নুবুজে, বেদ-উপনিষদৰ প্রকৃত ৰহস্য নাজানে। হিন্দুধর্মৰ দর্শনত শোকৰ ঠাই নাই, হিন্দুৰ আত্মা অমৰ, ন হন্যতে হন্যমান শৰীৰে। আপোনালোকে জানে যে হিন্দুৱে দহদিনৰ দিনা দহা কৰি এবুকু পানীত নামি কুমৰ-চৰু এটা লোহা এডোখৰেৰে কোবাই টুকুৰাটুকুৰকৈ ভাঙে। কিয় ভাঙে? কুমৰ-চৰুটোনো কি? লোহায়ে বা কি? কুমৰ-চৰুটোতো আকৌ মৃতকৰ নাম লিখিব লাগে। সেইটো তেনেকৈ ভাঙি উঠি আকৌ বুৰ মাৰি গা ধুই পানীত নিজৰ ছাঁটো চাই 'ঈষৎ হাস্য' কৰিব লাগে অর্থাৎ অলপ হাঁহিব লাগে। কিয় হাঁহিব লাগে? কান্দিবহে লাগিছিল দেখোন। এই হাঁহিয়েই হিন্দুধর্মৰ মূল বস্তু। শৰীৰৰ প্রতি থকা মায়া-মমতা তেনেকৈয়ে পৰিহাৰ কৰি আত্মাই হাঁহে। আমিও হাঁহিব লাগে। আনকি বার্ষিক শ্রাদ্ধ কৰোঁতেও শ্রাদ্ধ কৰোঁতাই পিণ্ড দিয়াৰ সময়ত পাত্রৰ পানীত নিজ মুখৰ প্রতিবিম্ব দর্শন কৰি 'ঈষৎ হাস্য কৃত্বা' অর্থাৎ অলপ হাঁহি লৈহে শ্রদ্ধাৰ কাম সমাধা কৰিব লাগে।' ফুকনৰ এনেবোৰ যুক্তি শ্রুতি-স্মৃতি-বেদ-উপনিষদ-গীতা আদি শাস্ত্রৰ খাজেখোপে খোৱা উদ্ধৃতিসহ শুনি শ্রোতাই স্তব্ধ হৈ ভেবাৰ দৰে ৰ লাগি চাই আছিল। তেতিয়া ফুকন হৈ পৰিছিল এজন হিন্দুশাস্ত্রৰ বিচক্ষণ দার্শনিক পণ্ডিত।

১৯৩৭ চনত ডাক্তৰসকলৰ সর্বভাৰতীয় চিকিৎসক সম্মিলন গুৱাহাটীৰ জজ ফিল্ডত বহিছিল। তেতিয়া অসমৰ প্রধানমন্ত্রী (মুখ্যমন্ত্রীক তেতিয়া প্রধান মন্ত্রী বোলা হৈছিল) আছিল স্বৰ্গীয় গোপীনাথ বৰদলৈ আৰু স্বাস্থ্য-মন্ত্রী স্বৰ্গীয় ৰামনাথ দাস। বৰদলৈ অসুস্থ আছিল। তেওঁৰ বৰকৈ পানী লাগিছিল। পতাকা উত্তোলনৰ বক্তৃতা দিওঁতে পানীলগাত হোৱা বুকুৰ

হৰহৰণি আনকি মাইক'তো শুনা গৈছিল। দাস ডাঙৰীয়াৰ বক্তৃতাৰ কথা নোকোৱাই ভাল, নতুন মন্ত্ৰী, তাতে ভাষণ দিছিল ইংৰাজীত—মৌখিক ভাষণ। যোৰহাট কপলিংচিগা ৰেলৰ দৰে কেতিয়াবা বক্তৃতাৰ মাজতে বৈ যাব খোজে। তাৰ পিছত ভাৰতীয় প্ৰতিনিধিসকলৰ আথৈ ফুটা বক্তৃতাৰ অন্তত দেখা গ'ল—ডাক্তৰ শ্ৰীঘনশ্যাম দাসে ফুকনৰ ওচৰলৈ গৈ কাণে কাণে দুইতিনিবাৰ কলে—"ছাৰ, আপুনি আমাৰ হৈ দুষাৰ কব লাগে।" ফুকনে সেই দিনা এখন ব'গা ধুতি, এযোৰ ব'গা কাপোৰৰ জোতা, বগা মোজা, বগা পাঞ্জাবী পিন্ধি আৰু এখন ব'গা চেলেং গাত লৈ নিজৰ শুভ্ৰ বৰণেৰে সৰস্বতী বন্দনাৰ 'সৰ্বশুক্লা সৰস্বতী' হৈ পৰিছিল। 'আঃ মোক নো কিয় আমনি কৰাহে; বাৰু' বুলি শেষৰবাৰ কৈ বক্তৃতা দিবলৈ থিয় হোৱাৰ লগে লগে ভাৰতীয় নেতা-সকলৰ মাজৰ পৰা চাপৰিৰ ৰোল উঠিছিল। তাৰ পিছত প্ৰায় ২০।২৫ মিনিটমান তেওঁ ক'তো অকণো খোকোজা নলগাকৈ অনৰ্গল ইংৰাজীত এনে বক্তৃতা দিছিল যে তাৰ মাজে মাজে শ্ৰোতাৰ পৰা কেৱল চাপৰিৰ আৱজ আৰু হাঁহিৰ তুমুল হৰ্ষধ্বনি বহু দূৰৰ পৰা শুনা গৈছিল। সামৰণি পৰাৰ পিছতো প্ৰায় এমিনিটমান চাপৰি চলি আছিল। এয়ে আছিল বাগ্মী ফুকন ডাঙৰীয়াৰ সভা সমিতিত দিয়া ভাষণৰ চানেকী।

ওকালতিতো ফুকন ডাঙৰীয়াই উপস্থিত বুদ্ধি খটাই প্ৰায় সদায়ে প্ৰতিপক্ষৰ পৰাই সমল সংগ্ৰহ কৰি মাছৰ তেলেদিয়ে মাছ ভাজিছিল আৰু তেনেকৈয়ে জয়ী হৈছিল। মোৰ নিজা অভিজ্ঞতাৰ পৰা তলত তিনিটা সঁচা কাহিনী তুলি দিলোঁ। ইয়াত দেশভক্তৰ ওকালতি আৰু ৰাজহুৱা সভাত প্ৰকাশ পোৱা বাগ্মিতাৰ চানেকী পোৱা যাব।

**ভূধৰ পণ্ডিতৰ মোকৰ্দমাত ফুকন চাহাব**

আঠৈকুৰিমান বছৰ আগৰ কথা। বাৰিষাৰ দিন। ৰাতিপুৱা দোক-মোকালিতে উঠি ফুকন ডাঙৰীয়াই আঁঠুৰ ওপৰলৈকে যোৱা ব'গা জাঙিয়াটো পিন্ধি বঙলাৰ সমুখৰ ঘাঁহনিখনত তহল দিছে। এনেতে তেওঁ, দেখিলে-ব্ৰহ্মপুত্ৰৰ পানীৰ যুৱলীৰ পৰা পাৰলৈ এজন মানুহে উঠি আহিব লাগিছে। মানুহজন আটিল, আদহীয়া, নোদোকা, ভৰি মূৰত এটা পাগুৰি আৰু কান্ধত এখন ভাৰ। তেওঁৰ হাতত এখন দীঘলনলীয়া দা। দাখন মাজে মাজে থিয়কৈ টোকনৰ দৰে লয়, মাজে মাজে হাতত ওলোমাই ধৰে। মানুহটোৱে

ট কৰে ফুকনৰ হাউলিৰ ফালে টেঁৱাই অহা দেখি ফুকনে গহীনকৈ চিঞৰি কলে—'হেই, তই কোন ? বলিয়াই নে বটীয়াই ! মোৰ টোলত নোসোমাবি। তাতে থিয় হ। তোক কি লাগে ? কৰ মানুহ ?'

মানুহটোৱে কলে—'দেউতা, মই বিপদত পৰা মানুহ। বহু দূৰৰ পৰা আহিছোঁ। বলিয়া নহওঁ, মই আপোনাক লগ পাব লাগে। ওৰে ৰাতি বাট বুলি আহিছোঁ দেউতা।'

'ক'ৰপৰা আহিছ ?'

'সিপাৰৰ দৰং মঙলদৈৰ বিজলীবাৰী গাঁৱৰপৰা।'

'ঠিক আছে বাৰু। তোৰ সেই দাখন আৰু ভাৰখন তাতে গেটৰ মুখত থৈ সুদাহাতে মোৰ ওচৰলৈ সোমাই আহ্। তই কাৰোবাক কাটি আহিলি হবলা ?'

'দেউতা, সেইটো কৰিব পৰা হলে ভালেই আছিল। তেনেকৈ এবাৰ ভাবিছিলোয়ে। কিন্তু এতিয়ালৈ কাকো কটা হোৱা নাই। দেউতা থকা বাবে নকটাকৈ কাম হব বুলি ভাবি কটা নহ'ল। এতিয়া কিন্তু দেউতাই যিমতে উপদেশ দিয়ে তাকে কৰিম।'

'ফুকন দেউতাই দেখোন জগৰ লগালেহে ভাঙে। তইনো কাকো নকটাকৈ এনেকৈ দাখন জোকাৰি জোকাৰি দেউতাৰৰ ওচৰ চাপিলিহি কিয় ? কথাটো ভাঙি কচোন।'

'দেউতা, বাটত বাঘ-ভালুকৰ ভয়তহে দাখন আনিছো। আৰু ভাগ্যৰ কথানো কি কন ? অইনৰ কচুৱে গল খুজায়, আমাৰ ঘজুৱাইছে আলুৱে।'

'আলুৱে নহয় অ', ঔৱে। আপদ কালত ঔৱেও গল খজুৱায় বোলে।'

'হব পাৰে দেউতা, আমি মুৰুখ মানুহ; সেইবোৰ ভালকৈ নাজানো। পিছে শুনক দেউতা, মোৰ লৰা এটা পাতচলা স্কুলত পণ্ডিত। সি নো স্কুল চোৱা বৰবাবুৰ লগত কাজিয়া কৰিব পায় নে ? ওঁঠে খুৰে নো কেতিয়াবা কাজিয়া চলে নে ? পিছে সি তাকে কৰিলে আৰু সেই ঝংকট লগোৱা বাবে মই বুঢ়া বাপেকে এতিয়া কপজপাই দেউতাৰ কাষ পাইছোঁহি।'

'ঝংকট নো কি লাগিলে ? বৰবাবুক ঘাইল কৰিলে হবলা ? পুলিচে ধৰি নিছে নেকি ?'

**'হয় দেউতা তেনেকুৱায়ে। সি বৰবাবুক মাৰিলে হেনো।'**

**'এবাতো, তেনে হবই লাগিব। তাবখনত পিছে কি আনিছ ?'**

'কিনো আনিম দেউতা, আমি জনমদুখীয়া মহাপাপী মানুহ। গৰুখুটীৰ পামত থকা নিজা পেৰী ম'হৰ মখা-গাখীৰ একলহ, চুৰা এটেকেলি কোমল চাউল এমোনা আৰু মালভোক কল চাৰি আখিৰে তেনেই ভাৰখন কৰি লৈ আহিছোঁ। দেউতাৰ ঘৰলৈ সুদা হাতে আহিব নাপায়—ইফালে হঠাৎকাৰে একো পাবলৈও নাই; তাকে নকৰিনো কি কৰোঁ, দেউতা!'

'যা তেনেহলে ভাৰখন লৈ আহ আৰু বাহিৰৰ বাৰাণ্ডাৰ সোঁখিনিতে থ আৰু বেঞ্চিত বহ। চাহপানী এটোপা খাই উঠি তোৰ মোকৰ্দমা শুনিম। ভয় নকৰিবি।'

তাৰে এপাকত লগুৱাক মাতি ফুকনে বস্তুবোৰ ভিতৰলৈ পঠিয়াই দিলে। নিজেও ভিতৰলৈ গৈ এঘণ্টামানৰ পিছত ওলাই আহিল। ইতিমধ্যে লগুৱাই মানুহজনক চাহ-জলপান খুৱালে।

এই মানুহজনৰ নাম আছিল গাঁঠীয়া; ঘৰ মঙলদৈ মহকুমাৰ বিজলীবাৰী গাঁৱত। গাঁঠীয়াৰ গাত সাত ভতৰাৰ বল। তেওঁৰ গাৰ বলৰ খ্যাতি সেই অঞ্চলৰ ল'ৰা-বুঢ়া সকলোৰে মুখে মুখে। দীঘলবলীয়া হাবিজোৰা দাৰে গাঁঠীয়াই কেইবাটাও বাঘ সমুখ-সমৰত ঘপিয়াই মাৰিছিল। লেকে তেওঁক গাঁঠীয়া মাল বুলি মাতে। গাঁঠীয়াৰ পুতেকৰ নাম ভূধৰ। তেওঁ দেখাত বাকেৰ গঢ়ৰে; কিন্তু বাপেকৰ দৰে তেওঁপৰিশ্ৰমী নহয়। ভূধৰে বিজলীবাৰীৰ-পৰা দুমাইলমান দূৰত প্ৰাইমাৰী স্কুলত শিক্ষকতা কৰিছিল। ঘৰৰপৰা খোজকাঢ়ি অহা-যোৱা কৰে।

এদিনৰ কথা। স্কুলপৰিদৰ্শক বৰবাবু এজন তেওঁৰ স্কুল চাবলৈ গৈছিল। তেওঁ আছিল ডেকা মানুহ; শিক্ষিত যুবক। থুলন্তৰ চেহেৰা তেওঁৰ, গাল-মুখেদি ঘামৰ লগত তেজে ফুটি যাওঁ কৰি ওলাই আহিব খোজে। তাতে তেওঁ তেজগোৰা বগা বৰণৰ। সেইদিনা দিন দুপৰীয়া চাইকেল মাৰি গৈ স্কুল সোমাই তেওঁ দেখিলে শিক্ষকৰ সোকাৰ টোকনডাল আৰু ছাতিটো মেজৰ ওপৰত আছে। তাকে দেখি ডেকা পৰিদৰ্শক বৰবাবুৰ খং টিকিচকৈ উঠিল। তেওঁ পণ্ডিতক উধেমূধে গালি দিলে। গালি দিয়াই নহয়, ল'ৰাবোৰৰ আগতে টোকনডাল আৰু ছাতিটো তেওঁ বাহিৰলৈ দলি মাৰি পেলাই দিলে, আৰু সেই ঠাইত নিজৰ টুপীটো থলে।

পণ্ডিতো কম নহয়—অজাত গছৰ বিজাত ফল। তেওঁ হাত-যোৰ কৰি স্কুল চোৱা বাবুক বিনয় ভাৱে চকীত বহি জিৰণি লবলৈ কলে। কলে—

অসভ্য ছাতি-টোকনে এতিয়াহে ভাল শিকনি পাইছে ছাৰ। আপোনাৰ টুপীটো দেখি সিহঁত নিজেই নামি যাব লাগিছিল। পিছে ছাৰ, খবৰ নিদিয়াকৈ আহিল দেখোন ?"

স্কুল চোৱা বাবুৱে কলে—"ভদ্ৰতা নজনা জংঘলী পণ্ডিতৰ চকীত বহি মই অপৱিত্ৰ হব নোখোজেঁা। ছাত্ৰবোৰক তুমি শৃঙ্খলাৰ কথা কি শিক্ষা দিবা, নিজে যেতিয়া ইমান জলহু ?"

সহকাৰী শিক্ষকজন সেই দিনা অনুপস্থিত আছিল। তাকে জানিব পাৰি পৰিদৰ্শকে কলে—"এইখন পঢ়াশালি নহয়, তুমি এইখন গৰুশালি পাতি লৈছা। দুটা ৰখীয়াৰ এটা থাকিলে আনটো নাথাকে। পাল পাতি গৰু ৰখে। হয় নে নহয় ?"

পণ্ডিতে কলে—"ছাত্ৰবোৰক পৰীক্ষা কৰি চালেহে বুজিব ছাৰ, সিহঁত গৰু নে মানুহ। গৰুক মানুহ কৰাটোৰেইটো আমাৰ কাম। এনেকুৱা গৰুক ৰখিবলৈ আৰু কোবাইকিলাই সিহঁতক মানুহ কৰিবলৈ বিধতাই আমাৰ কপালত লিখিছে। লোকৰ গালি-শপনি খাই হলেও আমি তাকে কৰিব লাগিব, কাৰণ সেইটোৱে আমাৰ কৰ্তব্য।"

"থোৱা থোৱা, মানুহ কৰিবা! জংঘলী স্বভাৱ তোমাৰেই যোৱা নাই। নিজে সিহঁতৰ শাৰীত আছা, সিহঁতক তুমি কেনেকৈ মানুহ কৰিবা ? এইবোৰ অলগৰ্দ্ধ শিক্ষকক লৈ আমি স্কুল ভাল কৰোঁ কেনেকৈ ? জানোৱাৰ কৰবাৰ।"

এনেকৈ আৰু দু-আষাৰমান কৰহে পালে—পণ্ডিতে কলে—'ছাৰ ধৈৰ্য্যৰ এটা সীমা আছে। ভগবান' শ্ৰীকৃষ্ণয়ো বোলে শিশুপাল ৰজাৰ এশটা গালিহে সহিছিল। ময়ো সহিলোঁ। মোৰ নাম ভূধৰ। গাঁঠীয়া মালৰ পুতেক ভূধৰ মই। পিতাই অকলে তিনিটাক পাৰে, মইনো এটাকো নোৱাৰিম নে ? ল'ৰাহত, তহঁত ঘৰলৈ যাগৈ। বৰবাবুৱে স্কুল আজি ছুটী দিছে। বৰবাবু আহিলে স্কুল ছুটী হয়। যাগৈ, যা যা।"

এনেকৈ কোৱাৰ লগে লগে ছাত্ৰবোৰে উৰুলিকৃত হৈ ঘৰলৈ লৰ দিলে। পণ্ডিতে সেই খেলিমেলিৰ সুযোগতে বৰবাবুৰ টুপীটো হাতত লৈ বহু দূৰলৈ বাহিৰলৈ দলিয়াই দিলে। লগে লগে মুখেৰে কলে—"আৰু চাই থাকিলে নহয় ছাৰ, আহক এতিয়া কাৰ বল কিমান চাওঁ, বাবুৰ নে জংঘলীৰ।" এইবুলি চকুৰ পচাৰতে ধৰি বৰবাবুক পণ্ডিতে প্ৰথমে লপাথপা, তাৰ পিছত উত্তমমধ্যম আৰু শেষত ধমাধম লগাই কলে—"আৰু বেছি নিদিওঁ ; প্ৰাণটো বচাই ধৰ্ম কৰোঁ।"

ৰবাবুৱে ঘোচা-ভুকু-চৰ-কিল খাই শিক্ষকৰ হাতৰপৰা এৰাই টুপীটো বুটলি লৈ চাইকেলত উঠি পলাই পত্ৰং দিলে।

পিছ দিনা ভূধৰ পণ্ডিতক পুলিচে ধৰি নিলেহি। লগে লগে বাপেক গাঁঠীয়াই গৈ জামিন হৈ পুতেকক মোকলাব খুজিলে। পুলিচে পণ্ডিতক জামিনত এৰি নিদিলে। গাঁঠীয়াই তেতিয়া পোনে পোনে ঘৰলৈ আহি ভাৰ-ভেটী লৈ ফুকন চাহাবৰ ওচৰলৈ মান্দাকাটা পাহাৰৰ মাজেদি পোনবাট ললে। ওৰেৰাতি তেওঁ বাটকুৰি বাই আহি পূবে ধলফাট দিওঁতেই ব্ৰহ্মপুত্ৰ নাৱেৰে পাৰ হ'ল আৰু ফুকনক সাক্ষাৎ লভিলেহি। দূৰত্ব প্ৰায় ১৭।১৮ মাইলমান হব। পাহাৰৰ খলাবমা বাট।

ফুকনে চাহ-জলপান খাই উঠি ওলাই আহি আৰামী চকীত বহি লৈ কলে —"কিমান টকা আনিছা? ফুকনক মোকৰ্দমাৰ ফীজ আৰু খৰচ দিব লাগিব নহয়।"

'দেউতা, দুখীয়া মানুহ, গাখীৰ বেচি গোটোৱা তিনিশ টকা আছিল। তাকে সম্প্ৰতি আনিছো।' ইয়াকে কৈ তেওঁ কঁকালত বান্ধি লোৱা জালমোনাৰ-পৰা চিকাৰূপ তিনিশ উলিয়াই বটাখনত গণি গণি থলে।

ফুকনে গাঁঠীয়াৰ লগত কথা পাতি মোকৰ্দমাৰ আৱশ্যকীয় কথাবোৰ সুধি ললে। তেওঁ কলে—"মই আজি মঙলদৈলৈ নগলেও হব। তোমাৰ ল'ৰাক জামিনত খালাচ দিয়াৰ ব্যৱস্থা মই আজিয়েই কৰিম। মোকৰ্দমা উঠিবৰ দিনা মোক আৰু পাঁচশ টকা দিবা। দিনটোৰ কথাও মনত পেলাই দিবাহি।"

মোকৰ্দমাৰ শুনানিৰ দিন আহিল। ফুকনৰ জেৰাৰ দিনা মঙলদৈ আদালতৰ সমুখৰ চোতাল লোকাৰণ্য হ'ল। আদালততো মানুহ নধৰা হ'ল। ফুকন আহিছে বুলিলে এনেয়ে মানুহ ভৰি পৰে—তেওঁক চাবলৈ, তেওঁৰ কথা শুনিবলৈ। তাতে সেই দিনা স্কুল চোৱা ৰবাবুক মৰা মোকৰ্দমাৰ জেৰা হব।

জেৰাৰ আগতে এদিন গাঁঠীয়া মালে পুতেকক লগত লৈ গৈ ফুকন চাহাবক লগ ধৰিছিল আৰু জেৰাৰ উত্তৰত প্ৰতিপক্ষৰ উকিলৰ আগত কি কব লাগিব সুধিছিল। ফুকনে ইয়াকে মাত্ৰ কৈছিল—"যি কৰিছিলা সকলো সৈ কাঢ়িবা, নিৰ্ভয়ে কবা। কথা লুকাব নালাগে। মিছা কব নালাগে। মিছাকে যদি কব লাগিল তেনেহলে ইমান টকা ভাঙি ফুকনক লগাব লাগে কিয়? ফুকন

আছে, ভয় নাই। তাৰ মাজেদিয়ে মই আছামীক খালাচ কৰি আনিম। ফুকনৰ ফীজ পাঁচশ টকাৰ উপৰি লেখি লেখি আৰু এহেজাৰ দিব লাগিব। ধনী মানুহৰ মোকৰ্দমা হলে মই দুহেজাৰৰ কমত খোজকে নলৰালোহেঁতেন !"

বাপেক-পুতেক দুয়ো একমুখে কলে—"দিম দেউতা, নিশ্চয় দিম।"

জেৰাৰ সময়ত টুপটুপীয়া মুখৰ বৰবাবুক ফুকনে জেৰা কৰি কৰি আৰু ৰঙা কৰি তুলিছিল। ফুকনে সুধিছিল—"আপুনি স্কুল পৰিদৰ্শন কৰা এছ-আই অব স্কুলছ্। আপোনাক মানুহে বৰবাবু বোলে। আপুনি চৰ্কাৰী চাক-ৰিয়াল। আপুনি মিছা কথা নকব। ভূধৰ পণ্ডিতে আপোনাক অপমান কৰিলে, নহয় নে? ডায়েৰী চাই কব আকৌ; নহলে ভুলকৈ কৈ পিছত কব—'ফুকনে ওলটপালট প্ৰশ্ন কৰি মোৰ সকলোবোৰ ভুল লগাই দিলে।' আপোনাক ভূধৰে কথাৰেহে অপমান কৰিছিল নে মাৰিছিল? এক চৰ মাৰিছিল নে কেইবাচৰো? আপুনি দুখ পাইছিল নে? কিমান দুখ পাইছিল? আপুনিও তেওঁক চৰ মাৰি দিয়া নাছিল নে? তেনেহলে আপুনি যীচুখৃষ্টৰ দৰে এখন গালত এটা চৰ খাই উঠি আনখন গাল পাতি দি ৰৈ আছিল? আপুনি তেওঁৰো চুলিত ধৰি গ্ৰাহ-গজেন্দ্ৰৰ যুদ্ধ চলোৱা নাছিল নে? চাব, মিছা কথা নকব আকৌ। এইখন আদালত। ধৰ্মবিচাৰৰ ঠাই। মিছা কলেওঁ ফুকনে ধৰিব পাৰিব—আদালতেও বুজি পাব। প্ৰথম চৰটোত কিমান দুখ পাইছিল? বাগৰি পৰিছিল নেকি? মূৰ আচন্দ্ৰাই কৰিছিল নে? আগতেও আপুনি কেতিয়াবা তেনে চৰ- ঢকা আৰু ক'ৰবাত খাইছিল নেকি? ছাত্ৰবোৰে আপোনালোকৰ যুঁজ চাই হাতচাপৰি বজাইছিল নেকি? আপোনাৰ দাঁতৰ গুৰিয়েদি তেজ ওলাইছিল নেকি? সেই মাৰৰ বিষ এতিয়াও আছে নেকি?

বাৰু, ভূধৰ পণ্ডিতক গৈ আপুনি কেনে অৱস্থাত পাইছিল? তেওঁ কি কৰি আছিল? তেওঁ আপোনাক নমস্কাৰ দিছিল নে নাই? বহিবলৈ কোৱা নাছিল নে? তেওঁৰ ব্যৱহাৰত আপুনি তেওঁক কিবা মদ, ভাং আদি খোৱা বুলি সন্দেহ কৰিছিল নেকি? তেওঁৰ ছাতিটো আৰু টোকনডাল আপুনি বাহিৰলৈ দলিয়াই পেলোৱা নাছিল নে? যদি মদ, ভাং খোৱা নাছিল, ব্যৱহাৰতো নিশ্চয় প্ৰথমে একো বেয়া কৰা নাছিল, তেন্তে হঠাৎ কিয় আপোনাক আক্ৰমণ কৰিলে? নে আপুনি তেওঁক প্ৰথমে আক্ৰমণ কৰিলে? বাৰু বুজিলো সকলোঁ। পিছে কোনে কাক বলে পাৰিলে? কাৰ ভাগত

সৰহ হ'ল ? মাৰ খাই আপুনি আকৌ চাইকেল চলাই আহিব পাৰিছিল নে ? তেওঁ পাছে পাছে খেদা নাছিল নে ?"

ফুকনৰ এনে এশ একুৰি জেৰাত ৰাইজৰ হাঁহিৰ কিৰিলি উঠিছিল; পুলিচে জনতাক সংযত কৰি ৰাখিবলগীয়া হৈছিল। জেৰাৰ কোব যিমানে বাঢ়ে, বৰবাবু সিমানে বেছিকৈ ৰঙাচঙা পৰে। ইফালে ফুকনৰো বাক্যৰ আৰু প্ৰশ্নৰ কোব চৰে। শেষত জেৰাৰ উত্তৰ দিওঁতে পৰিদৰ্শকে কি কলে, কি নকলে নিজে একো ক'ব নোৱাৰাত পৰিল। মহকুমাধিপতি চাহাব নিজেই আছিল সেই মোকদ্দ'মাৰ বিচাৰক।

মোকদ্দ'মাৰ ৰায়ৰ দিনা শুনা গ'ল—ভূধৰ পণ্ডিত খালাচ হৈছে। কিছু দিন চাকৰি কৰি থাকি পিছত তেওঁ সেই চাকৰি সসম্মানে ইস্তফা দিছিল। ভূধৰ পণ্ডিতৰ মোকদ্দ'মা আৰু ফুকন চাহাবৰ ওকালতিৰ কথা আজিও মঙলদৈয়া পুৰনি লোকৰ মুখে মুখে।

## কানি-বেপাৰীৰ মোকৰ্দমাত বেৰিষ্টাৰ ফুকন

বিপদ উপস্থিত হলেও বহুতে গণেশ দেৱতাক সঘনে স্মৰণ কৰে। ডাঙৰ মোকদ্দ'মাত জড়িত হোৱা অসমত এদিন পৰিত্ৰাণৰ কাৰণে ফুকনৰ নাম স্মৰণ কৰিছিল আৰু সহায়ৰ কাৰণে তেওঁৰ ওচৰ চাপিছিল।

এবাৰ মঙলদৈৰ ধনী মাৰোৱাৰী কানি-বেপাৰীৰ মোকদ্দ'মাত পৰিল। মঙলদৈ দৰং জিলাৰ মহকুমা। দৰঙৰ ডেপুটীকমিছনাৰ আছিল তেতিয়া ৰাকাৰ চাহাব—সম্পূৰ্ণ নাম জৰ্জ ডেভিদ ৰাকাৰ। তেওঁৰ মেজাজটো আছিল খিটখিটীয়া বিধৰ। অলপতে টিঙিচকৈ খং উঠে, অলপতে বিৰক্তি পায়। এই মোকদ্দ'মাৰ বিচাৰ তেওঁ নিজে ললে আৰু বিচাৰৰ দিন ধাৰ্য্য কৰি বিচাৰৰ বাবে স্থান দিলে ঘটনাস্থলীৰ ওচৰৰ ওদালগুৰি ডাকবঙলা। সেইটো কৰাৰ উদ্দেশ্য হ'ল মঙলদৈ আদালতত বিচাৰ হলে ধনী মাৰোৱাৰীয়ে সদায় কলহে কলহে ধন ঢালি তাৰ আটাইবোৰ উকিল-মুক্তিয়াৰকে তেওঁৰ পক্ষত হাজিৰ কৰাব। ৰাকাৰ চাহাবে আকৌ মোকদ্দ'মাত উকিল-মুক্তিয়াৰ ধৰা ভাল নাপাইছিল।

মোকদ্দ'মাৰ বিচাৰৰ দিন আহি পোৱাৰ আগতে ওদালগুৰিৰ সমস্ত বঙলা ৰাকাৰ চাহাবৰ কাৰণে আছুতীয়াকৈ ৰখা হ'ল। ফুকনৰ কাৰণে মাৰোৱাৰীয়ে অজস্ৰ ধন খৰচ কৰি চকুত লগাকৈ তম্বু তৰাই থলে। নিৰ্দিষ্ট দিনৰ আগ

নিশা ডেপুটী কমিছনাৰ চাহাবে তেজপুৰৰপৰা আহি তাত বিশ্ৰাম ললে। ফুকন থাকিল তম্বুত।

পিছ দিনা ৰাতিপুৱা এঘাৰবজাৰ পিছতো ডাকবঙলাত বিচাৰৰ একো উমঘাম হোৱা নাই বুলি শুনি ফুকনে নিজে তালৈ খোজ ললে। চাহাবক দেখি তেওঁ দূৰৰপৰাই শিষ্টাচাৰৰ নমস্কাৰ জনালে। চাহাবেও প্ৰতিনমস্কাৰ জনাই কলে—"আহক, আপোনাৰ কাৰণে মই কি কৰিব পাৰোঁ? মোৰ পৰা আপুনি কি বিচাৰে? What can I do for you?

ফুকনে কলে—"ধন্যবাদ, মোক অইন একো নেলাগে, মাত্ৰ আজি ইয়াত এটা মোকৰ্দমা আছিল--আপোনাৰ আদালতত। মই তাৰে পদকীয়াৰ বাবে ওকালতি কৰিবলৈ নিযুক্ত হৈছোঁ। মোকদ'মাটো আপুনি কোন সময়ত লব খুজিছে তাক বুজ লবলৈ আহিলোঁ।"

চাহাবে তেতিয়া বাৰাণ্ডাত বহি 'পাইপ' টানি আছিল। তেওঁ গহীনাই কলে—"ডাঙৰীয়া, নেদেখিছে নে মই এতিয়াও পোচাক পিন্ধাই নাই?"

"হয় দেখিছোঁ, বোলোঁ কেতিয়ালৈ আপুনি পোচাক পিন্ধিব খুজিছে? অনুগ্ৰহপূৰ্বক তাকে কৰিলে আমি দুয়ো আমাৰ নিজ নিজ কৰ্তব্যৰ কিবা অলপ কৰিব পাৰোঁ - নহয় জানো?"

চাহাবে ফুকনৰ এনে ধেমেলীয়া ধৰণৰ গা বিন্ধি যোৱা কথাত অলপ লাজ পালে হবলা। তেওঁ কলে—"বাৰু মই আপোনালৈ সাজু হলে খবৰ পঠিয়াম। আপুনি এতিয়া যাওক, অলপ জিৰাওকগৈ।"

তাৰে ১৫।২০ মিনিটমান পিছতে ফুকনলৈ চাহাবে খবৰ দি পঠালে— মোকদ'মা তেওঁ শুনিবলৈ তৈয়াৰ হৈছে। তেতিয়াই শুনিব। ফুকনো ওলাল। তেওঁৰ সহকাৰী উকিল-মুক্তিয়াৰৰ দলটো তেওঁৰ পাছে পাছে গ'ল।

তেওঁলোকে গৈ দেখে বঙলালৈ উঠা খটখটীৰ মুখতে মেজখন পতাই লৈ তাৰ ওচৰৰ চকী এখনত চাহাব থমথমকৈ বহি আছে। উকিলসকলৰ কাৰণে নামনিত টিকা ফটা ৰ'দত চকী পাৰি থোৱা আছে। ফুকন সেইবোৰ চকীৰ এখনতো নবহি গপ্‌গপ্‌কৈ ওপৰলৈ উঠি গ'ল আৰু 'অনুগ্ৰহ কৰি মোকো ইয়াতে অকণমান ঠাই দিয়ক' বুলি কলে।

চাহাবে উত্তৰ দিলে—"দেখিছেই দেখোন, ইয়াত বৰ বেছি ঠাই নাই।

ফুকন—"হয়, নাথাকিবইতো। ডাকবঙলাবোৰতো আদালত কৰিবৰ কাৰণে তৈয়াৰ হোৱা নাছিল। মঙলদৈত এই মোকদ'মা লোৱা হলে

কাৰো এনে দুৰ্গতি নহলহেঁতেন। যি হওক যি পোৱা গৈছে তাৰে আমি সদ্ব্যৱহাৰ কৰা উচিত।" এনেদৰে কৈ তেওঁ চিঞৰি হুকুম দিলে—"চকীদাৰ, চকী এখন ইয়াতে পাৰি দে তৎক্ষণাৎ।

ওচৰতে থিয় হৈ থকা চকীদাৰে তুৰন্তে গৈ চকী পাৰি দিলে। ফুকন বহিল আৰু তেওঁৰ লগত যোৱা বুঢ়া উকিল এজনকো বহিবলৈ মাতিলে। তাতে চাহাবে মাত দিলে—"নহব, নহব, ইয়াত আৰু আন কাৰো কাৰণে স্থান নহব।

তেওঁ লগে লগে কলে—"চাওঁ দিয়ক, আপোনাৰ ওকালতনামা দেখুৱাওক।"

ফুকনে কলে—"মই ইংৰাজ উকিল-সংস্থাৰ অন্তৰ্ভুক্ত সদস্য। মোৰ ওকালত-নামাৰ প্ৰয়োজন নাই।

চাহাবে কলে—"ডাঙৰীয়া, সেইটো মোৰ আদালতত নাখাটিব। আপুনি হয় ওকালতনামা দেখুৱাওক, নহয় ওকালতি কৰাৰপৰা বিৰত থাকক। ওকালতনামা নাপালে মই আপোনাক এই মোকদ্দমাত উঠিব নিদিওঁ।

ফুকনে দেখিলে বেয়া পেচ লাগিল। চাহাবে কবোঁ বুলিয়ে এইখন বদমাছি কৰিব খুজিছে। তেওঁ তেতিয়া গহীনকৈ কলে—ঠিক আছে, সেয়ে যদি হয়, মই জজ চাহাবলৈ এই মোকদ্দমা স্থগিত ৰাখিবলৈ এতিয়াই টেলি-গ্ৰাম কৰিম। আপুনিও শুনানি বন্ধ ৰাখক।"

চাহাবে খন্তেক টলকা মাৰি ভাবিলে—কি মস্কিল। তেওঁ কৈ উঠিল—"দেখিছোঁ, আপুনি আজি আহুকাল কৰোঁ বুলিয়ে কৃতসংকল্প হৈ আহিছে হবলা।"

লগে লগে ফুকনে উত্তৰ দিলে—"কথা ওলোটাটোহে নেকি ?"

চাহাব —"ঠিক আছে বাৰু। ময়ো কিন্তু আজি মোকদ্দমা খতম কৰিহে এৰিম। মোকৰ্দমা আৰু চুঁচৰিব নিদিওঁ।"

আপুনি বাৰু ওকালতনামা আজি নিদিলেও হব। সেইটো মই ৰেহাই দিলোঁ। এতিয়া আপোনাৰ বক্তব্য কি কৈ যাওক।"

বিচাৰ আৰম্ভ হ'ল। ফুকনে সাক্ষীক জেৰা কৰিবলৈ ধৰিলে। চাহাবে শুনি আছে কিন্তু একো লিখা নাই। ফুকনে ভাবিলে, ইংৰাজীত নোকোৱা বাবে একো লিখিব পৰা নাই। তেওঁ তেতিয়া সৰসৰীয়াকৈ ইংৰাজীত শ্ৰুতলিপি দিলে। তথাপি চাহাবে নিলিখে। ফুকনে কলে—"এইটো লিপি-বদ্ধ হব লাগে; ইয়াত আইনৰ আৱশ্যকীয় কথা সোমাই আছে।"

চাহাবে কলে—"আপুনি যিহকে লাগে বোলে তাকে মই লিখিম নে? মই য'ত লিখিব লাগে লিখিম। আপুনি কৈ যাওক।"

ফুকনে কলে—"আপুনি নিলিখেঁ৷ বুলিলেনে৷ মই কি কৰিব পাৰেঁ৷? কাৰণ কলম আপোনাৰ হাতত্ৰহে আছে। কিন্তু আমি সেই মৰ্ম্মে আপুনি নিলিখাৰ কথা কৈ এতিয়া এই মুহূৰ্ত্তে এখন আপত্তিৰ দৰ্খাস্ত দাখিল কৰিম। আপুনি তাক নথিত ৰাখিবলৈ বাধ্য। আমি সকলোৱে চহী দিম। সেই-খনকে লৈ পিছত আমি যি কৰিব লাগে কৰিম।"

চাহাব বিমোৰত পৰিল। বিৰক্তিৰ সুৰত তেওঁ কলে—"আপুনি অকৰা মৈত উঠা বিধৰ মানুহ। বাৰু কৈ যাওক—লিখিম।"

ফুকনে কলে আৰু চাহাবে লিখিলে। কেতিয়াবা লিখি উঠি ধেমালি কৰি ফুকনক দেখুৱাই তেওঁ কয়—"এয়া হৈছে নে?" ফুকনেও টপৰাই কয়—"হয় হজুৰ, ঠিক হৈছে। বঢ়িয়া হৈছে।"

তাৰ পিছত তৰ্কৰ সময় আহিল। ফুকনে কলে—"আজিয়েই মোৰ তৰ্ক শেষ কৰিব খোজেঁ৷। আপুনি অলপ ধৈৰ্য্য ধৰি শুনিলেই হব।"

চাহাবে কলে—"আকৌ তৰ্ক নালাগে। আপুনি আপোনাৰ ফীজ লৈ গুচি যাওক। তৰ্কৰ একো প্ৰয়োজন নাই।"

ফুকনে তৰ্ক কৰিব খোজে। চাহাবে শুনিব নোখোজে। বাক্-বিতণ্ডাত কিছুপৰ গ'ল। তেতিয়া ফুকনে কলে—"এই মোকদ্দমাত আইনৰ ফালৰপৰা আপোনাক দেখুৱাবলগীয়া বহুত কথা আছে। আপুনি নাচাওঁ বা নুশুনো বুলিলে নহব। বিচাৰক হৈছে যেতিয়া আইনতঃ আপুনি সেইবোৰ শুনিবই লাগিব ( you are bound under the law to hear the arguments )

চাহাবে তেতিয়া—"বাৰু তৰ্ক কৰি যাওক" বুলি কলে আৰু জেপৰপৰা পাইপটো জ্বলাই ললে। ফুকনে তৰ্ক আৰম্ভ কৰাৰ লগে লগে তেওঁ দীঘল বাৰাণ্ডাখনৰ ইমূৰৰপৰা সিমূৰলৈ টহল দিবলৈ ধৰিলে। নিৰুপায় হৈ ফুকনে কলে—"আপোনাৰ শ্ৰবণত সহায় কৰিবলৈ ময়ো আপোনাৰ কাষে কাষে কৈ যাম নেকি?"

চাহাবে একো নভবাকৈ 'ও' বুলি কবহে পালে ফুকনে গৈ চাহাবৰ ওচৰ পালে আৰু চাহাবৰ সমানে সমানে খোজ মিলাই, চাহাবৰ দৰে খোজ কাঢ়ি কাঢ়ি ফৰফৰাই ইংৰাজীত যুক্তি-তৰ্কবোৰ কৈ যাবলৈ ধৰিলে। ফুকনৰ তেনে কাৰ্য্য দেখি তলত বহি থকা উকিল-মুক্তিয়াৰসকলে গিৰ্জনি মাৰি হাঁহি উঠিল।

চাহাবে তেতিয়া কথাৰ গুৰুত্ব বুজিয়ে নেকি আকৌ চকীত বহি ললেহি। ফুকনে তেতিয়া থিয়ৈ থিয়ৈয়ে তৰ্ক শেষ কৰিলে।

মোকদ্দমা শেষ হ'ল। ফুকন গ'ল। উকিল-মুক্তিয়াৰ আৰু উপস্থিত ৰাইজো ঘৰাঘৰি গ'ল। বিচাৰত মাৰোৱাৰীক ডেপুটীকমিছনাৰ চাহাবে খালাচ দিলে।

সেই বিচাৰৰ হুকুমত ৰাকাৰ চাহাবে লিখিছিল—কোনো এক টি-আৰ ফুকনে পদকীয়াৰ পক্ষ সমৰ্থন কৰি ওকালতি কৰিছিল।

ফুকনে সেই হুকুমৰ নকল এটা কমিছনাৰ চাহাবলৈ পঠাই লিখিলে যে এই হাকিমজনে ভদ্ৰতা শিকা উচিত। তেওঁ জনা উচিত যে টি-আৰ ফুকনৰ নামৰ আগত শ্ৰীযুত বা মিষ্টাৰ কিবা এটা লিখিব লাগে।

কমিছনাৰ আছিল তেতিয়া বেণ্টিঙ্ক চাহাব। বেণ্টিক চাহাবে ফুকনৰ এই কাকত পাই ৰাকাৰক ফুকনৰ ওচৰত ক্ষমাপ্ৰাৰ্থনা কৰিবলৈ নিৰ্দেশ দিলে। উপায় নাপাই ৰাকাৰে ফুকনলৈ লিখিলে—"কমিছনাৰ চাহাবে ক্ষমা খুজিবলৈ কোৱাত মই ক্ষমা খুজিলোঁ।

ফুকনে পুনঃ কমিছনাৰলৈ তাৰে নকল এটা পঠিয়াই দি ই একো ক্ষমা বিচৰা ( apology ) নহ'ল বুলি লিখি লগতে লিখিলে যে তেওঁ ( ৰাকাৰে ) কোৱা উচিত আছিল যে তেওঁ তেনে ব্যৱহাৰৰ কাৰণে দুঃখিত।

ৰাকাৰ চাহাবে সেইবাৰ ফুকনলৈ লিখিলে—"আপুনি মোৰ ক্ষমা ভিক্ষাত সন্তুষ্ট হোৱা নাই বুলি শুনিলোঁ। অনুগ্ৰহ কৰি আপোনাক কেনে 'এপলজি' লাগে তাৰে এটা খচৰা মোলৈ লিখি পঠিয়াব নে? মই তাত নিসংকোচে চহী দি পঠাম।"

এইবাৰ ফুকন সৈমান হ'ল।*

## যম ৰজাৰ আদালতত তৰুণ ফুকন

১৯২১।২২ চনমানৰ কথা। বহাগমহীয়া দিন। মঙলদৈত দেউল উৎসৱবোৰ হৈ আছে। মানুহে ৰংচঙীয়া কাপোৰ পিন্ধি দেউল চাবলৈ যায়। সেই দিনা আছিল বঙাচন্দনৰ দেউল। ইফালে অনতিদূৰত আবেলি চিৰা-

* ইয়াত প্ৰত্যক্ষদৰ্শী বৰ্ণনাৰ লগত শ্ৰীসত্যেন্দ্ৰনাথ বৰকটকীদেৱৰ 'হাকিমৰ টিঘিলঘিলনি' লগ লাগিছে।

খোৱাৰ চৌকাত ৰাজহুৱা সভা। তৰুণ ফুকন আৰু নবীন বৰদলৈ তাত স্বৰাজৰ বক্তৃতা দিব। চাৰিওফালৰ লোকে গৈ সভাস্থল ভৰি পৰিছে। দেউলৰ মানুহেও দেউল চাবলৈ এৰি সভাৰ জনতাত যোগ দিছেহি। লোকে লোকাৰণ্য। সভাৰ মাজত থিয় হৈ অশ্রদ্ধা ভক্তেনী নামৰ বুঢ়ী এজনীয়ে নাচি নাচি গীত জুৰিছে ঃ

হেৰেই অসমীয়া ভাই
কিয় ঘুমেই আছাহ তই
কাম কল্লিহে স্বাধীনতা পায়;
তৰুণ ফুকান নবীন বৰদলেই
ঘঁতৰ ঘুৰাই সূতা কাটেই
তথাপি স্বৰাজ পোৱা নাই।
নিজে সূতা কাটি ললে
নিজৰ শালত কাপোৰ বলে
স্বাধীনতা হাতে হাতে পায়॥
তৰুণ ফুকান নবীন বৰদলেই
গাছৰ তলত মেল কৰেই
স্বাধীনতা তেও অহা নাই,
মতা-মাইকী এক হলে
হাতে-কামে লাগি গলে
স্বাধীনতা হাতে হাতে পায়॥

অশ্রদ্ধা বাইৰ গীত ল'ৰা-ছোৱালীয়ে শুনি ৰং পায়। স্বাধীনতাৰ কামত ভলণ্টিয়াৰনী সাজি ঘূৰি ফুৰা বাবে তেওঁক সকলোৱে অশ্রদ্ধা পাগলী বোলে। সেই দিনা অশ্রদ্ধা বাইৰ গীত শেষ নৌহওঁতে সদলবলে গৈ ফুকন আৰু বৰদলৈ সভাস্থল পালে। 'বন্দে মাতৰম' 'জয় মহাত্মা গান্ধীৰ জয়' ধ্বনিয়ে আকাশ বতাহ কঁপাই তুলিলে।

প্রথমে নবীনচন্দ্র বৰদলৈ ডাঙৰীয়াই বিৰাট জনতাক উদ্দেশ্য কৰি গুৰু-গম্ভীৰ ধ্বনিত ওজস্বিনী বক্তৃতা আৰম্ভ কৰিলে। মাজে মাজে মানুহে হাত চাপৰি বজালে। কিন্তু বিলাতী বস্ত্রদাহ যজ্ঞলৈ কৰা তেওঁৰ আকুল আহ্বান বিফল হ'ল; কোনেও একো সঁহাৰি নিদিলে। বক্তৃতা শেষ হোৱাত ৰাইজৰ মাজত কথা-বতৰাৰ গুণগুণনিহে উঠিল।

তাকে দেখি কোলাহলৰ মাজতে দেশভক্ত তৰুণৰাম ফুকনে বক্তৃতা আৰম্ভ কৰিলে। ফুকনৰ অমৃতবৰ্ষী ভাষণ শুনিবলৈ ৰাইজ নিস্তব্ধ হ'ল। পোনতে ফুকনে বাৰেভচহু হাঁহি উঠা কথাৰে ৰাইজৰ মাজত হাঁহিৰ খলকনি তুলিলে। মঙলদৈয়া মাতকথা মাতি, মঙলদৈয়া কথা কৈ জনতাক আমোদ দিলে। তাৰ পিছত তেওঁ আৰম্ভ কৰিলে—'ৰাইজ, আপোনালোকে আমাৰ বৰদলৈ ডাঙৰীয়াৰ বক্তৃতা শুনিলে। তেওঁৰ আকুল অনুৰোধলৈ কিন্তু কৰ্ণপাত নকৰিলে। তেওঁৰ কথা আপোনালোকৰ ইখন কাণেদি সোমাই সিখনেদি ওলাই গ'ল যেন পাইছোঁ। আপোনালোকে ভাবিছে হবলা আমি দুয়ো উকিল মানুহ, সেইদেখি কাৰবাৰ হৈ কিবা ওকালতি কৰিবলৈ ইয়ালৈ আহিছোঁ। পিছে ওকালতিও নকৰা নহয়। ঢেঁকীয়ে স্বৰ্গলৈ গলেও ধানহে বানে, গীত নাগায়। সেই কাৰণে মনত ৰাখিব নৰহত্যাৰ গোচৰতহে যে ফুকন-বৰদলৈয়ে বছাব লাগে এনে নহয়, যম ৰজাৰ বিচাৰালয়তো এদিন আপোনালোকে তেওঁলোকক ধৰিব লাগিব। আমাৰ আইনৰ জ্ঞান আমি তাতো এদিন খটাব লাগিব। আপোনালোকে আজি বিলাতী কাপোৰৰ বস্ত্ৰদাহ যজ্ঞত আহুতি দিবলৈ এতিয়ালৈ কোনো আগবাঢ়ি অহা নাই। নাহিল নাই, ভাল কথা। আমি আপোনালোকক জোৰ নকৰোঁ। নালাগে আহিব। পিছে, বৰদলৈ-ফুকনক পিছত আপোনালোকে সুঁৱৰিব। জানে নে আপোনালোক সকলোৱে এদিন মৰিব। নমৰিব জানো? বৰদলৈ-ফুকনো এদিন মৰিব। মৰাটো সকলোৰে ধৰ্ম। আনকি ভগৱান শ্ৰীকৃষ্ণও এদিন বৈকুণ্ঠী হৈছিল। সেইদৰে মহামানৱ মহাত্মা গান্ধীও এদিন স্বৰ্গী হব। আপোনালোকে ভাবে নে মহাত্মা গান্ধী এজন সাধাৰণ মানুহ? মানুহৰূপে তাহানি ভগৱান শ্ৰীকৃষ্ণও এদিন পৃথিৱীত অৱতীৰ্ণ হৈছিল। তেওঁ অৱতাৰ হৈ জন্মিছিল—শ্ৰীকৃষ্ণ-অৱতাৰ। তেওঁৰ কথা যিসকলে শুনিছিল তেওঁলোক স্বৰ্গ-গামী হৈছিল আৰু যিবোৰে নুশুনিলে সেইবোৰৰ কি হৈছিল জানে নে? শাস্ত্ৰ পঢ়াসকলে জানে—সেইবোৰ সাগৰত বুৰি মৰিছিল। দ্বাৰকাত শ্ৰীকৃষ্ণৰ কথা নুশুনা মানুহবিলাকক যমে নি সিপুৰীততো শাস্তি দিছিলেই—ইপুৰীতো হাড়ীত খোৱা বোন্দাক পানীত পেলোৱাৰ দৰে সাগৰত বুৰাই প্ৰাণ কাঢ়ি নিছিল। মহামানৱ মহাত্মাও শ্ৰীকৃষ্ণৰ দৰে ভগৱানৰ অৱতাৰ। তেওঁৰ কথা নুশুনাসকলৰ কি গতি হব জানে নে? মৰাৰ পিছত যমপুৰীলৈ গলে যম ৰজাই সিহঁতৰ জীউবোৰৰ বিচাৰ আৰম্ভ কৰিব। তাত চিত্ৰগুপ্তই হাতত

হিচাপৰ বহী লৈ কেৰাহিকৈ চাই সুধিব—"ক ষি কম সঁচা কম। মিছা কলেও ধৰা পৰিবি। হিচাপৰ বহী মোৰ হাতত আছে। আমাৰ যম ৰজাই যে তইঁতৰ মাজলৈ মহাত্মা গান্ধী বুলি এজনা ধৰ্মাৱতাৰ পঠাইছিল তেওঁক তইঁতে দেখিছিলি নে? তাৰ উত্তৰত আপোনালোকৰ বহুতে কব হয়, দেখিছিলো।' 'দেখা নাই যদি তেওঁৰ বাণী, তেওঁৰ আদেশ কাৰবাৰপৰা শুনিছিলি নে?' আপোনালোকে হয়তো কব—শুনিছিলো। বহুতে হয়তো কব—আমি শুনা নাছিলোঁ। শুনাসকলে সেই বাণী মানিছিলি নে? কোনোবাই কব মানিছিলো।

এইখিনিতে মনত ৰাখিব কিন্তু সেই দিনা তাত এই ফুকন আৰু বৰদলৈও থাকিব। আমি দুয়ো তেতিয়া একমুখে কম---'নহয় হজুৰ, মনা নাছিল, শুনা নাছিল। মহাত্মাৰ বাণী আমি দুয়ো ছিপাঝাৰলৈ লৈ গৈ তাৰ চিৰাখোৱাৰ চৌকাত মিটিং কৰি তেওঁলোক সকলোকে বুজাই কৈছিলোঁ। আমাৰ কথা এওঁলোকে নুশুনিলে। বিলাতী বস্ত্ৰদাহ যজ্ঞত কোনেও আহুতি নিদিলে। তেতিয়া যম ৰজাই তোমালোকৰ হাত-ভৰি-চকু-নাক-কাণ আদি ইন্দ্ৰিয়বোৰক সুধিব—তোমালোকে কোৱাচোন—কোন সঁচা? ফুকন-বৰদলৈ নে তোমালোকৰ জীউবোৰ? সিইঁতে তেতিয়া কব—হজুৰ, ফুকন-বৰদলৈ। তেতিয়া কিন্তু আপোনালোকক বছাওঁতা ইহকাল-পৰকাল দুয়োটালৈ যাব। সেইদেখি শাস্ত্ৰৰ বাণী শুনাই পুনঃ আমি কওঁ—বোলে, আপোন দোষে মৰে চোৱা বিৰাট ভাই। ডাক দিয়া ভীষ্মে কয়—মোৰ গাত দোষ নাই।'

বন্ধুসকল, আজি ইংৰাজৰ গোলামিকে ভাল বুলি ভাবি আমি নিজৰ স্বাধীনতা বিসৰ্জন দিছোঁহক। কুকুৰে গিৰিইঁতৰ ৰোৱা-খোৱা পাতৰ এৰাখিনি খায়ে স্বৰ্গসুখ অনুভৱ কৰে। গাধই পৰৰ তিৰোতাৰ মেখেলাৰ ভাৰ কঢ়িয়ায়ে আৰামত থকা বুলি ভাবে। আজিও আমি তেনে কৰিব লাগিছোঁ। বিলাতী কাপোৰ বোৱা কলৰ বিলাতী কৰ্মচাৰী আৰু বনুৱাবোৰে আজি কাপোৰ বেচি আমাৰ পৰা লাখে লাখে টকা ঘটিব লাগিছে। আমি হাঁহিমুখে সিবিলাকলৈ টকা পঠিয়াব লাগিছোঁ। আগৰ যুগত আমাৰ কোনেনো বিলাতী কাপোৰ পিন্ধিছিল? আজিয়েই মই আপোনালোকৰ গাৰ সকলোবোৰ বিলাতী কাপোৰ জুইত জাপি দিবলৈ কোৱা নাই আৰু নকওঁ। তাকে কৰি আপোনালোক লেংটা ফকিৰ হৈ ঘৰলৈ যাব নালাগে। গাত থকা দুই একোখন বিলাতী কাপোৰ জুইত জাপি দি অগ্নি সাক্ষী কৰি ইয়াকে মাত্ৰ

মনে মনে প্ৰতিজ্ঞা কৰক যে ভবিষ্যতে বাই-ভনী, আই-বুঢ়ীআই বা ঘৈণীয়ে সূতা কাটি বৈ দিয়া কাপোৰহে ব্যৱহাৰ কৰিব। তেওঁলোকে নোৱাৰিলে নিজেই সূতা কাটি কাপোৰ বৈ লব। মহাত্মা গান্ধীয়ে নিজ হাতে সূতা কাটি থাকে। তেওঁৰ ধৰ্ম্ম হ'ল—মুখে বোলা ৰাম, হাতে কৰা কাম। তাকে কৰিলেই আমি স্বাধীনতা পামেই পাম। সেই সিদিমা মাত্ৰ আমি আমাৰ নিজৰ ঘৰত থকা দামী দামী বিলাতী বস্ত্ৰবোৰ দাহ কৰিলোঁ। আজিও আপোনা-লোকৰ সাক্ষাতে কৰিলোঁ, চাওক।"

এইবুলি ফুকনে ডাঙৰীয়াই নিজৰ হাতত থকা ছাতিটোত জুই লগাই দিলে। জুই জ্বলি উঠিল। বৰদলৈ ডাঙৰীয়ায়ো তাতে তেওঁৰ ৰুমালখন আৰু ছাতিটো জাপি দিলে। তাৰ পিছত ৰাইজৰ কিছুমানে গাত পিন্ধা পছৰা, চোলা, বনিয়ন আদিবোৰো দলিয়াই জুইত পেলাই দিলে। বস্ত্ৰদাহ যজ্ঞৰ জুই দপ্‌দপ্‌কৈ জ্বলি উঠিল।

ফুকনে তেতিয়া জয় মহাত্মা গান্ধীৰ জয়, জয় ভাৰত মাতাৰ জয়, বন্দে মাতৰম ধ্বনি লগাই দিলে। ৰাইজেও তাকে ধৰিলে। এইদৰে সভা ভঙ্গ কৰি দুয়োজন নেতা গুৱাহাটীলৈ উভতিল।

বাটত বৰদলৈয়ে হেনো ফুকনক কৈছিল - আপোনাৰ ওকালতিতে আজি আমাৰ মোকৰ্দ্দমা জয় হ'ল।

ফুকনে কলে—ছল চাই কঠীয়া নাপাৰিলে নচলে। এইবোৰ মানুহে পৰকালৰ কথা বেছিকৈ ভাবে, পৰকালত বিপদ হব বুলি শুনিলে ভয় কৰে। এওঁলোকে যম ৰজাৰ বিচাৰলৈ যিমান ভয় কৰে ইংৰাজ ৰজাৰ ফাটেককো সিমান ভয় নকৰে। সেই কাৰণে তেওঁলোকক সেই আদালতলৈ নি তাত ওকালতি কৰিহে আমি মোকৰ্দ্দমাত জিকিলোঁ।

# ভোগী ফুকন

## শ্ৰীমতী লীলা দেৱী

কেৱল মাথোন জীৱনৰ ডাঙৰ ডাঙৰ ঘটনাৰ ভিতৰেদিয়েই এজন মানুহৰ প্ৰকৃত চিনাকি আমি নাপাওঁ। মানুহৰ জীৱনৰ সৰুসুৰা ঘটনা, অতৰ্কিতে কোৱা কথাৰ ফাকে ফাকেই দৰাচলতে এজন মানুহৰ চৰিত্ৰ সম্বন্ধে জানিবৰ কাৰণে প্ৰকৃত আহিলা ওলাই পৰে। আমাৰ দেশৰ সকলোৰে মাজত দেশভক্ত ফুকনৰ ৰাজনৈতিক, সামাজিক আৰু সাহিত্য-জগতত দানৰ কথা জনাজাত, কিন্তু মানুহৰ প্ৰকৃত সত্ত্বাৰ চিনাকি এইবোৰৰ ভিতৰেদি আমি নাপাওঁ— তাক জানিবলৈ আমি সোমাব লাগিব অন্তৰ্জগতৰ ভিতৰলৈ।

দেশভক্তৰ বিচ্ছেদে আমাৰ মনত এটা বেদনাৰ সৃষ্টি কৰিছিল। ইয়াৰ ভিতৰেদিয়েই শুনিব পাইছিলো এটা নতুনৰ সুৰ। কাৰণ সকলো নতুনৰ সৃষ্টিৰ পাতনিতেইতো এনে বেদনা। এনে স্মৃতিৰ আৰু বিচ্ছেদৰ বেদনাই বৈ আনিছিল বহুত কথা,—যিবিলাকৰ মূল্য আগেয়ে বুজা নাছিলোঁ: কিন্তু নতুনভাৱে সেইবিলাকক বুজিব পাৰিছোঁ, গ্ৰহণ কৰিব পাৰিছোঁ। সেই কাৰণেই ফুকনক আজি নতুন অনুভূতিৰে সজাই নতুন ৰূপ দি চাব পাৰিছোঁ।

সাধাৰণতে আমাৰ স্থূল মনে ইমান বিচাৰ কৰে, তৰ্ক কৰে যে এই তৰ্কৰ জালৰ পৰা আমি সহজে নিষ্কৃতি পাব নোৱাৰোঁ আৰু ফলত এই ক্ষুদ্ৰতাৰ মেৰপাকৰপৰা ওলাই গৈ বিৰাট মানৱ সত্ত্বাটোৰ পোহৰৰপৰা নিজক আঁৰ কৰি ৰাখোঁ। সেই কাৰণেই বহু সময়ত বহুত মানুহৰ লগত কথা-বতৰা পাতোঁতে সাধাৰণ ভাব-ভাষাৰ ভিতৰেদিয়েই যে তেওঁলোকে আমাক অতৰ্কিতে কি দান কৰে, তাক বুজিব নোৱাৰোঁ। আমি হয়তো তেতিয়া ব্যস্ত থাকোঁ, মানুহজনৰ দোষ-ভুল আলোচনা কৰাত। কিন্তু এনেকুৱা এদিন আহে, যিদিনা তেওঁলোকৰ জীৱনৰ প্ৰকৃত সত্ত্বাটো জানিব পাৰি। নতুনকৈ জীৱনক আকৌ পঢ়িবলৈ মন মেলোঁ। কিন্তু তেতিয়া আৰু সময় নাথাকে। ফুকনকো আমি এইদৰেই এদিন বুজিব নোৱাৰি যথাযোগ্য সন্মান তেওঁক দিব পৰা নাছিলোঁ। কাৰণ তেওঁ বৰ সহজলভ্য আছিল। কিন্তু তেওঁৰ অবিহনে বুজিব পাৰিছিলো, আমি কি হেৰুৱালো।

ভগৱানৰ সৃষ্টিত মানুহে কত উপায়েৰে নিজক দান কৰি সৃষ্টিৰ মহত্ব আৰু নিজৰ মহত্ব প্ৰতিষ্ঠিত কৰিবলৈ চেষ্টা কৰে। কাৰণ দিয়াৰ ভিতৰেদিয়েই যে আমি নিজক পোৱাৰ বাট সুগম কৰি লওঁ। এইদৰে চাবলৈ গলে নিজে জী, বৃদ্ধি পাই, আনকো বৃদ্ধিৰ পিনে আগবঢ়াই দিয়াটোতো এটা দানৰ গৰিমা লুকাই আছে। এই পিনৰ পৰা চাবলৈ গলে ফুকন বৰ ডাঙৰ দানী আছিল। তেওঁ জানিছিল জীৱনৰ গূঢ় অৰ্থ; সেই কাৰণেই তেওঁ যিকেইটা দিন আছিল সেই কেইটাদিন কেৱল জীৱনধাৰণ কৰা নাছিল। নিজৰ আৰ্হিৰে জীৱনক কেনেকৈ গ্ৰহণ কৰিব লাগে, আনক ভালকৈ বুজাই দিছিল। জীৱন আছিল তেওঁৰ ওচৰত আনন্দৰ আন এটা প্ৰকাশ। এই আনন্দৰ স্ফুলিঙ্গৰেই আনৰ অন্তৰতো এটা নতুন উদ্দীপনা জগাই দিব তেওঁ পাৰিছিল। এইদৰেই আনন্দৰ সহায়েৰে নিজক প্ৰসাৰ কৰি আনকো বৃদ্ধিৰ পিনে, প্ৰসাৰতাৰ পিনে আগবাঢ়ি যাবলৈ প্ৰেৰণা দিছিল। এই স্বভাৱেৰেই কত দুখীয়াৰ, কত অভাগীৰ জীৱনত তেওঁ শান্তিৰ নিজৰা বোৱাইছিল। তেওঁৰ হয়তো অসমৰ প্ৰত্যেক গাঁৱে-ভূঞে থকা একো একোজনৰ নিৰলে ধাৰাসাৰে তেওঁৰ বাবে চকুপানী বৈ গৈছিল। তেওঁৰ মৃত্যুত হয়তো সিহঁতে জীৱনীশক্তি হেৰুৱাইছিল। আভিজাত্যৰ গৌৰৱৰ মুকুট পিন্ধিও অন্তৰেৰে তেওঁ আঁকোৱালি ধৰিছিল শিক্ষিত, অশিক্ষিত, ধনী-দুখীয়া আটাইকে।

তেওঁৰ চৰিত্ৰত কি যে সম্মোহিনী শক্তি আছিল! যিজনেই এবাৰ তেওঁৰ সঙ্গলাভ কৰিবলৈ সুবিধা পাইছিল, তেওঁ হয়তো জীৱনত তেওঁক পাহৰিব পৰা নাই। এখনি উদাৰ অন্তৰ আছিল তাৰ প্ৰধান কাৰণ। যেতিয়াই তেওঁ যাৰ লগতেই মিলিছিল, তেতিয়াই তেওঁৰ লগত কোনো অন্তৰৰ ব্যৱধান ৰাখি তেওঁ নিমিলিছিল। শিশুৰ লগত শিশু, ডেকাৰ লগত ডেকা, বুঢ়াৰ লগত বুঢ়া হৈ সকলোকেই তেওঁ সমানে আনন্দ-সম্ভাৰ বিলাব পাৰিছিল। আমি যেতিয়া তেওঁৰ লগত বহি ফ্ৰয়ড, ৰাছেল বা ছ সম্পৰ্কে আলোচনা কৰিছিলো, তেতিয়া এখন্তেকলৈও মনত নহৈছিল তেওঁ আমাতকৈ বয়সত কিমান ডাঙৰ। এনেকৈ আনৰ লগত এক হৈ মিলিব পৰাটো কেইজনৰ পক্ষে সম্ভৱ হয়?

ফুকনে কেৱল মানুহৰ ভিতৰৰপৰাই আনন্দ আহৰণ কৰা নাছিল, প্ৰকৃতিৰ মাজত আছিল তেওঁ কবি। প্ৰকৃতিৰ ভিতৰতো তেওঁ শুনিছিল উচ্চতৰ জীৱনৰ আহ্বান। পাইছিল এক অনাবিল আনন্দৰ সন্ধান। পাৰ্থিৱ জগতৰ

মাজেদিয়েই তেওঁ আগবাঢ়িছিল পাৰমাৰ্থিক জগতৰ পিনে। দাৰ্শনিক ভাষাত কবলৈ গলে তেওঁ আছিল এজন Ideal Realist. ত্যাগ তেওঁৰ ধৰ্ম নাছিল—ভোগহে আছিল তেওঁৰ মন্ত্ৰ। কিন্তু এই ভোগেই তেওঁক পিন্ধাইছিল ত্যাগৰ মুকুট। সেই কাৰণেই ব্যৱহাৰিক জগতৰ মান-অপমানে তেওঁক কেতিয়াও স্পৰ্শ কৰিব নোৱাৰিছিল। কিন্তু কোনোবাই তেওঁৰ জীৱনৰ আভ্যন্তৰিক জগতত সোমাই এবাৰো বুজিবলৈ চেষ্টা কৰিছিল নে তেওঁৰ জীৱনৰ গভীৰ দাৰ্শনিক তত্ত্ব।

# সিংহপুৰুষ ফুকন

## শ্ৰীজিতেন্দ্ৰনাথ বুজৰবৰুৱা

অসমৰ পুৰুষসিংহ দেশভক্ত তৰুণৰাম ফুকনদেৱে মানবী তনু এৰিবৰ বহু বছৰ পাৰ হ'ল। মানুহ আহে আৰু যায় কিন্তু স্মৃতি ৰৈ যায়। বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱৰ ভাষাৰে কওঁ :

"নশ্বৰ দেহাৰ একো বাকী নাথাকিল
স্মৃতি মাত্ৰ ৰ'ল জগতত।"

স্মৃতি থাকি যোৱা সঁচা। কিন্তু সকলোৰে নাথাকে। কাৰো স্মৃতি আছে খন্তেকীয়া, কাৰো যুগমীয়া। কৰ্ম অনুযায়ী স্মৃতি। কিয়? দাৰ্শনিক কবি দুৰ্গেশ্বৰ শৰ্মাদেৱৰ ভাষাৰে উত্তৰত কওঁ :

"একোজন পুৰুষৰ একোটা ঠেলাই
বহু কাল সংসাৰ চলায়।"

ভাঙনিকোঁৱৰ কবি আনন্দচন্দ্ৰ আগৰৱালাদেৱেও ঠিকেই কৈ গৈছে :

"খন্তেকীয়া ভাবি চোৱা দেহা মানুহৰ
গুণবোৰ থাকে কিন্তু যুগযুগান্তৰ।"

আজিও মনত পৰিছে ফুকনদেৱলৈ। মনত পৰিছে তেওঁৰ চৰণকমল। মনত পৰিছে তেওঁৰ নয়নযুগল। মনত পৰিছে তেওঁৰ চিৰহাস্যবদন। মনত পৰিছে তেওঁৰ মধুৰ বচন। মনত পৰিছে তেওঁৰ কথোপকথন। মনত পৰিছে তেওঁৰ মাতৃভূমিৰ বাবেটো ত্যাগটো বৰণ। সঁচাকৈয়ে দেশভক্তৰ আছিল বহুমুখী জীৱন।

জগতত সৰ্বগুণী লোক বৰ বিৰল। কিন্তু ফুকন আছিল বহু গুণী লোকৰে এজন। ফুকনৰ এই গুণবোৰ আমাৰ চকুত পৰে। দৃঢ় মনোবল, আচৰিত সাহ, তীক্ষ্ণ বুদ্ধি, অসীম ধৈৰ্য্য, অসাধাৰণ সহিষ্ণুতা, অপূৰ্ব সহনশীলতা. অমায়িকতা, শিষ্টতা, উজ্জ্বল প্ৰতিভা, আনক বশ কৰিব পৰা অপূৰ্ব ক্ষমতা, জ্ঞানৰ প্ৰতি স্পৃহা, গুৰুজনৰ প্ৰতি শ্ৰদ্ধা, ভগৱানৰ প্ৰতি ভক্তি, মনৰ অপূৰ্ব দৃঢ়তা, মহৎ উদাৰতা, সহানুভূতিসম্পন্ন আৰু অতুলনীয় ব্যক্তিত্ব।

ফুকনৰ দৃঢ় মনোবলৰ এটা উদাহৰণ দিওঁ। ১৯০৫ চনত ফুকনে

বিলাতৰপৰা বেৰিষ্টাৰি পাছ কৰি আহিল। বিলাতৰ পৰা গুৱাহাটীলৈ আহি কেইদিনমান নিজ ঘৰতে থাকি কলিকতালৈ যায়। কলিকতাত ১৯০৫ চনৰপৰা ১৯০৯ চনলৈ বেৰিষ্টাৰি কৰে। ফুকন তেতিয়া ৰূপহ যুৱক। দেখিবলৈ তেজে-পানীৰে ফুটেঁা ফুটেঁা। কাৰ্তিকৰ দৰে মনোমোহা। ফুকন উচ্চ বংশৰ। ফুকন বিদ্বান। কবিশ্ৰেষ্ঠ ৰবি ঠাকুৰৰ ফুকনৰ ওপৰত চকু পৰিল। ৰবি ঠাকুৰে যুৱক ফুকনক কনিষ্ঠা কন্যাক বিয়া দি জোঁৱাই কৰিবলৈ হাবিলাষ কৰিলে। ৰবি ঠাকুৰে ফুকনক মনৰ কথাটো জনালে। কিন্তু ফুকন এই প্ৰস্তাবত ভোল নগ'ল। ৰবি ঠাকুৰৰ জোঁৱাই নহ'ল। কিয়? ফুকন যে অসমৰ। ফুকন যে অসমীয়া। ফুকনৰ পিতৃ-মাতৃ অসমীয়া। অসম ফুকনৰ জন্মভূমি। অসম ফুকনৰ কৰ্মভূমি। অসম ফুকনৰ ধৰ্মভূমি। অসমতে ফুকন থাকিব। সেই কাৰণে ফুকন অসমতে মৰিব। গতিকে পশুৰাম খাউন্দৰ কন্যা বিদ্যুৎপ্ৰভা দেৱীক ফুকনে জীৱনসঙ্গিনী কৰি ললে। এয়ে আছিল ফুকনৰ দৃঢ় মনোবল।

ফুকনৰ উপস্থিতবুদ্ধি, প্ৰত্যুৎপন্নমতি আৰু সাহ কি যে অসাধাৰণ আছিল। ১৯১৭ চনৰ ডিচেম্বৰ মাহত তেজপুৰৰ আঠৰিখাত বাগিচাৰ কৰ্মচাৰীবিলাকে আবকাৰী মানুহক মাৰধৰ কৰাত এটা বৰ ডাঙৰ মোকৰ্দমা হয়। ১৯১৮ চনৰ এপ্ৰিল মাহত "অৰ্জুন" নামৰ জাহাজত গুৱাহাটীৰ পৰা এই মোকৰ্দমাৰ কাৰণে আছামীৰ পক্ষে ফুকন, ললিতমোহন লাহিৰী, মহেন্দ্ৰ লাহিৰী, যোগেন্দ্ৰনাথ বৰুৱা আৰু ফৰিয়াদী পক্ষে কালীচৰণ সেন, গৌৰীকান্ত তালুকদাৰ প্ৰভৃতি উকিল একেলগে তেজপুৰলৈ যায়। জাহাজখনত প্ৰায় ১৫০।২০০ যাত্ৰী। জাহাজ বিশাল ব্ৰহ্মপুত্ৰৰ বুকেদি গৈ আছে। ৰাতি প্ৰায় ১২।১ মান বাজিছে। প্ৰায়বিলাক যাত্ৰী নিদ্ৰাত আছিল। হঠাৎ প্ৰকাণ্ড ধুমুহা আহিল। যাত্ৰীবিলাকে সাৰ পালে। জাহাজ টলংভটং। বুৰোঁ বুৰোঁ অৱস্থা হ'ল। সকলো যাত্ৰীৰ আৰ্তনাদ। খালাচীৰ হাহাকাৰ। চাৰেং বিব্ৰত। বতাহৰ কোবত জাহাজ ইকাতি-সিকাতি হলেই যাত্ৰীসকলো সিকাতি-ইকাতি হয়। চাৰেঙে যাত্ৰীবিলাকক তেনে কৰিবলৈ হাক দিয়ে, নহলে যে জাহাজ বুৰে। কিন্তু কোনেও নামানে। ফুকনে তেতিয়া কৰিলে কি? তেওঁ কেবিনটোৰ পৰা ওলাই আহিল। হাতত এডাল চুটি বেত লৈ যাত্ৰীবিলাকক কলে—"তোমালোক মাজতে থাকা। অলপো লৰচৰ নকৰিবা। নহলে এই বেতডালেৰে কোবাম।" চাৰেঙক কলে—"জাহাজ নাবাধিবা।

মাজপানীত লঙৰ নেপালাবা। বতাহৰ বিপক্ষে জাহাজ চলাই নি পাৰলৈ নিয়া।" যাত্ৰীবিলাকে ফুকনৰ আদেশ মানিলে। চাৰেঙে ফুকনৰ হুকুমমতে কাম কৰিলে। জাহাজ নিৰাপদে পাৰত লাগিল। ধুমুহা ক্ৰমাৎ কমিল। যাত্ৰীবিলাক ৰক্ষা পৰিল। কাৰ কাৰণে? একমাত্ৰ ফুকনৰ কাৰণে। অথচ একে ধুমুহাতে 'পৰা' নামে জাহাজ এখন বুৰিছিল।

ক্ষিপ্ৰ উত্তৰ দিয়া শক্তিত ফুকন আছিল অদ্বিতীয়। "অৰ্জুন" জাহাজখনত ফুকন প্ৰভৃতি যাবৰ দিনা "ষ্টেট্‌ছমেন" বাতৰিকাকতৰ বাতৰি-যোগনিয়াৰ আৰ-দি-শৰ্মাও লগত গৈছিল। শৰ্মা মাদ্ৰাজী। মাদ্ৰাজীসকলৰ বেছি ভাগেই বৰ বুদ্ধিমান আৰু পণ্ডিত। সেই শৰ্মাই ফুকনক নিজ ভাষাৰ কিছুমান শ্লোক গাই শুনালে আৰু কলে—"মিঃ ফুকন! আপোনালোকৰ ভাষাতো এনে শ্লোক আছে নে?" "আছেতো। কিয় নাথাকিব" এই বুলি টপৰাই উত্তৰ দি তালুকদাৰ আদিক নাহাহিবলৈ চকুৰ ঠাৰেৰে ইঙ্গিত দি ফুকনে মাছ-বজাৰত পোহাৰী বাইহঁতে যি ভাষাৰে গালি পাৰে সেই ভাষাৰে এটা শ্লোক ৰচনা কৰি শৰ্মাক তেতিয়াই গাই শুনালে আৰু সুধিলে—"মিঃ শৰ্মা, শ্লোকটো কেনে পালে?" শৰ্মায়ো উত্তৰ দিলে "কি মধুৰ শ্লোক। মই এনে শ্লোক আগতে কতো শুনাই নাছিলোঁ।" ফুকনে অবাইচ গালিৰ শ্লোকটো গাই থাকোঁতে তালুকদাৰ, বৰুৱা আৰু অন্যান্যসকলে মুখত ৰুমাল লৈ কোনোমতেহে হাঁহি ৰাখিব পাৰিছিল।

আৰু এদিনৰ কথা। গুৱাহাটীৰ বাৰলাইব্ৰেৰীত। পুৰণি উকিলসকল বহি আছে। তেওঁলোক হৈছে—ফুকন, নবীন বৰদলৈ, ললিতমোহন লাহিৰী, কামাখ্যাৰাম বৰুৱা, প্ৰাক্তন গৱৰ্ণৰ শ্ৰীবিষ্ণুৰাম মেধি, যোগেন্দ্ৰনাথ বৰুৱা প্ৰভৃতি। ললিতমোহন লাহিৰী নামজ্বলা উকিল। ইংৰাজী বৰ ভাল জানে। লাহিৰী ফুকনতকৈ বয়সত ডাঙৰ। তেওঁ গম্ভীৰভাৱে ফুকনক কলে—"হেৰা তৰুণ, শুনা। ইংৰাজী ভাষাটো মোৰ বৰ ভাল লাগে। এটা শব্দ বিশেষকৈ মই বৰ ভাল পাওঁ। সেই শব্দটো হ'ল "প্ৰপাগাণ্ডা" (Propaganda)। আমাৰ বঙলা ভাষাত ইয়াৰ প্ৰতিশব্দ ইমান ভাবিছোঁ কিন্তু বিচাৰি নাপাওঁ। বাৰু অসমীয়া ভাষাত ইয়াৰ কিবা প্ৰতিশব্দ আছে নেহে?" ফুকনে কলে—"আছেতো কিয় নাথাকিব?" "কি?" "ঘোঁৰাৰ আণ্ডা।" ফুকনৰ তেনে ক্ষিপ্ৰ উত্তৰত উকিলসকলৰ হাঁহিৰ ৰোল উঠিল। লাহিৰীয়েও হাঁহি ৰাখিব নোৱাৰি ফুকনক কলে—"তৰুণ, তুমি দেখিছোঁ

কম নহয়। তোমাক একোতে নোৱাৰি। মই সুধিলোঁ "ছিৰিয়াছলি" তুমি উত্তৰ দিলা "হিউমাৰাছলি।"

১৯২১ চন। কংগ্ৰেছৰ অসহযোগ আন্দোলন। আগষ্ট মাহ। মহাত্মাজী অসমলৈ আহিছে। লগত মহম্মদ আলি, চৌকত আলি, বেগম আলি, মৌলানা আজাদ শোভানী, যমুনালাল বাজাজ, চি. ৰাজাগোপালচাৰী আৰু পণ্ডিত মালব্য। সকলো কেইজন ফুকনৰ ঘৰত আলহী। ফুকনৰ টোলত সেই কেইদিন দেশ-জাগৰণৰ ৰোল। ফুকনৰ বঙলাৰ মাজৰ কোঠাত তিনিটা বাঘৰ মূৰ। আলমাৰি এটা বন্দুকেৰে ভৰপূৰ। বাজাজজীৰ চকু পৰিল আলমাৰিটোত। কাষত থিয় হৈ আছিল মহাত্মাজী আৰু আন নেতাসকল। ইমানবোৰ বন্দুক দেখি বাজাজজীয়ে ফুকনক সুধিলে—"ফুকন! আপোনাক ইমান বন্দুক কিয় ?" মহাত্মাৰ অহিংস নীতিত নেতাসকল দীক্ষিত। বিচক্ষণ বুদ্ধিৰ ফুকনে ততালিকে উত্তৰত কলে—"মোৰ কেইবাজনীও গাই আছে। অসমত বাঘ বৰ বেছি। বাঘৰ উৎপাতত গৰু কোনোমতে ৰাখিব নোৱাৰি। বাঘৰ মুখৰ পৰা গৰু কেইটাক ৰক্ষা কৰিবলৈ বন্দুকবোৰ ৰাখিছোঁ। বাজাজজীৰ দেশত গৰুক বৰ যত্নেৰে ৰখা হয়। বাজাজজীয়ে ফুকনৰ উত্তৰত আনন্দিত হৈ কলে—"ফুকন! ইয়াত বাঘ ইমানেই বেছি নে ? তেনেহলে দেখিছোঁ গৰু ৰখা অসম্ভৱ। বন্দুক ৰাখি আপুনি বৰ ভাল কৰিছে।" ৰাজাজজীয়ে তেনেকৈ কোৱাৰ পিছত মহাত্মাই কলে—"আজিৰপৰা ফুকনে বন্দুকৰ আলমাৰিত তলা মাৰি থব।" ফুকনে মহাত্মাৰ কথাত উত্তৰ নিদি মনে মনে থাকিল।

ফুকনৰ অসাধাৰণ ব্যক্তিত্ব আছিল। এটি উদাহৰণ দিওঁ। স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাৰ চতুৰ্থা কন্যা নিৰ্মলাৰ বিয়া। দৰা শ্ৰীতীৰ্থনাথ শৰ্মা। মঙলদৈৰ পৰা দৰা আৰু বৰযাত্ৰী বাছেৰে আহিছে। সিপাৰৰ মাজগাঁৱৰ ঘাট পাওঁতে ভালেখিনি ৰাতি হৈছে। ফাগুন মাহ। হঠাৎ ভয়ানক পছোৱা বতাহ। নৈত বৰ বৰ ঢৌ। ৰাতি নাৱৰীয়াই এনে অৱস্থাত মানুহবোৰক পাৰ কৰিবলৈ সাহ নকৰে। কইনা ঘৰৰ কেইজনমান মানুহ পাৰ কৰা জাহাজখনলৈ আহিল। বৰযাত্ৰীক পাৰ কৰাই আনিবলৈ চাৰেঙক ধৰিলে আৰু যি ভাৰা লাগে তাকে দিম বুলি কলে। চাৰেঙে কলে বোলে ডেপুটীকমিছনাৰৰ অনুমতি নহলে জাহাজ পাৰ কৰি নিব নোৱাৰে। ভীষণ সমস্যা। ৰাতি প্ৰায় বাৰ বাজিছে। ইমান ৰাতি ডেপুটীকমিছনাৰক জগোৱা কম কথা নহয়। তাতে চাহাব।

কি কৰে ! বাসুদেৱ গোসাঁই আৰু এডভোকেট ৰজনী গোসাঁয়ে একো উপায় নাপাই ফুকনৰ ওচৰলৈ আহিল। ফুকন শুই আছিল। ফুকনক জগালে। তেওঁক সকলো কথা কলে। শোৱা পোছাকেৰে অৰ্থাৎ চুটি ব'গা পাইজামা আৰু বনিয়নটোৰে হাতত এডাল চুটি বেত লৈ ফুকন মটৰেৰে পাৰ কৰা জাহাজখনলৈ আহিল। চাৰেঙ আৰু খালাচীবোৰক ফুকনে কলে—"জাহাজ খোলা। এতিয়াই চলাই দিয়া। সিপাৰৰ ঘাটৰপৰা বৰযাত্ৰীক পাৰ কৰি আনিব লাগে।" চাৰেং আৰু খালাচীবোৰে স্বয়ং ফুকনক দেখি ভয়ত কম্পমান হ'ল। তেতিয়াই জাহাজ চলাই বৰযাত্ৰীক পাৰ কৰাই আনিলে। এয়ে আছিল ফুকনৰ অসাধাৰণ ব্যক্তিত্ব।

ফুকনৰ দৰে বক্তা আজি ক'ত ? ফুকনৰ অনুবাদ কৰা শক্তি অতুলনীয়। ফুকন তেতিয়া কলিকতাত কলেজৰ ছাত্ৰ। এবাৰ তাত এ-এছ-ক্লাবৰ এখন সভা হ'ল। সভাপতি বি-এ জগন্নাথ। নিৰ্দ্দিষ্ট বক্তা ফুকন। ফুকনে অনৰ্গল দুঘণ্টা ধৰি অসমীয়াত বক্তৃতা দিলে। শ্ৰোতাবৃন্দ মুগ্ধ। সভাৰ অন্তত বি-এ জগন্নাথে কলে।—"He speaks in a silvery tongue. He will be a great orator তেওঁ সুন্দৰ সৰসৰীয়াকৈ কয়। তেওঁ এজন প্ৰখ্যাত বক্তা হব।" বৰুৱাদেৱৰ এই আশীষ ফলিল ?

১৯২১ চন। ভাৰত ব্যাপি অসহযোগ আন্দোলন। অসমতো তোলপাৰ। ফুকনৰ ঘৰত মহাত্মা আৰু আন নেতাসকল। ১৮ আগষ্ট। ফুকনৰ ঘৰৰ সমুখৰ পথাৰত বিৰাট সভা। লোকে-লোকৰাণ্য। সভা আৰম্ভ হ'ল। নিস্তব্ধ চাৰিওফালে ! মহাত্মাই হিন্দীত কবলৈ ধৰিলে। অলপ কৈ ৰহে। ফুকন তত্তালিকে উঠে। মহাত্মাই কয়। আকৌ ৰহে। ফুকন উঠে ফুকনে কয়। মানুহে শুনে। এই অপূৰ্ব দৃশ্য চাই আছিলোঁ। এখন ঘোঁৰা-গাড়ীৰ ওপৰত বহি। গাড়ীখন নৈৰ পাৰৰ আলিৰ কাষত। গাড়ীৰ ভিতৰত আছিল প্ৰত্নতত্ত্ববিদ্ হেমচন্দ্ৰ গোস্বামী, দেউতা জগন্নাথ বুজৰবৰুৱা আৰু মৌজাদাৰ কালিৰাম বৰুৱা। তেতিয়া মহাত্মা আৰু ফুকনৰ বক্তৃতা কি বুজিম ! মই একেবাৰে সৰু। কিন্তু এতিয়া ভাব হয় এনেকুৱা মহাত্মা আৰু ফুকনৰ কোৱা ধৰণ ঠিক যেন কুৰুক্ষেত্ৰ ৰণথলিত ৰথত উঠি কৃষ্ণ আৰু অৰ্জ্জুনে প্ৰশ্ন উত্তৰ কোৱাৰ দৰে।

১৯ আগষ্ট। সময় আবেলি। উজানবজাৰৰ কুমাৰ ভাস্কৰ নাট্যমন্দিৰত ডাঙৰ সভা। পুৰুষ-মহিলা ভৰি পৰিছে। প্ৰথমে মহাত্মাই

হিন্দীত কৈছে। ফুকনে অসমীয়াত কৈ গৈছে। তাৰ পিছত মহম্মদ আলিয়ে ইংৰাজীত কৰলৈ ধৰিলে। ফুকনে তাকে অসমীয়াত কৈছে। মহম্মদ আলিয়ে সিংহৰ দৰে এবাৰ গৰ্জি উঠিল—"If my right hand is crushed in fighting with the British for my India's freedom I will fight with this left hand alone.'' ফুকনেও ঠিক তেনেকৈয়ে হাত জোকাৰি কলে—"ভাৰতৰ স্বাধীনতাৰ কাৰণে বৃটিছৰ লগত যুদ্ধ কৰোঁতে যদি মোৰ সোঁহাত ছিঙি যায়, এই বাঁওহাতেৰে অকলে মই যুঁজিম।" আকৌ কওঁ, ফুকনৰ দৰে বক্তা আজি ক'ত ?

১৯২৬ চন। পাণ্ডুত কংগ্ৰেছ। পাণ্ডু থৌকিবাথৌ। নানা ঠাইৰ মানুহ! মহাত্মা আৰু নেতাসকল। ৺শ্ৰীনিবাস আয়েঙ্গাৰ সভাপতি। ফুকন অভ্যৰ্থনা সমিতিৰ সভাপতি। ফুকনৰ আদৰণী ইংৰাজী সম্ভাষণ আৰু অভ্যৰ্থনা সমিতিৰ অভিভাষণৰ ধ্বনি আজিও কাণত বাজে। কংগ্ৰেছ মহাসভাত শেষত দিনা গড়মূৰ সত্ৰাধিকাৰ স্বৰ্গীয় শ্ৰীশ্ৰীপীতাম্বৰ গোস্বামী প্ৰভুৱে অসমীয়াত বক্তৃতা দিছে। ফুকনে তাকে ইংৰাজীত হুবহু অনুবাদ কৰি লগে লগে কৈ গৈছে। কি সুন্দৰ উচ্চাৰণ। যেন এজন নিভাজ ইংৰাজেহে কৈছে। শ্ৰোতাবৃন্দ মুগ্ধ।

মাহাত্মাজী শেষৰ বাৰ আহোঁতে মনত পৰিছিল ফুকনলৈ।

১৯২২ চন। ফুকন জেলৰপৰা ওলাইছে। কি চকুত লগা চেহেৰা। ঠিক যেন এজন ঋষি। মূৰত ওলমি পৰা দীঘল চুলি। মুখত দীঘল ডাড়ি-গোঁফ। গাত খাদৰৰ গেৰুৱা বস্ত্ৰ। ভৰিত ৰঙা পাঞ্জাবী ছেণ্ডেল। তেনে অৱস্থাৰে এদিন আবেলি তেওঁ আমাৰ উজানবজাৰৰ ঘৰলৈ আহিল। লগত মোৰ মামা কামাখ্যাৰাম বৰুৱা, ডাঃ জ্যোতিষচন্দ্ৰ দাস, উকিল গোলোকেশ্বৰ গোস্বামী আৰু উকিল শিশিৰকুমাৰ বৰুৱা। দেউতা ঘৰত নাছিল। ফুকনে ঘৰৰ ভিতৰ সোমায়েই মোৰ মাতৃদেৱীক মাত দিলে "সৰুমাই! মোক চিনি পাইছা নে? কেনে দেখিছাহে মোক?"

মাই কলে—"দাদা! চিনি পাইছোঁ কিন্তু কেনে হ'ল দেখোন?"

তেওঁ হাঁহি হাঁহি কলে—"সৰুমাই! এইবাৰ জেলৰ পৰা সন্যাসী হৈ আহিছোঁ।" মা পাকঘৰত চাহ-জলপান কৰাত লাগিল। ফুকনদেৱ আৰু আন কেইজন ভিতৰ বাৰান্দাত বহিছে। নানা কথা পাতিছে। এনেতে মাই চাহ-জলপান দিলেহি। মাই কৰিলে কি! ডাঃ দাসক দিলে

থাল-পিয়লাত। ফুকন আৰু বাকীকেইজনক দিলে কাঁহৰ বাচনত। ডাক্তৰ দাসে মাক কলে—"মোকনো এনেকৈ কিয় বেলেগে দিলা ?"

মাই আৰু কি কব! মাতিব নোৱাৰা হ'ল। কিন্তু ফুকনে মাৰ হৈ তভালিকে ডাক্তৰ দাসক কলে—"ঠিকেই দিছে। একো ভুল কৰা নাই। তুমি যে অলপতে বিলাতৰপৰা আহি পাইছা। সেই কাৰণে তোমাক থাল-পিয়লাত দিছে।"

ডাক্তৰ দাস হাঁহি মাৰি মনে মনে থাকিল। সবাঙ্কৰে ফুকনে চাহপানী খাই আছে। এনেতে তেওঁ কৰিলে কি? জেপৰপৰা কাকত উলিয়ালে। কাকতখন হাতত লৈ লগৰ কেইজনক কলে—"কবিতা এটা লিখিছোঁ। নাম নিংনি ভাৰৰীয়াৰ গীত।" তেওঁ কবিতাটো পঢ়ি শুনালে।

কবিতাটি খুহুটীয়া। জেল জীৱনৰ সুন্দৰ বৰ্ণনা। ফুকনে গোটেই কেইজনকে বেছ হঁহুৱালে। ফুকনে এইদৰে মানুহক হঁহুৱাব পাৰিছিল। এইটোও আছিল ফুকনৰ ডাঙৰ গুণ।

ফুকনৰ অপূৰ্ব বাগ্মিতাৰ আৰু এটা উদাহৰণ দিবলৈ মন কৰিলোঁ। ফুকনে দেশবন্ধু চিত্তৰঞ্জন দাস আৰু পণ্ডিত মতিলাল নেহৰুৰ স্বৰাজিষ্ট দলত যোগ দিলে। মতিলাল নেহৰুৱে ফুকনক কৈছিল, "Well Mr. Phookun We have brain, We have power. We have organising capacity. Let us make our party more powerful."

"স্বৰাজিষ্ট দল" শক্তিশালী কৰিবলৈ দাস, নেহেৰু আৰু ফুকন মাদ্ৰাজলৈ গৈছে। মাদ্ৰাজত আৰু কাষৰ নানা ঠাইত বিৰাট ৰাজহুৱা সভা। প্ৰথমে চিত্তৰঞ্জন দাসে ইংৰাজীত বক্তৃতা দিয়ে। তাৰ পিছত মতিলাল নেহৰুৱে, শেষত ফুকনে দিয়ে। এঘন্টা দেৰঘন্টা ধৰি ফুকনে ইংৰাজীত বক্তৃতা দিয়ে। যাদুকৰৰ মন্ত্ৰত মানুহ ভোল যোৱাৰ দৰে সভাত থকা মাদ্ৰাজীসকলেও ফুকনৰ চমৎকাৰ ইংৰাজী ভাষণ ৰ লাগি শুনি আছিল।

মাদ্ৰাজীবিলাক ইংৰাজীপ্ৰিয়। শিক্ষিতসকলে আধৈ ফুটাদি ইংৰাজী কয়। সাধাৰণ লিখাপঢ়া নজনা মাদ্ৰাজীয়েও ভুলেচুকেও ইংৰাজী কয়। ব্ৰাহ্মণ মাদ্ৰাজীবিলাকে গ্ৰীষ্মকালত বেছিভাগে উদাগাৰে থাকে। লগুণডাল ওলাই থাকে। কপালত ফোট। ফুকন আছিল এজন মনস্তত্ত্ববিদ। তেওঁ তৎক্ষণাৎ মানুহৰ মন ধৰিব পাৰিছিল। ফুকনে কৰিছিল কি! যি ঠাইত মাদ্ৰাজী ব্ৰাহ্মণৰ সংখ্যা বেছি তাত তেওঁ নিজৰ লগুণডাল দেখাকৈ, উদাগাৰে

বৰ্ক্তৃতা দি ব্ৰাহ্মণ মাদ্ৰাজীসকলক চুম্বকে লোহাক টনাৰ দৰে আকৰ্ষণ কৰিছিল।

১৯২১ চনৰ কথা। অসহযোগ আন্দোলন অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ধুমুহা বলাদি ব্যাপি গৈছে। ভাৰতত ইয়াৰ মূলসাৰথি মহাত্মা গান্ধী। অসমত এই আন্দোলনৰ মহাত্মা গান্ধীৰ নিৰ্দেশ অনুযায়ী গুৰি ধৰোঁতা ফুকন-বৰদলৈ। এই উপলক্ষে ফুকন লামডিং পাইছে। ৰেলষ্টেছনত মানুহৰ অসম্ভৱ ভীৰ। ডাৱৰীয়া বতৰ। ফুকন ছাতি মেলি থিয় হৈ আছে। এনেতে Anglo-Indian (এঙ্গো-ভাৰতীয়) এজনে ফুকনৰ ওচৰলৈ আহি চকু ৰঙা কৰি দম্ভালি বচনেৰে কলে—“Shut your umbrella” “তোমাৰ ছাতিটো জপোৱা।” ফুকনে একো নকৈ ততালিকে ছাতিটো জপালে'। জপোৱাৰ লগে লগে Anglo-Indian জনৰ কাষ চাপি গম্ভীৰ মাতেৰে কলে, “Now, shut your umbrella”—“এতিয়া তোমাৰ ছাতি বন্ধ কৰা।” Anglo-Indian জনে জব্দ হৈ একোকে মাতিব নোৱাৰিলে। তেওঁ অইনৰ পৰা পিছতহে জানিলে যে সেইজনা কোন পুৰুষ। আনকি ক্ষমাপ্ৰাৰ্থনা কৰিবলৈ ফুকনৰ সমুখলৈ আহিবলৈকো বপুৰাই সাহ নকৰিলে।

এনে উদাহৰণ অনেক আছে। সেয়েহে কৈছোঁ, সিংহপুৰুষ তৰুণ ফুকনৰ তুলনা নাই।

# জননায়ক ফুকন

## অধ্যাপক শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্য্য

১৯৩৯ চনৰ ২৮ জুলাই শুকুৰবাৰে নতুন অসমৰ প্ৰাণস্বৰূপ দেশভক্ত তৰুণৰাম ফুকনদেৱে অমৰধামলৈ প্ৰয়াণ কৰিলে। অসমৰ তথা ভাৰতবৰ্ষৰ এক সঙ্কটপূৰ্ণ ৰাষ্ট্ৰনৈতিক পৰিস্থিতিত এইজনা জননায়কৰ অন্তৰ্দ্ধান হোৱাত অশেষ ক্ষতি হৈছিল। বীৰ ফুকনৰ অন্তৰ্দ্ধানৰ লগে লগে অৰ্দ্ধশতাব্দীকাল অসমীয়াৰ দেশাত্মবোধ জগাই তোলা বীৰ দলৰ প্ৰায় আধা অস্ত হৈছিল বুলিব পাৰি। ফুকনৰ দৰে প্ৰতিভাশালী পুৰুষক লৈ যি কোনো দেশেই গৌৰৱ কৰিব পাৰে।

গুৱাহাটী কলেজিয়েট স্কুলৰ শতবাৰ্ষিকী উৎসৱৰ সভাপতিৰ আসনৰপৰা দেশভক্ত ফুকনে ৰগৰ কৰি ছাত্ৰবিলাকক উপদেশ দিছিল যে বেছিকৈ পঢ়ি, স্বাস্থ্যলৈ আওকাণ কৰি, শেষত জীৱনক ধিক্কাৰ দিয়াতকৈ মজলীয়া ধৰণে পঢ়িশুনি অটুট স্বাস্থ্য ৰক্ষা কৰাই শ্ৰেয়ঃ। তেওঁ নিজেও হেনো বৰ ভাল ছাত্ৰ নাছিল ; কিন্তু সেই সময়ত প্ৰতিযোগীৰ সংখ্যা কম আছিল বাবেহে হেনো তেওঁ এটা জলপানী পাইছিল। ফুকনে বিলাতত বেৰিষ্টাৰি পঢ়াৰ সময়ত দেশপ্ৰিয় যতীন্দ্ৰমোহন সেনগুপ্ত তেওঁৰ এজন সহপাঠী আছিল। এইটো মন কৰিবলগীয়া কথা যে যতীন্দ্ৰমোহনৰ খেলপ্ৰিয়তা ( বিশেষকৈ ক্ৰিকেটত ), আৰু ফুকনৰ খেলপ্ৰিয়তা ( বিশেষকৈ বৰশী বোৱা আৰু চিকাৰত ), যেন দুই সহপাঠীৰ আৰু শেষত সহকৰ্মীৰ যুটীয়া বিশেষত্ব আছিল। তাৰ উপৰি ফুকনে কলিকতালৈ আহি তাৰ পুখুৰীত বৰশীৰে মাছ ধৰা কথা বহুতে জানে। এনেকি তেওঁ তাত কেবাটিও বৰ বৰ ৰৌমাছ মাৰি কলিকতীয়া বন্ধু-বান্ধৱৰ ঘৰত বিলাই দিছিল। মধ্যকামৰূপৰ গঙ্গাপুখুৰী আৰু আনবোৰ ডাঙৰ পুখুৰীত ফুকনে প্ৰকাণ্ড মাছ ধৰা দৃশ্য,লʼৰা হিচাপে চাবলৈ আনন্দৰ কথা আমাৰ মনত আছে। ফুকনৰ হাতীচিকাৰৰ কথা দেশবাসীৰ মনত এতিয়াও উজ্জ্বল হৈ আছে। ৰাজনৈতিক আদৰ্শত অৱশ্যেই তৰুণৰাম আৰু যতীন্দ্ৰমোহন বন্ধু হুবহু একে আছিল বুলি কোৱা ঠিক নহব। ১৯২৫ চনৰ পণ্ডিত মতিলাল নেহৰু আৰু দেশবন্ধু চিত্তৰঞ্জনৰ স্বৰাজ্য দলত ফুকনে যোগ দিছিল। যতীন্দ্ৰমোহনে দিয়া নাছিল।

বিলাতৰপৰা ঘূৰি অহাত গুৱাহাটীৰ বিখ্যাত খাৰঘৰীয়া বংশৰ ব্রাহ্মণ-সন্তান তৰুণৰামৰ ভাগ্য সুপ্রসন্ন আছিল। সমাজে, আন কি নিজৰ পিতৃয়েও আনন্দৰাম বৰুৱাক সমাজত স্থান নিদিলে। তৰুণৰামে সামান্য প্রায়শ্চিত্ত হৈয়েই দেশৰ তথা জাতিৰ বুকুত স্থান লব পাৰিলে। ইয়াতেই লক্ষ্য কৰিবলগীয়া যে ফুকন যেতিয়া বিলাতৰপৰা ঘূৰি আহে তেতিয়া দেশত সনাতনী ভাবধাৰা অলপ কোমল হবলৈ আৰম্ভ কৰিছিল।

সেইবাৰ অসমত শেষবাৰ বঙলাভাষা চলোৱাৰ অহোপুৰুষাৰ্থ, পূৰ্ববঙ্গ আৰু অসমক এক প্রদেশ কৰাৰ চেষ্টা, সেই 'বঙ্গৰ অঙ্গচ্ছেদ' আন্দোলন আদিৰ সময়ত অসমৰ কি অৱস্থা আছিল আৰু সেই আন্দোলনবিলাকৰ কি প্রতিক্রিয়া অসমত দেখা দিছিল, কেনেকৈ কংগ্রেছৰ পতাকা অসমত বহু ওপৰত উৰিল, এইবিলাক নিশ্চয় বৰ আমোদজনক প্রশ্ন আৰু এইবিলাকৰ উত্তৰতেই সেই সময়ৰ অসমৰ ৰাজনৈতিক বুৰঞ্জী উদ্‌ঘাটিত হব আৰু লগে লগে ফুকনৰ জীৱনীৰ বহু কথা ওলাই পৰিব।

শিক্ষাত পাছপৰা, আত্মবিশ্বাস হেৰোৱা, ৰাজনীতিক্ষেত্রত পাছপৰা অসমক কোনে কি পৰশমণিৰে জগাই আজিৰ এই সুন্দৰৰূপে ৰাজনৈতিক চেতনাচঞ্চল, একতাবদ্ধ, নব্য অসমত পৰিণত কৰিলে? কোন সেই জননায়ক?

হয়তো এই আটাইবোৰ সম্পূৰ্ণৰূপে কোনো এজন ব্যক্তিবিশেষৰ কাৰণে দাবী কৰিব নোৱাৰি। ভাত হয়তো পাঁচো আঙুলিৰেই খায়, ঘৰৰ চাল হয়তো টোকোনা খুটাই বহন কৰে। কিন্তু এটাত বুঢ়া আঙুলিয়ে হেঁচুকিব লাগে আৰু আনটোৰ মূধৰ খুটাই ভাৰকেন্দ্র ঠিক ৰাখিব লাগে। অসমত হাবি-বন কটা কাম হয়তো আগতেই কিছু হৈছিল আৰু হয়তো বহুতো 'নীৰৱ ফুকনে' এন্ধাৰত থাকিয়েই বুকুৰ তেজেৰে মাতৃপূজা কৰিছিল—দেশৰ লিখিত বুৰঞ্জীত হয়তো সিবিলাকৰ নাম নাথাকিব। আকৌ হয়তো ক্রমবৰ্দ্ধমান জাতীয় চেতনাই অসমক এনেয়েও স্পৰ্শ কৰিলেহেঁতেন—বহু পিছত তাৰ উড্ডীন পতাকা উৰুৱাই, কিন্তু অসমত এজন দেশভক্ত ফুকনৰ আৱশ্যক হৈছিল। সেয়েই ফুকনে ইয়াত এখন আসন গ্রহণ কৰে আৰু সেইখনেই শ্রেষ্ঠ আসন।

দেশত পাশ্চাত্য শিক্ষাৰ বিস্তাৰৰ লগে লগে বহুতো লোকে আইন অধ্যয়ন কৰি দেশৰ অৱস্থা সম্পৰ্কে প্রকৃত কথা জানিব পাৰিছিল। বাৰ্কে কৈছিল যে মাৰ্কিন যুক্তৰাষ্ট্রত আইন অধ্যয়নৰ বহুল বিস্তাৰ হোৱাৰ বাবেই তাত গণজাগৰণ ইমান সম্ভৱপৰ হৈছিল। যদিও ওকালতি ব্যৱসায়ক ইয়াৰ

অপপ্ৰয়োগৰ বাবে যথেষ্ট গৰিহণা দিয়া হয়, তথাপি আইনৰ বহুল অধ্যয়নে ভাৰতীয় নৱজাগৰণৰ বাবে দিয়া দানৰ প্ৰশংসা কৰিবই লাগিব। অসমতো নব্যশিক্ষিতসকলৰ সংখ্যা বাঢ়ি গৈছিল আৰু দেশৰ ৰাজনৈতিক অৱস্থাৰ আলোচনা হব ধৰিছিল। বেৰিষ্টাৰ তৰুণ ফুকন আৰু এড্‌ভোকেট নবীনচন্দ্ৰ বৰদলৈ স্বভাৱতে কংগ্ৰেছলৈ ঢাল খালে। নবীনচন্দ্ৰই ইয়াৰ আগতে অসমক চীফ কমিচনাৰৰ পৰা গৱৰ্ণৰৰ প্ৰদেশ কৰাইছিল। এতেকে উচ্চবংশজাত, উচ্চশিক্ষিত প্ৰসিদ্ধ আইন ব্যৱসায়ী, স্বভাবনায়ক, আইন কলেজৰ অধ্যাপক তৰুণৰাম আৰু অসমক গৱৰ্ণৰৰ প্ৰদেশ কৰি গৌৰৱৰ মুকুট শিৰত লোৱা নবীনচন্দ্ৰই যেতিয়া অসমৰ ৰাজনৈতিক আন্দোলনৰ বঠা হাতত তুলি লয়, তেতিয়া তেওঁলোকৰ মূল নায়ক হবৰ বাবে সকলো অৱস্থাই সুপ্ৰসন্ন আছিল। নবীনচন্দ্ৰ বৰদলৈৰ নাম নোলোৱাকৈ ফুকনৰ কথা কব নোৱাৰি। যদিও এই দুই নায়কে একে গুৱাহাটীৰ উজানবজাৰ আৰু ভৰলুমুখত দুজোপা বটগছৰ দৰে মূৰ তুলি থিয় হৈ আছিল, তথাপি তেওঁলোকৰ মাজত কোনো ঈৰ্ষা কিম্বা প্ৰতিদ্বন্দিতা নাছিল। এইটো সঁচা কথা যে ফুকনক সকলোৱে ঘৰৰ বৰগৃহস্থ বুলি মানি লৈছিল। কিন্তু ইয়াৰ কাৰণে তেওঁৰ ত্যাগৰ প্ৰয়োজন নোহোৱাকৈ থকা নাছিল।

প্ৰথম মহাসমৰত কংগ্ৰেছে বৃটিছক সহায় কৰিও যেতিয়া তাৰ প্ৰতিদান নাপালে, প্ৰতিজ্ঞা ভঙ্গ কৰি যেতিয়া তুৰস্কৰ ছুলতান আৰু মুছলমান ধৰ্মগুৰুক বৃটিছে অপমান কৰিলে, তেতিয়া ভাৰতৰ অসন্তোষ বাঢ়ি গ'ল। ১৯০৬ চনতে মুছলিম লীগৰ জন্ম হৈছিল যদিও খিলাফত আন্দোলনৰ নেতা আলি ভ্ৰাতৃদ্বয়ে মহাত্মা গান্ধীৰ লগতে ভাৰতৰ মুছলমান সম্প্ৰদায়ক একত্ৰিত কৰিলে। জিন্না চাহেব তেতিয়া প্ৰথম শ্ৰেণীৰ জাতীয়তাবাদী নেতা। সকলোকে চেৰ পেলাই আহিল ১৯১৯ চনৰ জালিয়ানৱালাবাগৰ বীভৎস হত্যাকাণ্ড আৰু ডায়াৰ ওডায়াৰৰ খিতাপি লাভ। দেশৰ উত্তাপ ( temperature ) বাঢি গ'ল আৰু ১৯২০ ২১ চনত অসহযোগ আন্দোলন আৰম্ভ হ'ল। মহাত্মা গান্ধীৰ চৰমপত্ৰই শাসক-শাসিতক সমানে চমকিত কৰিলে। শীতলবাদ-ছাপ্ৰুৰ মডাৰেট দল নিস্তেজ হৈ পৰিল।

এই সময়তেই ফুকন-বৰদলৈয়ে ডাঙৰ ত্যাগ কৰিবলগা হয়। মহাত্মাৰ আহ্বানত তেওঁলোকে আইন-ব্যৱসায় ত্যাগ কৰি আন্দোলনত একাগ্ৰচিত্তে জঁপ দি পৰিল। তেতিয়া প্ৰাথমিক কংগ্ৰেছ সভ্য কিম্বা কাৰ্য্যনিৰ্বাহক সমিতিৰ সংখ্যা নিচেই তাকৰ আছিল। প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ আদেশ

কাৰ্য্যত পৰিণত কৰিবলৈ দেশত সহস্ৰসংখ্যক কংগ্ৰেছ কমিটী সিচঁৰতি হৈ নথকাতো অসমত অসহযোগ আন্দোলন পূৰ্ণ উদ্যমেৰে চলিছিল কেনেকৈ, ভাবিলে আচৰিত হব লাগে। অনুষ্ঠান সৰহ নাছিল সঁচা, গৱৰ্ণমেণ্টৰ প্ৰতি তীব্ৰ ভয় আছিল সচাঁ, কিন্তু আছিল ফুকন আৰু বৰদলৈ। ডক্টৰ জনছনক ব্যক্তি নুবুলি যেনেকৈ এটা অনুষ্ঠান বোলা হয়, ১৯২০-২৬ চনত ফুকন-বৰদলৈয়ো এটা জাতীয় অনুষ্ঠানহে আছিল। ই অৱশ্যে ১৯২০-২৬ চনৰহে কথা, ১৯৩০ চনৰ পিছত নহয়। কাৰণ তেতিয়া কংগ্ৰেছ ব্যক্তিতকৈ বহুতো ডাঙৰ হৈ উঠিছিল।

অসহযোগ আন্দোলন কৃতকাৰ্য্য হোৱাৰ আন এটা কাৰণো আছে। ইয়াতেই অসহযোগ আৰু আইন অমান্য আন্দোলনৰ পাৰ্থক্য লক্ষ্য কৰিব লাগে। ১৯৩০ চনত আইন অমান্য আন্দোলনত কংগ্ৰেছে আবকাৰী, লোণ ইত্যাদিৰ আইন অমান্য কৰি আগতে নিজেই গৱৰ্ণমেণ্টক আক্ৰমণ কৰিছিল। অসহযোগত বিশেষকৈ গৱৰ্ণমেণ্টৰ চাকৰি কৰা, উপাধিধাৰী, আইন ব্যৱসায় কৰা লোকসকলক অসহযোগ কৰি গৱৰ্ণমেণ্টক অচল কৰিখলৈ কোৱা হৈছিল, বিদেশী বস্ত্ৰ বৰ্জন কৰিবলৈ আৰু খাদী ব্যৱহাৰ কৰিবলৈ কোৱা হৈছিল। ইয়াকে কৰিলে গৱৰ্ণমেণ্টৰ অপ্ৰিয় হব লাগিছিল। সেই দিনত মহাসমৰবিজয়ী বৃটিছক উপেক্ষা কৰা সাহস কমৰহে আছিল। সেই দিনত ফুকন-বৰদলৈয়ে যি ত্যাগ আৰু নিৰ্ভীকতাৰ পৰিচয় দিছিল, সি ভাৰতৰ জাতীয় আন্দোলনৰ বুৰঞ্জীত অদ্বিতীয়। ১৯২০ চনত মহাত্মা গান্ধীয়ে সমগ্ৰ ভাৰত পৰিভ্ৰমণ কৰি দেশৰ জনসাধাৰণৰ মাজত স্বাধীনতাৰ বাণী প্ৰচাৰ কৰে। এনে ধৰণৰ বিস্তৃত ভ্ৰমণ নতুন ভাৰতত এয়ে প্ৰথম আৰু ইয়াৰ উপকাৰিতা উপলব্ধি কৰা টান নহয়। মহাত্মাৰ মহামন্ত্ৰত অসমৰো দীক্ষা হ'ল। ফুকন-বৰদলৈয়ে এই সন্যাসীৰ পৰশত সন্যাসবাদক সাৰটি ললে। ৰাজসুখ পৰিত্যাগ কৰি এই দুই সেনাপতিয়ে বোকা-পানীত ফুৰি, ৰাইজক জগাই তুলি আৰু শেষত কাৰাবৰণ কৰি যি ত্যাগৰ আদৰ্শ দাঙি ধৰিলে, অসমে তাক পাহৰিব নোৱাৰে। ফুকনৰ ঘৰত মহাত্মা গান্ধী আলহী হ'ল। এনে এটা দিনতে তেওঁ পাঁচহেজাৰ টকাৰ বিলাতী বস্ত্ৰ তেওঁৰ ঘৰৰপৰা উলিয়াই জুই লগাই দিলে। জুই দপদপকৈ জ্বলি উঠিল আৰু লগে লগে আন লোকৰপৰাও সৰসৰকৈ বিলাতী বস্ত্ৰৰ আহুতি পৰিবলৈ ধৰিলে।

তাৰ অলপ দিন পিছতেই অসমৰ এমূৰৰপৰা আন মূৰলৈ ফুকন-বৰদলৈৰ

সিং-হনিনাদ শুনা গ'ল। দুইজনেই প্ৰসিদ্ধ বক্তা আছিল। ফুকনৰ বক্তৃতা শুনিবলৈ হেজাৰ হেজাৰ ল'ৰা-ছোৱালী, ডেকা-ডেকেৰী, বুঢ়া-বুঢ়ী, ছাত্ৰ-ছাত্ৰী দলে দলে সভা-সমিতিবোৰলৈ আহিবলৈ ধৰিলে। ফুকন হিন্দী, উৰ্দু, ইংৰাজী, বঙলা আদি কেইবাটিও ভাষাতে সুবক্তা আছিল। আমাৰ মনত পৰে ৰাজহুৱা সভাবোৰত বক্তৃতা দিবলৈ আৰম্ভ কৰাৰ আগতে এটা গীতাৰ শ্লোক নমতাকৈ তেওঁ বক্তৃতা আৰম্ভ নকৰিছিল। এইটো সঁচা কথা যে ফুকন হিন্দু, মুছলমান, খৃষ্টান, সকলো সম্প্ৰদায়ৰে সমানে শ্ৰদ্ধাৰ পাত্ৰ আৰু অবিসম্বাদী নেতা আছিল। যিবিলাকে তেওঁৰ পিছৰ যুগৰ পূৰ্ণ ধেমেলীয়া বক্তৃতাহে শুনিছে, সিবিলাকে অসহযোগ আন্দোলনৰ নেতা দেশভক্ত ফুকনক আধাহে জানিছে। গুৰুত্বপূৰ্ণ বক্তৃতাত প্ৰাণতন্ত্ৰী জোকাৰি গাৰ নোম শিয়ঁৰি উঠা তেওঁৰ সেই ঐকান্তিক সিংহনিনাদ ( clarion call ) কেৱল inspired মানুহৰ পক্ষেহে সম্ভৱ আৰু এই বিষয়ত ফুকনৰ ওচৰ চাপে কোনে ? ১৯৩৬ চনৰ ডিচেম্বৰ মাহত আমিনগাওঘাটত ফুকনে তেওঁৰ মটৰখন পাৰ হৈ নহা পৰ্যান্ত প্ৰায় এঘণ্টামান কাল ব্ৰহ্মপুত্ৰৰ বালিতে অপেক্ষা কৰিব লগাত পৰে। তেতিয়া ব্যৱস্থাপক সভাৰ নিৰ্বাচনৰ সময়। এই আহৰি সময়খিনিত ফুকনে ৰগৰ কৰি আগৰ দিনৰ ডেকাবিলাকৰ স্বাস্থ্য আৰু স্মৃতিৰ লগত আধুনিক ডেকাবিলাকৰ স্বাস্থ্য আৰু স্মৃতিৰ তুলনা কৰি তেওঁৰ অসীম স্মৃতিৰ পৰিচয় দি আমাৰ আগত বহু দিন আগতে শুনা সুৰেন্দ্ৰনাথৰ I take my stand upon the Royal Proclamationৰে আৰম্ভ কৰা বিখ্যাত বক্তৃতাটো অনৰ্গল মুখস্থ মাতিছিল। লগতে তেওঁ কৈছিল যে সামান্য কলগছ এডাল মাত্ৰ সহায় লৈ ব্ৰহ্মপুত্ৰৰ যি কোনো সঙ্কটপূৰ্ণ ঠাইৰে পৰা তেওঁ পাৰলৈ উঠিব পাৰিছিল। ল'ৰা-ছোৱালীৰ লগত কথা কবলৈ ফুকনে ভাল পাইছিল। ফুকন কেতিয়াও অহঙ্কাৰী নাছিল। সুৰেন্দ্ৰনাথৰ বক্তৃতা আমি শুনা নাই। আন বহুতো প্ৰসিদ্ধ বঙালীৰ বক্তৃতাত এটা সুৰ থাকে। য়ুৰোপীয়সকলৰ বক্তৃতাত সুৰ নাথাকে। ফুকনৰ বক্তৃতাতো সুৰ নাছিল। বক্তাৰ আকৰ্ষণ কৰিব পৰা ব্যক্তিত্ব আৰু সাধাৰণ হৃদয়গ্ৰাহিতা থকাও প্ৰয়োজন। অসমৰ ডিমোস্থেনিচ্ ফুকনৰ মাত গভীৰ ( masculine ) অথচ সৰস আছিল। মাতৰ লগতে সমগ্ৰ ব্যক্তিত্বটো প্ৰতিভাত হৈ উঠিছিল। বেজবৰুৱাৰ কাপ আৰু ফুকনৰ মুখ সচাঁকৈয়ে অসমৰ আপুৰুগীয়া সম্পদ আছিল। ফুকনৰ কথাৰ প্ৰগাঢ়তাৰ মাজত আছিল বুদ্ধিৰ বিচক্ষণতা আৰু

ৰসৰ সঁফুৰা। ভাৰতত বাগ্মী পুৰুষসকলৰ মাজত ফুকনে এখনি উচ্চ আসন অধিকাৰ কৰিব পাৰিছিল।

আন পাৰিপাৰ্শ্বিকতা সিমান অনুকূল নথকাতো বক্তৃতাৰেই ফুকন-বৰদলৈয়ে অসমত অসহযোগ আন্দোলনক এটা বিপুল আন্দোলনত পৰিণত কৰি তুলিছিল। এই নেতাদ্বয়ৰ অভয় বাণীত দেশৰ ডেকাসকলে মাতৃযজ্ঞত আত্মাহুতি দিবলৈ ওলাই আহিছিল। স্কুল-কলেজত ধৰ্মঘট কৰি ছাত্ৰবিলাকে অসমৰ মুকুটবিহীন সম্ৰাট ফুকনৰ পতাকাৰ তলত থিয় দিছিল। অবশেষত ফুকন-বৰদলৈক বাহিৰত ৰখা আৰু গৱৰ্ণমেণ্টৰ পক্ষে নিৰাপদ নোহোৱা হ'ল। সেয়েহে তেওঁলোকক বন্দী কৰা হ'ল। ইয়াৰ পিছত অসমত জেললৈ যোৱাটো আৰু ভয়লগা কথা নোহোৱা হ'ল। শ শ ডেকা ছাত্ৰ, উকিল, ভলণ্টিয়াৰ স্কুল-কলেজত পিকেটিং কৰি জেললৈ তথা স্বৰাজ আশ্ৰমৰ অসমৰ মুকুট-বিহীন ৰজাৰ ওচৰলৈ যাবলৈ ধৰিলে। গণ-সমদলত প্ৰথম বাৰৰ নিমিত্তে অসমীয়া জনসাধাৰণেও যোগ দিলে। গাঁৱৰ ডেকাসকলে বন্দে মাতৰম, আল্লাহো আকবৰ ধ্বনিৰে আকাশ-বতাহ কঁপাই তুলি জাতীয় যুদ্ধলৈ জন-সাধাৰণক জগাই ফুৰা মধুৰ স্মৃতি অতুলনীয়। আনকি গাঁৱলীয়া আইসকলেও গীত গাইছিল—'তৰুণ ফুকন দলে, দেশে দেশে মিটিং কৰে ইত্যাদি'। সেই সময়ত ফুকন-বৰদলৈৰ জনপ্ৰিয়তা বহুতো ভাৰতীয় প্ৰাদেশিক নেতাৰ ঈৰ্ষাৰ বস্তু হৈছিল।

মহাত্মাৰ বাণী, যঁতৰ, খাদী, বিদেশীবৰ্জন ইত্যাদিৰ কথা সেইসকলে কৈ ফুৰিলে সঁচা, কিন্তু ১৮২৬ চনলৈ স্বাধীনতা ৰক্ষা কৰা অসমীয়া জাতিয়ে তেতিয়াও খাদী পৰিত্যাগ কৰা নাছিল। মহাত্মাৰ 'ইয়ং ইণ্ডিয়া'ৰ পাত অসমীয়া বোৱনীৰ প্ৰশংসাৰে ভৰি আছে। যঁতৰে পৃথিৱীৰ মহাশক্তিশালী গৱৰ্ণমেণ্টক ভাৰতৰ পৰা খেদাব পাৰিব নে বুলি কৰা প্ৰশ্নৰ উত্তৰ ফুকন-বৰদলৈৰ আছিল নে নাই কব নোৱাৰি। কিয়নো এই বিষয়ত তেতিয়া বহুতো ভাৰতীয় নেতাৰে দুৰ্ঘোৰ সন্দেহ আছিল। আজি এই সন্দেহৰ অৱশ্যে চিৰসমাধি হৈছে।

খাদী, সত্য আৰু অহিংসাই কামান-বন্দুক আদি পশুবলৰ বিৰুদ্ধে থিয় হব পাৰে বোলা কথাটোক আদৰ্শ সত্য হিচাপে গ্ৰহণ কৰিবলৈ ভাৰতবাসীয়ে আজি অস্বীকাৰ নকৰে। কিন্তু কাৰ্য্যকৰী পন্থা হিচাপে গ্ৰহণ কৰিবলৈ আজিও কম লোকেহে সাজু। ১৯২০ চনত সত্য আৰু অহিংসা নীতি

অঙ্কুৰতেহে আছিল। ইতিমধ্যে মহাত্মাজীৰো মনত বিশ্বাস ক্ৰমে বৰ্দ্ধিত হৈ আহিবলৈ ধৰিলে। তেওঁৰ মতে ইয়াৰ আবিষ্কাৰ হবলৈ আৰু বহুতো আছে। অসহযোগৰ সময়ত বহুতে ইয়াক নুবুজিছিল আৰু বিশ্বাস নকৰিছিল। অসহযোগৰ সময়ত এই কথাবিলাৰৰ বিষয়ে বহুতৰে স্পষ্ট ধাৰণা নাছিল, ই অতি সত্য। এটা কথা ঠিক যে দেশভক্ত ফুকন কৰ্মপ্ৰাণ চন্দ্ৰনাথৰ নিচিনা উগ্ৰপন্থী নাছিল। কিন্তু সমৰৰ সময়ত সৈনিকে They are not to reason why , they are but to do and die. ৰ নিচিনা ডেকাবিলাকে অসমৰ মুকুটবিহীন সম্ৰাট ফুকন-বৰদলৈৰ আদেশমতে নিজ স্বাৰ্থ বিসৰ্জন দি যুদ্ধত জঁাপ দিছিল।

অসহযোগৰ বাহ্যিক কৃতকাৰ্য্যতা, জেল ভলণ্টিয়াৰে ভৰাই পেলোৱা, সম্পূৰ্ণ বিলাতীবৰ্জন ইত্যাদিতকৈও ডাঙৰ সাফল্যটোলৈ বহু সময়ত আওকাণ কৰা হয়। ই আমাৰ মনত একপ্ৰকাৰ বিপ্লৱ সৃষ্টি কৰিছিল। এই মানসিক বিপ্লৱতেই দেশভক্ত ফুকনৰ কৃতিত্ব। আমাৰ অন্তৰ ক্ৰমে তীক্ষ্ণ ক্ষুধাই অতীষ্ঠ কৰিবলৈ ধৰিলে। আমি তীব্ৰ ক্ষুধাৰ তাড়নাত ছাটিফুটি কৰিলোঁ। কিন্তু যিপিনে চাওঁ, সেইপিনেই আমাৰ হাত বন্ধা। অৱস্থাৰ লগত দুৰ্ঘোৰ সংগ্ৰামৰ ঐকান্তিকতা মনত ভাহি উঠিল। আমি ভাবিলোঁ যে যথাসৰ্বস্ব ত্যাগ কৰি হলেও আমি অন্ধকাৰ, অজ্ঞতা, অত্যাচাৰ, শোষণ, অবিচাৰ আৰু বেমেজালিক ধ্বংস কৰি এখন নতুন ৰাষ্ট্ৰ brave new world সৃষ্টি কৰিম। এই মানসিক ক্ষুধাই ক্ৰমে আমাক মহৎ কৰি লৈ গৈছিল আৰু যুগব্যাপ্ত অলসতাক ভেদ কৰি নতুন ভাবধাৰাৰ প্ৰবেশ সুগম কৰিছিল। প্ৰাণৰ তলিত আমি ভাবপ্ৰকাশক ভাষা বিচাৰিছিলোঁ; আৰু সেই ভাষা পাইছিলোঁ দেশভক্ত ফুকনৰ মুখত। বেমেজালি আৰু অসীম অতৃপ্তিৰ মাজত পৰি আমি কিবা এটা হবলৈ আশা কৰি আছিলোঁ আৰু তাৰ পুৰোভাগত ফুকনত ৰাখিছিলোঁ। ১৯৩০ চনত হোৱা আইন অমান্য আন্দোলনৰ নিমিত্তে এইদৰে আমি আমাৰ পটভূমি তৈয়াৰ কৰিব পাৰিছিলোঁ।

সেই সময়ত ফুকন-বৰদলৈক খাদৰৰ সাজপাৰত দেখাটো বৰ তৃপ্তিদায়ক আছিল। তেওঁলোকৰ প্ৰচাৰকাৰ্য্যৰ ফলত বিলাসমগ্ন অসমীয়াই অলসতাত ভাহি ঘোৰাটো বন্ধ হ'ল। ভাৰতৰ আন কোনো প্ৰদেশতে খাদী আন্দোলন ইমান কৃতকাৰ্য্য হোৱা নাছিল।

ইয়াৰ পিছত ১৯২৬ চনৰ গুৱাহাটীৰ কংগ্ৰেছ। দেশবাসীয়ে ইতিমধ্যেই

ফুকনক 'দেশভক্ত' কৰিছিল। দ্বিতীয় সন্মানৰ চিনস্বৰূপে তেওঁক সেই অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি পাতিলে। বৰদলৈ প্ৰধান সম্পাদক হ'ল। ইতিমধ্যে এটা ডেকা কৰ্মীৰ দল ওলাল। এইসকলে এই অধিবেশনক কৃতকাৰ্য্য কৰিবলৈ আৰু অসমৰ সুনাম ৰক্ষা কৰিবলৈ লাগি গ'ল। সি এক বিৰাট বিস্ময়!

দুৰ্ভাগ্যৰ কথা গুৱাহাটী কংগ্ৰেছৰ আশানুৰূপ সুফলপোৱা নগ'ল। অসহযোগৰ শ্ৰম, গয়া কংগ্ৰেছৰ পিছত চিত্তৰঞ্জন দাসৰ অফিচিয়েল কংগ্ৰেছৰ লগত মতবিৰোধ, স্বৰাজ দল গঠন, চিত্তৰঞ্জনৰ মৃত্যু, স্বামী শ্ৰদ্ধানন্দৰ হত্যা, লালা লাজপত ৰায়ৰ দলৰ মতভেদৰ বাবে অনুপস্থিতি ইত্যাদিয়েই ইয়াৰ কাৰণ। কেইটামান সাধাৰণ প্ৰস্তাৱ গ্ৰহণ কৰি অধিবেশন ভাগিল। এই অধিবেশনত ফুকনৰ আৰ্থিক জঞ্জাল বাঢ়িল আৰু ক্ৰমে তেওঁ কংগ্ৰেছৰ অধিনায়কত্বৰ পুৰোভাগৰ পৰা আঁতৰি গ'ল।

১৯২৮ চনত নেহৰু-ৰিপোৰ্টত ফুকনে অসমৰ হকে চহী কৰিলে। স্বৰাজ্য দলৰ টিকেটত ফুকনে কেন্দ্ৰীয় ব্যৱস্থাপক সভাত প্ৰৱেশ কৰে আৰু কেবা বছৰ তাৰ সভ্য হৈ থাকে। ইয়াৰ পিছত অৱশ্যে এই আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা হবলগা হ'ল। ফুকন, মালব্য-আনেৰ কংগ্ৰেছ নেছনেলিষ্ট দলৰ আৰু বৰদলৈ কংগ্ৰেছৰ প্ৰাৰ্থী হ'ল। বৰদলৈ এই নিৰ্বাচন-যুদ্ধত জয়ী হ'ল। ই ১৯৩০ চনৰ পিছৰ কথা। এইটো ফুকনৰ প্ৰথম পৰাজয় বোলা যায় যদিও যেতিয়াই আইন অমান্যৰ পৰা তেওঁ নিলগত থাকে, তেতিয়াই তেওঁৰ প্ৰকৃত পৰাজয় আৰম্ভ হৈছিল। অসহযোগত ছাত্ৰসকলৰ নেতা ফুকনে যোগ নিদিলে যদিও ছাত্ৰসকল পাছ পৰি নাথাকিল।

১৯৩৬ চনত মন্ত্ৰিত্বগ্ৰহণৰ প্ৰশ্ন লৈ ফুকন আৰু ডেকাদলৰ মাজত নানা তিক্ত বাকবিতণ্ডা চলিছিল। অসমত অসমীয়াৰ বিশেষ স্বাৰ্থলৈ লক্ষ্য কৰি আৰু প্ৰাদেশিক স্বায়ত্তশাসনৰ ভাল অংশৰ সম্ভাৱিতব্যতাক লক্ষ্য কৰি ফুকন মন্ত্ৰিত্বগ্ৰহণৰ পক্ষপাতী আছিল। তেতিয়া অসম কংগ্ৰেছত আছিল ডেকাদলৰ প্ৰাধান্য। যেতিয়া মন্ত্ৰিত্বগ্ৰহণ কৰাৰ কোনো আগন্তুক নেদেখিলে, তেতিয়া ফুকনে 'মিলিত জনসংঘত' যোগ দিলে। ফুকনৰ এই দল-ত্যাগৰ গুৰিত ডেকাদলৰ অসহনীয় ব্যৱহাৰো যে নাছিল, এনে নহয়। কিন্তু সকলো ডেকাদলেই সময়ত বৃদ্ধদলত পৰিণত হয়। সি যি নহক, গণতান্ত্ৰিক প্ৰতিষ্ঠানত সংখ্যাগৰিষ্ঠ দলৰ লগত জেদ নাখাটে। কংগ্ৰেছ

একেবাৰে পৰিত্যাগ কৰা বাবে এজন জনপ্ৰিয় নেতাকো যিমান বেয়া পাব পাৰি ফুকনক জনসাধাৰণে সিমান বেয়া পোৱা কথাটো গোপন কৰিবৰ উপায় নাই। ১৯৩৬ চনৰ ৰঙিয়া নিৰ্বাচনত ফুকনৰ শোচনীয় পৰাজয় ঘটিল। কিন্তু কংগ্ৰেছে যেতিয়া ১৯৩৭ চনৰ ৭ জুলাই তাৰিখে বাৰ্দ্ধাত মন্ত্ৰিত্বগ্ৰহণৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে, তেতিয়া ফুকনে উৎফুল্ল ভাষাত কবলৈ গলে veered round to my opinion তেওঁ মতলৈ ঘূৰি আহিল।

১৯৩৮ চনৰ ফুকনে পুনঃ কংগ্ৰেছলৈ ঘূৰি আহে। অসম কংগ্ৰেছ যুক্ত মন্ত্ৰীসভা প্ৰতিষ্ঠাত তেওঁ কম সহায় কৰা নাছিল। এই কথা তেওঁৰ শেষ হাতীচিকাৰ প্ৰবন্ধত লিপিবদ্ধ হৈ আছে। এই প্ৰবন্ধটো সঁচাকৈয়ে এম-এল-এ চিকাৰহে।

সি যি নহওক ফুকনৰ উপস্থিতিয়ে নানা তৰহৰ ৰাজহুৱা সভা-সমিতি, ছাত্ৰ-সম্মিলন, সাহিত্য সভা ইত্যাদিলৈ কি মৰ্য্যাদা আনিছিল, তাক সকলোৱে জানে। তেওঁৰ অনুপস্থিতিত কেনেকৈ বহু সভা-সমিতি শিৰহীন দক্ষযজ্ঞত পৰিণত হৈছিল, সেই কথাও বহুতৰ জনা আছে। এজন মানুহৰ উপস্থিতিয়ে ইমান উৎসাহ, উদ্দীপনা আৰু আলোড়নৰ সৃষ্টি কৰা যেই সেই লোকৰ কাম নহয়। বহুতো ৰাজনৈতিক প্ৰভাৱশালী লোকৰ ভাগ্যতে সি নঘটে। ওপৰত কোৱাৰ দৰে দেশভক্ত ফুকনৰ এই প্ৰভাৱৰ গুৰিত আছিল তেওঁৰ অতুলনীয় সংস্কৃতিসম্পন্ন মন। উচ্চ তেজৰ সকলো ভাল গুণ, পাশ্চাত্য সভ্যতাৰ সকলো উদাৰতা আৰু ৰমণীয়তা, প্ৰাচ্য সভ্যতাৰ সকলো শুদ্ধতাৰ অধিকাৰী ফুকনৰ মন যে অতুলনীয় শক্তিৰ অধিকাৰী হব, তাত আচৰিত হবলগীয়া নাই। এই মনৰ তীব্ৰ অনুভূতিৰ লগত আছিল উদ্দাম কল্পনা। তেওঁৰ মন এটা অফুৰন্ত খনি আছিল আৰু বক্তৃতাত বা লেখনীত সৰসৰকৈ তাৰপৰা মণি-মুকুতা ওলাই পৰিছিল। বহুতে তেওঁৰ এই ঐশ্বৰ্য্যত সঁচাকৈয়ে ঈৰ্ষান্বিত হৈছিল।

চিৰপ্ৰফুল্ল, চিৰতৰুণ এই পুৰুষসিংহৰ মূৰৰ মুকুট কালেও কাঢ়ি নিব নোৱাৰে। দেশভক্ত ফুকন উপজিছিল অসমৰ জননায়ক হৈ, বীৰৰ মৃত্যু বৰণ কৰি তেওঁ অমৰ হৈ থাকিল।

# মহান নেতা ফুকন

## শ্ৰীৰাম গোস্বামী

বুৰঞ্জীৰ পাত লুটিয়ালে এই কথা সহজে প্ৰতীয়মান নহৈ নোৱাৰে যে মহৎ নেতাসকলৰ কৰ্মপ্ৰেৰণাই আমাৰ লক্ষ লক্ষ জনসাধাৰণৰ অন্তৰ স্পৰ্শ কৰে, তেওঁলোকৰ বাণীয়ে সহস্ৰ ৰাইজৰ হৃদয়ত স্পন্দন তোলে, বিশ্বাস প্ৰতিষ্ঠা কৰি প্ৰকৃত আৰু পূৰ্ণ শান্তি উপভোগ কৰাত উৎসাহ, উদ্দীপনাৰে উদ্ভাসিত কৰে। অসমৰ মুক্তি আন্দোলনত দেশভক্ত তৰুণৰাম ফুকনদেৱ এনে এজন মহান নেতা আছিল। অসমৰ চাৰিসীমা অতিক্ৰম কৰি ভাৰতবৰ্ষৰ প্ৰায় সকলো স্বাধীনতাসংগ্ৰামী নেতৃবৃন্দৰ ওচৰত শ্ৰদ্ধামিশ্ৰিত সমাদৰ আজিও পাই আহিছে। তৰুণ ফুকন এই প্ৰখ্যাত নামটো বিশেষকৈ অসমৰ ৰাজনৈতিক জগতত এক অসাধাৰণ স্বৰ্ণাক্ষৰ, যাৰ ধ্যান-ধাৰণাত অকল ভাবৰূপৰ কল্পনাই নহয়—এক পৰম সত্য উপলব্ধি হয়। অন্ধকাৰৰ পৰা পোহৰলৈ, পৰাধীনতাৰ পৰা স্বাধীনতালৈ যি যাত্ৰা, সেই সুদীৰ্ঘ পথত অপৰিসীম সাহসেৰে অসমৰ জনসাধাৰণক দেশভক্ত তৰুণৰাম ফুকনে আগবঢ়াই লৈ গৈছিল। স্বাধীনতাৰ মুক্তিসংগ্ৰামত তেওঁ যি অনুপ্ৰেৰণা অসমীয়া জাতিক দি গ'ল, সেই মহান নেতৃত্বই তেওঁক অসাধাৰণ ব্যক্তিৰূপে প্ৰতিষ্ঠিত কৰিলে। অসমীয়া জাতিৰ আশা-আকাঙ্ক্ষা আৰু স্বদেশানুৰাগ ভাব দেশভক্ত ফুকনৰ ব্যক্তিত্বত প্ৰতিফলিত হৈছে। তেওঁ আমাৰ মহান নেতা, পৰম বন্ধু। মাতৃভূমিক বহুদিনীয়া পৰাধীনতাৰ পৰা মুক্ত কৰিবলৈ দেশভক্তই মহান ত্যাগ স্বীকাৰ কৰিছিল। তেওঁৰ কষ্ট-সহিষ্ণু দেশসেৱাত অসমীয়া জাতিৰ ভাবাপ্লুত অন্তৰত প্ৰবল আলোড়নৰ সূচনা হৈছিল। তেওঁৰ নেতৃত্বত এদিন অসম দেশে প্ৰাণোজ্জ্বল অভয়বাণী শ্ৰৱণ কৰিছিল। ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ যি ঐতিহাসিক ঘটনা, তাৰো সীমাৰেখা অতিক্ৰম কৰি তৰুণৰাম ফুকনে জনসাধাৰণৰ অন্তৰত এক বিস্ময়কৰ প্ৰভাৱ গঢ়ি তুলিলে।

এনে এটা যুগৰ সন্ধিক্ষণত তৰুণৰাম ফুকনে জন্মগ্ৰহণ কৰিছিল, যি সময়ত ইংৰাজৰ অধিকাৰত থকা আমাৰ দেশ ভাৰতবৰ্ষত জ্ঞান-বিজ্ঞানৰ চৰম দুৰ্দশা

ঘটিছিল। হিন্দু-সংস্কৃতিয়ে নিজস্ব গতি হেৰুৱাইছিল। বহু দিনৰ আগতে মুছলিম সংস্কৃতিও হৈ পৰিছিল বিপন্ন। ১৮৫৭ চনৰ চিপাহী-বিদ্রোহ নির্মমভাবে দমন কৰি ইংৰাজ-শাসকদলে বাণিজ্যিক সাম্রাজ্যবাদৰ সাফল্য ভোগ কৰিছিল। এই সাম্রাজ্যবাদৰ সাৰ্থক আৰু লাভজনক কেন্দ্ৰৰূপে তেওঁলোকে কলিকতা, মাদ্রাজ, বোম্বাই আদি চহৰ, বন্দৰসমূহ গঢ় দি ভাৰতীয় মানুহৰ ইংৰাজ খেদা মনোভাব মষিমূৰ কৰিবলৈ প্রচুৰ সৈন্য, যুদ্ধৰ আহিলাপাতি আৰু সামৰিক কোঠ তৈয়াৰ কৰিছিল। আনফালে তৈয়াৰ কৰিছিল এবিধ তোষামোদকাৰীৰ দল। ইংৰাজী ভাষাৰে, ইংৰাজী ধৰণকৰণেৰে পৰিপুষ্টিত, শিক্ষিত আমোলা, ব্যৱসায়ী, ৰাজকর্মচাৰী, উকিল প্রভৃতি বৃটিছ-শাসনৰ গুণ-গৰিমা প্রচাৰ কৰি তেওঁলোক ইংৰাজৰ প্রিয়পাত্র হৈছিল আৰু নিজেও ধন্য মানিছিল। এনে এটা সুকৌশলী শোষণৰ বেহুৰ মাজত থাকিও ভাৰতৰ এচাম লোকে ইংৰাজ শাসনৰ বিৰুদ্ধে থিয় দিছিল। আফ্রিকা অথবা আন আন শোষিত দেশসমূহৰ দৰে ভাৰতবৰ্ষক সভ্যতাৰ ধ্বংসস্তূপত বিলীন হবলৈ নিদি বিদেশী শাসকৰ কবলৰপৰা চলে-বলে-কৌশলে দেশ মুক্ত কৰিবলৈ আপ্রাণ চেষ্টা চলাইছিল। এইচাম লোকে ইংৰাজী শিক্ষাৰে শিক্ষিত হৈয়ো ইংৰাজৰ ঔপনিবেশিকতা, বৰ্ণবিদ্বেষ আৰু সাম্রাজ্যবাদৰ জঘন্য লিপ্সা মনে-প্ৰাণে ঘিণ কৰিছিল আৰু এইবোৰৰ বিৰুদ্ধে জনমত গঢ়ি তুলিবলৈ কঠোৰ পৰিশ্ৰম কৰিছিল। ১৯১৯ চনৰ ৬ এপ্রিল তাৰিখটো ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ এক বলিষ্ঠ পদক্ষেপ। এই তাৰিখতে ভাৰতবৰ্ষৰ সত্যাগ্রহ আন্দোলন আৰম্ভ হৈছিল আৰু তাৰ নেতৃত্ব লৈছিল মহাত্মা গান্ধীয়ে। সঁচাকৈয়ে মহাত্মা গান্ধী আছিল অসাধাৰণ শক্তিৰ প্ৰতীক। গভীৰ দেশপ্ৰেম আৰু আত্মবিশ্বাসৰ ওপৰত এই শক্তি প্রতিষ্ঠা হৈছিল আৰু ভাৰতীয় জনসাধাৰণৰ চিন্তাশক্তিক সজাগ কৰি তোলোঁতে ই ঐশ্বৰিক শক্তিৰ দৰে কাম কৰিছিল। মহাত্মাই বিদেশী শিক্ষাৰ মাজেদি স্বদেশীয় অগ্রগতিৰ পথ বিচাৰি উলিয়াইছিল আৰু বিদেশী শাসকৰ ৰাষ্ট্ৰ-নীতিক পৰাজিত কৰিবলৈ অহিংস অসহযোগ আন্দোলন আৰম্ভ কৰিছিল। তেওঁৰ নেতৃত্বত হিমালয়ৰপৰা কন্যাকুমাৰিকা পৰ্য্যন্ত ভাৰতবৰ্ষক স্বাধীন কৰা মনোভাব গঢ়ি উঠিছিল। বোম্বাই চহৰত সংগঠিত হৈছিল ভাৰতীয় কংগ্ৰেছ। ইংৰাজ চৰকাৰৰ দমন-নীতিৰ বিৰুদ্ধে ভাৰতবাসীৰ মনত গভীৰ ৰেখাপাত কৰিবলৈ ভাৰতীয় কংগ্ৰেছে মুক্তি-সংগ্ৰামৰ সূচনা কৰিছিল। ইংৰাজ

চৰকাৰৰ আঁকোৰগোজ মনোভাৱৰ সলনি নোহোৱাত সমগ্ৰ দেশতে স্বৰাজৰ উদাত্ত আহ্বানে এক নতুন আশাৰ সঞ্চাৰ কৰিছিল। ভাৰত জননীৰ মুক্তিৰ জয়গান প্ৰতিধ্বনিত হৈছিল সভাই-সমিতিয়ে, আলোচনা-বিলোচনাই, ঘৰে-বাহিৰে সকলোতে। ইংৰাজ সৈন্যৰ লাঠীৰ কোব, ভুকু, চৰ, আনকি মৃত্যুকো ভয় নকৰি হেজাৰবিজাৰ দেশসেৱকে স্বাধীনতা আন্দোলনত জঁপিয়াই পৰিছিল।

প্ৰকৃতপক্ষে এই মুক্তি-যুদ্ধৰ উন্মাদনাৰ ভিতৰেদিয়েই তৰুণৰাম ফুকনৰ জীৱনৰ ঘাইছোৱা অতিবাহিত হৈছিল। তেওঁৰ জীৱন আৰু কামৰ আলোচনা কৰি চালে দেখিবলৈ পোৱা যায় যে এজন প্ৰকৃত কংগ্ৰেছকৰ্মী স্বৰূপে স্বদেশৰ আৰু তেওঁৰ নেতৃত্বত সফলতাৰে কৰ্মক্ষেত্ৰত আগবাঢ়িছিল। দেশভক্ত ফুকন আছিল প্ৰকৃততে মহৎ হৃদয়ৰ ব্যক্তি, যাৰ ত্যাগ আছিল অপৰিসীম। তেওঁৰ ব্যক্তিত্বই এক নতুন প্ৰবাহ বহন কৰি অসমৰ কংগ্ৰেছক বহল ভিত্তিত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। দেশভক্ত তৰুণৰাম ফুকন আছিল বাগ্মী পুৰুষ, সাহসী পুৰুষ, যাৰ দৃঢ় যুক্তি আৰু বিবেচনাই সকলোৰে অন্তৰ জয় কৰিছিল। শ্ৰীবিষ্ণুৰাম মেধি ডাঙৰীয়াৰ দৰে ভবা বহুতেই শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে ফুকনৰ বহুমুখী প্ৰতিভাৰ কথা এতিয়াও স্মৰণ কৰে। নিজৰ তীব্ৰ প্ৰত্যয়ত উৎপত্তি হোৱা সিদ্ধান্তৰ প্ৰতি দেশভক্ত ফুকন আছিল অলৰ অচৰ। তেওঁৰ এই মনোভাৱক অনেকে ভাল নাপাইছিল আৰু কেতিয়াবা অতীষ্ঠ হৈ কটু সমালোচনাও কৰিছিল। কিন্তু ফুকন আছিল অনেক সময়ত আপোচবিহীন। নিজৰ দৃষ্টিভঙ্গী পুঙ্খানুপুঙ্খভাৱে সমালোচকসকলৰ আগত দাঙি ধৰি তেওঁ বীৰদৰ্পেৰে কৰ্মক্ষেত্ৰত আগবাঢ়িছিল।

বিশেষকৈ ১৯৩০ চনৰ পিছত কংগ্ৰেছৰ ডেকাচামৰ লগত ফুকনৰ মতানৈক্য ঘটিছিল নিৰ্বাচনৰ প্ৰাৰ্থী মনোনয়নৰ ক্ষেত্ৰত। কেন্দ্ৰীয় ব্যৱস্থাপক সভাত সদস্যৰূপে ফুকনক মনোনয়ন দিবলৈ ভাৰতীয় কংগ্ৰেছৰ পাৰ্লেমেণ্টৰী বোৰ্ডে আশা প্ৰকাশ কৰাত অসমৰ নতুনকৈ সংগঠিত প্ৰদেশ কংগ্ৰেছে আপত্তি দৰ্শাইছিল। এই বিষয়টো লৈ এটা যটিল সমস্যাৰ সৃষ্টি হোৱাত ভাৰতীয় নেতাসকল বিমোৰত পৰিছিল। এফালে অসম-কংগ্ৰেছৰ নিয়মানুবৰ্ত্তিতাৰ প্ৰশ্ন, আনফালে দেশভক্ত ফুকনৰ দৰে এজন দেশনেতাৰ মহান ব্যক্তিত্বৰ প্ৰভাৱ। কিন্তু শেষত গৈ অসম-কংগ্ৰেছৰে জয়লাভ হৈছিল। ফুকনে নিৰ্বাচনত পৰাজয় বৰণ কৰি কংগ্ৰেছৰপৰা আঁতৰি গৈছিল। ফুকনৰ

জীৱনত এই পৰাজয় এক মৰ্মস্পৰ্শী অভিজ্ঞতা। কিন্তু তেওঁৰ বিপ্লৱাত্মক চিন্তাধাৰাত ক'তো আনৰ প্ৰতি ঘৃণা বা প্ৰতিহিংসাৰ ভাৱ প্ৰকাশ পোৱা নাছিল। মানসিক অভিৰুচিৰ স্বাভাৱিক প্ৰৱণতাৰে তেওঁ নিৰ্বাচনত নামিছিল। পৰাজয়ৰ গ্লানিয়ে তেওঁৰ ধৈৰ্য্যমুখী, অনুশাসনপ্ৰেমী চৰিত্ৰক ম্লান কৰিব নোৱাৰিছিল। এজন কৰ্মনিপুণ নেতা হিচাপে তেওঁ ডেকা কংগ্ৰেছৰ নেতৃত্বৰ গুৰুত্ব মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। মহাত্মা গান্ধীৰ একনিষ্ঠ অনুগামীৰূপে তেওঁ ৰাজনীতিৰ পবিত্ৰতা ৰক্ষা কৰিছিল। এই গুণৰাজিয়ে ফুকনৰ ব্যক্তিত্বক শীৰ্ষস্থানত প্ৰতিষ্ঠা কৰিছে। পৰাজয়ৰ পিছত এদিন ফুকনে কথা-প্ৰসঙ্গত কৈছিল—"হীন মনোবৃত্তি দেখিলে মই দুখ পাওঁ অতি বেছি। মানুহৰ উৰ্দ্ধগতিৰ বাবে আটাইতকৈ প্ৰয়োজন হৈছে সহানুভূতি, ভাতৃভাৱ আৰু নিৰপেক্ষ বিচাৰ। ব্যক্তিগত আক্ৰমণেৰে ৰাজনৈতিক বিবাদ নিষ্পত্তি কৰা সম্ভৱ নহয়। বৰং তাৰ প্ৰকৃত সমাধানৰ উপায় সম্পৰ্কে চিন্তা কৰাহে আচল কথা। উভয় পক্ষৰ ভিতৰত বুজাবুজিৰ মাজেদি দেশৰ মুক্তিৰ হকে তেওঁ আন্দোলনত নামিছিল। ইংৰাজ চৰকাৰৰ শাসন ব্যৱস্থাৰ সকলো কটকটীয়া প্ৰতিবন্ধক আৰু বিৰোধিতাক নেওচা দি নিজৰ পথত তেওঁ বীৰদৰ্পেৰে আগবাঢ়িছিল সাম্ৰাজ্যবাদী ইংৰাজৰ শোষণৰ বিৰুদ্ধে।

ভাৰতবৰ্ষৰ নৱজাগৰণৰ ক্ষেত্ৰত আইন ব্যৱসায়ীসকলৰ বৰঙণি আছিল যথেষ্ট গুৰুত্বপূৰ্ণ। আইন অধ্যয়নৰ প্ৰতি ভাৰতীয় ছাত্ৰৰ ধাউতি বাঢ়িছিল স্বাধীনভাৱে জীৱিকানিৰ্বাহ কৰাৰ প্ৰবল আকাঙ্ক্ষাত। ভাৰতৰ ক্ৰমবৰ্দ্ধমান জাতীয় চেতনাত ডেকা আইনজীৱীসকলে সক্ৰিয় অংশ গ্ৰহণ কৰি গণতন্ত্ৰী শাসন-নীতিৰ সপক্ষে থিয় দিছিল। অসমৰ স্বাধীনতা আন্দোলনৰ গুৰিধৰোঁতা প্ৰায় সকলো নেতাই আছিল আইন-ব্যৱসায়ী। বেৰিষ্টাৰ তৰুণৰাম ফুকন, এড্‌ভোকেট নবীনচন্দ্ৰ বৰদলৈ, জননেতা কুলধৰ চলিহা প্ৰভৃতি বহুতৰ নাম এই প্ৰসঙ্গত উল্লেখযোগ্য। ফুকন-বৰদলৈৰ এই সময়ছোৱা অসমৰ জাতীয় জাগৰণৰ এক গৌৰৱপূৰ্ণ অধ্যায়; কিয়নো সেই সময়ছোৱাতে সমগ্ৰ ভাৰতবৰ্ষতে অসহযোগ আন্দোলন আৰম্ভ হৈছিল আৰু অসমতো এই আন্দোলনৰ গতি তীব্ৰবেগে বিয়পি পৰিছিল। সুখ-সম্ভোগ, ব্যৱসায় খ্যাতি, ধন-ঐশ্বৰ্য্য, লাহবিলাহ সকলো বিসৰ্জন দি কৰ্মবীৰ নবীন বৰদলৈ আৰু দেশভক্ত তৰুণ ফুকনে জাতীয় আন্দোলনত দেহেকেহে লাগি অসমবাসীক স্বাধীনতাৰ মহামন্ত্ৰেৰে অনুপ্ৰাণিত কৰিছিল আৰু দুয়ো হাঁহিমুখে কাৰাবৰণ

কৰিছিল। ফুকনৰ তেজস্বী ভাষণ শুনি অনেক অসমীয়া ডেকাই পঢ়াশুনা এৰি আন্দোলনত যোগ দিছিল আৰু ত্যাগৰ মন্ত্ৰেৰে দীক্ষিত হৈ কংগ্ৰেছ পতাকা হাতত লৈ জেলৰ কঠোৰ নিৰ্য্যাতন ভোগ কৰিছিল। ফুকনৰ বিপ্লৱী দৃষ্টিভঙ্গী আছিল সমসাময়িক আন বহুততকৈ অধিক প্ৰখৰ আৰু সচেতন। সমগ্ৰ ভাৰতভূমিৰ নিষ্পেষিত আৰু নিপীড়িত জনগণৰ সামগ্ৰিক স্বাধীনতা-সংগ্ৰামৰ ঐতিহাসিক পটভূমিত অসমৰ স্বাধীনতা ওতঃপ্ৰোতভাৱে সংলগ্ন কৰি তেওঁ এক বৈপ্লৱিক ৰূপান্তৰৰ কাৰ্য্যসূচীত অগ্ৰসৰ হৈছিল। তেওঁৰ সুদূৰপ্ৰসাৰী কাৰ্য্যপন্থা আৰু কৰ্মনিষ্ঠাৰ ওপৰত গভীৰ আস্থা ৰাখি মুক্তিযুঁজত যোগ দিছিল।

দেশভক্ত তৰুণৰাম ফুকন বিপ্লৱী হলেও তেওঁ আছিল গঠনমুখী বিপ্লৱী। সংস্কাৰধৰ্মী আদৰ্শৰে তেওঁৰ ৰাজনীতি আছিল সমৃদ্ধ। তেওঁৰ প্ৰত্যেকটো যুক্তি আৰু বিচাৰত তেওঁ বাস কৰা সমাজখনৰ ভবিষ্যত উন্নতি আৰু প্ৰগতিৰ এক স্পষ্ট চিত্ৰ জিলিকি উঠিছিল। অসমৰ মুক্তি আন্দোলনত জড়িত থকা আন এগৰাকী বিপ্লৱী নেতা শ্ৰীবিষ্ণুৰাম মেধিয়ে ফুকনৰ সম্পৰ্কে এসময়ত কৈছিল যে দেশভক্ত ফুকনৰ সংগ্ৰামী আহ্বানত অসমৰ প্ৰাক্‌স্বাধীনতা যুগৰ ৰাজনৈতিক কৰ্মীসকলে এক অভূতপূৰ্ব উদ্দীপনা লাভ কৰিছিল।"

কংগ্ৰেছৰপৰা সাময়িকভাৱে আঁতৰি থাকি ফুকনৰ যি ক্ষতি হ'ল সি সঁচাকৈয়ে দুৰ্ভাগ্যজনক। অনেকে এই দুৰ্ভাগ্যজনক পৰিস্থিতিক কেন্দ্ৰ কৰি নিৰ্বাচনৰ ব্যৰ্থতাৰ বাবে তেওঁৰ যুক্তি আৰু বিবেচনাক ঘাইকৈ জগৰীয়া কৰিছিল। ফুকনেও উপলব্ধি কৰিছিল যে সমস্যাৰ সমাধানৰ বাবে তেওঁ আৰু সংগ্ৰাম কৰা অৰ্থহীন। তেওঁ শান্তিবাদী। ভিন্নমতাৱলম্বীৰ ওপৰত তীব্ৰ বিৰক্তি আহিলে তেওঁৰ শান্তিত ব্যাঘাত ঘটিব। ফুকনে ভিন্নমত পোষণৰ যি দাবী বা অধিকাৰ তাৰ ওপৰতে ভিত্তি কৰি তেওঁৰ বক্তৃতা বা উদ্দেশ্য ৰাইজৰ আগত দাঙি ধৰিছিল। ৰাইজে যেতিয়া তেওঁৰ দাবী গ্ৰহণ নকৰিলে, তেওঁ এজন কৰ্মীৰ দৰে কংগ্ৰেছলৈকে উভতি যাব। আকৌ আগৰ দৰে এই জাতীয় অনুষ্ঠানত মঙ্গলৰ হকে তেওঁৰ সকলো শক্তি প্ৰয়োগ কৰিব। সেই সময়ৰ অসম-কংগ্ৰেছৰ জনপ্ৰিয় ৰাজনৈতিক নেতা ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাই কবৰ দৰে "মানুহ হিচাপে, দেশপ্ৰেমিক হিচাপে দেশভক্ত ফুকনৰ অগ্ৰগণ্যতা সকলো বিবাদৰ ওপৰত। তেওঁৰ ব্যক্তিত্বৰ সীমাৰেখা বিচাৰি উলিওৱা নিষ্ফল। মোৰ বিবাদ হৈছে নীতিক লৈহে। নীতিৰ প্ৰশ্নত মই

ব্যক্তিবিশেষক আগশাৰী দিয়াৰ পক্ষপাতী নহওঁ। মই অনুশাসনবিশ্বাসী এজন কংগ্ৰেছ-কৰ্মী। দেশভক্ত ফুকন ডাঙৰীয়াৰ প্ৰতি মই সদায় শ্ৰদ্ধাবান, তেওঁৰ দেশপ্ৰেম আমাৰ সকলোৰে অনুকৰণীয়।"

ৰাজনৈতিক ক্ষেত্ৰত মতবিৰোধ একো নতুন কথা নহয়। বিশেষকৈ গণতান্ত্ৰিক অনুষ্ঠানত মতৰ অমিল হোৱাটো একো অসঙ্গত ঘটনা বুলি কব নোৱাৰি। ৰাজনৈতিক আচৰণত ভুল বুজাবুজি থাকিলেও তাক আলাপ-আলোচনা, যুক্তি-বিচাৰ, অনুশোচনা, সংবেদনাৰে নিকা কৰিব পাৰি, 'কম্প্ৰোমাইজ' কৰিব পাৰি। ফুকনক জনসাধাৰণে কেতিয়াও অনাদৰ কৰা নাছিল বৰং তেওঁৰ ত্যাগৰ ফলত গঢ়ি উঠা এক জাতীয় অনুষ্ঠানক সকলো প্ৰকাৰে উন্নতিৰ পথত আগবঢ়াই নিয়াটোকে কামনা কৰিছিল।

সঁচাকৈয়ে তৰুণৰাম ফুকনৰ জীৱনৰ মূলমন্ত্ৰ আছিল ব্যক্তিৰ স্বাধীনতা। স্বাধীন দেশ আৰু জনসাধাৰণৰ সেৱা আছিল তেওঁৰ জীৱনৰ ব্ৰত। তেওঁ কৈছিল—"পৰৰ দুখ পতিয়াবলৈ শিকা, নিজৰ দুখ আপুনি উৰলি যাব। পৰৰ দুখ পতিয়াবলৈ গাঁঠিৰ ধন ভাঙিব নেলাগে, কেৱল মনতে ৰিজনি কৰিবা। তোমাৰ এশটকা লোকচান হৈছে, হেজাৰ টকা লোকচান হে৷ৱা-জনৰ কথা ভাবা, তোমাৰ এশৰ দুখ পাতলিব। তোমাৰ এজন পুতেৰ মৰিছে নিৰ্বংশ হোৱাজনৰ কথা ভাবা, তোমাৰ শোক লঘু হব।"

ফুকনে অসমৰ গাঁৱে-ভূঞে কংগ্ৰেছৰ সংগঠনৰ কামত ঘূৰি ফুৰোঁতে অসমীয়া জাতিৰ সহজ, সৰল, সঙ্ঘবদ্ধ গ্ৰাম্য জীৱনৰ এক প্ৰাণবন্ত ছবি দেখিবলৈ পাইছিল। তেওঁ আকৌ এবাৰ কথা-প্ৰসঙ্গত কৈছিল--"অসম কিয় নিছলা, দুখীয়া হব? অতীতৰ বিপুল কীৰ্তি-কলাপেৰে ভৰপূৰ অসমীয়া জাতিৰ দুৰ্বলতা, হীন মনোবৃত্তি কিহত দেখিলা?" তেওঁ আৰু কৈছিল—"নিজৰ মাতৃক অৱহেলা কৰি দেশ মাতৃকাৰ সেৱাৰ চেষ্টা ভণ্ডামি মাথোন। মৰিবই যদি লাগিব নিশ্চেষ্ট হৈ কাপুৰুষৰ দৰে মৰাতকৈ সমুখ যুদ্ধত প্ৰাণ দিয়াই ভাল। অসম অসমীয়াৰ—এই নীতি প্ৰবৰ্তনত যিসকলে প্ৰতিবন্ধক জন্মাবৰ চেষ্টা কৰিব তেওঁবিলাকক পৰাস্ত কৰাই অসমৰ যুগধৰ্ম বুলি মানি লব লাগিব। সেই অৰ্থে ধৰ্মযুদ্ধ ঘোষণা কৰিব লাগিব। এই ধৰ্মযুদ্ধত 'তৰিলে দেশ, মৰিলে স্বৰ্গ।" নিশ্চয় দেশভক্ত ফুকনে এইখিনি কথা মনে-প্ৰাণে হৃদয়ঙ্গম কৰিলে অসমীয়া মানুহৰ স্বভাৱগত দুৰ্বলতা আঁতৰ কৰিবলৈ সঁকিয়াইছিল। দেশৰ প্ৰতি অকৃত্ৰিম ভালপোৱাৰে পৰিপূৰ্ণ আছিল তৰুণৰাম ফুকনৰ অন্তৰ। দেশৰ প্ৰতি

আৰু দেশৰ শিল্প-সংস্কৃতিৰ প্ৰতি তেওঁৰ যি গভীৰ আস্থা তাৰ মূলতে আছিল গভীৰ স্বদেশ-প্ৰীতি।

স্বদেশৰ সকলো বিষয়ৰ প্ৰতি তেওঁৰ আছিল গভীৰ অনুৰাগ। তাতকৈয়ো বেছি আছিল তেওঁৰ মানৱ-প্ৰীতি। সকলো মানুহৰ কল্যাণ কামনা কৰা তেওঁৰ আছিল ধৰ্ম। বিপদত পৰি অনেকে ফুকনৰ ওচৰলৈ ঢাপলি মেলিছিল। মেল-মোকৰ্দমাত জড়িত হৈ অনেক দুৰ্দশাগ্ৰস্ত মানুহ ফুকনৰ সাহায্য বিচাৰি তেওঁৰ কাষ চাপিছিল। সকলোৰে নিশ্চিত আছিল যে ফুকনে কৰোঁ বুলিলে সকলো কৰিব পাৰে। আইনৰ ক্ষেত্ৰত তেওঁৰ মতামতৰ যথেষ্ট মূল্য আছিল। প্ৰখ্যাত উকিলসকলৰ মাজত তেওঁ আছিল সকলোতকৈ প্ৰসিদ্ধ। অকল সেয়ে নহয়, তেওঁ আছিল ৰজাঘৰ-প্ৰজাঘৰ সকলোৰে বিশ্বাসভাজন আৰু সন্মানৰ পাত্ৰ। ফুকন আছিল খোলা প্ৰকৃতিৰ ব্যক্তি। নিপীড়িত মানুহৰ পক্ষে ওকালতি কৰা বাবে তেওঁ সদায় প্ৰস্তুত আছিল। তেওঁ বিশ্বাস কৰিছিল নিৰ্য্যাতিত আৰু দুৰ্বলক সহায় কৰা আইনৰ ধৰ্ম আৰু তাকে কৰিবৰ বাবে তেওঁ যথাসাধ্যে চেষ্টা কৰিছিল।

উদাৰ হৃদয়ৰ পুৰুষসিংহ ফুকন; যোগ্যতাৰ অভিজ্ঞতাই, উদ্যমে, অধ্যৱসায়ে সকলোতে তেওঁ আছিল পৰিচিত আৰু শ্ৰদ্ধাভাজন। সমাজৰ উন্নতিৰ প্ৰতি উৎসাহ, ৰাজনীতিত সততা, আইন-ব্যৱসায়ত সুবিচাৰৰ প্ৰতি বলিষ্ঠ আগ্ৰহ, জ্ঞানৰাজিৰ সুব্যৱহাৰ—এইবোৰত ফুকনৰ যোগ্যতা বৰ্ঢ়িয়াকৈ ফুটি ওলাইছিল। মানুহ আৰু সমস্যা উভয়তে হৃদয়ঙ্গম কৰাৰ স্বাভাৱিক ক্ষমতাও তেওঁৰ আছিল প্ৰচুৰ। মহৎ হৃদয়, তীক্ষ্ণ মনন, সৎসাহস আৰু অধ্যৱসায় আছিল ফুকনৰ ব্যক্তিত্বৰ আন এটা দিশ। স্ত্ৰী-স্বাধীনতা, শ্ৰমোন্নতি আৰু সমাজ সংস্কাৰৰ লগে লগে দেশৰ আৰ্থিক উন্নতিৰ প্ৰচেষ্টাত তেওঁৰ মাধ্যমতে কাম কৰিছিল আৰু কৰ্মীবৃন্দক উদ্গনি দিছিল। তেওঁৰ চিন্তাগধুৰ প্ৰবন্ধসমূহে তেওঁক এজন সুলেখক হিচাপে প্ৰতিষ্ঠা কৰি খ্যাতি বৃদ্ধি কৰিছিল। মানুহে জানিছিল, ফুকনৰ ৰচনাত সাৰগৰ্ভ কথা থাকিবই। যিজনে সাৰগৰ্ভ বক্তৃতাৰে দহজনৰ মনৰ কথা কব পাৰে সেইজনৰ লেখনীত সাৰগৰ্ভ কথা নিশ্চয় থাকিব।

দেশভক্ত ফুকনৰ দৰে এজন মহান নেতা অসমবাসীয়ে ভাগ্যৰ ফলতহে পাইছিল।

# বিদ্যা ঃ বপু ঃ বাক্য

## অধ্যক্ষ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা

কুৰিশতিকাৰ আগভাগত অসমৰ জাতীয় আন্দোলনৰ গুৰিয়ালসকলৰ মাজত দেশভক্ত তৰুণ ফুকন আৰু কৰ্মবীৰ নবীন বৰদলৈ অগ্ৰগণ্য। ফুকন-বৰদলৈৰ যুটীয়া নাম অসমৰ সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰে। চন্দ্ৰনাথ শৰ্মা, ৰোহিণী হাতীবৰুৱা, কনক পণ্ডিত, কৃষ্ণ শৰ্মা, কুলধৰ চলিহা—এই সকলৰ অৰিহণাও কোনো প্ৰকাৰে কম বুলিব নোৱাৰি।

এসময়ত বিলাতলৈ যাব খোজা উচ্চাকাঙ্ক্ষী ভাৰতীয় ডেকাৰ ভিতৰত কিছুমানৰ ডাঙৰ চাকৰি খোৱাৰ আকাঙ্ক্ষা, কিছুমানৰ বেৰিষ্টাৰ হোৱাৰ বাসনা। ৰবীন্দ্ৰনাথ বেৰিষ্টাৰি পঢ়িবলৈ গৈ পশ্চিমীয়া সাহিত্য-সঙ্গীতৰ প্ৰেৰণা লৈ উভতি আহিল। অৰবিন্দই উচ্চশিক্ষা লৈ ৰাজকৰ্মচাৰীৰ পদ ত্যাগ কৰি ভাৰতৰ স্বাধীনতাৰ কাৰণে জীৱন উছৰ্গিলে, শেষত দিব্য জীৱনৰ সন্ধানত সাধনা কৰিলে। আনন্দৰাম বৰুৱা, ৰমেশ দত্তই ভাৰতৰ প্ৰাচীন গৌৰৱ উদ্ধাৰৰ কামত মন দিলে, ৰজাঘৰীয়া কৰ্মচাৰী হৈয়ো। সুৰেন্দ্ৰনাথে বিদ্যা-বুদ্ধি আৰু বাক্‌শক্তি ভাৰতৰ স্বাধীনতা আন্দোলনত নিয়োগ কৰিলে। জগদীশ আৰু প্ৰফুল্লচন্দ্ৰই বিজ্ঞানৰ সাধনা কৰি ভাৰতৰ মান বঢ়ালে।

এসময়ত বিলাতৰপৰা ঘূৰি অহা একশ্ৰেণীৰ লোকৰ 'বিকৃত ভাৰতীয়' বুলি এটা অপযশ আছিল। এই শ্ৰেণীৰ লোকৰ কথা বঙালী সাহিত্যিক বেৰিষ্টাৰ প্ৰভাতকুমাৰ মুখোপাধ্যায়ে 'দেশী ও বিলাতী' বোলা গল্পৰ কিতাপত ধুনীয়াকৈ বৰ্ণনা কৰিছে।

বিলাতী জীৱনে বিকাৰ ঘটাব নোৱাৰা ভালেখিনি ভাৰত-সন্তানৰ কোনোৱে ভাৰত-বিদ্যাৰ গৱেষণাত জীৱন উছৰ্গিলে, কোনোৱে চিত্তৰঞ্জনৰ দৰে দেশৰ কাৰণে ত্যাগৰ চৰম আদৰ্শ দেখুৱালে। বিলাতৰ সংস্পৰ্শই তেওঁলোকৰ অন্তৰৰ স্বদেশপ্ৰেম তীব্ৰ কৰিলে।

তৰুণৰাম ফুকনো বেৰিষ্টাৰ হৈ ভাৰতলৈ উলটিল। আহি নিষ্ঠাৱন্ত অসমীয়া পৰিয়ালত যথাবিধি বিয়া কৰালে। বাহিৰে আদব-কায়দাত পক্কা চাহাব। ওকালতি কৰে, চিকাৰ কৰে ; সংস্কৃত, বঙলা, উৰ্দু, ফাৰ্চী আৰবী

পুথি পঢ়ে ; গান-বাজনা কৰে, Compleat Anglar অৰ দৰে বৰশীয়ো বায় ; আইন কলেজতো অলপ দিন অধ্যাপনা কৰে। অজস্ৰ উপাৰ্জন। চোতালৰ আগেদি মহাবাহু ব্ৰহ্মপুত্ৰ বৈ গৈছে। ঘৰৰপৰা পঞ্চতীৰ্থ দেখি থাকে। মহাত্মা গান্ধী, কবি সৰোজিনী নাইডুকে ধৰি বহুত বিশিষ্ট ব্যক্তি তেওঁৰ ঘৰত অতিথিৰ সমাদৰ পাই গৈছে।

ভাৰত আৰু অসম দুয়োৰে প্ৰতিনিধিত্ব কৰিব পৰা লোক আছিল তৰুণ ফুকন। সৰুতে আমি তেওঁৰ নাম শুনিছো। আমি যোৰহাট গৱৰ্ণমেণ্ট স্কুলৰ অষ্টমমান শ্ৰেণীত পঢ়া কালত বাৰিষাকালি মহাত্মা গান্ধী অসমলৈ আহোঁতে যোৰহাটত এৰাতি থাকে। সেই ঘৰত এতিয়া জগন্নাথ বৰুৱা মহাবিদ্যালয়। নগৰৰ মাজৰ খেল-পথাৰখনত মহাত্মাই ভাষণ দিছিল, মহম্মদ আলিয়েও দিছিল, চৌকত আলিও আছিল লগত। ওপৰে ভাদমহীয়া প্ৰচণ্ড ৰ'দ, তলে আঁঠুৱনীয়া বোকা। সাগৰসঙ্কাশ প্ৰজা। শ্ৰীবেণুধৰ শৰ্মা দেৱে ইয়াৰ সুন্দৰ বৰ্ণনা দিছে। নেতাসকলে বক্তৃতা দি গৈছে। ফুকনে বক্তাসকলৰ প্ৰতিটো বাক্য শেষ হোৱাৰ লগে লগেই মৰ্মস্পৰ্শী অসমীয়াত তাৰ ভাঙনি কৰি গৈ আছে, নিমিষ মাত্ৰও ৰবলগীয়া হোৱা নাই, ভাবিবলগীয়া হোৱা নাই। অসহযোগ আন্দোলনৰ মূলকথাবোৰ মানুহৰ অন্তৰ ভেদ কৰি গৈছিল। মহাত্মা গান্ধীৰ হিন্দ্ স্বৰাজৰ প্ৰথম অসমীয়া তৰ্জমা কৰা শেৱালি-কবি ৰত্নকান্ত বৰকাকতীদেৱে চতুৰ্দশপদী ছনেট এটিত ফুকনৰ বাগ্মিতাৰ কথা এনেকৈ বৰ্ণাইছে :

মূৰ্তিমতী স্বাধীনতা, মুক্ত বাক্‌দেৱী
শাসনসংযত কণ্ঠ তব অধিষ্ঠান
কৰি বহু দিন ই দেশৰ মূৰ্চ্ছাপ্ৰায়
আছিল নীৰৱে পৰি............
দীপ্তি আজি আমাৰ লুপ্ত গৌৰৱৰ
ফুকন উপাধি ধৰি বীৰ অসমৰ। ( চেতনা )

মই তেতিয়া নতুনকৈ ওলাই অহা গ্ৰেজুৱেটৰ গজালি। উপাধিলাভৰ ফলত উদ্ভৱ হোৱা সমস্যা, পুলক লাহে লাহে চিন্তাত পৰিণত হৈছে। এনেতে তেজপুৰত থকা আত্মীয় এজনে মাতি পঠিয়ালে। দুৰ্গা দুৰ্গা স্মৰণ কৰি এদিন আবেলি পৰত উজানবজাৰ জাহাজঘাটত তেজপুৰলৈ যোৱা জাহাজত উঠিলোঁ। ছত্ৰাকাৰৰ সাহিত্যিক শিক্ষক সৰ্বেশ্বৰ কটকীদেৱক লগ পালোঁ।

তেওঁ। আমাৰ লগতে যাব। সীতাৰাম শৰ্মা সস্ত্ৰীক, খাৰুপতীয়াত নামি মঙলদৈলৈ যাব। ফুকন ডাঙৰীয়াই সস্ত্ৰীক শৰ্মাক হাঁহি মাৰি নৱদম্পতী বুলি কৈ কেবিনত সোমাল। আৰু দুই-চাৰি চিনাকি ওলাল। তেওঁলোকো আমাৰ দৰে বাহিৰত বহি যোৱা সহযাত্ৰী।

জাহাজৰ জেওৰাৰ কাষত থকা বেঞ্চ এখনত বহি কটকীদেৱৰ লগত কথা পাতিছোঁ—সাহিত্য, প্ৰত্নতত্ত্ব, ছাত্ৰসমাজ, ৰাজনীতি, চাকৰি আদি আগগুৰি নোহোৱা কথা। মাজে মাজে বৰনৈৰ ইপাৰ-সিপাৰলৈ চকু গৈছে। শৰৎ কালৰ ব্ৰহ্মপুত্ৰৰ পানী অলপ অলপকৈ শুকাই নামি আহিছে।

"লুইতৰ কানে কানে কঁহুৱাৰ ফুল
তুষাৰ ধৱল কান্তি ধৰিছে বিপুল,
যেন সুৰতৰঙ্গিণী পুলকে আকুল।"

ভালেখিনি পৰৰ মূৰত ফুকন ডাঙৰীয়া এবাৰ কেবিনৰপৰা ওলাই আহিল। কটকীদেৱক দেখা পাই মাত লগালে—"তুমিও তেজপুৰলৈকে যাবা নেকি?" মোৰো পৰিচয় সোধাত কটকীদেৱে মোৰ এটি চমু সপ্ৰশংসক পৰিচয় দিলে। ফুকনে হাঁহি এটি মাৰি কলে—"আমিও মানৰ দিনত ভাগি অহা যোৰহাটৰ ফালৰে মানুহ, টীয়কীয়া অধ্যাপকৰ ঘৰৰ। অৱশ্যে বৰ কনজাৰ্ভেটিভ্ হৈ থাকিব পৰা নাই।"

তেতিয়া গধূলি হৈ আহিছে। আমাক দুয়োকে ফুকনৰ কেবিনলৈকে মাতি নিলে। ফুকনৰ তেজপুৰত কাম আছে। জোঁৱায়েক লক্ষ্মীধৰ শৰ্মালৈ তেওঁ যোৱা খবৰ দিছে।

কটকীদেৱৰপৰা মোৰ সাহিত্যত ৰাপ্ থকা ছাত্ৰ বুলি গম পাই তেওঁ ইংৰাজী, বঙলা, সংস্কৃত সাহিত্যৰ বিষয়ে নানা কথা উলিয়ালে। বায়ৰণে ইংৰাজীলৈ তৰ্জমা কৰা দুটা লেটিন কবিতা তেওঁ অসমীয়ালৈ অনুবাদ কৰিছিল আৰু কোনোবা অসমীয়া মাহেকীয়া কাকতত ওলাইছিল। কথা পাতি থাকোঁতেই তেওঁ সংস্কৃত, বঙলা, ইংৰাজী কবিতা ভালেখিনি মুখস্থ মাতি গৈছে। মোৰ কিমান মুখস্থ তাৰো পৰীক্ষা ললে যেন লাগিল। ময়ো ভালেখিনি মুখস্থ গালোঁ। মোৰ পেটে পেটে ভয় লাগি আহিছিল, জানোচা ধৰা পৰোঁ। তেওঁ ৰবীন্দ্ৰনাথৰ দুটামান দীঘল কবিতা মুখস্থ মাতিলে। মই সিমান দীঘল কবিতা মনত ৰাখিব পৰা নাই। তেওঁ উৰ্দু, ফাৰ্ছী কবিতাও গাবলৈ ধৰিলে। সেইবিলাক নাজানো বুলি মই আগতেই কোৱা আছিল। ৰাজনৈতিক আৰু

ওকালতিৰ কামত লিপ্ত থকা লোকে এনেদৰে বেলেগ ভাষাৰ ইমানবোৰ কবিতা মুখস্থ গাই যাব পৰা দেখি মই আচৰিত হলোঁ।

কবিতাৰ মাজে মাজে কটকী আৰু মোক তেওঁ লগত লৈ অহা জলপানৰ ভাগ দিছিল। ৰাতি প্ৰায় দহমান বজাত বিশ্ৰাম লবলৈ ইচ্ছা কৰিলে। আমাক বিদায় দিলে।

ফুকনৰ সেই ব্ৰহ্মপুত্ৰৰ গৰ্ভত জাহাজৰ কোঠাত পোৱা পৰিচয় পাহৰিব পৰা নাই।

বিদ্যয়া বপুষা বাচা বস্ত্ৰেণ বিভাৱন চ—

ফুকনৰ এই আটাইকেইখিনি গুণ আছিল। সাহিত্য-সভাৰ সভাপতিৰ অভিভাষণখনি সৰু হলেও অতি মনোগ্ৰাহী। চিকাৰী জীৱনৰ বিষয়ে লিখা প্ৰবন্ধখিনিও অসমীয়া সাহিত্যৰ মনোৰম সম্পদ।

ফুকন ওখ নাছিল। নেপলিয়ানৰ চেহেৰাৰ। অসংখ্য লোকৰ মাজত তেওঁ জিলিকি থাকে, ব্যক্তিত্বৰ আগত মানুহ সেও হয়। অসমীয়া ৰাইজে ফুকনৰ সাহসেৰে জাতীয় কংগ্ৰেছৰ অধিবেশন পাতিলে, লগতে ফুকনক আৰ্থিকভাৱে জুৰুলা কৰিলে যদিও তেওঁৰ মনটো জুৰুলা হোৱা নাছিল। ফুকন আছিল সদায় আনন্দময়। এয়ে আছিল দেশভক্ত ফুকন।

# বক্তা ঃ ব্যক্তিত্ব ঃ সাহিত্য

## অধ্যক্ষ শ্রীত্ৰৈলোক্যনাথ গোস্বামী

দেশভক্ত তৰুণৰাম ফুকন আৰু কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ—এই দুগৰাকী পুৰুষ অসমৰ জনসাধাৰণৰ মাজত কিমান জনপ্ৰিয় আৰু কেনে শ্ৰদ্ধাৰ পাত্ৰ আছিল তাক আমাৰ বয়সৰ মানুহে ভালকৈ জানে। নবীনসকলে ফুকন-বৰদলৈৰ কৰ্মশক্তি আৰু ব্যক্তিত্বৰ বাস্তব পৰিচয় পোৱাৰ সুযোগ পোৱা নাই—বয়সৰ অলঙ্ঘ্য প্ৰাচীৰে এই সিংহপুৰুষ দুগৰাকীক নবীনসকলৰ চকুৰ অন্তৰত ৰাখিছে।

ফুকন আৰু বৰদলৈ দুয়ো সুশ্ৰী পুৰুষ। বৰদলৈ বেছ ওখপাখ কিন্তু ফুকনৰ তুলনাত গা পাতল। ফুকন শকতআৱত হলেও তেওঁৰ গাৰ বান্ধ আঁটিল আৰু চলন-ফুৰণত গহীন গম্ভীৰ। সভাত বক্তৃতা দিলে বৰদলৈ ভাবাবিষ্ট হৈ পৰে আৰু নিজৰ অন্তৰৰ ভাবানুভূতি শ্ৰোতাৰ অন্তৰত সঞ্চাৰিত কৰিবলৈ সক্ষম হয়। ফুকনে হলে পৰিবেশৰ প্ৰতি সজাগ হৈ লাহে-ধীৰে বিষয়বস্তুৰ মাজলৈ সোমায় আৰু আৱশ্যক অনুসৰি হাস্যৰস আৰু কৌতুকৰ সহায়ত শ্ৰোতাৰ মনত চিন্তাৰ সমল যোগায়। বৰদলৈৰ বক্তৃতাৰ বৈশিষ্ট্য উৎসাহ উদ্দীপনাৰ সবলতা। নিষ্ক্ৰিয়, অবসাদগ্ৰস্ত আৰু হতাশাচ্ছন্ন জনগণৰ মনত প্ৰেৰণাৰ সঞ্চাৰ কৰিব লাগিলে উদ্দীপনাময় বক্তৃতাৰে হয়তো প্ৰয়োজন বেছি। ফুকনে হলে স্বাভাৱিক গাম্ভীৰ্য্যৰ ভেটিত থিয় হৈ আকৰ্ষণীয় ভাষাত কৈ যায় আৰু যুক্তি আৰু বাকপটুতাৰ আলমত শ্ৰোতাৰ মনোৰাজ্যত প্ৰবেশ কৰে। সেই কালত অৰ্থাৎ অসহযোগ আন্দোলনৰ সময়ত (১৯২১-২৬ চনত) ফুকন-বৰদলৈৰ নাম অসমৰ মানুহৰ মুখে মুখে, যেন এজনক এৰি আন জনৰ কথা কলে প্ৰকৃত সত্যৰ অপলাপহে হয়।

মোৰ মনত আছে—বিদেশী-বৰ্জন, খদ্দৰ-প্ৰচলন আদি আদৰ্শ প্ৰচাৰৰ অৰ্থে নলবাৰীৰ গোপাল বজাৰত এখন ডাঙৰ ৰাজহুৱা সভা পতা হৈছিল আৰু তালৈকে ফুকন আৰু বৰদলৈ দুয়ো গৰাকী নেতা অহাৰ কথা আছিল। কিন্তু সভাত উপস্থিত হৈ দেখিবলৈ পালোঁ, ফুকন আহিব পৰা নাই ; আহিছে

কর্মপ্ৰাণ চন্দ্ৰনাথ শৰ্মা আৰু কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ। ফুকন উপস্থিত হব নোৱাৰাত ভালেমান লোকেই অসন্তুষ্ট হোৱা যেন দেখা গৈছিল। কেইমাহমান পিছতেই হলে ফুকন নলবাৰীলৈ আহি নলবাৰী ডাক্তৰখানাৰ ওচৰত তেতিয়া মুকলি হৈ থকা বহল ঠাইখিনিত আয়োজন কৰা বিৰাট জন-সমাবেশত বক্তৃতা দিছিল। ফুকনৰ কথা কোৱা ভঙ্গীত আছিল আকৰ্ষণৰ চুম্বক। লাহে ধীৰে কথাবোৰ কৈ গলেও সুন্দৰ শব্দ-গাঁথনি আৰু লয়যুক্ত কথনভঙ্গীয়ে শ্ৰোতাক অভিভূত কৰি ৰাখে। সেই সময়ত অসহযোগ আন্দোলনৰ বিৰোধিতা কৰা মানুহ যে সভাৰ মাজত নাছিল এনে নহয়, কিন্তু ফুকন বা বৰদলৈ সভাত উপস্থিত থাকিলে কেৰে সেই দুই সিংহক জোকাই লবলৈ সাহ নকৰিছিল। সেই কালত নেতাসকলৰ নৈতিক সাহসে প্ৰতিপক্ষক সহজে পৰাজয় কৰিব পাৰিছিল।

ফুকনৰ বাক্‌পটুতাৰ খ্যাতি কেৱল অসমতে আবদ্ধ হৈ থকা নাছিল। ভাৰতৰ আন প্ৰান্ততো তেওঁৰ প্ৰগল্‌ভতা সমাদৃত হৈছিল। মোৰ এগৰাকী বন্ধুৰ মুখত ফুকন সম্বন্ধে এটা কথা শুনিছিলোঁ। ফুকনে হেনো কলিকতাৰ শিখ-সমাজত এবাৰ বক্তৃতা দিছিল উৰ্দুত। কলিকতাপ্ৰবাসী অসমীয়া ছাত্ৰ কেইজনমানো এই সভাত উপস্থিত আছিল। ফুকনৰ বক্তৃতাত মুগ্ধ হৈ কোনো কোনো অনিসন্ধিৎসু ব্যক্তিয়ে সুধিছিল, তেওঁ কোন প্ৰদেশৰ মানুহ। অসমীয়া ছাত্ৰ-সকলে ফুকন অসমৰ বুলি কোৱাত এইবোৰ মানুহ আচৰিত হৈছিল কাৰণ এনে সুশ্ৰী আৰু প্ৰতিভাশালী লোকো যে অসমত থাকিব পাৰে—এই কথা তেওঁলোকৰ সপোনৰো অগোচৰ। সেই কালত আনকি আজিও অসম সম্বন্ধে থকা কিছুমান ভাৰতীয় মানুহৰ অজ্ঞতা হাস্যাস্পদ। ফুকনে ইংৰাজী, অসমীয়া, হিন্দী আৰু বঙলা ভাষাত সমান পাৰদৰ্শিতাৰে অনৰ্গল বক্তৃতা দিব পাৰিছিল। তেওঁ বক্তৃতা দিয়া ভঙ্গীৰ ওপৰত মই হয়তো বেছি গুৰুত্ব দিছোঁ, কিন্তু গুৰুত্ব দিছোঁ এই বুলিয়েই যে বৃটিছ-সিংহৰ বিপক্ষে সুপ্ত জনগণক জগাই তোলাৰ প্ৰধান অস্ত্ৰ বক্তাৰ প্ৰগল্‌ভতা। ইয়াৰ লগতে অৱশ্যে দৰদ, সহানুভূতি, সহিষ্ণুতা প্ৰভৃতি গুণৰো আৱশ্যক। ফুকনৰ গাত এইবোৰ গুণৰো সমাবেশ হৈছিল।

এটা সম্ভ্ৰান্ত আৰু ইতিহাসপ্ৰসিদ্ধ পৰিয়ালত জন্মগ্ৰহণ কৰি, বিলাতৰ পৰা বেৰিষ্টাৰ হৈ অহা সত্বেও ফুকনৰ আভিজাত্যাভিমান নাছিল। এইটো কথা ঠিক যে বহুতো মানুহে ফুকনৰ কাষ চাপিবলৈ সাহ নকৰিছিল। কিন্তু যিসকলে তেওঁৰ ওচৰ চাপিছিল সেইসকলে তেওঁৰ ব্যৱহাৰত মুগ্ধ নোহোৱাকৈ থকা নাছিল। যিসকল কংগ্ৰেছৰ স্বেচ্ছাসেৱকে ফুকনৰ সান্নিধ্য

লাভ কৰিছিল সেইসকলৰ মুখত তেওঁৰ ভূয়সী প্ৰশংসা শুনিবলৈ পোৱা গৈছিল। বাঁৰকলাৰ শ্ৰীৰজনীকান্ত চৌধুৰীয়ে ভালেমান বছৰ ফুকনৰ গাতে ছাটোৰ দৰে লাগি আছিল আৰু নানান আপদ-বিপদৰ মাজত ককবকনি খোৱা ফুকনৰ ধৈৰ্য্য আৰু সহিষ্ণুতাৰ সাক্ষাৎ পৰিচয় লাভ কৰাৰ সুযোগ পাইছিল। ফুকনে জীৱনত মনোৰমা পত্নীবিয়োগৰ উপৰিও জী-জোঁৱাইৰ অকাল মৃত্যুৰ দাৰুণ মনস্তাপ সহ্য কৰিবলগীয়া হৈছিল আৰু জনপ্ৰিয় নেতা হোৱা সত্বেও ৰাজনীতিৰ ক্ষেত্ৰত কেতিয়াবা পৰাজয়ৰ অভিশাপ মূৰ পাতি লৈছিল। শ্ৰীৰজনী চৌধুৰী, শ্ৰীপয়োধৰ বৰুৱা প্ৰভৃতিয়ে কোৱামতে তেওঁ এইবোৰ বিপদত অভিভূত আনকি বিচলিত হোৱা যেনো দেখা নগৈছিল। ৰামকিষণ ভালেমান দিন ফুকনৰ বেহেৰা আছিল। ফুকনৰ কথা সুধিলে ৰামকিষণে কৈছিল—"এনে লোক নহব, নুপজিব।" ফুকনৰ কথাবাৰ্ত্তা আৰু আচৰণত কোনো মানুহ মুগ্ধ নোহোৱাকৈ থকা নাছিল।

অসমত বিদেশী শাসনৰ বিপক্ষে আৰম্ভ কৰা সংগ্ৰামৰ অৰ্থাৎ অসহযোগ আন্দোলনৰ গুৰি ধৰোঁতা লোক দুজন আছিল কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু দেশভক্ত তৰুণৰাম ফুকন। তেজপুৰৰ চন্দ্ৰনাথ শৰ্মাও আছিল এজন আগশাৰীৰ নিষ্ঠাবান কৰ্মী কিন্তু তেওঁৰ অকাল বিয়োগত অসমে এজন সাহসী আৰু কৰ্মঠ নেতা হেৰুৱাইছিল। ফুকন-বৰদলৈৰ তথা গান্ধীজীৰ আদৰ্শ চকুৰ আগত ৰাখি আন ভালেমান কৰ্মীয়ে দেশৰ মুক্তি-আন্দোলনত জঁপিয়াই পৰিছিল আৰু মহাত্মা গান্ধীৰ বাণী গাঁৱে ভুঞে প্ৰচলিত হোৱাত সহায় কৰিছিল। ১৯২১ চনত মহাত্মা গান্ধী পোনপ্ৰথম বাৰৰ বাবে অসমলৈ আহি দেশভক্ত ফুকনৰ কৰ্মকুশলতা আৰু বাক্পটুতাত মুগ্ধ হৈছিল। ফুকন আৰু বৰদলৈৰ ওপৰত গান্ধীজীৰ বিশ্বাস আছিল অগাধ। প্ৰধানকৈ এই দুগৰাকী ব্যক্তিৰ ওপৰতে অসমৰ সকলো সংগঠনৰ ভাৰ দি গান্ধীজীয়ে নতুন নতুন পৰিকল্পনাত মনোনিবেশ কৰিছিল।

১৯২৬ চনত অসমত কংগ্ৰেছ মহাসভাৰ অধিবেশন বহুৱাৰ স্থিৰ কৰা হয়। কিন্তু অসমৰ দৰে এখন দুখীয়া দেশত এই জাতীয় অনুষ্ঠানৰ অধিবেশন পতাৰ অৰ্থে সকলো কাম কাজ সুশৃঙ্খলভাৱে কৰি তোলাৰ কল্পনা অত্যুৎসাহী জনৰ বাস্তৱতাৰ স্পৰ্শৰহিত সদিচ্ছা মাথোন। অধিবেশন বহুৱাবলৈ অৰ্থৰ অভাৱ অসমত আছিল। জনসাধাৰণৰ আস্থাভাজন নেতাৰ সংখ্যাও আছিল কম। গতিকে ফুকনেই অভ্যৰ্থনা সমিতিৰ সভাপতিৰ গুৰু দায়িত্ব লব লগা হৈছিল।

যি দুগৰাকী ব্যক্তিক কেন্দ্ৰ কৰিয়েই অসমত স্বাধীনতা-সংগ্ৰামৰ আদৰ্শ বিয়পি পৰিছিল সেই দুগৰাকী ব্যক্তিৰ ওপৰতে যে মহাসভাৰ অধিবেশন পতাৰ গধুৰ দায়িত্ব পৰিব—এই কথা স্বভাৱসিদ্ধ। কিন্তু সেই সময়ত অসম ৰাজ্যখন অৰ্থনৈতিক দিশত তেনেই পাছপৰা হৈ থকাত মহাসভাৰ অধিবেশন অনুষ্ঠিত কৰিবৰ কাৰণে যিমানখিনি পুঁজি সংগৃহীত হব লাগিছিল সিমান সংগৃহীত হোৱা বুলি শুনা নাছিলোঁ। তথাপিতো অধিবেশনৰ দিন ওচৰ চাপি অহাৰ লগে লগে পাণ্ডুৰ ওচৰৰ মালিগাঁৱৰ পথাৰত অসম্ভব ব্যস্ততাৰ চিন দেখিবলৈ পোৱা গৈছিল। কামাখ্যাৰ নামনিৰ মুকলি পথাৰত ডাঙৰ সভাখন সজা কাম আৰম্ভ হৈছিল আৰু প্ৰতিনিধি আৰু স্বেচ্ছাসেৱকৰ বাবে দীঘল দীঘল ঘৰ সজা হৈছিল। অধিবেশনৰ পোন্ধৰদিন মানৰ আগতে সভামণ্ডপৰ সমুখতে এটা অস্থায়ী ৰেলষ্টেছনো খোলা হৈছিল। মহাসভাৰ মূল অধিবেশনত সভাপতিত্ব কৰিছিল শ্ৰীনিবাস আয়েঙ্গাৰে। অভ্যৰ্থনা সভাৰ সভাপতি হিচাপে ফুকনে যি অভিভাষণ পাঠ কৰিছিল তাত আছিল ভাৰতৰ এটি প্ৰান্তত পৰি থকা অসম ৰাজ্যখনৰ চমু পৰিচয় আৰু তাৰ অধিবাসীসকলৰ অন্তৰত থকা সুষুপ্ত ৰাজনৈতিক চেতনাৰ আভাস। ৰাজ্যখনৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ কথাও ফুকনে অভিভাষণত বিবৰি কৈছিল। কংগ্ৰেছৰ অধিবেশন চলি থকা কালত ফুকনৰ অভিভাষণখনৰ প্ৰশংসা ভালেমান লোকৰে মুখত শুনাৰ সুযোগ ঘটিছিল কিয়নো কটন কলেজৰ পৰা যোৱা স্বেচ্ছাসেৱকসকলৰ এটা দলক সেইদিনা পেণ্ডেলৰ ভিতৰতে ৰখা হৈছিল।

মহাসভাৰ অধিবেশন অনুষ্ঠিত হোৱাৰ আগদিনাখন আততায়ীৰ হাতত স্বামী শ্ৰদ্ধানন্দজীৰ মৃত্যু-বাতৰিয়ে প্ৰফুল্ল পৰিবেশত শোকৰ ছাঁ পেলাইছিল। আগদিনাখন সন্ধিয়া সভামণ্ডপৰ ভিতৰতে এখন শোক সভা পতা হৈছিল আৰু এই সভাত বিশিষ্ট নেতাসকলে স্বামীজীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিছিল। অধিবেশনৰ দ্বিতীয় দিনা বতৰ গোমা আছিল। কিন্তু বৰষুণ দিয়া নাছিল। ৰাতি প্ৰায় আঠ-ন মান বজাত কিনকিনীয়া বৰষুণ পৰিব ধৰিছিল। পুহমহীয়া জাৰত হেচিয়ান কাপোৰৰে ঢকা স্বেচ্ছাসেৱকসকলৰ এটা বুজন অংশই গুৱাহাটীলৈ আহিবলৈ বাধ্য হৈছিল। অধিবেশনৰ শেষত বস্তু-বাহানি সামৰিসুতৰি উঁৱালত জমা দিয়া কামত পুহমহীয়া বৰষুণে আহুকালৰ সৃষ্টি কৰিছিল আৰু ফলত এদল স্বাৰ্থান্বেষী লোকে নিজৰ স্বাৰ্থ-পূৰণৰ অৰ্থে তৎপৰ হৈ পৰিছিল। মহাসভা শেষ হৈ যোৱাৰ পিছতো এইবোৰ কথা মানুহে

কোৱাকুই কৰা শুনিছিলো। এনেয়ে মহাসভাৰ অধিবেশনৰ কাৰণে আৱশ্যকীয় পুঁজি সংগৃহীত হোৱা নাছিল, তাতে আকৌ শেহত খেলিমেলিৰ সৃষ্টি হোৱাত ফুকন-বৰদলৈয়ে গধূৰ ঋণৰ বোজা বৰ লগাত পৰিছিল।

যিটো আৰ্থিক আৰু অন্যান্য অসুবিধাকো নেওচি দেশভক্ত ফুকনৰ দৰে ৰাজসুখত ডাঙৰ দীঘল হোৱা এগৰাকী মানুহে দেশবাসীক জগাই তোলাৰ অৰ্থে দৃঢ়সংকল্প হৈছিল, তালৈ চালে এই গৰাকী পুৰুষ কেনে কষ্টসহিষ্ণু, ত্যাগী আৰু প্ৰতিকূল পৰিবেশৰ লগত খাপ খাই পৰিব পৰা বিধৰ মানুহ আছিল তাক সহজে অনুমান কৰিব পাৰি। যিখন সমাজত তৰুণৰাম ফুকন থাকে, সেইখন সমাজত হতাশা আৰু নিৰানন্দৰ প্ৰবেশ সচৰাচৰ নঘটে কিয়নো ফুকন যেনে মিষ্টভাষী তেনেকৈ হাস্যৰসিক আৰু কৌতুকপ্ৰিয়ও আছিল। ফুকন যে অকল সদালাপী আৰু প্ৰগল্‌ভ ব্যক্তিয়েই আছিল এনে নহয়, যেতিয়া তেওঁ কাপ হাতত লৈছিল তেতিয়া লেখনীতো তেওঁ সমানে পাৰদৰ্শিতাৰ পৰিচয় দিয়া দেখা গৈছিল। ৰাজনৈতিক আন্দোলনৰ গুৰি ধৰাৰ ফলত তেওঁ কাৰাবৰণ কৰিবলগীয়া হৈছিল। সক্ৰিয় ৰাজনীতিত নমাৰ আগতো ভালেমান দিনলৈ তেওঁ গুৱাহাটী লোকেলব'ৰ্ডৰ চেয়াৰমেন আছিল। অন্যান্য কামো তেওঁৰ আছিল বহুত। সেই কাৰণে তেওঁৰ অবসৰ সময় তাকৰ আছিল। তথাপি নানান ব্যস্ততাৰ মাজতো তেওঁ লিখিবলৈ এৰা নাছিল। হাতী-চিকাৰৰ ওপৰত লিখা কেইবাটাও বৰ্ণনাত্মক কাহিনী 'আৱাহন'ৰ পাতত প্ৰকাশিত হৈছিল। এইবোৰ ৰচনাৰ মাজত আছে ভাবৰ সাবলীলতা আৰু ভাষাৰ প্ৰাঞ্জলতা। কাহিনীবোৰ পঢ়োতে ক'তো উজুটি খাব নালাগে। প্ৰয়োজন অনুসৰি উৎকণ্ঠা সৃষ্টি কৰিবলৈকো তেওঁ নাপাহৰে। কিন্তু অকল হাতী-চিকাৰৰ বৰ্ণনাৰ ক্ষেত্ৰতে নহয় আন দুই চাৰি চিন্তাশীল প্ৰবন্ধৰ মাজতো ফুকনৰ পাৰদৰ্শিতাৰ স্বাক্ষৰ আছে। ১৮৫৯ শকৰ আহাৰ মাহত ওলোৱা 'আৱাহন'ত "তিৰোতাৰ বৰ্তমান দুৰৱস্থা"ৰ ওপৰত তেওঁ এটা চুটি প্ৰবন্ধ লিখিছিল। প্ৰবন্ধটোত ফুকনৰ বিশ্লেষণী-প্ৰতিভা ফুটি উঠা নাই যদিও তিৰোতাৰ পৰাধীন অৱস্থাৰ প্ৰতি থকা তেওঁৰ সহানুভূতি আৰু পুৰুষৰ ওপৰত থকা ক্ৰোধ স্পষ্ট হৈ উঠিছে। তেওঁ লিখিছে—"পুৰুষৰ অন্যায় বিধানত, অবাধ অত্যাচাৰত, অপ্ৰতিহত স্বেচ্ছাচাৰিতাত তিৰোতাৰ বল, মেধা, প্ৰতিভা, দীপ্তি, কান্তি ক্ৰমে লোপ পায় আৰু আগ্ৰহশূন্য নিৰাশ জীৱন নিমাতে চকুলো টুকি নিয়াবলৈ বাধ্য হয়। সহায় নাই, সহানুভূতি

নাই, কিন্তু ইচ্ছাই, অনিচ্ছাই মাতৃত্বৰ সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰিবই লাগিব। এনে অৱস্থাত তিৰোতাৰ জীৱন হয় নিৰাশাতে জয় পৰি যায়, নহয় অশান্ত মনে বিদ্ৰোহী হৈ উচ্ছৃঙ্খল গতি ধৰে—বহুমূলীয়া স্ত্ৰী-জীৱন ব্যৰ্থ হৈ যায়।"

বক্তৃতাৰ সময়ত দেশভক্ত ফুকন যেনে প্ৰগল্‌ভ, লিখাৰ ক্ষেত্ৰতো তেওঁ তেনে প্ৰাঞ্জল আৰু বাহুল্যবৰ্জিত। তেওঁৰ ভাষাৰ গতি বৈ যোৱা, ভাবৰ পাৰস্পৰিক সংলগ্নতা দৃঢ়। কাৰাবাসত লিখা "স্তুতিমালা" নামৰ এখন পুথিও কলেজৰ ছাত্ৰ থকা অৱস্থাতে মোৰ পঢ়া মনত পৰে। এই ক্ষেত্ৰত মোৰ স্মৃতিয়ে যদি কিবা ভুল কৰিছে তেন্তে সহৃদয় পাঠকে তাক মাৰ্জনা কৰিব বুলি আশা কৰিলোঁ। ফুকনৰ আন এখন ছপা পুথি "যৌনতত্ত্ব"। পুথিখনত যৌন জীৱনৰ কথা থকাৰ কাৰণে কিছুমান মানুহে ফুকনৰ দৰে এগৰাকী ব্যক্তিয়ে এনে এখন পুথি লিখাত আচৰিত হৈছিল। সমাজৰ প্ৰয়োজনবোধ পুৰঠ হোৱাৰ আগতে বোধহয় এই পুথিখন প্ৰকাশিত হৈছিল। ফুকনে ৰচনা কৰা কিমান প্ৰবন্ধ বা পুথি অপ্ৰকাশিত অৱস্থাতে আছে অসমীয়া ৰাইজে তাক আজিও জানিব পৰা নাই। দেশভক্ত ফুকনৰ জন্ম-শতবাৰ্ষিকী পালনৰ সময়ত তেওঁৰ অপ্ৰকাশিত ৰচনাৱলী প্ৰকাশিত হব। তেতিয়াহে এই গৰাকী প্ৰতিভাশালী ব্যক্তিৰ চিন্তাধাৰাৰ লগত পৰিচিত হোৱাৰ সুযোগ ৰাইজে পাব।

দেশভক্ত তৰুণৰাম ফুকনৰ সদৃশ ব্যক্তিত্ব সহজতে পোৱা নাযায়। যি ত্যাগ আৰু কৰ্মনিষ্ঠাৰ আদৰ্শ চকুৰ আগত ৰাখি বৰদলৈ আৰু ফুকনে নানান দুখকষ্টকো আওকাণ কৰি দেশসেৱাত ব্ৰতী হৈছিল সেই আদৰ্শ তেওঁলোকৰ জীৱনত আবদ্ধ হৈযেই ৰ'ল। স্বাধীনতা লাভৰ আশাৰ ৰেঙনি উজ্জ্বল হোৱাৰ আগতে দুয়ো গৰাকী ব্যক্তিয়েই অগাপিছাকৈ ইহলীলা সম্বৰণ কৰিলে। সেই কাৰণে তেওঁলোকৰ ত্যাগ আৰু কৰ্মনিষ্ঠা আদৰ্শৰ বেদীত অৰ্পণ কৰা স্বাৰ্থ-গন্ধ-ৰহিত পুষ্পাঞ্জলিৰ সৌৰভ মাথোন। এই বাবে ফুকন বৰদলৈ যেতিয়া অসমৰ বুকু শুদা কৰি গুচি যায় তেতিয়া অসমৰ ৰাজনৈতিক ভাবমণ্ডলত এটা ৰিক্ততাৰ সুৰ শুনা গৈছিল। আজিও যেন তাৰ প্ৰতিধ্বনি কোনো কোনো সময়ত কাণত পৰে। ফুকন-বৰদলৈৰ দিনৰ তুলনাত আজি দেশ আৰু সমাজ আগুৱাই গৈছে সন্দেহ নাই, কিন্তু এই দুগৰাকী সিংহপুৰুষৰ ব্যক্তিত্বৰ কথা সহজতে পাহৰা নাযায়।

# কবিতা ঃ গীত ঃ হাস্য

## শ্ৰীদুৰ্গেশ্বৰ শৰ্মা

দেশভক্ত তৰুণৰাম ফুকন আছিল এজনা কৰ্মযোগী সিংহপুৰুষ। আমাৰ জাতীয় জীৱনৰ লগত এই মহান লোকগৰাকীৰ সম্পৰ্ক পৰম শ্ৰদ্ধাৰে স্মৰণ কৰি অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে এঠাইত লিপিবদ্ধ কৰিছে: "সকলোবোৰ সদ্‌গুণকে সামৰি দেশবাসীয়ে ফুকনদেৱক দেশভক্ত উপাধিৰে বিভূষিত কৰিছিল। শিলচৰ-জেলত থাকোঁতে তেওঁ লিখা ৫৪টা কবিতাৰ পুথি 'স্তুতিমালা', নিজ ঘৰত আজৰি সময়ত লিখা যৌন-বিজ্ঞান সম্পৰ্কীয় ৰসাল পুথি 'যৌনতত্ত্ব', ভাটী বয়সত লিখা অতি উপাদেয় অথচ ৰোমাঞ্চকৰ নানা 'চিকাৰ-কাহিনী', অসহযোগ আন্দোলনৰ সময়ত ফাটেকঘৰৰ ভিতৰত কামৰূপৰ কথিত গাঁৱলীয়া ভাষাৰে হাঁহিত পেটৰ নাড়ী ডাল ডাল হোৱাকৈ লিখা 'নিংনি ভাৱৰীয়াৰ গীত'; কংগ্ৰেছ মহাসভাৰ আদৰণি ভাষণ আদি অসমীয়া সাহিত্য-ভঁৰালৈ দেশভক্তৰ বহুমূলীয়া অৰিহনা। 'স্তুতিমালা'ৰ বাহিৰত তেওঁৰ বেছি কবিতা নাই যদিও যি কেইটা আছে সেয়ে মূল্যৱান।"

১৯২৬ চনত ফুকনদেৱক 'স্তুতিমালা' নামৰ পদপুথি প্ৰকাশিত হয়। শিলচৰ-জেলত কাৰাবাসৰ এবছৰ কাল তেওঁ অথলে যাবলৈ নিদি কাৰাগাৰৰ ভিতৰতে ভালেমান স্তোত্ৰ, স্তুতি-গীত, বন্দনা-গীত আৰু বিভুৰ মহিমাসূচক স্তৱক ৰচনা কৰে। ইয়াৰে মনত লগা কেতবোৰ সন্নিবিষ্ট কৰি 'স্তুতিমালা' শীৰ্ষক পুথিখনি ছপাই এটি মহৎ কাম সাধন কৰে।

অসমীয়া বৈষ্ণৱ সাহিত্য-ভঁৰালতো এনে প্ৰাৰ্থনাৰ গ্ৰন্থ আছে যদিও শৈৱ-শাক্তপন্থৰ ভক্তসকলৰ কাৰণে সঙ্কলনৰ এনে শ্লোক-গ্ৰন্থ অসমীয়া ভাষাত নাই বুলিয়েই কব পাৰি। বিভিন্ন মাৰ্গৰ ভক্তসকলৰ বহুদিনীয়া অভাৱ এটি স্তুতিমালাৰ প্ৰকাশ কাৰ্যাই মোচন কৰিছে। পুথিখনিৰ আন এটি ঘাই বৈশিষ্ট্য হ'ল—তাত বৈষ্ণৱ ধৰ্মৰ মূলদেৱতা শ্ৰীকৃষ্ণ সম্পৰ্কেও স্তুতি, স্তৱ বন্দনা সংযোজন কৰা হৈছে। লগালগিকৈ বিষ্ণু দ'ল, শিব দ'ল আৰু দেৱী দ'ল,

থকাৰ দৰে তিনিটা ঘাই পন্থৰ সমন্বয় সাধনকাৰী সম্পদ হিচাপেও স্তুতিমালা'ৰ এটি বিশেষ মহত্ত্ব আছে।

ভাৰতীয় প্ৰধান শাস্ত্ৰ গীতা, ভাগৱতৰ উপৰিও অসমীয়া বৈষ্ণৱ শাস্ত্ৰ দশম, কীৰ্তন, ঘোষা, ৰত্নাৱলী নিষ্ঠাৰে অধ্যয়ন কৰাৰ বাহিৰেও সিবোৰৰ মূল মৰ্ম কবি ফুকনৰ পৰিষ্কাৰভাৱে হৃদয়ঙ্গম হৈছিল বুলি স্তুতিমালাৰ গীত-পদসমূহৰ পৰাই ধাৰণা কৰিব পাৰি। পুথিখনিৰ বিভিন্ন স্তৱকৰ ছত্ৰে-ছত্ৰে দেৱ-দেৱীৰ মহিমা, তেওঁলোকৰ বিপুল শক্তি, সিসৱক তুতি কৰাৰ ফলত মনুষ্য জীৱনত লাভ হোৱা সুখ-শান্তি-সমৃদ্ধিৰ বাণী সমুজ্জ্বল হৈ আছে।

কৱিতাৰ বিচাৰৰ দৃষ্টিৰে চালে স্তুতিমালাৰ পদসমূহক ভক্তিমূলক গীতপদ নাইবা দাৰ্শনিক কৱিতা বুলি অভিহিত কৰিব পাৰি। ইষ্টদেৱতাৰ মহিমা কীৰ্তন, এইলানি কৱিতাত সুন্দৰভাৱে অনুৰণিত হৈছে। এই পুথিত আৰু কেইটিমান কৱিতা আছে যিবিলাকক বিশুদ্ধ পদ্য বুলি অভিহিত কৰিব পাৰি। তেনেবিলাক পদ্যৰ ভিতৰত পিতৃস্তোত্ৰ, মাতৃস্তুতি, বিবেক-মঞ্জৰী, কাকুতি আদি উল্লেখযোগ্য।

পিতৃস্তোত্ৰ কৱিতাটিত পিতৃক জন্মদাতা গুৰু বুলি অভিহিত কৰা হৈছে। সংস্কৃত সাহিত্যত পিতৃক স্বৰ্গ, পিতৃক ধৰ্ম আৰু সৰ্বদেৱতাৰ সমান বুলি উল্লেখ আছে। ফুকনৰ পিতৃস্তোত্ৰ কবিতাত সংস্কৃত-সাহিত্যৰ বিশ্ব-জনীন সুৰ অনুৰণিত হৈছে। মাতৃস্তুতি কবিতাত মাতৃক দয়া আৰু কৰুণাৰ প্ৰতিমূৰ্তি বুলি বন্দনা কৰা হৈছে। মাতৃৰ চৰণসেৱা কৰি সন্তানে মোক্ষ লাভ কৰিব পাৰে বুলি কবিৰ বিশ্বাস। গোটেই কবিতাটিত মাতৃৰ প্ৰতি পৰম শ্ৰদ্ধাৰ ভাব হিল্‌দল্ ভাগি বাগৰি পৰিছে। ই এটি সুন্দৰ প্ৰশস্তিমূলক কৱিতা।

বিবেকমঞ্জৰী কৱিতাটিত মানৱ-জীৱনত আশাৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা হৈছে। ইয়াত সিদ্ধান্ত কৰা হৈছে যে মানুহ যিমান দিন এই সংসাৰত জীয়াই থাকে সিমান দিন আনৰ লগ এৰিলেও আশাই মানুহৰ লগ নেৰে। আশা আৰু জীৱন এক আৰু অভিন্ন। মানৱ-জীৱন অসাৰ। পুত্ৰ-ভাৰ্য্যা, ধন-সম্পদ সকলো মিছা।

"বিচাৰ কৰিলে পাবা অসাৰ সংসাৰ
সপোন মাথোন সবে নাই একো সাৰ।"

মানুহ মাত্ৰেই স্বাৰ্থপৰ। পুত্ৰ-কন্যা-ভাৰ্য্যা-অঙ্‌হিবন্ধুহীক আমি সহায়

কৰিব পাৰিলেহে তেওঁলোকে আমাৰ জীৱনৰ ওপৰত প্ৰমূল্য দান কৰে ; স্বাৰ্থসিদ্ধি নহলে তেওঁলোকে আমাৰ ফালে ঘূৰিও নাচায়। আমি যেতিয়া নিঃসহায়ভাৱে মৰণৰ চৰণতলিত মূৰ দোৱাও তেতিয়া তেওঁলোকে আমাৰ মৰাশ দেখি ভয় খায় আৰু মৰণৰ ভয়ত আমাক অকলে এৰি পলায়। ইয়াতকৈ জীৱনৰ কাৰুণ্য আৰু দুৰ্ভাগ্য আন একো হব নোৱাৰে বুলি কবিৰ দৃঢ় বিশ্বাস ঃ

"জীৱশূন্য দেহা দেখি ভাৰ্য্যা আদি কৰি
নাচাপে ওচৰ কেওঁ মৰণক ডৰি।"

এই অভিজ্ঞতাৰ পৰা কবিৰ ধাৰণা হ'ল ধন-জন-পুত্ৰ-পৰিবাৰ সকলো মিছা। সেই কাৰণে এইবোৰৰ কাৰণে অনৰ্থক কষ্ট কৰি লাভ নাই। দেহত বল থাকোঁতেই জীৱনৰ মূল গৰাকী ঈশ্বৰৰ চৰণত শৰণাপন্ন হোৱাহে জ্ঞানীৰ কাম। সাধু সঙ্গৰ যোগেৰে জীৱনত পৰম শান্তি লাভ হব পাৰে। এতেকে ঈশ্বৰৰ সান্নিধ্য আৰু সাধুসঙ্গ লাভৰ কাৰণে যত্ন কৰাটো যুগুত। এই কবিতাটিক দাৰ্শনিক কবিতা বুলি কব পাৰি।

'কাকুতি' নামৰ কবিতাটিতো পৰম জনাৰ সান্নিধ্যলাভৰ কাৰণে এক আকুল আকূতি প্ৰতিফলিত হৈছে। পাপ-তাপ, লোভ-মোহ এইবোৰৰ কবলৰপৰা উদ্ধাৰ কৰিবলৈ কবিয়ে অতি ভক্তিভাৱে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছে ঃ

"পাপ তাপ দূৰ কৰি দেৱ ভগৱন্ত
কৰা প্ৰভু মোক পৰিত্ৰাণ।"

কবিৰ দৃঢ়বিশ্বাস ইহসংসাৰত একমাত্ৰ পৰমজনাৰ বাহিৰে আন সকলো মিছা আৰু সিবোৰত বিশ্বাস স্থাপন কৰাও চৰম মূৰ্খালিৰ বাহিৰে আন একো হব নোৱাৰে। তেনেদৰে ফুকনৰ ৰচিত অভাজনৰ স্তুতি, গীতাসাৰ স্তোত্ৰ, শ্ৰীমধুসূদন স্তোত্ৰ, পৰম ব্ৰহ্মস্তুতি আদিতো পৰম জনাৰ ওপৰত গভীৰ আস্থা স্থাপনৰ সুৰ প্ৰতিধ্বনিত হৈছে।

দেশভক্ত ফুকনৰ কেতবোৰ কবিতা আৱাহন, বাঁহী আৰু চেতনা আলোচনীত প্ৰকাশ হৈছিল। তাৰে কেতবোৰ অতি কষ্টেৰে সংগ্ৰহ কৰি অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে তেওঁৰ সঙ্কলিত-সম্পাদিত 'মৰহা ফুলৰ কৰণি'ত সন্নিবিষ্ট কৰি দেশভক্তৰ কবিতাৰ সোৱাদ লোৱাত কবিতাপ্ৰেমী পাঠক-পাঠিকাক উপকৃত কৰিছে।

'জীৱনৰ গতি' কৱিতাত জীৱন, জগত, সন্তোষ, ধন উপাৰ্জন আৰু সাধনাৰ লগত জড়িত কেতবোৰ চৰম সত্য সম্পৰ্কে বিচাৰ-বিশ্লেষণ দাঙি ধৰা হৈছে। এয়ে ফুকনদেৱৰ গভীৰ বিচাৰশক্তি আৰু পৰ্য্যবেক্ষণ ক্ষমতাৰ পৰিচয় দিছে :

"সন্তোষে থকাটো আৰু টান কাম ,
তাতো কৰি টান সন্তোষ দিয়া।"

কবিৰ বিশ্বাস নিজক চিনা, সন্তোষে থকা, আনক সন্তোষ দিয়া, সজ উপায়ে ধন ঘটা, দান কৰি দৰিদ্ৰৰ জীৱন যাপন কৰা আৰু পৰৰ কাৰণে জীৱন উছৰ্গা কৰা অতি দুঃসাধ্য কাৰ্য্য। কিন্তু এনে কাম কৰিব পৰাটোতেই জীৱনৰ প্ৰকৃত মহত্ব। এয়েই কবি দেশভক্তৰ জীৱন-দৰ্শন।

ফুকনদেৱৰ এটি জনপ্ৰিয় সাৰ্থক কৱিতা হ'ল 'নিংনি ভাৱৰীয়াৰ গীত।' উল্লেখযোগ্য যে কামৰূপৰ বৰপেটা অঞ্চলৰ নিংনি ভাৱৰীযা নামৰ এজন ভাৱৰীয়াই স্বৰাজ, স্বাধীনতাৰ যুজ'ৰ লগত জড়িত লোকসকলৰ কথা বৰ্ণনা কৰি কেতবোৰ গীত মানুহক গাই শুনাইছিল। এই গীতবোৰ তেওঁ ঢুলীয়াৰ ভাও দিওঁতে গাঁৱে-ভূঞে অনুষ্ঠিত দৌল সবাহ, ভঠেলি আদি লোক-উৎসৱবোৰত গাইছিল। লোক সংগ্ৰহ আৰু জনসাধাৰণৰ চিত্ত বিনোদনত তেওঁ বিশেষ ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। নিংনি ভাৱৰীয়'ৰ গীতে সৰ্বসাধাৰণ ৰাইজৰ মাজত গান্ধীৰ আদৰ্শ আৰু স্বৰাজৰ বাণী প্ৰচাৰত বিশেষ ধৰণৰ ভূমিকা লৈছিল। সেই আৰ্হিৰে ফুকনদেৱে ৰচনা কৰা 'নিংনি ভাৱৰীয়াৰ গীত' কবিতটোত স্বাধীনতা আন্দোলনৰ ফটফটীয়া ছবি আৰু ৰাইজৰ অৱস্থা প্ৰকট হৈ উঠিছে। জেল-জীৱনৰ দুখ কষ্টৰ কথা বিতংভাবে কবিতাটোত ফুটাই তোলা হৈছে।

কৰ্মবীৰ বৰদলৈ, দেশভক্ত ফুকন আৰু অসহযোগৰ স্বেচ্ছাসেৱকসকলে মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শত দীক্ষিত হৈ অসমৰ জনসাধাৰণক কানি, ফটিকা, ভাং বিসৰ্জন দিবলৈ আহ্বান জনাইছিল। তেওঁলোকে মানুহক বুজাইছিল যে এই মাদকদ্ৰব্যবোৰে মানুহৰ কৰ্মশক্তি হ্ৰাস কৰে আৰু চৰিত্ৰ নষ্ট কৰে। তেওঁলোকে বিলাতী বস্তু বৰ্জন কৰি স্বদেশী বস্তু ব্যৱহাৰ কৰিবলৈকো দেশৰ ৰাইজক আহ্বান কৰিছিল। বিদেশী বস্ত্ৰ দাহন কৰাও হৈছিল। এনে কাৰ্য্যত বৃটিছ চৰকাৰ ক্ৰুদ্ধ হৈ পৰিছিল। 'নিংনি ভাৱৰীয়াৰ গীত'ত ইয়াৰ হুবহু বৰ্ণনা পোৱা যায়।

"ভাং কানি মদ খাই
মানুহ মৰি যায়,
হাক দিলি ধৰি নেয়
লাগে বোলে দায়।

ভাটীৰ কাপুৰ কিনবা নবাহ
বহু হৈছি দাম,
কপাহ আছে কৰি লৌ,
বহু সস্তা পাম।

স্বদেশী আন্দোলনত যোগদান কৰাৰ কাৰণে ফুকনক পুলিচে আটক কৰিছিল। সেই কথাও কবিতাটিত ৰসাল আৰু ধেমেলীয়াভাৱে ফুটাই তোলা হৈছে :

"ফুকনক আকৃলাই নিব খোজাত
দলেৰ বৰ দুখ,
ক'লা পৰি গেইছিল তেনাই
চাবা নৰি মুখ।

ফুকন আৰু বৰদলৈক পুলিচে আটক কৰাৰ পিছত তেওঁলোকৰ বিচাৰৰ দিন পৰিল। গাঁও অঞ্চলৰপৰা অগণন লোক তেওঁলোকৰ বিচাৰ চাবলৈ আহিল। কাছাৰীত ঠাই নোহোৱাত জিলাৰ বৰ চাহাবে কাৰাগাৰৰ ভিতৰতে তেওঁলোকৰ বিচাৰৰ ব্যৱস্থা কৰিলে ঃ

ডিস্তি কমিছনে ভাবি-চিন্তি
বিচাৰ কৰা ঠাই,
ঠিক কল্লাক জেলৰ ভিতৰত
নহলি উপায় নাই।

কাৰাগাৰৰ ভিতৰৰ ব্যৱস্থা আৰু কয়েদীবিলাকৰ দুৰৱস্থাৰ দুখ লগা বৰ্ণনাও কবিতাটিত কলাপূৰ্ণভাৱে লিপিবদ্ধ কৰা হৈছে ঃ

"ৰাঙা চাউলৰ ভাত দিলাক
আধা সিজা নাই ;
গৰাহ মাৰ্লি কেৰাং কৰেয়
শিলৰ গুৰা পাই।
মাহৰ দালি শুদা পানী
নিহ্‌লি দেয় তাত,
আক্‌তা গন্ধত খাবা নৰি
উক্‌তি আহে ভাত।

উল্লেখিত স্তৱকদুটিত কাৰাগাৰৰ ভিতৰুৱা অৱস্থাৰ ফটফটীয়া চিত্র এটি দাঙি ধৰা হৈছে। সেই দিনত কাৰাগাৰৰ জীৱন কিমান দুঃখময় আছিল সেই কথা ফুকনদেৱ ৰচিত উক্ত স্তৱক দুটিৰ পৰাই ধাৰণা কৰিব পাৰি।

দুখ আৰু যন্ত্রণাৰ এনে দিনতে ইংৰাজ বিষয়াসকলে স্বাধীনতা-সংগ্রামত যোগদান কৰাৰ বাবে কাৰাগাৰত আৱদ্ধ মুক্তিযুজাৰুসকলক এনেদৰে লোভ দেখুৱাইছিল যে যিসকলে আন্দোলনৰ পৰা আঁতৰি থাকিব বুলি প্রতিশ্রুতি-পত্র লিখি দিব সিসকলক মুক্তি দিয়া হব। কিন্তু কোনো প্রকৃত দেশপ্রেমিকক বৃটিছ চৰকাৰৰ এনে প্রলোভনে মন টলাব নোৱাৰিছিল।

কবিতাটি ধেমেলীয়াভাৱে উত্থাপন কৰিলেও তাৰ মাজেৰে অসমৰ স্বাধীনতা আন্দোলনৰ যুঁজাৰুসকলে ভোগ কৰা নির্য্যাতনৰ এটি কৰুণ চিত্র ভ'াহি উঠিছে।

নিংনি ভাৱৰীয়াৰ নাম সংযোগ কৰা হৈছে যদিও ই এটা ফুকনদেৱৰ স্বৰচিত উত্তম কবিতা। এই কবিতাটো তেওঁৰ শ্রেষ্ঠ কবিতা বুলিও কব পাৰি।

ফুকন বুলিলে স্বাধীনতা-আন্দোলনৰ অক্লান্ত যুঁজাৰু নেতা এগৰাকীৰ কথাহে মানুহৰ মনলৈ আহে। কবি হিচাপে তেওঁৰ যশস্যা বৰ ব্যাপক আৰু গভীৰ নাছিল। ৰাজনৈতিক জীৱনৰ ব্যস্ততাৰ মাজতো সুৰুঙা উলিয়াই অসমীয়া কাব্যজগতলৈ তেওঁ যি বৰঙণি দি গৈছে তাৰ কাৰণে ফুকন ডাঙৰীয়া অসমীয়া সাহিত্যপ্রেমী লোকৰ যে শ্রদ্ধাৰ পাত্র তাত বিন্দুমাত্র সন্দেহ নাই।

ফুকন ডাঙৰীয়াই প্রকৃত অর্থত এটা মাথোন গীত ৰচনা কৰিছিল। সেই জাতীয় গীতটো হাজৰিকাৰ 'জাতীয় সঙ্গীত'ত অন্তর্ভুক্ত হৈ হাতে ঢুকি পোৱাতে আছে। গীতটোত কবিৰ স্বদেশপ্রেম মূর্ত হৈ প্রকাশ পাইছে। দেশভক্তই অসম

মাতৃক কিদৰে প্ৰাণ ভৰি ভাল পাইছিল ইয়াত তাৰ উজ্জ্বল নিদৰ্শন পোৱা যায়। গীতটোৰ একাংশ তুলি দি এই আলচৰ মোখনি মৰা হ'ল :

"আই মোৰ অসম নিছলী অসম
দুখুনী অসম আমাৰ দেশ।
কিয়নো আই তোৰ এনুৱা বিলাই
কিয়নো আই তোৰ এনুৱা বেশ ?
কিয়নো আই তই চকুলো টুকিছ
নেবান্ধ আই তই মূৰৰ কেশ
লাখে লাখে তোৰ ল ৰা-ছোৱালীয়ে
সাদৰি মাতিছে আমাৰ দেশ।
কিহৰ দুখ তোৰ, কিহত শোক তোৰ
কিহৰ লাজ তোৰ, কিহৰ ক্লেশ
সকলোটি মিলি ভায়ে-ভনীয়ে
সাদৰি মাতিছে— আই আমাৰ দেশ ॥

# ফুকনৰ যৌনতত্ত্ব

## শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

অসমীয়া ভাষা-সাহিত্যত যৌনতত্ত্ব বিষয়ক পুথিৰ সংখ্যা নিচেই তাকৰ। তাৰ ভিতৰত দেশভক্ত তৰুণৰাম ফুকনৰ (১৮৭৭-১৯৩৯) ৰচনা কৰা "যৌনতত্ত্ব" (Sexual Morality) বিশেষভাবে উল্লেখযোগ্য। অসমৰ জননেতা, অসাধাৰণ বাগ্মিতাসম্পন্ন ব্যক্তি বিখ্যাত চিকাৰী, বিশাল ব্যক্তিত্বৰ অধিকাৰী আৰু সাহিত্য ৰুচিসম্পন্ন ব্যক্তি তৰুণৰাম ফুকনৰ নিচিনা এজন লোকে যৌনতত্ত্ব ৰচনা কৰি অসমীয়া সাহিত্যৰ এটা অৱহেলিত দিশৰ প্ৰতি যে আলোকপাত কৰিব সেই কথা ভাবিলে আচৰিত হব লাগে। কেন্দ্ৰীয় ব্যবস্থাপক সভাৰ সদস্যৰূপে থাকিও দেশভক্ত ফুকনে দেশৰ যুবক-যুবতীসকলক "আদৰ্শ বিবাহিত জীৱন কি দৰৰ আৰু কিদৰে পাব পাৰি" 'যৌনতত্ত্ব'ত তাৰেই 'আভাস দিবৰ চেষ্টা' কৰিছে।

প্ৰেম আৰু যৌনক্ষুধা দুয়োটা সুকীয়া। প্ৰেম একান্তভাবে মানৱ-অনুভূতি কিন্তু যৌনক্ষুধা ইতৰ প্ৰাণীৰ দৈহিক ক্ষুধা। মানুহৰ উপৰি কুকুৰ, মেকুৰী, বাঘ-ভালুক আদি সকলো জীৱ-জন্তুৰে এই ক্ষুধা আছে। জীৱন্ত প্ৰাণীৰ আন এটা লক্ষণ হ'ল বংশবৃদ্ধি। মানুহো এবিধ প্ৰাণী। গতিকে আন প্ৰাণীৰ নিচিনাকৈ মানুহো বংশবৃদ্ধিত তৎপৰ। প্ৰেম কিন্তু এটা সম্পূৰ্ণ সুকীয়া অনুভূতি। মানুহৰ বাহিৰে আন কোনো প্ৰাণীৰ মাজত প্ৰেম সঞ্চাৰিত হ'ব নোৱাৰে।

মানুহৰ মস্তিষ্ক অন্যান্য প্ৰাণীতকৈ বহুত উন্নত কিন্তু বিভিন্ন গঠনৰ। এই মস্তিষ্কৰ দুটা কেন্দ্ৰ (উচ্চতৰ আৰু নিম্নতৰ কেন্দ্ৰ) আছে। যৌন-প্ৰবৃত্তিক নিম্নতৰ কেন্দ্ৰই পৰিচালনা কৰে। মাতৃ-গৰ্ভত ভ্ৰূণাৱস্থাত থকা সময়ৰ পৰাই মানুহৰ মস্তিষ্কৰ নিম্নতৰ কেন্দ্ৰই পুষ্টিলাভ কৰিবলৈ আৰম্ভ কৰে। জন্মৰ সময়ত এই কেন্দ্ৰ পৰিপূৰ্ণভাবে পুষ্ট হৈ উঠে। সেয়েহে ওপজাৰ পিছতে নবজাতকে কান্দি উঠে, উশাহ লয় আৰু মলমূত্ৰ ত্যাগ কৰে। উচ্চতৰ কেন্দ্ৰ কেৱল মানুহৰে আছে, আৰু জ্ঞান হোৱাৰ লগে লগে এই কেন্দ্ৰৰ বিকাশ হয়। এই কেন্দ্ৰ পিছত সৃষ্টি হোৱাৰ কাৰণে উচ্চতৰ কেন্দ্ৰ নিম্নতৰ কেন্দ্ৰতকৈ দুৰ্বল। উচ্চতৰ কেন্দ্ৰৰ প্ৰেম স্বভাৱতে নিম্নতৰ কেন্দ্ৰৰ যৌনক্ষুধাতকৈ দুৰ্বল অনুভূতি।

প্ৰেম বস্তুত অনুভূতিৰ সংমিশ্ৰণ আৰু পৰিণতিৰ সমন্বয়ত গঢ়ি উঠে। প্ৰথম দৰ্শনত ওপজা প্ৰেমৰ (Love at first sight) কথা সাহিত্যিকসকলে উল্লেখ কৰিছে, কিন্তু পাত্ৰ-পাত্ৰীয়ে নেদেখাকৈ প্ৰেমত পৰাও দেখা যায়।

প্ৰেম আৰু যৌন-সম্ভোগ এক নহয় নাইবা পৰিপূৰকো নহয়। প্ৰথম বিধ সম্পূৰ্ণৰূপে মনৰ ছবি। মনতে তাৰ জন্ম, মনতে তাৰ বিস্তাৰ আৰু মনতে স্থিতি। কিন্তু যৌন-সম্ভোগত মনৰ কোনো স্থান নাই। যৌনলিপ্সা জাগ্ৰত হ'লে মস্তিষ্কৰ উচ্চতৰ কেন্দ্ৰ নিদ্ৰিত হৈ পৰে। এনে অৱস্থাত মানুহ পশুত পৰিণত হয়।

দেশভক্ত ফুকনে যৌন-তত্ত্ব (১৯৩৩ চন) ৰচনা প্ৰসঙ্গত কৈছে,—"পুষ্পে, পত্ৰে সুশোভিত বিবাহিত জীৱন যাতে অমৃতফল প্ৰদায়ী হয় তাৰেই আলোচনা কৰা এই পুথিৰ উদ্দেশ্য।" সেই কাৰণে "উচৰ্গা"ত তেওঁ কৈছে,—"যিসকলে যৌন আকৰ্ষণৰ অদম্য উদ্দীপনাত সঙ্গ বিচাৰিছে, যিসকলে প্ৰেৰণাৰ ফলত আজি অন্তৰৰ হিয়া ভগা অসীম বেদনা অন্তৰত লুকাই থৈ ডেই-পুৰি মৰিছে, যিসকলে প্ৰণয়ৰ আতিশয্যত অমৃত বিচাৰোঁতে হলাহল পাইছে, সেই সকলৰ প্ৰতি অন্তৰৰ অকৃত্ৰিম সহানুভূতিৰ চিনস্বৰূপে এই পুথিখনি তেওঁলোকৰ উদ্দেশ্যে উচৰ্গা কৰিলোঁ।"

'যৌন-তত্ত্ব' পুথিৰ বাৰটা অধ্যায়ত যৌন-তত্ত্ব সম্বন্ধে জানিবলগীয়া সকলো বিষয় গ্ৰন্থকাৰে সৰল ভাষাত আলোচনা কৰিছে। প্ৰথম অধ্যায়ত যৌন মিলনৰ তাৎপৰ্য্য আৰু যৌনতত্ত্বৰ প্ৰকৃত জ্ঞান বিস্তাৰ সম্পৰ্কে আলোচনা কৰা হৈছে। ফুকনে কৈছে,—"জীৱসৃষ্টিৰ ওপৰতেই জগত নিৰ্ভৰ কৰিছে আৰু তাৰ ওপৰতেই মানৱসমাজ অৱস্থিত। সভ্যতাৰ প্ৰতি মানুহৰ বিৰাট অভিযানৰ লগে লগে কামনাৰ বাহিৰেও প্ৰেম বুলি এটা চিন্তা বৃত্তিয়ে মানুহৰ হৃদয় স্পন্দিত কৰি তাৰ পূৰ্ণ সমাধানত অন্তৰৰ প্ৰেৰণা জগাই তোলে।" সৃষ্টি-প্ৰক্ৰিয়া প্ৰসঙ্গত তেওঁ কৈছে, "ভৱিষ্যৎ মানৱৰ সৃষ্টিকৰ্ত্তা বৰ্তমান মানৱ। স্বাভাবিক আকৰ্ষণৰ দ্বাৰা মানৱ-মানৱী দুয়োৰে ওচৰ চাপিব; আনন্দৰ আহ্বানত দুয়োৰো মিলন হ'ব। প্ৰকৃতিয়ে ছেগ চাই এই মিলনৰ মাজেৰে নিজ কাৰ্য্য সাধি জীৱসৃষ্টি কৰে, গতিকেই আজিৰ যৌন-মিলনৰ ফল কালিৰ জীৱসৃষ্টি ভৱিষ্যত সমাজ।" দ্বিতীয় অধ্যায়ত সৰুতে ল'ৰা-ছোৱালীৰ কেনে প্ৰতিবিধানলৈ লাগে তাকে কোৱা হৈছে, কিয়নো "যৌৱনৰ আবেগে, ইন্দ্ৰিয়-বৃত্তি চৰিতাৰ্থৰ আগ্ৰহে সকলো শিক্ষা-দীক্ষা, সকলো সঙ্কল্প অতিক্ৰম কৰাই

যৌৱনৰ আতিশয্যত অমৃত বিচাৰোঁতে অন্তকাৰী গৰল উলিয়ায়"। তৃতীয় অধ্যায়ত "স্ত্রীসঙ্গলিপ্সা"ত সংযমৰ আৱশ্যকতা আৰু "অপৰিণামদর্শী ইন্দ্রিয় পৰায়ণ" লোকৰ কেনে অৱস্থা হয় তাক স্পষ্টভাবে কৈছে। সঙ্গলিপ্সাৰ তাৎপর্য্যৰ বিষয়ে লিখকে কৈছে—"বীর্য্য সঞ্চয় কৰি, পুষ্টি সাধন নহয়। তেজ, মাংস, হাড়, মজ্জা, মেধা সকলোৰে সর্বপ্রধান উপাদান এই বীর্য্যয়ে। সেয়েই উত্তেজনাশক্তি আনে, মেধাৱন্ত কৰে, সেয়েই পুৰুষৰ পুৰুষত্ব।" চতুর্থ অধ্যায়ৰ 'বিবাহ, সহবাস আৰু ন-ঘৈণী' শীর্ষক আলোচনাত বিবাহৰ তাৎপর্য্য, সহবাসৰ আনন্দ আৰু ন-ঘৈণীৰ প্রতি আচৰণ—এইবোৰ কথা বিবৰি কোৱা হৈছে। তেওঁ দৃঢ়ভাবে কৈছে—"প্রকৃতিৰ নিয়মৰ বিৰুদ্ধে অবৈধ আচৰণত পশুতকৈও মানুহেই বেছি অপৰাধী।" আৰু "উপযুক্ত সময়ত স্বামী দর্শন পালে আগ্রহেৰে নিঃসঙ্কোচে আত্মসমর্পণ কৰা সহজ হয়—প্রণয় মধুময় হয়।" পঞ্চম অধ্যায়ত ডেকাঘৈণী আৰু স্বামীৰ সহবাস প্রসঙ্গৰ সামৰণিত কৈছে, "প্রজাসৃষ্টিৰ অপূর্ব মহিমা অনুভৱ কৰি দুয়ো দুয়োতে আত্মসমর্পণ কৰি আনন্দৰ আতিশয্যত দুয়ো একে সময়তে প্রজ্জ্বলিত কামানলত পূর্ণাহুতি প্রদান কৰিব লাগিব।" ষষ্ঠ অধ্যায়ত অনঙ্গ প্রসঙ্গত স্ত্রীৰ কর্তব্যৰ কথা কোৱা হৈছে। ষষ্ঠ অধ্যায়ত বনিতা-বিলাসৰ পৰা হোৱা অনিষ্টৰ কথা কোৱা হৈছে। সপ্তম অধ্যায়ত ৰবৰাদি আচ্ছাদন ব্যৱহাৰৰ পৰামর্শ দিয়া হৈছে। অষ্টম অধ্যায়ত জীৱসৃষ্টিৰ বিষয়ে শাস্ত্রৰ শ্লোক উদ্ধৃত কৰি বিশদ আলোচনা কৰা হৈছে। আনকি স্বামীবল্লভা পদ্মিনীৰ লক্ষণ সম্পর্কে শ্লোকৰ উদ্ধৃতি দিছে। নৱম অধ্যায়ত কামকলাৰ বিচিত্র কার্য্যৰ বিষয়ে কোৱা হৈছে। দশম অধ্যায়ত মৈথুন সম্পর্কে বিভিন্ন কথা অৱতাৰণা কৰি লিখকে চঞ্চল পুৰুষক উদ্দেশ্য কৰি কৈছে—"ঘৈণীৰ সুখ-দুখ, সুবিধা-অসুবিধা, ইচ্ছা-অনিচ্ছালৈ আওকাণ কৰি যিজনে সহবাস কৰে তেওঁৰ শিক্ষা-সদাচাৰৰ বিশেষ অভাৱ বুলি কব পাৰি। তেওঁ পশু-ভাৱত মনুষ্য জীৱনৰ স্বর্গীয় সুখৰ পৰা বঞ্চিত। একাদশ অধ্যায়ত জন্ম-নিৰোধৰ কথা আলোচনা কৰা হৈছে। প্রায় দুকুৰি বছৰৰ আগতেই বৰেণ্য নেতা ফুকনে "সৰহ ল'ৰা-ছোৱালী জন্ম দিয়া মহাপাপ" বুলি কৈছিল। আজি ভাৰত চৰকাৰে যি পৰিয়াল-পৰিকল্পনাৰ আঁচনি লৈছে সুদূৰদর্শী ৰাজনীতিজ্ঞ দেশভক্ত ফুকনে তাকেই জন-সাধাৰণক বুজাবৰ কাৰণে যৌন-তত্ত্ব লিখিছিল। তেওঁ এই পুথিত কৈছে, "ইচ্ছামতে জন্ম নিৰোধ কৰিব পাৰিলে বহুতো মধ্যবিত্ত লোকে দুটি এটি লৰা-ছোৱালী লৈ

সুখে-সন্তোষে নিয়াব পাৰিলেহেঁতেন। আজি নিৰোধ জ্ঞানৰ অভাৱত বহু পৰিয়াল দুৰ্দ্দশাগ্ৰস্ত আৰু অশান্তিৰ বাহ হৈছে। সেই কাৰণে ভ্ৰূণহত্যা, শিশুহত্যা আদি মহাপাতক বাঢ়ি গৈছে। গতিকেই দাম্পত্য জীৱনৰ সুখ পাবৰ বাঞ্ছা কৰিলে আৰু সমাজ উন্নত আৰু দৃঢ় কৰিবৰ সঙ্কল্প মনত থাকিলে সুস্থ আৰু সবল প্ৰজাসৃষ্টিৰ উপায় কৰিব লাগিব, আৰু তাৰ অৰ্থে জন্মনিৰোধ জ্ঞানৰ প্ৰচাৰ কৰিবই লাগিব।" ১৯৩৩ চনতে দেশভক্ত ফুকনে যি কথাৰ অৱতাৰণা কৰিছিল আৰু সেই সময়ৰ বিদেশী চৰকাৰে যি দিশৰ প্ৰতি কটাক্ষপাত নকৰিছিল আজি ১৯৭৫।১৯৭৭ চনত ভাৰত চৰকাৰৰ সি ধ্বনিত (শ্লোগান) পৰিণত হৈছে। ফুকনৰ দৰে প্ৰকৃত দূৰদৃষ্টিসম্পন্ন ৰাজনীতিজ্ঞ পুৰুষ কমেইহে ওপজে।

দ্বাদশ অধ্যায়ত জীৱনসঙ্গিনীৰ স্বৰূপ আলোচনা কৰা হৈছে। লিখকে কৈছে—"তিৰোতা কেৱল শয্যাশায়িনী বা কাম-চৰিতাৰ্থত খেলাৰ পুতলী বা ভোগবিলাসৰ বস্তু নহয়। তেওঁবিলাক আচলতে "পূজাৰ্হা গৃহদ্বীপ্তয়ঃ" অৰ্থাৎ পূজাৰ যোগ্য আৰু গৃহৰ দ্বীপ্তিস্বৰূপা। ধৰ্ম-অৰ্থ-কাম-মোক্ষ এইচতুৰবৰ্গ সাধনাৰ সহায়কাৰিণী, প্ৰজাসৃষ্টিৰ আৰু প্ৰজাপালনৰ অধিষ্ঠাত্ৰী দেৱী। বাই-ভনীৰ প্ৰীতি, মাতৃৰ স্নেহ, ৰমণীৰ প্ৰেম মনুষ্যত্ব বিকাশৰ প্ৰধান উপাদান।"

সামৰণিত কোনো কোনো ঘৰত সহবাসৰ উদাসীনতাই দেখা দিয়াৰ কাৰণসমূহো লিখকে আলোচনা কৰিছে। এই "জীৱনত উজ্জ্বলতা হৰণ" কৰা সংসাৰ প্ৰসঙ্গত ফুকনে কৈছে—"অকণমান ভুল, এধানমান ভ্ৰান্তি, এখুদমান উদাসীনতা, এচিকুটমান অৱহেলাৰ কাৰণে কাম-কলা-কুশলা কামোন্মাদিনী কন্দৰ্পদৰ্পাপহা স্বামীচিত্ত বিভ্ৰান্তকাৰিণী প্ৰিয়তমা প্ৰণয়িণী হৈ কেৱল ৰন্ধন-পৰিবেশন নিপুণা, গৃহ-পৰিচালনৰতা, ভৃত্যনিসূদনা, পৰিজনসমাদৃতা গৃহিণী হৈ মন্থৰ গতিত আগ্ৰহশূন্য দীৰ্ঘ জীৱন অতিবাহিত কৰে। কিন্তু বসন্তৰ মধুৰ সমাগমত কলীয়া ভোমোৰাৰ সুমধুৰ গুঞ্জন গীতত, কুলিৰ মৌসনা মাতত, মলয়াৰ শীতল পৰশত যেনেকৈ পাতৰ বুকুত লুকাই থকা কোমল কলিটি ধীৰে ফুলি উঠি অন্তৰৰ গোটেই সৌন্দৰ্য্য, গোটেই মধু উপযাচি বিলাই দিয়ে, সেইদৰে লাজত জঁয় পৰা, পৰশত পমি যোৱা, অজান ভয়ত বুকু কঁপা, কওঁ কওঁ বুলি কব নোৱাৰা আজলী সঙ্গিনীটিক চেনেহ পৰশত বিকশিত কৰি তুলিব লাগিব; প্ৰীতি আৰু প্ৰেমপূৰ্ণ গুৱলা মাতেৰে মুগ্ধ কৰি সাদৰ সম্ভাষণেৰে মোহিত কৰি, ধীৰে লাজ আৱৰণ আঁতৰাই বুকুত সাবটি ললে ৰমণীৰ অন্তৰৰ

সৌন্দৰ্য্য উদ্ভাসিত হৈ জগতত দীপ্তিমন্ত কৰিব। প্ৰণয় আলিঙ্গনৰ প্ৰেমাস্পৰ্শত অন্তৰ্নিহিত অক্ষয় অমৃতধাৰা উচ্ছাসিত আৰু প্ৰৱাহিত কৰি দেহ মন-প্ৰাণ শান্ত শীতল কৰি দিব ; তেতিয়া দাম্পত্য জীৱন সাৰ্থক হব ; সংসাৰ অক্ষয় আনন্দৰ আধাৰ হব ; পৃথিবীত স্বৰ্গৰাজ্য স্থাপিত হব।"

মূঠৰ ওপৰত দেশভক্ত ফুকনে "বহুদৰ্শী আৰু ভুক্তভোগী কেজনমান বন্ধুৰ অনুৰোধত আৰু নিজৰ কৰ্তব্যবোধত" ৰচনা কৰা যৌন তত্ত্ব পুথিখনে অসমীয়া সাহিত্যৰ এটা ডাঙৰ অভাৱ পূৰণ কৰিলে। সংস্কৃত কাব্য ঘাইকৈ শৃঙ্গাৰতিলকৰ আৰু শাস্ত্ৰৰপৰা প্ৰাসঙ্গিক শ্লোকৰ উদ্ধৃতিয়ে পুথিৰ সৌন্দৰ্য্য বৃদ্ধি কৰিছে। প্ৰাচ্য আৰু পাশ্চাত্য লিখকসকলৰ যৌন-তত্ত্ব বিষয়ক গ্ৰন্থ অধ্যয়ন কৰি সহজ সৰল ভাষাত "বিবাহিত জীৱন" "অমৃত ফল প্ৰদায়ী" হোৱাৰ যি আভাস দিছে তাৰ বাবে দেশভক্ত ফুকনক আমি শ্ৰদ্ধাৰে সোঁৱৰা উচিত। পুথিখনিৰ ভাৱ-ভাষা আৰু ৰচনাশৈলীয়েও সাহিত্যিক ফুকনৰ যশস্যা বৃদ্ধি কৰিছে। ফুকনৰ কাব্যোপম সহজ ভাষাই নীৰস কামবিলাকৰ কথাবোৰো সৰস আৰু আকৰ্ষণীয় কৰি তুলিছে।

ফুকনদেৱৰ কথাৰেই সামৰণি মাৰেঁা—" জগতৰ জীৱন সাহিত্য ; সাহিত্যৰ জীৱন কাব্য আৰু কাব্যৰ জীৱন প্ৰেম। যৌন আকৰ্ষণৰ বিকাশতেই প্ৰেমৰ বিকাশ আৰু যৌন মিলনৰ পূৰ্ণতাতেই প্ৰেমৰ পৰিণতি "।

# ফুকনৰ চিকাৰ-কাহিনী (১)

## শ্ৰীযোগেশ দাস

প্ৰাকৃতিক অৱস্থাৰ কাৰণে অসমত মাছ মৰা আৰু চিকাৰ কৰাৰ অশেষ সুবিধা আছে। দেশভক্ত তৰুণৰাম ফুকনৰ নিচিনা লোমহৰ্ষক চিকাৰৰ অভিজ্ঞতা থকা অনেক লোক অসমত নিশ্চয় আছে, আগতেও আছিল। কিন্তু তেওঁৰ নিচিনাকৈ সেই অভিজ্ঞতা ৰসলগাকৈ বৰ্ণনা কৰিব পৰা অসমীয়া মানুহ নাই বুলিবই পাৰি। জাল পাতি বাঘ ধৰা আৰু ভৰবাৰিষাৰ দোকুলটকা বাঢ়নী পানীত মাছ মৰাৰ অভিজ্ঞতা যি দুই-এটা সাময়িক পত্ৰিকাৰ পাতত আমি পঢ়িবলৈ পাওঁ তাৰ পৰা অনুভৱ হয় যে এই দুবিধ ক্ৰীড়াৰ-পৰা আমাৰ একশ্ৰেণী ভাল সাহিত্যৰে সৃষ্টি হব পাৰিলেহেঁতেন। কিন্তু ফুকনৰ "চিকাৰ-কাহিনী"ৰ বাহিৰে এই শ্ৰেণীৰ লেখা আমাৰ ভাষাত বৰ বেছি নাই। হাতী-চিকাৰৰ কথাই ফুকনৰ লেখাত বেছি পোৱা যায়। অসমত হাতী ধৰাৰ প্ৰথাও বৰ লোমহৰ্ষক আৰু আমোদজনক। তেনে বৃত্তিত লিপ্ত ব্যৱসায়ী আৰু ফান্দীৰ মুখে বহুতেই তাৰ উত্তেজনাপূৰ্ণ বিবৰণ শুনিছে। কিন্তু দুখৰ বিষয় যে এই বিষয়েও আজিলৈকে কোনেও লিখিবলৈ চেষ্টা কৰা নাই। অথচ সদ্যপ্ৰকাশিত অমূল্য সচিত্ৰ গ্ৰন্থ "হস্তীবিদ্যাৰ্ণৱে" প্ৰমাণ কৰিছে যে হস্তীবিদ্যা এই দেশৰ কাৰণে এক ঐতিহ্যপূৰ্ণ বিদ্যা। আজি কিছু দিনৰ পৰা জিম কৰবেট, জন হাণ্টাৰ আদিৰ ৰচনা অনুবাদ হৈ ওলোৱাত সেইবিলাকে জনপ্ৰিয়তা লাভ কৰা দেখা গৈছে। সেইবিলাক পঢ়ি সমালোচনাশীল পাঠকে বুজিব পাৰে যে মূল চিকাৰৰ ঘটনাটোৱেই পাঠকৰ মন আকৰ্ষণ কৰিবৰ কাৰণে যথেষ্ট নহয়, ৰসৰ উদ্ৰেক কৰি কেনেকৈ একোটা ঘটনা বৰ্ণনা কৰা হৈছে সেইটোৱেহে তাৰ অৰ্দ্ধেক কৃতকাৰ্য্যতাৰ কাৰণ। "মেন ইটাৰ্ছ অৱ কুমাও" পুথিখন প্ৰকাশ নোহোৱা হলে জিম কৰবেট কিজানি আজি জিম কৰবেট হৈ স্মৰণীয় হৈ নেথাকিলেহেঁতেন। অসমীয়া ভাষাত দেশভক্ত তৰুণ ফুকনৰ বাহিৰে চিকাৰী আৰু লিখক দুয়োজনৰে গুণৰ সমানে অধিকাৰী হোৱা লোক দ্বিতীয় এজন আজিলৈকে ওলোৱা নাই।

জন হাণ্টাৰৰ দৰে ফুকন ডাঙৰীয়াই ও নিজৰ পৰিয়ালতে চিকাৰ কৰাৰ

উৎসাহ লাভ কৰিছিল। তেওঁ নিজেই লিখি থৈ গৈছে ঃ "দেউতা ভাল চিকাৰী আছিল ; কিন্তু কেৱল চিকাৰতেই মনোনিবেশ কৰা নাছিল। সাহিত্য আৰু সঙ্গীত চৰ্চা, ধৰ্ম, শিক্ষা-বিস্তাৰ, সমাজ-সংস্কাৰ, হাতী-ম'হ ধৰা, শিল্প-বাণিজ্যৰ উন্নতি সাধন ইত্যাদি কাৰ্য্যত ব্যাপৃত আছিল, কিন্তু ৺নবীন দাদাই সকৰেপৰা চিকাৰতেই মন দিছিল।···সৰ্বোপৰি কামৰূপৰ সমান চিকাৰৰ ঠাই ভাৰতত নাই বুলি দঢ়াই কব পাৰি। গতিকে অবাধ গতিৰ চিকাৰী হিচাপে নবীন দাদাৰ চিকাৰত খ্যাতি চন্দ্ৰকলাৰ পোহৰৰ দৰে দিনে দিনে বাঢ়ি যাবলৈ ধৰিলে। কোচবিহাৰৰ মহাৰাজকে আদি কৰি খ্যাতনামা চিকাৰীয়েও দাদাৰ লগ লৈছিল। স্থানীয় ইংৰাজ কৰ্মচাৰীসকলৰো চিকাৰ শিক্ষাৰ ভাৰ দাদাৰ ওপৰতেই আছিল।"

এনে পৰিবেশত ডাঙৰ হোৱা ফুকনে ডেকা কালত এদিন নগাৱত সেই দাদাকৰ তালৈ ফুৰিবলৈ যাওঁতেই বাঢ়নী পানীৰ মাজতে এজনী পোৱালী জগা ভয়ঙ্কৰ বাঘিনী গুলীয়াই মাৰি তেওঁৰ চিকাৰ-জীৱনৰ পাতনি মেলে। স্কুলত পঢ়ি থকা অৱস্থাতে মনে মনে বন্দুক লৈ গৈ এজনী কোকলোঙা চৰাই মৰা কাৰণে দাদাকৰ কাণমলা খোৱা আৰু বানপানীত বাঘিনীজনীক গুলীয়াওঁতে মুখতে মাৰি দাঁত এপাৰি নষ্ট কৰা কাৰণে উৎসাহ নোপোৱা তৰুণ চিকাৰী তৰুণ ফুকনে কিন্তু পৰীক্ষাত উত্তীৰ্ণ হৈছিল, আৰু তিনিকুৰি বছৰ বয়সলৈকে তেওঁ সেইবিধ ৰাগীৰ পৰা অব্যাহতি লব পৰা নাছিল। আফ্ৰিকাৰ অটব্য অৰণ্যত য়ুৰোপ আমেৰিকাৰপৰা দলবল লৈ চিকাৰ কৰিবলৈ গৈ জীৱনৰ আকাঙ্ক্ষা পূৰোৱা লোকৰ অভাৱ নাই। তাৰ লগে লগে সভ্যতা পৰিহাৰ কৰি গৈ এটা বন্দুকেৰেই বনৰীয়া জন্তুৰ পাছে পাছে ঘূৰিপকি ফুৰি নিজকে হেৰুৱাই পেলোৱা লোকৰো অভাৱ নাই। আকৌ কৰ্ণেল পেটাৰ-ছনৰ নিচিনা লোকো আছে যি অৱস্থাৰ তাড়নাত পৰি বাধ্য হৈ চিকাৰী হৈছে, খ্যাতিও আৰ্জিছে। চিকাৰী ফুকনৰ চৰিত্ৰ প্ৰথম দুবিধৰ সংমিশ্ৰণত গঢ় লৈ উঠা বুলি কব পাৰি। আতঙ্কৰ সৃষ্টি কৰা দুই এটা হাতী তেওঁ নিধন নকৰা নহয়, কিন্তু দীপৰ বিল, চকৰদ বা গাৰোপৰ্বতৰ আৰণ্যক জীৱনে যে তেওঁক অহৰহ হাতবাউল দি মাতিছিল, এই কথা তেওঁ বহু ঠাইতে লিখি থৈ গৈছে। দীপৰ বিলৰ পাৰত তিনিদিন কটাই হাতীৰ একো সন্ধান নাপাই গুৱাহাটীলৈ উলটি আহিছে, পাছে পাছেই খবৰ আহিল যে হাতী বিলত নামিছে—দুখ-ভাগৰ পাহৰি ফুকন আকৌ লৰিল দীপৰলৈ। এবাৰ কলিকতালৈ যাওঁতে

"প্ৰীতিভাজন" মক্কেল, ডাঙৰ ব্যৱসায়ী পি-মুখাৰ্জ্জীয়ে বন্দোবস্ত কৰিলে যেন "দাদা" অৰ্থাৎ ফুকনে বৃহস্পতিবাৰে গুৱাহাটী পাই পিছদিনাই সুন্দৰবন বুলি যাত্ৰা কৰে। কিন্তু বৃহস্পতিবাৰে আহি পায়েই দেখে মুখাৰ্জীৰ টেলিগ্ৰাম— সেই দিনাই যাব লাগে—"টেলিগ্ৰাম পঢ়ি বৰ খং উঠিল। এই পালোঁহি, আহিয়েই যোৱা কেনেকৈ হয়। যোৱা অসম্ভৱ বুলি টেলিগ্ৰাম লিখিলোঁ ; কিন্তু বন-সুন্দৰী সুন্দৰবন দেৱীয়ে মোহিনী মূৰ্তি ধৰি মুখাৰ্জীৰ তৰফে ওকালতি আৰম্ভ কৰিলে। বন-সুন্দৰীয়ে মোকৰ্দমাত জিকিল ; মুখাৰ্জীৰ পক্ষে ৰায় দিয়ে টেলিগ্ৰাম কৰা হ'ল।" যোৰহাটত মোকৰ্দমা, ছিলঙত এছেম্বলীৰ টনা-আজোৰা, লোকেলবোৰ্ডৰ নিৰ্বাচন, জীয়াৰীৰ বিয়া ইত্যাদিত ব্যস্ত থাকিব-লগীয়া ফুকনৰ মনলৈ সদায়েই চিকাৰস্থলীৰ আকৰ্ষণ আপোনাআপুনি আহিছিল। তেওঁ লিখিছে—"চহৰৰ কোলাহলত ত্যক্ত-বিৰক্ত হলে, ঘৰৰ জঞ্জালে সুখ-শান্তি নাইকিয়া কৰিলে মনত পৰে দীপৰলৈ, মনত পৰে চকৰদৰ পৰ্বতলৈ, মনত পৰে শ্ৰীমান টাবাক মিকিৰৰ ভগা পঁজালৈ আৰু মনলৈ আহে কুকুৰাৰ ডাকে কলাঘুমটিত জগাই দিয়া চিকাৰৰ ৰাতবি, হাতীৰ চিঞৰ আৰু বাঘৰ হাওৰণি। সকলোকে পাছ পেলাই আৰু মনত পৰে দুখীয়া হোজা মিকিৰৰ হিয়াভৰা অকৃত্ৰিম প্ৰীতিলৈ।"

এই যে ফুকনৰ "হিয়াভৰা অকৃত্ৰিম প্ৰীতিৰ" প্ৰতি কৃতজ্ঞতা, এইটো অৱশ্যে ফুৰা প্ৰায়বিলাক লোকৰ ক্ষেত্ৰতে দেখা যায়। জিম কৰবেটে কুমাও অঞ্চলৰ পৰ্বতীয়া হোজা লোকসকলক "আমাৰ মানুহ" বুলি উল্লেখ কৰিছে, আৰু তেওঁলোকৰ অকৃত্ৰিম আতিথেয়তাত মুগ্ধ হৈ আহিছে। জন হাণ্টাৰে কেনিয়াৰ মাছাইসকলৰ বীৰত্ব আৰু শাৰীৰিক সৌন্দৰ্য্যৰ উচ্চ প্ৰশংসা কৰি গৈছে। ফুকনৰ দাদাক নবীনৰাম ফুকনেও চিকাৰৰ সঙ্গী ৰূপে কেবাজনো এনে গাৱঁলীয়া লোকক শিকাইবুজাই লৈছিল। ফুকনৰ বৰ্ণনাত এনেকুৱা ভালেমান পৰ্বতীয়া মিকিৰ, গাৰো আৰু নেপালী লোকৰ উল্লেখ পোৱা যায়। তেওঁলোকৰ সৰলতা আৰু অতিথিপৰায়ণতাত তেওঁ অতিশয় মুগ্ধ হৈছিল। টাবাক মিকিৰৰ ঘৰখনৰ বিস্তাৰিত বিৱৰণ তেওঁ দিছে। গাৰোপৰ্বতত হাতী বিচাৰি যাওঁতে তেওঁ ভিতৰুৱা অঞ্চলৰ গাৰোলোকৰ যি জীৱন-যাত্ৰা দেখি আহিছিল তাৰো তেওঁ বিৱৰণ দি গৈছে, অকাতৰ প্ৰশংসাও কৰি গৈছে: "যদিও বৰ্তমান সভ্যতাৰ চিন গাৰোপৰ্বতত বিশেষ একো পোৱা নগ'ল, পৰ্বতবাসীৰ মুখলৈ চাই সন্তোষৰ পৰিমাণ শিক্ষিত জগততকৈ বহুতো সৰহ যেন লাগিল।

সিহঁতৰ বাসস্থান পৰ্বতমালা পৰিবেষ্টিত ; গগণস্পৰ্শী পৰ্বতশৃঙ্গত সিহঁতৰ বাসভৱন ; কিন্তু আবাস ভূনিখণ্ড আৱৰ্জনাৰহিত।......দেহ বলিষ্ঠ, স্বাস্থ্যপূৰ্ণ, অসন্তোষ লেশশূন্য। প্ৰশান্ত আননত উদ্বেগৰ চিনমাত্ৰ নাই। মৃত্যু বিধিৰ বিধান বুলি ধৰিব পৰা হলেই যদি দাৰ্শনিক তত্ত্বজ্ঞ পণ্ডিত তুলিব পাৰি, তেন্তে শৈলশৃঙ্গবাসী জ্ঞানগৰ্বৰহিত গাৰো আচলতে তত্ত্ববিৎ দাৰ্শনিক পণ্ডিত। ...পাৰ্থিব সম্পদত গাৰো সৰ্বতোভাৱে উদাসীন, জন্ম-মৃত্যুত আনন্দ-বিষাদ ৰহিত সিহঁত কাম-ক্ৰোধ-লোভ-মোহবৰ্জিত নহবও পাৰে কিন্তু সভ্যতা-ভিমানিনী নগৰবাসীৰ তুলনাত সিহঁতৰ স্থান বহুতো ওপৰত।" আন এবাৰ চকৰদৰ ওপৰৰ পৰ্বতলৈ হাতী বিচাৰি যাওঁতে তেওঁ এঘৰ মিকিৰ মানুহৰ ঘৰত আলহী হৈ আছিল। তেওঁলোকৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা, গছ বগাব পৰাৰ অদ্ভুত ক্ষমতা, অকাতৰে কৰা পৰিশ্ৰম অথচ সদা-সন্তোষৰ ভাব (ভৈয়ামৰ মানুহৰ দৰে দুখৰ কথা প্ৰচাৰ নকৰে। যি আছে, যি নাই, তাতেই সন্তুষ্ট হৈ চলা দেখিলোঁ।") ইত্যাদিৰ প্ৰশংসা কৰি ফুকনে এঠাইত লিখিছে... "মিকিৰৰ নাচ ইংৰাজৰ নাচৰ দৰে, ঢোলৰ ছেৱে ছেৱে ঘূৰি ঘূৰি ছেৱ লগাই নাচে। দেখি বৰ ভাল লাগিল। কোনোবা উদয়শঙ্কৰে পোৱা হলে সালসলনি কৰি আধুনিক ধৰণৰ কৰি আমেৰিকা আদি ঠাইত প্ৰচাৰ কৰি ধন্যবাদো পালেহেঁতেন আৰু টকাও ঘটিলেহেঁতেন।"

আন এবাৰ ফুকনে চিকাৰলৈ যাওঁতে ঘড়ী নিবলৈ পাহৰিলে। পুৱতি নিশা তিনি-চাৰি বজাত কেনেকৈ উঠে ? বৃদ্ধ মিকিৰ কাতিৰাম চকীদাৰে "ঘড়ী" এটা আনি দিব বুলি আশ্বাস দিলে। "অলপ পিছতে সি এটা বৰ ৰাৱাল কুকুৰা আনি দি কলে—"নে ঘড়ী। চাবি দিব নালাগে। ৰাতি চাকি লগাই চাবও নালাগে। তিনি-বাজি আধাঘণ্টাত এবাৰ দুবাৰ মাতিব। উঠিলে উঠিবি, নুঠিলে আকৌ পাঁচবজাত মাতিব। কেতিয়াবা ঘড়ীৰ লগত মিলাই চাবি, ঠিক পাবি।" বুঢ়া মিকিৰে কোৱা কথা সত্য যে তাত আমাৰ সন্দেহ নাই। ৰাৱাল কুকুৰাৰ মাত এলাৰ্মৰ চৈধ্যপুৰুষ।" সাধাৰণ মানুহৰ স্বাভাৱিক বুদ্ধি-বৃত্তিও যে প্ৰশংসাৰ যোগ্য তাক বিলাতফেৰৎ বেৰিষ্টাৰে জানিছিল। এনে প্ৰশংসাৰে ফুকনৰ কাহিনীবিলাক ভৰি আছে।

'চিকাৰ কাহিনী' মৰণোত্তৰ ভাবে প্ৰকাশিত। পুথিখনত ফুকনৰ সকলো চিকাৰ অভিজ্ঞতা সন্নিবিষ্ট হৈছে নে নাই আমি নাজানো। সন্নিৱিষ্ট কেইটিমান কাহিনীত বুৰঞ্জীৰ সমলো আছে। কংগ্ৰেছৰ

তৰফে মন্ত্রীসভাৰ ওপৰত অনাস্থা দিয়া আন্দোলনৰ বিস্তৃত বিৱৰণ দিয়া আছে, যিবাৰ মৌলানা আজাদ আৰু সুভাষচন্দ্ৰ বসুকো অনা হৈছিল। দেশভক্ত ফুকন নিজে এই কাৰ্য্যত লিপ্ত আছিল কাৰণে এই বৰ্ণনা অতিশয় মূল্যবান হৈছে। সদস্য ভঙোৱা, কোনো কোনোৰ দ্বাৰা গাড়ীৰ পথত শুই দি কৰা পিকেটিং, সেইকেইদিন ছিলঙত ভীষণ ৰাজনৈতিক কৰ্মব্যস্ততা—এই বৰ্ণনা ভৱিষ্যৎ বুৰঞ্জীবিদৰ বাবে মূল্যবান সম্পদ হৈ থাকিব। কোচবিহাৰৰ মহাৰজা নৃপেন্দ্ৰনাৰায়ণ ভূপবাহাদুৰৰ নেতৃত্বত গোৱালপাৰাত যি চিকাৰ হৈছিল ( ইয়াক আফ্ৰিকাৰ অৰ্থত চাকৰি বুলিবই পাৰি ) তাক এটা 'ইলাহী কাৰবাৰ' আখ্যা দিব লাগিব ঃ কলিকতাৰ পৰা সামগ্ৰী অনা, নিতৌ ডাক অনা-নিয়া কৰা, তম্বুৰে এখন নগৰ কৰি লোৱা, বিজুলীৰ যোগান ধৰা—ইত্যাদিৰ যি পুঙ্খানুপুঙ্খ বিৱৰণ ফুকন ডাঙৰীয়াই দিছে তাক বিগত দিনৰ ৰজা-জমিদাৰৰ বিলাসী জীৱনৰ ইতিহাসৰূপে গণ্য কৰিব লাগিব। ৰজাৰ চখ আৰু উদাৰতা, নানান নাটকীয় ঘটনাৰ আমোদজনক উল্লেখ, ফুকনৰ উপস্থিতবুদ্ধি, ওৰেৰাতি বৰষুণত তিতি-বুৰিও ৰাতিপুৱা ঠিক আঠ বজাতে চিকাৰলৈ যাবলৈ ৰজাৰ আদেশ—ইত্যাদি বিষয় পঢ়ি গলে কথাছবি চাই থকা যেনেই লাগে। মটৰগাড়ী নোহোৱা দিনত এবাৰ গুৱাহাটীৰপৰা বকোলৈ ১৪ টা হাতীৰে চিকাৰ কৰিবলৈ তিনিদিনত যোৱাৰ যি কাহিনী ফুকনে দিছে তাত সদ্যবিলাৎফেৰত জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়াৰ "ভয়াতুৰ প্ৰকৃতি"ৰ এটি সুন্দৰ চিত্ৰ ব্যক্ত হৈছে। জে-বৰুৱাৰ জীৱন লিখোঁতাই ইয়াক নিশ্চয় লাভজনকভাৱে প্ৰয়োগ কৰিব পাৰিব।

চিকাৰী ফুকনৰ যি যাদুকৰী 'এডভেন্সাৰ' তাক এইদৰে প্ৰবন্ধ লিখি ফুটাই তুলিব নোৱাৰি। পাঠকে তেওঁৰ নিজৰ বৈশিষ্ট্যৰ বিৱৰণ পঢ়িলেই তাক অনুভৱ কৰিব পাৰিব। বৰষুণৰ বতৰত কোমল মাটিৰ পিচল পৰ্বত বগাই, মহ-ডাঁহ-জোকৰ কামোৰ সহ্য কৰি, হাতীৰ গেদাত তিষ্ঠি থাকিবলৈ চেষ্টা কৰি, ৰঙিয়া অঞ্চলত এটা বাৰেপতি কেৰাই যোৱা 'মায়া হাতী'ৰ অনুসন্ধান কৰি তেওঁ যি লোমহৰ্ষক অভিজ্ঞতা লাভ কৰিছিল তাক তাৰ বৰ্ণনা পঢ়িয়েই পাঠকে বুজিব পাৰিব। দেশভক্ত ফুকনৰ লেখা ৰসাল, প্ৰায়েই অসমীয়া-সংস্কৃত পুথিৰ উদ্ধৃতিৰে তাক আমাৰ ওচৰত তেওঁ সুপৰিচিত কৰি তুলিছে। চকৰদক তেওঁ যেনেকৈ 'চিকাৰীৰ স্বৰ্গ' আখ্যা দিছে, তেনেকৈ চিকাৰৰ কাৰণে অসম দেশখনকো তেওঁ অদ্বিতীয় বুলি সুন্দৰবনলৈ যাওঁতে

অনুভৱ কৰিছিল। অসংখ্য চৰাই আৰু মাছৰ নাম উল্লেখ কৰি তেওঁ অসমৰ প্ৰাকৃতিক জগতখনক হাড়ে-হিমজুৰে চিনি পোৱাৰ দৃষ্টান্ত ৰাখি গৈছে। হাতীৰ লক্ষণ সম্বন্ধে যেনেকৈ এফালে তেওঁ বিজ্ঞ জনৰ অভিমত প্ৰকাশ কৰি গৈছে, তেনেকৈ আনফালে হাবিত হৰিণা পহুৱে কেনেকৈ বান্ধৱৰ সহায় লৈ ঘূৰিপকি ফুৰে তাক উল্লেখ কৰি বনৰীয়া জন্তুৰ প্ৰকৃতি সম্বন্ধে নিজৰ জ্ঞানৰ পৰিচয়ো দি গৈছে। আজিকালি বন্যপ্ৰাণীৰ ফটো তোলাটো এটা প্ৰশংসনীয় আৰ্ট হৈ উঠিছে; তৰুণৰাম ফুকনেও সদায় চিকাৰলৈ যাওঁতে কেমেৰা লৈ যোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰাটো মন কৰিবলগীয়া।

মুঠতে ‘চিকাৰ-কাহিনী’ দেশভক্ত ফুকন ডাঙৰীয়াৰ অসমীয়া সাহিত্যলৈ এক বিশিষ্ট অৰিহনা।

# ফুকনৰ চিকাৰ-কাহিনী (২)

## শ্ৰীনৰেন্দ্ৰনাথ শৰ্মা

১৯৩৫ কি '৩৬ চনত দেশভক্ত তৰুণৰাম ফুকনৰ বক্তৃতা শুনিছিলোঁ—হিন্দী, ইংৰাজী আৰু অসমীয়াত দিয়া বক্তৃতা। তিনিওটা ভাষাতে এনে সুন্দৰকৈ দিয়া বক্তৃতা তাৰ পিছৰ চল্লিছ/একচল্লিছ বছৰে অতি কমেই শুনিছো। নিখুঁত শব্দ-চয়ন আৰু বলিষ্ঠ বাক্য-গাঁথনিৰে সমৃদ্ধ তেওঁৰ 'তৈলধাৰাবৎ অনবচ্ছিন্ন' ওজস্বিনী বক্তৃতাত সভামণ্ডপ কঁাহ পৰি জীণ যোৱা দেখিছিলো।

তেতিয়া দেশভক্ত ফুকনক জানিছিলো এজন ৰাজনৈতিক নেতা, স্বাধীনতা যুঁজৰ গুৰি ধৰা কংগ্ৰেছ অনুষ্ঠানৰ এজন বিশিষ্ট নেতা আৰু এজন নিপুণ বাগ্মী হিচাপে। কিন্তু পিছত যেতিয়া তেওঁৰ 'চিকাৰ কাহিনী', ছাত্ৰ সন্মিলনৰ সভাপতিৰ অভিভাষণ, সাহিত্যসভাৰ সভাপতিৰ অভিভাষণ পঢ়িবলৈ পালোঁ। তেতিয়া তেওঁৰ লিখিত ভাষাৰ সৌষ্ঠৱ আৰু মনোগ্ৰাহিতাত একে ধৰণেই অভিভূত হলোঁ।

সমগ্ৰ অসমীয়া সাহিত্যতে ফুকন ডাঙৰীয়াৰ 'চিকাৰ-কাহিনী' এক মনোৰম সৃষ্টি। জিম কৰ্‌বেটৰ 'মেন ঈটাৰ্ছ অব্ কুমায়ুন'ৰ দৰে লোমহৰ্ষক এই কিতাপখনিত তেওঁ বিপদৰ লগত দিয়া থিয়যুঁজখন অতি মনোগ্ৰাহীকৈ বৰ্ণাইছে। ইয়াত তেওঁ পোনপটীয়া বৰ্ণনাৰ দ্বাৰা পাঠকৰ লগত পৰিস্থিতিক অতি ঘনিষ্ঠভাৱে পৰিচয় কৰাই দিবলৈ সক্ষম হৈছে। পঢ়ি যাওঁতে পৰ্বতৰপৰা এই পৰিম, এই পৰিম ভাবত আমাৰ গাৰ নোম সিয়ঁৰি উঠে, বাঘে এই ধৰে এই ধৰে ভাবে ভীতিৰ সঞ্চাৰ কৰে। কেতিয়াবা তাকে আকৌ তেওঁ অ-অলঙ্কাৰ পিন্ধাই মনোমোহা ৰূপত সজাই তোলে।

প্ৰাকৃতিক পৰিৱেশেৰে হওক বা কোনো লোকৰ আকৃতি-প্ৰকৃতিৰ ধৰণেৰে হওক, ফুকনৰ বৰ্ণনা অতি মনোমোহা। একেটা কথাকে ফেনাই নাথাকি কেইটামান বাক্যেৰেই তেওঁ একোটা পৰিবেশ ধুনীয়াকৈ ফুটাই তুলিব পাৰে ঃ

"সিহঁতৰ বাসস্থান গিৰিমালা পৰিবেষ্টিত ; গগণস্পৰ্শী পৰ্বত-শৃঙ্গত। সিহঁতৰ বাসভৱন কিন্তু আৱাস ভূমিখণ্ড আৱৰ্জনাৰহিত।

দিগন্তব্যাপী অৰণ্যানী পৰিবেষ্টিত ক্ষেত্ৰভূমি শস্যমণ্ডিত ; কিন্তু অনাৱশ্যকীয় উদ্ভিদশূন্য। বাসস্থান যোৱতী নিঝ'ৰিণী পৰিবেষ্টিত অথচ পঙ্কবিহীন। প্ৰখৰ সূৰ্য্য-কিৰণোদ্দীপ্ত পৰ্বতশ্ৰেণীক মলয়াৰ বা-ই সততে শীতল কৰি ৰাখে।"

—এয়া সংস্কৃতীয়া প্ৰায়-কাব্যিক ভাষাৰে লিখা বৰ্ণনা। এই ভাষা আমি শুনিবলৈ পাওঁ ১৯২৮ চনত তেজপুৰত বহা অসম ছাত্ৰ সন্মিলনৰ সভাপতিৰ অভিভাষণত :

> "আজিৰ এই যৌৱন-বসন্তৰ আনন্দ উৎসৱত যোগ দি যাৰ হিয়া উলাহত নাচি নুঠে, সি নিতান্ত দুৰ্ভগীয়া। কিন্তু হাহাকাৰপৰিপূৰ্ণ ভাৰতৰ এচুকত দুখে-শোকে জুৰুলা অসম মাতৃৰ কোলাত, এমুঠি ছাত্ৰৰ সম্মেলনৰ অন্নবস্ত্ৰৰ অভাৱত, প্ৰাণৰ কাতৰত ওলোৱা অজস্ৰ নৰ-নাৰীৰ শূন্যহিয়াৰ আৰ্তনাদ তল পেলাই আমাৰ এই আনন্দ-উৎসৱৰ কিবা সাৰ্থকতা আছে নে নাই তাক গমি চোৱা উচিত হ'ব।...
> জীৱনী-শক্তিৰ আধাৰ ডেকাসকলৰ প্ৰাণৰ আনন্দৰ ঢৌ এটি আহি কিজানিবা জীৱন পবিত্ৰ কৰে, যৌৱন-জোনালী জীৱনৰ এটি জিলিঙনি পৰি কিজানি আন্ধাৰে ঢাকি ধৰা নিৰাশ জীৱন ক্ষন্তেকলৈ হীৰাৰ দৰে জিলিকি উঠে, কিজানিবা সেই পোহৰতেই জয়শ্ৰীমণ্ডিত ভাৰত-লক্ষ্মীৰ মহিমাময়ী মূৰ্তি ক্ষন্তেকলৈ দেখা যায়, কিজানিবা শোকাতুৰা অসম-জননীৰ দুখ নিবাৰণ সঙ্কল্পৰ মহামন্ত্ৰ এই ছাত্ৰ সন্মিলনৰ মহাযজ্ঞতেই উচ্চাৰিত আৰু ধ্বনিত হৈ দেশে-বিদেশে প্লাৱিত কৰি দিয়ে..."

কিন্তু এই ভাষা, এই ৰচনাশৈলী তেওঁৰ চিকাৰ-কাহিনীত বৰকৈ পোৱা নাযায়। 'চিকাৰ-কাহিনী'ৰ ভাষা নিভাজ অসমীয়া ঘৰুৱা ভাষা। তলৰ বৰ্ণনাত তাৰ নিদৰ্শন পাব :

> "পৰ্বতে পৰ্বতে তিনি বজালৈকে ফুৰিলোঁ। পৰ্বত অতিশয় থিয়। ডাঙৰ ডাঙৰ কাকবাঁহে বাট ভেটি ধৰে। বনৰীয়া হাতীয়ে মূৰ সুমাই দি কোনোমতে সৰকি যায়, কিন্তু মালবস্তু লৈ আমাৰ হাতী নিয়া যে কি কষ্ট তাক নেদেখিলে বৰ্ণোৱা টান। অতি সাৱধানে আৰু অতিশয় লাহে লাহে নগলে প্ৰাণৰ সংশয়...আমাৰ হাতী নিওঁতে বুকু ধপ্‌ধপাই যায়। পিচলিলে আধামাইল

ভলতহে ৰবগৈ। ...যাত্ৰাৰ আদিৰে পৰা অন্তলৈকে বৰষুণ। ...বৰষুণত সেই স্থান অতি ভয়ঙ্কৰ। জোকে-পোকে, মহে-ডাঁহে, সাপেসুপে, বাঘে-ভালুকে ভদুপৰি অতিকায় হস্তী-পৰিবাৰে ভৰা, কেতিয়া কি প্ৰকাৰে আক্ৰমণ কৰে তাৰ নিশ্চয়তা নাই।"

—তথাপি জানো ফুকনে তেনে বিপদলৈ পাছ হুঁইকি চিকাৰলৈ নোযোৱাকৈ আছে ?

"এদিন নহয়, দুদিন নহয় ; এমাহ নহয়, দুমাহ নহয় ; এবছৰ নহয়, দুবছৰ নহয় ; আজি কুৰি-পঁচিছ বছৰে বাৰিষা-খৰালি অশেষ দুৰ্যোগ উপেক্ষিও এই ঠাইলৈ আহি আছোঁ।..."

এই বৰ্ণনাসমূহৰ মাজেদি ফুকন মানুহজনৰ ব্যক্তিত্বৰ এটা দিশ পাঠকৰ আগত প্ৰকট হৈ উঠে। সি হৈছে তেওঁৰ দুৰ্জয় মনোবল আৰু সাহস। লগতে মনত পৰে ভাৰতবৰ্ষৰ আন এজন চৰম পৰ্যায়ৰ নেতা পণ্ডিত জৱাহৰলাল নেহৰুৰ দুঃসাহসিক পৰ্বতাৰোহণৰ কথা। পণ্ডিতজীয়ে বিয়াৰ কিছুদিন পিছতে হিমালয় পৰ্বতৰ অমৰনাথ গুহা চাবলৈ গৈছিল। তাতো তেওঁৰ পথ আছিল অতিকে দুৰ্গম, অতিকে বিপদসঙ্কুল। আত্মজীৱন-চৰিতত তেওঁ লিখিছিল :

"এই ভ্ৰমণতে এটা লোমহৰ্ষক অভিজ্ঞতাৰ সোৱাদ পাইছিলো... ৰছীৰ সহায়েৰে আমি কেইবাটাও তুষাৰ-পৰ্বত পাৰ হৈ আমাৰ বস্তু-বাহানি কঢ়িয়াই লৈ যোৱা কেইজনমানৰ বোজা বেছি নাছিল যদিও তেওঁলোকৰ নাকে-মুখে তেজ ওলাবলৈ ধৰিলে। ... বৰফেৰে পাহাৰবোৰ ভয়ানকভাৱে পিচল...বহুত শক্তি প্ৰয়োগ কৰিলেহে খোজ কাঢ়িব পৰা অৱস্থা...ভাগৰ লাগিছিল যদিও মনৰ আনন্দেৰে আগবাঢ়িবলৈ ধৰিলোঁ। কামটো আছিল বৰ বিপদসঙ্কুল, কাৰণ বৰফৰ মাজে মাজে বহুতো ফাট আছিল আৰু নতুনকৈ বৰফ পৰি বহুতো বিপদজনক ঠাই ঢাকি পেলাইছিল ... আগবাঢ়িবলৈ ধৰিছোঁহে তৎক্ষণাৎ বৰফ নাইকিয়া হৈ গ'ল আৰু এটা বিৰাট মুখ মেলি থকা ফাটেদি সোমাই গ'লোঁ।"

ইয়াৰ মাজেদি ফুটি উঠিছে দুয়োজন সিংহপুৰুষৰে লক্ষ্যপথৰ হাজাৰ বিপদলৈ আওকাণ কৰি আগবাঢ়ি যোৱাৰ অদম্য সাহস। তেওঁলোকৰ যেন অভিলাষ আছিল :

: বিপদে মোৰে ৰক্ষা কৰো
এ নহে মোৰ প্ৰাৰ্থনা
বিপদ আমি না যেন কৰি ভয়।
—গীতাঞ্জলি

বৰং তাতোকৈও বেছিহে। বিপদ মাতি আনিও যেন তাৰ লগত যুঁজিব, এনেহে মনোভাব।

'চিকাৰ-কাহিনী'ৰপৰা উদ্ধৃত কৰা ওপৰৰ সেয়া বিপদসঙ্কুল যাত্ৰাপথৰ বিৱৰণ। ইয়াৰ ভাষা পোনপটীয়া। বাস্তৱ ঘটনা আৰু পৰিস্থিতিৰ এটা সম্যক ধাৰণা দিবৰ কাৰণে এটা বৰ্ণনা। ইয়াত অলঙ্কাৰ নাই। কিন্তু শব্দ-চয়ন আৰু বাক্যগঠনৰ কৌশলেৰে অলঙ্কাৰবিহীন সেই উকা ভাষাৰেই ফুকনে অতি লোমহৰ্ষক দৃশ্যৰ অৱতাৰণা কৰিছে। তলত চাওক আন এটা বৰ্ণনা। চিকাৰলৈ যাওঁতে লগ পোৱা নাৱৰীয়াজনৰ শাৰীৰিক গঠন আৰু প্ৰসন্ন চিত্তৰ কথা ইয়াত বৰ্ণাইছে :

> "চুটিকৈ ঘুটমুটীয়া মানুহজন। চকু দুটি সৰু, গাৰ বৰণ ঘোৰ কৃষ্ণ নহলেও উজ্জ্বল শ্যামবৰ্ণ নহয়, অৰ্থাৎ ক'লা। চুলি দীঘলকৈ ৰাখিছে, প্ৰায়ে মেলি থয়; কিন্তু সময়ত কেতিয়াবা পিন্ধিউবি ওলোৱাত বলেৰে টানি অতি কষ্টেৰে ডাঙৰ তামোল এটাৰ সমান থোপা এটা বান্ধে। অঙ্গবস্ত্ৰ পাঁচ ঋতুতে নাথাকে, অতি শীতত চুটি কাপোৰ এডুখৰি গাত লয়। মুঠতে পৰিচ্ছদৰ পৰিমাণ আৰু প্ৰকাৰ ভেদত মহাত্মা গান্ধীক চেৰ পেলাই মহাদেৱৰ সমকক্ষ হয়। সদায় প্ৰসন্ন মুখ, নাই কোনো দুখ, অতি অকাতৰ চিত্ত। দীপৰ মহাসমুদ্ৰৰ একমাত্ৰ কাণ্ডাৰী এৱেঁই।"

ইয়াৰ প্ৰথমখিনিত যদিও পোনপটীয়া ভাষা, পিছলৈ সেই ভাষাই এপদ দুপদ অলঙ্কাৰ পিন্ধিছে। এনেকৈ তেওঁ য'ত ঘটনা বা পৰিস্থিতিৰ কঙ্কাল-টোকে সাজপাৰ আ-অলঙ্কাৰ পিন্ধাই পঢ়ুৱৈ সমাজৰ আগলৈ উলিয়াই দিছে তেতিয়া তাৰ মাজেদি তেওঁৰ ৰচনাশৈলীৰ এটা বেলেগ বৈশিষ্ট্য ফুটি উঠিছে। আৰু চিকাৰৰ বৰ্ণনাই এক আমোদজনক কাহিনীৰ ৰূপত পাঠকৰ আগত উপস্থিত হৈছে :

> "মৃত্যুক উপেক্ষা কৰি সমুখ সমৰত প্ৰাণ দিবলৈ সাজু হৈ যুঁজ দিবৰ মনেৰে গজেন্দ্ৰই ঘূৰি মোৰ পিনে আগবাঢ়িল। ১০ হাত অন্তৰতে

পাই কপালৰ ৰক্ত-চন্দনৰ বজ্ৰ-ললাটিকা পিন্ধাই দিয়া হ'ল। তেওঁ সগৌৰৱে আঁঠু ললে ; ময়ো সসম্ভ্ৰমে অগ্নিবাণ নিক্ষেপ কৰি মৃত্যু-মঙ্গল আচৰণ কৰিলোঁ। ওপৰৰপৰা হুঁহকি তলত ভালদৰে পৰ্বত-ক্ৰোড়শায়ী হ'ল। আমি বিজয় ঘোষণা কৰি কেম্পলৈ উভতি আহিলোঁ।"

সাধাৰণ কথাটো আছিল, তেওঁ বনৰীয়া হাতীটোৰ কপালতে গুলী মাৰিলে আৰু গুলী খাই হাতীটো মৰি বাগৰি পৰ্বতৰ চেপত পৰিলগৈ। কিন্তু ফুকনে তাকে সজাইপৰাই এনেকুৱা ৰূপত উপস্থাপিত কৰিলে যেন সেয়া কুৰুক্ষেত্ৰৰ যুদ্ধত মধ্যম পাণ্ডৱে তেওঁৰ অব্যৰ্থ গাণ্ডীৱৰ শৰেৰে কৌৰৱ পক্ষৰ কোনোবা এজন পিতামহকে সমুখ সমৰত পৰাস্ত কৰি ধৰাশায়ী কৰিছে। নাইবা, সেয়া জানিবা গ্ৰাহ-গজেন্দ্ৰৰ যুঁজহে।

আকৌ :

"দন্তালৰ ছবিটিয়ে পৃথিৱীৰ আন চিন্তা দূৰ কৰি দুখ-ভাগৰ পাহৰাই ৰাখিলে। বেলি মাৰ যোৱালৈকে দন্তালৰ ৰূপ ধ্যান কৰি (ধ্যায়েন্নিত্যং মহেশং ৰজত গিৰিনিভং' বুলি যেন শিৱৰ ধ্যানহে কৰিছিল) সৎসঙ্গ বিচাৰি আন কেনিবা গ'ল (দন্তালে চাগৈ 'ত্যজ দুৰ্জন সংসৰ্গং ভজ সাধু-সমাগমম্' এই নীতি-বাক্যষাৰ জানিছিল ?) দুখ-ভাগৰে সাজে-সন্ধ্যাই কেম্প পালোঁহি। বাটে বাটে পুনৰ সঙ্কল্প কৰিছিলোঁ, দন্তাল ককাইক বিচাৰি উলিয়াবই লাগিব, লগ ধৰি প্ৰীতিসম্ভাষণ জনাবই লাগিব। (মোমাইৰ পুতেক 'ককাই' নে দদাইৰ পুতেক 'ককাই' ?)

আৰু আন এঠাইত :

"তাতে কুমজেলুকাসকলে দুৰ্লভ মনুষ্য-ৰক্তৰ কাৰণে তপস্যা কৰি বৈ থাকে। পানীত ভৰি দিয়া মাত্ৰকে তপস্যাৰ ফললাভৰ কাৰণে তপস্বীসকলে সত্যাগ্ৰহ কাৰ্য্যত ব্যাপৃত হয়।

চিকাৰ-কাহিনীৰ ৰচনাশৈলীৰ আৰু এটা বৈশিষ্ট্য হৈছে চুটি চুটি বাক্যৰে পৰিস্থিতিৰ বৰ্ণনা। অলঙ্কাৰবিহীন ভাষাৰে ফুকনে যেতিয়া কোনো ঘটনা বৰ্ণাব খোজে তেতিয়া তেওঁৰ বাক্যবোৰ সাধাৰণতে চুটি হয়। চুটি চুটি বাক্যবোৰ ইটোৰ পিছত সিটো আহিবলৈ 'কিউ' কৰি থাকে। চাবলৈ গ'লে দুঃসাহিক ঘটনা বা লোমহৰ্ষক পৰিস্থিতিৰ বৰ্ণনা দিওঁতে ভাষাৰ জটিলতাই

যদি ভাব ধুৰঁলিকুৰঁলী কৰে, তেন্তে তাত ৰসভঙ্গহে হয়। তলত দিয়া বৰ্ণনাটোলৈ মন কৰক ঃ

"সৰ্বশেষত আহিল এটা দলৰ মখনা। সি মাৰিবৰ যোগ্য হলেও দলৰ মখনা বুলি নামাৰিলোঁ। চাহান গৈ শেষ হ'ল। কিন্তু বাকী দুটা হাতীৰ একো খা-খবৰ নাই। অলপ সময় সেই ঠাইতেই থাকি ওপৰলৈ গৈ আকৌ এডাল গছৰ আশ্ৰয় ললোঁগৈ। অলপ পৰৰ পিছত এটি সৰু শব্দ কাণত পৰা যেন লাগিল। শব্দ অহা ফাললৈ একান্তে চাই ৰ'লোঁ। ক্ষন্তেক পিছতেই অতি ধীৰে গজেন্দ্ৰগমনে যাব ধৰা দেখিলোঁ এটা দঁতাল। মাৰিবৰ মন কপালত। কিন্তু ভালকৈ দেখোঁমানে মূৰটো অলপ আগবাঢ়িল। সি আমাৰ নিচেই ওচৰতে প্ৰায় কুৰিহাত মান নিলগত। ...

ইয়াত দেখা যায়, ভাবৰ গতিবেগৰ লগত বাক্যৰ গতিবেগ সমানে সমানে চলাৰ কাৰণে পৰিস্থিতিৰ গুৰুত্ব উপলব্ধি কৰা সহজ হৈছে।

চুটি চুটি বাক্যবোৰ আকৌ কেতিয়াবা একোটা ফকৰা-যোজনাৰ ( aphorism ) দৰে হৈ ওলায় ঃ

"শ্ৰৱণত তেওঁ বধিৰ কিন্তু কীৰ্তনত পৰম বৈষ্ণৱ," "চিকাৰে দয়া-মৰম মনৰ দুৰ্বলতাহে বুলি চিকাৰীক অনুভৱ কৰায়

"ৰায়াল কুকুৰৰ মাত এলাৰ্মৰ চৈধ্যপুৰুষ।"

ঠায়ে ঠায়ে জতুৱা ঠাচৰ প্ৰয়োগেও তেওঁৰ ৰচনা ৰসাল কৰি তোলে ঃ

জোৰৰ আগত বস্তিৰ পোহৰ

চুলিৰ আগে জীৱ গ'ল

কণ্ঠত ধাতু আহিল

দাতাই দিয়ে বিধাতাই নিয়ে

চোৰকো মোৰে পায়, লোহাকো মামৰে খায়

পিয়াহত অণ্ঠকণ্ঠ শুকাই যায়।

মূঠৰ ওপৰত, 'চিকাৰ-কাহিনী'ত ৰস আছে, সাহিত্যসৃষ্টিৰ সৌন্দৰ্য্য আছে। ৰাজনীতি নকৰিলেও, কেৱল সাহিত্যসৃষ্টিৰেই ফুকনে বৰ্তমানৰ উচ্চ আসন লাভ কৰি থা কলহেঁতেন। সাহিত্যিকক 'দেশভক্ত'ৰ দৰে কিবা উচ্চ পৰ্যায়ৰ উপাধি দিয়াৰ দস্তুৰ থাকিলে সেই উপাধিও ফুকনে পালেহেঁতেন।

# ফুকনৰ ৰচনাৰ 'স্টাইল্'

### শ্ৰীনগেন শইকীয়া

কৈশোৰ যাওঁ যাওঁ বয়সত পঢ়া ৰচনাৰ ভিতৰত তৰুণৰাম ফুকনৰ "মোৰ চিকাৰ-কাহিনী"ও অন্যতম। "কান দুখন ডিঙিত লগাকৈ, সৌ-সোঁৱাই দাঁত নিকটাই হাও হাও কৰি কাঁড়বেগে খেদি আহি হাতীৰ ওপৰলৈ জঁ‍াপ মৰা" বাঘিনীক শ্ৰুতি আৰু দৃষ্টিজ্ঞান দুয়োটাৰে একেলগে অনুভৱ কৰি উত্তেজিত আৰু উৎকণ্ঠিত হৈ পৰিছিলো। তেনেই ঘৰুৱা, চিনাকি শব্দেৰেও যে সঙ্কটজনক মুহূৰ্তৰ এনে নিখুত ছবি আঁকিব পাৰি সেই কথা বুজি পাবলৈ সময় লাগিছিল। এনে বৰ্ণনাৰ পিছতেই চিকাৰীৰ মনৰ অৱস্থা আৰু বাঘিনীৰো সম্ভাব্য মনৰ অৱস্থাৰ বৰ্ণনাত ঘৰুৱা শব্দৰ লগত ব্যৱহৃত সংস্কৃতীয়া শব্দৰ ধ্বনি-মাধুৰ্য্য মন কৰিবলগীয়া। যথা:

> "মনত পৰিল গ্ৰাহগ্ৰস্ত গজেন্দ্ৰৰ উক্তি, '··জানিলোহো বন্দী হৈলোঁ বিধাতাৰ পাশে'। মাউতৰ আকুল মিনতি উপেক্ষা কৰি, মৃত্যুকো উপেক্ষা কৰি, বাঁওহাতে বন্দুক লৈ সোঁহাতে লিপলিপিত আঙুলি দি যমোপমা বাঘিনীৰ আক্ৰমণ প্ৰতীক্ষা কৰি ৰ'লোঁ। অনুমান হয়, সন্তানৰ অনিষ্ট আশঙ্কাত ক্ৰোধান্বিতা ক্ষতোন্মত্তা ব্যাঘ্ৰজননীৰ আৰু আত্মাভিমানী সস্ত্ৰপাণি চিকাৰীৰ মৃত্যুকাহিনীৰ যুদ্ধৰ ফল চাবৰ কাৰণে গজৰাজ হস্তী নিশ্চল হৈ ৰৈ আছে।···"

কিন্তু এই 'কাহিনী'ৰ পিছত বহু দিনলৈ তৰুণৰাম ফুকনৰ আন কোনো ৰচনাৰ লগত পৰিচয় হোৱাৰ সুযোগ ঘটা নাছিল। কলেজত পঢ়ি থকাৰ সময়ত পুনৰ সুযোগ ঘটিল তেওঁৰ 'আৱাহন'ত প্ৰকাশিত আন এটি কাহিনী পঢ়াৰ; বোধকৰোঁ 'মায়াহস্তী' নামৰ কাহিনীটো। তাৰ পিছত সৌ সিদিনা, মাত্ৰ পাঁচবছৰমানৰ আগতে অসম প্ৰকাশন পৰিষদে তেওঁৰ বাৰটি কাহিনী একেলগে থুপাই প্ৰকাশ কৰা 'চিকাৰ-কাহিনী'য়ে ফুকনৰ ৰচনা আৰু চিকাৰ কাহিনীৰ সোৱাদ লবলৈ সুযোগ দিলে। ফুকনে অসম সাহিত্য-সভাৰ সভাপতিৰ আসনৰ পৰা দিয়া ভাষণ পঢ়িছোঁ। তেওঁৰ অসাধাৰণ বাগ্মিতাৰ আৰু উপস্থিত

তীক্ষ্ণবুদ্ধি-সন্ধিৰ অনেক গল্প শুনিছো ; সহজেই আনৰ আনুগত্য আদায় কৰিব পৰা ব্যক্তিত্বৰ কথাও শুনিছো ; কিন্তু তেওঁৰ চিকাৰ-কাহিনীসমূহে দান কৰা সোৱাদ ইবোৰৰ লগত সলাব পাৰি বুলি ভাবিব পৰা নাই। অৱশ্যেই এই ৰচনাসমূহৰ আঁৰতো ফুকনৰ ব্যক্তিত্বৰ বৈশিষ্ট্যই ক্রিয়া কৰি আছে। তেওঁৰ ৰচনাৰ স্টাইল একান্ত ভাবেই তেওঁৰ নিজৰ আৰু তাৰ মাজতে তেওঁৰ ব্যক্তিত্বকো অতি সহজেই অনুভৱ কৰিব পাৰি। "স্টাইল ইজ দি মেন্" বুলি কথা এষাৰ আছে। ফুকনৰ ৰচনাৰ স্টাইলেও এনে এজন মানুহক মনৰ চকুৰ আগলৈ আনে—যাৰ মাজত অদমনীয় মনোবল আছে, জীৱনক আনন্দময় কৰি ৰখাৰ প্রৱল স্পৃহা আছে, প্রখৰ বুদ্ধিদীপ্ততাৰ লগতে প্রশস্ত সবল মন এটিও আছে।

'স্টাইল' শব্দটো উচ্চাৰণ কৰাৰ লগে লগে আমি সাধাৰণতে তিনিটা কথা একেলগে ভাবোঁ ঃ ৰচনাৰ বিষয়বস্তু, লিখকৰ ব্যক্তিত্ব আৰু ৰচনাৰ প্রকাশ-ভঙ্গী। বহুতে ষ্টাইল শব্দটোৰ সমৰ্থক স্বৰূপে 'ৰীতি' শব্দটো ব্যৱহাৰ কৰিব খুজিলেও ইংৰাজী ষ্টাইল শব্দটোৰ অৰ্থব্যঞ্জনা ই বহন কৰিব নোৱাৰে। বামনৰ 'বিশিষ্ট পদ ৰচনাৰীতি ঃ' স্টাইলৰ বেছি ওচৰ চপা। কুন্তকৰ মতে ৰীতি কেৱল পদ-সংস্থাপনৰ বাহ্য-কৌশলেই নহয়, ই কবিৰ অন্তৰ্নিহিত স্বভাৱ-ধৰ্ম। ফুকনৰ ৰচনাৰ মাজতো এই অন্তৰ্নিহিত স্বভাৱ-ধৰ্ম স্পষ্টভাবেই অনুভৱ কৰিব পাৰি। ফুকনৰ ৰচনাৰ মাজত তেওঁৰ ব্যক্তিত্বৰ এটা দিশৰ প্রকাশ অতিশয় উজ্জ্বল। সি হ'ল—লক্ষ্য বা উদ্দেশ্য পৰিপূৰণৰ অদম্য স্পৃহা। এবাৰ এটা লক্ষ্য গ্রহণ কৰাৰ পিছত হাজাৰ বিপদ-বিঘিনিয়েও তেওঁক সেই লক্ষ্যৰ পৰা পিচলাব নোৱাৰে। 'খোজকাঢ়ি হাতী বিচাৰি' যাওঁতেই হওক বা 'মায়াহস্তীয়েই হওক, অথবা ৰাজনৈতিক-চিকাৰ কাৰ্য্যই হওক, এবাৰ সিদ্ধান্ত গ্রহণ কৰাৰ পিছত বুদ্ধি-সন্ধি কৰি হওক, শক্তি প্রয়োগ কৰি হওক তাক কাৰ্য্যকৰী কৰিবই। য'তেই কৌশলৰ কথা, ত'তেই ফুকনৰ বাক্য-ৰীতি বক্র ; য'তেই সিদ্ধান্তৰ কথা, ত'তেই বাক্যৰীতি সৰল।

দুটা উদাহৰণ লোৱা যাওক ঃ

> "বেলি মাৰ যোৱালৈকে দন্তালৰ ৰূপ ধ্যান কৰি অন্যমনা হৈ থাপ ললোঁ। দন্তালে সৎসঙ্গ বিচাৰি আন কেনিবা গ'ল। বাটে বাটে পুনৰ সঙ্কল্প কৰিলোঁ, দন্তাল ককাইক বিচাৰি উলিয়াবই লাগিব, লগ ধৰি প্রীতি-সম্ভাষণ জনাবই লাগিব—এনেতে শ্রীযুত চন্দ্রকমল

বেজবৰুৱাৰ ডাক পৰিল টেলিগ্ৰাফেৰে, যোৰহাট কাছাৰীত চিকাৰ ওলোৱা বুলি।" এই অংশৰ বাক্য-ৰীতিৰ বক্ৰতা সহজেই অনুমেয়। আনফালে তলৰ অংশৰ বাক্য-ৰীতিৰ সৰলতাও মন কৰিবলগীয়া :

"ক'লৈ যাওঁ, কি কৰোঁ এইদৰে ভাবি-চিন্তি হাতীৰ কাৰণে গিৰিইঁতলৈ দুখনমান চিঠি লিখিলোঁ। এজনে পত্ৰবাহকৰ হাতেতেই উত্তৰ দিলে—হাতী দিম বুলি। খবৰ পাই মনটো ভাল লাগিল; লগে লগে গাটোও ভাল লগা যেন পালোঁ। স্থিৰ কৰিলোঁ—পাওঁ নাপাওঁ, হাতীকে এটা বিচাৰি আছোঁ।"

প্ৰথমটোত শব্দ-শক্তিয়ে লাভ কৰা লক্ষণা দ্বিতীয়টোত নাই; বৰং ইয়াত শব্দৰ অভিধা শক্তিয়েই প্ৰকাশিত। বহুতো সময়ত ফুকনৰ ৰচনাৰ মাজত থকা বৰ্ণনাৰ চিত্ৰময়তা বৰ মনোমোহা :

"ধাৰাসাৰ বৰষুণ, দীঘল আৰু ঘন তৰানি, আঁঠুৰনি বোকা-পানী, বাট নাই। এনেয়ে যোৱা অসম্ভৱ; কিন্তু হাতীয়ে বাট কৰি নি গ'ল—সেই বাটেৰেই আমিও পাছে পাছে গ'লোঁ। পোৱামাইলমান যোৱাৰ পিছত বাঁহ ভঙাৰ শব্দ পালোঁ। বুকুৰে চিৰা খুন্দিবলৈ ধৰিলে। এখন্তেক কাণ পাতি শুনিলোঁ" ইত্যাদি।

ভাবি ভকতৰ বৰ্ণনা চাওক—কিমান জীৱন্ত!

"চুটিকৈ ঘুটমুটীয়া মানুহজন। জাতিত নমঃশূদ্ৰ, বয়স ৪০।৪৫ৰ ভিতৰত হ'ব। চকুদুটি সৰু, গাৰ বৰণ ঘোৰ কৃষ্ণ নহলেও উজ্জ্বল শ্যামবৰ্ণ নহয় অৰ্থাৎ ক'লা। চুলি দীঘলকৈ ৰাখিছে, প্ৰায়ে মেলি থয়। কিন্তু সময়ত কেতিয়াবা পিন্ধিউৰি ওলোৱাত বলেৰে টানি অতি কষ্টেৰে তামোল এটাৰ সমান খোপা এটা বান্ধে। অঙ্গবস্ত্ৰ আঁঠুৰ তললৈ নাযায়। অন্য অঙ্গবস্ত্ৰ পাঁচ ঋতুতে নাথাকে; অতি শীতল চুটি কাপোৰ এডুখৰি গাত লয়।"

ইমান কম শব্দৰ মাজত এনে জীৱন্ত বৰ্ণনা এটি দিব পৰাটো সঁচাকৈয়ে কৃতিত্বৰ পৰিচায়ক। H. Read এ তেওঁৰ English Prose Style নামৰ গ্ৰন্থত বৰ্ণনাদক্ষতা সম্পৰ্কে এনেভাবে কৈছে : The object of narrative is to transmit to the reader and exact visual aecount of the object or action represented. What is seen mu·t be translated in to symbole by the writer, and there symbols must in turn con\ey to the reader the impression of the things seen." ৰীতিৰ এই সংজ্ঞাৰে ফুকনৰ অনেক বৰ্ণনাকে ওজন কৰিব পাৰি।

তেওঁৰ ৰচনাত প্ৰসাদ আৰু ওজঃ দুয়োটা গুণেই আছে। য'তেই উৎকণ্ঠা, উদ্বেগ বা আন কোনো ভাৱাবেগৰ তীব্ৰতাই বাট বিচাৰিছে, ৰচনা ত'তেই ওজঃগুণ-সম্পন্ন হৈছে; আৰু য'তেই অচঞ্চল ভাবে তেওঁ বিষয়ৰ বৰ্ণনা কৰিছে, ত'তেই ৰচনা হৈ উঠিছে প্ৰসাদ গুণসম্পন্ন।

ওজঃগুণ-সম্পন্ন উদাহৰণ এটি দিওঁ ঃ

> "...ইত্যাদি শব্দেৰে সুপ্ত বনস্থলীক সজাগকৈ তুলিলোঁ। পাঁচোটা হাতীৰ বাঁহ ভঙা শব্দৰ ধ্বনি প্ৰতিধ্বনিয়ে দশোদিশ মুখৰিত কৰি তুলিলে। হঠাৎ আকৌ নিস্তব্ধ।...দহহাত অন্তৰতে পাই কপালত ৰক্ত-চন্দনৰ বজ্ৰললটিকা পিন্ধাই দিয়া হ'ল; তেওঁ সগৌৰৱে আঁঠু ল'লে। ময়ো সসম্ভ্ৰমে অগ্নিবাণ নিক্ষেপ কৰি মৃত্যু-মঙ্গল আচৰণ কৰিলোঁ।... মহাদৰ্পী একছত্ৰী গজৰাজ ৰাজ-চক্ৰৱৰ্তীক ধৰাশায়ী দেখি জীৱৰ পৰিণাম ভাবোঁতে বিষাদৰ এচমকা ক'লা-ডাৱৰে সূৰ্য্যৰ গৌৰৱ প্ৰখৰ ৰশ্মি খন্তেকলৈ মলিন কৰি দি গ'ল।"

ফুকনৰ ৰচনাৰ ডাঙৰ গুণ হ'ল ভাৱৰ স্বতঃস্ফূৰ্ত প্ৰকাশ। মনলৈ অহা সকলো ঘটনা, কাহিনী, চিত্ৰ বা চৰিত্ৰকে অৱলীলাক্ৰমে বৰ্ণনা কৰি তোলাৰ ক্ষমতা ফুকনৰ আছিল। ক'তো ভাৱ-প্ৰকাশত শব্দৰ নাটনি পৰা নাই। লগে লগে হাস্য-কৌতুকো কৰি গৈছে; কৰ'বাত গধুৰ কথাও একে সুৰতে কৈ গৈছে। যেনে ঃ

> "বৰ্তমান শিক্ষাই প্ৰকৃত সত্যৰ স্বৰূপ কিমানদূৰ প্ৰকাশ কৰিব পাৰিছে কোৱা টান। মোৰ বিশ্বাস শিক্ষাই অশিক্ষাই এয়েই জীৱন। দিনৰ পিছত দিন যাব, যুগৰ পিছত যুগ যাব সুখ-দুখৰ সমাৱেশত জীৱন চলিয়েই থাকিব। মনৰ গতিয়েই সুখ-দুখ নিৰাকৰণ কৰে, সুখ-দুখৰ স্ৰজন, পালন, সংহৰণ কৰে।"

কেতিয়াবা নিজক লৈয়ো কৌতুক কৰিছে—যেনে ঃ "মোৰ বয়স তিনিকুৰিৰ ওচৰ চাপিছে। ময়ো পৰ্বতত হাতী মাৰিবলৈ ওলোৱা শুনি কিছুমানে নিৰস্ত কৰিবলৈ চেষ্টা কৰিছিল আৰু কিছুমানে মিচিকিয়াই হাঁহিছিল; হাঁহিৰ অৰ্থ, 'বুঢ়া কিদৰে আওমৰণে মৰে চোৱাহঁ'ক'।"

ফুকনৰ এনে বাক্য-ৰীতিয়ে বেজবৰুৱাৰ বাক্য-ৰীতিলৈ মনত পেলাই দিয়ে। অৱশ্যে বেজবৰুৱাৰ শব্দ-প্ৰয়োগৰ ক্ষমতা কোনো অসমীয়াৰ

লিখকৰ লগতেই তুলনা কৰিব নোৱাৰি। তথাপিও ফুকনৰ ৰচনা পঢ়ি ভাব হয় যে ফুকনে নিয়মীয়াকৈ কাপ ব্যৱহাৰ কৰা হলে, তেওঁৰ কাপেও অনন্যসাধাৰণ সৃষ্টি কৰি গ'লহেঁতেন। তেওঁৰ ব্যক্তিত্বও সেই সময়ত যথেষ্ট প্ৰভাৱশালী ব্যক্তিত্ব আছিল ; তেওঁৰ ৰচনায়ো তেওঁৰ ব্যক্তিত্বৰ সমানেই প্ৰভাবশালীতা লাভ কৰিলেহেঁতেন —সেই বিষয়ে কোনো সন্দেহ নাই। তেওঁৰ কমসংখ্যক ৰচনাৰ মাজেৰেই তেওঁৰ ব্যক্তিত্বক আমি স্পষ্টভাবে অনুভৱ কৰোঁ।

Bonamy Dobrèeএ তেওঁৰ Modern Prose Style নামৰ গ্ৰন্থত লিখিছে—"The question of words, however is largely a matter of mind ; and the mind we know, is only a part of the personality"।

সেই বাবেই এজন লেখকে যেতিয়া লিখিবলৈ লয়, তেওঁৰ অজ্ঞাতেই, তেওঁৰ ৰচনাত তেওঁৰ কোৱাৰ ঠাঁচ, তেওঁৰ নিজস্ব ভাব স্পন্দন আৰু ধ্বনি-বৈশিষ্ট্যই স্থান উলিয়াই লয়। এইবোবৰ যোগেৰেই লিখকজনক আমি চিনি পাওঁ, তেওঁৰ কণ্ঠস্বৰ যেন শুনিবলৈ পাওঁ।

দেশভক্ত ফুকনক তেওঁৰ চিকাৰ-কাহিনীৰ মাজতেই যেন স্পষ্টকৈ অনুভৱ কৰোঁ। চিকাৰী ফুকন, বাক্‌বিদগ্ধ ফুকন, চতুৰ ফুকন, হাস্যৰসিক ফুকন আৰু উদাৰ প্ৰশস্ত মনৰ ফুকনৰ বৰ্ণাঢ্য ব্যক্তিত্বই তেওঁৰ ৰচনাৱলীৰ মাজেৰে ভুমুকিয়াই গৈছে। সেই বাবেই তেওঁৰ স্টাইল তেওঁৰ ব্যক্তিত্বৰ নিৰ্ভুল পৰিচায়ক।

# ফুকনৰ সাহিত্য-সম্ভাৰ

শ্ৰীৰামচৰণ ঠাকুৰীয়া

উনবিংশ শতাব্দীৰ শেষ দশকৰপৰা বিংশ শতাব্দীৰ চতুৰ্থ দশকমানলৈকে অসমীয়া সমাজ-সংস্কৃতিৰ এই আঢ়ৈকুৰি বছৰীয়া ইতিহাস—যি দুজন সিংহ-পুৰুষৰ বিশাল ব্যক্তিত্ব আৰু প্ৰতিভাৰদ্বাৰা বিশেষভাৱে প্ৰভাৱান্বিত—তেওঁলোক দুজন হৈছে—ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা আৰু দেশভক্ত তৰুণৰাম ফুকন। বেজবৰুৱাৰ কাপ আৰু ফুকনৰ মাত—এই দুয়োটাই আছিল সেই-কালৰ অসমীয়া মানুহৰ বাবে 'আপুৰুগীয়া সম্পদ'। বেজবৰুৱাৰ কাপৰ প্ৰতিটো সৃষ্টিয়ে যিদৰে তেতিয়াৰ মানুহক প্ৰেৰণা দিছিল জাতীয় ভাৱেৰে উদ্বুদ্ধ হবলৈ—ফুকনৰ একো একোটি ভাষণেও সেইদৰে পৰাধীনতাৰ কালৰ হাজাৰ হাজাৰ যুৱক-যুৱতীক সাহস যোগাইছিল মৃত্যু-যজ্ঞত আহুতি দিবলৈ। শুনামতে, অসম সাহিত্য সভাৰ ধুবুৰী অধিবেশনৰ সময়ত সভাপতিৰ ভাষণ শুনিবলৈ যিমান মানুহ গোট খাইছিল, ফুকনৰ অলিখিত ভাষণ শুনিবলৈ হেনো তাতকৈয়ো অনেক বেছি লোক সমবেত হৈছিল। বহুতৰ মতে, দেশভক্তৰ সেই দিনাৰ ভাষণে সদৌ অসমৰ সমবেত সাহিত্যিকসকলক এনেভাৱে মুগ্ধ কৰিছিল যে তাৰ ফলতেই তেওঁলোকে পিছৰ বছৰ গোৱালপাৰাত বহা সাহিত্য সভাৰ দশম বছৰেকীয়া অধিবেশনত ফুকনক সভাপতিৰ আসনত বহুৱাই বৰণ কৰিছিল। সঁচাকৈয়ে ফুকনৰ ব্যক্তিত্বৰ কোনো তুলনা নাছিল। তেওঁৰ জীৱন আছিল—দৰাচলতে এক বিৰাট সম্ভাৱনাৰ জীৱন। তথাপিও এই কথা মানিবই লাগিব যে বেজবৰুৱাৰ জীৱনত ব্যক্তিত্ব আৰু প্ৰতিভাৰ যিদৰে অপূৰ্ব সমন্বয় ঘটিছিল, ফুকনৰ জীৱনত ই তেনেদৰে ঘটা নাছিল। অসাধাৰণ প্ৰতিভা লৈ জন্ম গ্ৰহণ কৰিলেও প্ৰতিভাৰ দ্যুতিতকৈ ব্যক্তিত্বৰ ব্যাপ্তিতহে ফুকন আছিল অধিক জ্যোতিষ্মান।

বেজবৰুৱাৰ জীৱনৰ প্ৰধান বিচৰণ ক্ষেত্ৰ আছিল—সাহিত্য-জগত; কিন্তু ফুকনৰ বিচৰণ ক্ষেত্ৰ আছিল—ৰাজনীতি-জগত। গতিকে স্বাভাৱিকতে বেজবৰুৱাৰ নিচিনাকৈ দেশভক্ত ফুকনে সাহিত্য-সৃষ্টিত মনোনিবেশ কৰিব পৰা নাছিল। তেওঁ যি দুই এখন পুথি ৰচনা কৰিছিল,—ই আছিল তেওঁৰ

ৰাজনৈতিক জীৱনৰ ক্ষন্তেক জিৰণিৰ কীৰ্তি মাত্ৰ। ফুকনৰ ৰচিত গ্ৰন্থ হিচাপে অসমীয়া ভাষাত মাত্ৰ দুখন গ্ৰন্থহে আগতে প্ৰকাশ পাইছিল; সেই দুখন হৈছে,—'স্তুতিমালা' আৰু 'যৌন-তত্ত্ব'। অৱশ্যে আজি কেইবছৰমান আগতে 'আৱাহন' আদিত সিঁচৰতি হৈ থকা ফুকনৰ চিকাৰ সম্বন্ধীয় প্ৰবন্ধ-বোৰৰ সংগ্ৰহ 'চিকাৰ-কাহিনী'ও ছপা হৈ ওলাইছে; আৰু এইখনিৰে সৈতে তেওঁৰ ৰচিত পুথিৰ সংখ্যা বৰ্তমান তিনিখনলৈ বৃদ্ধি পাইছে। তদুপৰি আছে পুস্তিকাৰ আকাৰত প্ৰকাশিত তিনিখনি মূল্যবান ভাষণ।

দেশভক্তৰ সাহিত্যিক জীৱনৰ প্ৰথম কীৰ্ত্তি 'স্তুতিমালা' দুকুৰি চাৰিটা কবিতাৰ সমষ্টি; ১৯২৬ চনত এই পুথিখনি প্ৰকাশ পায়। প্ৰকাশক দুৰ্গাধৰ বৰকটকীৰ উল্লেখৰ পৰা জনা যায়—"এই স্তুতি পদখিনি দেশভক্ত ফুকনদেৱে তেওঁ যেতিয়া মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনত যোগ দিয়া হেতুকে এবছৰ কাল শিলচৰ জেলত বাস কৰিছিল, তেতিয়া লিখে।" স্তুতিমালাত সাধাৰণতে দুই ধৰণৰ কবিতা লক্ষ্য কৰা যায়,—প্ৰশস্তিমূলক স্তোত্ৰ-কবিতা আৰু সাধাৰণ ভক্তিমূলক স্তুতি-কবিতা। স্বৰূপাৰ্থত এই দুয়োবিধ কবিতাৰ লক্ষ্য একেই যদিও বিশেষ দেৱ-দেৱীৰ প্ৰশস্তিসূচক মাহাত্ম্য বৰ্ণনা স্তোত্ৰ কবিতা কেইটিৰ মূল কথা। আনফালে স্তুতি-কবিতা কেইটিৰ মূল ভাৱ হৈছে—ইষ্ট দেৱতাৰ ওচৰত উদ্বেলিত চিত্তেৰে আত্ম-নিবেদন। স্তুতিমালাত সন্নিৱিষ্ট গোপাল স্তোত্ৰ, গীতাসাৰ স্তোত্ৰ, পিতৃ স্তোত্ৰ, শ্ৰীমধুসূদন স্তোত্ৰ, কালী স্তোত্ৰ, নৱগ্ৰহ স্তোত্ৰ. কৃষ্ণ স্তোত্ৰ, অন্নপূৰ্ণা স্তোত্ৰ, মহেশ্বৰ স্তোত্ৰ, পৰম ব্ৰহ্ম স্তোত্ৰ, সূৰ্য্য স্তোত্ৰ, দশাৱতাৰ স্তোত্ৰ, গণেশ স্তোত্ৰ, মহালক্ষ্মী স্তোত্ৰ, পৰমাত্মা স্তোত্ৰ আদি ইয়াৰ প্ৰথম বিধৰ ভিতৰুৱা; আৰু ইষ্টদেৱ স্তুতি, মাতৃ স্তুতি, গুৰু স্তুতি, ব্ৰহ্মা স্তুতি, লক্ষ্মী স্তুতি, দুৰ্গা স্তুতি, পৰমেশ স্তুতি, গঙ্গা স্তুতি, আশুতোষ স্তুতি, সৰস্বতী স্তুতি, জগদ্ধাত্ৰী স্তুতি, কামাখ্যা স্তুতি আদি দ্বিতীয় বিধৰ অন্তৰ্গত।

বিষয়-বস্তু আৰু মৌলিকতাৰ বিচাৰৰ ফালৰ পৰা মানিবই লাগিব—ফুকনৰ স্তুতিমালাৰ এই কবিতাসমূহত উল্লেখযোগ্য কোনো বিশেষত্ব নাই। কাৰণ, ইয়াৰ সৰহখিনি কবিতাই সংস্কৃতস্তোত্ৰ-স্তুতি অথবা আন কবিতাৰ অনুবাদ মাত্ৰ। গীতা, ভাগৱত আদি ভক্তি শাস্ত্ৰৰ প্ৰত্যক্ষ প্ৰভাৱৰ উপৰিও 'গুৰু স্তোত্ৰম্', 'চৰ্পট পঞ্জৰিকা স্তোত্ৰম্' আনকি ইছলামী কবিতা 'আল্‌হাম্ দুলিল্লা'ৰ ভাঙণিও ইয়াত সন্নিৱিষ্ট হৈছে। অৱশ্যে আনৰ প্ৰভাৱ থাকিলেও

ভাৱ-বস্তু আৰু প্ৰকাশৰ ক্ষেত্ৰত স্তুতিমালাত শঙ্কৰ-মাধৱৰ কীৰ্তন ঘোষা আৰু নামঘোষাৰ প্ৰভাৱেই সবাতকৈ বেছি। কিয়নো, ইয়াৰ বেছিখিনি স্তৱ-স্তুতিতে গুৰু দুজনাৰ কাব্য-গীতৰ ৰসময়ী ভাৱ-ভক্তি প্ৰকাশৰ উপৰিও তেওঁলোকৰ বিশেষকৈ মাধৱদেৱৰ নামঘোষাৰ পদ-লালিত্যৰ ধ্বনিও সঘনে প্ৰতিধ্বনিত হৈছে। উদাহৰণ স্বৰূপে: মাধৱদেৱৰ নামঘোষাত আছে: "এতেকে পৰমেশ্বৰ, দাস ভৈলো চৰণৰ, লোৱা প্ৰভু দেহ-প্ৰাণ-মন; চৰণ ছত্ৰৰ ছাঁয়া, দিয়া দূৰ কৰা মায়া, ৰক্ষা কৰা শ্ৰীমধুসূদন।" আনফালে ফুকনৰ শ্ৰীমধুসূদন স্তোত্ৰত দেখিবলৈ পাওঁ,—"এতেকে পৰমেশ্বৰ, দাস ভৈলো চৰণৰ, মোৰ গতি সাধিবে উচিত' আৰু 'চৰণ ছত্ৰৰ ছাঁয়া, দিয়া দূৰ কৰা মায়া. কৰা দয়া মোক ভগৱন্ত'। ই এটি সামান্য উদাহৰণহে মাত্ৰ। স্তুতিমালাত নামঘোষাৰ এনেকুৱা ভাৱ-ভাষা আৰু পদ-লালিত্যৰ প্ৰভাৱ বহু ঠাইতে লক্ষ্য কৰা যায়। স্তুতিমালাখনি দেশভক্তৰ ধৰ্মীয় ভাৱ-চিন্তাৰ ডায়েৰী স্বৰূপ। বিভিন্ন দেৱ-দেৱী আৰু সকলো ধৰ্মৰ প্ৰতি সহিষ্ণুতাৰ ভাৱ—ইয়াৰ অন্তৰ্নিহিত সুৰৰ মূল তাৎপৰ্য্য।

'বহুদৰ্শী আৰু ভুক্তভোগী কেইজনমান বন্ধুৰ আৰু নিজৰ কৰ্তব্যবোধত'—দেশভক্তই ৰচনা কৰা তেওঁৰ 'যৌন-তত্ত্ব'খনি প্ৰকাশ পায় ১৯৩৩ চনত। 'আদৰ্শ বিবাহিত জীৱন কিদৰৰ আৰু কিদৰে পাব পাৰি'—তাৰ আভাস দিবৰ উদ্দেশ্যে ৰচনা কৰা এই পুথিখনি তেওঁ উচৰ্গা কৰিছে,—"যিসকলে যৌন আকৰ্ষণৰ অদম্য উদ্দীপনাত সঙ্গ বিচাৰিছে, যিসকলে প্ৰেৰণাৰ ফলত আজি অন্তৰৰ হিয়া ভগা অসীম বেদনা অন্তৰত লুকাই থৈ দেই পুৰি মৰিছে, যিসকলে প্ৰণয়ৰ আতিশয্যাত অমৃত বিচাৰোঁতে হলাহল পাইছে, সেইসকলৰ প্ৰতি অন্তৰৰ অকৃত্ৰিম সহানুভূতিৰ চিন স্বৰূপে।"

যৌন-তত্ত্ব মুঠতে বাৰটা অধ্যায়ত বিভক্ত। প্ৰথম অধ্যায়ত যৌন-মিলনৰ তাৎপৰ্য্য আৰু যৌন-তত্ত্বৰ মূল কথাৰে বিষয় খণ্ডৰ পাতনি মেলি দ্বাদশ অধ্যায়ত জীৱন-সঙ্গিনীৰ স্বৰূপ আলোচনাৰে গ্ৰন্থৰ সামৰণি মৰা হৈছে। ফুকনৰ মতে যিহেতু জীৱসৃষ্টিৰ ওপৰতেই জগত নিৰ্ভৰ কৰিছে আৰু 'আজিৰ যৌন মিলন কালিৰ জীৱ-সৃষ্টি ভৱিষ্যত সমাজ'—গতিকে পুৰুষ-প্ৰকৃতিৰ মিলন অৱশ্যেই অপৰিহাৰ্য্য। কিন্তু লগতে এইটোও মনত ৰাখিবলগীয়া যে যৌন-মিলনৰ উদ্দেশ্য কেৱল বংশবৃদ্ধিতেই সীমাবদ্ধ নহয়, আৰু পুৰুষৰ বাবে 'তিৰোতা কেৱল শয্যাশায়িনী বা কামচৰিতাৰ্থত খেলাৰ পুতলি বা

ভোগবিলাসৰ বস্তু'ও নহয়। "তেওঁবিলাক আচলতে পূজাৰ্হা গৃহদীপ্তয়ঃ' অৰ্থাৎ পূজাৰ যোগ্যা আৰু গৃহৰ দীপ্তি স্বৰূপা। ধৰ্ম-অৰ্থ-কাম-মোক্ষ—এই চতুৰ্বৰ্গ সাধনাৰ সহায়কাৰিণী, প্ৰজাসৃষ্টিৰ আৰু প্ৰজাপালনৰ অধিষ্ঠাত্ৰী দেৱী। বাই-ভনীৰ প্ৰীতি, মাতৃৰ স্নেহ, ৰমণীৰ প্ৰেম মনুষ্যত্ব বিকাশৰ প্ৰধান উপাদান।" এই কথা উপলব্ধি কৰিছিল কাৰণেই ফুকনে বাৰে বাৰে সোঁৱৰাই দিছিল যে প্ৰকৃত প্ৰেমৰ উদ্ভৱহেই আচলতে পুৰুষ প্ৰকৃতিৰ মিলনৰ মূল তাৎপৰ্য্য। কিন্তু দুৰ্ভাগ্যৰ বিষয়, সংসাৰী মানুহৰ বেছিভাগৰ যৌন-মিলন সম্পৰ্কে এনে ধাৰণা নথকা হেতুকেই মানৱ-জীৱন মধুৰ হোৱাৰ পৰিৱৰ্তে অধিক ক্ষেত্ৰতে হৈ পৰে বিষপূৰ্ণ, আৰু কামনাৰ বশৱৰ্তী হৈ অমৃতপ্ৰায়ী মানৱ-সন্তানে পান কৰিবলগীয়া হয় তীব্ৰ হলাহল। আচৰিত মানিব লাগে, আজিৰ জন্ম-নিৰোধ প্ৰশ্ন অহাৰ ত্ৰকুৰি বছৰৰো আগতে অধিক ল'ৰা-ছোৱালী জন্ম দিয়া যে মহাপাপ—সেই কথা দেশভক্তই গভীৰভাৱে উপলব্ধি কৰিছিল। তেওঁ কৈছিল—"দাম্পত্য-জীৱনৰ সুখ পাবৰ বাঞ্ছা কৰিলে আৰু সমাজ উন্নত আৰু দৃঢ় কৰিবৰ সংকল্প মনত থাকিলে, সুস্থ আৰু সবল প্ৰজা সৃষ্টিৰ উপায় কৰিবঁ লাগিব।" বহুদৰ্শী ফুকনৰ দৃষ্টিৰ প্ৰসাৰতাৰে ই এক উজ্জ্বল নিদৰ্শন।

যৌনতত্ত্ব বিষয়ৰ গ্ৰন্থ হিচাপে দেশভক্তৰ এই গ্ৰন্থখনিয়েই অসমীয়া ভাষাৰ প্ৰথম পুথি; আৰু নিঃসন্দেহে সুদূৰদৰ্শী ফুকনৰ ই এক সাহসী পদক্ষেপ। ফুকনৰ বিশ্লেষণ পদ্ধতি যেনে পোন-পতীয়া, ভাষাও তেনে অনাড়ম্বৰ। বিষয় বস্তু আন আন ঠাইৰপৰাও গ্ৰহণ কৰা যদিও প্ৰতিপাদ্য বিষয়ৰ লগে লগে শৃঙ্গাৰ তিলক আৰু অন্যান্য ধৰ্মগ্ৰন্থৰ শ্লোক উদ্ধৃতিয়ে পুথিখনি অতি সুখপাঠ্য কৰি তুলিছে।

যৌনতত্ত্ব বিষয়ৰ গ্ৰন্থ ৰচনাৰ দৰে চিকাৰ-সাহিত্য ৰচনাৰ ক্ষেত্ৰতো ফুকনেই অসমীয়া সাহিত্যৰ বাটকটীয়া; আৰু প্ৰকৃতপক্ষে কবলৈ গলে, সম্প্ৰতি প্ৰক'শ পোৱা ফুকনৰ 'চিকাৰ-কাহিনী'খনেই অসমৰ ভূমিত চিকাৰৰ কথালৈ ৰচিত অসমীয়া সাহিত্যৰ লেখত লব লগীয়া গ্ৰন্থ। চিকাৰ-কাহিনী মূলতঃ হাতী-চিকাৰৰ বৰ্ণনা লৈ লিখা পুথি। সেয়ে হাতীৰ বিভিন্ন লক্ষণ, আ'ৰু তাৰ প্ৰকাৰ আদিৰ বৰ্ণনাই হৈছে—ইয়াৰ মূল উপজীব্য। কিন্তু তথাপিও— মন কৰিবলগীয়া যে ফুকনে তাৰ মাজে মাজে অসমৰ বিভিন্ন চৰাই-চিৰিকতি, মাছ, জীৱ-জন্তু আদিৰ মনোৰম চিত্ৰ একোটি অঙ্কন কৰিবলৈও পাহৰা নাই। অসমৰ বিভিন্ন জনজাতীয় লোকসকলৰ সহজ-সৰল জীৱনযাত্ৰা আৰু

ৰীতিনীতিৰ সহৃদয় প্ৰকাশ চিকাৰ কাহিনীৰ উল্লেখযোগ্য বিশেষত্ব। গাৰো পৰ্বতলৈ চিকাৰ বিচাৰি যাওঁতে তাৰ ভিতকৰা অঞ্চলত দেখি অহা গাৰো-সকলৰ আচাৰ-ৰীতিৰ বিস্তৃত বিবৰণৰ উপৰি 'ভৈয়ামৰ মানুহৰ দৰে দুখৰ কথা' সততে প্ৰকাশ নকৰা মিকিৰ ভাই-ভনীসকলৰ বিচিত্ৰ জীৱন যাত্ৰাৰ মনোৰম চিত্ৰ এটিও ফুকনৰ চিকাৰ কাহিনীত সন্নিবিষ্ট কৰা হৈছে ঃ "মিকিৰৰ নাচ ইংৰাজৰ নাচৰ দৰে, ঢোলৰ ছেৱে ছেৱে ঘূৰি ঘূৰি ঠেও লগাই নাচে। দেখি বৰ ভাল লাগিল। কোনো উদয়শঙ্কৰ পোৱা হলে সালসলনি কৰি আধুনিক ধৰণৰ কৰি আমেৰিকা আদি ঠাইত প্ৰচাৰ কৰি ধন্যবাদো পালেহেঁতেন আৰু ধনো ঘটিলেহেঁতেন।" অকল ইমানেই নহয়, ফুকনৰ চিকাৰৰ বৰ্ণনাত ৰাজনৈতিক জীৱনৰ চিত্ৰ একোটিও মাজে মাজে দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে তেওঁৰ হাতী-চিকাৰৰ কাহিনীটোত সেই সময়ৰ কংগ্ৰেছ-মন্ত্ৰীসভাৰ ওপৰত অনাস্থা দিয়া ৰাজনৈতিক আন্দোলনৰ বিবৰণটোৱেহে মুখ্য স্থান লাভ কৰিছে।

চিকাৰ-কাহিনী দেশভক্তৰ নিজস্ব ৰচনা-কীৰ্তিৰ শ্ৰেষ্ঠ নিদৰ্শন। ঘৰুৱা শব্দ-সম্ভাৰৰ লগত প্ৰচুৰ তৎসম শব্দৰ নিখুঁটপ্ৰয়োগ আৰু পুৰণি পদ পুথিৰ উদ্ধৃতিয়ে বৰ্ণনাসমূহক অধিক আকৰ্ষণীয় কৰি তুলিছে। ড° নেওগে ঠিকেই মন্তব্য দিছে ঃ "দীপৰ বিলৰ গজৰাজলৈ বন্দুক টোৱাই অনন্ত কন্দলিৰ পদ কিম্বা কালিদাস আওৰোৱা নিপুণ চিকাৰী ফুকনৰ বৰ্ণনাত সহজ সাহিত্যশ্ৰী ফুটি উঠিছে।"

দেশভক্তৰ ৰচনাত ওজঃ আৰু প্ৰসাদ এই দুয়োটা গুণেই দেখিবলৈ পোৱা যায়। তেওঁৰ লেখনীত এফালে যেনেকৈ গভীৰ দাৰ্শনিক কথাৰ সমাৱেশ হৈছে, আনফালে তেনেকৈ সৰল হাস্য-ৰসৰো সমন্বয় ঘটিছে। উদাহৰণ স্বৰূপে ইয়াত আমি দুটা মাত্ৰ নিদৰ্শন দেখুৱাব বিচাৰিছোঁ। প্ৰথম নিদৰ্শনটো তুলি দিছোঁ—ফুকনে সাহিত্য-সভাত পাঠ কৰা অভিভাষণখনিৰপৰা। অসম সাহিত্য সভাৰ গোৱালপাৰা অধিবেশনত তেওঁক সভাপতিৰ আসনত বহুৱাটোৱে কিমানদূৰ যুক্তিযুক্ত হৈছে—তাকে বুজাবলৈ গৈ তেওঁ এটা সাধুকথাৰ অবতাৰণা কৰিছে ঃ "বিখ্যাত ফৰাছী নাটলিখক মলিয়ৰৰ পুথিত বোলে আছে—এজন খৰিকটীয়া আছিল। সি ঘৈণীয়েকক বৰ ভাল পায়। কিন্তু তাৰ ধ্ৰুৱ বিশ্বাস যে ঘৈণীয়েকক নিকিলালে তাইৰ আচল গুণ প্ৰকাশ নাপায়। গুণগ্ৰাহী গিৰিয়েকে সেই বিশ্বাসমতেই ঘৈণীয়েকক

নিতৌ কিলায়। গিৰিয়েকৰ এই অন্যায় বিচাৰৰ হোৰ তুলিবৰ সুযোগ ঈশ্বৰে এদিন মিলালে। কাণসমনীয়া একেটি মাথোন ল'ৰাৰ হঠাৎ মৰা-মূৰ্ছা নৰিয়া হোৱাত বাপেকে ভাল ডাক্তৰ বিচাৰি বিচাৰি নাপাই খৰিকটীয়াৰ ঘৰ ওলালগৈ। ঘৈণীয়েকক লগ পাই ভাল ডাক্তৰৰ কথা সোধাত তাই গিৰিয়েকেই উত্তম ডাক্তৰ বুলি ডাঠি কলে আৰু তাৰ পৰিচয় দি, ক'ত লগ পাব তাকো কলে। আৰু ইযাৰো কলে—"কিন্তু বোপা! তেওঁ সুচক বেজ হলেও নিজে বেজ বুলি স্বীকাৰ নকৰে। তুমি যদি বলেৰে নি ভালকৈ কিলোৱা তেন্তে তেওঁ স্বীকাৰো কৰিব আৰু দৰব দি তোমাৰ ল'ৰাকো নিশ্চয় ভাল কৰিব।" সেইমতে খৰিকটীয়াক ধৰি নি ভালকৈ কিল সোধালত মৰণৰ আশঙ্কাত সি বেজ হওঁ বুলি গাত ললে। সজ খৰিকটীয়াই ৰোগীৰ অপকাৰ নকৰাকৈ কি উপায়ে চিকিৎসা কৰিলে মৰণৰ হাত সাৰিব পাৰি তাকে ভাবিচিন্তি জৰাফুকা কৰাকে স্থিৰ কৰিলে আৰু—

উৰি গ'ল শগুনী পৰি গ'ল পাখি।
কোন কোন বিষক থৈছ ৰাখি ;—
হৰ বিষ্ণু হৰ, সব দুখ পানী হৈ পৰ।"

এই দৰে মন্ত্ৰ মাতি তিনি ফু মাৰি 'ল ৰা নিশ্চয় ভাল হ'ব' বুলি কৈ বিদায় ললে। মন্ত্ৰৰ বলত নহলেও ঈশ্বৰৰ ইচ্ছাত লৰা ভাল হ'ল, আৰু খৰিকটীয়া ককাই প্ৰসিদ্ধ বেজ বুলি জনাজাত হ'ল। কিন্তু কিলালেহে যে গুণ ওলাই সেই বিশ্বাস মনত থাকিলেও ঘৈণীয়েকক কিলাবলৈ এৰিলে আৰু সোধা মাত্ৰেই বেজ বুলি স্বীকাৰ কৰে। সেইদৰে নিৰ্য্যাতন কৰি মোকো প্ৰসিদ্ধ সাহিত্যিক কৰি তোলাৰ বাঞ্ছা আপোনালোকৰ সিদ্ধি হব বুলি আশা কৰি ময়ো কিললৈ পিঠি পাতি দিলোঁ। কিন্তু কিলত প্ৰাণান্ত যাতে নহয় তালৈ অকন চকু ৰাখিব।" ফুকনদেৱে গভীৰ আলোচনাৰ মাজত এনেদৰে হাস্যৰস অৱতাৰণা কৰাৰ দ্বিতীয় নিদৰ্শন এটি পোৱা যায়—অসম ছাত্ৰ সম্মিলনৰ অভিভাষণখনিত। 'কেৱল পুথিগত ৰাজনীতিলৈ কাৰ্য্যক্ষেত্ৰত' নামিলে 'কাৰ্য্য বিচক্ষণ ছৱালৰ আগতো' যে ভেৰা হবলগীয়া হয় ছাত্ৰ-ছাত্ৰীসকলক তাকে বুজাবলৈগৈ তেওঁ এই গল্পটো বৰ্ণনা কৰিছে : "এদিন কেইজনমান ছাত্ৰই ফুৰিবলৈ যাওঁতে দূৰতে বাঘ এটা দেখা পাই ভয়ত চিঞৰবাখৰ লগালে। লগত আছিল এজন বিশিষ্ট বৈয়াকৰণিক। ছাত্ৰসকলে বাঘলৈ ভয় কৰা দেখি তেওঁৰ বৰ খং উঠিল আৰু ছাত্ৰসকলক

ডবিয়াই কলে—"বাঘলৈ ভয় কৰাৰ কাৰণ কি আছে? জিঘ্রতীতি ব্যাঘ্র। ব্যাঘ্র ঘ্রা ধাতুৰ পৰা উৎপন্ন, সি নাখায়, ঘ্রাণহে লয়,"—এই বুলি বাঘক খেদি যাওঁতে মূৰ্খ বাঘে ব্যাকৰণ অৱমাননা কৰি বৈয়াকৰণিকক টানি লৈ গ'ল। নিৰুপায় ছাত্রসকলে হাই-হুৰুলি দি তেওঁক কোনোমতে বাঘৰ মুখৰ-পৰা ৰক্ষা কৰিলে। বাঘৰ কামোৰত বৈয়াকৰণিকে মৰণ যন্ত্রণা অনুভৱ কৰিলেও গুৰুৰ শিক্ষা মিছা আৰু ব্যাকৰণ ভুল এই দুটা কথা ভাবি তাতোকৈ বেছি যন্ত্রণা অনুভৱ কৰিছিল। 'চিকিৎসা পিছত হ'ব, মোক সম্প্রতি গুৰুৰ ওচৰলৈ নিয়া।' —এইদৰে বিশেষ অনুৰোধ, কৰাত লগৰীয়াসকলে তাকেই কৰিবলৈ বাধ্য হ'ল। গুৰুক লগ পাই এই ব্যাকৰণ-বিভ্রাটৰ কথা জনোৱাত গুৰুৱে ভ্রম-সংশোধন কৰি কলে,—'ব্যাকৰণ ভুল নহয়, তুমিহে ভুল বুজিছিলা। কাৰণ ব্যাকৰণৰ সূত্রই স্পষ্টকৈ কৈছে; —'উপসর্গেন ধাত্বর্থঃ বলাদন্যত্র নীয়তে' অর্থাৎ উপসর্গই পালে ধাতুৰ অর্থ বলেৰে আন পিনে নিয়ে, গতিকেই উপসর্গযুক্ত ব্যাঘ্রই ব্যাকৰণমতেই তোমাক বলেৰে স্থানান্তৰলৈ নিছিল।' উপসর্গই পালে সংসাৰৰ জ্ঞানশূন্য পণ্ডিতৰ ধাতু কেনিবা যায়। ব্যাকৰণ-বিশাৰদে এই হিতবাক্য তেতিয়াৰেপৰা সদায় মনত ৰাখি চলিছিল। ৰাজনীতিৰ সূত্র প্রকৃত কার্য্যৰ অভিজ্ঞতাৰ দ্বাৰাই হৃদয়ঙ্গম কৰি ল'ব নোৱাৰিলে কার্য্যক্ষেত্রত দুষ্ট, দৰ্পী কূটনীতিবিশাৰদ ৰাজকর্মচাৰী উপসর্গই দেশবাসীক "বলাদন্যত্র নীয়তে" অর্থাৎ ছলে-বলে-কৌশলে আন বাটলৈ নিয়ে।" এনেকুৱাই আছিল দেশভক্ত ফুকনৰ গভীৰ কথাৰ মাজত হাস্যৰস সৃষ্টিৰ অভিনৱ ৰীতি।

দেশভক্তৰ ৰচনাত হাস্যৰস অৱতাৰণাৰ প্রসঙ্গত এইখিনিতে তেওঁৰ 'নিংনি ভাৰৰীয়াৰ গীত'টোৰ কথাও উল্লেখ কৰিবলগীয়া। শিলচৰ জেলৰপৰা ওলাই কামৰূপী কথ্য ভাষাত ৰচনা কৰা এই গীতটো পঢ়িলে যি কোনো লোকৰে পেটৰ নাড়ী ছিগো-ছিগো অৱস্থা হয়। এই গীতটোৰ ক্ষেত্রত অৱশ্যে এইখিনিয়ে মনকৰিবলগীয়া যে ই এফালে যেনেকৈ দেশভক্তৰ ৰসাল ব্যক্তিত্বৰ বহিমু'খী প্রকাশ, আনফালে তেনেকৈ সেই সময়ৰ সাহিত্যিক ৰূপ-প্রকাশৰ বিৰুদ্ধেও এক প্রত্যাহ্বান স্বৰূপ। কাৰণ, 'সকলো অঞ্চলতে এটা মাত্র লিখিত ভাষাৰ' পৰিৱৰ্তে আঞ্চলিক ভাষাত সাহিত্য ৰচনা কৰাটো— তেতিয়াৰ সাহিত্যিকসকলৰ বাবে আছিল নিতান্তই মতবিৰুদ্ধ কথা; আৰু বেজবৰুৱাই সেই আদর্শ দাঙি 'বাঁহীত' ধনীৰাম দত্তৰ 'হা মোৰ হৰি' আৰু

উমেশচন্দ্ৰ বৰুৱাৰ 'হা মোৰ কাপাল' কবিতা দুটি প্ৰকাশ কৰি ইতিমধ্যে কিছু পৰিমাণে অপ্ৰিয়ভাজনো হৈছিল। কিন্তু দেশভক্তই বুজিছিল যে ষি কোনো স্থানীয় ভাষাৰ সংৰক্ষণে অসমীয়া ভাষাৰ কেতিয়াও অনিষ্ট নকৰে, বৰং সৌষ্ঠৱহে বঢ়াব। সেয়ে তেওঁ সেইবোৰলৈ অলপো কেৰেপ নকৰি নিভাঁজ কামৰূপী কথ্য ভাষাত ৰচনা কৰিছিল—নিংনি ভাৱৰীয়াৰ গীত। ড° নেওগে এই গীতটোৰ প্ৰসঙ্গত স্বৰূপ মন্তব্যই দিছে: 'তৰুণৰাম ফুকনে কামৰূপী স্থানীয় শৈলীত ৰচনা কৰা নিংনি ভাৱৰীয়াৰ গীত' ব্যক্তিগত সুকুমাৰ কবিতাৰ মন্ত্ৰৰূপৰ ছন্দ পৰিৱৰ্তনৰ' ধাৰাত 'আত্মসচেতন কাল-সন্ধিৰ পদাঙ্ক' নিৰ্দ্দেশক।

আমি আগতেই উল্লেখ কৰিছোঁ যে দেশভক্ত ফুকন মুখ্যতঃ আছিল বক্তা; সাহিত্য সৃষ্টি তেওঁৰ ক্ষন্তেক-জিৰণিৰ স্বাক্ষৰ মাত্ৰ। ফুকনে জীৱিত কালত কিমান সভা-সমিতিত যে বক্তৃতা দিছিল তাৰ লেখ জোখ নাছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় সভা-সমিতিত ফুকনে সাধাৰণতে লিখিত ভাষণ নিদিয়াৰ ফলত আৰু তেওঁৰ অলিখিত ভাষণ সমূহো সংৰক্ষিত নোহোৱাৰ ফলত বহুতো মূল্যবান সম্পদৰ পৰা আমি বঞ্চিত হৈছোঁ। এতিয়ালৈকে দেশভক্তৰ মাত্ৰ তিনিখন ভাষণহে আমি পঢ়িবলৈ পাইছোঁ; সেই তিনিখন হৈছে পাণ্ডুনগৰত অনুষ্ঠিত নিখিল ভাৰত কংগ্ৰেছ মহাসভাৰ সময়ত দিয়া ভাষণ, অসম সাহিত্য সভাৰ সভাপতি হিচাপে দিয়া অভিভাষণ আৰু অসম ছাত্ৰ সন্মিলনৰ সভাপতিৰ আসনৰ পৰা দিয়া ভাষণ।

১৯২৬ চনত গুৱাহাটীৰ কাষৰৰ 'পাণ্ডু নগৰ'ত যি কংগ্ৰেছ মহাসভা অনুষ্ঠিত হৈছিল সেই সভাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল দেশভক্ত তৰুণৰাম ফুকন। ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা প্ৰতিনিধিসকলৰ সন্মুখত অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে ফুকনে তাত যিখন ভাষণ পাঠ কৰিছিল, সেইখন কেইবাটাও দিশৰ ফালৰ পৰা অতি মূল্যবান ভাষণ। সেই ভাষণত ফুকনে কৈছিল,—"স্বৰাজ লাভ কৰিবলৈ আমাৰ যি আশাশুধীয়া প্ৰচেষ্টা তাত যদি কোনো দুষ্ট শক্তিয়ে বাধা দিয়ে, তেন্তে তাৰ লগত দৃঢ়প্ৰতিজ্ঞ হৈ যুঁজ কৰিম এই বুলি একমুখে স্বীকাৰ কৰক আৰু ঘোষণা কৰক যে চিৰ চেনেহী দেশ-মাতৃক মুক্ত কৰিবলৈ আপোনালোকে যেনেতেনে শেষ মুহূৰ্ত্তলৈকে যুঁজ কৰিব। মই বৰ বেছি পৰিমাণে আশাবাদী আৰু মোৰ দৃঢ় বিশ্বাস আৰু স্পষ্ট ধাৰণা যে দহজনে ভবাতকৈ বেছি সোনকালে ভাৰত স্বাধীন হব,

যদি আমি সতত', আন্তৰিকতা আৰু একতাৰে জ্ঞানত প্ৰবৃত্ত হওঁ।" ভাষণখনি চমু হলেও তাৎপৰ্য্যপূৰ্ণ আৰু মূল্যবান। ই দেশভক্তৰ গভীৰ স্বদেশপ্ৰীতি আৰু আশাবাদী মনৰ চৰম প্ৰকাশ স্বৰূপ।

অসম সাহিত্য সভাৰ ১৯২৭ চনত গোৱালপাৰাত বহা দশম বাৰ্ষিক অধিবেশনত ফুকনে সভাপতিৰ আসনৰ পৰা পাঠ কৰা অভিভাষণখনিও সাহিত্য সভাৰ সভাপতিসকলে দিয়া অন্যান্য ভাষণসমূহৰ তুলনাত আকৃতিত সৰু আৰু অনাড়ম্বৰপূৰ্ণ। কিন্তু এই অভিভাষণখনিৰ এটি মন কৰিবলগীয়া বিশেষত্ব হৈছে—সঁচৰাচৰ সভাপতিসকলৰ ভাষণত থকাৰ দৰে ইয়াত অসমীয়া সাহিত্যৰ অতীত ৰোমন্থনৰ কোনো প্ৰয়াস নাই। দেশভক্তই আৰম্ভণিতেই কৈ লৈছে—"সাহিত্য সভাৰ জন্ম-কাহিনী বহুতে কৈছে। আজিৰ সমাজত তুনাই কোৱাৰ আৱশ্যকতা মই নেদেখোঁ। অসমৰ অতীত গৌৰৱৰ কথা তুনাই কবলৈকো মোৰ ইচ্ছা নাই।" সেয়ে ফুকনদেৱে তেওঁৰ অভিভাষণত অসমীয়া সাহিত্যৰ বিভিন্ন অভাৱবোৰৰ কথাৰ প্ৰতিহে বিশেষ লক্ষ্য ৰাখিছে, আৰু সেইবোৰ আঁতৰাই অসমীয়া ভাষা-সাহিত্যক শক্তিশালী কৰিবৰ বাবে আমাৰ ভাষাত বিজ্ঞান বিষয়ৰ পুথি ৰচনা, বিদেশী শব্দৰ ব্যৱহাৰ, অনুবাদ-কাৰ্য্য আদিৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে। ৰাজনীতিবিদ হিচাপে অসমৰ বিবিধ সমস্যাৰ লগত পৰিচিত দেশভক্ত ফুকনৰ এই অভিভাষণখনিত অসমীয়া জাতিৰ স্বকীয় ঐতিহ্য বিকাশৰ প্ৰতি এক বৈজ্ঞানিক দৃষ্টিভঙ্গী প্ৰকাশ পাইছে।

অসম সাহিত্য সভাৰ সভাপতি হোৱাৰ এবছৰ পিছতেই ১৯২৮ চনত তেজপুৰত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনত দেশভক্তক সভাপতিৰূপে বৰণ কৰা হয়। সভাপতিৰ আসনৰপৰা তেওঁ দিয়া এই ভাষণখনিও বৰ্তমান অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে সঙ্কলন কৰা 'ভাষণমালা'ত সন্নিৱিষ্ট হৈ প্ৰকাশ পাইছে। ভৱিষ্যত অসমৰ আশা-ভৰষাৰ স্থল ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি জীৱনৰ বিয়লি বেলিকা দেশভক্তই দিয়া এই ভাষণখনি-প্ৰাচীন গুৰুকুলত কুলপতিয়ে দিয়া উদ্বোধনী বাণী স্বৰূপ। ছাত্ৰ সন্মিলনৰ উদ্দেশ্য, শিক্ষাৰ তাৎপৰ্য্য, ছাত্ৰৰ কৰ্তব্য আদিৰ বিষয়ে খোকোজা মাৰি আলোচনা কৰা ভাষণখনিৰ সামৰণিত ফুকনে আমাৰ তৰুণ-তৰুণীসকলক অসমৰ অতীত ঐতিহ্যৰ কথা সোঁৱৰাই দি উদাত্ত আহ্বান জনাই কৈছে,—"ভাৰত মহাযুদ্ধতো সহায় কৰিবৰ শক্তি-সামৰ্থ্য অসমৰো এদিন আছিল, খন্তেকলৈকো

নাপাহৰিবা। গৌৰৱময় অতীতক মনত ৰাখি, বৰ্তমান দুৰৱস্থালৈ চাই ভবিষ্যৎ গঢ়ি তুলিবৰ প্ৰবল আকাঙ্ক্ষা অন্তৰত জগাই তুলিবা। প্ৰাণপণে দাসত্ব মোচনৰ চেষ্টা কৰি ছাত্ৰ-জীৱন সাৰ্থক কৰা, দেশ-বাসীৰ শলাগৰ পাত্ৰ হোৱা, জননীৰ গৌৰৱ বঢ়োৱা, জগতৰ আদৰ্শ হোৱা, এয়ে মোৰ সবল গোহাৰি।" ইয়ো দেশভক্তৰ তীব্ৰ জাতীয়তাবোধ আৰু বলিষ্ঠ আশাবাদী মনৰে সম্যক পৰিচায়ক।

ইংৰাজীত 'ষ্টাইল ইজ দ্য ম্যান'—বুলি এষাৰি কথা আছে। ফুকনৰ ৰচনা-ৰীতি ইয়াৰ এক সাৰ্থক চানেকী। ফুকনে যি কথাই কৈছিল বা যি কথাই লিখিছিল তাতেই তেওঁৰ স্বকীয় কথন-ভঙ্গীৰ বিশিষ্ট ৰূপ এটি ফুটি ওলাইছিল। ফুকনৰ এই স্বকীয় কথন-ভঙ্গী আৰু ৰচনা ভঙ্গীৰ নিদৰ্শন হিচাপে তেওঁ বিহু সম্পৰ্কে লিখা আলচ এটাৰ সামান্য অংশ কিছু ইয়াত তুলি দেখুৱাইছোঁ: "বৰ্তমান যুগৰ জাতীয় ভাবে মুক্তিকামী ভাৰতবাসীৰ মনৰ পৰা প্ৰাদেশিক সঙ্কীৰ্ণতা বহু পৰিমাণে গুচাইছে! আগেয়ে প্ৰদেশৰ হিত সাধনেই দেশৰ শ্ৰেষ্ঠ সেৱা বুলি মানি লৈছিল। এতিয়া প্ৰদেশৰ মঙ্গলকাৰ্য্য ভাৰতৰ হিত সাধনাৰ লগত অভিন্নভাবে মিলি চলিছে। এজন ভাৰতবাসী কোন প্ৰদেশৰ মানুহ বাহিৰৰ সাজপাৰৰ পৰা অনুমান নকৰিলে কাৰ্য্যৰ পৰা চিনি উলিওৱা টান। শিক্ষিত মানুহ এজনে আত্মগোপন কৰোঁ বুলিলে তেওঁৰ প্ৰদেশৰ নিৰ্ণয় কৰা সহজ নহব। কিন্তু চ'তৰ শেষৰ বিহুৰ কথা উলিয়ালে দুখ-ডাৱৰে ঢাকি থকা মলিন মুখতো যদি প্ৰতিপদৰ জোনৰ দৰে একণ ধুনীয়া হাঁহি নোলায় তেন্তে জানিবা, নিশ্চয় তেওঁৰ অসমীয়া ভাব বা অসম-প্ৰীতি নাই। তেওঁ আচলতে বছেৰা।

জাতীয় উৎসৱেই জাতীয়তাৰ প্ৰাণ, জাতীয়তা ৰক্ষাৰ হেতু। বিহু গ'লে অসমীয়াৰ অসম হৈ নেথাকিব। অনাহাৰ আৰু অত্যাচাৰত আজি ভাৰত মৰাৰ দৰে। অসমৰ অৱস্থা কিন্তু সবাতোকৈ বেয়া। কিন্তু মৰা বুলি পেলাই দিলেই নহব। আনন্দৰ সঞ্জীৱনী ছটিয়াই মৃতকল্পা জননীক জীয়াবই লাগিব।

দেৱতাৰ শাপত বিৰহী যক্ষই শোকত বিমোৰ হৈ মেঘক কোৱাদি—

"তেনাৰ্থিত্বং ত্বয়ি বিধিবশাদ্দূৰবন্ধুৰ্গতোঽহং।
যাচঞা মোঘা বৰমধিগুণে নাধমে লব্ধকামা।"

আমিও আজি আমাৰ হিয়াভগা দুখ পাহৰোৱা নিচেই আপোন বিহুক কওঁ ঃ

আহিছে বসন্ত বলিছে মলয়া,
কুলিৰো সুৱদি মাত,
আয়ে মোৰ শোকত চকুলো টুকিছে,
হিয়া-মোৰ নপৰে শাঁত।
হেৰা বিহু মোৰ সাদৰি মাতিছোঁ,
ধৰাচোঁ মোহিনী-বেশ,
লাহ-বিলাহত দুখ পাহৰাই
ৰঙতে পুৰোৱা দেশ।"

কথাখিনি চমু ; কিন্তু এই অলপ কথাৰ ভিতৰতে অসমৰ জাতীয় উৎসৱ—ৰঙালী বিহুৰ যি ফটফটীয়া ছবি এখন ফুকনে দাঙি ধৰিছে,—সেইটোহে বিস্ময় মানিবলগীয়া। সদৌ শেষত অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ ভাষাৰেই আমি ডাঠি কব পাৰোঁ যে "দেশভক্ত ফুকনে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱিহনা লেখত তাকৰ হলেও জোখত গধুৰ। ফুকন ডাঙৰীয়াৰ এই সাহিত্য সম্ভাৰ ভাষা-সাহিত্যৰ বুৰঞ্জীত উলাই কৰিব পৰা বিধৰ নহয়।"

ঃ সমাপ্ত ঃ